AS-01-4.1(A)

# দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান
# Institute of Distance and Open Learning Learning
# গুৱাহাটী বিশ্ববিদ্যালয়
# Gauhati University

অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)

**M. A. in Assamese (01)**

পাঠ্যবিষয় ঃ ৪.১ (Course : 4.1)

## ভক্তি সাহিত্য
## (Bhakti Literature)

## বিষয়সূচী (Contents)


**পাঠ্যবিষয়ৰ পৰিচয়** (Course Introduction)

**প্ৰথম খণ্ড ঃ ভক্তি অৰু ভক্তি জাগৰণ**

প্ৰথম বিভাগ ঃ ভক্তিৰ স্বৰূপ
দ্বিতীয় বিভাগ ঃ ভাৰতীয় ভক্তি আন্দোলনৰ পটভূমিত অসম
তৃতীয় বিভাগ ঃ ভক্তিতত্ত্ব প্ৰকাশক পুৰাণ-উপপুৰাণ

**দ্বিতীয় খণ্ড ঃ অসমীয়া ভক্তি ধৰ্ম আৰু ভক্তি সাহিত্য**

প্ৰথম বিভাগ ঃ অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ সাধাৰণ আভাস (শংকৰদেৱৰ পৰা উত্তৰ বৈষ্ণৱ যুগলৈ)
দ্বিতীয় বিভাগ ঃ শংকৰদেৱৰ 'ভক্তি-প্ৰদীপ'
তৃতীয় বিভাগ ঃ মাধৱদেৱৰ 'ভক্তি-ৰত্নাৱলী'

**তৃতীয় খণ্ড ঃ শৈৱ ধৰ্ম আৰু অসমীয়া শৈৱ সাহিত্য**

প্ৰথম বিভাগ ঃ শৈৱ ধৰ্ম আৰু অসমীয়া শৈৱ সাহিত্য
দ্বিতীয় বিভাগ ঃ ৰুদ্ৰসিংহৰ 'শিৱ-পুৰাণ'

**চতুৰ্থ খণ্ড ঃ শাক্ত ধৰ্ম আৰু অসমীয়া শাক্ত সাহিত্য ঃ**

প্ৰথম বিভাগ ঃ শাক্ত ধৰ্ম আৰু অসমীয়া শাক্ত সাহিত্য
দ্বিতীয় বিভাগ ঃ ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰী চণ্ডী'
তৃতীয় বিভাগ ঃ নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' (ভাটিয়ালী খণ্ড)

## Contributor

**Block 1 :**

| | |
|---|---|
| Dr. Bimal Mazumdar | Dept.of Assamese, Gauhati University |

**Block 2 :**

| | |
|---|---|
| Unit 1 : Mrinal Jyoti Goswami | Academic consultant<br>KKHSOU, Guwahati |
| Unit 2 : Khagendra Nath Talukdar | Retd. Professor in Assamese<br>Pub Kamrup College |
| Unit 3 : Dr. Narayan Das | Retd. Principal<br>DK Girls' College, Mirza |

**Block 3 :**

| | |
|---|---|
| Unit 1 : Dr. Dulumani Deka | Asstt. Professor, Pub Kamrup College |
| Unit 2 : Dr. Nabin Ch. Sarma | Retd. Professor<br>Dept. of Folklore Research, G.U. |

**Block 4 :**

| | |
|---|---|
| Unit 1 : Dr. Dulumani Deka | Asstt. Professor, Pub Kamrup College |
| Unit 2 & 3 : Dr. Nabin Ch. Sarma | Retd. Professor<br>Dept. of Folklore Research, G.U. |

**Content Editing**

| | |
|---|---|
| **Block 1 :** Dr. Nabin Chandra Sarma | Retd. Professor<br>Dept. of Folklore Research, G.U. |
| **Block 2, 3 & 4 :** Dr. Bimal Mazumdar | Dept. of Assamese<br>Gauhati University |

**Format & Copy Editing**

| | |
|---|---|
| Dr. Apurba Kr. Deka | Asstt. Professor<br>IDOL, Gauhati University |
| Dr. Neeva Rani Phukan | Asstt. Professor, KKHSOU, Guwahati |
| Bhaskarjit Borah | Part-time counsellor<br>IDOL, Gauhati University |

**Course Coordination**

| | |
|---|---|
| Dr. Kandarpa Das | Director, IDOL, Gauhati University |
| Dr. Upen Rabha Hakacham | Department of Assamese<br>Gauhati University |
| Dr. Apurba Kr. Deka | Lecturer in Assamese<br>IDOL, Gauhati University |

**Cover Page Design**

| | |
|---|---|
| Naba Kr. Choudhury | Department of Antropology<br>Gauhati University |


December, 2008

© Institute of Distance and Open Learning, Gauhati University. All rights reserved. No part of this work may be reproduced in any form, by mimeograph or any other means, without permission in writing from the Institute of Distance and Open Learning, Gauhati University. Further information about the Institute of Distance and Open Learning, Gauhati University courses may be obtained from the University's office at BKB Auditorium (1st floor), Gauhati University, Guwahati-14. Published on behalf of the Institute of Distance and Open Learning, Gauhati University by Dr. Kandarpa Das, Director and printed at Asom Printers, Guwahati-3., Copies printed 2000.

**Acknowledgement**

The Institute of Distance and Open Learning, Gauhati University duly acknowledges the financial assistance from the Distance Education Council, IGNOU, New Delhi for preparation of this material.

## অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

অসমীয়া বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম চাৰিটা ষান্মাসিকত সম্পন্ন হ'ব। প্ৰত্যেকটো ষান্মাসিকত পাঁচোটাকৈ পাঠ্যবিষয় (Course) থাকিব। প্ৰথম আৰু দ্বিতীয় ষান্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় আৰু তৃতীয় ষান্মাসিকৰ প্ৰথম চাৰিটা পাঠ্যবিষয় উমৈহতীয়া। সকলো বিদ্যাৰ্থীয়ে এই পাঠ্যবিষয়সমূহ অধ্যয়ন কৰিব লাগিব। । তৃতীয় ষান্মাসিকৰ পঞ্চম পাঠ্যবিষয়টো আৰু চতুৰ্থ ষান্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় দুটা শাখাত বিভক্ত হ'ব — সাহিত্য শাখা (ক) আৰু ভাষা শাখা (খ)। বিদ্যাৰ্থীসকলে যিকোনো এটা শাখাৰ পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব।

সমগ্ৰ পাঠ্যক্ৰমৰ সৰ্বমুঠ নম্বৰ ঃ **১৬০০**। প্ৰতিটো পাঠ্যবিষয়ৰ বাবে মুঠ নম্বৰ থাকিবঃ **৮০**। পাঠ্যবিষয়সমূহৰ মূল্যায়ন দুই ধৰণে হ'ব - আভ্যন্তৰীণ আৰু মূল পৰীক্ষা। দুয়োটা শিতানত নম্বৰ থাকিব এনেধৰণে —

আভ্যন্তৰীণ ঃ **১৬** (মুঠ নম্বৰৰ ২০ শতাংশ)।
মূল পৰীক্ষা ঃ **৬৪** (মুঠ নম্বৰৰ ৮০ শতাংশ)।

মূল পৰীক্ষাত বৰ্ণনাধৰ্মী আৰু চমু প্ৰশ্ন অথবা চমু টোকা —এই দুই ধৰণৰ প্ৰশ্ন থাকিব। দুয়ো প্ৰকাৰৰ প্ৰশ্নৰ বাবে নম্বৰৰ গঠন তলত দিয়া ধৰণৰ ঃ

| | | |
|---|---|---|
| বৰ্ণনাধৰ্মী প্ৰশ্ন | ঃ | **৪৮।** |
| চমু প্ৰশ্ন / চমু টোকা | ঃ | **১৬।** |

এই পাঠ্যক্ৰমৰ মূল্যায়ন **'Credit and Grading System'** ৰে সম্পন্ন হ'ব। প্ৰতিটো পাঠ্যবিষয়ৰ **'Credit Point'** হ'ল ৮ ।

ষান্মাসিক অনুসৰি এই পাঠ্যক্ৰম তলত দিয়া ধৰণৰ —

**প্ৰথম ষান্মাসিক**

**পাঠ্যবিষয়** ১.১ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদি আৰু মধ্যযুগ)
**পাঠ্যবিষয়** ১.২ অসমীয়া কবিতা
**পাঠ্যবিষয়** ১.৩ প্ৰাচ্য সাহিত্য সমালোচনা
**পাঠ্যবিষয়** ১.৪ অসমৰ সংস্কৃতি
**পাঠ্যবিষয়** ১.৫ ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়

**দ্বিতীয় ষান্মাসিক**

**পাঠ্যবিষয়** ২.১ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আধুনিক যুগ)
**পাঠ্যবিষয়** ২.২ অসমীয়া নাটক
**পাঠ্যবিষয়** ২.৩ পাশ্চাত্য সাহিত্য সমালোচনা
**পাঠ্যবিষয়** ২.৪ সাহিত্যৰ তত্ত্ব আৰু ধাৰা
**পাঠ্যবিষয়** ২.৫ সংস্কৃত সাহিত্যৰ বুৰঞ্জী

**তৃতীয় যান্মাসিক**

**পাঠ্যবিষয়** ৩.১ অসমীয়া গদ্য

**পাঠ্যবিষয়** ৩.২ অসমীয়া উপন্যাস

**পাঠ্যবিষয়** ৩.৩ অসমীয়া চুটিগল্প

**পাঠ্যবিষয়** ৩.৪ লিপি আৰু পাঠ-সমীক্ষা

**পাঠ্যবিষয়** ৩.৫ (ক) তুলনাত্মক সাহিত্য আৰু অনুবাদ প্ৰসঙ্গ
৩.৫ (খ) ভাষাবিজ্ঞান আৰু ইয়াৰ অধ্যয়ন ক্ষেত্ৰ

**চতুৰ্থ যান্মাসিক**

**পাঠ্যবিষয়** ৪.১ (ক) ভক্তি সাহিত্য
৪.১ (খ) মধ্যভাৰতীয় আৰ্যভাষাৰ পাঠ

**পাঠ্যবিষয়** ৪.২ (ক) সংস্কৃত সাহিত্য
৪.২ (খ) ভাৰতীয় আৰ্যভাষাৰ তুলনামূলক ব্যাকৰণ

**পাঠ্যবিষয়** ৪.৩ (ক) পাশ্চাত্য সাহিত্য
৪.৩ (খ) অসমীয়া ভাষাৰ ঐতিহাসিক বিকাশ আৰু ইয়াৰ সাম্প্ৰতিক গাঁথনি

**পাঠ্যবিষয়** ৪.৪ (ক) ভাৰতীয় সাহিত্য অধ্যয়ন
৪.৪ (খ) সমাজ-ভাষাবিজ্ঞান, উপভাষা-বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা

**পাঠ্যবিষয়** ৪.৫ (ক) বিশেষ লিখকৰ নিৰ্বাচিত ৰচনা
৪.৫ (খ) অসমৰ তিব্বত-বৰ্মীয় ভাষা আৰু ভাষাতত্ত্ব

---

## পাঠ্যবিষয় ৪.১
## ভক্তি সাহিত্য

গোট ১ ঃ **ভক্তি আৰু ভক্তি জাগৰণ**
ভক্তিৰ স্বৰূপ, ভক্তি জাগৰণ আৰু পুৰাণ সাহিত্য

গোট ২ ঃ **অসমীয়া ভক্তি ধৰ্ম আৰু ভক্তি সাহিত্য ঃ**
অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ সাধাৰণ আভাস (শঙ্কৰদেৱৰ পৰা উত্তৰ বৈষ্ণৱ যুগলৈ)
শংকৰদেৱৰ 'ভক্তি-প্ৰদীপ'
মাধৱদেৱৰ 'ভক্তি-ৰত্নাৱলী'

গোট ৩ ঃ **শৈৱ ধৰ্ম আৰু অসমীয়া শৈৱ সাহিত্য ঃ**
শৈৱ ধৰ্ম আৰু অসমীয়া শৈৱ সাহিত্য
ৰুদ্ৰসিংহৰ 'শিৱ-পুৰাণ'

গোট ৪ ঃ **শাক্ত ধৰ্ম আৰু অসমীয়া শাক্ত সাহিত্য ঃ**
শাক্ত ধৰ্ম আৰু অসমীয়া শাক্ত সাহিত্য
ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰী চণ্ডী'
নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' (ভাটিয়ালী খণ্ড)

## পাঠ্যবিষয়

# ভক্তি সাহিত্য

এই কাকতখনৰ বিষয়বস্তু হ'ল **ভক্তি সাহিত্য**। ভক্তিৰ সংজ্ঞা আৰু ধাৰণা, ভক্তি আন্দোলনৰ পটভূমি, পুৰাণ সাহিত্য, অসমীয়া ভক্তি সাহিত্য, অসমীয়া শৈৱ আৰু শাক্ত সাহিত্য আদি বিষয় এই কাকতখনত অন্তৰ্ভুক্ত হৈছে। অসমীয়া ভক্তি সাহিত্যক প্ৰতিনিধিত্ব কৰা শংকৰদেৱৰ **ভক্তি-প্ৰদীপ**, মাধৱদেৱৰ **ভক্তিৰত্নাৱলী**, ৰুচিনাথ কন্দলীৰ **শ্ৰীশ্ৰী চণ্ডী**, ৰুদ্ৰসিংহৰ **শিৱ-পুৰাণ** আৰু নাৰায়ণদেৱৰ **পদ্মাপুৰাণ** (ভাটীয়ালী খণ্ড) আদি ভক্তিমূলক গ্ৰন্থ কেইখন এই কাকতখনে সামৰি লৈছে। এই সমগ্ৰ বিষয়বস্তুক পৰ্যালোচনাৰ সুবিধাৰ্থে চাৰিটা খণ্ডত খণ্ডিত কৰা হৈছে—

| | | |
|---|---|---|
| **প্ৰথম খণ্ড** | **ঃ** | **ভক্তি আৰু ভক্তি জাগৰণ** |
| **দ্বিতীয় খণ্ড** | **ঃ** | **অসমীয়া ভক্তি সাহিত্য** |
| **তৃতীয় খণ্ড** | **ঃ** | **শৈৱ ধৰ্ম আৰু  অসমীয়া শৈৱ সাহিত্য** |
| **চতুৰ্থ খণ্ড** | **ঃ** | **শাক্ত ধৰ্ম আৰু অসমীয়া শাক্ত সাহিত্য** |

**প্ৰথম খণ্ডত** ভক্তিৰ সংজ্ঞা, ধাৰণা, বৈশিষ্ট্য আৰু ভক্তি পুৰাণৰ ইতিহাস উপস্থাপন কৰা হৈছে। পুৰাণৰ আলোচনাকো এই খণ্ডটিত সামৰি লোৱা হৈছে। **দ্বিতীয় খণ্ডটিত** অসমীয়া ভক্তি সাহিত্যৰ আভাস দিয়াৰ লগতে অসমীয়া ভক্তি সাহিত্যৰ দুখন মহত্ত্বপূৰ্ণ গ্ৰন্থ শংকৰদেৱৰ **ভক্তি-প্ৰদীপ** আৰু মাধৱদেৱৰ **ভক্তি-ৰত্নাৱলী**ক এই খণ্ডটিত অন্তৰ্ভুক্ত কৰা হৈছে। **তৃতীয় খণ্ডটিৰ** বিষয়বস্তু হ'ল শৈৱ ধৰ্ম আৰু অসমীয়া শৈৱ সাহিত্য। এই সন্দৰ্ভত শৈৱ আৰু শাক্ত এই দুয়োটা ধৰ্মৰ সাধাৰণ পৰ্যালোচনা দাঙি ধৰাৰ লগতে দুয়োটা ধৰ্ম বিষয়ক সাহিত্যৰ সাধাৰণ বৈশিষ্ট্যবোৰ আলোচনা কৰা হৈছে। **চতুৰ্থ খণ্ডটিত** আলোচিত হৈছে শাক্ত ধৰ্ম আৰু  অসমীয়া শৈৱ সাহিত্যৰ বিষয়ে। এই শিতানত ৰুচিনাথ কন্দলীৰ **শ্ৰীশ্ৰী চণ্ডী**, ৰুদ্ৰসিংহৰ **শিৱ-পুৰাণ** আৰু সুকবি নাৰায়ণদেৱৰ **পদ্মাপুৰাণ** এই গ্ৰন্থ তিনিখন সামৰি লোৱা হৈছে।

**প্ৰথম খণ্ড**

## ভক্তি আৰু ভক্তি জাগৰণ

এই খণ্ডটিত ভক্তিৰ স্বৰূপ, সংজ্ঞা আৰু ধাৰণা, ভক্তি জাগৰণৰ পটভূমি আৰু বৈশিষ্ট্য আৰু ভক্তিতত্ত্ব প্ৰকাশক পুৰাণৰ বিষয়ে বিশ্লেষণ কৰা হৈছে। এই খণ্ডটিক তিনিটা বিভাগত বিভক্ত কৰি লোৱা হৈছে—

| | | |
|---|---|---|
| **প্ৰথম বিভাগ** | **ঃ** | **ভক্তিৰ স্বৰূপ** |
| **দ্বিতীয় বিভাগ** | **ঃ** | **ভাৰতীয় ভক্তি আন্দোলনৰ পটভূমিত অসম** |
| **তৃতীয় বিভাগ** | **ঃ** | **ভক্তিতত্ত্ব প্ৰকাশক পুৰাণ-উপপুৰাণ** |

প্ৰথম বিভ াগত ভক্তিৰ সংজ্ঞা, প্ৰকাৰ, উৎস আৰু ভক্তিমাৰ্গৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। ভক্তিৰ প্ৰকাৰ শিতানত নৱধা ভক্তিৰ লগতে শ্ৰৱণ-কীৰ্ত্তন শ্ৰেষ্ঠত্ব আৰু সকাম আৰু নিষ্কাম ভক্তিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

দ্বিতীয় বিভাগত ভাৰতীয় ভক্তি আন্দোলনৰ ইতিহাসৰ বৰ্ণনে ঠাই পাইছে। ইয়াৰ লগতে ভাৰতীয় ভক্তি আন্দোলনৰ বৈশিষ্ট্যসমূহৰ বিষয়েও আলোচনা কৰা হৈছে। এই প্ৰসঙ্গতে অসমীয়া ভক্তি আন্দোলনৰ সাধাৰণ পৰিচয় দাঙি ধৰাৰ লগতে সেই সময়ত সৃষ্টি হোৱা সাহিত্যৰ এটি সম্যক ধাৰণাও দিবলৈ চেষ্টা কৰা হৈছে।

তৃতীয় বিভাগৰ বিষয়বস্তু হ'ল ভক্তিতত্ত্ব প্ৰকাশক পুৰাণ-উপপুৰাণ। পুৰাণ শব্দৰ অৰ্থ আৰু তাৎপৰ্য্য, উৎপত্তি আৰু ৰচনাকাল, লক্ষণ, সংখ্যা আদি বিভিন্ন দিশসমূহৰ আলোচনাই এই বিভাগটিত স্থান পাইছে। এই সন্দৰ্ভত মহাপুৰাণ আৰু উপপুৰাণৰ পৰিচয় উপস্থাপন কৰা হৈছে। ইয়াৰ লগতে প্ৰতিখন পুৰাণৰ একোটি চমু পৰিচয় দিবলৈও চেষ্টা কৰা হৈছে।

# প্ৰথম বিভাগ
# ভক্তিৰ স্বৰূপ

**বিভাগৰ গঠন**


১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ ভক্তিৰ সংজ্ঞা
১.৪ ভক্তিমাৰ্গৰ পৰিচয়
১.৫ ভক্তিৰ প্ৰকাৰ
১.৫.১ নৱধা ভক্তি
১.৫.২ শ্ৰৱণ কীৰ্ত্তনৰ শ্ৰেষ্ঠত্ব
১.৫.৩ সকাম-নিষ্কাম ভক্তি
১.৫.৪ অন্তৰঙ্গা, উত্তমা, সপ্ৰেমা ভক্তি
১.৬ ভক্তিৰ উৎস
১.৭ সাৰাংশ (Summing up)
১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৯ প্ৰসঙ্গ-গ্ৰন্থ (References/Suggested Readings)


## ১.১ ভূমিকা (Introduction)

কোনো এটা জাতি বা কোনো এখন সমাজৰ সংস্কৃতিৰ বিষয়ে বিচাৰ-বিশ্লেষণ কৰিব লগা হ'লে সেই জাতি বা সমাজৰ ধৰ্মীয় সাহিত্য অধ্যয়ন কৰিব লাগিব। ভাৰতীয় সাহিত্যৰ এক বিশাল অংশ ধৰ্মীয় তথা ভক্তি সাহিত্যই অধিকাৰ কৰি আছে। সেই সাহিত্যসমূহৰ বিষয়ে অধ্যয়ন কৰিব লাগিলে ভক্তিবাদ বা ভক্তিৰ স্বৰূপ সম্বন্ধে সাধাৰণভাৱে হ'লেও অৱগত হ'ব লাগিব। বৈদিক কালৰেপৰা বৰ্তমানলৈকে ভক্তিৰ ক্ৰমবিকাশৰ ইতিহাস পোৱা যায়। ভক্তিবাদ বা ভক্তিমাৰ্গ বুলিলে ভাৰতত আমি ঘাইকৈ বৈষ্ণৱ মাৰ্গকেই বুজোঁ তথাপি আন মাৰ্গ বা ধৰ্মৰ যে ভক্তি সাহিত্য নাই তেনে নহয়। যেনে, শৈৱ ভক্তি সাহিত্য আৰু শাক্ত ভক্তি সাহিত্য। হিন্দু ধৰ্মত তিনিগৰাকী দেৱতা ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ ভিতৰত বিষ্ণুকেই উপাস্য দেৱতা হিচাপে লোৱাৰ পৰাই বৈষ্ণৱ (বিষ্ণু + ষ্ণ) ধৰ্মৰ উৎপত্তি আৰু ক্ৰমবিকাশ ঘটিছে। এই বিষ্ণুৰ স্থিতিও বেদতেই পোৱা যায়। কিন্তু ভক্তি বুলিলে অকল বিষ্ণু ভক্তিকহে বুজায়, এনে নহয়। শিৱভক্তি, দুৰ্গাভক্তি বা গণেশভক্তিও ভক্তিমাৰ্গৰ ভিতৰতে পৰে। উপাস্য দেৱতা যিয়েই নহওঁক সাধন প্ৰণালীটোত যদি ভক্তিযোগ হয়, তেনেহ'লে সেই দেৱতাৰ উপাসকজনকো ভক্তিপন্থী বুলি ক'ব লাগিব। তথাপি সাধাৰণভাৱে বিষ্ণু বা বিষ্ণুৰ কোনো অৱতাৰ বিশেষ উপাস্য দেৱতা বুলি গ্ৰহণ কৰা সকলোকে ভক্তিবাদী বা বৈষ্ণৱপন্থী বুলি কোৱা হয়। এনে অৰ্থত ভক্তিপন্থীৰ সংখ্যাই ভাৰতবৰ্ষত সৰ্বাধিক। এই ভক্তিনো কি, ইয়াৰ কেনেদৰে উৎপত্তি হ'ল, কেনেদৰে ইয়াক শ্ৰেণীবিভাজন কৰিব পাৰি, ইয়াৰ দাৰ্শনিক পটভূমি কেনে ধৰণৰ, এই সকলোবোৰ দিশ এই অধ্যায়টিত আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

## ১.২ উদ্দেশ্য (Objectives)

এই অধ্যায়টিত ভক্তিৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰি ভক্তিৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ প্ৰয়াস কৰা হ'ব। অধ্যায়টি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে ঃ—

- ভক্তি সম্পৰ্কে ধাৰণা লাভ কৰি তাৰ যথোচিত সংজ্ঞা নিৰূপণ কৰিবলৈ সমৰ্থ হ'ব,
- ঈশ্বৰ প্ৰাপ্তিৰ চাৰিটা মাৰ্গ জ্ঞান, কৰ্ম, যোগ আৰু ভক্তিৰ লগত পৰিচিত হৈ সেই বিষয়ে বৰ্ণনা কৰিব পাৰিব,
- ভক্তিক কেই ভাগত ভগাব পাৰি, প্ৰতিটো ভাগৰ বিষয়ে অৱগত হৈ প্ৰয়োজন অনুসৰি সেইবোৰৰ বিষয়ে বিস্তৃত বিৱৰণ দাঙি ধৰিব পাৰিব,
- ভক্তিবাদ বা ভক্তিধৰ্ম কি পটভূমি বা দৰ্শনৰ আধাৰত গঢ় লৈ উঠিছে সেই সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব,
- সৰ্বোপৰি সামগ্ৰিকভাৱে ভক্তিৰ স্বৰূপ সম্পৰ্কে জ্ঞাত হৈ অসমীয়া ভক্তিধৰ্ম আৰু সাহিত্যৰ ক্ষেত্ৰত ইয়াৰ কেনেদৰে বিকাশ ঘটিছে, সেই বিষয়ে বিচাৰ-বিশ্লেষণ আগবঢ়াব পাৰিব।

## ১.৩ ভক্তিৰ সংজ্ঞা

ভক্তি কাক বোলে বা ইয়াৰ সংজ্ঞা একেযাৰতে দিয়া সম্ভৱ নহয়। কাৰণ ভক্তি সম্পৰ্কে বিভিন্নজনে বিভিন্ন সংজ্ঞা আগবঢ়াই আহিছে। আটাইবোৰ সংজ্ঞা উল্লেখ কৰাৰ পিছতহে ভক্তি সম্পৰ্কে এটি সামগ্ৰিক ধাৰণা গ্ৰহণ কৰিব পাৰি। ভক্তি সম্পৰ্কে বিভিন্ন দৃষ্টিকোণৰ পৰা বিভিন্ন বিচাৰ বিশ্লেষণ মন কৰিব লগীয়া। সাধাৰণভাৱে ভক্তি শব্দই ঈশ্বৰক কৰা সেৱা উপাসনাকে বুজায়। ভক্তি মানে ঈশ্বৰৰ প্ৰতি একান্ত অনুৰাগ, প্ৰগাঢ় প্ৰেম। মহৰ্ষি শাণ্ডিল্যই ভক্তিৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ গৈ ইয়াৰ সূত্ৰ দিছে এনেদৰে- "সা পৰানুৰক্তিৰীশ্বৰে"। অৰ্থাৎ ভক্তি হৈছে ঈশ্বৰত পৰম অনুৰক্তি। অনুৰক্তি; অসমীয়াত যাক ধাউতি বোলে। মনৰ ঘনে ঘনে ভাল লগা অৱস্থাটো যি বস্তু দেখিলে বা শুনিলে বা ভাবিলে উপস্থিত হয়, সেই বস্তুটোত বা বস্তুটোৰ প্ৰতি অনুৰক্তি বা অনুৰাগ হৈছে বুলি কোৱা হয়। কোনো এটা বস্তুত বা বিষয়ত যেতিয়া অনুৰক্তি সুগভীৰ হয়, আন সকলো অনুৰুক্তি তল পৰে। কোনো বিষয়ত পৰম অনুৰক্তি হয়, সেই বিষয়ৰ বাহিৰে আন কোনো বস্তু বা বিষয়ে মনত সন্তোষ লগাব নোৱাৰে। সকলো অনুৰক্তিক চেৰ পেলাই যি অনুৰক্তিয়ে স্থিতি লাভ কৰে শাণ্ডিল্য সূত্ৰত তাকেই পৰানুৰক্তি আখ্যা দিয়া হৈছে। কিন্তু ভক্তি হ'বলৈ হ'লে এই পৰাণুৰক্তি কেৱল ঈশ্বৰতহে হ'ব লাগিব (পৰাণুৰক্তি ঃ ঈশ্বৰ)। ঈশ্বৰৰ বাহিৰে আন বিষয়ত পৰানুৰক্তি হ'লে তাক ভক্তি আখ্যা দিয়া নহয়।

মহৰ্ষি শাণ্ডিল্যই ভক্তি সম্পৰ্কে যি সংজ্ঞা আগবঢ়ালে নাৰদ যেন তাত সম্পূৰ্ণৰূপে সন্তুষ্ট হ'ব নোৱাৰিলে। সেইবাবে তেওঁ 'পৰানুৰক্তিৰ' ঠাইত ক'লে 'পৰম প্ৰেমৰূপা- 'সা ত্বস্মিন্ পৰম প্ৰেমৰূপা'। অৰ্থাৎ ঈশ্বৰৰ প্ৰতি পৰম প্ৰেমেই ভক্তি। এই 'পৰম প্ৰেম' হ'ল সবাৰো ওপৰত, যাক পালে মানুহে আন একোকে বাঞ্ছা নকৰে। কোনো বস্তুৰ প্ৰতি অভিলাষ নাথাকে, সেই প্ৰেমকেই কোৱা হৈছে পৰম প্ৰেম। নাৰদীয় ভক্তিসূত্ৰৰ মতে, সেই পৰম প্ৰেমেই ভক্তি। এই ভক্তিসূত্ৰই আন এঠাইত অনিৰ্বচনীয় প্ৰেমৰ স্বৰূপকেই ভক্তি বুলিছে-"অনিৰ্বচনীয়ং প্ৰেম স্বৰূপম্।" কোনো কোনো শাস্ত্ৰত মনটো ভগৱানত সম্পূৰ্ণৰূপে নিৱিষ্ট কৰি কোনো ফলৰ আশা নকৰাকৈ তেওঁক নিৰন্তৰ ভজনা কৰাকে ভক্তি আখ্যা দিয়া হৈছে। নাৰদৰ পঞ্চৰাত্ৰ অনুসৰি প্ৰেম পৰিপ্লুত মন হৰিৰ প্ৰতি স্বাৰ্থশূন্য হৈ সদায় প্ৰবাহিত হৈ থকা অৱস্থাই ভক্তি- "মনোগতিৰৱিচ্ছিন্না হৰৌ প্ৰেম পৰিপ্লতা। অভিসন্ধিৰিনিৰ্মুক্তা ভক্তি বিষ্ণুৱশংকৰা।" আন এক সংজ্ঞা মতে, ভক্তি হৈছে এনে এক সূক্ষ্ম আৰু গভীৰ অনুভূতি, যাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি- "সূক্ষ্মতৰম্ অনুভৱ ৰূপম।" কোনো কোনোৰ মতে ভক্তি হ'ল সীমাহীন প্ৰাপ্তিৰ অবিৰত প্ৰয়াস। এনেদৰে আলোচনা কৰিলে দেখা যায় যে, ভক্তি সম্পৰ্কে বিভিন্নজনৰ বিভিন্ন সংজ্ঞাৰ প্ৰচলন আছে। প্ৰত্যেকটো সংজ্ঞাতে ভক্তিক বিভিন্ন দিশৰপৰা বিশ্লেষণ কৰি চোৱাৰ প্ৰয়াস কৰিছে। প্ৰকৃততে ভক্তি হ'ল

এটা মানসিক অৱস্থা। মানুহৰ খং, দুখ, শোক, আনন্দ আদি যেনেদৰে বিভিন্ন মানসিক অৱস্থা আছে, তেনেদৰে ভক্তিও এটা মানসিক অৱস্থা। যাক কোৱা হয় ভক্তি উপাসকৰ পমি যাব খোজা এটা মনৰ অৱস্থা। আনহাতে, ভক্তি এক গভীৰ অনুভৱ আৰু ই সদায় ধৰ্ম তথা ঈশ্বৰৰ দ্বাৰা সিক্ত।

ভক্তি মধুৰতকৈও সুমধুৰ। ভক্ত আৰু ভগৱানৰ মাজত সম্পৰ্ক স্থাপন হয় ভক্তিৰ যোগেদি। এই ভক্তিৰ যোগেদিয়েই ভক্তই ঈশ্বৰ প্ৰাপ্তি বা মোক্ষ প্ৰাপ্তিৰ বাবে অগ্ৰসৰ হয়। সেইবাবে এই ধৰ্মত ভক্তিৰ গুৰুত্ব সৰ্বাধিক। ভক্তি দুই প্ৰকাৰে সৃষ্টি হয়- ভয়ৰপৰা আৰু শ্ৰদ্ধাৰপৰা। বৈষ্ণৱ ধৰ্মৰ ভক্তি হ'ল শ্ৰদ্ধাৰপৰা সৃষ্টি হোৱা ভক্তি।

## ১.৪ ভক্তিমাৰ্গৰ পৰিচয়

হিন্দুধৰ্ম অনুসৰি চৰম উদ্দেশ্য হৈছে ঈশ্বৰ প্ৰাপ্তি বা মোক্ষ লাভ কৰা। এই উদ্দেশ্য পূৰণৰ পথ চাৰিটা- **কৰ্ম, জ্ঞান, যোগ** আৰু **ভক্তি**। এই চাৰিটাক একো একোটা 'মাৰ্গ' বা 'যোগ' বুলিও কোৱা হয়। ইয়াত 'যোগ' শব্দৰ অৰ্থ হ'ল কৌশল বা প্ৰয়োগ। গীতাতো "যোগঃ কৰ্মসু কৌশলম্" বুলি কৰ্ম কৰাৰ কৌশলকে যোগ বোলা হৈছে। সেইবাবে বহুতে ওপৰত উল্লেখ কৰা চাৰিটা মাৰ্গৰ ভিতৰত 'যোগমাৰ্গ' বুলি এটা সুকীয়া মাৰ্গৰ আলোচনা কৰা দেখা নেযায়। এইফালৰপৰা মাৰ্গ বা যোগ প্ৰধানকৈ তিনিটা কৰ্মযোগ, জ্ঞানযোগ আৰু ভক্তিযোগ। এই তিনিটাৰ যিকোনো এটা পথ বা মাৰ্গৰে অগ্ৰসৰ হৈ ভক্তই ঈশ্বৰ প্ৰাপ্তিৰ দিশে স্তৰে স্তৰে আগবাঢ়িব পাৰে। নাইবা একাধিক বা তিনিওটা মাৰ্গৰ পৰস্পৰ সমন্বয় ৰক্ষা কৰিও আগবাঢ়িব পাৰে। সেইবাবে এই যোগএয় পৰস্পৰ বিৰোধী নহয়। সকলো জান,জুৰি,নৈ বৈ গৈ শেষত সাগৰত পৰাৰ দৰে সকলো মাৰ্গেই ভক্তক ভেদহীন একে পৰমানন্দৰূপ সাগৰক পোৱায়গৈ-

*ৰুচিনাং বৈচিত্ৰাদ্ ঋজুকুটিলনানাপথজুৰাং*
*নৃপামেকো গম্যস্তমসি পয়সামৰ্ণৱ ইব।*

অৰ্থাৎ ৰুচি বেলেগ বেলেগ। সেইদেখি কোনোৰে পোন বাটে গৈ ভাল পায়, কোনোৰে অকোৰা-পকোৰা বাটেদি গৈহে ভাল পায়। সেই বাটবোৰেদি যোৱা যাত্ৰীসকলৰ জান, জুৰি,নৈৰ পানীবোৰ সাগৰত পৰাৰ দৰে তুমিয়েই একমাত্ৰ গম্যস্থল।

গন্তব্যস্থান একে হ'লেও যোৱা বাটকেইটাৰ নিজ নিজ বিশেষত্ব আছে। প্ৰথমটো বাট **কৰ্ম**। কৰ্মক সাধনৰূপে লৈ পৰম গতি পোৱাৰ কৌশলটো হ'ল কৰ্মযোগ। মানুহ কৰ্মত প্ৰবৃত্ত হয় সাংসাৰিক আৰু ইন্দ্ৰিয় সুখাদি লাভৰ প্ৰেৰণাত। ইয়াতকৈ ওখ প্ৰেৰণাত মানুহে কৰ্ম কৰে ইহলোকৰ সুখ বিচাৰি নহয়, পৰলোকৰ সুখ বিচাৰিহে। তেতিয়া কৰ্মৰ ফল ভোগৰ আকাংক্ষাৎ হয় পৰলোকত। কৰ্মৰ চূড়ান্ত অৱস্থাত কৰ্মকৰ্তাই ফলৰ আকাংক্ষা নকৰি কৰ্ম কৰি যায়, আৰু তাৰ ফল ঈশ্বৰক সমৰ্পিত হয়- "কৃষ্ণাৰ্পনমস্ত'। ইয়াকে গীতাত কোৱা হৈছে নিষ্কাম কৰ্ম। শ্ৰীকৃষ্ণই কৰ্মযোগ সৰ্বজনবোধগম্য কৰি গীতাত উপদেশ দি গৈছে। বস্তুতঃ কৰ্মযোগ উপনিষদৰ 'তেন ত্যক্তেন ভূঞ্জীথাঃ' ৰূপৰেই সম্প্ৰসাৰণ।

মুক্তিলাভ বা ঈশ্বৰ প্ৰাপ্তিৰ দ্বিতীয়টো পথ হ'ল **জ্ঞানযোগ** বা **জ্ঞানমাৰ্গ**। *শ্ৰীমদ্ভগৱতগীতা*ৰ চতুৰ্থ অধ্যায়ত এই জ্ঞানযোগৰ কথা বিশদভাৱে উল্লিখিত হৈছে। জ্ঞানৰ সীমা নাই, কিবা এটা জানিলে আকৌ আন কিবা এটা জানিবলৈ ইচ্ছা হয়। এনে এটা বস্তুক জানিব লাগিব যিটো জানিলে আৰু একো জানিবলৈ বাকী নাথাকে- 'যস্মিন্ ৱিজ্ঞাতে সৰ্বমিদং ৱিজ্ঞাতং ভৱতি'। সেই চৰম জ্ঞানৰ যোগ বা জ্ঞানে জ্ঞান যোগ। 'যোগ' শব্দৰ অৰ্থ হৈছে মিলন বা এক হোৱা। এক হ'বলৈ বা মিলিত হ'বলৈ দুটা জ্ঞান লাগিব- এটা হ'ল অহং জ্ঞান আৰু

আনটো হ’ল ব্ৰহ্মৰূপী জ্ঞান। এই দুই জ্ঞানৰ একাকাৰ হোৱাই অৰ্থাৎ অহং জ্ঞান লয় হৈ ব্ৰহ্মজ্ঞানৰূপে প্ৰকাশ হোৱাকে জ্ঞানযোগ বোলে। পানীত লোণ মিহলালে লোণ নোহোৱা হৈ পানী মাত্ৰ থাকে, অৰ্থাৎ লোণৰ জ্ঞান লুপ্ত হৈ পানীৰ জ্ঞানহে প্ৰকাশিত হয়। এই অৱস্থাত অহং জ্ঞান লুপ্ত হৈ এক ব্ৰহ্মজ্ঞানত লীন যায়। এয়েই জ্ঞানযোগ।

মুক্তি লাভৰ তৃতীয় পথ **যোগমাৰ্গ**। এই যোগ হঠযোগ নহয়, ৰাজযোগ । পতঞ্জলিত এই যোগৰ বিশদ শিক্ষা আছে। গীতাৰ ষষ্ঠ অধ্যায়তো ভগৱন্তই যোগমাৰ্গৰ বিষয়ে বিবৃতি দিছে। ইয়াত বুজাই দিয়া হৈছে যে যোগী আৰু সন্ন্যাসী একে। তেওঁ যোগীৰ স্থান, আসন, উপবেশনৰ নিয়ম আৰু প্ৰাণ-মন-বুদ্ধিৰ সংযম সাধন কৰি যোগপ্ৰাপ্তিৰ সুগম পথ দেখুৱাই দিলে আৰু যোগীৰ আহাৰ বিহাৰাদিৰ বিষয়েও উপদেশ দিছে। যোগমাৰ্গ সম্পৰ্কত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে ঃ

*যোগিনামপি সৰ্ব্বেষাং মদগতেনান্তৰাত্মনা।*
*শ্ৰদ্ধাৱান্ ভজতে যো মাং স মে যুক্ততমো মতঃ।।*

অৰ্থাৎ হে অৰ্জুন! মোৰ মতে যোগী হোৱা। যি শ্ৰদ্ধাবান মানুহে মদ্‌গত চিত্তেৰে মোক ভজনা কৰে, তেওঁ সকলো যোগীতকৈ শ্ৰেষ্ঠ।

কৰ্ম, জ্ঞান, যোগ, ভক্তি- এই আটাইকেইটা পথেৰেই মুক্তি বা ঈশ্বৰ প্ৰাপ্তিৰ বাবে প্ৰয়াস কৰিব পাৰি। কিন্তু আটাইকেইটা মাৰ্গেৰে ঈশ্বৰ প্ৰাপ্তিৰ ক্ষেত্ৰত দুষ্কৰ কাৰ্য সাধন কৰিবলগীয়াত পৰে। তুলনামূলভাৱে ভক্তি মাৰ্গ সহজ, যাক কোৱা হয় সুগম পন্থ। ঈশ্বৰৰ কৰুণা পাবলৈ হ’লে একমাত্ৰ সহজ উপায় হৈছে ভক্তি। এই ভক্তি হৃদয়ৰ বস্তু, মগজুৰ লগত তাৰ সম্পৰ্ক নাই। ‘গীতা’ৰ মতেও জ্ঞান, কৰ্ম, যোগ প্ৰত্যেকটো পথেই মুক্তিদায়ক যদিও, ভক্তিপথ সহজ আৰু শ্ৰেষ্ঠ । বাস্তবিকতে ‘গীতা’ত ভক্তিৰ ধাৰাটোৱেই মুখ্য; কৰ্ম আৰু জ্ঞান তাৰ শাখানদী মাথোন। প্ৰকৃত জ্ঞান আৰু প্ৰকৃত কৰ্মই ভক্তিলৈকেহে টানি নিয়ে। ভক্তিয়েই হৈছে ঈশ্বৰক পাবৰ প্ৰধান উপায়। নিভাঁজ প্ৰেম-ভক্তিয়ে জ্ঞান বা কৰ্ম-কাৰো সহায় নিবিচাৰে। সি নিজেই শক্তিশালী। কিন্তু ভক্তি মানে অন্ধ ভক্তি নহয়। ভক্তিয়ে জ্ঞানৰ সহায় বিচাৰক বা নিবিচাৰক, জ্ঞানে ভক্তিৰ দাসত্ব আপোন ইচ্ছাতে কৰিবই কৰিব। অনন্ত জ্ঞানময় ঈশ্বৰৰ জ্ঞান ক্ষুদ্ৰাতিক্ষুদ্ৰ মনুষ্যই কিমানখিনিয়েই বা লাভ কৰিব পাৰে? একেদৰে কৰ্ম বা যোগ সাধনা সকলো শ্ৰেণীৰ মানুহৰ বাবে সম্ভৱপৰ নহ’বও পাৰে। সেইবাবে ঈশ্বৰৰ কৰুণা পাবলৈ হ’লে একমাত্ৰ উপায় হ’ল ভক্তি। আশাশুধীয়া ভক্তিৰ বাহিৰে আন প্ৰকৃষ্ট উপায় নাই আৰু কলিকালত শ্ৰৱণ-কীৰ্ত্তন ভক্তিয়েই শ্ৰেষ্ঠ ভক্তি-ধৰ্ম, নাম-ধৰ্ম। ভক্তিবাদ সম্পৰ্কত ৰামকৃষ্ণ পৰমহংসদেৱে কৈছে- ভক্তি অন্দৰমহললৈকে যাব পৰা তিৰোতা মানুহৰ নিচিনা। জ্ঞান বাহিৰত বৰচ’ৰাত বহা বিজ্ঞ সভাসদ। অন্তেষপুৰলৈ যাব পৰা ভক্তি নিশ্চয় ঈশ্বৰৰ অন্তেষপুৰ বৰ্ত্তিনী। এই ভক্তিৰ প্ৰসঙ্গতে পৰমহংসদেৱৰ দৰে লক্ষ্মীনাথ বেজবৰুৱাইও কৈছে- ভক্তি হৃদয়ৰ বস্তু, মগজুৰ লগত তাৰ সম্পৰ্ক নাই। গতিকে দেখা যায় যে জ্ঞান, কৰ্ম, যোগ আৰু ভক্তি এই চাৰি মাৰ্গৰ ভিতৰত ভক্তিমাৰ্গেই শ্ৰেষ্ঠ।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

ভক্তি কাক বোলে? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................
..........................................................
..........................................................

## ১.৫ ভক্তিৰ প্ৰকাৰ

### ১.৫.১ নৱধা ভক্তি

ভাগৱত-পুৰাণকে আদি কৰি আন আন ভক্তি শাস্ত্ৰত ন-বিধ বা নৱধা ভক্তিৰ কথা আলোচনা কৰা হৈছে। সেই নবিধ ভক্তি হ'ল- শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু আত্মনিবেদন। এই নবিধ ভক্তি যদিও দেখাত বিভিন্ন প্ৰণালীৰ, তথাপি পৰস্পৰ পৰিপূৰকহে। তলত আটাইকেইবিধ ভক্তিৰ বিষয়ে পৃথকে আলোচনা কৰা হ'ল ঃ

১) শ্ৰৱণ ঃ ভগৱান বিষ্ণু বা তেওঁৰ অৱতাৰসমূহৰ নাম আৰু চাৰিবিধ লীলাৰ কথা আনৰপৰা শুনাই শ্ৰৱণ। এই চাৰিবিধ লীলা হৈছে ঃ সৃষ্টি, স্থিতি, লয় আৰু অৱতাৰ কৰ্ম। এইবিলাক নিজেই শুনাকৈ উচ্চাৰণ কৰিলেও শ্ৰৱণ হয় আৰু আনে কোৱা বা গোৱা শুনিলেও শ্ৰৱণ হয়। 'ভক্তি ৰত্নাৱলী'ত কোৱা হৈছে- "শ্ৰৱণং নাম তন্নমাদিশব্দানাং পৰোক্তানাং স্বোক্তানাং শ্ৰোত্ৰেণ গ্ৰহণম্ ।" ভক্তিবাদীৰ বিশ্বাস যে, কৃষ্ণ কথা শ্ৰৱণত যদি ৰতি জন্মে তেতিয়া অসৎ প্ৰবৃত্তিৰ তেজ কমি আহে আৰু আন কথাত ৰতি নবহে। শ্ৰৱণৰ দ্বিতীয় কাম হৈছে মনৰ সংশয় দূৰ কৰা "কথা শুনিলেহে গুচে মনৰ সংশয়। কৃষ্ণ সেৱাত ৰতি তেবেসে বাঢ়য়" (মাধৱদেৱ)। ভগৱানৰ যশ, গুণ, মহত্ত্ব শুনা, ভক্ত সমাজৰ আলোচনালৈ কাণ দিয়া, গীতা-ভাগৱত আদি পাঠত মনোযোগ দিয়া- এই সকলোবোৰ শ্ৰৱণ ভক্তিৰ অন্তৰ্গত। অসমৰ সত্ৰসমূহত কিছুমান 'শ্ৰৱণি' নামেৰে সুকীয়া বাব থকা ভকত থাকে। তেওঁলোকৰ বিশেষ কাম ভাগৱত পাঠৰ সময়ত উপস্থিত থাকি ভাগৱত শুনা। শ্ৰৱণৰ প্ৰাধান্য দেখুওৱাই এই ব্যৱস্থাৰ **উদ্দেশ্য**।

২) কীৰ্ত্তন ঃ ঈশ্বৰৰ নাম আৰু গুণাৱলীৰ স্বয়ং উচ্চাৰণ কৰাকে কীৰ্ত্তন বোলে। এই কীৰ্ত্তনো অকলশৰীয়াকৈ আৰু সমূহীয়াকৈ দুয়ো প্ৰকাৰে হ'ব পাৰে। শ্ৰৱণৰ দৰে সমূহীয়া কীৰ্ত্তনো অধিক ৰসদায়ক বাবে সমূহীয়া কীৰ্ত্তনক কোনো-কোনোৱে সংকীৰ্ত্তনো বোলে। কীৰ্ত্তন পাঁচবিধ- নামোচ্চাৰণ, স্তুতিপাঠ, কথাব্যাখ্যা, গীত আৰু অভিনয়। আনে শুনাকৈ বা নিজে শুনাকৈ নামোচ্চাৰণ কৰিলেই কীৰ্ত্তন হয়। স্তোত্ৰ, সহস্ৰনাম, ঘোষা, কীৰ্ত্তন আদি উচ্চস্বৰে বা নিম্নস্বৰে পাঠ বা আবৃত্তি কৰাই স্তুতিপাঠ। গীতা, ভাগৱত আদি ভক্তি শাস্ত্ৰৰ কাহিনী বা বিষয়বস্তুৰ আলোচনা বা ব্যাখ্যাই হ'ল কথা ব্যাখ্যা। ভগৱানৰ নাম আৰু লীলাক তাল আৰু সুখ বিশিষ্ট কৰি গোৱাই গীত। আনহাতে, ঈশ্বৰৰ লীলাক অনুকৰণ কৰাকেই অভিনয় বোলে। গীত আৰু অভিনয়ৰ উদ্দেশ্য হ'ল ৰসসৃষ্টি। ৰসানুভূতিয়েই এই ক্ষেত্ৰত প্ৰেম-ভক্তিৰ সোৱাদ দিয়ে। সেই কাৰণে বৈষ্ণৱ সম্প্ৰদায়তে সুমধুৰ গীতৰ ভজন, বৰগীত, ভাওনা, ৰাসলীলা, যক্ষগান, ভাৱৈয়া আদিৰ প্ৰচলন আছে। আনহাতে, অভিনয় যে ভক্তি সাধনৰ এটা অঙ্গ গোপীসকলেই তাৰ প্ৰমাণ দি থৈ গৈছে। শ্ৰীকৃষ্ণৰ অৱৰ্তমানত তেওঁলোকে কৃষ্ণৰ অভিনয় কৰি নিজৰ মনক সান্ত্বনা দিছিল।

৩) স্মৰণ ঃ ভগৱানৰ নাম আৰু ৰূপৰ চিন্তণেই স্মৰণ। উচ্চাৰণ নকৰাকৈ মনৰ ভিতৰতে ঈশ্বৰৰ নাম সোঁৱৰা, ৰূপৰ ধ্যান কৰা আৰু মানস ৰূপ কৰা- এই সকলোবোৰ স্মৰণৰ অন্তৰ্গত। জপ তিনি প্ৰকাৰৰ ঃ বাচিক, উপাংশু আৰু মানস। বাচিক জপত নাম বা মন্ত্ৰ শুনাকৈ আবৃত্তি কৰা হয়। উপাংশুত কেৱল ওঁঠহে লৰে। মানস জপত বাগ্ যন্ত্ৰৰ কোনো অংশই ক্ৰিয়াশীল নহয়; কেৱল পদানুক্ৰমে নাম বা মন্ত্ৰ মনৰ ভিতৰতে পুনঃ পুনঃ আবৃত্তি কৰা হয়। অনুক্ষণে, অহৰ্নিশে, হৃদপিণ্ডৰ ক্ৰিয়াৰ দৰে হৃদয়ৰ পৰা নাম নুগুচা অৱস্থাটো স্মৰণৰ চৰম দশা। স্মৰণৰ মহিমা বা কাৰ্যকাৰিতা এক প্ৰকাৰে চালে শ্ৰৱণ-কীৰ্ত্তনকৈও বেছি। শ্ৰৱণ আৰু কীৰ্ত্তন দিনটোৰ সকলো সময়তে সম্ভৱ নহ'বও পাৰে; কিন্তু স্মৰণৰ সময়-অসময় নাই। অহৰ্নিশে, সকলো সময়তে সুখ-দুখ, আনন্দ, বিপদ, সম্পদ যিকোনো মুহূৰ্ততে হ'ব পাৰে। ভগৱানৰ নাম স্মৰণৰ ফলত অমঙ্গল দূৰ হয়, অন্তৰ শুদ্ধ হয়, চঞ্চল মনক সুস্থিৰতা দান কৰে।

৪) পাদ সেৱন ঃ বিষ্ণুৰ যিকোনো ৰূপ কল্পনাৰ (নাৰায়ণ, বাসুদেৱ, কৃষ্ণ, ৰাম) মূৰ্তিৰ পৰিচৰ্যাই পাদসেৱন "তত্র পাদসেৱনং নাম পৰিচৰ্যা প্ৰতিমাদৌ"। গতিকে ইয়াত পাদসেৱনৰদ্বাৰা ভগৱানৰ বিগ্ৰহ বা প্ৰতিমাৰ পৰিচৰ্যাৰ কথাকে কোৱা হৈছে। ভগৱানৰ মূৰ্তি, গুৰু, ভগৱদ, ভক্ত আদিৰ পূজা পাদ সেৱনৰ প্ৰাৰম্ভিক অৱস্থা। এই সেৱাৰ পৰা অভ্যস্ত হৈ ভক্তই দাস্য প্ৰেমত একাগ্ৰভাৱে স্থিৰ চিত্তৰ দ্বাৰা ক্ৰমে নিজৰ মনতে পৰমাত্মাৰ অমূৰ্ত-চৰণৰ সেৱা কৰিবলৈ সমৰ্থ হয়। ভগৱানৰ পৰিচৰ্যাকালত নিজক তেওঁৰ দাস বুলি ভাৱোঁতে ভাৱোঁতে পাছৰ দাস্য, সখিত্ব আৰু আত্ম বিলোপন ভাৱৰ পক্কাৱস্থালৈ যাবলৈ বাট মুকলি হয়।

৫) অৰ্চন ঃ বিষ্ণুৰ যিকোনো ৰূপ কল্পনাক বিধিমতে যথাসাধ্যে কৰা পূজাই অৰ্চন- 'অৰ্চনং পূজা'। শ্ৰদ্ধা আৰু আদৰপূৰ্বক ভগৱানৰ স্বৰূপ পূজাই অৰ্চন ভক্তি। ভক্তৰ ধাৰণা যে, ভগৱান মন্দিৰৰ মূৰ্তি, সদ্‌গুৰু আৰু ভক্তৰ মাজত বাস কৰে। এইবোৰৰ মাজেদি ভগৱৎ সাক্ষাত হয়। অৰ্চন দুবিধ- মানসিক অৰ্চন আৰু বাহ্যিক অৰ্চন। মানসিক অৰ্চনত ভক্তৰ আত্ম সমৰ্পনৰ ভাৱ প্ৰধান। বাহ্যিক অৰ্চনক **ষোড়শোপচাৰ** বোলে। আসন, পাদ্যাৰ্ঘ, আচমন, পঞ্চামৃত, স্নান, বস্ত্ৰ, শৃংগাৰ, চন্দন, পুষ্প, ধূপ, ধূনা, নৈবেদ্য, তাম্বুল, যজ্ঞোপৱীত, পৰিক্ৰমা আৰু বন্দনা- এয়ে ষোড়শোপচাৰ। অৰ্চন ভক্তিৰ ফলত গছত গুৰিত পানী দিলে গা-গছ, ডাল-পাত, ফল-ফুল আদিয়েই জীৱ পোৱাৰ দৰে সকলো দেৱতা সন্তুষ্ট হয় আৰু ভক্তৰ কামনা সিদ্ধি হয়।

৬) বন্দন ঃ ভগৱানৰ সন্মুখত নতজানু হৈ নম্ৰতাৰে সৈতে তেওঁৰ অনন্ত মহিমাক হৃদয়ত ধ্যান কৰি স্তুতি কৰাৰ নাম বন্দন ভক্তি। বন্দন ভক্তি দুই প্ৰকাৰৰ ঃ প্ৰেম-ভক্তি আৰু সাধাৰণ ভক্তি। বিষ্ণুৰ প্ৰতি অনন্য মহিমাই হৈছে প্ৰেম ভক্তি। এইবিধ ভক্তিত স্তৱ-স্তোত্ৰ আদি গাই নানা কাকূতি-মিনতি কৰি শাস্ত্ৰৰ বিধিমতে প্ৰণাম কৰা হয়।

৭) দাস্য ঃ পৰমাত্মা মোৰ পিতা, মাতা, প্ৰভূ আৰু মই তেওঁৰ পুত্ৰ, সেৱক- এনেভাৱে কৰা ভক্তিকে কোৱা হয় দাস্য ভক্তি। এইবিধ ভক্তিত ভক্ত হ'ল ভগৱানৰ দাস বা ভৃত্য। তেওঁৰ নিজৰ বুলিবলৈ একো নাথাকে। এনেকৈ নিজকে ভগৱানৰ দাস বুলি ভাবি সমস্ত কৰ্মফল আদি ভগৱানত অৰ্পনেই দাস্য ভক্তিৰ নিদৰ্শন। 'দাস্য' শব্দৰ অৰ্থ দাসবৎ কৰ্মাৰ্পণ। সকলো কৃতকাৰ্য কৃতাৰ্থ ভগৱানৰ চৰণৰ অৰ্পণ কৰাই কৰ্মাৰ্পণ। ভৃত্যই যি কাম কৰে তাৰ ফল গৰাকীয়ে পায়। ভৃত্যই গৃহস্থ বা গৰাকীৰ গৰু চৰায়, খেতি কৰে, গাখীৰ খীৱায়; কিন্তু ধান-চাউল বা গাখীৰৰ গৰাকী গৃহস্থহে, ভৃত্য নহয়। গৃহস্থৰ কৰ্ম সম্পাদন কৰোঁতে ভৃত্যই যিদৰে আত্মস্বাৰ্থ বিলোপ কৰি কৰে, ভক্তি ধৰ্মত ভক্তয়ো সকলো কৰ্মতে 'মই মোৰ' ভাৱ নোহোৱাকৈ কৰিব লাগে। এয়েই দাস্য ভক্তি। এই ভক্তিৰ যোগেৰে ভক্তৰ মনৰ অহংকাৰ ভাৱ দূৰ হয়, ফলত তেওঁ মুক্তি বা মোক্ষ লাভৰ বাবে যোগ্যতা অৰ্জন কৰে।

৮) সখ্য ঃ পৰমাত্মা মোৰ লগৰীয়া, মিত্ৰ, বন্ধু, সুখ-দুখৰ সমভাগী- এনেদৰে কৰা ভক্তিয়েই সখ্য ভক্তি। সাধাৰণতে যাৰ লগত নিবিড় সখিত্বৰ বন্ধন গঢ় লৈ উঠে তেওঁৰ ওপৰত মানুহে পৰম বিশ্বাস স্থাপন কৰে। এই পৰম বিশ্বাস স্থাপনেই সখ্য। কিন্তু সখ্য ভক্তি সহজসাধ্য নহয়। একান্ত ভক্তি আৰু বিশ্বাসৰ ফলতহে ভগৱানৰ লগত সখিত্ব স্থাপন কৰিব পৰা যায়। এই সখ্য ভক্তি দাস্যতকৈও গভীৰ। দাস্যত ভৃত্য আৰু প্ৰভুৰ মাজত দূৰত্বৰ ব্যৱধান এটি থাকি যায়। কিন্তু সখ্যত সেই ব্যৱধান কমি গৈ ভগৱান ভক্তৰ বাবে পৰম বিশ্বাসৰ পাত্ৰ মিত্ৰজনৰ দৰে হৈ পৰে। মানুহৰ সৈতে বন্ধুত্ব বা মিত্ৰতা স্থাপনত বিচ্ছেদৰ ভয় থাকে। মতভেদ ঘটিলেই সেই মিত্ৰতা ভঙ্গ হ'ব পাৰে। কিন্তু ভগৱানৰ সৈতে সখিত্ব স্থাপনত মতভেদ অথবা বিচ্ছেদৰ ভয় নাথাকে।

৯) আত্মনিবেদন ঃ এইবিধ ভক্তিত ভক্তই নিজৰ বিদ্যা, স্থান- মান-অভিমান, দেহ-মন-প্ৰাণ-আত্মা সকলো ত্যাগ কৰি নিজৰ সকলো দোষ, অপৰাধ আৰু দুৰ্বলতাবোৰ নিঃসঙ্কোচে প্ৰকাশ কৰি ভগৱানৰ চৰণত নিজক সম্পূৰ্ণৰূপে সমৰ্পণ কৰে। এয়েই ভক্তিৰ চৰম অৱস্থা। ইয়াৰ নাম শৰণাগতি বা একশৰণ। ভগৱদ্‌গীতাত শ্ৰীকৃষ্ণই অৰ্জুনৰপৰা এনেকুৱা ভক্তিকে বিচাৰিছিল- "সকলো ধৰ্ম পৰিত্যাগ কৰি একমাত্ৰ মোতে শৰণ লোৱা। মই তোমাক সকলো পাপৰ পৰা মুক্ত কৰিম।" ইতিপূৰ্বে আলোচনা কৰা দাস্য আৰু সখ্যত যদিও অহংভাৱ দূৰ হয়, কিন্তু সমূলি বিলোপ সাধন নহয়। 'মই গৰাকীৰ বাবেহে কৰিছোঁ' কিঞ্চিত পৰিমাণে হ'লেও থাকি যায়। 'মই গৰাকীৰ বাবেহে কৰিছোঁ' বুলি কওঁতেও 'মই কৰিছোঁ' বুলি এটা অভিমান থাকি যায়। কিন্তু আত্মনিবেদনত দেহ-মন সকলো ঈশ্বৰৰ নামত সমৰ্পিত হয়।

### ১.৫.২ শ্ৰৱণ কীৰ্ত্তনৰ শ্ৰেষ্ঠত্ব

শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, সখিত্ব আৰু আত্মনিবেদন- এই নবিধ ভক্তিৰ বিষয়ে ইতিমধ্যে আলোচনা কৰা হ'ল। এই নবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্ত্তন এই দুবিধ ভক্তি শ্ৰেষ্ঠ বুলি কোৱা হয়। শঙ্কৰদেৱে তেওঁৰ ৰচনাৱলীৰ কেইবা ঠাইতো এই শ্ৰেষ্ঠত্ব কথা বৰ্ণনা কৰিছে ঃ

*যদ্যপি ভকতি নৱ বিধ মাধৱৰ।*
*শ্ৰৱণ কীৰ্ত্তন আতো মহা শ্ৰেষ্ঠত্বৰ।।*

আন এঠাইত কৈছে ঃ

*পূজা আদি যত ভক্তিৰ মধ্যত*
*শ্ৰৱণ কীৰ্ত্তন সাৰ।*
*কথা শ্ৰৱণৰ নাম কীৰ্ত্তনৰ*
*সমান নাহিকে আৰ।।*

শঙ্কৰদেৱেও এই নবিধ ভক্তিকে উপাসনাৰ পদ্ধতি বুলি উল্লেখ কৰিছে যদিও, তাৰে ভিতৰত তেওঁ শ্ৰৱণ-কীৰ্ত্তনকহে প্ৰাধান্য দিছে। বাস্তৱ ক্ষেত্ৰতো এই দুবিধ যে আনবোৰতকৈ শ্ৰেষ্ঠ তাত কোনো সন্দেহ নাই। আকৌ শ্ৰৱণ-কীৰ্ত্তনৰ ভিতৰতো শ্ৰৱণহে আদি। যাক ভক্তি কৰা হয়, তেওঁৰ বিষয়ে শুনাহে ভক্তৰ প্ৰথম কৰ্তব্য। তেওঁৰ গুণৰাশি শুনোঁতে শুনোঁতে ভক্তৰ চিত্ত সুপ্ৰসন্ন হয়, ৰতি জন্মে আৰু ভক্তই নিজেও তেওঁৰ গুণৰাশি কীৰ্ত্তন কৰিব পৰা হয়। তেতিয়াই ভক্তই পৰম আনন্দ লাভ কৰে। তাৰ পিছত লাহে লাহে বগাই গৈ বাকী সাতবিধ ভক্তিত নিমজ্জিত হয়। গতিকে শ্ৰৱণ আৰু কীৰ্ত্তনে ভক্তিৰ দুৱাৰ মুকলি কৰি দিয়ে আৰু বাকী সাতবিধ ভক্তিৰ অভ্যন্তৰলৈ লৈ যায়। শ্ৰৱণ-কীৰ্ত্তনৰ মহিমাতে ভক্তই আত্মনিবেদনৰ স্তৰলৈকে উঠিব পাৰে আৰু শৰণাগতি লাভ কৰে। পৰিশেষত চাৰি-পুৰুষাৰ্থৰ (ধৰ্ম, অৰ্থ, কাম, মোক্ষ) অন্যতম মুক্তি বা মোক্ষ লাভৰ মূলতেও হৈছে শ্ৰৱণ আৰু কীৰ্ত্তন। শ্ৰৱণ-কীৰ্ত্তনৰ যোগেদিয়েই বাকীবোৰ ভক্তি কাৰ্য সিজে বাবে এই দুবিধক মহাশ্ৰেষ্ঠত্বৰ বোলাও হৈছে। এই প্ৰসঙ্গত লক্ষ্মীনাথ বেজবৰুৱাই ভক্ত দামোদৰৰ উদাহৰণ দাঙি ধৰি শ্ৰৱণ-কীৰ্ত্তনৰ শ্ৰেষ্ঠত্ব সাব্যস্ত কৰিছে। ভক্ত দামোদৰে আন ভক্তিতকৈ শ্ৰৱণতহে অধিক নিমগ্ন হৈ দিন-ৰাতি অহৰ্নিশে ঈশ্বৰৰ গুণৰাশি শ্ৰৱণ কৰি কটাইছিল। শ্ৰৱণেহে তেওঁক শঙ্কৰদেৱৰ সমীপলৈ আকৰ্ষণ কৰি আনে। সেইবাবে শঙ্কৰদেৱে অমূল্য উপদেশ দি কৈছে ঃ

*শুনা সভাসদসৱ যুগুতি বচন।*
*হৰি ভকতিৰ আদি জানিবা শ্ৰৱণ।।*

শ্ৰৱণ-কীৰ্ত্তন নোহোৱাকৈ বাকী সাতবিধ ভক্তিৰ সাধন হ'ব নোৱাৰে। সেইবাবে এই দুবিধ যেনেদৰে অপৰিহাৰ্য; তেনেদৰে শ্ৰেষ্ঠও। শ্ৰৱণ-কীৰ্ত্তনক শ্ৰেষ্ঠ বোলা হৈছে যদিও বাকী সাতবিধ সেইবুলি একেবাৰে নিৰৰ্থক নহয়। মায়াৰ বন্ধন শ্ৰৱণ-কীৰ্ত্তনত নাথাকে বা ক'ব পাৰি যে মায়াই শ্ৰৱণ-কীৰ্ত্তনক ঢুকি নাপায়, সেইবাবেও এই দুবিধ শ্ৰেষ্ঠ। বাকী সাতবিধ ভক্তিৰ লগত পূজা, স্তুতি, প্ৰতিমা আদি জড়িত হৈ থাকে। সেইবাবে ই সকলোৰে বাবে বাস্তৱ নহ'বও পাৰে। কিন্তু শ্ৰৱণ-কীৰ্ত্তনত কোনো ধৰা-বন্ধা নীতি-নিয়ম নাই। ইয়েই ভক্তিৰ আটাইতকৈ সহজ প্ৰণালী। এনেবোৰ কাৰণতে ন-বিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্ত্তনক শ্ৰেষ্ঠ স্থান দিয়া হৈছে।

### ১.৫.৩ সকাম-নিষ্কাম ভক্তি

ওপৰত আলোচনা কৰি অহা ন-প্ৰকাৰৰ ভক্তিৰ উপৰিও উদ্দেশ্য অনুসৰি আৰু কেইবিধমান ভক্তিৰ নাম পোৱা যায়। তাৰে ভিতৰত সকাম আৰু নিষ্কাম ভক্তি উল্লেখযোগ্য। সকাম ভক্তি কামনাযুক্ত। অৰ্থাৎ ইয়াত ভক্তই ভগৱানৰ উপাসনা বা ভক্তিৰ কৰাৰ অন্তৰালত একোটা উদ্দেশ্য বা স্বাৰ্থ নিহিত হৈ থাকে। এই সকাম ভক্তিক তিনিটা ভাগত ভগাব পাৰি ঃ সাত্বিক, ৰাজসিক আৰু তামসিক। সাত্বিক ভক্তি মোক্ষ বা মুক্তিৰ কামনাত, ৰাজসিক ভক্তি সা-সম্পত্তি, যশস্যা, পুত্ৰলাভ আদিৰ কামনাত আৰু তামসিক ভক্তি শত্ৰুনাশৰ উদ্দেশ্যত নিবেদিত হয়।

আনহাতে, নিষ্কাম ভক্তি কামনা শূন্য। সেইবাবে এইবিধ ভক্তিত স্বাৰ্থ বা কামনাৰ কোনো স্থান নাই। ইয়াক নিৰ্গুণ ভক্তি বুলিও কোৱা হয়। ভক্তিমূলক গ্ৰন্থসমূহতো যিকোনো কাম সকামভাৱে নকৰি নিষ্কামভাৱে কৰিবলৈ উপদেশ দিছে আৰু সকলো কৰ্ম আৰু কৰ্মফল ঈশ্বৰত সমৰ্পণ কৰিবলৈ কৈছে। নিষ্কাম ভক্তিৰ দ্বাৰা চিত্তশুদ্ধি হয় আৰু সেই চিত্তশুদ্ধিৰ দ্বাৰা মুক্তি লাভ হয়। ভাগৱতৰ একাদশ স্কন্ধত আছে ঃ

*নিষ্কামে কৰিয়া সকল কৰ্ম।*
*বিষ্ণুত অৰ্পিব সি সব কৰ্ম।।*

একেদৰে মাধৱদেৱেও নামঘোষাত 'মুক্তিতো নিস্পৃহ যিটো' বুলি 'নিস্পৃহ' ৰ দ্বাৰা কামনাশূন্য বা স্বাৰ্থশূন্য ভক্তিৰ কথাকে কৈছে। তেওঁৰ মতে মুক্তিৰ প্ৰতিও কামনা বা স্পৃহা নথকা ভক্তই হৈছে শ্ৰেষ্ঠ ভক্ত। গতিকে তেনে কামনাহীন ভক্তক নমস্কাৰ জনাই মাধৱদেৱে নামঘোষা আৰম্ভ কৰিছে। ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে, ভক্তিধৰ্মত নিষ্কাম ভক্তিৰ বিশেষ স্থান আছে।

স্তৰ বা পৰ্যায় অনুসৰি ভক্তিক আন ধৰণে দুটা ভাগত ভাগ কৰা হৈছে। সেই ভাগ দুটা হ'ল- গৌণী ভক্তি আৰু পৰাভক্তি। উপাসক, উপাস্য, পূজা-দ্ৰব্য, পূজা-বিধি আৰু মন্ত্ৰজপ- এই পাঁচোটাৰ দ্বাৰা ঈশ্বৰক কৰা সেৱাই গৌণী ভক্তি। আনহাতে, কামনাশূন্য হৈ ভগৱানৰ পৰম প্ৰেমত নিমগ্ন হোৱা অৱস্থাই পৰাভক্তি।

### ১.৫.৪ অন্তৰঙ্গা, উত্তমা, সপ্ৰেমা ভক্তি

ভক্তই মোক্ষ প্ৰাপ্তি বা ঈশ্বৰ প্ৰাপ্তিৰ ক্ষেত্ৰত তিনিটা একো একোটা ভক্তি বিশেষ। প্ৰথম স্তৰ অন্তৰঙ্গা ভক্তি, দ্বিতীয় স্তৰ উত্তমা ভক্তি আৰু তৃতীয় স্তৰটি হ'ল সপ্ৰেমা ভক্তি। তলত তিনিও বিধ ভক্তিৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

১) অন্তৰঙ্গা ভক্তি ঃ ই ভক্তিৰ প্ৰাথমিক স্তৰ। এই স্তৰত ভক্তিৰ অন্তৰ অঙ্গ বা ভিতৰুৱা কথা জনা-এনে অৰ্থত অন্তৰঙ্গা। এই স্তৰত ভক্তৰ বাবে জগত বা প্ৰপঞ্চ সত্য ৰূপেই প্ৰকাশ পায়। কিন্তু ভক্তই সমস্ত জীৱকে বিষ্ণু বুদ্ধি বা বাসুদেৱ বুদ্ধি কৰি পূজা বা সেৱা কৰে। মহাপুৰুষ

শঙ্কৰদেৱৰ ‘কুক্কুৰ শৃগাল গৰ্দভাৰা আত্মাৰাম’ বুদ্ধি বা ‘বাসুদেৱ বুদ্ধি’। ‘ভক্তিৰত্নাৱলী’ আৰু ‘ভক্তি ৰত্নাকৰ’ত এই অন্তৰঙ্গা ভক্তিৰ লক্ষণ বিশদভাৱে বৰ্ণনা কৰা হৈছে। অন্তৰঙ্গা ভক্তিৰ স্তৰত ভক্তই ব্ৰাহ্মণ-চণ্ডাল, চোৰ-ডকাইত, জীৱ-জন্তু সকলো প্ৰাণীকে সমভাৱে দেখে। *ভক্তি ৰত্নাকৰত* কোৱা হৈছে ঃ

*সমস্ত প্ৰাণীকে মোৰ ৰূপ মনে মানি।*
*কৰা তুতি প্ৰণতি উদ্ধৱ মহাযানী।।*
*ব্ৰাহ্মণ চণ্ডাল চোৰ-দাতা ক্ৰুৰ শান্ত।*
*সবাতো আমাক তুমি দেখিবা নিতান্ত।।*

২) উত্তমা ভক্তি ঃ ভক্তিৰ এই স্তৰত ভক্তৰ বাবে জগত প্ৰপঞ্চ সকলো মিছা, অলীক। কেৱল সচ্চিদানন্দ পৰমাত্মা ভগৱানহে সঁচা। তেওঁতেই ভক্তই নিজৰ দেহ, মন, প্ৰাণ, ইন্দ্ৰিয়-সকলো অৰ্পণ কৰি অনন্য ভক্তি কৰে। *ভক্তি ৰত্নাকৰ*-ত কোৱা হৈছে ঃ

*কপিলত দেৱহুতি পুছিলা উত্তম ভক্তি*
*শুনি দিলা কপিলে উত্তৰ।*
*শুনা মাতৃ সাবধানে কহোঁ তযু বিদ্যমানে*
*উত্তম ভকতি যেন হয়।*
*হুয়া শুদ্ধ মন অতি সকল ইন্দ্ৰিয় বৃত্তি*
*বিষ্ণুতে অযত্নে প্ৰৱৰ্ত্তয়।।*
*নবাঞ্চয় একো কাম জানিবা তাহাৰ নাম*
*ভাগৱতী ভকতি উত্তম।*
*মোক্ষত অধিক ইটো ভকতিৰ সুখ অতি*
*পৰম আনন্দ নিৰুপম।।*

এই স্তৰত ভক্তই এনে এটা পৰ্যায়ত উপনীত হয় য’ত জ্ঞানেন্দ্ৰিয় আৰু কৰ্মেন্দ্ৰিয়বিলাকে অযত্নে, অৰ্থাৎ আপোনা আপুনি স্বাভাৱিকভাৱে ঈশ্বৰত প্ৰবৃত্ত হয়। এনে ভক্তিকেই ‘ভাগৱতী ভক্তি’ বুলিও কোৱা হয়। মানুহে অন্য নহ’লেও সংসাৰ বন্ধনৰপৰা মুক্তি লাভৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰে। কিন্তু এই স্তৰত ভক্তই ঈশ্বৰৰ ওপৰত একোৱেই কামনা নকৰে- “নাবাঞ্চয় একো কাম”। এওঁলোকৰ ভক্তি অনিমিত্ততা, অহৈতুকী। এই স্তৰত ভক্তৰ বাবে ভক্তিয়েই পৰম সুখ।

৩) সপ্ৰেমা ভক্তি ঃ ইয়েই ভক্তিৰ চূড়ান্ত স্তৰ। এই স্তৰৰ ভক্তিত উপনীত হ’লে ভক্তৰ বাহ্য জ্ঞান লুপ্ত হয়। জগত-প্ৰপঞ্চ সঁচা নে মিছা এনে প্ৰশ্ন তেওঁলোকৰ বাবে নুঠে। ইয়াত ভগৱৎ তত্ত্বহে প্ৰকাশ থাকে। উপাস্য দেৱতাৰ নাম, গুণ, লীলা কীৰ্ত্তন কৰোঁতে কৰোঁতে তেওঁৰ ৰূপ হৃদয়ত ধ্যান কৰোঁতে কৰোঁতে ভক্তৰ অন্তৰত প্ৰেমভক্তি ওপজে। উপাস্য দেৱতাৰ লীলা, কৰ্ম অনুকৰণ কৰে। এই ভক্তি ভক্তৰ অন্তৰত কেনেকৈ ওপজে সেই বিষয়ে *ভক্তি ৰত্নাৱলী* আৰু *ভক্তি ৰত্নাকৰ*-ত বহলাই কোৱা হৈছে ঃ

*এহিমতে প্ৰিয় মাধৱৰ গুণ নাম।*
*শ্ৰৱণ কীৰ্ত্তন মাত্ৰ কৰে অবিশ্ৰাম।।*
*এতেকে ওপজে প্ৰেম ভকতি কৃষ্ণত।*
*হোৱে চিত্ত দ্ৰৱ মিলে আনন্দ মনত।।*
*জানে ভকতে বশ্য ভগৱন্ত হৰি।*
*পৰম কৌতুকে আতি হাসে উচ্চ কৰি।।*

ভক্তিৰ সাধন প্ৰক্ৰিয়াত সপ্ৰেমা ভক্তিয়েই ভক্তিৰ চূড়ান্ত স্তৰ। ইয়াৰ বাহিৰেও চৰিত পুথিত 'কেৱলা' আৰু 'বিৰলা' ভক্তিৰ কথা কোৱা হৈছে। কিন্তু 'ভক্তি ৰত্নাকৰ'ত 'কেৱলা' আৰু 'বিৰলা' বুলি ভক্তিৰ কোনো পৰ্যায় বিভাগ কৰা নাই। সম্ভৱ কাৰো সঙ্গ নোলোৱাকৈ বা সাংসাৰিক জীৱনত নোসোমোৱাকৈ একান্তভাৱে কৰা ভক্তিকে 'কেৱলা' ভক্তি আৰু তুলনাবিহীনভাৱে কোনো ভক্তই বিশেষভাৱে কৰা ভক্তিকে 'বিৰলা' ভক্তি বোলা হৈছে।
* অন্তৰঙ্গা, উত্তমা আৰু সপ্ৰেমা- এই তিনিবিধ ভক্তিৰ আলোচনাটি ভুৱনেশ্বৰী বৈশ্য সম্পাদিত 'অসমৰ বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি' গ্ৰন্থৰ ড° সৰ্বেশ্বৰ ৰাজগুৰুৰ প্ৰবন্ধৰ 'ভক্ত আৰু ভক্তিৰ স্তৰ' শিৰোনামৰ কথাখিনি প্ৰায় একেদৰে তুলি দিয়া হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

নব ধা ভক্তি বুলিলে কোন কেইবিধ ভক্তিক বুজা যায়? ( ৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................

.............................................................

.............................................................

## ১.৬ ভক্তিৰ উৎস

ভাৰতবৰ্ষৰ প্ৰাচীনতম গ্ৰন্থ হৈছে 'বেদ'। এই বেদেই হৈছে ভক্তিবাদ বা ভক্তিধৰ্মৰ মূল উৎস। 'বেদ' শব্দৰ অৰ্থ হৈছে জ্ঞান, অৰ্থাৎ য'ৰপৰা জ্ঞান আহৰণ কৰা হয়, সিয়েই বেদ। বেদ চাৰিখন- ঋক্, যজু, সাম আৰু অথৰ্ব। প্ৰত্যেকখন বেদৰে প্ৰধানকৈ দুটা ভাগ আছে- পূৰ্ব মীমাংসা আৰু উত্তৰ মীমাংসা। পূৰ্ব মীমাংসাক কৰ্মকাণ্ড আৰু উত্তৰ মীমাংসাক জ্ঞানকাণ্ড বোলে। তত্ত্ব জিজ্ঞাসু আৰ্য ঋষিসকলে বিনন্দীয়া সৃষ্টি প্ৰকৃতি ৰাজ্যৰ কাৰ্যকলাপৰ পৰাই দেৱতাসকলৰ সৃষ্টি কৰিছিল। দেৱতাৰ সৃষ্টিৰ লগতে সেই দেৱতাক স্তুতি-নতি কৰাৰো ব্যৱস্থা দিয়া হৈছে, যাতে মানুহে তেনে ধৰণে স্তুতি-নতি বা উপাসনা কৰি ভয় বা আতঙ্কৰ পৰা ৰক্ষা পাব পাৰে, ধন-ঐশ্বৰ্য লাভ কৰি সুখ-আনন্দেৰে জীৱন নিৰ্বাহ কৰিব পাৰে। এয়ে বেদৰ কৰ্মকাণ্ডৰ মুল বিষয়। বেদৰ এই কৰ্মকাণ্ডৰ দুটাকৈ ভাগ আছে- সংহিতা আৰু ব্ৰাহ্মণ। 'সংহিতা'ত স্তৱ, স্তুতি, প্ৰাৰ্থনা আদিৰ বৰ্ণনা আছে। ব্ৰাহ্মণখণ্ডত মন্ত্ৰৰ বিশদ আলোচনা আৰু যাগ-যজ্ঞৰ বিৱৰণ আছে।

বেদৰ উত্তৰ মীমাংসাৰো দুটা ভাগ- আৰণ্যক আৰু উপনিষদ। যাগ-যজ্ঞ আদি কৰ্মকাণ্ডৰ পৰা যেতিয়া বৈদিক ঋষি-মুনিসকলৰ চিত্ত জ্ঞান যোগৰ প্ৰতি আকৃষ্ট হ'ল, তেতিয়াই আৰণ্যকৰ উৎপত্তি হ'ল। আৰণ্যকত জ্ঞান, যোগ আৰু আধ্যাত্মিকতা এই তিনিটাৰ ব্যাখ্যা দাঙি ধৰা হৈছে। ইয়াৰে আধ্যাত্মিক দিশটোৰ পৰা পৰাকাষ্ঠিতা লাভ কৰিছে উপলব্ধিত। সেইবাবে উপনিষদত দাৰ্শনিক তত্ত্ব, আধ্যাত্মিক চিন্তাৰ প্ৰতিফলন ঘটিছে। ঈশ্বৰতত্ত্ব, জীৱতত্ত্ব, সৃষ্টিতত্ত্ব, মোক্ষতত্ত্ব আদি উপনিষদৰ প্ৰধান প্ৰতিপাদ্য বিষয়। উপনিষদক 'বেদান্ত' বুলিও কোৱা হয়।

উপনিষদ আৰু তাৰ পৰৱৰ্তীকালত ৰচিত পুৰাণসমূহৰ মাধ্যমেৰে ঋষি-মুনিসকলে অনুভৱ কৰা ভক্তিবাদ, কৰ্মবাদ, জ্ঞানবাদ আদিৰ বৰ্ণনা কৰিছে। শ্ৰীমদ্ভগবদ্ গীতা আৰু ভাগৱত পুৰাণেই হৈছে ভক্তিবাদৰ মূল গ্ৰন্থ। অসমৰ ভক্তিধৰ্মৰ মূল উপাদান শঙ্কৰদেৱ আৰু মাধৱদেৱে আহৰণ কৰিছে পুৰাণসূৰ্য ভাগৱতৰ পৰা। ভাগৱত পুৰাণ অনুসৰি বিষ্ণু বা শ্ৰীকৃষ্ণই হৈছে ভজনীয় দেৱতা। এই বিষ্ণু অনাদি অনন্ত। তেওঁৰ পৰাই জীৱ আৰু জগতৰ উৎপত্তি হৈছে। এই বিষ্ণুকেই বেদান্তসূত্ৰই 'ত্ৰিসত্য ভগৱান' বুলি প্ৰতিপন্ন কৰিছে।

দ্বাদশ শতিকাৰ পৰৱৰ্তীকালত ভালে কেইজন বৈষ্ণৱ ধৰ্ম প্ৰচাৰকে বেদান্তসূত্ৰ, গীতা, ভাগৱত পুৰাণ আদিৰ ভাষ্য-টীকা ৰচনা কৰি স্বকীয় বৈষ্ণৱ মাৰ্গৰ দাৰ্শনিক ভিত্তি প্ৰতিষ্ঠা কৰি গৈছে। ৰামানুজমে ভাগৱত পুৰাণক প্ৰামাণ্য স্বৰূপে গ্ৰহণ কৰা নাই যদিও তেওঁৰ পৰৱৰ্তী মাধবাচাৰ্য, বল্লভাচাৰ্য আদিয়ে গ্ৰহণ কৰা দেখা যায়। শঙ্কৰদেৱ, মাধৱদেৱে সক্ৰিয় তথা সচেতনভাৱে কোনো বৈষ্ণৱ দাৰ্শনিক মতবাদ প্ৰতিষ্ঠা কৰা নাই যদিও বেদান্ত সূত্ৰৰ শ্ৰীধৰ স্বামীৰ ভাষ্যখিনি আদৰেৰে গ্ৰহণ কৰা দেখা যায়। 'কীৰ্ত্তন' বা 'নামঘোষা'ৰ মাজেৰে জীৱজগত আৰু ব্ৰহ্মাৰ স্বৰূপ, মায়াৰ শক্তিৰ বিবিধ আলোচনা আগবঢ়াওঁতে তেওঁলোকে শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদক প্ৰতিষ্ঠা কৰিছে। 'কীৰ্ত্তন' আৰু 'নামঘোষা'তো ব্ৰহ্ম আৰু জীৱৰ সম্পৰ্ক দাঙি ধৰা হৈছে। বেদান্ত দৰ্শনতো সৃষ্টিৰ মূলতে পৰম সত্তা ব্ৰহ্মৰ অস্তিত্ব স্বীকাৰ কৰা হৈছে। এই ব্ৰহ্ম সৎ, চিত, আনন্দময়, নিৰ্গুণ আৰু নিৰাকাৰ। জীৱ হৈছে ব্ৰহ্মৰ এক অংশ মাথোন। জীৱই নিজকে ব্ৰহ্মৰ অংশ বুলি চিনি নোপোৱাৰ ফলতেই মায়াত মোহ গৈ সংসাৰত জীয়াতু ভোগে।

বেদান্ত দৰ্শনৰ মতে, পুৰুষ দুই প্ৰকাৰৰ-জীৱ আৰু ভগৱান। আনহাতে, প্ৰকৃতি মায়া আৰু অবিদ্যা এই দুই ভাগত বিভক্ত। এই মায়াবাদ 'কীৰ্ত্তন' আৰু 'নামঘোষা'ৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। অসমীয়া ভক্তি সাহিত্যত মায়াক এক ৰহস্যময় শক্তি হিচাপে প্ৰতিষ্ঠা কৰা হৈছে। সমস্ত জীৱৰ অন্তৰত বিৰাজ কৰা ব্ৰহ্মক জীৱই উপলব্ধি কৰিব নোৱাৰে। কাৰণ অবিদ্যাই জীৱৰ অন্তৰ্দৃষ্টি ঢাকি ৰাখে। এয়াও মায়াৰে ফল। আৱৰণ শক্তিৰ সহায়ত মায়াই ব্ৰহ্মৰ স্বৰূপ ঢাকি ৰাখে আৰু বিক্ষেপণ শক্তিৰ দ্বাৰা অসত্য সংসাৰত সত্যৰ বিশ্বাস ঘটায়। এই অবিদ্যা বা মায়াৰ হাতৰপৰা উদ্ধাৰ পোৱাৰ একমাত্ৰ উপায় হৈছে ঈশ্বৰৰ প্ৰতি ভক্তি।

বেদান্ত দৰ্শনৰ ব্ৰহ্মক-অসমীয়া ভক্তি সাহিত্যই নাৰায়ণ, বিষ্ণু, হৰি আদি বিভিন্ন নামেৰে অভিহিত কৰিছে। এই ঈশ্বৰজন যদিও নিৰ্গুণ, নিৰাকাৰ কিন্তু ভক্তিকাব্যত তেওঁ সগুণ ঈশ্বৰৰ ভূমিকা গ্ৰহণ কৰে। একে দৰে বেদান্ত দৰ্শনৰ অদ্বৈতবাদ বা একেশ্বৰবাদৰ ভিত্তিতে অসমৰ ভক্তি-ধৰ্ময়ো প্ৰতিষ্ঠা লাভ কৰিছে। সেইবাবে কোৱা হয় "এক দেৱ এক সেৱ, এক বিনে নাই কেৱ।" আনহাতে, বেদান্ত দৰ্শনৰ মতে ব্ৰহ্ম সত্য; জগত মিথ্যা। বেদ উপনিষদৰ এই ঘোষণা 'কীৰ্ত্তন' 'নামঘোষা', 'ভক্তি ৰত্নাকৰ', 'ভক্তি ৰত্নাৱলী' আদিত প্ৰতিধ্বনিত হৈছে।

এইদৰে আলোচনা কৰিলে দেখা যায় যে, অসমৰ ভক্তিধৰ্ম বেদান্ত দৰ্শনৰ দ্বাৰা পৰিপুষ্ট। উপনিষদ বা বেদান্তৰ পৰৱৰ্তীকালত ৰচিত 'গীতা' আৰু 'ভাগৱত পুৰাণে' বসুদেৱ দৈৱকীৰ পুত্ৰ কৃষ্ণকেই সকলো জীৱৰ অন্তৰত বিৰাজমান আৰু সকলো জীৱই কৃষ্ণতে বিৰাজমান শ্ৰেষ্ঠ পৰমাত্মা, পূৰ্ণ ঈশ্বৰ হিচাপে প্ৰতিপন্ন কৰিছে। 'ভাগৱত' পুৰাণে কৃষ্ণকেই সকলো অৱতাৰৰ ভিতৰত শ্ৰেষ্ঠ পূৰ্ণ অৱতাৰ-"কৃষ্ণস্তু ভগৱান স্বয়ং" বুলি প্ৰতিপন্ন কৰিছে। 'গীতা' আৰু 'ভাগৱত' দুয়োখন গ্ৰন্থই সেই পূৰ্ণ অৱতাৰ পৰমাত্মা স্বৰূপ কৃষ্ণক (ঈশ্বৰক) লাভ কৰাৰ বা মানৱৰ চৰম লক্ষ্য মুক্তি লাভৰ প্ৰকৃষ্ট পন্থা হিচাপে ভক্তিকেই নিৰূপণ কৰিছে। এই একেশ্বৰবাদী ভক্তি ধৰ্ম পূৰ্বৱৰ্তী বৈষ্ণৱ সম্প্ৰদায়তকৈ 'গীতা' আৰু 'ভাগৱত'তেই অধিক স্পষ্ট আৰু নিৰ্দিষ্ট ৰূপত উপনীত হোৱা বুলি কোৱা হৈছে। অসমৰ মধ্যযুগৰ নৱবৈষ্ণৱ আন্দোলনে এই 'গীতা' আৰু 'ভাগৱত' পুৰাণে দেখুৱাই যোৱা কৃষ্ণকেই তেওঁলোকৰ একমাত্ৰ উপাস্য আৰু ভজনীয় দেৱতা বুলি গ্ৰহণ কৰিছে। আনহাতে, এই দুই গ্ৰন্থই দেখুৱাই যোৱা ভক্তি-সাধন পন্থাকেই গ্ৰহণ কৰিছে। সেইবাবে কোৱা হৈছে ঃ

*শাস্ত্ৰৰ উত্তম গীতা ভাগৱত*
*ধৰ্মৰ উত্তম নাম।*
*দেৱৰ উত্তম দৈৱকী নন্দন*
*চৰণে কৰোঁ প্ৰণাম।।*

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

ভক্তিধৰ্মৰ বৈদান্তিক ভিত্তি সম্পৰ্কে আলোচনা কৰক ? ( ৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................

.......................................................................

.......................................................................

## ১.৭ সাৰাংশ (Summing up)

'ভক্তি' শব্দই ঈশ্বৰক কৰা সেৱা বা উপাসনাকে বুজায়। ভক্তি মানে ঈশ্বৰৰ প্ৰতি একান্ত অনুৰাগ, প্ৰগাঢ় প্ৰেম। দৰাচলতে, ভক্তি হ'ল এটা মানসিক অৱস্থা, গভীৰ অনুভৱ আৰু ই সদায় ধৰ্ম তথা ঈশ্বৰৰ লগত জড়িত। ভক্ত আৰু ভগৱানৰ মাজত সম্পৰ্ক স্থাপন হয় ভক্তিৰ যোগেদি। হিন্দু ধৰ্ম অনুসৰি ভক্তৰ চৰম উদ্দেশ্য হ'ল ঈশ্বৰ বা মোক্ষ প্ৰাপ্তি। এই উদ্দেশ্য পূৰণৰ পথ চাৰিটা; কৰ্ম, জ্ঞান, যোগ আৰু ভক্তি। এই চাৰিটা পথৰ ভিতৰত তুলনামূলকভাৱে ভক্তিমাৰ্গ সহজ, যাক কোৱা হয় সুগম পন্থ। এই ভক্তি ন-প্ৰকাৰৰ-শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু আত্মনিবেদন। এই নবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্ত্তনক শ্ৰেষ্ঠ বুলি কোৱা হয়। উদ্দেশ্য অনুযায়ী ভক্তিক আকৌ সকাম ভক্তি, নিষ্কাম ভক্তি; আনহাতে স্তৰ অনুযায়ী অন্তৰঙ্গা, উত্তমা, সপ্ৰেমা আদি ভাগতো ভাগ কৰিব পাৰি। ভক্তিৰ মূল উৎস হৈছে বেদসমূহ। বেদৰপৰা পৰৱৰ্তীকালত সৃষ্ট উপনিষদ আৰু উপনিষদৰ পৰৱৰ্তীকালত ৰচিত 'গীতা' আৰু 'ভাগৱত' পুৰাণৰ আধাৰতেই ভক্তি ধৰ্মই বিকাশ আৰু পৰিপুষ্টি লাভ কৰিছে।

## ১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ভক্তি সম্পৰ্কে কেইটিমান সংজ্ঞা দাঙি ধৰি ভক্তিৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰক।

২) ন-বিধ ভক্তিৰ বিষয়ে আলোচনা কৰি শ্ৰৱণ আৰু কীৰ্ত্তনক কিয় শ্ৰেষ্ঠ ভক্তি বুলি কোৱা হৈছে ব্যাখ্যা কৰক।

৩) বেদ, উপনিষদ, গীতা আৰু ভাগৱতৰ আধাৰত ভক্তি ধৰ্মৰ কেনেদৰে বিকাশ ঘটিছে আলোচনা কৰক।

৪) ঈশ্বৰ প্ৰাপ্তিৰ চাৰিটা মাৰ্গ কি কি? ইয়াৰে ভিতৰত কোনটো মাৰ্গ সহজ আৰু জনপ্ৰিয় আলোচনা কৰক।

## ১.৯ প্ৰসঙ্গ-গ্ৰন্থ (References/Suggested Readings)


১) যোগীৰাজ বসু ঃ *বেদৰ পৰিচয়*

২) যোগীৰাজ বসু ঃ *বেদান্ত আৰু বৈষ্ণৱ ধৰ্ম*

৩) তীৰ্থনাথ শৰ্মা ঃ *ভক্তিবাদ*

৪) লক্ষ্মীনাথ বেজবৰুৱা ঃ *তত্ত্বকথা*

৫) কোহিৰাম দাস ঃ *ভাৰতবৰ্ষৰ ধৰ্মগুৰুসকল*

৬) ভূবনেশ্বৰী বৈশ্য (সম্পা.) ঃ *অসমৰ বৈষ্ণৱ ধৰ্ম আৰু সংস্কৃতি*

৭) মনোৰঞ্জন শাস্ত্ৰী ঃ *অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা*

৮) বিমল মজুমদাৰ ঃ *ভক্তি সাহিত্য*


******

## দ্বিতীয় বিভাগ
## ভাৰতীয় ভক্তি আন্দোলনৰ পটভূমিত অসম

**বিভাগৰ গঠন**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ ভাৰতীয় ভক্তি আন্দোলনৰ ইতিহাস
২.৩.১ বৈদিক যুগৰ ভক্তি আন্দোলনৰ ইতিহাস
২.৩.২ মধ্য যুগৰ ভক্তি আন্দোলনৰ ইতিহাস
২.৩.৩ ভক্তি আন্দোলনৰ পটভূমি
২.৪ ভাৰতীয় ভক্তি আন্দোলনৰ বৈশিষ্ট্য
২.৫ অসমৰ ভক্তি আন্দোলনৰ ইতিহাস
২.৬ ভক্তি আন্দোলনৰ ফলত সৃষ্টি হোৱা সাহিত্য
২.৭ সাৰাংশ (Summing up)
২.৮ আৰ্হি -প্ৰশ্ন (Sample Questions)
২.৯ প্ৰসঙ্গ-গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

মধ্যযুগৰ সময়খিনি কেৱল অসমৰ কাৰণেই যুগান্তকাৰী নহয়; সমগ্ৰ ভাৰতবৰ্ষৰ কাৰণেই আলোড়নকাৰী। এই আলোড়নৰ সৃষ্টি কৰিছিল সমগ্ৰ ভাৰতবৰ্ষ জুৰি হোৱা নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলনে। ইউৰোপত ৰেঁনেচা অৰ্থাৎ নৱজাগৰণৰ ইতিহাসৰ লগত যেনেকৈ মাৰ্টিন লুথাৰৰ প্ৰোটেষ্টান্ট ধৰ্মৰ প্ৰৱৰ্তন আৰু প্ৰাচীন গ্ৰীক লেটিন ক্লাচিকেল সাহিত্য আৰু কলাৰ পুনৰ অধ্যয়নৰ প্ৰভাৱ জড়িত হৈ আছে, তেনেকৈ প্ৰায় একে সময়তেই বৈষ্ণৱ আন্দোলন আৰু ভক্তিধৰ্মক কেন্দ্ৰ কৰি ভাৰতত সাংস্কৃতিক পুনৰ অভ্যুত্থান ঘটিছিল। এই আন্দোলনৰ সৰ্বতোমুখী বিকাশৰ সম্যক উপলব্ধি কৰিবলৈ হ'লে ভক্তিধৰ্মৰ জন্ম আৰু বিকাশৰ ইতিহাস জনাটো একান্ত প্ৰয়োজনীয়। বৈদিক যুগৰপৰা মধ্যযুগ আৰু মধ্যযুগৰপৰা আধুনিক যুগ কেনেকৈ সৃষ্টি হ'ল, এই প্ৰতিটো যুগত ভক্তি আন্দোলনৰ ৰূপ কেনেকুৱা আছিল, সৰ্বোপৰি সৰ্বভাৰতীয় পটভূমিত অসমৰ ভক্তি আন্দোলনৰ বৈশিষ্ট্যসমূহ কেনেদৰে প্ৰকাশ পাইছে- এই সকলোবোৰ কথা-ভক্তি আন্দোলনৰ ইতিহাসৰ লগত জড়িত হৈ আছে। এই অধ্যায়ত ভাৰতীয় ভক্তি আন্দোলনৰ পটভূমিত অসমৰ ভক্তি আন্দোলনৰ ইতিহাস বিশ্লেষণ কৰা হ'ব। লগতে ভক্তি আন্দোলনৰ বৈশিষ্ট্য আৰু লগত জড়িত হৈ থকা আনুষঙ্গিক দিশসমূহো ফঁহিয়াই চাবলৈ প্ৰয়াস কৰা হ'ব।

### ২.২ উদ্দেশ্য (Objectives)

'ভক্তি আন্দোলনৰ ইতিহাস' সম্পৰ্কীয় এই অধ্যায়টো অধ্যয়ন কৰাৰ অন্তত আপুনি—

- বৈদিক যুগৰপৰা ভক্তি ধৰ্মৰ ইতিহাস তথা এই যুগত ভক্তি ধৰ্মই কি ৰূপ লাভ কৰিছিল সেই সম্পৰ্কে অৱগত হৈ তাৰ ব্যাখ্যা আগবঢ়াব পাৰিব,
- মধ্যযুগত ভক্তি আন্দোলনৰ কেনেদৰে সৃষ্টি হ'ল, এই আন্দোলনে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত কেনেদৰে স্থিতি লাভ কৰিলে, সেই ইতিহাস সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব,

- মধ্যযুগত ভক্তি আন্দোলনত ভাৰতবৰ্ষৰ যিসকল ভক্ত কবি তথা ধৰ্মগুৰুৱে প্ৰচাৰ কাৰ্যত আগভাগ লৈছিল, তেওঁলোকৰ বিষয়ে পৰিচয় জ্ঞাপন কৰিব পাৰিব,
- কি পৰিস্থিতি আৰু পটভূমিত অসমত ভক্তি আন্দোলনৰ সূত্ৰপাত হ'ল সেই বিষয়ে আলোচনা কৰিব পাৰিব,
- সৰ্বভাৰতীয় পৰ্যায়ত ভক্তি আন্দোলনৰ উমৈহতীয়া বিশেষত্বসমূহৰ লগত পৰিচিত হৈ অসমৰ ভক্তি আন্দোলনৰ বৈশিষ্ট্যসমূহৰ লগত তাক তুলনা কৰিব পাৰিব,
- সৰ্বোপৰি বৈদিক যুগৰ পৰা আৰম্ভ কৰি বৰ্তমান কাললৈকে ভক্তি আন্দোলনৰ ধাৰাবাহিক ইতিহাস সম্পৰ্কে স্পষ্ট ধাৰণা দিবলৈ সক্ষম হ'ব।

## ২.৩ ভাৰতীয় ভক্তি আন্দোলনৰ ইতিহাস

ভাৰতীয় ভক্তি আন্দোলনৰ ইতিহাস অতি প্ৰাচীন। এই প্ৰাচীন ইতিহাস দুটা স্তৰত বিভক্ত কৰি আলোচনা কৰিব পাৰি। প্ৰথম বৈদিক স্তৰ আৰু দ্বিতীয়তে মধ্যযুগীয় স্তৰ। তলত এই দুটা স্তৰৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হ'ল,—

### ২.৩.১ বৈদিক যুগৰ ভক্তি আন্দোলনৰ ইতিহাস

ভক্তি আন্দোলনৰ আঁতি-গুৰি বিচাৰিবলৈ হ'লে আমি কেইবা শতিকাৰ আগলৈকে উজাই যাব লাগিব। কাৰণ বৈদিক যুগতেই ভক্তি-ধৰ্মৰ অস্তিত্ব বিচাৰি পোৱা যায়। ভক্তি-ধৰ্মৰ উপাস্য বিষ্ণু বৈদিক দেৱতা, বেদত তেওঁ সূৰ্যৰে এক অভিব্যক্তি। এই বিষ্ণুৱেই কালক্ৰমত শ্ৰেষ্ঠ দেৱতা হিচাপে পৰিগণিত হয়। ভক্তি আন্দোলন বা বৈষ্ণৱ ধৰ্মৰ ইতিবৃত্তৰ বিষয়ে মহাভাৰতৰ শান্তিপৰ্বৰ নাৰায়ণীৰ আখ্যান, বৌদ্ধ ধৰ্মৰ নিৰ্দেশ, পতঞ্জলিৰ মহাভাষ্য, ভাৰতৰ বিভিন্ন অঞ্চলৰ লিপি, বিষ্ণু পুৰাণ, গীতা, ভাগৱত পুৰাণ, হৰিবংশ পুৰাণ আদিৰ পৰাও তথ্য আহৰণ কৰিব পৰা যায়। এই তথ্যসমূহ সুবিৰা জৈশ্বালে, (Subira Jaiswal) 'Origin and Development of Baishnavism', H.C. Roychodharys 'Materials for the study of the Early Hindus of Vaisnava Sect' আদি গ্ৰন্থত বিচাৰ বিশ্লেষণ কৰি এই ধৰ্মৰ প্ৰাচীনত্বৰ বিষয়ে আলোচনা আগবঢ়াইছে।

বিষ্ণুৰ উপাসনা ঋক্ বেদৰ সমানেই পুৰণি। বিষ্ণু আদিত্যসকলৰ এজন। এই বেদৰে এঠাইতে তেওঁক 'ঋতস্য গৰ্ভম' অৰ্থাৎ যজ্ঞ বা নৈতিকতাৰ বীজ বোলা হৈছে। তেওঁক ইন্দ্ৰৰ সৈতে প্ৰশংসা কৰা হৈছে। বৈদিক যুগৰ আগভাগত বিষ্ণুক এজন ডাঙৰ দেৱতা বোলা হৈছে, কিন্তু তেওঁ একমাত্ৰ ডাঙৰ দেৱতা নহয়। পৰৱৰ্তী বৈদিক সাহিত্যত বিষ্ণুৰ স্থান অতি উচ্চ। তেওঁক যজ্ঞৰ প্ৰতীক বোলা হৈছে। ব্ৰাহ্মণ-আৰণ্যক আদি শাস্ত্ৰৰ সময়ত নাৰায়ণক দেৱতা ৰূপে কল্পনা কৰা হৈছিল। ব্ৰাহ্মণ গ্ৰন্থত বিষ্ণুৰ ৰূপ সলনি হ'ল। তৈত্তিৰীয় আৰণ্যকত বিষ্ণুক দেৱতাসকলৰ ভিতৰত শ্ৰেষ্ঠ আসন দিয়া হৈছে আৰু তেওঁক অসুৰৰ বিৰুদ্ধে ইন্দ্ৰক সহায় কৰোঁতো বোলা হৈছে। ধৰ্ম সম্প্ৰদায় বুজোৱা বৈষ্ণৱ নামটো মহাভাৰতৰ শেষৰফালে পোৱা যায়। শান্তিপৰ্বত নাৰদীয় শাখা আৰু ভীষ্মপৰ্বৰ বিশ্বোপাখ্যানত ভাগৱত, সাত্বত, পাঞ্চৰাত্ৰ ধৰ্মৰ উল্লেখ আছে। মহাভাৰতৰ মতে নাৰদে স্বয়ং নাৰায়ণৰ পৰাই এই ধৰ্ম পাইছিল। বিষ্ণুপুৰাণ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, ভাগৱত পুৰাণত বিষ্ণুক সৰ্বশ্ৰেষ্ঠ স্থান দিয়া হৈছে। তেওঁ সৰ্ব শক্তিমান বিষ্ণু। খ্ৰীষ্টধৰ্মত পূৰ্বে ভাগৱত বা ভক্তিপন্থা থকা লিপিমূলক প্ৰমাণ পোৱা যায়।

বৈষ্ণৱ ধৰ্ম বৈপ্লৱিক আৰু সংস্কাৰকামী ধৰ্ম। মহাভাৰতৰ শান্তিপৰ্বত নাৰায়ণীয় আখ্যানৰপৰাই এই ধৰ্মৰ আবিৰ্ভাৱৰ কাৰণ আৰু বৈপ্লৱিক, সংস্কাৰকামী স্বভাৱৰ বিষয়ে জানিব

পাৰি। বেদৰ ধৰ্মত ক্ৰিয়াকাণ্ড, আচাৰ-অনুষ্ঠান, যাগ-যজ্ঞ, ব্ৰতাচাৰ, বলি-বিধান আদিৰ প্ৰাধান্য আৰু বাহুল্য বৃদ্ধি পাবলৈ ধৰিছিল আৰু ধৰ্মবোৰ ভক্তিবিহীন হৈ গতানুগতিক হৈ পৰিছিল। কিন্তু পৰৱৰ্তীকালৰ উপনিষদীয় যুগত যাগ-যজ্ঞ, ব্ৰতাচাৰ, বলিবিধান আদিতকৈ ভক্তি, উপাসনা, ধ্যান-ধাৰণাৰ ওপৰতহে অধিক গুৰুত্ব আৰোপিত হ'বলৈ ধৰিলে। ঠিক এনে সময়তেই কেইগৰাকীমান ক্ষত্ৰিয় সন্তানৰ নেতৃত্বত আজীৱিক, বৌদ্ধ আৰু জৈন ধৰ্মৰ দৰে কেইটিমান বৈপ্লৱিক আৰু সংস্কাৰকামী ধৰ্মৰ সৃষ্টি হ'ল। এইকেইটা ধৰ্মৰ সমান্তৰালভাৱেই পশ্চিম ভাৰতত বাসুদেৱীয় বৈষ্ণৱ ধৰ্মৰ সৃষ্টি হ'ল। এই বাসুদেৱীয় বৈষ্ণৱ ধৰ্মই বলি-বিধান, যাগ-যজ্ঞ আদিৰ বিৰুদ্ধাচৰণ কৰিছিল আৰু ভক্তিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। এই ধৰ্মত ঈশ্বৰৰ উপাসনা অহিংস আৰু সাত্বত বিধিৰে কৰাৰ ওপৰত গুৰুত্ব আৰোপিত হৈছিল।

নাৰায়ণীয় আখ্যানৰপৰা জনা যায় যে, উপৰিচ নামৰ এগৰাকী ৰজাই অহিংসভাৱে আৰু সাত্বত বিধিৰে এই ধৰ্ম আচৰণ কৰিছিল। এবাৰ এনেদৰে নিৰামিষ নৈবেদ্যেৰে পূজা কৰিবলৈ উদ্যত হোৱাৰ সময়ত বলি সম্পৰ্কত ঋষিসকলৰ মাজৰপৰা বৃহস্পতি নামৰ ঋষিয়ে বলি হিচাপে পিঠা আনিবলৈ কোৱাত মাংসলোলুপ দেৱতাসকলে প্ৰতিবাদ কৰি কলে- 'অজৰ দ্বাৰা যজ্ঞ কৰা'। এই অজ' শব্দৰ অৰ্থ হৈছে ছাগলী। তেতিয়া ঋষিসকলে প্ৰতিবাদ কৰি ক'লে- বেদৰ মত হৈছে বীজৰ দ্বাৰা যজ্ঞ কৰিব লাগে। গতিকে 'অজ' শব্দৰ অৰ্থ 'বীজ'হে, 'ছাগলী' নহয়। দেৱতা আৰু ঋষিসকলৰ মাজত এনেদৰে ছাগলীৰে বলি দি পূজা কৰিব নে 'বীজ' অৰ্থাৎ শস্যেৰে পূজা কৰিব তাক লৈ মতভেদৰ সৃষ্টি হ'ল। এই মতভেদ দূৰ কৰাৰ কাৰণে তেওঁলোকে ৰজা উপৰিচক বিচাৰক পাতি ছাগলীৰ বলিৰে নে শস্যেৰে পূজা কৰিব তাৰ সিদ্ধান্ত দিবলৈ ক'লে। ৰজা উপৰিচে দেৱতাসকলৰ ভয়ত তেওঁলোকৰ পক্ষক সমৰ্থন কৰি ছাগলীৰ বলিৰে পূজা দিবলৈ সিদ্ধান্ত দিলে। এই সিদ্ধান্তত অসন্তুষ্ট হৈ ঋষিসকলে ৰজা উপৰিচক অভিশাপ দিলে। অৱশ্যে বিষ্ণুৱে ৰজাক এই অভিশাপৰ পৰা উদ্ধাৰ কৰিলে। লগতে বাসুদেৱ বিষ্ণুৰ পূজাত পিঠা আৰু শস্যৰ নৈবেদ্য অব্যাহত ৰাখিলে। এই প্ৰসঙ্গত অসমৰ মধ্যযুগৰ নৱ বৈষ্ণৱ ধৰ্মৰ নৈবেদ্যত শস্য অৰ্থাৎ মাহ, গাজী, চাউল আৰু পিঠা-লাৰুৱে প্ৰাধান্য লাভ কৰাৰ কথা বিশেষভাৱে প্ৰণিধানযোগ্য। তদুপৰি সত্যনাৰায়ণ পূজাৰ পিঠাতো এই বাসুদেৱীয় বিষ্ণু পূজাৰেই প্ৰভাৱ আছে বুলি ভবাৰ থল আছে। ধৰ্মীয় সংস্কাৰৰ ক্ষেত্ৰত বলি-বিধান নমনা আৰু ব্ৰত আদি পালনৰ অসাৰ্থকতাৰ সম্পৰ্কত বৈষ্ণৱ ধৰ্মৰ লগত বৌদ্ধ ধৰ্মৰ মিল আছে।

পৰৱৰ্তীকালত "ভাগৱত পুৰাণ"ৰ 'ব্যাসৰ অপৰিতোষ' কথায়ো ভক্তি প্ৰধান একেশ্বৰবাদী ভাগৱত পুৰাণ ৰচনাৰ তথা ভক্তি ধৰ্মৰ সৃষ্টিৰ কাৰণ সম্পৰ্কে ইঙ্গিত দিয়ে। চাৰিবেদ, চৈধ্যশাস্ত্ৰ, ওঠৰ পুৰাণ আদি ৰচনা কৰিও ব্যাসৰ মনলৈ প্ৰশান্তী আৰু সন্তোষ অহা নাছিল। কাৰণ এইবোৰত ভক্তিৰ পৰিৱৰ্তে কৰ্ম, জ্ঞান, আচাৰ-অনুষ্ঠানৰ বিষয়েহে গুৰুত্ব আৰোপ কৰা হৈছিল। শেষত নাৰদৰ পৰামৰ্শ মতে ভক্তি প্ৰধান ভাগৱত পুৰাণ ৰচনা কৰিহে ব্যাসে সন্তোষ লাভ কৰিব পাৰিছিল। গতিকে এনেবোৰ তথ্যৰ পৰা সিদ্ধান্তত উপনীত হ'ব পাৰি যে, বৈদিক ধৰ্মত কালক্ৰমত যাগ-যজ্ঞ, বলি-বিধান, আচাৰ-অনুষ্ঠান আদিৰ বাহুল্য হোৱাত আৰু অনুষ্ঠানবোৰ ভক্তিবিহীন তথা গতানুগতিক কৰ্ম হৈ পৰাত অহিংস, একেশ্বৰবাদী ভক্তিপ্ৰধান তথা গতানুগতিক কৰ্ম হৈ পৰাত অহিংস, একেশ্বৰবাদী ভক্তিপ্ৰধান বৈষ্ণৱ ধৰ্মৰ সৃষ্টি হ'ল।

### ২.৩.২ মধ্য যুগৰ ভক্তি আন্দোলনৰ ইতিহাস

মধ্য যুগৰ ভক্তি আন্দোলনৰ ইতিহাস দিবলৈ গ'লে আমি প্ৰথমে দক্ষিণ ভাৰত বা তামিল প্ৰদেশলৈ উভতি যাব লাগিব। কাৰণ সেইখন প্ৰদেশতে প্ৰথমে ভক্তিৰ বীজ অঙ্কুৰিত হৈ সমগ্ৰ উত্তৰ ভাৰত, পূব ভাৰত আৰু এনেকৈয়ে সমগ্ৰ দেশতে ভক্তিয়ে এনেভাৱে বিস্তাৰ লাভ কৰিলে যে, ভাৰতীয় জাতীয় জীৱনত ই এক নতুন যুগৰ সূচনা কৰিলে।

আধুনিক ভাৰতীয় সাহিত্যৰ ভিতৰত তামিল সাহিত্যই অতি প্ৰাচীন। খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰপৰা নৱম শতিকালৈ তামিল প্ৰদেশৰ এই সময়ছোৱাক ভক্তিকাল বুলি অভিহিত কৰা হয়। এই কালৰ সাহিত্যিকসকলে প্ৰথম অৱস্থাত সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিছিল যদিও পিছলৈ ধৰ্মপ্ৰচাৰৰ ক্ষেত্ৰতো আগভাগ লৈছিল। এই সময়ছোৱাত প্ৰসিদ্ধ বৈষ্ণৱ ভক্ত কবি আলৱাৰ আৰু শৈৱভক্ত কবি নায়ামৰেসকলৰ আবিৰ্ভাৱ হয়। এওঁলোকে জনসাধাৰণৰ ভাষা তামিলৰ যোগেদি বেদ-উপনিষদ আদিৰ যোগেদি নিজৰ বিচাৰ প্ৰকট কৰি তোলে। তেওঁলোকৰ হাতত ভগৱান স্নেহ, প্ৰেম আৰু কৰুণাৰ মূৰ্তি স্বৰূপ হৈ পৰিল। কৰ্মকাণ্ডৰ সলনি ভগৱান স্মৰণৰ দ্বাৰাহে ভগৱানৰ অনুগ্ৰহ প্ৰাপ্তিৰ সম্ভাৱনা দৃঢ় কৰা হ'ল।

তামিল প্ৰদেশৰ আলৱাৰসকলে ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল। তামিল ভাষাত 'আলৱাৰ' শব্দটো বাৰজন বৈষ্ণৱ ভক্তক বুজাবলৈ ব্যৱহাৰ কৰা হয়। সেই বাৰজন বৈষ্ণৱ ভক্ত হ'ল পোয়গৈআলৱাৰ, ভূতত্তালৱাৰ, পেয়ালৱাৰ, তিৰুমলিসঈ, নম্মলেৱাৰ, মধুৰকবি, কুলশেখৰ, পেৰিয়ালৱাৰ, আণ্ডাল, তোণ্ডৰডীপোড়ী, তিৰুপ্পান আৰু তিৰুমৈঙ্গৈ। আলৱাৰসকলৰ উপৰিও দাক্ষিণাত্যত শঙ্কৰাচাৰ্য আৰু ৰামানুজাচাৰ্যৰ আবিৰ্ভাৱ ঘটে। এওঁলোক দুগৰাকী হ'ল ভক্তি-ধৰ্মৰ ক্ৰমে অদ্বৈতবাদ আৰু বিশিষ্টাদ্বৈতবাদৰ প্ৰবক্তা। এই ভক্তি আন্দোলনৰ নেতৃত্ব দিছিল শ্ৰীপাদৰায়, ব্যাসৰায়, পুৰন্দৰ দাস, কণক দাস আদিয়ে। মহাৰাষ্ট্ৰত ভক্তি আন্দোলনৰ পুৰোধা আছিল সন্ত জ্ঞানেশ্বৰ। ইয়াক সবল কৰি তুলিছিল একনাথ, তুকাৰাম, ৰামদাস আদি বৈষ্ণৱ সাধকসকলে।

নৱম শতিকাৰ ভক্তি আন্দোলন দক্ষিণ ভাৰতৰপৰা আহি উত্তৰ ভাৰত অৰ্থাৎ হিন্দী বলয়ত প্ৰবেশ কৰে। উত্তৰ ভাৰতৰ ভক্তি ধৰ্মৰ গুৰি ধৰোঁতা আছিল শ্ৰীৰামানন্দ। ৰামানুজাচাৰ্যৰ শিষ্য এই ৰামানন্দই গুৰুৰ পৰা ফালৰি কাটি আহি নিজে এটা সুকীয়া বৈষ্ণৱ সম্প্ৰদায়ৰ জন্ম দিয়ে। ৰামানন্দই প্ৰথমে সকলো জাতিৰ লোকক নিজৰ সম্প্ৰদায়ত শিষ্য হিচাপে স্থান দি বৈষ্ণৱ ধৰ্মক গণতান্ত্ৰিক কৰি তোলে। এওঁ মানুহ মাত্ৰকে ভক্তিৰ অধিকাৰী বুলি স্বীকাৰ কৰি ভক্তি ধৰ্মৰ পৰা জাতিভেদ, বৰ্ণভেদ আদি বিচাৰধাৰা ভক্তিমাৰ্গৰপৰা আঁতৰ কৰে। ৰামানন্দ আছিল বিষ্ণুৰ অৱতাৰ ৰামচন্দ্ৰৰ উপাসক। এৱেঁই ৰাম ভক্তিৰ দুৱাৰ সকলো জাতিৰ লোকৰ বাবে মুকলি কৰি দিয়ে। ৰামানন্দৰ দ্বাৰা প্ৰচাৰিত ৰামভক্তি পিছলৈ দুটা প্ৰধান ধাৰাত বিভক্ত হ'ল ঃ এটা হ'ল নিৰ্গুণ ভক্তিধাৰা আৰু আনটো হ'ল সগুণ ভক্তিধাৰা। প্ৰথমটোৰ প্ৰচাৰক আছিল কবীৰ দাস আৰু দ্বিতীয়টোৰ প্ৰচাৰক আছিল গোস্বামী তুলসী দাস, নিৰ্গুণ ভক্তিধাৰাৰ সৰ্বশ্ৰেষ্ঠ কবীৰ দাস পণ্ডিত নাছিল, সাহিত্য ৰচনা কৰাৰ উদ্দেশ্যও তেওঁৰ নাছিল। বাহ্যিক আড়ম্বৰ, মূৰ্তিপূজা, বলি-বিধান আদিৰ বিপক্ষে তেওঁ অতি চোকা বান নিক্ষেপ কৰিছিল। ধৰ্মদাস, মলুক্‌দাস, দাদু আদি কবীৰৰ প্ৰধান শিষ্য আছিল, সগুণ শাখাৰ প্ৰৱৰ্তক গোস্বামী তুলসী দাসৰ মতে ভক্তৰ হিতৰ কাৰণে ভগৱানে নৰৰূপ ধাৰণ কৰে। এওঁৰ মতে, সংসাৰ সাগৰ পাৰ হ'বলৈ হ'লে পবিত্ৰ বিবেকৰ আৱশ্যক আৰু সেই বিবেক হৰি তথা গুৰুৰ কৰুণা অবিহনে সম্ভৱ নহয়। ভক্তি আন্দোলনৰ কালছোৱাত আন এগৰাকী ধৰ্ম প্ৰচাৰক গুৰু নানকে হিন্দু আৰু ইছলাম দুয়োটা ধৰ্মকে সন্মিলিত কৰি শিখ ধৰ্ম প্ৰচাৰ কৰে।

উত্তৰ ভাৰতৰ বিভিন্ন ভক্ত কবিৰ হাতত ভক্তি-ধৰ্মই বিস্তাৰ লাভ কৰি শেষত পূব ভাৰত পায়হি। বঙ্গদেশৰ চৈতন্যদেৱে এই ভক্তিধৰ্ম প্ৰচাৰ কাৰ্যত আগভাগ লয়। চৈতন্যদেৱে শ্ৰীকৃষ্ণক ভগৱান ৰূপে স্থাপন কৰি তেওঁৰ প্ৰতি ভক্তি কথা প্ৰচাৰ কৰে। তেওঁ ভগৱানৰ নাম প্ৰচাৰৰ কাৰণে 'সংকীৰ্ত্তন'কৈ পৰম আৰু সৰল উপায়ৰূপে গ্ৰহণ কৰে। এই 'সংকীৰ্ত্তন' বঙ্গদেশত ইমানেই জনপ্ৰিয় হৈ উঠে যে ই অতি সোনকালে বাটে-পথে অনুষ্ঠিত 'নগৰ কীৰ্ত্তন'ত পৰিণত

হয়। এই ‘নগৰ-কীৰ্ত্তন’ চৈতন্যদেৱৰ নৱোপাৰ্জিত মতবাদ প্ৰচাৰত বৰ সহায়ক হৈ পৰে। চৈতন্যদেৱে বঙ্গদেশৰ উপৰিও উৰিষ্যাতো ভক্তি আন্দোলন সৃষ্টিত নেতৃত্ব দিছিল। চৈতন্যৰ মতবাদ উৰিষ্যাত সুদৃঢ় কৰি তুলিছিল শ্যামানন্দ আৰু ৰসিকানন্দ নামৰ দুগৰাকী বৈষ্ণৱ ভক্তই। ইয়াৰ পিছতে ‘পঞ্চসখা’ ৰূপে খ্যাত বলৰাম দাস, জগন্নাথ দাস, অচ্যুতানন্দ দাস, যশোৱন্ত দাস আৰু অনন্ত দাসে সাহিত্যৰ মাধ্যমেৰে বৈষ্ণৱ ধৰ্ম প্ৰচাৰত সহায় কৰিছিল।

ভাৰতবৰ্ষৰ পূব প্ৰান্তত অৱস্থিত অসমকো এই ভক্তিধৰ্মৰ কোবাল সোঁতে স্পৰ্শ কৰে পঞ্চদশ শতিকাত। সমগ্ৰ ভাৰতবৰ্ষ প্লাৱিত কৰা এই বৈষ্ণৱ ভক্তি আন্দোলনৰ লগত ঘনিষ্ঠভাৱে সম্পৰ্ক স্থাপন কৰে মহাপুৰুষ শঙ্কৰদেৱে। সেই সময়ত অসমীয়া সমাজত প্ৰচলিত নানা দেৱ-দেৱীৰ পূজা-উপাসনা, যাগ-যজ্ঞ, বলি-বিধান আদিৰ বিপৰীতে এজন দেৱতাৰ সন্ধান দিলে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। শঙ্কৰদেৱ প্ৰচাৰিত ধৰ্মৰ মূল প্ৰতিপাদ্য বিষয় হ’ল- ‘এক দেৱ’। এই এক দেৱ হ’ল বিষ্ণুৰ অৱতাৰ শ্ৰীকৃষ্ণ। শ্ৰৱণ-কীৰ্ত্তনেই বিষ্ণুক লাভ কৰাৰ একমাত্ৰ উপায়। শঙ্কৰদেৱৰ লগে লগে অসমত নৱ-বৈষ্ণৱ ধৰ্ম-প্ৰচাৰত আগ ভাগ লয় তেওঁৰেই শিষ্য তথা অনুগত সেৱক মহাপুৰুষ মাধৱদেৱে।

এইদৰে আলোচনা কৰিলে দেখা যায় যে, দক্ষিণাত্যত আলৱাৰসকলে ৰোপণ কৰা ভাৰতীয় ভক্তি-আন্দোলনৰ বীজ কালক্ৰমত অঙ্কুৰিত হৈ উত্তৰ ভাৰত, পূব ভাৰত আৰু অসমতো বিস্তাৰ লাভ কৰিবলৈ সক্ষম হয়।

### ২.৩.৩ ভক্তি আন্দোলনৰ পটভূমি

ভক্তি আন্দোলনৰ সূত্ৰপাত হৈছিল দক্ষিণ ভাৰত বা তামিল প্ৰদেশত। কিন্তু কি কাৰণত বা কেনেকুৱা পটভূমিত দক্ষিণাত্যত এই আন্দোলনৰ সূচনা হৈছিল সেইকথা বিচাৰ কৰি চাবলগীয়া। যিকোনো এটা পৰিৱৰ্তন বা নতুনত্বৰ আঁৰত কিছুমান কাৰণ নিহিত হৈ থাকে। ভক্তি আন্দোলন সৃষ্টিৰ মূলতেও আছিল কিছুমান সামাজিক আৰু ধৰ্মীয় পৰিস্থিতিৰ ক্ৰিয়া আৰু প্ৰতিক্ৰিয়া। তামিল প্ৰদেশৰ খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ এই কালছোৱাক ভক্তিকাল বুলি আখ্যা দিয়া হয়। কিন্তু ষষ্ঠ শতিকাৰ আগৰ সময়ছোৱাক কোৱা হয় ভক্তি পূৰ্বকাল বৌদ্ধ-জৈনকাল। ইয়াৰপৰা অনুমান কৰিব পাৰি যে, ষষ্ঠ শতিকাৰ আগতে দক্ষিণ ভাৰতৰ বৌদ্ধ আৰু জৈন ধৰ্মৰ আঁৰতে ৰচিত হৈছিল ভক্তি বা বৈষ্ণৱ আন্দোলনৰ পটভূমি।

ভক্তি-পূৰ্বকালৰ সাহিত্যিকসকলে প্ৰথম অৱস্থাত যদিও অকল সাহিত্য সৃষ্টিতে মনোনিৱেশ কৰিছিল, পিছলৈ ধৰ্ম-প্ৰচাৰৰ সুৰ স্পষ্ট হৈ উঠিল আৰু ভক্তিকালৰ আৰম্ভণিৰ সময়ত শৈৱ আৰু বৈষ্ণৱ ধৰ্মৰ বিৰোধিতা কৰাহে তেওঁলোকৰ উদ্দেশ্য হৈ পৰিল। সেই সময়ক সাহিত্যৰ উপৰিও জনসাধাৰণৰ ওপৰতো বৌদ্ধ আৰু জৈন ধৰ্মৰ প্ৰভাৱ পৰিছিল। লাহে লাহে এনে এটা পৰ্যায় পালে যে, বৌদ্ধ ধৰ্মাৱলম্বীসকলে জনসাধাৰণক বৌদ্ধ ধৰ্মত দীক্ষিত কৰিবলৈ যত্ন কৰাৰ লগতে পৰ-ধৰ্মৰ নিন্দাও আৰম্ভ হ’ল। ফলত তেওঁলোকৰ মাজত দুৰাচাৰে ঠাই ল’বলৈ ধৰিলে। বৌদ্ধ ধৰ্মত ব্ৰহ্মচৰ্য আৰু ভিক্ষু জীৱনৰ ওপৰত গুৰুত্ব আৰোপিত হৈছিল। কিন্তু এনে আদৰ্শৰ প্ৰতি ভাৰতীয় জনসাধাৰণৰ মুঠেও আগ্ৰহ নাছিল। তামিল প্ৰদেশৰ জনসাধাৰণে পৰম্পৰা অনুযায়ী গাৰ্হস্থ্য জীৱনৰ উচ্চ আদৰ্শক সাৱটি লোৱা কাৰণে বৌদ্ধ ভিক্ষু জীৱন পৰম্পৰা বিৰুদ্ধ যেন অনুভৱ কৰিছিল। আনহাতে, বৌদ্ধ ধৰ্মত ঈশ্বৰৰ কাৰণে কোনো স্থান নথকাত জনসাধাৰণে এই বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰিছিল। মুঠতে বৌদ্ধধৰ্মৰ লগত ভাৰতীয় পৰম্পৰা তথা ৰুচি-অভিৰুচিৰ মাজত এটা জীন নোযোৱা ব্যৱধান আছিল।

ইপিনে, জৈন দিগম্বৰসকলৰ আচৰণত সাধাৰণ মানুহ সন্তুষ্ট হ'ব পৰা নাছিল। জৈন ধৰ্মৰ দুটা ভাগ-শ্বেতাম্বৰ আৰু দিগম্বৰ। শ্বেতাম্বৰসকলে একবস্ত্ৰ পৰিধান কৰিছিল; তাৰ বিপৰীতে দিগম্বৰসকল আছিল নাঙঠ। সেয়ে এনে পৰিৱেশৰ লগত অনভ্যস্ত ভাৰতীয় জনসাধাৰণে কোনোপধ্যে জৈন ধৰ্ম গ্ৰহণত আগ্ৰহী নাছিল। এটা সময়ত জৈন ধৰ্ম গ্ৰহণ কৰিবলৈ মানুহক জোৰ-জুলুমকৈ বাধ্য কৰাবলৈ ধৰে। এই ধৰ্ম গ্ৰহণ নকৰা সকলক বিশেষকৈ বৈষ্ণৱ সন্তসকলক নানাভাৱে কষ্ট দিবলৈ আৰম্ভ কৰে। পৰিস্থিতি এনেকুৱা পৰ্যায়লৈ গ'ল যে-, আনকি ধৰ্ম পৰিৱৰ্তন কৰাবলৈ হত্যা পৰ্যন্ত উপায় হিচাপে গ্ৰহণ কৰে। অহিংসা, কৰুণা, দয়া আদি জৈন ধৰ্মৰ যিবোৰ ভাল ভাল মানবীয় গুণ তথা তত্ত্ব আছিল, সেইবোৰৰ বিৰুদ্ধ আচৰণতহে লিপ্ত হ'বলৈ ধৰিলে।

সেই সময়ত শক্তি উপাসক কিছুমানৰো উদ্ভৱ হৈছিল। যাগ-যজ্ঞ, বলি-বিধান, পূজা-পাতল আদি পদ্ধতিসমূহ আছিল তেওঁলোকৰ ঈশ্বৰ প্ৰাপ্তিৰ প্ৰয়াস। আনকি ভগৱানৰ সন্তুষ্টিৰ কাৰণে জীৱ-জন্তুৰ উপৰিও নৰ-বলি পৰ্যন্ত দিছিল আৰু মানুহৰ মাংসক নৈবেদ্যৰূপে ভগৱানক আগবঢ়াইছিল। এনেবোৰ কৰ্মকাণ্ডই মানুহৰ মনত ধৰ্মৰ প্ৰতি শ্ৰদ্ধা বা ভক্তিভাৱৰ সলনি ভয় আৰু ঘৃণাৰ ভাবহে পুঞ্জীভূত কৰিছিল।

আনহাতে, সেই সময়ত সমাজত জাতিভেদ প্ৰথাৰো প্ৰচলন আছিল। বিশেষকৈ উচ্চ বৰ্ণৰ ব্ৰাহ্মণসকলৰ লগত নিম্ন বৰ্ণৰ জনসাধাৰণৰ যোগসূত্ৰ প্ৰায় নাছিল বুলিয়েই ক'ব পাৰি। বৈদিক ধৰ্মাৱলম্বী ব্ৰাহ্মণসকলে নিজৰ গোষ্ঠী বান্ধি বেদ-উপনিষদ আদিৰ অধ্যয়ন আৰু যাগ-যজ্ঞ আদি অনুষ্ঠিত কৰাত ব্যস্ত আছিল। ব্ৰাহ্মণৰ বাহিৰে এনে অনুষ্ঠানবোৰত আন কোনোৱে অংশ গ্ৰহণ কৰিব নোৱাৰিছিল। ফলত জনসাধাৰণৰ লগত এওঁলোকৰ মানসিক দূৰত্ব বৃদ্ধি পাইছিল আৰু সামাজিক সম্পৰ্কও হেৰাই গৈছিল। উচ্চ-নীচ মনোভাৱ পোষণৰ পৰিপ্ৰেক্ষিতত সাধাৰণ মানুহ ক্ৰমশঃ অসন্তুষ্ট হৈ উঠিছিল।

এনে এক সামাজিক তথা ধৰ্মীয় পৰিৱেশে মানুহৰ মনত একোটা অস্বস্তিকৰ ভাৱৰ সৃষ্টি কৰিছিল আৰু সকলোৱে ইয়াৰ পৰা পৰিত্ৰাণ বিচাৰিছিল। সেই সময়ত এনে এটা ধৰ্মৰ প্ৰয়োজন হৈ পৰিছিল য'ত সকলোৱে সমানভাৱে আত্ম-শান্তি পাব পাৰে, য'ত আচাৰ-বিচাৰৰ মানদণ্ড একে হয়, য'ত যাগ-যজ্ঞ আদি কঠিন নিয়মৰ দ্বাৰা আবৃত বৈদিক ধৰ্ম সৰলীকৃত হৈ ভক্তিৰ সাধন সহজ তথা সৰ্বসাধাৰণৰ গ্ৰহণযোগ্য হ'ব পাৰে। যুগৰ এই আৱশ্যকতা পূৰণাৰ্থে বৈষ্ণৱ ভক্ত কবি আলৱাৰ আৰু শৈৱ ভক্ত কবি নায়নমাৰসকলৰ আবিৰ্ভাৱ হ'ল আৰু সূচনা কৰিলে ভক্তি আন্দোলনৰ এক নতুন দিগন্ত। এওঁলোকে ভগৱানৰ সত্তা , উদাৰতা, দয়া, কৰুণা আদিক প্ৰচাৰ কৰিবলৈ ল'লে। বৌদ্ধ আৰু জৈন ধৰ্মৰ তুলনাত ভক্তি ধৰ্মই অতি কম সময়ত ভিতৰতে জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হ'ল আৰু তামিল প্ৰদেশৰ জনতাই এনে ধৰ্ম গ্ৰহণ কৰি তাৰ ভক্তিৰ সোঁতত আকৌ এবাৰ শান্তিৰে উশাহ ল'লে।

এনেদৰে সামাজিক আৰু ধৰ্মীয় জীৱনৰ পটভূমিত ষষ্ঠ শতিকাত ভক্তি ধৰ্মৰ সূচনা হয়। সৰ্বসাধাৰণ মানুহে যেন এনে এটা ধৰ্মৰ অপেক্ষাতেই আছিল। ফলত অতি কম সময়ৰ ভিতৰতে এই ধৰ্মই জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হ'ল আৰু ই এক আন্দোলন তথা আলোড়নত পৰিণত হ'ল।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

কি পৰিস্থিতি বা পটভূমিত মধ্যযুগত ভাৰতীয় ভক্তি আন্দোলনৰ সূত্ৰপাত হৈছিল? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....................................................................

.....................................................................

.....................................................................

## ২.৪ ভাৰতীয় ভক্তি আন্দোলনৰ বৈশিষ্ট্য

সমগ্ৰ ভাৰতবৰ্ষ জুৰি সৃষ্টি হোৱা ভক্তি আন্দোলনৰ অভিব্যক্তিলৈ লক্ষ্য কৰিলে কিছুমান উমৈহতীয়া বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। স্থান আৰু পাত্ৰভেদে অলপ ইফাল-সিফাল হ'লেও কম-বেছি পৰিমাণে সেই বিশেষত্ব বা লক্ষণসমূহ প্ৰায়বোৰ ঠাইতে একে। তলত সেই বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা হ'ল।

১) সকলো বৈষ্ণৱ বা ভক্তি সম্প্ৰদায়েই একেশ্বৰবাদী। বিষ্ণু বা নাৰায়ণ একমাত্ৰ উপাস্য দেৱতা। অন্য দেৱতা বা বহু দেৱতাৰ অস্তিত্ব ভক্তিধৰ্মই স্বীকাৰ কৰা নাই; বিষ্ণু বা নাৰায়ণক ব্ৰহ্মৰূপে, পৰমাত্মাৰূপে, ভগৱানৰূপে আৰু সৃষ্টি-স্থিতি প্ৰলয়ৰ নিয়ন্তা স্বৰূপে বৰ্ণনা কৰিছে। বিষ্ণুৰ বিভিন্ন অভিব্যক্তি বা অৱতাৰক উপাস্য স্বৰূপে দুই-এটা সম্প্ৰদায়ে উপাসনা কৰিছিল যদিও বেছিভাগ সম্প্ৰদায়েই 'কৃষ্ণস্তু ভগৱান স্বয়ম্' বুলি গ্ৰহণ কৰি কৃষ্ণ ভক্তি প্ৰচাৰ কৰিছিল। ৰামানুজী নিম্বাৰ্কী আৰু চৈতন্য সম্প্ৰদায়ত লক্ষ্মী বা ৰাধাৰ বিশেষ স্থান আছে যদিও তেওঁক কৃষ্ণ বা বিষ্ণুৰ মায়া অৰ্থাৎ ঐশ্বৰিক শক্তিৰ প্ৰতীক স্বৰূপেহে গ্ৰহণ কৰিছে।

২) যাগ-যজ্ঞ, পূজা-পাতল, বলি-বিধান, ব্ৰত-তপস্যাতকৈ ভক্তি বা প্ৰেমৰ দ্বাৰা ভগৱান সহজে উপলব্ধি হয় এই কথাত সকলো সম্প্ৰদায়েই গুৰুত্ব আৰোপ কৰিছে। নৱধা ভক্তিৰ ভিতৰত যিকোনো এক বা একাধিক ভক্তিক আশ্ৰয় কৰি আৰু ভগৱানৰ লগত সখা, প্ৰভু, স্বামী বা পুত্ৰৰ সম্পৰ্ক স্থাপন কৰি অন্তৰতে ভগৱানক উপলব্ধি কৰা যায়- এয়ে বেছিভাগ সম্প্ৰদায়ৰ মত।

৩) ভক্তিৰ পাত্ৰ-অপাত্ৰ নাই। ব্ৰাহ্মণৰপৰা চণ্ডাললৈকে সকলোৰে ভক্তি ধৰ্মৰ ওপৰত অধিকাৰ আছে। এই মতৰ ওপৰত আস্থা ৰাখিয়েই বৈষ্ণৱ মহন্তসকলে সকলো শ্ৰেণীৰ লোকৰ মাজত ভক্তি-ধৰ্ম বিলাইছিল।

৪) ভগৱদ্ভক্তিৰ প্ৰতি জনসাধাৰণৰ মন আকৃষ্ট কৰাৰ লগে লগে অহিংসা, প্ৰেম, দয়া, দাস্যভাৱ আদি মানৱীয় প্ৰমূল্য আৰু সূক্ষ্ম, কোমল প্ৰবৃত্তিবোৰৰ উৎকৰ্ষ সাধনৰ অনুপ্ৰেৰণা দি সুস্থ নৈতিক জীৱনৰ আদৰ্শ দাঙি ধৰিছিল।

৫) ভক্তি আন্দোলনে বেছিভাগ ক্ষেত্ৰতে প্ৰান্তীয় ভাষাক প্ৰচাৰৰ মাধ্যমৰূপে গ্ৰহণ কৰাত বিভিন্ন পুৰাণ, মহাকাব্য ইতিহাস আদি প্ৰান্তীয় ভাষালৈ অনুবাদ হ'বলৈ ধৰে আৰু ফলস্বৰূপে প্ৰান্তীয় ভাষাসমূহৰ শ্ৰীবৃদ্ধি সাধন হয়। লগে লগে ভক্তিমূলক গীত-পদ আদিৰো চৰ্চা হোৱাত সুকুমাৰ কলাৰ উন্নতি সাধিত হয়। ঈশ্বৰক উপাসনাৰ বাবে সংস্কৃত ভাষাৰ প্ৰয়োজন নাই; প্ৰান্তীয় অৰ্থাৎ নিজৰ মাতৃভাষাই যথেষ্ট। কবীৰৰ মতে 'সংস্কৃত ভাষা হ'ল কুঁৱাৰ ভিতৰত আবদ্ধ হৈ থকা বন্ধ পানী'।

৬) বৈষ্ণৱ আন্দোলনে জাতি-ধৰ্ম-নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকক জীৱনৰ মৰ্যাদা দান কৰে। নীচ কুল বা জাতত জন্ম লাভ কৰিলেও যে জীৱন অসাৰ্থক নহয়, ভক্তিৰ বলত তেওঁ ব্ৰাহ্মণতকৈও উচ্চ আসন লাভ কৰিব পাৰে সেই ভাৱ জগাই দি মানবীয় মৰ্যাদাবোধ প্ৰদান কৰে। এনেদৰে বৰ্ণ-বৈষম্য, জাত-পাত তথা অনৈক্যৰ শিপা উভালিবলৈ ভক্তিধৰ্মৰ প্ৰচাৰকসকলে প্ৰয়াস কৰিছিল।

৭) ভক্তি দুটা প্ৰধান ভাগত বিভক্ত ঃ সগুণ আৰু নিৰ্গুণ ভক্তি। সগুণ-সবিশেষ, সাকাৰ আৰু উপাধিযুক্ত। আনহাতে, নিৰ্গুণ-গুণ, বিশেষণ, আকাৰ আৰু উপাধিৰহিত। যাক কোনো বিশেষণ, চিহ্ন বা লক্ষণৰ দ্বাৰা বুজাব নোৱাৰি সিয়ে নিৰ্গুণ ব্ৰহ্ম। যাক কোনো গুণ, চিহ্ন বা বিশেষণৰ দ্বাৰা চিনিব পাৰি সেয়ে সগুণ ব্ৰহ্ম।

৮) সৎসঙ্গ বা সাধুসঙ্গ ভক্তি আন্দোলনৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য। ভক্তিপন্থত সাধুসঙ্গ অনুসৰণ কৰিব লাগে। তেহে ভকতি সিজে। সৎসঙ্গৰ ফলত দুৰ্বাসনা নাশ হয় আৰু সুবাসনাৰ উদয় হয়। এইটোৱেই ভক্তি সাধনৰ প্ৰাথমিক প্ৰয়োজন। দুৰ্বাসনা আঁতৰি সুবাসনাই লগ দিলে ভক্তিৰ বীজ ৰোপণৰ বাবে হৃদয়ক্ষেত্ৰ উৰ্বৰা হয়। সেইবাবে 'স্বৰ্গাদিতো কৰি শ্ৰেষ্ঠ' সাধুৰ সঙ্গ বুলি কোৱা হৈছে। অসাধুৰ সঙ্গত বিষয়তৃষ্ণা বৃদ্ধি পায়, মন পাপ কৰ্মৰ প্ৰতি অধিক তৎপৰ হয়। গতিকে সাৰ্থক মনুষ্য জন্ম সাধুৰ সঙ্গতহে সম্ভৱ। নাৰদে দাসী পুত্ৰ হৈও সাধুৰ সঙ্গ পোৱাৰ ফলত মহাফল লাভ কৰিছিল।

৯) মোক্ষ বা ঈশ্বৰপ্ৰাপ্তিয়ে হ'ল ভক্তিধৰ্মৰ চূড়ান্ত উদ্দেশ্য। হিন্দু ধৰ্ম অনুসৰি মানুহে চাৰি পুৰুষাৰ্থ লৈ জন্ম গ্ৰহণ কৰে। সেই চাৰি পুৰুষাৰ্থ হৈছে- ধৰ্ম, অৰ্থ, কাম, মোক্ষ। মোক্ষ বা মুক্তি লাভেই মানৱ জীৱনৰ চৰম আদৰ্শ আৰু পৰিণতি হোৱা উচিত বুলি ঋষি মুনিসকলে কৈ আহিছে। ভাৰতীয় ভক্তি ধৰ্মতো এই মোক্ষতত্ত্বই প্ৰাধান্য লাভ কৰি আহিছে।

অসমৰ ভক্তি আন্দোলনৰ ক্ষেত্ৰত ওপৰোক্ত লক্ষণ বা বৈশিষ্ট্যসমূহৰ উপৰিও নাম, দেৱ, গুৰু আৰু ভকত- এই চাৰিটা তত্ত্ব অতিৰিক্তভাৱে সংযোজিত হৈছে। ভক্তি সাধন প্ৰক্ৰিয়াত এই তত্ত্বকেইটাৰ অৱলম্বন অপৰিহাৰ্য। আনহাতে, অসমৰ বাহিৰে অন্য দুই এক প্ৰদেশত কৃষ্ণ আৰু ৰাধাক ঈশ্বৰ-ঈশ্বৰীৰূপে কল্পনা কৰা হয়। কিন্তু অসমৰ বেলিকাই ব্যতিক্ৰম। অসমত আৰাধ্য দেৱতা কেৱল কৃষ্ণহে। তেনেদৰে অসমৰ বাহিৰে অন্য ঠাইৰ ভক্তি আন্দোলনত মূৰ্তি পূজাও বৈষ্ণৱ ধৰ্মৰ অন্তৰ্গত। কিন্তু অসমত বৈষ্ণৱ ধৰ্মত মূৰ্তি পূজাৰ কোনো স্থান নাই।

## ২.৫ অসমৰ ভক্তি আন্দোলনৰ ইতিহাস

অসমত শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ ঐতিহ্য অতি প্ৰাচীন কালৰেপৰাই সমন্তৰালভাৱে চলি আহিছে। এই তিনিওটি ধৰ্মৰ প্ৰাচীনত্বৰ প্ৰমাণ শিলালিপি, তামৰ ফলি, প্ৰাচীন স্থাপত্য, ভাস্কৰ্য আৰু বিভিন্ন গ্ৰন্থৰ পৰা পাব পাৰি। এই তিনিটা সম্প্ৰদায়ৰ ভিতৰত বাসুদেৱীয় আৰু পাঞ্চৰাত্ৰীয় প্ৰাচীন যুগৰ আৰু নৱ বৈষ্ণৱ ধৰ্ম মধ্য যুগৰ। নগাঁওৰ বৰগঙ্গা লিপিত (৫৫৩-৫৫৪ খৃঃ) কামৰূপ ৰাজ ভূতিবৰ্মাই নিজকে বিষ্ণুৰ পৰম ভক্ত বুলি পৰিচয় দিছে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে, ষষ্ঠ শতিকাতেই অসমত বৈষ্ণৱ ধৰ্মৰ অস্তিত্ব আছিল। প্ৰাচীন সংস্কৃত সাহিত্যৰ ওপৰত নিৰ্ভৰ কৰিলে কামৰূপত সপ্তম শতিকাৰ প্ৰথমাৰ্দ্ধতে বৈষ্ণৱ ধৰ্মৰ প্ৰচলন থকাৰ কথা জানিব পাৰি। সপ্তম শতিকাৰ আৰম্ভণিতে অৰ্থাৎ ৬০০ খৃষ্টাব্দলৈ এই অৰ্দ্ধ শতাব্দীকাল ৰাজত্ব কৰা প্ৰবল ৰজা ভাস্কৰ বৰ্মাৰ সৈতে সেই সময়ৰ কনৌজৰ ৰজা হৰ্ষবৰ্দ্ধনৰ মিত্ৰতা আছিল। এই হৰ্ষবৰ্দ্ধনৰ জীৱনী ভিত্তিক ৰচনা বাণভট্টৰ 'হৰ্ষ চৰিত'ত কামৰূপৰ ৰজা ভাস্কৰ বৰ্মাক বিষ্ণুৰ বংশধৰ বোলা হৈছে। এই সংস্কৃত গ্ৰন্থখনৰ পৰা অনুমান কৰিব পাৰি যে, ভাস্কৰ বৰ্মাৰো আগৰেপৰাই অৰ্থাৎ সপ্তম শতিকাৰ আগতেও কামৰূপত বৈষ্ণৱ ধৰ্মৰ প্ৰচলন আছিল। সপ্তম শতিকাৰ অসমলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ টোকাতো বৈষ্ণৱ ধৰ্মৰ প্ৰচলন থকাৰ ইঙ্গিত পোৱা যায়। হিউৱেন চাঙে কৈছে যে সেই সময়ত অসমত হিন্দু ধৰ্মৰ প্ৰচলন আছিল আৰু শক্তি, শৈৱ, বৈষ্ণৱ আদি ধৰ্মাৱলম্বীসকলে বিভিন্ন দেৱ-দেৱীক পূজা উপাসনা কৰিছিল।

দ্বাদশ শতিকাৰ কামৰূপৰ ৰজা ধৰ্মপালৰ পুষ্পভদ্ৰা লিপিত বিষ্ণুলৈ ভক্তি প্ৰদৰ্শন কৰা হৈছে। তাৰোপৰি বিষ্ণুৰ অস্তিত্ব থকা বিভিন্ন মূৰ্তিয়েও বৈষ্ণৱ ধৰ্মৰ প্ৰাচীনত্বৰ ইঙ্গিত দিয়ে। যেনে শুক্ৰেশ্বৰত থকা অষ্টম নৱম শতিকাৰ নাৰায়ণ মূৰ্তি, অশ্বক্লান্তত প্ৰাপ্ত দ্বাদশ শতিকাৰ অনন্তশায়ী বিষ্ণু মূৰ্তি, দেওপানীত পোৱা বিষ্ণু মূৰ্তি আদি গোসাইজুৰি, নগাঁও, মহাদেউশাল আদিত বিভিন্ন ভঙ্গীৰ বিষ্ণু মূৰ্তি পোৱা গৈছে। এইবোৰৰপৰা অনুমান কৰা কঠিন নহয় যে, ষষ্ঠ

শতিকামানৰ পৰাই  অসমত বিষ্ণু পূজাৰ প্ৰচলন আছিল, সেইদৰে ‘কালিকা পুৰাণ’ আৰু ‘যোগিনী তন্ত্ৰ’তো বিষ্ণু পূজাৰ প্ৰচলন থকাৰ সম্ভেদ পোৱা যায়। প্ৰথম অৱস্থাত বৈষ্ণৱ ধৰ্মক- ‘তান্ত্ৰিক বৈষ্ণৱ ধৰ্ম’ বুলিছে কোৱা হৈছিল। অৰ্থাৎ শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ আগতে বৈষ্ণৱ ধৰ্মৰ লগত তন্ত্ৰ-মন্ত্ৰ আদিও জড়িত হৈ আছিল। প্ৰাচীন কামৰূপৰ বহুবোৰ স্থাপত্য আৰু ভাস্কৰ্য শিল্পৰ পৰা জানিব পাৰি যে, চতুৰ্থ শতিকাৰপৰা চতুৰ্দ্দশ শতিকাৰ ভিতৰত তান্ত্ৰিক ৰূপত বিষ্ণু পূজাই প্ৰাধান্য পাইছিল। এইবিলাকৰ ভিতৰত কামাখ্যা মন্দিৰৰ দেৱালয় পশ্চিম দুৱাৰৰ শিলত এটা বেণু গোপালৰ মূৰ্তি অন্যতম। এই মূৰ্তিটো সপ্তম-অষ্টম শতিকাৰ। সেইদৰে এই একে সময়তে নিৰ্মাণ হোৱা নগাঁৱৰ ডবকাৰ বিষ্ণুৰ মূৰ্তিৰ পৰাও ধাৰণা হয় যে, সপ্তম-অষ্টম শতিকাত বৈষ্ণৱ ধৰ্ম স্তিমিত হোৱা নাছিল। পুৰাতাত্বিক পণ্ডিতসকলৰ মতে গুৱাহাটীৰ শুক্ৰেশ্বৰৰ জনাৰ্দন মূৰ্তি অষ্টম-নৱম শতিকাৰ আৰু বৰপেটাৰ ন-সত্ৰত সংৰক্ষিত চতুৰ্ভূজ বিষ্ণুৰ মূৰ্তি নৱম শতিকাৰ। শিৱসাগৰ পুখুৰীৰ পাৰত আবিস্কাৰ হোৱা বিষ্ণু মূৰ্তিটো কাশীনাথ দীক্ষিতৰ মতে দশম-একাদশ শতিকাৰ আৰু সেইদৰে ডিব্ৰুগড়ত উদ্ধাৰ হোৱা পিতলৰ বিষ্ণু মূৰ্তিটোও কাশীনাথ দীক্ষিতৰ মতে একাদশ-দ্বাদশ শতিকাৰ।

এনেবোৰ তথ্যই প্ৰমাণ কৰে যে, প্ৰাচীন কালৰেপৰা অসমত বৈষ্ণৱ ধৰ্ম প্ৰচলিত আছিল। এই ধৰ্মৰ লগে লগে শাক্ত আৰু শৈৱ ধৰ্মও সমানেই প্ৰচলিত হৈ থকাত বৈষ্ণৱ ধৰ্মই ব্যাপকতা লাভ কৰিব পৰা নাছিল। ষষ্ঠ শতিকাত দাক্ষিণাত্যত সূত্ৰপাত হোৱা ভক্তি-আন্দোলন ক্ৰমশঃ ভাৰতবৰ্ষৰ চুকে-কোণে প্ৰভাৱ বিস্তাৰ কৰি পঞ্চদশ শতিকাত অসমত প্ৰৱেশ কৰিলে। মহাপুৰুষ শঙ্কৰদেৱে ভাৰতীয় ভক্তি আন্দোলনৰ পৰিপ্ৰেক্ষিতত পূৰ্ব প্ৰচলিত বৈষ্ণৱ ধৰ্মক এক নতুন ৰূপত সজাই - পৰাই তুলিলে। ফলত পূৰ্বৰ বৈষ্ণৱ ধৰ্মত থকা তন্ত্ৰ-মন্ত্ৰ, বলি-বিধান, যাগ-যজ্ঞ আদিৰ ঠাই একশৰণ নামধৰ্মই অধিকাৰ কৰি ল’লে। সেইবাবেই মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্তিত ধৰ্মটোক ‘নৱ বৈষ্ণৱ ধৰ্ম’ বুলিহে কোৱা হয়। শঙ্কৰদেৱৰ সময়ৰেপৰা বৈষ্ণৱ ধৰ্মৰ বিকাশ অতি তীব্ৰতৰ হৈ পৰে আৰু অসমৰ প্ৰায় সকলো শ্ৰেণীৰ মানুহৰ মাজত ই আস্থা লাভ কৰিবলৈ সক্ষম হয়। অৱশ্যে, শঙ্কৰদেৱেও বৰ সৰল বা সহজভাৱে এই ধৰ্ম-প্ৰচাৰ  কৰিব পৰা নাছিল। বিৰুদ্ধ ধৰ্মাৱলম্বী তথা ৰাজৰোষত পৰি তেওঁ ৰাজ্যত্যাগ পৰ্যন্ত কৰিবলগীয়া হৈছিল। কিন্তু শেষত শঙ্কৰদেৱৰ ধৰ্মই ৰজাঘৰ, প্ৰজাঘৰ সকলোতে আদৰ তথা মৰ্যাদা লাভ কৰিবলৈ সমৰ্থ হয়। কি পৰিস্থিতি বা পটভূমিত বৈষ্ণৱ ধৰ্মই অসমত প্ৰতিষ্ঠা লাভ কৰিলে সেই প্ৰসঙ্গত ড° সৰ্বেশ্বৰ ৰাজগুৰুৱে কেইটিমান মূল্যবান মতামত আগবঢ়াইছে। বুৰঞ্জীৰ পম খেদি গ’লে দেখা যায় যে, ভাৰতবৰ্ষত তান্ত্ৰিক বৌদ্ধধৰ্মৰ অত্যাধিক কু-প্ৰভাৱৰ পৰা জনসাধাৰণক মুক্ত কৰাৰ বাবে আৰু হিন্দু ধৰ্মৰ পুনৰ সংস্থাপনৰ বাবে শঙ্কৰাচাৰ্যৰ নেতৃত্বত হোৱা আন্দোলনৰ ফলত তান্ত্ৰিক বৌদ্ধ ধৰ্ম পশ্চিমৰপৰা ক্ৰমে বিতাৰিত হৈ অষ্টম-নৱম শতিকামানত প্ৰাচীন কামৰূপ (উত্তৰ বঙ্গ, অসম আদি) ৰাজ্যত প্ৰৱেশ কৰি প্ৰাধান্য বিস্তাৰ কৰেহি।  শেষত প্ৰাচীন কামৰূপ ৰাজ্যৰ পাল ৰজাসকলৰ দিনত এই তান্ত্ৰিক বৌদ্ধ-ধৰ্ম ৰাজধৰ্ম হৈ উঠে। ইতিমধ্যে তান্ত্ৰিক বৌদ্ধ ধৰ্মৰে আন এটা শাখা সহজমান বা সহজীয়া বৌদ্ধ ধৰ্মইয়ো প্ৰাচীন কামৰূপত যথেষ্ট প্ৰতিপত্তি লাভ কৰিছিল। এই সহজীয়া আৰু তান্ত্ৰিক বৌদ্ধ ধৰ্মই ক্ৰমে সমাজলৈ আনি দিয়া কু-প্ৰথা, ভ্ৰষ্টাচাৰ, অনাচাৰ, দুৰ্নীতিয়ে ক্ৰমে সমাজলৈ গভীৰ আৰু ব্যাপকভাৱে নৈতিক অধঃপতন আনিলে। ইয়াৰপৰা জনসাধাৰণক ৰক্ষা কৰিবৰ কাৰণেই আৰু অসমৰ আৰ্যেতৰ গোষ্ঠীৰ সহজ-সৰল জনসাধাৰণৰ উপযোগী হোৱাকৈ  এটা ধৰ্মীয় আন্দোলনৰ প্ৰয়োজনীয়তা আহি পৰিছিল। এই প্ৰয়োজনীয়তা পূৰণ কৰিছিল শঙ্কৰদেৱৰ নেতৃত্বাধীন অসমত  মধ্যযুগৰ নৱ বৈষ্ণৱ আন্দোলনে।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

অসমত ভক্তি আন্দোলনৰ প্ৰয়োজনীয়তা আছেনে? (৪৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

## ২.৬ ভক্তি আন্দোলনৰ ফলত সৃষ্টি হোৱা সাহিত্য

সমগ্ৰ ভাৰতবৰ্ষ জুৰি বিস্তাৰ লাভ কৰা ভক্তি-আন্দোলনৰ প্ৰচাৰক তথা ভক্তসকলে ভক্তি-ধৰ্ম প্ৰচাৰৰ লগে লগে সাহিত্য সৃষ্টিতো মনোনিবেশ কৰিছিল। দৰাচলতে, প্ৰচাৰকসকলে ভক্তি-ধৰ্ম প্ৰচাৰৰ বাবে সাহিত্যক মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। সাহিত্যৰ মাজেৰে এই ধৰ্মৰ ৰীতি-নীতি, দৰ্শন, তত্ত্ব, মানবীয় প্ৰমূল্য আদি বিভিন্ন দিশৰ কথা প্ৰকাশ কৰিছিল। সাহিত্যক মাধ্যম হিচাপে ব্যৱহাৰ কৰা ফলত শাক্ত বা শৈৱ সাহিত্যৰ তুলনাত ভক্তি বা বৈষ্ণৱ সাহিত্যৰ পৰিমাণ বেছি। প্ৰতিখন প্ৰদেশতে ভক্তি-আন্দোলনৰ সময়ত বুজন সংখ্যক গীত-মাত, কাব্য, নাট, ভাষ্য-টীকা আদি ৰচিত অথবা অনূদিত হৈছিল। এইবোৰে জাতীয় সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে।

আধুনিক ভাৰতীয় সাহিত্যসমূহৰ ভিতৰত তামিল সাহিত্যই প্ৰাচীন আৰু এই ভাষাতেই প্ৰথমে ভক্তি সাহিত্য ৰচিত হৈছিল। তামিল প্ৰদেশৰ খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰপৰা নৱম শতিকালৈ এই সময়ছোৱাক ভক্তিকাল বুলি কোৱা হয়। ভক্ত কবি আলৱাৰসকলৰ ভিতৰত মুঠতে বাৰজন আলৱাৰ আছিল। খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ বিভিন্ন সময়ত তেওঁলোকৰ আবিৰ্ভাৱ হৈছিল। তেওঁলোক তামিল আৰু সংস্কৃত দুয়োটা ভাষাতে বিদ্বান আছিল। বিচাৰধাৰাৰ ফালৰপৰা চালে সংস্কৃত সাহিত্যত উপলব্ধ বেদ, উপনিষদ আৰু গীতাৰ ভাবধাৰাকে তেওঁলোকে গ্ৰহণ কৰিছিল। এই ভাবধাৰা জনসাধাৰণৰ ভাষা তামিলত প্ৰকাশ কৰিবলৈ তেওঁলোক তামিল সাহিত্যৰ সকলো পৰম্পৰাৰ সৈতে ভালদৰে পৰিচিত হৈ লৈছিল।

*'নালায়িৰদিব্যপ্ৰবন্ধম্'* ভক্তি আন্দোলনৰ আদি গ্ৰন্থ। ই-আলৱাৰসকলৰ গীতৰ সংগ্ৰহ। এই গীতসমূহ কেইবা শতিকা জুৰি মৌখিকভাৱে চলি আছিল। নৱম শতিকাৰ শেষত নাথমুনিয়ে বহু পৰিশ্ৰমৰ অন্তত পদবোৰ সংগ্ৰহ কৰি পদ ৰচোঁতা, বিষয় আৰু ছন্দৰ ভিত্তিত সেইবোৰ বেলেগ বেলেগ নামকৰণ কৰিছে। তেতিয়াৰপৰাহে তেওঁলোকৰ ৰচনা সংগ্ৰহ 'নালায়িৰদিব্যপ্ৰবন্ধম্' নামে খ্যাত হ'ল। এই সংগ্ৰহত মুঠতে চাৰিহেজাৰ পদ আছে। বাৰজন আলৱাৰে ৰচনা কৰা এই পদসমূহ বিভিন্ন নামেৰে 'নালায়িৰদিব্যপ্ৰবন্ধম্' ত অন্তৰ্ভুক্ত হৈছে। আলৱাৰসকলৰ ভিতৰত প্ৰথম কবি গৰাকী হ'ল পোয়গৈ আলৱাৰ। তেওঁ ৰচনা কৰা এশ পদ *'মুদলতিৰুৱন্তাদি'* নামে জনাজাত। পদবোৰ ভক্তি উপদেশমূলক। দ্বিতীয় গৰাকী আলৱাৰ হ'ল ভূতত্তালৱাৰ। এওঁ এশ পদ ৰচনা কৰে আৰু এই পদ *'তিৰুৱন্তাদি'* নামে খ্যাত। ভগৱানৰ গুণ, ভক্তিৰ মহিমা, শৰণাগতি আদি এওঁৰ বৰ্ণনাৰ বিষয়। এওঁ অনেক বৈষ্ণৱ মন্দিৰৰ স্তুতিও ৰচনা কৰিছে। আন এগৰাকী আলৱাৰ পেয়ালৱাৰে এশ পদ ৰচনা কৰিছে আৰু এওঁৰ ৰচনা *মূণ্ট্ৰাম তিৰুৱন্তাদি* নামেৰে প্ৰবন্ধম্‌ত সংগৃহীত হৈছে। উল্লেখযোগ্য যে প্ৰথম এই তিনিগৰাকী

আলৱাৰ তথা ভক্ত কবিক একেলগে *'মুনিত্রয়'* বুলিও কোৱা হয় আৰু প্রত্যেকেই প্রবন্ধম্‌ত এশকৈ পদ ৰচনা কৰিছে। *নানমুখন তিৰুৱন্তাদি* আৰু *'তিৰুচন্দবিৰুত্তম'* নামৰ ৰচনা দুখনি *'নালায়িৰদিব্যপ্রবন্ধম্'* সংগৃহীত হৈছে। আলৱাৰ সকলৰ ভিতৰত শীৰ্ষস্থানীয় ভক্ত কবিগৰাকী হৈছে নম্মলৱাৰ। প্ৰবন্ধম্‌ত এওঁৰ চাৰিখন গ্ৰন্থ সন্নিবিষ্ট হৈছে। সেই গ্ৰন্থ চাৰিখন হ'ল *'তিৰুবিৰুত্তম'* , *তিৰুৱাচিৰিয়ম, পেৰিয় তিৰুৱন্তাদি* আৰু *তিৰুৱায়মলি*। মধুৰ কবি আলৱাৰৰ একমাত্ৰ ৰচনা *'কন্নিমুল চিৰুতাম্বু'*। কুলশেখৰ আলৱাৰৰ ৰচনা *'পেৰুমাল তিৰুমোলী'* প্ৰবন্ধম্‌ত ঠাই পাইছে। আন এগৰাকী ভক্ত কবি পেৰিয়ালবাৰৰ দুটা সংগ্ৰহ প্ৰবন্ধম্‌ত সংযোজিত হৈছে। সেই দুটা সংগ্ৰহ হ'ল *'তিৰুপল্লাণ্ডু'* আৰু *'পেৰিয়ালৱাৰ'*। বাৰগৰাকী আলৱাৰৰ ভিতৰত একমাত্ৰ মহিলা কবি গৰাকী হ'ল আণ্ডাল। *'তিৰুপ্পাবৈ'* আৰু *'নাচ্চিয়াৰ তিৰুমোলী'* এওঁৰ ৰচনা। তোণ্ডৰডীপোড়ী নামৰ আলৱাৰ গৰাকীৰ দুখন ৰচনা প্ৰবন্ধমত অন্তৰ্ভুক্ত হৈছে। সেই দুখন হ'ল *'তিৰুমালৈ'* আৰু *'তিৰুপল্লী এলচ্চী'*। তিৰুপ্পান আলৱাৰৰ একমাত্ৰ ৰচনা হ'ল *'অমলনাদিপিৰনে'*। আলৱাৰসকলৰ ভিতৰত শেষৰ গৰাকী আলৱাৰ হ'ল তিৰুমঙ্গৈ। 'নালয়িৰদিব্য প্ৰবন্ধম্'ত সংৰক্ষিত পদৰ সংখ্যাৰ ফালৰপৰা এওঁৰ পদৰ সংখ্যা সবাতোকৈ অধিক। প্ৰবন্ধমত *'পেৰীয়-তিৰুমোলী'*, *'তিৰুক্কুৰুন্তাণ্ডকম্'* আৰু *'তিৰুনেডুন্তাণ্ডকম'* এই তিনিখন সন্নিবিষ্ট আছে।

ভাৰতীয় সাহিত্য সংস্কৃতিৰ ইতিহাসত শ্ৰীশঙ্কৰাচাৰ্যৰ অৱতাৰ এটি যুগ পৰিৱৰ্তনকাৰী ঘটনা। তেওঁ *ব্ৰহ্মসূত্ৰ, উপনিষদ* আৰু *গীতাৰ* নতুন ভাষ্য ৰচনা কৰে। এই তিনিখন গ্ৰন্থক *প্ৰস্থানত্ৰয়ী* আখ্যা দিয়া হৈছে। আনহাতে ৰামানুচাৰ্যই নিজৰ ভক্তি বিষয়ক সিদ্ধান্ত স্পষ্টীকৰণৰ বাবে সংস্কৃত ভাষাত গ্ৰন্থ ৰচনা কৰে আৰু ভাষ্য প্ৰণয়ন কৰে। এওঁ ৰচনা কৰা ভাষ্যখনৰ নাম *'শ্ৰীভাষ্য'*। উত্তৰ ভাৰতত ৰামানন্দই সংস্কৃতৰ উপৰি হিন্দী ভাষাত কবিতা ৰচনা কৰি হিন্দী ভাষাত ধৰ্মীয় উপদেশ দি হিন্দীৰ *'আদি প্ৰচাৰক'*ৰ স্থান অধিকাৰ কৰে। কবীৰ দাসে লেখা-পঢ়া নাজানিছিল। কোনো কোনোৱে তেওঁ নিৰক্ষৰ আছিল বুলিও ক'ব খোজে। কবীৰ দাসৰ নিজৰ ভাষাত তেওঁ কাগজ, কলম, চিয়াঁহী হাতেৰে চুই পোৱা নাই, মুখেৰেহে সকলো কথা কৈ গৈছে। তেওঁ সুন্দৰ সুন্দৰ ভজন ৰচনা কৰাৰ কথা জানিব পাৰি। গুৰু নানকে- অসাধাৰণ প্ৰতিভাৰে সৃষ্টিতত্ত্বৰ গূঢ়াৰ্থ উপলব্ধি কৰি সমসাময়িক সমাজখনৰ দুৰ্যোগ আঁতৰাই সাম্য আৰু মৈত্ৰীৰ ওপৰত প্ৰতিষ্ঠিত সমাজ এখনত কথাকে তেওঁৰ গীত-পদৰ মাজেৰে কৈ গৈছে। তেওঁৰ ৰচনাবোৰ- *'গুৰু গ্ৰন্থচাহেব'*ত সংগৃহীত হৈছে। তুলসী দাসক ভাৰতীয় জনতাৰ *প্ৰতিনিধি কবি* বুলি কোৱা হয়। *'ৰামচৰিত মানস'* আৰু *বিনয় পত্ৰিকা* -এই দুখন গ্ৰন্থই তেওঁক অমৰ কৰি ৰাখিছে। প্ৰথমখনৰ আদৰ আৰু জনপ্ৰিয়তা সৰ্বজনবিদিত। দ্বিতীয়খনত আদৰ পণ্ডিত, গায়ক আৰু সাধকসকলৰ মাজত অধিক। স্বামী ৰামানন্দৰ দ্বাৰা প্ৰভাৱিত হোৱাত যিদৰে ভক্ত কবিসকলে হিন্দী ভাষাত ৰাম উপাসনাৰ আলমত বিপুল সাহিত্য ভাণ্ডাৰ গঢ়ি তুলিলে, সেইদৰে বল্লভাচাৰ্যৰ অনুপ্ৰেৰণাত ব্ৰজভাষাত বিশিষ্ট ভক্তি সাহিত্যৰ সৃষ্টি হ'ল। ধৰ্ম প্ৰচাৰ কৰিবলৈ বল্লভাচাৰ্যই কেইবাখনো পুথি ৰচনা কৰে। তাৰ ভিতৰত *'অনুভাষ্য'* আৰু ভাগৱতৰ *'সুবোধিনী'* ব্যাখ্যা উল্লেখযোগ্য।

ব্ৰজভাষাত ৰচনা কৰা সুৰদাসৰ গীত-পদৰ সংগ্ৰহ *সুৰ সাগৰ* ভক্তি সাহিত্যৰ এক অমূল্য সম্পদ। 'সুৰ সাগৰ' শ্ৰীমদ্ভাগৱতৰ আধাৰত ৰচিত। সুৰদাসৰ কৃতি 'সুৰ সাগৰ' তেওঁৰ সমসাময়িক পৰিস্থিতিৰ সৈতে সম্বন্ধযুক্ত হ'লেও ইয়াৰ আবেদন সৰ্বকালীন আৰু চিৰন্তন । কৃষ্ণ ভক্ত কবিসকলৰ ভিতৰত ভক্ত কবি মীৰাবাঈৰ নাম বিশেষভাৱে উল্লেখযোগ্য। মাৰৱাৰী আৰু ব্ৰজভাষা মিশ্ৰিত ভাষা এটিত মীৰাবায়ে গীত ৰচনা কৰিছে। মধ্যযুগীয় গুজৰাটী সাহিত্যৰ এগৰাকী উল্লেখযোগ্য কবি হিচাপেও মীৰাবাঈৰ খ্যাতি আছে। মীৰাবাঈ ধৰ্ম প্ৰচাৰিকা নাছিল, তেওঁ

কৃষ্ণ প্ৰেমত গীত ৰচনা কৰিছিল। ভাৰতীয় ভক্তি সাহিত্যত মীৰাবাঈৰ ভজনবোৰে আজিও বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

পূব ভাৰতত চৈতন্যদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ লগে লগে কলাৰ দিশত- সাহিত্য, সঙ্গীত আৰু নাটকতো নতুন যুগৰ সূচনা হ'ল। চৈতন্যদেৱৰ বৈষ্ণৱ ধৰ্ম আৰু আন্দোলনে মধ্যযুগীয়া বঙলা সাহিত্যক চহকী কৰি তুলিছে। চৈতন্যদেৱকো এগৰাকী পদাকাৰ ৰূপে অভিহিত কৰা হয়। তেওঁ নিজৰ মতৰ সমৰ্থনত কোনো গ্ৰন্থ বা ভাষ্য ৰচনা কৰা নাই। কিন্তু সংস্কৃতত ৰচনা কৰা *'শিক্ষাস্তক'* তেওঁৰ অন্যতম কীৰ্তি। চৈতন্যদেৱৰ শিষ্যসকলৰ হাতত ভক্তি আন্দোলনে বিশেষভাৱে প্ৰসাৰ লাভ কৰে। এই প্ৰসঙ্গত চৈতন্যদেৱৰ ছজন শিষ্যৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁলোক একেলগে 'ষট্ গোস্বামী' নামেৰে পৰিচিত। তেওঁলোক বৃন্দাবনক সাধনাৰ কেন্দ্ৰৰূপে স্থাপন কৰিলে আৰু চৈতন্য সম্প্ৰদায়ৰ ভক্তিধাৰাক শাস্ত্ৰীয় ৰূপ দিবলৈ কেইবাখনো মহত্বপূৰ্ণ গ্ৰন্থ ৰচনা কৰে। সেইবোৰৰ ভিতৰত ৰূপ গোস্বামীয়ে ৰচনা কৰা *ভক্তিৰসামৃতসিন্ধু, উজ্জ্বল নীলমণি* আৰু *লঘুভাগৱতামৃত* প্ৰধান। ষট্ গোস্বামীৰ এজনৰ বাহিৰে বাকী পাঁচজনে বৈষ্ণৱ ধৰ্মৰ বিভিন্ন দিশকলৈ গ্ৰন্থ ৰচনা কৰে, কিন্তু ৰচনাৰ মাধ্যমৰূপে তেওঁলোকে সংস্কৃত ভাষাহে ব্যৱহাৰ কৰিছিল। চৈতন্যদেৱে বঙ্গদেশৰ উপৰিও উৰিষ্যাতো ধৰ্ম প্ৰচাৰ কৰিছিল। উৰিষ্যাত সৰলা দাসে *মহাভাৰত*, জগন্নাথ দাসে *ভাগৱত*, বলৰাম দাসে *ৰামায়ণ* আৰু অচ্যুতানন্দই *কৈৱৰ্ত্তগীতা, গোৱালঙ্ক ওগাল* আদি-গ্ৰন্থ ৰচনা কৰে।

পঞ্চদশ শতিকাত অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাৰণে মহাপুৰুষ শঙ্কৰদেৱ আৰু তেওঁৰ অনুগামীসকলে অশেষ সাধনাৰ দ্বাৰা এক বিৰাট বৈষ্ণৱ সাহিত্য গঢ়ি তুলিলে। শঙ্কৰদেৱৰ উপৰিও মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী আদি কবিসকলে এই বিশাল সাহিত্য ভাণ্ডাৰ গঢ়াত অৰিহণা যোগালে। কাব্য, নাট, গীত, তত্ত্বমূলক, নামপ্ৰসঙ্গমূলক, চৰিত পুথি আদি বিবিধ সাহিত্য ৰচনাৰ যোগেৰে অসমীয়া ভক্তি সাহিত্য চহকী তথা সমৃদ্ধিশালী ৰূপ লাভ কৰিছে। এওঁলোকে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে ভাগৱত পুৰাণ, গীতা আদিৰ পৰা বিষয়বস্তু বা কাহিনী সংগ্ৰহ কৰি বিষ্ণু বা শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰচাৰ কৰিছে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে, মধ্যযুগৰ ভক্তি আন্দোলনৰ ফলত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত ভালে সংখ্যক সাহিত্য ৰচিত হৈছিল। এই সাহিত্যসমূহৰ উদ্দেশ্য আছিল ভক্তি ধৰ্ম প্ৰচাৰ কৰা। ভক্তিধৰ্ম প্ৰচাৰ কৰিবলৈ ভক্ত কবিসকলে সংস্কৃত, ব্ৰজাৱলী আৰু প্ৰাদেশিক ভাষাত এই সাহিত্যসমূহ ৰচনা কৰিছিল। যদিও এই তিনিওটা ভাষাতে সাহিত্য ৰচিত হৈছিল, তথাপি তুলনামূলকভাৱে প্ৰাদেশিক ভাষাৰ গুৰুত্ব আছিল অধিক।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

ভক্তি আন্দোলনৰ ফলস্বৰূপে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত কেনে ধৰণৰ আৰু কি কি সাহিত্য ৰচিত হৈছিল? ( ৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................

.............................................................................

.............................................................................

এই অধ্যায়টিৰ মূল উৎস গ্ৰন্থ ঃ তীৰ্থনাথ শৰ্মাৰ 'ভক্তিবাদ', সৰ্বেশ্বৰ ৰাজগুৰুৰ প্ৰবন্ধ 'মধ্যভাৰতীয় বৈষ্ণৱ আন্দোলনৰ পটভূমিত অসমৰ নৱ-বৈষ্ণৱ আন্দোলনৰ পটভূমিত অসমৰ নৱ-বৈষ্ণৱ ধৰ্ম' আৰু বিমল মজুমদাৰৰ 'ভক্তি সাহিত্য'।

## ২.৭ সাৰাংশ (Summing up)

মধ্যযুগত ভাৰতীয় ভক্তি আন্দোলনৰ সৃষ্টি হয় আৰু এই আন্দোলনে অতি কম সময়ৰ ভিতৰতে সমগ্ৰ ভাৰতবৰ্ষতে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হয়। যদিও মধ্যযুগত এই আন্দোলনৰ সৃষ্টি হয়, কিন্তু তাৰ আগৰে পৰাই বিষ্ণুক উপাসনা কৰাৰ পদ্ধতি চলি আছিল। বেদ, উপনিষদৰ যুগতেই বিষ্ণুৰ অস্তিত্ব আছিল আৰু দেৱতা হিচাপে বিষ্ণুৱে প্ৰতিষ্ঠা লাভো কৰিছিল। মধ্যযুগত ষষ্ঠ শতিকাতে দাক্ষিণাত্য বা তামিল প্ৰদেশত ভক্তি আন্দোলনৰ সূত্ৰপাত হয় আৰু ক্ৰমে ই উত্তৰ ভাৰত, মধ্যভাৰত, পূব ভাৰতত প্ৰৱেশ কৰে। অসমত পঞ্চদশ শতিকাত নৱ-বৈষ্ণৱ ধৰ্মৰ ৰূপত এই আন্দোলনে দেখা দিয়ে। মহাপুৰুষ শঙ্কৰদেৱে অসমত এই আন্দোলনৰ নেতৃত্ব দিছিল। যদিও বিভিন্ন প্ৰদেশত এই আন্দোলন সৃষ্টি হৈছিল, তথাপি এই আন্দোলনৰ কিছুমান উমৈহতীয়া বিশেষত্ব আছিল। যিবোৰ বৈশিষ্ট্য কম-বেছি পৰিমাণে সকলো প্ৰদেশতে প্ৰযোজ্য আছিল। ভাগৱত আৰু গীতাই আছিল এই আন্দোলন বা ধৰ্মৰ মূল উপজীব্য। ধৰ্ম প্ৰচাৰৰ লগে লগে এই আন্দোলনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন সাহিত্যও ৰচিত হৈছিল। কাৰণ ধৰ্ম প্ৰচাৰৰ অৰ্থে ভক্তসকলে সাহিত্যক মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। অসমত পঞ্চম-ষষ্ঠ শতিকামানৰ পৰাই বৈষ্ণৱ ধৰ্মৰ প্ৰচলন আছিল বুলি বিভিন্ন শাসনাৱলী, শিলালিপি আদিয়ে প্ৰমাণ দিয়ে। সেই ধৰ্মকে শঙ্কৰদেৱে নতুন ৰূপত নৱ-বৈষ্ণৱ ধৰ্ম হিচাপে প্ৰচাৰ কৰে আৰু তেওঁৰ দিনতেই এই ধৰ্মই বিপুল জনপ্ৰিয়তা অৰ্জন কৰে।

## ২.৮ আৰ্হি-প্ৰশ্ন (Sample Questions)

১) মধ্যযুগত ভাৰতবৰ্ষত কেনেদৰে ভক্তি আন্দোলনৰ সৃষ্টি হ'ল আৰু ই কেনেদৰে বিকাশ লাভ কৰিলে বিচাৰ কৰক।

২) মধ্যযুগত ভক্তি আন্দোলনৰ উমৈহতীয়া বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওঁক।

৩) ভাৰতীয় ভক্তি আন্দোলনৰ পৰিপ্ৰেক্ষিতত অসমৰ ভক্তি আন্দোলনৰ ইতিহাস দিবলৈ যত্ন কৰক।

৪) ভাৰতীয় ভক্তি সাহিত্যৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

৫) অসমৰ ভক্তি ধৰ্মৰ সুকীয়া বৈশিষ্ট্য কেইটা কি কি ? অসমত কি কি ভক্তি সাহিত্য ৰচনা হৈছিল তাৰ এটি আভাস দিয়ক।

## ২.৯ প্ৰসঙ্গ-গ্ৰন্থ (References/Suggested Readings)


১) তীৰ্থনাথ শৰ্মা ঃ *ভক্তিবাদ*

২) মনোৰঞ্জন শাস্ত্ৰী ঃ *বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা*

৩) প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ *ধৰ্ম সমীক্ষা*

৪) ভুৱনেশ্বৰী বৈশ্য (সম্পা.) ঃ *বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি*

৫) যোগীৰাজ বসু ঃ *বেদান্ত আৰু বৈষ্ণৱ ধৰ্ম*

৬) বিমল মজুমদাৰ ঃ *ভক্তি সাহিত্য*


*****

## তৃতীয় বিভাগ
## ভক্তিতত্ত্ব প্ৰকাশক পুৰাণ-উপপুৰাণ

**বিভাগৰ গঠন**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ পুৰাণৰ পৰিচয়
৩.৪ পুৰাণৰ উৎপত্তি আৰু ৰচনাকাল
৩.৫ পুৰাণ আৰু ইতিহাস
৩.৬ পুৰাণৰ লক্ষণ
৩.৭ পুৰাণৰ সংখ্যা আৰু পৰিচয়
৩.৭.১ মহাপুৰাণৰ পৰিচয়
৩.৭.২ উপপুৰাণৰ পৰিচয়
৩.৮ সাৰাংশ (Summing up)
৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১০ প্ৰসঙ্গ-গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

'পুৰাণ' শব্দটোৰ অৰ্থ হল আদিম আখ্যান বা পুৰাণ কাহিনী- **'পুৰাণম্ আখ্যানম্'** বা **"যখ্যাৎ পুৰা হি অনতি ইদং পুৰাণম্"**। প্ৰাচীন আখ্যান বিশিষ্ট গ্ৰন্থ বাবেই এই শ্ৰেণী কাব্যক 'পুৰাণ' নামে অভিহিত কৰা হৈছে। সংস্কৃত সাহিত্যত পুৰাণসমূহে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। প্ৰাচীন ভাৰতীয় সাহিত্যক সাধাৰণভাৱে সাতোটা ভাগত ভাগ কৰা হৈছে। সেই ভাগকেইটা হ'ল ঃ

১) বেদ (ঋক্, যজু, সাম আৰু অথৰ্ব)
২) উপবেদ (আয়ুৰ্বেৰ্দ, ধনুৰ্বেদ, অৰ্থবেদ, গন্ধৰ্ববেদ)
৩) বেদাঙ্গ (শিক্ষাকল্প, নিৰুক্ত, ব্যাকৰণ, ছন্দ আৰু জ্যোতিষ্ক)
৪) তন্ত্ৰ (যোগিনীতন্ত্ৰ, গৌতমীয় তন্ত্ৰ, মহানিধান তন্ত্ৰ, মহানীল তন্ত্ৰ আদি)
৫) পুৰাণ (ওঠৰ পুৰাণ আৰু সমান সংখ্যক উপপুৰাণ)
৬) ইতিহাস (ৰামায়ণ, মহাভাৰত আদি)
৭) দৰ্শন (মীমাংসা, ন্যায়, বৈশেষিক, সাংখ্য, যোগ, বেদান্ত, চাৰ্বাক)

গতিকে দেখা যায় যে প্ৰাচীন ভাৰতীয় সাত প্ৰকাৰৰ সাহিত্যৰ ভিতৰত পুৰাণ অন্যতম। বেদ ভাৰতীয় আৰ্যসকলৰ প্ৰথম সাহিত্য। পুৰাণসমূহৰো মূল হৈছে বেদ। বেদৰ পিছতে পুৰাণৰ স্থান নিৰ্ণয় কৰা হৈছে।

### ৩.২ উদ্দেশ্য (Objectives)

এই অধ্যায়টিত 'পুৰাণ' সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হ'ব। অধ্যায়টি অধ্যয়নৰ অন্তত আপোনালোকেঃ —

- 'পুৰাণ' বুলি ক'লে কোন শ্ৰেণীৰ সাহিত্যক বুজায় সেই সম্পৰ্কে জ্ঞাত হ'ব পাৰিব,
- পুৰাণৰ উৎপত্তি, ৰচনাকাল আদিৰ যোগেৰে ইয়াৰ পৰিচয় দাঙি ধৰিব পাৰিব,

1 ভাৰতীয় সাহিত্য, সভ্যতা সংস্কৃতিত পুৰাণৰ স্থান নিৰ্ণয় আৰু সেই সম্পৰ্কে বিশ্লেষণ আগবঢ়াব পাৰিব,

1 পুৰাণৰ লক্ষণ, শ্ৰেণীবিভাজন, পুৰাণৰ সংখ্যা আদিৰ বিষয়ে তথ্য লাভ কৰি তাৰ ব্যাখ্যা আগবঢ়াব পাৰিব,

1 পুৰাণৰ বিষয়ে সামগ্ৰিক ধাৰণা লৈ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত পুৰাণ কেইখিনিৰ বিষয়ে আলোচনা কৰাত অগ্ৰসৰ হ'ব পাৰিব।

## ৩.৩ পুৰাণৰ পৰিচয়

পুৰাণসমূহৰ মূল হৈছে বেদ। আনহাতে, পুৰাণসমূহ গল্প, আখ্যান, উপাখ্যান আদিৰ সমষ্টি। বেদৰ একোটা বাক্য বা বাক্যাংশই পুৰাণত কাহিনীৰ ৰূপ লৈছে। পুৰাণৰ কাহিনীসমূহ এফালে যেনেকৈ চিত্তাকৰ্ষক তেনেদৰে ই নীতি শিক্ষামূলক। এই ফালৰপৰা চালে পুৰাণক লোক শিক্ষাৰ বাহন বুলি ক'ব পাৰি। ভাৰতীয় জ্ঞান-ভাণ্ডাৰত যিবোৰ প্ৰাচীন তথা অমূল্য গ্ৰন্থ আছে, সেইবোৰৰ ভিতৰত পুৰাণসমূহ অন্যতম। পুৰাণসমূহৰ পৰাই ভাৰতবৰ্ষৰ আধ্যাত্মিক, নৈতিক, সামাজিক মূল্যবোধৰ স্পষ্ট ছবি এখনি বিচাৰি উলিয়াব পাৰি। আচলতে, হিন্দু ধৰ্ম বুলি ক'লে আজি আমি যি বুজোঁ তাৰ স্বৰূপ জানিবলৈ হ'লে আমি পুৰাণৰ আশ্ৰয় লব লাগিব।

প্ৰাচীন ভাৰতীয় সাত প্ৰকাৰৰ সাহিত্যৰ ভিতৰত বেদ প্ৰথম। হিন্দুধৰ্মৰ মূল যদিও বেদ, ইয়াৰ ভাষা অতি দুৰূহ তথা জটিল। চিন্তাৰ উচ্চতা আৰু ভাষাৰ দুৰ্বোধ্যতাৰ বাবেই বেদৰ অধ্যয়ন বহু শ্ৰমসাধ্য আৰু সময়সাধ্য হোৱাত ইয়াৰ অধ্যয়ন মুষ্টিমেয় লোকৰ মাজত সীমাবদ্ধ হৈ পৰিছিল। সৰ্বসাধাৰণ মানুহে ইয়াৰ ওচৰ চাপিব পৰা নাছিল। সেইবাবে বেদে সৰ্বসাধাৰণ মানুহৰ হৃদয় জয় কৰিব নোৱাৰিলে। পৰৱৰ্তীকালত পণ্ডিতসকলে এইকথা উপলব্ধি কৰি তাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চিন্তা কৰিলে। ফলত বেদত থকা ঈশ্বৰ প্ৰাপ্তিৰ আধ্যাত্মিক চিন্তাবোৰ সৰ্বসাধাৰণ পাঠকৰ অৰ্থে অতি সহজ-সৰল ভাষাত আৰু কাহিনীৰ মাধ্যমেৰে ব্যাখ্যা কৰিবলৈ আগবাঢ়ি আহিল। এনেদৰে নতুনকৈ উদ্ভাৱন কৰি উলিওৱা গ্ৰন্থাৰাজিৰ নামেই হ'ল পুৰাণ। এনেদৰে পুৰাণৰ যোগেৰে বেদৰ বিষয়বস্তুসমূহ সহজ-সৰল ভাষাত ৰচিত হ'বলৈ ধৰে। ফলত বেদৰ দ্বাৰা প্ৰতিপাদিত দৰ্শনৰ লগত ভাৰতবাসীৰ যি মানসিক দূৰত্ব গঢ় লৈ উঠিছিল, তাক ওচৰ চপাই আনে পুৰাণসমূহে। বহুক্ষেত্ৰত পুৰাণসমূহে নানা ঠাইত বৈদিক মন্ত্ৰবিলাকৰ ভাষ্যৰ কাম কৰিছে। পুৰাণসমূহৰ সৃষ্টি নোহোৱা হ'লে বেদৰ বহুতো আখ্যান আজিও আমাৰ বাবে দুৰ্বোধ্য হৈ থাকিলহেতেঁন। বেদৰ নানা দুৰ্বোধ্য মন্ত্ৰৰ অৰ্থ পুৰাণৰ সাহাৰ্যত উদ্ধাৰ কৰা হৈছে। এইফালৰপৰা পুৰাণসমূহ বেদৰ পৰিপূৰক। বেদৰ পিছতেই ভাৰতীয় সভ্যতা-সংস্কৃতিত বিপুল প্ৰভাৱ বিস্তাৰ কৰি আহিছে পুৰাণসমূহে। সেইবাবে বেদৰ পিছতেই পুৰাণৰ স্থান নিৰ্ণয় কৰা হয়। বেদসমূহক অনুসৰণ কৰিয়েই পুৰাণসমূহ ৰচিত- **'পুৰাণং বেদসন্মতম্'** অৰ্থাৎ পুৰাণসমূহৰ মূল হ'ল বেদ। সেইবাবে পুৰাণসমূহে বেদৰেই জয়গান গাইছে। আনহাতে, বেদৰ প্ৰকৃত তাৎপৰ্য হৃদয়ঙ্গম কৰিবলৈ হ'লে পুৰাণৰ অনুশীলন অতি আৱশ্যক। সেইবাবে কোৱা হৈছে ঃ

*ৱেদাৰ্থাদধিকং মন্যে পুৰণাৰ্থাং বৰাননে*
*ৱেদাঃ প্ৰতিষ্ঠিতাঃ সৰ্বে পুৰাণে নাত্ৰ সংশয়।*

অৰ্থাৎ, পুৰাণ বেদতকৈও অধিক অৰ্থযুক্ত, সমগ্ৰ বেদে পুৰাণতে প্ৰতিষ্ঠা লাভ কৰিছে, তাত সন্দেহ নাই। ভাৰতবৰ্ষৰ প্ৰাচীন ইতিহাসৰ নিদৰ্শন অন্বেষণ কৰিবলৈ হ'লে পুৰাণবোৰেই একমাত্ৰ সমল বুলি ক'লেও ভুল কোৱা নহয়। পুৰাণতেই আমি পাওঁ পৃথিৱীৰ সৃষ্টিতত্ত্ব, কল্প-কল্পান্তৰৰ বিৱৰণ, ৰাজ-পৰম্পৰা, ঋষিকুল, সামাজিকভাৱে মানুহৰ জীৱন যাপনৰ পদ্ধতি আৰু

ঈশ্বৰ বিশ্বাস আদিৰ বিষয়ে সকলো তথ্য। তদুপৰি ইয়াত আখ্যান-উপাখ্যান আদিৰ এনেদৰে সমাৱেশ ঘটিছে, যিবোৰে ভাৰতীয় জীৱনধাৰাৰ ছবিখনিক স্পষ্ট ৰূপত প্ৰতিফলিত কৰি তুলিছে। ঘটনা প্ৰবাহত মাজেদিয়েই এটা জাতি বা এখন দেশৰ মানুহৰ আদৰ্শ, চিন্তা, দৰ্শন, চেতনা, ৰুচি-অভিৰুচি আদিয়ে আত্মপ্ৰকাশ লাভ কৰে। ভাৰতীয় জ্ঞান-ভাণ্ডাৰত যিবোৰ প্ৰাচীন গ্ৰন্থ আছে পুৰাণসমূহ তাৰে ভিতৰত অমূল্য সম্পদ। বায়ুপুৰাণত কোৱা হৈছে ঃ

*যো বিদ্যাচ্চতুৰো বেদান্ সাঙ্গোপানিষদো দ্বিজঃ।*
*ন চ্যেত পুৰাণ; স বিদ্যানে স স্যাদ বিচক্ষণঃ।।*

অৰ্থাৎ চতুৰ্বেদ, বেদাঙ্গ, উপনিষদ আদিৰ লগত যাৰ প্ৰত্যক্ষ পৰিচয় আছে তেওঁকো বিচক্ষণ বুলিব নোৱাৰি, যদি তেওঁ পুৰাণত গভীৰভাৱে প্ৰৱেশ কৰা নাই। আনহাতে, মহাভাৰতৰ এটা শ্লোকত কোৱা হৈছে যে ইতিহাস আৰু পুৰাণৰ দ্বাৰা বেদৰ জ্ঞান আয়ত্ব কৰি ল'ব লাগে। পুৰাণ অধ্যয়ন নকৰাসকল অল্পজ্ঞ ঃ

*ইতিহাসপুৰাণাভ্যাং বেদং সমুপবৃংহয়েৎ।*
*বিভেত্যল্পশ্ৰুতাদ্বেদো মাময়ং প্ৰহৰিষ্যতি ।।*

কোনো কোনোৰ মতে, বেদ বা বৈদিক সাহিত্যসমূহ আছিল ব্ৰাহ্মণ্য ধাৰাৰ বাহক আৰু পুৰাণসমূহ আছিল ক্ষত্ৰিয় ধাৰাৰ বাহক। এনে বচনৰ মন্তব্য কিমানখিনি যুক্তিযুক্ত, সি এটা বিতৰ্কৰ বিষয়। যিহেতু এনে মন্তব্যত গোষ্ঠীগত বা সাম্প্ৰদায়িকতাবাদৰ গোন্ধ বিচাৰি পোৱা যায়। পুৰাণসমূহ সংস্কৃত ভাষাত ৰচিত। ইয়াক পঞ্চম বেদ বুলিও অভিহিত কৰা হয়। অৰ্থাৎ চাৰিবেদ ঋক্, যজু, সাম আৰু অথৰ্বৰ পিচতে পুৰাণৰ স্থান নিৰ্ণয় কৰা হৈছে। তথাপি বিভিন্ন সময়ত পুৰাণ সম্বন্ধে বিভিন্ন দৃষ্টিভঙ্গী পণ্ডিতসকলে গ্ৰহণ কৰা দেখা যায়। নিৰুক্তকাৰ যাস্কৰ মতে 'যি প্ৰাচীন হৈও নবীন সেয়েই পুৰাণ'। পাণিনিয়ে তেওঁৰ *'অষ্টধ্যায়ী'*ত- 'প্ৰাচীন কালত ঘৰে অস্তিত্ব আছিল'- সেই অৰ্থতে 'পুৰাণ' শব্দৰ ব্যুৎপত্তি স্বীকাৰ কৰিছে। 'বায়ু পুৰাণ'ৰ মতে- ''যিয়ে প্ৰাচীনতা কামনা কৰে তাকেই পুৰাণ বোলা হয়।'' ব্ৰহ্মাণ্ড পুৰাণ'ৰ মতে 'প্ৰাচীন কালত এনেকুৱা হৈছিল, সেয়েই পুৰাণ'।

ভাৰতীয় সাহিত্য, সংস্কৃতি, ধৰ্ম, দৰ্শন সকলোৰে মূল আধাৰ হ'ল পুৰাণসমূহ। পুৰাণত ৰাজনীতি, অৰ্থনীতি, আয়ুৰ্বেদ, ধনুৰ্বেদ আদি সকলো বিষয় আলোচিত হৈছে। জ্যোতিষ, শিল্প, সামুদ্ৰিক শাস্ত্ৰ সকলো বিষয়ৰে তত্ত্ব ইয়াত উপস্থাপন কৰা হৈছে। প্ৰাচীন ভাৰতৰ ঘ্ৰাণ উপলব্ধি কৰিবলৈ হ'লে পুৰাণৰ আশ্ৰয় নল'লে নহয়। ভাৰতীয় সনাতন হিন্দু ধৰ্মৰ আধাৰ গ্ৰন্থ বেদৰ স্থান সৰ্বোচ্চ হ'লেও সাধাৰণ মানুহৰ বাবে ই দুৰ্বোধ্য। বেদে নিঃসন্দেহে ঈশ্বৰ পৰিকল্পনাৰ পৰিনিষ্ঠিত ৰূপ প্ৰদান কৰিছে, কৰ্মকাণ্ড আৰু জ্ঞানকাণ্ডৰ দ্বাৰা বিশ্বৰ পণ্ডিতসকলক আকৰ্ষিত কৰিছে, কিন্তু সৰ্বসাধাৰণে ঢুকি নোপোৱা বহু উচ্চ স্তৰতহে। বেদৰ এই উচ্চ পৰ্যায়ৰ চিন্তা-চৰ্চাৰ লগত সাধাৰণ মানুহত যোগসূত্ৰ স্থাপন কৰি দিছে পুৰাণসমূহে। পুৰাণসমূহ গভীৰ অৰ্থ প্ৰতিপাদক হৈও সৰল; জটিল তত্ত্বকো অতি সহজভাৱে প্ৰকাশ কৰিছে আৰু বেদ অনুগামী হৈও সাৰ্বজনীন। সেইবাবে পুৰাণসমূহৰ জনপ্ৰিয়তা বেদ, বেদাঙ্গ, উপনিষদ আদিতকৈ তুলনামূলকভাৱে অধিক।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

'পুৰাণ' শব্দটোৰ অৰ্থ কি? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.........................................................................

.........................................................................

.........................................................................

## ৩.৪ পুৰাণৰ উৎপত্তি আৰু ৰচনাকাল

পুৰাণৰ উৎপত্তি কেনেকৈ হ'ল তাক নিশ্চিতভাৱে আজিও প্ৰতিপন্ন কৰিব পৰা নাই। এই বিষয়ে নানা জনশ্ৰুতি আৰু বিশ্বাস প্ৰচলিত হৈ আহিছে। বহুতো পুৰাণৰ মতে, পুৰাণসমূহ ব্ৰহ্মাৰ মুখৰ বাণী। মৎস্য পুৰাণৰ মতে প্ৰাচীনকালত 'বিপুলায়তন' নামৰ মাত্ৰ এখন পুৰাণ আছিল। কিন্তু কালক্ৰমত মানুহে তাক বুজিবলৈ কষ্টসাধ্য হোৱাত স্বয়ং ভগৱানে ব্যাস ৰূপ ধৰি যুগৰ প্ৰয়োজন অনুসাৰে তাক সংক্ষিপ্ত কৰি ওঠৰখন পুৰাণ ৰচনা কৰে। এই প্ৰসঙ্গত মৎস্যপুৰাণত কোৱা হৈছে ঃ

*পুৰাণং সৰ্বশাস্ত্ৰানাং প্ৰথমং ব্ৰহ্মাণস্মৃতম্।*
*অনন্তৰং চ বক্ত্ৰোভ্যো বেদাস্তস্য বিনিৰ্গতঃ।।*
*পুৰাণমেকমেৱাসীত্তদা কল্পান্তৰেহনঘ।*
*ত্ৰিবৰ্গ সাধনং পুন্যং শতকৌটি প্ৰবিস্তৰম্।।*
*কালেনা গ্ৰহণং দৃষ্ট্বা পুৰাণস্য ততো নৃপ।*
*ব্যাসৰূপমহং কৃত্বা সংহৰামি যুগে যুগে।।*
*তদাষ্টাদশধা কৃত্বা ভুৰ্লোকেহস্মিন্ প্ৰকাশ্যতে।*
*অদ্যাপি দেৱলোকেহস্মিন্ শতকৌটি প্ৰবিস্তৰম্।।*

আনহাতে, অথৰ্ব বেদৰ মতে উচ্ছিষ্টৰ পৰা যজুৰ্বেদৰ লগতে ঋক্, সাম, ছন্দ আৰু পুৰাণৰ সৃষ্টি হৈছে ঃ 'ঋচঃ সামানি ছন্দাংসি পুৰাণং যজুষা সহ"। 'উচ্ছিষ্ট' শব্দৰ অৰ্থ যজ্ঞৰ অৱশিষ্ট। কিন্তু সায়নৰ মতে " সৰ্বেষাং ভূতভৌতিকা নামাৱসনে শিষ্ট উৰ্বৰতিঃ পৰমাত্মা"। অৰ্থাৎ সকলো পদাৰ্থৰ যেতিয়া অৱসান ঘটে তেতিয়া একমাত্ৰ অৱশিষ্ট থাকে পৰমাত্মা। 'উচ্ছিষ্ট' শব্দটো সেয়ে পৰমাত্মাৰ সমতুল্য। সেয়ে ক'ব পাৰি যে পৰমাত্মাৰ পৰাই পুৰাণসমূহৰ সৃষ্টি হৈছে।

*বায়ুপুৰাণ, ব্ৰহ্মাণ্ডপুৰাণ, বিষ্ণুপুৰাণ, কূৰ্ম পুৰাণ, অথৰ্ব বেদ* আদিত পুৰাণৰ কেনেকৈ সৃষ্টি হ'ল সেই সম্পৰ্কে বৰ্ণনা পোৱা যায়। 'বায়ুপুৰাণ'ৰ মতে পুৰাণ ব্ৰহ্মাৰ মুখৰ মহান ভাণ্ডাৰ। 'বিষ্ণুপুৰাণ'ৰ মতে, ভগৱান বেদব্যাসে আখ্যান, উপাখ্যান, গাঁথা আৰু কল্পশুদ্ধি আদিৰ লগে লগে পুৰাণ সংহিতাও ৰচনা কৰে আৰু ইয়াক তেওঁৰ সুযোগ্য শিষ্য লোমহৰ্ষণক অধ্যয়ন কৰায়। লোমহৰ্ষণে পুৰাণৰ এই মহান জ্ঞান তেওঁৰ শিষ্য অকৃতব্ৰণ, সাৱৰ্ণি আৰু শাংশপায়নক দিয়ে। এওঁলোক তিনিজনে আকৌ মুল সংহিতাৰ ওপৰত তিনিখন পুৰাণ-সংহিতা ৰচনা কৰে। পিছলৈ এওঁলোকৰ শিষ্যসকলে ক্ৰমে ওঠৰখন মহাপুৰাণ আৰু বহুতো উপ-পুৰাণ ৰচনা কৰে। বিষ্ণুপুৰাণৰ এই বিৱৰণৰ পৰা দুটা কথা স্পষ্ট হৈ পৰে প্ৰথম, মহৰ্ষি শ্ৰীকৃষ্ণ দ্বৈপায়ন বেদব্যাসেই পুৰাণৰ নিৰ্মাতা আৰু দ্বিতীয়তে, ব্যাসৰ পিছৰ শিষ্যসকলে ওঠৰখন মহাপুৰাণ আৰু বহুতো উপপুৰাণ ৰচনা কৰে।

পুৰাণৰ উৎপত্তি সম্পৰ্কীয় জনশ্ৰুতি বা বিশ্বাসৰ আধাৰত ক'ব পাৰি যে, ব্ৰহ্মাই বেদৰ নিচিনাকৈ পুৰাণৰ কথা স্মৰণ কৰে আৰু ই পৰম্পৰাগতভাৱে ব্যাস তথা তেওঁৰ পৰৱৰ্তী শিষ্যসকললৈ প্ৰৱাহিত হয়।

পুৰাণসমূহ কোন সময়ত ৰচিত হৈছিল, সেই সম্বন্ধে সঠিক সিদ্ধান্তত উপনীত হোৱাটো কঠিন। ৰচনাকাল সম্পৰ্কত বিভিন্ন পণ্ডিতৰ বিভিন্ন মত। ইতিমধ্যে সমালোচকসকলে অভিমত প্ৰকাশ কৰিছে যে, একেজন বেদব্যাসৰ দ্বাৰা ইমানবোৰ পুৰাণ ৰচিত হোৱাটো সম্ভাৱপৰ নহয়। কোনো এখন পুৰাণৰেই ৰচনাকাল অভ্যন্তৰীণ বিষয়বস্তুৰপৰা সন্দেহাতীতভাৱে ঠাৱৰ কৰিব

পৰা নাই। তথাপি আনুষঙ্গিক দিশবোৰ চালি জাৰি চাই সমালোচকসকলে খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ পৰাই পুৰাণ ৰচনাৰ কাম আৰম্ভ হয় বুলি একপ্ৰকাৰ নিশ্চিত হৈছে।

Winternitz ৰ মতে পুৰাণসমূহ মহাভাৰতকৈ পূৰ্বৰ ৰচনা। মহাভাৰততেই অষ্টাদশ মহাপুৰাণৰ উল্লেখ আছে আৰু বহুতো পুৰাণত উল্লিখিত কাহিনী মহাভাৰতৰ ভিতৰত সোমাই পৰিছে। সেইবাবে পণ্ডিতগৰাকীয়ে অনুমান কৰে যে, মহাভাৰতে চূড়ান্ত ৰূপ পোৱাৰ পূৰ্বে পুৰাণ সাহিত্যৰ প্ৰচলন আছিল আৰু বৰ্তমানলৈ যিবোৰ পুৰাণ পোৱা হৈছে তাৰ বহুততেই মহাভাৰতকৈ প্ৰাচীনতাৰ ইঙ্গিত পোৱা যায়। তদুপৰি 'গৌতম ধৰ্মসূত্ৰ' আৰু 'আপস্তম্ব ধৰ্মসূত্ৰ'ত পুৰাণৰ উল্লেখ আছে। এই দুখন গ্ৰন্থ আনুমানিক খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকামানতে ৰচিত হোৱাটো সম্ভৱপৰ।

শতপথ ব্ৰাহ্মণ, গোপথ ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ আদিতো পুৰাণ সম্পৰ্কে যথেষ্ট আলোচনা আছে। তেনেদৰে কৌটিল্যৰ অৰ্থশাস্ত্ৰত বহুবাৰ পুৰাণৰ কথা উল্লেখ কৰি ইয়াৰ গুৰুত্ব স্বীকাৰ কৰা হৈছে। এই প্ৰসঙ্গত 'অৰ্থশাস্ত্ৰ'ত উল্লেখ আছে- "ৰজাই যেতিয়া ন্যায়পথ পৰিত্যাগ কৰি বিপথে পৰিচালিত হয়, তেতিয়া ৰজাৰ হিতৈষী অৰ্থশাস্ত্ৰবিদসকলৰ কৰ্ত্তব্য হ'ল সেই বিপথগামী ৰজাক প্ৰাচীন ইতিবৃত্ত আৰু পুৰাণৰ দ্বাৰা সৎ আৰু শুদ্ধ পথলৈ ওভতাই অনা"। ইয়াৰপৰা অনুমান কৰিব পাৰি যে কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ' ৰচনাৰ পূৰ্বতে পুৰাণ ৰচিত হৈছিল আৰু এই পুৰাণ সমূহৰ অধ্যয়নে বিপথগামীসকলকো শুদ্ধ পথলৈ ওভতাই অনাত সাহায্য কৰিছিল। গতিকে অৰ্থশাস্ত্ৰই পুৰাণসমূহৰ গুৰুত্ব সন্দেহাতীতভাৱে স্বীকাৰ কৰি গৈছে।

'মনুসংহিতা'তো পুৰাণৰ মাহাত্ম্য স্বীকাৰ কৰা হৈছে। এই সংহিতাৰ এঠাইত নিৰ্দেশ আছে- "যজমানে শ্ৰাদ্ধৰ সময়ত নিমন্ত্ৰিত ব্ৰাহ্মণসকলক বেদ, ধৰ্মশাস্ত্ৰ, আখ্যান, ইতিহাস আৰু সমগ্ৰ পুৰাণ শ্ৰৱণ কৰাব।" প্ৰকৃততে বেদ পাঠৰ দৰে পুৰাণ পাঠো সমানে পূণ্যজনক। বেদ পাঠ শ্ৰৱণত যি অপূৰ্ব ফল লাভ হয়, পুৰাণ পাঠ শুনিলেও সেই একেই ফলত লাভ হয়। মনুৰ মতে বেদ আৰু পুৰাণ সমানে গৰীয়ান ঃ

*স্বাধ্যায়ং শ্ৰাবয়েৎ পিত্ৰ্যে ধৰ্মশাস্ত্ৰাণি চৈৱ হি।*
*আখ্যাতানীতিহাসাংশ্চ পুৰাণাদি খিলানি চ।।'*

গতিকে এহাতে, মনুৱে পুৰাণৰ মহত্ত্বক স্বীকাৰ কৰিছে আনহাতে, মনুৰ পুৰ্বতে পুৰাণসমূহৰ যে ৰচনা হৈছিল সেই কথাৰ প্ৰমাণো এইবোৰ উদ্ধৃতিয়ে সাব্যস্ত কৰিছে। মনু সংহিতাৰ ৰচনাকাল খ্ৰীষ্ট পূৰ্ব দ্বিতীয় শতিকা। গতিকে তাৰ আগতেই পুৰাণসমূহ ৰচিত হৈছিল।

ভৰতৰ *'নাট্যশাস্ত্ৰ'* এখনি সুপ্ৰাচীন বিখ্যাত গ্ৰন্থ। নাট্যশাস্ত্ৰতো পুৰাণৰ কথা উল্লেখ আছে। এঠাইত উল্লেখ আছে যে, প্ৰাচীন ভাৰতবৰ্ষত কি কি বিখ্যাত পৰ্বত আছিল সেইবিলাক পুৰাণ পাঠৰপৰা জনা যায়। ইয়াৰ দ্বাৰা ভৰতে পুৰাণৰ প্ৰাচীনত্ব স্বীকাৰ কৰিছে আৰু 'নাট্যশাস্ত্ৰ' ৰচনা হোৱাৰ পূৰ্বেই যে পুৰাণসমূহ ৰচিত হৈছিল তাৰো ইঙ্গিত বহন কৰিছে। 'নাট্যশাস্ত্ৰ'ৰ ৰচনা কাল তৃতীয় শতিকা বুলি ঠাৰৰ কৰা হৈছে। গতিকে তৃতীয় শতিকাৰ আগতেই পুৰাণ ৰচিত হৈছিল।

বহুকেইখন পুৰাণত নাগ ৰাজবংশৰ নাম উল্লেখ আছে। সেইবোৰৰ ভিতৰত শিশুনাগ, নন্দ, শুঙ্গ, অঙ্গ, গুপ্ত প্ৰভৃতি ৰাজবংশৰ উপৰিও বিম্বিসাৰ, অজাতশত্ৰু, চন্দ্ৰগুপ্ত আদি প্ৰসিদ্ধ ৰজাৰ নাম পোৱা যায়। কিন্তু খ্ৰীষ্টিয় সপ্তম শতিকাৰ পৰৱৰ্তী কোনো ৰজাৰ নাম পুৰাণত পোৱা নেযায়। এই ফালৰপৰা চাবলৈ গ'লে খ্ৰীষ্টিয় সপ্তম শতিকাৰ পূৰ্বেই পুৰাণসমূহ ৰচিত হৈছিল বুলি বহুতো পণ্ডিতে অনুমান কৰে।

একেদৰে মহাকবি বাণভট্ট (খ্ৰীষ্টিয় ৬২৫), কুমাৰিল ভট্টপাদ (খ্ৰীষ্টিয় ৭৫০), শঙ্কৰাচাৰ্য (খ্ৰীষ্টিয় নৱম শতিকা) আদি মনীষীসকল পুৰাণৰ সৈতে পৰিচিত আছিল আৰু তেওঁলোকে পুৰাণৰ অস্তিত্বও স্বীকাৰ কৰি গৈছে। ইয়াৰ উপৰিও ভাৰতীয় সমাজত প্ৰচলিত ধৰ্মশাস্ত্ৰ আৰু স্মৃতিগ্ৰন্থবোৰত পুৰাণৰ কৰ্তৃত্ব আৰু মহত্ব বাৰে বাৰে উল্লেখ কৰা হৈছে। প্ৰখ্যাত ভ্ৰমণকাৰী আলেবেৰুনীয়ে ১০৩০ খ্ৰীষ্টাব্দতেই অষ্টাদশ পুৰাণৰ কথা উল্লেখ কৰি গৈছে। এই সকলোবোৰ তথ্যৰ ভিত্তিত প্ৰতীয়মান হয় যে সংস্কৃত পুৰাণ সাহিত্য অতি প্ৰাচীন আৰু খৃষ্টজন্মৰ বহু পূৰ্বতে জনসমাজত ই স্বীকৃত আৰু সমাদৃত হৈছিল। অধিকাংশ পণ্ডিতৰ মতে খ্ৰীষ্টপূৰ্ব চতুৰ্থ বা পঞ্চম শতিকাৰ পৰা খ্ৰীষ্টিয় দশম শতিকাৰ ভিতৰত পুৰাণসমূহ সম্পূৰ্ণভাৱে লিপিবদ্ধ হৈছিল।

### ৩.৫ পুৰাণ আৰু ইতিহাস

'ইতিহাস' আৰু 'পুৰাণ'- এই শব্দ দুটা প্ৰয়োগৰ ক্ষেত্ৰত নিৰ্দিষ্ট সীমাৰেখা মানি চলা নহয়। শব্দ দুটা কেতিয়াবা একেলগে 'ইতিহাস-পুৰাণ' বুলি আৰু কেতিয়াবা পৃথকে ব্যৱহাৰ কৰা পৰিলক্ষিত হয়- অৰ্থৰ প্ৰতি কৰ্ণপাত নকৰাকৈ। উদাহৰণ স্বৰূপে, মহাভাৰতক কেতিয়াবা ইতিহাস আৰু কেতিয়াবা পুৰাণ বুলি অভিহিত কৰা হয়। অৱশ্যে এই কথা ঠিক যে, ইতিহাস আৰু পুৰাণৰ সম্বন্ধ অতি ঘনিষ্ঠ। সেইবাবে দুয়োটাৰে মাজত থকা পাৰ্থক্যৰ ব্যৱধানো ক্ষীণ সুঁতাৰে বন্ধা। কেতিয়াবা কেতিয়াবা এই প্ৰভেদৰ ক্ষীণ সীমাৰেখা নিশ্চিহ্ন হোৱাৰ উপক্ৰম হয়। সেইবুলি 'ইতিহাস' আৰু 'পুৰাণ' এই দুয়োটাই একে অৰ্থ বহন নকৰে। দুয়োটাৰে বৈশিষ্ট্য পৃথক পৃথক।

বহুতৰ মতে, অতীতত ঘটি যোৱা ঘটনাসমূহৰ বৰ্ণনাই ইতিহাস। আনহাতে, জগতৰ আৰম্ভৰপৰা সৃষ্টিত বিকাশ সাধন কৰা অংশ পুৰাণ। এই ফালৰপৰা পুৰাণৰ বিষয়বস্তু ইতিহাসতকৈ অধিক ব্যাপক আৰু বিস্তৃত। কিছুমানৰ মতে আকৌ কাল্পনিক আখ্যানভাগ পুৰাণ আৰু ইয়াৰ বিপৰীতে বাস্তৱিক সত্য ঘটনাই ইতিহাস। এনে সংজ্ঞাসমূহেও কিন্তু পুৰাণ আৰু ইতিহাস সম্পৰ্কে স্পষ্ট ধাৰণা এটা আমাৰ আগত দাঙি ধৰিবলৈ অক্ষম। সেয়ে অনুমান কৰিব পাৰি যে, প্ৰাচীন কালত ইতিহাস আৰু পুৰাণৰ বিভাজন ৰেখাই সুনিৰ্দিষ্ট ৰূপ ধাৰণ কৰা নাছিল। কৌটিল্যই তেওঁৰ অৰ্থশাস্ত্ৰ'ত পুৰাণক ইতিহাসৰেই এক অঙ্গ বুলি উল্লেখ কৰিছে। অৱশ্যে অথৰ্ব বেদত 'পুৰাণ' আৰু 'ইতিহাস' শব্দ দুটাৰ সুকীয়া অস্তিত্ব বিচাৰি পোৱা যায়। শতপথ ব্ৰাহ্মণৰ মতে, উৰ্বশী-পুৰুৰৱা সংবাদ ইতিহাস, আনহাতে জগৎ সৃষ্টিৰ আদি বিৱৰণাত্মক কাহিনীয়েই পুৰাণ। ইয়াৰ পিছতেই ভাৰতীয় সাহিত্যৰ সুপ্ৰসিদ্ধ ভাষ্যকাৰ সায়নাচাৰ্য আৰু শঙ্কৰাচাৰ্যই ইতিহাস আৰু পুৰাণৰ সত্তাক ভিন্ ভিন্ বুলি স্বীকাৰ কৰি পাৰ্থক্য নিৰূপণ কৰিবলৈ প্ৰয়াস কৰিছিল। এওঁলোকৰ মতে, বেদত যি দেৱতা আৰু অসুৰৰ সংঘাতৰ বৰ্ণনা পোৱা যায় সি ইতিহাসৰ অন্তৰ্গত কিন্তু জগতৰ আৰম্ভৰপৰা সৃষ্টিৰ বিকাশ সাধন কৰা অংশ পুৰাণ। কিছুমানৰ মতে আদৰ্শ 'ইতিহাসে' কোনো অতীতৰ ঘটনাকে বুজাইছে; আৰু সুদূৰ অতীতক বুজাবলৈ 'পুৰাণ' শব্দ ব্যৱহাৰ কৰা হৈছে। অৰ্থাৎ ইতিহাসে যাক ঢুকি নাপায়, সেয়াই পুৰাণ।

পুৰাণ সত্য আৰু আদৰ্শ ইতিহাস ৰূপে প্ৰতিষ্ঠিত। যিহেতু ইয়াৰ কাহিনী সৃষ্টিৰ পাতনিৰপৰা বৰ্তমানলৈকে ক্ৰমাবদ্ধৰূপত পোৱা যায়। বহুতৰ মতে, পুৰাণ মানৱ সমাজত এক সুপ্ৰসিদ্ধ ইতিহাস। বুৰঞ্জীবিদসকলে বৈজ্ঞানিক ভিত্তিত অতি সূক্ষ্মভাৱে বিশ্লেষণ কৰি কৈছে যে, পুৰাণসমূহৰ ভিতৰত প্ৰাচীন ভাৰতৰ যিমানবোৰ ঐতিহাসিক কথা পোৱা যায় আন কোনো গ্ৰন্থতে পোৱা নাযায়। যেতিয়ালৈকে কোনো দেশৰ ঐতিহাসিক কথা সৃষ্টিৰ প্ৰাৰম্ভৰপৰা লিপিবদ্ধ কৰা নেযায়, তেতিয়ালৈকে মানৱ সমাজৰ ইতিহাস হৈ ৰয় আধৰুৱা। ইতিহাসৰ এই বাস্তৱ কল্পনা পুৰাণত পোৱা যায়।

মন কৰিবলগীয়া কথা ইতিহাস সম্পৰ্কে কোনো সুস্পষ্ট লক্ষণ বা বৈশিষ্ট্য পুৰণি শাস্ত্ৰত উল্লেখ কৰা হোৱা নাই। কিন্তু পুৰাণৰ 'পঞ্চলক্ষণ' আৰু 'দশলক্ষণ'ৰ কথা শাস্ত্ৰসমূহে উল্লেখ কৰি গৈছে। সেইবাবে বহুতে 'ইতিহাস' শব্দটিৰ প্ৰয়োগ বহু পৰিমাণে বিক্ষিপ্ত বুলি ক'ব খোজে। অনুমান কৰিব পাৰি যে, প্ৰাচীনকালত পুৰাণ আৰু ইতিহাসৰ ঘনিষ্ঠ সম্বন্ধ থকা বাবে দুয়োবিধকে পৃথক পৃথক গ্ৰন্থ বুলি গণ্য কৰা হোৱা নাছিল আৰু সুকীয়া মৰ্যাদাও দিয়া নাছিল। সেইবাবে বিশেষ বিতৰ্কৰ মাজলৈ নগৈ সাধাৰণভাৱে বিচাৰ কৰি ক'ব পাৰি যে, কাল্পনিক আখ্যান সম্বলিত গ্ৰন্থৰাজিক পুৰাণ আৰু অতীতত ঘটি যোৱা বাস্তৱিক ঘটনাই ইতিহাস।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

পুৰাণ সাহিত্য কোন সময়ত ৰচিত হৈছিল? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................

.............................................................................

.............................................................................

## ৩.৬ পুৰাণৰ লক্ষণ

ভাৰতীয় পৰম্পৰা অনুসৰি পুৰাণ পঞ্চ লক্ষণাত্মক। অৰ্থাৎ পুৰাণ হ'বলৈ হ'লে তাত পাঁচটা লক্ষণ থকা উচিত। 'বিষ্ণু পুৰাণ'ত উল্লেখ থকা লক্ষণ কেইটাকে অধিকাংশ পণ্ডিতে গ্ৰহণ কৰিছে। তাত পুৰাণৰ লক্ষণ এনেদৰে নিৰ্দ্ধাৰণ কৰা হৈছে ঃ

*সৰ্গশ্চ প্ৰতিসৰ্গশ্চ বংশো মন্বন্তৰানি চ।*
*বংশানুচৰিতং চৈৱ পুৰাণং পঞ্চলক্ষণম্।।*

অৰ্থাৎ পুৰাণ হ'বলৈ হ'লে ১) সৰ্গ ২) প্ৰতিসৰ্গ ৩) বংশ ৪) মন্বন্তৰ ৫) বংশানুচৰিত এই পাঁচটা বৈশিষ্ট্য পুৰাণত থাকিব লাগিব। কিন্তু 'বিষ্ণুপুৰাণ'ৰ পৰৱৰ্তীকালত ৰচিত বিশেষকৈ 'ভাগৱত পুৰাণ'ত পুৰাণৰ পঞ্চ লক্ষণৰ পৰিৱৰ্তে দশ লক্ষণ স্বীকাৰ কৰা দেখা যায় ঃ

*সৰ্গোহস্যাথ বিসৰ্গশ্চ বৃত্তি ৰক্ষান্তৰাণি চ।*
*বংশোবংশানুচৰিতং সংস্থা হেতুৰপাশ্ৰয় ঃ।।*
*দশভিৰ্লক্ষনৈৰ্যুক্তং পুৰাণং তদ্বিদোৰিদু ঃ।*
*কেচিৎ পঞ্চবিধং ব্ৰহ্মামহদল্পব্যৱস্থয়া।।*

অৰ্থাৎ **১) সৰ্গ, ২) বিসৰ্গ, ৩) বৃত্তি, ৪) ৰক্ষা, ৫) অন্তৰ, ৬) বংশ, ৭) বংশানুচৰিত, ৮) সংস্থা, ৯) হেতু,** আৰু **১০) অপাশ্ৰয়**- এইকেইটাই হ'ল পুৰাণৰ বিশিষ্ট লক্ষণ। ভাগৱত পুৰাণে পাঁচটা লক্ষণ থকা পুৰাণক অল্পপুৰাণ বা উপপুৰাণ বুলি অভিহিত কৰিছে। আনহাতে দহটা লক্ষণযুক্ত পুৰাণক মহাপুৰাণ বা বৃহৎপুৰাণ বুলি আখ্যা দিছে। তলত পুৰাণসমূহত উল্লিখিত দহটা লক্ষণৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

**১) সৰ্গ ঃ**'সৰ্গ' শব্দটোৰ অৰ্থ হল সৃষ্টি। গতিকে জগত সৃষ্টিৰ বৰ্ণনাই হ'ল সৰ্গ। এটা গুটিৰপৰা গছ এডাল গজি উঠে, ডাল-পাত, ফুল-ফল হয় আৰু সেই ফলৰ ভিতৰতে সৃষ্টিৰ অঙ্কুৰ গুটি জন্মে। সেই সাঁচ প্ৰকৃতিৰ বুকুত পৰি থাকে আৰু তাৰ পৰাই আকৌ গছ গজি উঠে। এই বিশ্বব্ৰহ্মাণ্ডৰ কেনেকৈ সৃষ্টি হ'ল কেনেকৈ নদ-নদীসমন্বিতে প্ৰকৃতি জগতৰ সৃষ্টি হ'ল সেই সৃষ্টি তত্ত্ব তথা উৎপত্তি প্ৰক্ৰিয়াৰ নামেই হ'ল সৰ্গ।

**২) বিসৰ্গ ঃ** যিদৰে এটা বীজৰপৰা আন বীজ উৎপন্ন হয়, তেনেদৰে এটা জীৱ বা প্ৰাণীৰ পৰা আন জীৱৰ সৃষ্টি হয়। এই পুনৰ সৃষ্টিৰ প্ৰক্ৰিয়াটোৰ নামেই হ'ল বিসৰ্গ বা প্ৰতিসৰ্গ।

সৃষ্টিকৰ্তা ব্ৰহ্মাই পৰমেশ্বৰৰ অনুগ্ৰহতে সৃষ্টিৰ শক্তি আৰু অধিকাৰ লাভ কৰে। পূৰ্বৰ কৰ্মফল অনুযায়ী সৎ আৰু অসৎ বিভিন্ন পৰ্যায়ৰ জীৱৰ সৃষ্টি হয়। এই সৃষ্টি প্ৰক্ৰিয়াৰ নামেই বিসৰ্গ।

**৩) বৃত্তি ঃ** প্ৰাণী জগতৰ জীৱন নিৰ্বাহৰ আহিলাকে বৃত্তি বোলা হয়। জীৱন নিৰ্বাহৰ বাবে যিবিলাক আহিলা প্ৰয়োজনীয়, সেইবিলাক একো-একোটা বৃত্তি। মানুহে যিদৰে চাউল, গাখীৰ, ফল-মূল আদিক বৃত্তি কৰি লয়; তেনেদৰে আন আন জীৱৰো বৃত্তি থাকে। চমুকৈ ক'বলৈ হ'লে জীয়াই থাকিবলৈ প্ৰাণীসমূহ যিবোৰ সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল, সেইবোৰেই বৃত্তি।

**৪) ৰক্ষা ঃ** এই বৈশিষ্ট্যটিৰ লগত অৱতাৰবাদৰ সম্পৰ্ক অতি নিবিড়। ভগৱানে যুগে যুগে বিভিন্ন ৰূপ ধাৰণ কৰি পৃথিৱীত অৱতৰণ কৰে। জগতত যেতিয়া অধৰ্মৰ অভ্যুত্থান হয় আৰু সাধুসকলে যাতনা ভুগিবলগীয় হয়, তেতিয়া ধৰ্ম প্ৰতিষ্ঠা আৰু সাধুসকলৰ পৰিত্ৰাণৰ অৰ্থে ভগৱানে ধৰা- ধামত অৱতীৰ্ণ হয়। পুৰাণত ইয়াকে কোৱা হৈছে ৰক্ষা। সৃষ্টি কাৰ্যত কিবা বাধা বা প্ৰতিকূল অৱস্থাৰ সৃষ্টি হ'লে ভগৱানে সেইবোৰ বিনাশ কৰি সৃষ্টিক প্ৰকৃতস্থ বা ৰক্ষা কৰে।

**৫) অন্তৰ ঃ** পুৰাণৰ পঞ্চলক্ষণাত্মক সূত্ৰত যাক মন্বন্তৰ বুলি কোৱা হৈছে, দশলক্ষণত তাকেই অন্তৰ বুলি কোৱা হয়। দৰাচলতে, ই সৃষ্টিৰ বিভিন্ন কাল বা সময়ক সূচায়। পুৰাণসমূহ বিভিন্ন সময়ত ৰচনা কৰা আৰু তাত বিভিন্ন কালৰ কথা উল্লেখ আছে। মনৰ ৰাজত্বকালকে কোৱা হয় মন্বন্তৰ। মুঠ মন্বন্তৰৰ সংখ্যা ১৪ আৰু প্ৰত্যেক মন্বন্তৰৰ অধিপতি একোজন বিশিষ্ট মনু। এই চৈধ্যজন মনু হ'ল- স্বায়ম্ভুব, স্বাৰোচিষ, উত্তম, তামস, ৰৈৱত, চাক্ষুস, বৈবস্বত, দেৱসাৰ্ৱনি, ব্ৰহ্মসাৰ্ৱনি, ধৰ্মসাৰ্ৱনি, ৰুদ্ৰসাৰ্ৱনি, ইন্দ্ৰসাৰ্ৱনি, ৰুচি আৰু ভৌম। প্ৰত্যেক মন্বন্তৰত পাঁচজনকৈ অধিকাৰী থাকে। সেই পাঁচজন অধিকাৰী হ'ল- মনু, সপ্তৰ্ষি, দেৱ, দেৱৰাজ ইন্দ্ৰ আৰু মনুপুত্ৰ। এওঁলোকৰ তত্ত্বাৱধানত মানুহৰ স্থিতি যাতে কল্যাণমুখী হয় তাৰ বাবে তেওঁলোকে লক্ষ্য ৰাখে। সেয়ে এই মন্বন্তৰৰ কল্পনা মানুহৰ সৰ্বাঙ্গীন কল্যাণৰ প্ৰতীক। পুৰাণ হ'বলৈ হ'লে এই মন্বন্তৰৰ বৰ্ণনা থাকিব লাগিব।

**৬) বংশ ঃ** ভাগৱত পুৰাণৰ মতে 'ৰাজ্ঞাং ব্ৰহ্মপ্ৰসূতানাং বংশস্ত্ৰৈকালকোহন্বয়' অৰ্থাৎ ৰাজ-পৰম্পৰাৰ ভূত-ভৱিষ্যৎ- বৰ্তমানৰ অৱস্থা বৰ্ণনেই বংশ। ব্ৰহ্মাৰ দ্বাৰা বিভিন্ন ৰাজবংশৰ সৃষ্টি হয়। যিমান নৃপতিৰ সৃষ্টি হ'ল তেওঁলোকৰ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ সতি-সন্ততিৰ পৰম্পৰাই বংশ। গতিকে দেখা যায় যে, ইয়াত ৰাজ প্ৰশস্তিয়েই মুখ্য। কিন্তু অন্যান্য পুৰাণত বংশ কেৱল ৰাজ বংশৰ মাজতে সীমাবদ্ধ নাছিল। ৰাজবংশৰ উপৰিও ঋষিকুলকো সামৰি লৈছিল। সেইবাবে তেনেবোৰ পুৰাণত ৰজাৰ লগতে ঋষিসকলৰ অতীত-বৰ্তমান-ভৱিষ্যৎ সন্ততিৰ বৰ্ণনাও বংশত সন্নিবিষ্ট হৈছে।

**৭) বংশানুচৰিত ঃ** ওপৰত উল্লেখ কৰা বংশত জন্ম লোৱা সকলো বংশধৰ অথবা মূল ৰজা- তেওঁলোকৰ বিস্তৃত বিৱৰণ অৰ্থাৎ বংশৰ ইতিহাস য'ত বৰ্ণিত হয়, সেয়ে বংশানুচৰিত। মনকৰিবলগীয়া যে, বংশত কেৱল বংশাকুগুলী বা বংশলতাহে পোৱা যায়। কিন্তু বংশানুচৰিতত সেই বংশলতাৰ অন্তৰ্গত সকলো ৰজাৰ মহান কাৰ্তি-কাহিনীসমূহো অন্তৰ্ভুক্ত হয়। কেতিয়াবা বিপদৰ সময়ত মহান যোদ্ধাসকলো কিংকৰ্তব্যবিমূঢ় হৈ পৰে আৰু কি কৰা উচিত কি কৰা অনুচিত- এনে প্ৰশ্নই মনক বিভ্ৰান্ত কৰি তোলে। তেনে অৱস্থাত ৰাজকুলৰ মহান চৰিত্ৰ-কাহিনী স্মৰণ কৰি প্ৰেৰণা লাভ কৰিব পাৰে। সেই কাৰণেই বংশানুচৰিতে পুৰাণত স্থান লাভ কৰিছে।

ৰজা হৰিচন্দ্ৰ, সীতা, সাবিত্ৰী, প্ৰহ্লাদ, যুধিষ্ঠিৰ আদিৰ কাহিনী পুৰাণত বৰ্ণিত হৈছে। পুৰাণসমূহত যদি বংশানুচৰিত নাথাকিলহেঁতেন হিন্দু জাতিৰ গৌৰৱ আদৰ্শ বুলিবলৈকো একো স্মৃতি-চিহ্ন নৰ'লহেঁতেন।

**৮) সংস্থা ঃ** পঞ্চলক্ষণাত্মক পুৰাণে যাক 'প্ৰতিসৰ্গ' বুলি কৈছে দশলক্ষণত তাৰেই নাম 'সংস্থা'। পৃথিবীৰ বিস্তাৰ, লয় আৰু পুনৰ সৃষ্টি-কাৰ্যই প্ৰতিসৰ্গ বা সংস্থা। সৃষ্টিৰ বিধানমৰ্মে- যাৰ জন্ম হয়, তাৰ এদিন মৃত্যু অনিবাৰ্য। কিন্তু প্ৰলয় বা ধ্বংসৰ মাজতে সৃষ্টিৰ বীজ নিহিত থাকে। তাকেই পুৰাণত কোৱা হৈছে সংস্থা।

**৯) হেতু ঃ** 'হেতু' শব্দত অৰ্থ কাৰণ। সংসাৰ সৃষ্টি আৰু প্ৰলয়ৰ ক্ষেত্ৰত জীৱ হ'ল কাৰণ। জীৱই মায়া বা অবিদ্যাৰ দ্বাৰা পৰিচালিত হৈ সংসাৰত কৰ্ম কৰি থাকে। কিন্তু অদৃষ্টৰ কাৰণেই সৃষ্টি আৰু ধ্বংস সম্ভৱ হয়। সংসাৰ সৃষ্টি আৰু প্ৰলয়ত জীৱৰ নিজ অদৃষ্ট কাৰণ হৈ উঠাৰ বাবে জীৱক কোৱা হয় হেতু।

**১০) অপাশ্ৰয় ঃ** পুৰাণৰ দশ লক্ষণৰ অন্তিম লক্ষণ হ'ল অপাশ্ৰয়। যি তত্ত্বৰ দ্বাৰা সৃষ্টি আৰু প্ৰলয় প্ৰকাশিত হয় সেয়েই অপাশ্ৰয়। ইয়াকে শাস্ত্ৰত ব্ৰহ্ম বা পৰমাত্মা বুলি কোৱা হয়। এই ব্ৰাহ্মণ পৰমাত্মাক লগ পোৱাই জীৱৰ চূড়ান্ত উদ্দেশ্য। সেইবাবে ইতিপূৰ্বে আলোচিত পুৰাণৰ এটা লক্ষণ উপস্থাপিত হৈ এই শেষৰ লক্ষণটিত ঃ- **"দশমস্য বিশুদ্ধ্যৰ্থং নবানামিলক্ষণম্।"**

এনেদৰে কোনো কোনো পুৰাণে পুৰাণৰ পাঁচটা লক্ষণৰ কথা উল্লেখ কৰিছে আৰু কোনো কোনো পুৰাণে দহটা লক্ষণৰ কথা উল্লেখ কৰিছে । সেইবাবে প্ৰশ্ন হয়- প্ৰকৃততে পুৰাণ পঞ্চলক্ষণাত্মক নে দহ লক্ষণাত্মক? এই বিতৰ্কিত প্ৰশ্নটোত উত্তৰ দিবৰ বাবেই বোধকৰোঁ ভাগৱত পুৰাণে পাঁচ লক্ষণাযুক্ত পুৰাণক উপপুৰাণ বা অল্পপুৰাণ আৰু দহলক্ষণযুক্ত পুৰাণক মহাপুৰাণ বা বৃহৎ পুৰাণ বুলি অভিহিত কৰিছে। আনহাতে, মহাপুৰুষ শংকৰদেৱে অসমীয়া ভাগৱতৰ দ্বিতীয় স্কন্ধত দহটি লক্ষণৰ কথাই উল্লেখ কৰি গৈছে। অৱশ্যে দহটা লক্ষণ হ'ল- স্বৰ্গ, বিসৰ্গ, স্থান, পোষণ, উতি, মন্বন্তৰ, ঈষাণ, কথা, নিৰোধন, মুকুতি আৰু আশ্ৰয়। তেওঁ ইয়াৰ বিৰৰণ দিছে এনেদৰে ঃ

শুকমুনি নিগদতি শুনা ৰাজা মহামতি
কহো ভাগৱতৰ লক্ষণ।
পুৰুষৰ পায়া দৃষ্টি উপজে কাৰণ সৃষ্টি
তাকে **স্বৰ্গ** বোলে সাধুজন।।
ব্ৰহ্ম আদি নানামত স্ৰজে চৰাচৰ যত
ইহাকে **বিসৰ্গ** বুলি জান।
ৰাজা দেৱ দৈত্যজাক পাইলে মহা মহিমাক
ইটো লক্ষণৰ নাম **স্থান**।।
মহাপাপী ভক্ত হয় তাকো কৃষ্ণে নিস্তাৰয়
জানা ৰাজা এইটো **পোষণ**।
মহন্তৰ কোপে আসি হোৱে দুৰ্বাসনা ৰাশি
**উতি** বুলি কৰিলা বৰ্ণন।।
যিটো হোৱে পুণ্যভাগী সাধুৰ কৃপাক লাগি
কায়োবাক্যে কৰোক যতন।
তেৱে কৃষ্ণপাৱে ৰতি বাঢ়িবে সপ্ৰেম মতি
তাৰিবেক দুৰ্ঘোৰ মৰণ।।

সনু মনু পুত্ৰচয় তেসম্বৰে ধৰ্ম হয়
**মন্বন্তৰ** ইহাকে বোলৰ।
বিষ্ণু বৈষ্ণৱৰ কথা প্ৰকটি কহয় যথা
এহিটো **ঈষান** কথা হয়।।
জগত উদৰে ধৰি শয়ন কৰন্ত হৰি
**নিৰোধন** কহিলো স্বৰূপে।
ছাৰি মিছা মায়াময় নিজ ব্ৰহ্ম ৰূপ হয়
**মুকুতি** বুলিয়া আকে ভুপ।।
কৌটি কৌটি ব্ৰহ্মাণ্ডৰ যত জীৱ সমস্তৰ
একে মাত্ৰ **আশ্ৰয়ৰ** স্থান।
সৃষ্টি স্থিতি প্ৰলয়ৰ হেতু যিটো মহেশ্বৰ
আশ্ৰয় কৰিলো ভগৱান।।
শ্ৰীভাগৱতে এহি দশোটা লক্ষণ কহে
এতেকেসে মহন্ত পুৰাণ।

আনহাতে, মৎস্য পুৰাণৰ দ্বিতীয় অধ্যায়ত পুৰাণৰ আলোচ্য বিষয়সমূহৰ যি তালিকা দিয়া হৈছে তাত পুৰাণৰ পঞ্চলক্ষণৰ উপৰিও আৰু ছটা লক্ষণৰ কথা উল্লেখ কৰিছে। সেই ছটা লক্ষণ হ'ল-

১) ভুৱন বিস্তাৰ ২) দান ধৰ্মবিধি ৩) শ্ৰাদ্ধকল্প ৪) বৰ্ণশ্ৰম বিভাগ ৫) ইষ্টাপূৰ্ত আৰু ৬) দেৱতা প্ৰতিষ্ঠা। যথা ঃ—

*"উৎপত্তি প্ৰলয়ং চৈব বংশান্ মন্বন্তৰানি চ।*
*বংশানুচৰিতং চৈব ভুৱনস্য চ বিস্তাৰম্ ।।*
*দান ধৰ্ম বিধং চৈব শ্ৰাদ্ধকল্পং চ শাশ্বতম্।*
*বৰ্ণাশ্ৰমবিভাগং চ তথেষ্টাপূৰ্ত সংজ্ঞিতম্।।*
*দেৱতানাং প্ৰতিষ্ঠাদি যচ্চন্যেদ বিদ্যতে ভুবি।*
*তৎ সৰ্বং বিস্তৰেন ত্বং ধৰ্মব্যাখ্যাতুমৰ্হসি।।"*

এইবোৰৰ উপৰিও পুৰাণৰ আলোচ্য বিষয়ৰ গণ্ডী আৰু অধিক বিস্তৃত। ভুগোল, পদাৰ্থবিদ্যা, জ্যোতিষ, শৰীৰ বিদ্যা, ব্যাকৰণ, চিকিৎসা শাস্ত্ৰ, অস্ত্ৰবিদ্যা আদি বিষয়সমূহো পুৰাণত আলোচনা কৰা হৈছে।

ওপৰত আলোচনা কৰি অহা পুৰাণৰ পঞ্চ লক্ষণ আৰু দশ লক্ষণৰ উপৰিও ধৰ্ম, অৰ্থ, কাম, মোক্ষ- এই চতুৰ্বগৰ সাধনো পুৰাণৰ লক্ষণ হোৱাৰ সপক্ষে কোনো কোনো পুৰাণে যুক্তি প্ৰদৰ্শন কৰে। পুৰাণৰ মুখ্য উদ্দেশ্য হ'ল জীৱক মোক্ষ লাভৰ পথ নিৰ্দেশ কৰা। আনহাতে, উইন্টাৰনীৎসে (Winternitz) কৈছে যে, একোখন পুৰাণে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ- এই তিনিজন দেৱতাৰ যিকোনো এজনৰ উপাসনাৰ ওপৰত গুৰুত্ব দিছে আৰু সেই জনকেই আন দুজনতকৈ শ্ৰেষ্ঠ হিচাপে প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰিছে। সেইবাবে 'বিষ্ণুপুৰাণত' বিষ্ণুক, 'ভাগৱত পুৰাণ'ত শ্ৰীকৃষ্ণক, 'শিৱ পুৰাণ'ত শিৱক শ্ৰেষ্ঠ দেৱতা হিচাপে প্ৰতিপন্ন কৰা হৈছে। গতিকে কোনো এগৰাকী দেৱতাৰ মাহাত্ম্য বা শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাটো পুৰাণৰেই এক বিশিষ্ট লক্ষণ।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

পুৰাণৰ পঞ্চলক্ষণ আৰু দশলক্ষণ কি কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

...........................................................................

...........................................................................

...........................................................................

...........................................................................

...........................................................................

## ৩.৭ পুৰাণৰ সংখ্যা আৰু পৰিচয়

পুৰাণ প্ৰকৃততে কেইখন- এই সম্পৰ্কত বিভিন্ন পুৰাণত বিভিন্ন সংখ্যাৰ উল্লেখ আছে। সেইবাবে ইয়াৰ প্ৰকৃত সংখ্যাটো খাটাংকৈ কৈ দিয়া টান। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, আদিতে পুৰাণ আছিল মাত্ৰ এখন। সময়ত পৰিবৰ্তনৰ লগে লগে ইয়াৰ কথা আৰু আখ্যানসমূহৰ পৰিৱৰ্তন ঘটি বহুসংখ্যক পুৰাণৰ জন্ম হয়। সংস্কৃত সাহিত্যৰ ইতিহাস ৰচোতাসকলে আৰু পাশ্চাত্যৰ পুৰোধা পণ্ডিতসকলে পুৰাণ সাহিত্যৰ বিষয়ে বিস্তৃতভাৱে বিশ্লেষণ কৰি পুৰাণসমূহক মূলত ঃ দুটা ভাগত বিভক্ত কৰিছে- ১) মহাপুৰাণ আৰু ২) উপপুৰাণ । এই দুটা ভাগক কোনো কোনোৱে ক্ৰমে 'বৃহৎ পুৰাণ' আৰু 'অল্প পুৰাণ' বুলিও আখ্যা দিছে।

সামান্য মতভেদ থাকিলেও অধিকাংশ পণ্ডিতৰ মতে মহাপুৰাণৰ সংখ্যা ওঠৰখন। এই ওঠৰখন মহাপুৰাণৰ নাম এনে ধৰণৰঃ

*ব্ৰহ্মপুৰাণ, পদ্মপুৰাণ, বিষ্ণুপুৰাণ, শিৱপুৰাণ* (বায়ুপুৰাণ), *ভাগৱত পুৰাণ, নাৰদীয় পুৰাণ, মাৰ্কণ্ডেয় পুৰাণ, অগ্নি পুৰাণ, ভৱিষ্য পুৰাণ, ব্ৰহ্মবৈৱৰ্ত্ত-পুৰাণ, লিঙ্গ পুৰাণ, বৰাহ পুৰাণ, স্কন্দ পুৰাণ, বামন পুৰাণ, কূৰ্ম পুৰাণ, মৎস্য পুৰাণ, গৰুড় পুৰাণ* আৰু *ব্ৰহ্মাণ্ড পুৰাণ*।

এই ওঠৰখন মহাপুৰাণক আকৌ উপাস্য দেৱতাৰ ভিত্তিত তিনিটা ভাগত ভাগ কৰা হৈছে। যি পুৰাণত বিষ্ণুৰ মহিমাই প্ৰাধান্য লাভ কৰিছে তাক *সাত্ত্বিক বা সত্ত্বগুণী পুৰাণ* বোলা হৈছে। *ভাগৱত, নাৰদীয়, বৰাহ, গৰুড়* আৰু *বিষ্ণু পুৰাণ*- এই কেইখন সাত্ত্বিক পুৰাণৰ অন্তৰ্গত। আনহাতে, যি পুৰাণত ব্ৰহ্মাৰ মাহাত্ম্য প্ৰকাশ পাইছে তাৰ নাম *ৰাজস্ পুৰাণ*। *ব্ৰহ্ম, ব্ৰহ্মাণ্ড, ব্ৰহ্মবৈৱৰ্ত্ত, মাৰ্কণ্ডেয়, বামন* আৰু *ভৱিষ্য*- এই কেইখন ৰাজস্ পুৰাণৰ অন্তৰ্গত। তেনেদৰে যিবোৰ পুৰাণত শিৱৰ মাহাত্ম্য প্ৰচাৰ কৰা হৈছে তাৰ নাম *তামস্ পুৰাণ*। শিৱ, লিঙ্গ, অগ্নি, মৎস্য, কূৰ্ম- এই কেইখন তামস্ পুৰাণৰ অন্তৰ্গত।

মৎস্য পুৰাণত পুৰাণসমূহৰ নাম উল্লেখ কৰাৰ লগতে প্ৰতিখন পুৰাণত সন্নিবিষ্ট শ্লোকৰ সংখ্যাও দিয়া হৈছে। সেইমতে পুৰাণৰ শ্লোকসংখ্যা এনেধৰণৰ ঃ

| | **পুৰাণৰ নাম-** | **শ্লোকৰ সংখ্যা** |
|---|---|---|
| ১) | ব্ৰহ্মপুৰাণ | ১৩,০০০ |
| ২) | পদ্মপুৰাণ | ৫৫,০০০ |
| ৩) | বিষ্ণু পুৰাণ | ২৩,০০০ |
| ৪) | শিৱপুৰাণ | ২৪,০০০ |
| ৫) | ভাগৱত পুৰাণ | ১৮,০০০ |
| ৬) | নাৰদীয় পুৰাণ | ২৫,০০০ |
| ৭) | মাকণ্ডেয় পুৰাণ | ৯,০০০ |

| | | |
|---|---|---|
| ৮) | অগ্নি পুৰাণ | ১৬,০০০ |
| ৯) | ভৱিষ্য পুৰাণ | ১৪,০০০ |
| ১০) | ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ | ১৮,০০০ |
| ১১) | লিঙ্গ পুৰাণ | ১১,০০০ |
| ১২) | বৰাহ পুৰাণ | ২৪,০০০ |
| ১৩) | স্কন্ধ পুৰাণ | ৮১,০০০ |
| ১৪) | বামন পুৰাণ | ১০,০০০ |
| ১৫) | কূৰ্ম পুৰাণ | ১৮,০০০ |
| ১৬) | মৎস্য পুৰাণ, | ১৪,০০০ |
| ১৭) | গৰুড় পুৰাণ | ১৯,০০০ |
| ১৮) | ব্ৰহ্মাণ্ড পুৰাণ | ১২,০০০ |

### ৩.৭.১ মহাপুৰাণৰ পৰিচয়

১) *ব্ৰহ্মপুৰাণ ঃ* এই পুৰাণত বৰ্ণিত সমগ্ৰ কথা প্ৰথমে মৰীচিৰ আগত ব্যক্ত কৰিছিল। সেইবাবে এই পুৰাণক 'ব্ৰহ্মপুৰাণ' বুলি কোৱা হয়। আকৌ সকলো পুৰাণৰ ভিতৰত ব্ৰহ্মপুৰাণে আদিতে স্থান পোৱা কাৰণে এই পুৰাণৰ আন এটা নাম আদিপুৰাণ। আনহাতে, এই পুৰাণত সূৰ্য-উপাসনাৰ পদ্ধতি আৰু পূজাৰ বিষয়ে বিস্তৃত বিৱৰণ থকা হেতুকে ইয়াক সৌৰ পুৰাণ বুলিও কোৱা হয়।

বৰ্তমান প্ৰচলিত ব্ৰহ্মপুৰাণৰ শ্লোকৰ সংখ্যা ১৩,৭৮৩। ইয়াত মুঠতে ২৪৫ টা অধ্যায় আছে। পুৰাণখন দুটা ভাগত বিভক্ত- পূৰ্বখণ্ড আৰু উত্তৰখণ্ড। এই পুৰাণখণ্ড খ্ৰীষ্টিয় ত্ৰয়োদশ-চতুৰ্দ্দশ শতিকাত সম্পাদনা কৰা হৈছে বুলি আধুনিক সমালোচকসকলে বিশ্বাস কৰে।

লোমহৰ্ষণ সূতে নৈমিষাৰণ্যত সমবেত হোৱা ঋষিসকলক এই পুৰাণৰ কথা বৰ্ণনা কৰিছিল। ঋষিসকলে লোমহৰ্ষণক অনুৰোধ কৰিলে ব্ৰহ্মাণ্ডৰ আৰম্ভণিৰপৰা শেষ পৰ্যন্ত সৃষ্টি ক্ৰম শুনাবলৈ। তাতেই আৰম্ভ হ'ল লোমহৰ্ষণৰ মুখত ব্ৰহ্মপুৰাণৰ বিবৃত্তি। লগে লগে আৰম্ভ হ'ল বিশ্বৰ উৎপত্তিৰ কথা, দেৱতাসকলৰ উৎপত্তিৰ কথা, চন্দ্ৰ আৰু সূৰ্যবংশীয় ৰজাসকলৰ কাহিনী, পৃথিৱীৰ আকৃতি আৰু বিভাগ, স্বৰ্গ আৰু নৰকৰ বৰ্ণনা। সৰ্গ, প্ৰতিসৰ্গ, বংশ, মন্বন্তৰ আৰু বংশানুচৰিতৰ অন্তৰ্গত এই সমস্ত ঘটনা অতি সংক্ষিপ্তকৈ শ্ৰীকৃষ্ণৰ সময়লৈকে বৰ্ণনা কৰা হৈছে। তাৰ পিছত ভাৰতৰ বিভিন্ন প্ৰান্তত অৱস্থিত নানা তীৰ্থস্থানৰ বিৱৰণ ইয়াত দাঙি ধৰা হৈছে। আনহাতে পাৰ্বতীৰ জন্ম, শিৱৰ সৈতে বিবাহ তথা শিব সম্পৰ্কে নানা উপাখ্যানে ইয়াত স্থান পাইছে। একেদৰে গৌতমী গঙ্গাৰ মাহাত্ম্যও ইয়াত লক্ষণীয়ভাৱে গুৰুত্ব লাভ কৰিছে। কেইবাটাও অধ্যায়ত শ্ৰীকৃষ্ণৰ জীৱন চৰিতো বিশদভাৱে বৰ্ণিত হৈছে। বহুতৰ মতে, ব্ৰহ্মপুৰাণৰ উত্তৰ খণ্ডটো পিছত সংযোগ কৰা।

২) *পদ্মপুৰাণ ঃ* যেতিয়া বিশ্বখন সোণালী পদ্ম আছিল, সেই সময়ৰ কথা হেতুকে এই পুৰাণক পদ্মপুৰাণ বুলি কোৱা হয়। এই পুৰাণত মুঠতে পঁচপন্ন হেজাৰ শ্লোক আছে আৰু বহুতো বিচিত্ৰ তথা নানা ধৰ্মানুষ্ঠানৰ বিৱৰণ আছে। সেইবাবে পদ্মপুৰাণ যেনেদৰে এখন বৃহৎ আকাৰৰ পুৰাণ, তেনেদৰে সুপ্ৰসিদ্ধ পুৰাণ। এই পুৰাণ পাঁচ খণ্ডযুক্ত- ১) সৃষ্টিতত্ব ২) ভূমিখণ্ড ৩) স্বৰ্গখণ্ড ৪) পাতালখণ্ড আৰু ৫) উত্তৰখণ্ড। ইয়াৰ উপৰিও 'ক্ৰিয়া যোগসাৰ' নামৰ আন এটা খণ্ড পোৱা যায়। ভক্তি কেনেকৈ কৰিব লাগে সেইকথা এই খণ্ডটিত ব্যাখ্যা কৰা হৈছে।

লোমহৰ্ষণৰ পুত্ৰ উগ্ৰশ্ৰবাই পিতৃৰ আদেশ মৰ্মে সৃষ্টিখণ্ড নৈমিষাৰণ্যত ঋষিসকলৰ আগত ব্ৰহ্মাই সৃষ্টিৰ কাৰণে পদ্মত আবিৰ্ভূত হোৱা বুলি কৈছে। সেইবাবে এই পুৰাণৰ নাম পদ্মপুৰাণ। **সৃষ্টিখণ্ডত** দেৱতা, মুনি, পিতৃসকল তথা মানুহৰ নপ্ৰকাৰৰ সৃষ্টি- পৰ্বত, দ্বীপ, সপ্ত সাগৰ আদিৰ ভৌগোলিক বিৱৰণ, বিভিন্ন ৰজাসকল আৰু ৰাজবংশৰ আখ্যান, সমুদ্ৰ মন্থন, পৃথুৰ উৎপত্তি আদি বিষয় বৰ্ণিত হৈছে। **ভূমিখণ্ডই** ব্ৰাহ্মণৰ বিষ্ণুলোক প্ৰাপ্তি, সুব্ৰত চৰিত, পৃথু-বেণৰ আখ্যান, সুনীথাৰ কাহিনী, সুকলাৰ আখ্যান, যযাতিৰ কথা, সুবাহু ৰজাৰ বৃত্তান্ত প্ৰভৃতি কথা সামৰি লৈছে। স্বৰ্গখণ্ডত পৃথিৱীৰ ওপৰত লোকবিশ্বাসৰ বিৱৰণ আছে। ভু, ভবঃ, স্বৰ উপৰিও মহৰ্লোক, জনলোক, তপোলোক, সত্যলোকৰ কথা আছে। সকলোৰে ওপৰতে আছে বৈকুণ্ঠধাম। ইয়াতেই বিষ্ণুৱে বাস কৰে। **পাতালখণ্ডত** ৰামচন্দ্ৰ, শিৱৰ মাহাত্ম্য আৰু ৰাধাকৃষ্ণ তথা বৃন্দাবনৰ কাহিনী বৰ্ণিত হৈছে। **উত্তৰখণ্ডটো** পদ্মপুৰাণৰ বৃহত্তম খণ্ড। ইয়াত গীতা মাহাত্ম্য, ভাগৱত মাহাত্ম্য, বিষ্ণু সহস্ৰ নাম স্তোত্ৰ, বশিষ্ঠ-দিলীপ সংবাদ আদি কথাই স্থান পাইছে।

৩) *বিষ্ণু পুৰাণ ঃ* বিষ্ণুপুৰাণ বৈষ্ণৱ সম্প্ৰদায়ৰ মূল গ্ৰন্থ। মৎস্যপুৰাণৰ মতে, বিষ্ণুপুৰাণৰ মুঠ শ্লোকৰ সংখ্যা ২৩,০০০। ইয়াৰ বক্তা পৰাশৰ মুনি আৰু শ্ৰোতা মৈত্ৰেয়। পুৰাণখনিত মুঠতে ছটা খণ্ড আছে। **প্ৰথম খণ্ডত** ব্ৰহ্মাই সৃষ্টিৰ পিছত সংহাৰ কৰি কি কাৰণে আকৌ সৃষ্টি কৰে তাৰ বৰ্ণনা আছে। তাৰ লগতে ধ্ৰুৱৰ উপাখ্যান, প্ৰহ্লাদ চৰিত, বিভিন্ন জীৱ-জন্তুৰ সৃষ্টি, বেন ৰজাৰ কাহিনীও আছে। **দ্বিতীয় খণ্ডত** প্ৰিয়ব্ৰত ৰজা আৰু ভাৰত বংশৰ বিৱৰণ, পাতাল বৰ্ণনা, সূৰ্য-চন্দ্ৰৰ অৱস্থিতি, জড়-ভৰতৰ উপাখ্যান আদি সন্নিৱিষ্ট হৈছে। **তৃতীয় খণ্ডই** সপ্ত মন্বন্তৰৰ বৰ্ণনা, বেদব্যাসৰ বিভিন্ন ৰূপ, বেদ বিভাগ, সাগৰ আৰু ঔৰ্বৰ উপাখ্যান, বিষ্ণুৰ মাহাত্ম্য, বিবাহ বিধি, গৃহস্থৰ নিত্য-কৰ্ম, শ্ৰাদ্ধ আদি সংস্কাৰৰ কথা সামৰি লৈছে। **চতুৰ্থ খণ্ডত** মনুৰ বংশ বিস্তাৰ, ইক্ষ্বাকু, যৱনাশ্ব, সৌভৰি আদিৰ উপাখ্যান, সোম বংশৰ যযাতি চৰিত্ৰ, যদু, তুৰ্বসু, দ্ৰুহ্যু, অনু আৰু পুৰু- এই পাঁচটা অতি প্ৰসিদ্ধ ক্ষত্ৰিয় বংশৰ বিৱৰণ পোৱা যায়। **পঞ্চম খণ্ডত** বসুদেৱ দৈৱকীৰ বিবাহ, শ্ৰীকৃষ্ণৰ জন্ম, কালী-দমন, ধেনুকাসুৰ বধ, গোৱৰ্দ্ধন ধাৰণ, কংসবধ, কালযৱণ বধ, নৰকাসুৰ বধ, ঊষা-অনিৰুদ্ধৰ কাহিনী আদিয়ে ঠাই পাইছে। **ষষ্ঠ খণ্ডত** কলিধৰ্ম, কলিযুগৰ মাহাত্ম্য, প্ৰলয় বৰ্ণনা, ভাগৱত মাহাত্ম্য, ভক্তিৰ স্বৰূপ, ভগৱানৰ নাম-কীৰ্ত্তনৰ মহিমা আদি বৰ্ণিত হৈছে।

বিষ্ণুপুৰাণ সাত্ত্বিক পুৰাণ। সেইবাবে ইয়াত বিষ্ণুৰ মাহাত্ম্য স্পষ্টকৈ পোৱা যায়। ৰামানুচাৰ্যই তেওঁৰ বেদান্তসূত্ৰৰ টীকাত এই গ্ৰন্থখনক বৈষ্ণৱ সম্প্ৰদায়ৰ প্ৰামাণ্য গ্ৰন্থৰূপে উল্লেখ কৰিছে। এই পুৰাণখনিৰ উল্লেখনীয় বৈশিষ্ট্য হ'ল- ইয়াৰ বিষয়বস্তু পৰিৱেশনত এটা ধাৰাবাহিকা দেখা যায়। অন্যান্য পুৰাণৰ দৰে কিছুমান বিক্ষিপ্ত আলোচ্যবস্তুৰ সংকলন মাত্ৰ নহয়। আনহাতে, সাহিত্যিক দৃষ্টিকোণৰপৰা বিষ্ণুপুৰাণ এখনি ৰমনীয় গ্ৰন্থ। ইয়াত জ্ঞানৰ লগতে ভক্তিৰ সমন্বয় সুন্দৰভাৱে দেখুওৱা হৈছে।

৪) *শিৱপুৰাণ ঃ* 'শিৱপুৰাণ'ক বায়ুপুৰাণ নামেৰেও জনা যায়। ইয়াত শিব উপসনাৰ ৰহন আলোচনা পোৱা যায়। চৱিশ হেজাৰ শ্লোকযুক্ত এই পুৰাণখনি চাৰিটা ভাগত বিভক্ত। সেইকেইটা হ'ল- **প্ৰতিক্ৰিয়াভাগ, উপোদ্‌ঘাট ভাগ, অনুসংগ ভাগ** আৰু **উপসংহাৰ ভাগ**।

**প্ৰতিক্ৰিয়াভাগত** পঞ্চভৌতিক সৃষ্টি আৰু আদিৰে পৰা জীৱ জগতৰ ক্ৰমবিকাশৰ বিৱৰণ আছে। **উপোদ্‌ঘাট ভাগত** সেই সৃষ্টিৰ ক্ৰমাগত বিৱৰণ আৰু বিভিন্ন কল্পৰ কথা আছে। ইয়াত তেত্ৰিশটা কল্পৰ বিৱৰণ আছে। ইমান বেছি সংখ্যক কল্পৰ বিৱৰণ আন কোনো পুৰাণত পোৱা নাযায়। **অনুসংগ ভাগত** সাতজন ঋষি আৰু তেওঁলোকৰ বংশধৰসকল, দক্ষ-জীয়ৰীসকলৰপৰা বিভিন্ন শ্ৰেণীৰ প্ৰাণীৰ জন্ম, পিতৃসকলৰ পূজা পদ্ধতি, পবিত্ৰ তীৰ্থস্থান

আৰু শ্ৰাদ্ধৰ বিষয়ে বিৰৰণ আছে। সূৰ্য-চন্দ্ৰ বংশধৰৰ বুৰঞ্জীও ইয়াত অন্তৰ্ভুক্ত হৈছে। **উপসংহাৰত** বিশেষভাৱে ভৱিষ্যত মন্বন্তৰ, সময়ৰ জোখ, প্ৰলয়, শিৱৰ লগত মুক্তি প্ৰাপ্তি, শিৱপুৰী, শিৱপুৰাণৰ মাহাত্ম্য আদিৰ বৰ্ণনা আছে।

৫) *ভাগৱত পুৰাণ ঃ* ভাগৱত ভক্তি-ৰসৰ সপুষ্পক ফল। এই ভাগৱতৰ ৰস আচ্ছাদনৰ ফলত তাপিত নৰলোকে পৰম প্ৰশান্তি লাভ কৰিব পাৰে বুলি হিন্দু ধৰ্মই বিশ্বাস কৰি আহিছে। ভাগৱত পুৰাণ মুঠতে তিনিশ পয়ত্ৰিশটা অধ্যায় আৰু ওঠৰ হেজাৰ শ্লোকৰ সমষ্টি। এই শ্লোকসমূহক বাৰটা খণ্ডত বিভক্ত কৰা হৈছে আৰু প্ৰত্যেকটো খণ্ডকে কোৱা হৈছে স্কন্ধ। অৰ্থাৎ ভাগৱত পুৰাণ দ্বাদশ স্কন্ধযুক্ত। ভাৰতবৰ্ষত ভাগৱত পুৰাণতকৈ অধিক প্ৰসিদ্ধি আৰু জনপ্ৰিয়তা আন কোনো পুৰাণে অৰ্জন কৰিব পৰা নাই। সেইবাবে ভাগৱতক **পুৰাণসূৰ্য ভাগৱত** (অৰ্থাৎ পুৰাণৰ ভিতৰত শ্ৰেষ্ঠ) বুলি কোৱা হয়।

ভাগৱত পুৰাণৰ প্ৰথম স্কন্ধত মহাৰাজ পৰীক্ষিত আৰু নাৰদৰ আখ্যান বৰ্ণনা কৰা হৈছে। দ্বিতীয় স্কন্ধত চিত্তবৃত্তিৰ গতি, ব্ৰহ্মা আৰু নাৰদ সংবাদ, ভগৱানৰ লীলাময় অৱতাৰসমূহ আৰু প্ৰাথমিক সৃষ্টি বৰ্ণনা কৰা হৈছে। তৃতীয় স্কন্ধত আছে বিদূৰ আৰু উদ্ধৱৰ সংবাদ, বিদূৰ আৰু মৈত্ৰেয় সংবাদ, পুৰাণ-সংহিতা বিষয়ক প্ৰশ্ন, সত্ত্ব - ৰজ আৰু তমোগুণৰ বিৰৰণ। চতুৰ্থ স্কন্ধত মৰীচি, অত্ৰি আদি নগৰাকী ব্ৰাহ্মণৰপৰা তেওঁলোকৰ সতি-সন্ততিৰ জন্ম, দক্ষযজ্ঞ, ধ্ৰুৱ চৰিত্ৰ, পৃথু চৰিত্ৰ আদি সন্নিবিষ্ট হৈছে। পঞ্চম স্কন্ধই প্ৰিয়ব্ৰত ৰজাৰ চৰিত্ৰ, নাভি চৰিত্ৰ, ঋষভ চৰিত্ৰ, ভৰত চৰিত্ৰ, সমুদ্ৰ, পৰ্বত, নদী, সূৰ্য, জ্যোতিচক্ৰৰ অৱস্থান, পাতাল আৰু নৰকৰ সৃষ্টি আদিক সামৰি লৈছে। ষষ্ঠ স্কন্ধত দক্ষৰ জন্ম, দক্ষ-কন্যাৰ বংশ বিস্তাৰ আৰু সেই বংশ বিস্তাৰত দেৱ, অসুৰ বংশৰ আদিৰ জন্ম বিৰৰণ আছে। সপ্তম স্কন্ধত আছে হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৰ জন্ম আৰু মৃত্যু বৰ্ণনা। লগতে প্ৰহ্লাদ চৰিত্ৰটিয়েও সমানে গুৰুত্ব লাভ কৰিছে। অষ্টম স্কন্ধত মন্বন্তৰসমূহৰ বিৰৰণ, ভগৱানৰ মৎস্য, কূৰ্ম, নৰসিংহ আৰু বামন অৱতাৰৰ বিৰৰণ, সমুদ্ৰ মন্থন, দেৱাসুৰৰ যুদ্ধ আদি বৰ্ণিত হৈছে। নৱম স্কন্ধত আছে ৰাজবংশৰ কীৰ্ত্তন। ইস্বাক্ষুৰ জন্ম, তেওঁৰ বংশ আৰু মাহাত্ম্য, জনক আৰু তেওঁৰ বংশৰ উৎপত্তি আৰু যদু বংশৰ কাহিনী।

দ্বাদশ স্কন্ধযুক্ত ভাগৱত পুৰাণৰ ভিতৰত দশম স্কন্ধটোৰ গুৰুত্ব সকলোতকৈ বেছি। সেইবাবে মূৰ্তিমন্ত ভাগৱতৰ দশম স্কন্ধটোক মুখ বুলি কোৱা হয়। এই স্কন্ধত ভগৱান শ্ৰীকৃষ্ণৰ আদি, মধ্য আৰু অন্ত্যলীলা সমুজ্জ্বল হৈ আছে। একাদশ স্কন্ধত ব্ৰাহ্মণৰ অভিশাপৰ ছলেৰে নিজৰ বংশৰ সংহাৰ আৰু উদ্ধৱৰ লগত কৃষ্ণৰ কথোপকথন বৰ্ণনা কৰা হৈছে। দ্বাদশ স্কন্ধত যুগৰ লক্ষণ, কলিযুগত মানুহৰ বুদ্ধি বিভ্ৰম, চাৰি প্ৰকাৰ প্ৰলয়, তিনি প্ৰকাৰৰ উৎপত্তি, ভক্তি মাহাত্ম্য আদিৰ বৰ্ণনা আছে।

৬) *নাৰদীয় পুৰাণ ঃ* এই পুৰাণখনিৰ মুখ্য প্ৰতিপাদ্য বিষয় হ'ল বিষ্ণুভক্তি। ইয়াত ২৫,০০০ শ্লোক আছে। নাৰদে গোমতি নদীৰ পাৰৰ নৈমিষাৰণ্যত ঋষিসকলৰ আগত এই পুৰাণ বৰ্ণনা কৰে। ইয়াত নাৰদ বিষ্ণু ভক্তিৰ প্ৰচাৰক হিচাপে চিত্ৰিত হৈছে। উপকথা কিছুমানৰ যোগেদি বিষ্ণুপূজা আৰু বিষ্ণুব্ৰতৰ মহিমা প্ৰকাশ কৰা হৈছে। ইয়াৰ উপৰিও পাপ-পুণ্যৰ কথা, ধৰ্ম, শ্ৰাদ্ধ, প্ৰায়শ্চিত্য, বৰ্ণাশ্ৰম, ভক্তি আৰু মুক্তিৰ কথা আলোচিত হৈছে। লগতে এই পুৰাণত বৰ্ণনা কৰা আন কিছুমান আখ্যানৰ ভিতৰত ধ্ৰুৱ, প্ৰহ্লাদ, মোহিনী, মাৰ্কণ্ডেয়ৰ জন্ম, সগৰৰ পুত্ৰসকলৰ ধ্বংস, বামন অৱতাৰ আদি প্ৰধান। কিন্তু মন কৰিবলগীয়া কথা হ'ল এই পুৰাণত বিশ্বৰ উৎপত্তি, ৰাজবংশৰ বুৰঞ্জী আদি পোৱা নাযায়।

৭) *মাৰ্কণ্ডেয় পুৰাণ ঃ* মাৰ্কণ্ডেয় পুৰাণ শাক্তসকলৰ এখনি উৎকৃষ্ট ধৰ্মগ্ৰন্থ। এহেজাৰ শ্লোকযুক্ত এই পুৰাণখন মাৰ্কণ্ডেয় নামৰ মুনিয়ে ঋষিসকলৰ আগত ব্যক্ত কৰিছে। মুনিৰ নাম

অনুসৰি এই পুৰাণখনৰ নাম 'মাৰ্কণ্ডেয় পুৰাণ'। মহাভাৰতৰ বিভিন্ন চৰিত্ৰৰ বিষয়ে উত্থাপিত প্ৰশ্নৰ উত্তৰ এই পুৰাণখনে ধাৰণ কৰিছে। বসুদেৱ মৰণশীল আকাৰত কিয় অৱতীৰ্ণ হৈছিল, ব্ৰাহ্মণ হত্যাৰ বাবে বলদেৱে কিয় তপস্যা কৰিছিল, দ্ৰৌপদীয়ে পঞ্চপাণ্ডৱক কিয় পতি হিচাপে গ্ৰহণ কৰিছিল, কৃষ্ণাৰ্জুনে ৰক্ষা কৰিব পৰা স্বত্বেও দ্ৰৌপদীৰ পাঁচ পুত্ৰৰ কিয় মৃত্যু হৈছিল- আদি প্ৰশ্নসমূহৰ উত্তৰ পুৰাণখনত পোৱা যায়। তাৰোপৰি বৃত্ৰাসুৰৰ মৃত্যু, পাপ ক্ষয় কৰাৰ অৰ্থে বলদেৱৰ কৃচ্ছ্ৰসাধন, হৰিশ্চন্দ্ৰৰ স্বৰ্গলৈ গমন, বশিষ্ঠ আৰু বিশ্বমিত্ৰৰ কাজিয়া আদি ঘটনাও মাৰ্কণ্ডেয় পুৰাণে বহন কৰিছে। আনহাতে, মাৰ্কণ্ডেয় পুৰাণত ৮১ ৰ পৰা ৯৩ অধ্যায়লৈ মহাশক্তিৰ মহালীলাৰ কথা বৰ্ণিত হৈছে। এই আটাইকেইটাৰ সমষ্টিয়েই হৈছে শ্ৰীশ্ৰীচণ্ডী নামৰ গ্ৰন্থখন। ইয়াত দেৱীৰ দ্বাৰা মধুকৈতভ বধ, মহিসাসুৰ বধ, শুম্ভ-নিশুম্ভ বধ, চণ্ড মুণ্ড আৰু ৰক্তবীজ বধ আদি কাহিনীৰ মাজেদি দেৱী মহামায়াৰ মহাশক্তি প্ৰচাৰ কৰা হৈছে। দুৰ্গা, কালী, চণ্ডী- এই তিনিগৰাকী দেৱীৰ বিষয়ে বিতং আলোচনা মাৰ্কণ্ডেয় পুৰাণে সামৰি লৈছে। সেইবাবে এই গ্ৰন্থখনক শাক্তধৰ্মৰ মাহাত্ম্য প্ৰচাৰক পুৰাণ বুলিও কোৱা হয়।

৮) *অগ্নি পুৰাণ ঃ* যোল্ল হেজাৰ শ্লোকযুক্ত এই পুৰাণখন অগ্নিয়ে মুনি বশিষ্ঠক কৈছে। ব্ৰহ্মাৰ বিবিধ জ্ঞানৰ কথা শিকোৱা এই পুৰাণৰ উদ্দেশ্য। ইয়াত ঈযান কল্পৰ কথা বৰ্ণিত হৈছে। প্ৰথমাৰ্দ্ধৰ অধ্যায়কেইটাৰ ৰাম-কৃষ্ণৰ অৱতাৰ, ৰামায়ণ-মহাভাৰতৰ কাহিনীৰ উপৰিও গীতাৰ সাৰাংশ সন্নিবিষ্ট হৈছে। আনহাতে, তন্ত্ৰৰ- আচাৰ-অনুষ্ঠানবোৰৰো বৰ্ণনা ইয়াত বহলভাৱে পোৱা যায়। ধৰ্মীয় কাৰ্য সম্পাদন, তান্ত্ৰিক পদ্ধতিৰ কথা, শিৱ পূজাৰ পদ্ধতি, দেৱী আৰু শিৱপূজা, পাণিনিৰ ব্যাকৰণ, শুশ্ৰুতৰ ঔষধ প্ৰণালী আদিৰ কথাই বেছি প্ৰাধান্য লাভ কৰিছে। তদুপৰি ভূগোল, তীৰ্থ-মাহাত্ম্য, যুদ্ধ-বিদ্যা আদিৰ বৰ্ণনাও আছে। পৃথিৱীৰ বিৱৰণ, পবিত্ৰ তীৰ্থৰ মাহাত্ম্য, বিশেষকৈ গয়াৰ মাহাত্ম্য, ৰজাৰ কৰ্ত্তব্য, যুদ্ধনীতি, বেদ-পুৰাণৰ বিষয়বস্তু এই পুৰাণত সন্নিবিষ্ট হৈছে।

৯) *ভৱিষ্য পুৰাণ ঃ* এই পুৰাণখন ১৪,৫০০ শ্লোকৰ সমষ্টি। ভৱিষ্যতৰ কথাই ইয়াত প্ৰাধান্য বিস্তাৰ কৰিছে বাবেই এই পুৰাণখনিৰ নাম ভৱিষ্য পুৰাণ। সুমন্তই পাণ্ডু বংশৰ ৰজা শতানীক এই পুৰাণৰ কথা বিৱৰি কৈছে। ইয়াৰ বিৱৰণ ব্ৰহ্মাৰপৰাই আৰম্ভ হৈছে। ভৱিষ্য পুৰাণ পাঁচটা পৰ্বত ৰচিত। প্ৰথম পৰ্বত আছে সূৰ্য চৰিত্ৰ। এই পৰ্বত ব্ৰহ্মাই সূৰ্যৰ প্ৰাধান্য মনুৰ আগত ব্যক্ত কৰিছে। সূৰ্যৰ প্ৰভাৱত যে পৃথিৱীৰ জন্ম আৰু জীৱ-জগতৰ সৃষ্টি হৈছে সেইকথা ব্যাখ্যা কৰা হৈছে। ইয়াৰ পিছৰ পৰ্বকেইটাত ব্ৰহ্মামাহাত্ম্য, শিৱ মাহাত্ম্য, বিষ্ণু মাহাত্ম্য, সৃষ্টিৰ লক্ষণ আদি লিপিবদ্ধ হৈছে।

১০) *ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ ঃ* ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ দক্ষিণ ভাৰতত 'ব্ৰহ্ম বৈৱৰ্ত্ত' পুৰাণ নামে প্ৰচলিত। ইয়াৰ মুঠ শ্লোকসংখ্যা ১৮,০০০। কিন্তু বঙলা ভাষা সংৰক্ষণত ইয়াৰ শ্লোকসংখ্যা ২২,০০০। এই পুৰাণখনি চাৰিটা খণ্ডত বিভক্ত- ব্ৰহ্মখণ্ড, প্ৰকৃতিখণ্ড, গণেশখণ্ড আৰু শ্ৰীকৃষ্ণ জন্মখণ্ড। মৎস্য পুৰাণত বিভাগ অনুযায়ী ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ ৰাজস পুৰাণৰ অন্তৰ্গত। ইয়াত ব্ৰহ্মাই প্ৰধান দেৱতা। আনহাতে এই পুৰাণখন ভাগৱত পুৰাণৰ প্ৰায় অনুগামী। দুয়োখন পুৰাণৰে মূল উপাস্য দেৱতা হৈছে পৰম পুৰুষ শ্ৰীকৃষ্ণ। অৱশ্যে কৃষ্ণ মাহাত্ম্য দুয়োখন পুৰাণতে প্ৰকাশ পাইছে যদিও দৃষ্টিভঙ্গীৰ মাজত সামান্য পাৰ্থক্য পৰিলক্ষিত হয়। কাৰণ ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত শ্ৰীকৃষ্ণৰ প্ৰেমলীলাৰ ওপৰত অধিক প্ৰাধান্য দিয়া হৈছে। কোৱা হয় 'প্ৰেম আৰু বিৰহৰ অপূৰ্ব-মাধুৰী বিৰাজ কৰিছে এই গ্ৰন্থত'। সেইবাবে কৃষ্ণৰ লগতে ৰাধা চৰিত্ৰটিয়ে এই পুৰাণত উল্লেখযোগ্য স্থানত অধিকাৰী হৈছে। কিন্তু ভাগৱত পুৰাণত ৰাধাৰ তেনে লক্ষণীয় স্থান নাই।

১১) *লিঙ্গ পুৰাণ ঃ* শিৱৰ মাহাত্ম্য বৰ্ণনা কৰা এই পুৰাণখনি এঘাৰ হেজাৰ শ্লোকৰ সমষ্টি। পুৰাণখনি দুটা ভাগত বিভক্ত- পূৰ্বভাগ আৰু উত্তৰভাগ। শিৱৰ কাহিনী এই পুৰাণখনিৰ মূল উপজীব্য। তাৰ উপৰিও সৃষ্টি প্ৰকৰণ, কল্প বৃত্তান্ত, সূৰ্য আৰু চন্দ্ৰৰ কাহিনী এই পুৰাণত আছে। লগতে ধৰ্ম, অৰ্থ, কাম, মোক্ষৰ বিষয়েও লিঙ্গ পুৰাণে আলোচনা কৰিছে। শিৱৰ অৱতাৰ, কল্প আদিৰ বৰ্ণনা ইয়াত আছে আৰু প্ৰত্যেক সৃষ্টিৰ অন্তৰে অন্তৰে বৃহৎ অগ্নিসম লিঙ্গৰ আবিৰ্ভাৱ হয়। লিঙ্গৰ আবিৰ্ভাৱৰ বাবেই এই পুৰাণৰ নাম লিঙ্গ পুৰাণ। শিৱৰ আঠাইশটা অৱতাৰৰ কথা এই পুৰাণত পোৱা যায়। বিষ্ণু বা ব্ৰহ্মাৰ প্ৰাধান্য এই পুৰাণখনিত একেবাৰেই নাই। বৰং কোনো কোনো ঠাইত এই দুগৰাকী দেৱতাৰ হীনতাহে দেখুৱাইছে। ব্ৰহ্মা আৰু বিষ্ণুক পৃথক পৃথক কৰি দি শিৱই নিজৰ আধিপত্য বিস্তাৰ কৰিছে। শিৱৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শনৰ কাৰণে কোনো কোনো ঠাইত শিৱভক্ত আৰু বিষ্ণুভক্তৰ মাজত সংঘাতৰো সৃষ্টি কৰিছে। বিষ্ণুৰ সুদৰ্শন চক্ৰ শিৱভক্ত দধীচিৰ গাত লাগি ভোটা হৈ পৰা আদি ঘটনাৰ যোগেদি বিষ্ণুতকৈ যে শিৱ শ্ৰেষ্ঠ সেই কথাকে প্ৰমাণ কৰিব খুজিছে। মুঠতে, 'লিঙ্গ পুৰাণ' সকলো দিশৰ পৰা শিৱৰ মাহাত্ম্য পৰিৱেশন কৰা এখনি পুৰাণ।

১২) *স্কন্দ পুৰাণ ঃ* একাশী হেজাৰ শ্লোকযুক্ত স্কন্ধ পুৰাণ কেইবাটাও খণ্ডত বিভক্ত। সেই খণ্ডসমূহ হ'ল- কাশীখণ্ড, উৎপলখণ্ড, ব্ৰহ্মোত্তৰ খণ্ড, ৰেবা খণ্ড, শিৱ ৰহস্য খণ্ড, হিমবৎ খণ্ড। এই পুৰাণখনিত শিৱৰ কাহিনী, ইন্দ্ৰদ্যুম্নৰ কাহিনী, ৰামচৰিত, হৰিচন্দ্ৰ কথা, বৃত্ৰাসুৰৰ কাহিনী আদিৰ লগতে অক্ষয় তৃতীয় ব্ৰত, তীৰ্থ-মাহাত্ম্য, শিৱ মাহাত্ম্য আদি বৰ্ণিত হৈছে। এই পুৰাণখনিৰ বিশেষত্বপূৰ্ণ দিশটো হ'ল শিৱৰ পবিত্ৰ ঠাইসমূহৰ বৰ্ণনা। তাৰ পিছত কাশীখণ্ডত কাশীৰ মাহাত্ম্য, উৎকলখণ্ডত উৰিষ্যা আৰু জগন্নাথৰ পবিত্ৰতাৰ কথা পোৱা যায়। এই পুৰাণখনিক সংহিতা বুলিও কোৱা হয়। ইয়াত সূত সংহিতা, সনৎকুমাৰ সংহিতা, সৌৰ সংহিতা, কপিল সংহিতা আদি কেইবাটাও সংহিতা আছে।

১৩) *বৰাহ পুৰাণ ঃ* 'বৰাহ পুৰাণ' এখনি সত্ত্বগুণী পুৰাণ। ইয়াত চব্বিশ হাজাৰ শ্লোক আছে। বৰাহ মূলতঃ বিষ্ণুৰ এটা অন্যতম অৱতাৰ। সুমন্ত মুনিয়ে কৈছে যে, পৃথিৱীৰ সমস্যা সমাধানৰ কাৰণে বৰাহৰূপী ভগৱানে পুৰাণ ৰচনা কৰিছে। এই পুৰাণখনিত বিষ্ণুক কি ধৰণে পূজা-ভক্তি-অৰ্চনা কৰিব লাগে সেইকথা বিতংকৈ বৰ্ণনা কৰা হৈছে। সেইবাবে কোনো কোনোৱে বৰাহ পুৰাণক **'প্ৰাৰ্থনা পুৰাণ'** বুলিও ক'ব খোজে। বিষ্ণুৰ মাহাত্ম্যৰ উপৰিও গৌৰীৰ জন্মকথা, শিৱ-দুৰ্গাৰ কাহিনী, যম-নচিকেতা কাহিনী, বৈষ্ণৱ তীৰ্থস্থান, মথুৰা মাহাত্ম্য আদিৰ বৰ্ণনা এই বৰাহ পুৰাণত পোৱা যায়।

১৪) *বামন পুৰাণ ঃ* দহ হেজাৰ শ্লোকযুক্ত ৰাজস্ পুৰাণৰ অন্তৰ্গত বামন পুৰাণত বিষ্ণুৰ বামন অৱতাৰৰ কথা বৰ্ণনা কৰা হৈছে। এই পুৰাণখনিত চতুমুৰ্খী ব্ৰহ্মাই স্থিতিৰ তিনিটা উদ্দেশ্যৰ কথা অৱগত কৰাইছে। লগতে শিৱ আৰু বিষ্ণু উভয়কে পূজনীয় ৰূপে এই পুৰাণখনিত দেখুওৱা হৈছে। বামন পুৰাণত বৰ্ণিত বিষয়বস্তুসমূহ এনেধৰণৰঃ লিঙ্গপূজা, দক্ষযজ্ঞ, শিৱৰ পাপমোচন, কামদেৱৰ ভষ্ম, কেদাৰেশ্বৰ আৰু বদৰিকাশ্ৰমৰ লিঙ্গ, গোদাবৰী নদী, শিৱ-পাৰ্বতীৰ বিবাহ, কাৰ্ত্তিকৰ জন্ম, দেবাসুৰৰ জন্ম, বালিৰ কাহিনী আদি। ইয়াৰ উপৰিও শ্ৰীকৃষ্ণৰ বামন ৰূপ ধাৰণ কৰি জন্ম গ্ৰহণ কৰা আৰু বলি ৰজাক ছলনা কৰাৰ কথাও এই পুৰাণখনিত বিবৃত হৈছে।

১৫) *কূৰ্ম পুৰাণ ঃ* ওঠৰ হেজাৰ শ্লোকযুক্ত কূৰ্ম পুৰাণত ভগৱানে কূৰ্ম ৰূপ লৈ অৱতাৰ লোৱাৰ কথা বৰ্ণোৱা হৈছে। ই শৈৱ শ্ৰেণীৰ অৰ্থাৎ তামস্ পুৰাণ। সেইবাবে শিৱই এই পুৰাণত প্ৰাধান্য বিস্তাৰ কৰিছে। এই পুৰাণখনিতো দুটা ভাগ- পূৰ্বখণ্ড আৰু উত্তৰখণ্ড। পূৰ্বখণ্ডত সৃষ্টিৰ বৰ্ণনা, বিষ্ণুৰ অৱতাৰ, চন্দ্ৰ-সূৰ্য বংশৰ ৰজা আৰু তেওঁলোকৰ কাৰ্যাৱলী শ্ৰীকৃষ্ণৰ জন্মলৈকে

আলোচিত হৈছে। উত্তৰখণ্ডটো গীতা আৰু ব্যাসগীতাৰ দাৰ্শনিক তত্ত্বপূৰ্ণ কথাৰে পৰিপূৰ্ণ। এই পুৰাণৰ মতে, সংহিতা চাৰি প্ৰকাৰ-ব্ৰাহ্মী, ভাগৱতী, সৌৰী আৰু বৈষ্ণৱী। এই সংহিতাসমূহে ধৰ্ম, অৰ্থ, কাম, মোক্ষ প্ৰদান কৰে। তামস্ পুৰাণ বাবে কূৰ্ম পুৰাণত শিৱৰ অৱতাৰ, যোগ বিষয়ক জ্ঞান, কাশী বাৰানসীৰ কাহিনী আদিৰ বিস্তৃত বৰ্ণনা আছে।

১৬) *মৎস্য পুৰাণ ঃ* চৈধ্যহেজাৰ শ্লোকযুক্ত মৎস্য পুৰাণ ২৯০ টা অধ্যায়ৰ সমষ্টি। এই পুৰাণত বিষ্ণুৰ মৎস্য অৱতাৰৰ কথা বৰ্ণোৱা হৈছে। পৃথিৱী প্লাৱিত হোৱাত বিষ্ণুই মৎস্যৰূপ ধাৰণ কৰি নৌকাৰূঢ় মনুক উদ্ধাৰ কৰি হিমালয়ৰ উচ্চতম শৃংগত নৌকাবন্ধন কৰি ৰক্ষা কৰে। এই কাহিনীৰ আলমতেই মৎস্য পুৰাণৰ কাহিনী আৰম্ভ হৈছে। মনু আৰু মৎস্যৰ কথোপকথনেই এই পুৰাণৰ বিষয়বস্তু। মনুৱে যি সুধিছিল মৎস্য অৰ্থাৎ বিষ্ণুৱে তাৰ উত্তৰ প্ৰদান কৰিছে। এই প্ৰশ্নোত্তৰেই মৎস্যপুৰাণ। সৃষ্টিকৰ্তাই কিদৰে প্ৰাণী আৰু অপ্ৰাণী সম্বলিত ত্ৰিভূৱন সৃষ্টি কৰিলে, বিষ্ণুৱে মৎস্য অৱতাৰ কিয় ধাৰণ কৰিলে, শিৱই কিয় ভৈৰৱ ৰূপ ধাৰণ কৰিলে এই তিনি প্ৰশ্নৰ মীমাংশাই মৎস্যপুৰাণৰ মূল আলোচ্য বিষয়। মৎস্য পুৰাণত বিশ্ব ব্ৰহ্মাণ্ডৰ বিতং বৰ্ণনা, ত্ৰিপুৰাসুৰৰ ধ্বংস, তাৰকৰ লগত দৈত্যৰ যুদ্ধ, কাৰ্ত্তিকৰ জন্ম, উমাৰ জন্ম আৰু বিবাহ, কামদেৱৰ ভস্ম, অৱতাৰসমূহৰ বৰ্ণনা, নৰ্মদা নদীৰ মাহাত্ম্য আদিৰ উপৰিও ব্ৰত-দান-দক্ষিণা আদি কাহিনীৰ বৰ্ণনা পোৱা যায়।

১৭) *গৰুড় পুৰাণ ঃ* ঊনৈশ হেজাৰ শ্লোকৰ সমষ্টি গৰুড় পুৰাণত গৰুড়ৰ জন্ম কাহিনী বৰ্ণনা কৰা হৈছে। ইয়াত বক্তা স্বয়ং ব্ৰহ্মা আৰু শ্ৰোতা স্বৰ্গাধিপতি ইন্দ্ৰ। সৃষ্টিৰ বৰ্ণনা এই পুৰাণত সীমিত। তাৰ পৰিৱৰ্তে ব্ৰত, ধৰ্মীয় কৰ্তব্য, পবিত্ৰ তীৰ্থস্থান, সূৰ্য, শিৱ, বিষ্ণু পূজাৰ পদ্ধতি সম্পৰ্কে বৰ্ণনা পোৱা যায়। সামানুপাতিকভাৱে জ্যোতিষ, হস্তবিদ্যা, ব্যাকৰণ, ঔষধ, প্ৰেতকল্পৰ শ্ৰাদ্ধ আদি বিষয়বস্তুসমূহেও স্থান পাইছে।

১৮) *ব্ৰহ্মাণ্ড পুৰাণ ঃ* ব্ৰহ্মাণ্ড পুৰাণত বাৰ হেজাৰ শ্লোক আছে। এই পুৰাণ ব্ৰহ্মাই বৰ্ণনা কৰিছে। সেইবাবে ব্ৰহ্মাৰ অন্তৰৰ কথা ইয়াত বৰ্ণিত হৈছে। ব্ৰহ্মাণ্ড পুৰাণত ভৱিষ্যৎ কল্প আৰু বিভিন্ন মাহাত্ম্যৰ বিৱৰণ পোৱা যায়। তদুপৰি অগস্ত্য মুনিৰ কাঞ্চি যাত্ৰা, বিষ্ণুৰ হয়গ্ৰীৱ ৰূপ, দুৰ্গাৰ ললিতা ৰূপ, ভাণ্ডাসুৰ বধ আদি কাহিনীও এই পুৰাণে সামৰি লৈছে।

### ৩.৭.২ উপ-পুৰাণৰ পৰিচয়

ইতিমধ্যে আলোচনা কৰি অহা ওঠৰখন মহাপুৰাণৰ উপৰিও আৰু অনেক পুৰাণৰ নাম পোৱা যায়। 'দেৱী-ভাগৱত'ত এনেধৰণৰ পুৰাণসমূহক উপ-পুৰাণ আখ্যা দিয়া হৈছে। এই উপপুৰাণৰ সংখ্যাও ওঠৰখন। 'দেৱী-ভাগৱত'ত সন্নিবিষ্ট পুৰাণকেইখনৰ নাম এনেধৰণৰ,— ১) *সনৎকুমাৰ,* ২) *নাৰসিংহ,* ৩) *নাৰদীয়,* ৪) *শিৱ,* ৫) *দৌৰ্বাসম,* ৬) *কপিল,* ৭) *মানৱ,* ৮) *ঔশনস,* ৯) *বৰুণ,* ১০) *কালিকা,* ১১) *সাম্ব,* ১২) *নন্দিকৃত,* ১৩) *সৌৰ,* ১৪) *পৰাশৰ,* ১৫) *আদিত্য,* ১৬) *মহেশ্বৰ,* ১৭) *ভাগৱত আৰু* ১৮) *বশিষ্ঠ।*

এইখিনিতে উল্লেখযোগ্য যে, উপপুৰাণ প্ৰসঙ্গত 'দেৱী-ভাগৱত'ৰ তালিকা 'গৰুড় পুৰাণৰ' তালিকাতকৈ কিছু পৃথক। ওপৰত উল্লেখ কৰি অহা দেৱী ভাগৱতৰ 'শিৱ', 'মানৱ', 'আদিত্য', 'ভাগৱত' আৰু 'বশিষ্ঠ' পুৰাণৰ ঠাইত 'স্কন্দ', 'বামন', 'ব্ৰহ্মাণ্ড', 'মৰীচ' আৰু 'ভাৰ্গৱ' পুৰাণৰ নামহে পোৱা যায়। আনহাতে, দেৱী ভাগৱতে উল্লেখ কৰা আৰু কেইবাখনো উপপুৰাণৰ নাম মহাপুৰাণতেই পোৱা যায়। সেইবাবে মহাপুৰাণ আৰু উপপুৰাণৰ তালিকা দুখনিৰ মাজত অস্পষ্টতা আছে।

মহাপুৰাণৰ দৰে উপপুৰাণৰ সংখ্যা যদিও ওঠৰখন বুলি কোৱা হয়, বাস্তৱক্ষেত্ৰত আৰু কেইখনমান পুৰাণৰ অস্তিত্ব পোৱা যায়। মহাপুৰাণ আৰু উপপুৰাণে সামৰি নোলোৱা তেনেকুৱা কেইখনমান পুৰাণ হ'ল- *কৌৰ্ম, আদি, মুদ্‌গল, কল্কি,দেবী, মহাভাগৱত, ব্ৰহদ্দৰ্ম, পৰানন্দ, পশুপতি, হৰিবংশ, বৃহন্নাৰদীয়, আশ্চৰ্য, গনেশ, লক্ষ্মী, সৰ্গ-পুৰাণ* আদি। এনেদৰে আলোচনা কৰিলে দেখা যায় যে, মুঠ পুৰাণৰ সংখ্যা আঢ়ৈ কুৰিতকৈও অধিক। উপপুৰাণসমূহৰ কোনো প্ৰামাণিক তথ্য নথকাৰ বাবে আৰু পুৰাণৰ ভিন্নমুখী গণনাৰ বাবে ইয়াৰ প্ৰকৃত সংখ্যা নিৰ্দ্ধাৰণ কৰা কঠিন।

পণ্ডিতসকলৰ মতে উপপুৰাণসমূহ মহাপুৰাণৰ পিছত ৰচিত। সেইবাবেই বোধকৰো 'উপ' অৰ্থাৎ 'অপ্ৰধান' বুলি গণ্য কৰি এই শ্ৰেণী পুৰাণক বিশেষ মূল্য দিয়া যেন নালাগে। কিন্তু মৌলিকতা আৰু প্ৰাচীনতাৰ ফালৰপৰা মহাপুৰাণতকৈ উপপুৰাণৰ মহত্ব কোনো গুণে হীন নহয়। গুপ্তযুগৰ আগৰপৰা ভাৰতবৰ্ষৰ নানা কথা এই পুৰাণসমূহত লিপিবদ্ধ আছে, যিবোৰ আন কোনো গ্ৰন্থত পোৱা নাযায়। কিছুমান এই বুলিও ক'ব খোজে যে, এই উপপুৰাণসমূহৰ ভিতৰত কেইখনমান মহাপুৰাণতকৈও প্ৰাচীন আৰু ইয়াৰ বুকুত এনে তথ্য ৰৈ আছে যিয়ে মহাপুৰাণতকৈও প্ৰাচীনত্বৰ ইঙ্গিত বহন কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

প্ৰশ্ন ঃ মহাপুৰাণ কেইখন? ইয়াৰ বিষয়বস্তু কি কি? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....................................................................
.....................................................................
.....................................................................

## ৩.৮ সাৰাংশ (Summing up)

প্ৰাচীন ভাৰতীয় সাহিত্যসমূহৰ ভিতৰত পুৰাণ অন্যতম। বেদৰ পিছতে পুৰাণসমূহে স্থান লাভ কৰিছে। 'পুৰাণ' শব্দটোৰ অৰ্থ হৈছে 'আদিম আখ্যান' বা 'পুৰণি কাহিনী'। অৰ্থাৎ পুৰাণসমূহ হ'ল প্ৰাচীন আখ্যানযুক্ত একশ্ৰেণী গ্ৰন্থ। এই পুৰাণসমূহ সংস্কৃত ভাষাত ৰচিত হৈছিল। বেদৰ জটিল ভাষা আৰু আধ্যাত্মিক চিন্তাৰ উচ্চতাৰ বাবে সৰ্বসাধাৰণ মানুহে ইয়াৰ ওচৰ চাপিব পৰা নাছিল। সেইবাবে পৰৱৰ্তীকালত বেদত বিষয়বস্তু আৰু ভাষা সহজ সৰল কৰি আন একশ্ৰেণী সাহিত্যৰ সৃষ্টি হয়, তাৰেই নাম পুৰাণ। ভাৰতীয় সাহিত্য, সংস্কৃতি, ধৰ্ম, দৰ্শন এই সকলোবোৰৰে মূল আধাৰ হ'ল পুৰাণসমূহ। বহুতৰ মতে এই পুৰাণসমূহ হ'ল ব্ৰহ্মাৰ মুখৰ বাণী। আন কিছুমানৰ মতে পুৰাণৰ কাহিনীসমূহ ৰচনা কৰে ভগৱান বেদব্যাসে। খ্ৰীষ্টপূৰ্ব চতুৰ্থ বা পঞ্চম শতিকাৰ পৰা খ্ৰীষ্টিয় দশম শতিকাৰ ভিতৰত এই পুৰাণসমূহ সম্পূৰ্ণৰূপে লিপিবদ্ধ হৈছিল। পুৰাণ হ'বলৈ হ'লে তাৰ কিছুমানে নিৰ্দিষ্ট লক্ষণ বা বৈশিষ্ট্য থাকিব লাগিব। 'বিষ্ণু পুৰাণে' এই প্ৰসঙ্গত পাঁচটা লক্ষণ নিদ্ধাৰণ কৰি দিছে। কিন্তু 'ভাগৱত পুৰাণ'ৰ মতে পুৰাণ হ'বলৈ হ'লে দহটা লক্ষণ থাকিব লাগিব। সেইবাবে দহটা লক্ষণ থকা পুৰাণসমূহক মহাপুৰাণ আৰু পাঁচটা লক্ষণ কথা পুৰাণসমূহক উপ-পুৰাণ বুলি আখ্যা দিয়া হয়। মহাপুৰাণৰ সংখ্যা ওঠৰখন তেনেদৰে উপপুৰাণৰ সংখ্যাও ওঠৰখন।

## ৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১) পুৰাণ কাক বোলে? 'পুৰাণ' সম্পৰ্কে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰক।

২) পুৰাণ আৰু ইতিহাসৰ মাজত সম্পৰ্ক কেনেধৰণৰ বিচাৰ কৰক।

৩) পুৰাণৰ লক্ষণসমূহ কি কি? প্ৰতিটো লক্ষণৰ বিষয়ে চমুকৈ আলোচনা কৰক।

৪) ভাৰতীয় সাহিত্য সভ্যতা-সংস্কৃতিত পুৰাণৰ স্থান নিৰ্ণয় কৰক।

৫) পুৰাণৰ সংখ্যা নিৰ্ণয় কৰি মহাপুৰাণকেইখনিৰ বিষয়ে এটি চমু আভাস দাঙি ধৰক।

## ৩.১০ প্ৰসঙ্গ-গ্ৰন্থ (References/Suggested Readings)


১) ধৰণীধৰ চৌধুৰী ঃ *পুৰাণ প্ৰভা*

২) হৰমোহন দেৱগোস্বামী ঃ *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*

৩) ৰবিচন্দ্ৰ বৰ্মন (সম্পা.) ঃ *বিষ্ণুপুৰাণ*

৪) নিৰ্মলপ্ৰভা বৰদলৈ ঃ *শিৱ*

৫) নিৰ্মলপ্ৰভা বৰদলৈ ঃ *দেৱী*

৬) তমোনাশ চন্দ্ৰ দাসগুপ্তা ঃ *পদ্মপুৰাণ*

৭) নবীনচন্দ্ৰ শৰ্মা (সম্পা.) ঃ *শিৱপুৰাণ*

৮) হৰিনাথ শৰ্মা দলৈ ঃ *শক্তি সাধনা আৰু শক্তি সাহিত্য*

৯) বিমল মজুমদাৰ ঃ *পুৰাণৰ পৰিচয়*


* * *

## দ্বিতীয় খণ্ড

# অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্য

ভক্তি সাহিত্য বিষয়ক এই কাকতখনৰ প্ৰথম খণ্ডটিত ভক্তিৰ স্বৰূপ, সংজ্ঞা আৰু ধাৰণা, ভক্তি জাগৰণৰ পটভূমি আৰু বৈশিষ্ট্য আৰু ভক্তিতত্ত্ব প্ৰকাশক পুৰাণৰ বিষয়ে বিশ্লেষণ কৰি অহা হৈছে। এই খণ্ডটিত অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ সাধাৰণ আভাস দাঙি ধৰাৰ লগতে অসমীয়া বৈষ্ণৱ সাহিত্যৰ দুখন মহত্ত্বপূৰ্ণ গ্ৰন্থ শংকৰদেৱৰ *ভক্তি-প্ৰদীপ* আৰু মাধৱদেৱৰ *ভক্তি-ৰত্নাৱলী*-ৰ পৰ্যালোচনা দাঙি ধৰা হ'ব। আলোচনাৰ সুবিধাৰ্থে এই খণ্ডটিক তিনিটা বিভাগত বিভক্ত কৰি লোৱা হৈছে—

| | | |
|---|---|---|
| **প্ৰথম বিভাগ** | ঃ | অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ সাধাৰণ আভাস (শংকৰদেৱৰ পৰা উত্তৰ বৈষ্ণৱ যুগলৈ) |
| **দ্বিতীয় বিভাগ** | ঃ | শংকৰদেৱৰ 'ভক্তি-প্ৰদীপ' |
| **তৃতীয় বিভাগ** | ঃ | মাধৱদেৱৰ 'ভক্তি-ৰত্নাৱলী' |

**প্ৰথম বিভাগ**ত শংকৰদেৱৰ পৰা উত্তৰ বৈষ্ণৱ যুগলৈ অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ সাধাৰণ পৰিচয় জ্ঞাপন কৰা হৈছে। এই বিভাগত আলোচিত দিশবোৰ হ'ল অসমীয়া ভক্তি সাহিত্যৰ পটভূমি, স্বৰূপ, শ্ৰেণীবিভাজন, বৈশিষ্ট্য ইত্যাদি।

**দ্বিতীয় বিভাগ**ত শংকৰদেৱৰ *ভক্তি-প্ৰদীপ* গ্ৰন্থখনৰ পৰ্যালোচনা আগবঢ়োৱা হৈছে। শংকৰদেৱৰ ভক্তিমূলক ৰচনা, শংকৰদেৱৰ ভক্তি ধৰ্মৰ বৈশিষ্ট্য, *ভক্তি-প্ৰদীপ* গ্ৰন্থখনৰ বিষয়বস্তু, মূল আৰু মৌলিকতা, দৰ্শন আদি দিশসমূহ এই বিভাগৰ আলোচনাত সামৰি লোৱা হৈছে।

**তৃতীয় বিভাগ**ৰ বিষয়বস্তু হ'ল মাধৱদেৱৰ *ভক্তি-ৰত্নাৱলী*। বিভাগটিৰ আৰম্ভনিতে অতি সংক্ষেপে মাধৱদেৱৰ ৰচনাৱলীৰ পৰিচয় জ্ঞাপন কৰি ভক্তি-ৰত্নাৱলী নামৰ তাৎপৰ্য, গ্ৰন্থখন প্ৰাপ্তিৰ কাহিনী, মূল, বিৰচনসমূহৰ পৰিচয়, অনুবাদ-ৰীতি আৰু মৌলিকতা, সামাজিক মূল্য আদি শিতানসমূহ আলোচনা কৰা হৈছে।

## প্ৰথম বিভাগ

# অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ সাধাৰণ আভাস

### (শংকৰদেৱৰ পৰা উত্তৰ বৈষ্ণৱ যুগলৈ)

**বিভাগৰ গঠন**


১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ পটভূমি
১.৪ অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ স্বৰূপ
১.৫ ভক্তি সাহিত্যৰ শ্ৰেণী বিভাগ
১.৫.১ কাব্য
১.৫.২ গীত
১.৫.৩ নাট
১.৫.৪ অনুবাদ
১.৫.৫ চৰিতপুথি
১.৫.৬ গদ্য
১.৫.৬ অন্যান্য ধৰ্মতত্ত্ব সম্পৰ্কীয় গ্ৰন্থ
১.৬ ভক্তি সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য
১.৭ সাৰাংশ (Summing Up)
১.৮ আৰ্হি প্ৰশ্ন (Sample Question)
১.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


## ১.১ ভূমিকা (Introduction)

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ হাততেই অসমীয়া সাহিত্যই এক নিৰ্দিষ্ট ৰূপ পৰিগ্ৰাহ কৰাৰ লগতে সুউচ্চ স্থানত উপবিষ্ট হৈছিল। মহাপুৰুষজনাই খৃঃ পঞ্চদশ ষোড়শ শতিকাৰ সময়ছোৱাত সৌমাৰ, কামৰূপ আৰু কমতাত নব্য প্ৰতিষ্ঠিত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে আহোপুৰুষাৰ্থ কৰিছিল। বিবিধ কাব্য, নাট্য-গীত ৰচনা কৰি ধৰ্ম প্ৰচাৰত প্ৰবৃত হোৱাৰ লগতে অসমীয়া সাহিত্যৰ ভঁৰালো বিবিধ উপাচাৰেৰে ভৰাই তুলিলে। এই নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ বাবে ৰচিত সাহিত্যৰাজিয়ে জনসাধাৰণৰ মনত সেই শতিকাৰে পৰা বৰ্তমান কাললৈকে ৰেখাপাত কৰি থকাৰ লগতে দিগ্‌দৰ্শনো কৰাইছে। এই ক্ষেত্ৰত তেওঁৰ প্ৰধান সহযোগী আছিল 'বৰাৰ পো' মাধৱদেৱ। মাধৱদেৱৰ লগতে তেওঁৰ সমসাময়িক বয়োকণিষ্ঠ অনুৰাগীসকলেও একে আদৰ্শেৰে সাহিত্য ৰচনা কৰাত হাত উজান দিছিল। পৰিশেষত সেই সময়ছোৱাত অসমীয়া সাহিত্য হৈ পৰিছিল ফলে-ফুলে জতিষ্কাৰ। ধৰ্ম প্ৰচাৰ কৰাৰ কাৰণে ৰচিত হ'লেও এই সাহিত্যৰাজিৰ ঐতিহাসিক গুৰুত্ব অপৰিসীম। শ্ৰীকৃষ্ণৰ মহিমা প্ৰচাৰ কৰি সৰ্বসাধাৰণ ৰাইজক তেওঁৰ ভক্তিত নিমজ্জিত কৰাৰ উদ্দেশ্যে ৰচিত হোৱা সাহিত্যৰাজিক 'ভক্তি সাহিত্য' বুলি অভিহিত কৰা হয়।

অসমীয়া 'ভক্তি সাহিত্য'ৰ সৃষ্টিৰ পটভূমি বিচাৰ কৰিবলৈ হ'লে আমি সেইসময়ত সৰ্বভাৰতত সৃষ্টি হোৱা ভক্তিজাগৰণৰ পটভূমিও বিচাৰ কৰিব লাগিব। এই বিভাগটিত

সেইসম্পৰ্কেও আলোচনা সন্নিবিষ্ট হৈছে। শংকৰদেৱৰ পৰৱৰ্তীকালত তেওঁৰ অনুগামী শিষ্য-প্ৰশিষ্য সকলেও এই ধাৰা অব্যাহত ৰাখিছিল। আমাৰ এই আলোচ্য বিভাগটিত আপুনি শংকৰদেৱৰ পৰা আৰম্ভ কৰি শংকৰোত্তৰ কালৰ ভক্তি সাহিত্যৰাজিৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপুনি

- অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ পটভূমি সম্পৰ্কে ধাৰণা লাভ কৰিব;
- অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ স্বৰূপ উপলব্ধি কৰিব;
- অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ শ্ৰেণী বিভাগসমূহ জানিব পাৰিব;
- প্ৰতিটো বিভাগৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব; আৰু
- অসমীয়া ভক্তি সাহিত্যৰ বৈশিষ্ট্যসমূহৰ বিষয়ে পৰ্যালোচনা আগবঢ়াব পাৰিব।

## ১.৩ অসমীয়া ভক্তি সাহিত্যৰ পটভূমি

অসমীয়া ভক্তি সাহিত্যৰ পাটভূমি বিচাৰ কৰিবলৈ হ'লে আমি সৰ্বভাৰতীয় ভক্তিজাগৰণৰ কথাখিনিও আমাৰ বিচাৰৰ আঁওতালৈ আনিব লাগিব। ভাৰতীয় ভক্তিজাগৰণৰ কাৰক তথা ইয়াৰ সামাজিক আৰু সাংস্কৃতিক স্বৰূপ, সৃষ্টি আদি দিশবোৰ অনুধাবন কৰিব পাৰিলেহে আমাৰ অধ্যয়ন সম্পূৰ্ণ হ'ব।

খৃষ্টপূৰ্ব কেইবাশতিকা আগৰে পৰা বিভিন্ন সময়ৰ নানা সাহিত্যৰাজি, প্ৰত্ন লিপি, শিলালিপি, বেদ-বেদাংগ আদি বিবিধ শাস্ত্ৰসমূহত বিষ্ণু-নাৰায়ণ তথা বৈষ্ণৱ সম্প্ৰদায়ৰ উল্লেখ পাওঁ। খৃঃ সপ্তম-দশম শতিকাত দক্ষিণ ভাৰতৰ তামিল 'আলৱাৰ' ভক্তসকলে তামিল ভাষাত 'হেজাৰ গীত'ৰ দৰে উচ্ছাসপূৰ্ণ ভক্তিমূলক গীত ৰচনা কৰি বৈষ্ণৱ জাগৰণৰ বীজ ৰোপন কৰে। যমুনাচাৰ্য, ৰামাণুজ আদি বৈষ্ণৱ সাধকসকলে পৰৱৰ্তী কালত ভক্তিক দাৰ্শনিক ভেটিত স্থাপন কৰি ভক্তি আন্দোলনৰ সূত্ৰপাত কৰে। ৰামাণুজচাৰ্যাই বিশিষ্টা দ্বৈতাবাদ, মধ্বাচাৰ্যই দ্বৈতবাদ প্ৰতিষ্ঠা কৰে। মহাৰাষ্ট্ৰতো জ্ঞানদেৱ আৰু নামদেৱে এই আন্দোলনৰ গুৰি ধৰে। এনেদৰে দ্বাদশ-চতুদৰ্শ শতিকাৰ ভিতৰত আন্দোলনে দক্ষিণ আৰু পশ্চিম ভাৰতত প্ৰসাৰ আৰু প্ৰতিপত্তি লাভ কৰে। চতুদৰ্শ-পঞ্চদশ শতিকাতহে উত্তৰ ভাৰতৰ ফালে এই জাগৰণে প্ৰসাৰ লাভ কৰে। ৰামানন্দ, কবীৰ, বল্লভাচাৰ্য আদি সন্ত-সাধকসকলে তেওঁলোকৰ শিষ্য-প্ৰশিষ্যসকলৰ যোগেদি এই জাগৰণ তীব্ৰতৰ কৰি তোলাৰ লগতে ব্যাপক ৰূপ দান কৰে। এই আন্দোলন সৃষ্টি হোৱাৰ আঁৰত কিছুমান ৰাজনৈতিক আৰু সামাজিক কাৰকেও ক্ৰিয়া কৰিছিল। যথা—

(ক) নব্যভাৰতীয় আৰ্যভাষাসমূহৰ স্বকীয় ৰূপ লাভ।

(খ) সংস্কৃত সাহিত্য ৰাজি স্থানীয় ভাষালৈ অনুবাদ।

(গ) একেশ্বৰবাদৰ পুনৰ প্ৰতিষ্ঠা। বৈষ্ণৱ ভক্তি মাৰ্গৰ সহায়েৰে ঐকান্তিক ভক্তিৰ আদৰ্শৰ প্ৰসাৰ তথা প্ৰচাৰ।

(ঘ) ভক্তিমাৰ্গৰ প্ৰাধান্য দি ৰচিত পুথিৰ প্ৰসাৰ।

(ঙ) প্ৰান্তীয় ভাষাত সাধন প্ৰণালীৰ অনুশীলন।

(চ) ধৰ্মসংস্কাৰকামী সকলে ভক্তিমাৰ্গৰ সংস্কাৰ সাধন কৰি সমাজৰ সকলো শ্ৰেণীৰ লোকক আত্মিক বিকাশৰ বাবে সুবিধা প্ৰদান।

এনেদৰে বিভিন্ন সামাজিক ৰাজনৈতিক কাৰণতে ভক্তি জাগৰণৰ সৃষ্টি হ'ল। উল্লেখ্য যে এই জাগৰণৰ ফলত প্ৰান্তীয় ভাষাসমূহত বিবিধ সাহিত্য ৰাজিৰ ৰচনা হ'বলৈ ধৰিলে।

অসমো এই ক্ষেত্ৰত পিছ পৰি নাথাকিল। শ্ৰীমন্ত শংকৰদেৱে হাতত আঁৰিয়া ধৰি বিবিধ সাহিত্য ৰচনাৰে অসমত নৱ বৈষ্ণৱ ধৰ্ম প্ৰবৰ্তন কৰিবলৈ সাহিত্য ৰচনাত ব্ৰতী হ'ল। অসমতো বিষ্ণু উপসনা বা বৈষ্ণৱ ধৰ্মৰ বীজ খৃঃ শতাব্দিৰ আদি ভাগতে ৰোপিত হৈছিল। নিধানপুৰ তামৰ ফলি, পুষ্যবৰ্মনৰ ডুবি তামৰ ফলি, ধৰ্মপালৰ পুষ্পভদ্ৰা শাসন আদিয়ে ইয়াৰ সাক্ষ্য বহন কৰে। প্ৰাক্-শংকৰী যুগৰ কবিকূলৰ ৰচনাতো বিভিন্ন ৰূপত বিষ্ণু মাহাত্ম্য বৰ্ণিত হৈছে। কিন্তু এক জাগৰণৰ বাবে যিমানখিনি প্ৰয়োজন সেয়া হোৱা নাছিল। শংকৰদেৱৰ হাততে এই জাগৰণে প্ৰতিষ্ঠা লাভ কৰি পূৰ্বৰ বৈষ্ণৱ পৰম্পৰাৰ পৰা স্বতন্ত্ৰ বিশিষ্টতা প্ৰদান কৰি এক সাৰ্বজনীন ভেটি নিৰ্মাণ কৰে।

শংকৰদেৱে জীৱনৰ আদি কালতে বাৰ বছৰ কাল ভাৰতৰ বিভিন্ন তীৰ্থ, ধৰ্মস্থান, মঠ-মন্দিৰ ভ্ৰমণ কৰি সেইসময়ৰ বিশিষ্ট ধৰ্ম সাধকসকলৰ চিন্তাধাৰাৰ সৈতে পৰিচিত হৈছিল। এইবোৰেও তেওঁক প্ৰভাৱিত কৰে। তীৰ্থ ভ্ৰমণৰ পৰা উভতি আহি নিজৰ দেশ, কাল আৰু পাত্ৰৰ উপযোগীকৈ বিভিন্ন পুথি-পাজি, কাব্য-নাট ৰচনা তথা বিবিধ কাব্য অনুবাদ কৰি একশৰণ নাম ধৰ্ম প্ৰৱৰ্তন কৰে। সমাজৰ সকলো শ্ৰেণীৰ লোকৰে সম অধিকাৰ থকা গণতান্ত্ৰিক চেতনাৰে কৃষ্ণভক্তিত উদ্বুদ্ধ কৰি তুলিবলৈ শংকৰদেৱ আৰু তেওঁৰ অনুগামী শিষ্য-প্ৰশিষ্যসকলে যিবোৰ সাহিত্যৰচনা কৰিলে সেয়া অসমীয়া সাহিত্যৰ অমূল্য সম্পদ ৰূপে পৰিগণিত হ'ল। সেয়ে সাহিত্যৰ ইতিহাসকাৰসকলে সেই সময়ছোৱাক অসমীয়া সাহিত্য স্বৰ্ণযুগ বুলি অভিহিত কৰিছে। শংকৰদেৱে ধৰ্ম প্ৰচাৰ কৰাৰ ক্ষেত্ৰত অসমৰ সামাজিক আৰু ৰাজনৈতিক পৰিবেশেও সহায় কৰিছিল। সেইসময়ত পূবে আহোম আৰু পশ্চিমে কোচসকলে অসম শাসন কৰিছিল। আহোমসকল তেতিয়াও হিন্দুধৰ্মত দীক্ষিত হোৱা নাছিল। আহোম সকলে তেওঁলোকৰ ৰাজ্যপৰিচালনাৰ বাবে প্ৰজাসকলৰ ওপৰত বিবিধ শাসন প্ৰচলন কৰিছিল। কড়ীপাইক, বহতীয়া, লিকচৌ আদি নীতি-নিয়মেৰে প্ৰজাসকলক শোষণ কৰিছিল। ফলত আহোম ৰাজ্যত সাধাৰণ প্ৰজাসকলৰ সামাজিক মৰ্যাদা হে পৰিছিল অতিকৈ নিম্ন। সেই অৱস্থাৰ পৰা তেওঁলোকে পৰিত্ৰাণ বিচাৰিছিল। সেইসময়তে শংকৰদেৱ প্ৰৱৰ্তিত ধৰ্মীয় মতত সমমৰ্যাদাৰ ধ্বনিয়ে সকলোকে আকৃষ্ট কৰে। অন্ততঃ তেওঁলোকৰ ধৰ্মীয় মৰ্যাদাই মনৰ ক্ষোভ অলপ হ'লেও কমাই তুলিছিল। আনহাতে অসমত বসবাস কৰা বিভিন্ন জাতি উপজাতিৰ মাজত সম্প্ৰীতিৰ অভাব আছিল অতিকৈ বেছি। নৱ বৈষ্ণৱ ধৰ্মৰ সমঅধিকাৰে সকলোকে একগোট কৰি সম্প্ৰীতিৰ ডোলেৰে বান্ধ খোৱাত যোগসূত্ৰ হিচাপে কাম কৰে।

এনেদৰে ৰাজনৈতিক আৰু সামাজিক কাৰকে অসমতো ভক্তি জাগৰণৰ সৃষ্টি কৰে। ফলত এই একেই উদ্দেশ্যেৰে ৰচিত বিবিধ সাহিত্যকৰ্ম মানুহৰ বুকুৰ আপোন হিচাপে চিহ্নিত হয়।

**আত্মমূল্যয়ন প্ৰশ্ন**

অসমীয়া ভক্তি সাহিত্যৰ পটভূমি সম্পৰ্কে এটি টোকা লিখক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

......................................................................................

......................................................................................

......................................................................................

## ১.৪ অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ স্বৰূপ

প্ৰধানতঃ এই সময়ৰ সাহিত্যৰাজি ৰচনা কৰা হৈছিল নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰাৰ্থে। ধৰ্মীয় তত্ত্বৰ জটিল কথাবোৰ জনসাধাৰণৰ সহজে বোধগম্য হোৱাকৈ, শ্ৰৱণ-কীৰ্তনৰ সহায়ক হোৱাকৈ ৰচনা কৰা হৈছিল। এক আদৰ্শবাদী ধাৰাৰ প্ৰাধান্য এই সাহিত্যৰাজিত সততে লক্ষ্য কৰা যায়। পুৰাণসূৰ্য ভাগৱতকে আদি কৰি বিভিন্ন বৈষ্ণৱ শাস্ত্ৰসমূহ মাতৃভাষালৈ অনুবাদ কৰি তাত গুঢ় তত্ত্বসমূহ জনসাধাৰণক সহজে বোধগম্য কৰি তুলিবলৈ সাহিত্যিকসকল আছিল সততে যত্নপৰ। সেয়ে এই সাহিত্যৰাজি কেৱল অনুবাদেই হৈ পৰা নাছিল; হৈ পৰিছিল অসমীয়া মাটি-পানীৰ গোন্ধেৰে সজীৱ আৰু জীপাল। স্থানীয় ৰহনসানি ৰচনা কৰাৰ বাবে এই সাহিত্যৰাজিয়ে নতুন ৰূপ পৰিগ্ৰহ কৰাৰ লগতে জনসাধাৰণক সহজে আকৰ্ষিত কৰিছিল।

ভক্তি জাগৰণৰ পটভূমিৰ প্ৰসংগত আমি আগতেও উল্লেখ কৰিছো যে সেই সময়ত প্ৰান্তীয় ভাষাত কাব্য-গীত ৰচনাত অধিক মনোনিবেশ কৰা হৈছিল। একেদৰে অসমীয়া সাহিত্যতো এই সময়তে স্বৰ্ণযুগৰ সূচনা হয়। গুণগত বা সংখ্যাগত দুয়ো দিশত এই সময়ৰ সাহিত্যৰাজিয়ে এক ব্যাপক সৌধ নিৰ্মাণ কৰিলে। শংকৰদেৱকে কেন্দ্ৰ হিচাপে লৈ তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱ প্ৰমুখ্যে অনন্ত কন্দলী, ৰাম সৰস্বতী, কংসাৰি কায়স্থ, সাৰ্বভৌম ভট্টাচাৰ্য, শ্ৰীধৰ কন্দলী, ৰত্নাকৰ কন্দলী, ৰত্নাকৰ মিশ্ৰ, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, গোপালচৰণ দ্বিজ, গোপাল আতা, ভাগৱত আচাৰ্য, বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য আদিয়ে সাহিত্য ৰচনাত ব্ৰতী হৈছিল। এই ভক্তিপ্ৰাণ কবিসকলে সাহিত্যৰ গোটেই কেইটা আংগিকৰে সাহিত্য ৰচনা কৰি, বিভিন্ন পুথি অনুবাদ কৰি পঞ্চদশ শতিকাৰ পৰা সপ্তদশ শতিকালৈ অসমীয়া সাহিত্যক বৰ্ণময় কৰি তোলে।

বৈষ্ণৱ কবিসকল আছিল স্বভাৱজাত কবি, প্ৰখৰ ধীসম্পন্ন স্ৰষ্টা। কিন্তু তেওঁলোকৰ সাহিত্যৰাজিৰ মাজত প্ৰচন্ন হৈ আছিল নৱবৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ তথা কৃষ্ণমাহাত্ম্য প্ৰচাৰৰ মনোভাৱ। তেওঁলোকে সাহিত্যৰ মাজেদি ৰস সৃষ্টি কৰিছে যদিও সেয়া ভক্তিৰসৰ অমৃতভাণ্ডত বিলীন হৈ গৈছে তদুপৰি অন্তঃ সলিলা ফল্গুৰ দৰে সকলোৰে অন্তৰালত আছে কৃষ্ণৰতি। ভক্তি সাধনেৰে মোক্ষপ্ৰাপ্তিৰ পৰিৱৰ্তে ভক্তিৰসৰ প্ৰবাহত নিমজ্জিত হৈ সাধুসংগৰ সুখ অনুভৱ কৰিব বিচাৰে। সেয়েহে মাধৱদেৱে *'মুক্তিত নিস্পৃহ যিটো/ সেহি ভকতকো নমো'* বুলি মন্তব্য আগবঢ়াইছে। ঠিক সেইদৰে বিবিধ নাট্যৰ মাজেদি ভগৱন্তৰ লীলা দৰ্শন কৰি ভক্তিত সকলোকে নিমজ্জিত কৰাব বিচাৰিছিল।

শংকৰদেৱৰ দৰে তেওঁৰ উত্তৰসুৰীসকলেও *স্ত্ৰী-শূদ্ৰে-সৰ্বলোকে* ভক্তিৰ সকলো তত্ত্বকথা বুজিব পৰাকৈ সাহিত্য ৰচনা কৰাত গুৰুত্ব আৰোপ কৰিছিল। এই আদৰ্শই সমাজত সমতা অনাৰ লগতে জাতীয় সংহতিতো অৰিহণা যোগাইছে। বৈষ্ণৱ সাহিত্যৰাজিয়ে অসমত গাঁৱলীয়া নিৰক্ষৰ জনসাধাৰণক শ-শ বছৰ জুৰি অনানুষ্ঠানিকভাৱে শিক্ষা প্ৰদান কৰিও আহিছে। গাঁৱলীয়া হোজা নিৰক্ষৰ মানুহজনেও কীৰ্তন-দশমৰ পদ সলসলীয়াকৈ মাতিব পাৰে, বৰগীত গাব পাৰে, অংকীয়া নাটৰ বচন মাতিব পাৰে। এনেদৰেই এই সাহিত্যৰাজিয়ে অসমীয়া সমাজ জীৱনৰ এৰাব নোৱৰা অংগস্বৰূপ হৈ পৰিল। উল্লেখযোগ্য যে সেইসময়ত যিসকল কবিয়ে নৱবৈষ্ণৱ কবিকূলে প্ৰদৰ্শন কৰা আদৰ্শ আৰু মাৰ্গ পৰিহাৰ কৰি লৌকিকতাত গুৰুত্ব দি সাহিত্যৰচনাত ব্ৰতী হৈছিল, তেওঁলোকক হীন চকুৰে চোৱাৰ লগতে তুচ্ছ-তাচ্ছিল্যও কৰা হৈছিল।

## ১.৫ ভক্তি সাহিত্যৰ শ্ৰেণী বিভাগ

শংকৰদেৱৰ সময়ৰে পৰা উত্তৰ শংকৰীযুগলৈকে ৰচিত বিবিধ বৈষ্ণৱ সাহিত্য ৰাজিক বিভিন্ন সমালোচকে বেলেগ বেলেগ ধৰণে শ্ৰেণীবিভাজন কৰি আলোচনাত প্ৰবৃত্ত হৈছে। আমাৰ অধ্যয়নৰ সুবিধাৰ্থে তলত দিয়া ধৰণে শ্ৰেণীবিভাজন কৰা হ'ল। যথা—

(ক) কাব্য
(খ) গীত
(গ) নাট
(ঘ) অনুবাদ
(ঙ) চৰিতপুথি
(চ) গদ্য আৰু
(ছ) অন্যান্য ধৰ্মতত্ব সম্পৰ্কীয় গ্ৰন্থ

তলত এইবোৰ বিষয়ে সম্যক পৰিচয় দান কৰা হ'ব। আমি শংকৰীযুগৰ পৰা উত্তৰ শংকৰী যুগৰ সাহিত্যিকসকলৰ সাহিত্য ৰাজিৰ বিষয়ে আলোচনা কৰিম। তেওঁলোকৰ দ্বাৰা ৰচিত সাহিত্যৰাজিৰ উল্লেখ কৰি সেইবোৰৰ বৈশিষ্ট্যৰ বিষয়েও সাধাৰণ ধাৰণা এটিও এই বিভাগত সন্নিবিষ্ট হৈছে।

### ১.৫.১ কাব্য

শংকৰদেৱৰ পৰা আৰম্ভ কৰি উত্তৰ শংকৰীযুগৰ কবিকুলে ভক্তিধৰ্ম প্ৰচাৰৰ অৰ্থে বিবিধ বিষয়ক কাব্য ৰচনা কৰি অসমীয়া ভক্তি সাহিত্য ভৰাঁল চহকী কৰি থৈ গৈছে। শংকৰদেৱে সৰ্বমুঠ ৬ খন কাব্য ৰচনা কৰিছিল। সেই কেইখন হ'ল- (১) হৰিশ্চন্দ্ৰ উপাখ্যান, (২) ৰুক্মিণী হৰণ কাব্য, (৩) বলিছলন, (৪) অমৃত মথন, (৫) অজামিল উপাখ্যান আৰু (৬) কুৰুক্ষেত্ৰ।

এই গোটেই কেইখন পুথি ৰচনাৰ ক্ষেত্ৰত তেওঁ মাৰ্কণ্ডেৰ পুৰাণ, ভাগৱত, হৰিবংশ আদিৰ পৰা সমল সংগ্ৰহ কৰিছিল। এই গোটেই কেইখন কাব্যৰ মাজেদি কবিয়ে বিষ্ণুৰ শ্ৰেষ্ঠত্ব আৰু তেওঁক পূজিলে যে আন দেৱতাক অৰ্চন কৰাৰ প্ৰয়োজন নাই সেই কথা প্ৰকাশিত হৈছে।

শংকদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱেও *'ৰাজসূয় কাব্য'* নামেৰে এখন কাব্য ৰচনা কৰিছিল। মহাভাৰতৰ 'ৰাজসূয় যজ্ঞ'ৰ আধাৰত কৃষ্ণৰ শ্ৰেষ্ঠত্বই কাব্যখনৰ মাজেদি প্ৰতিভাত হৈছে। মাধৱদেৱৰ সূক্ষ্ম আৰু ৰসাল বৰ্ণনা ৰীতি কাব্যখনৰ ছত্ৰে-ছত্ৰে ফুটি উঠিছে। তথাপিও বৰ্ণনাৰ প্ৰবাহে কবিৰ ভক্তি স্ৰোতক ম্লান কৰিব পৰা নাই।

শংকৰদেৱৰ সমসাময়িক কিন্তু বয়োকণিষ্ঠ কবিসকলৰ ভিতৰত অনন্ত কন্দলী অন্যতম। তেওঁ শংকৰদেৱৰ সান্নিধ্যলৈ আহি কাব্য ৰচনাৰ বাবে অনুপ্ৰাণিত হৈছিল। তেওঁ *কুমাৰ হৰণ কাব্য* আৰু *বৃত্ৰাসুৰ বধ* নামেৰে দুখন কাব্যপুথি ৰচনা কৰিছিল। বিষয়বস্তু চয়নৰ ক্ষেত্ৰত তেওঁ *ভাগৱত পুৰাণ* আৰু *হৰিবংশ*ৰে ওচৰ চাপিছে। কবিয়েও কাব্যদুখনৰ মাজেদি বিষ্ণুনাম মাহাত্ম্য বৰ্ণনাতে অধিক গুৰুত্ব প্ৰদান কৰিছে।

নৱবৈষ্ণৱ যুগৰ আন এগৰাকী বিশিষ্ট কবি আছিল ৰামসৰস্বতী। তেওঁ মহাভাৰতৰ বনপৰ্বৰ অন্তৰ্গত কাহিনীক লৈ একশ্ৰেণীৰ কাব্য ৰচনা কৰিছিল। কিন্তু এই কাহিনীসমূহৰ মহাভাৰতৰ লগত বিশেষ সম্বন্ধ নাই। পাণ্ডৱ সকলে বনবাসৰ সময়ত ঘূৰি ফুৰোঁতে বিভিন্ন দৈত্য-দানব-অসুৰৰ সন্মুখীন হ'বলগীয়া হৈছিল। শ্ৰীকৃষ্ণৰ সহায়েৰে এই দৈত্য দানৱ সকলক বধ কৰাৰ কাহিনীয়েই এই শ্ৰেণী কাব্যৰ মাজেদি বিবৃত হৈছে। উল্লেখযোগ্য যে ৰামসৰস্বতীৰ

এই কাব্যসমূহক *বধ কাব্য* বুলি কোৱা হয়। তেওঁ মুঠতে ১৫ খন কাব্য ৰচনা কৰিছে। যথা— (১) বিজয় পৰ্ব, (২) মণিচন্দ্ৰ ঘোষ পৰ্ব, (৩) পুষ্পহৰণ পৰ্ব, (৪) কালকুঞ্জ শোষক বধ, (৫) ভীমচৰিত, (৬) বকাসুৰ বধ, (৭) কুলাচল বধ, (৮) জংঘাসুৰ বধ, (৯) জটাসুৰ বধ, (১০) পাঞ্চালী বিবাহ, (১১) সিন্দুৰা পৰ্ব, (১২) ব্যাসাশ্ৰম, (১৩) অশ্বকৰ্ণ বধ, (১৪) খটাসুৰ বধ আৰু (১৫) ব্যঞ্জন পৰ্ব। এই কাব্যসমূহৰ মাজেদি বিষ্ণুৰ মাহাত্ম্য প্ৰকাশ পাইছে।

এই কেইজন কবিৰ লগতে শংকৰদেৱৰ প্ৰায় সমসাময়িকভাৱে কংসাৰি কবি, ৰত্নাকৰ কন্দলী, সাৰ্বভোম ভট্টাচাৰ্য, শ্ৰীধৰ কন্দলী আদি কবিসকলেও ক্ৰমে *বিৰাট পৰ্ব, কিৰাত পৰ্ব, সহস্ৰনাম বৃত্তান্ত, ক্ষুদ্ৰস্বৰ্গখণ্ড, বৃহৎ স্বৰ্গখণ্ড, কানখোৱা* আৰু *ঘুনুচা কীৰ্তন* ৰচনা কৰি ভক্তিসাহিত্যৰ ধাৰাটি প্ৰৱাহিত কৰি ৰাখিছিল। এই কাব্যবোৰৰ মাজেদিও কৃষ্ণৰ শ্ৰেষ্ঠত্বৰ কথাই পাকে প্ৰকাৰে বিধৃত কৰা হৈছে।

পৰৱৰ্তী উত্তৰ শংকৰী যুগতো ভক্ত কবিসকলে মহাভাৰত, ৰামায়ণ, ভাগৱত আৰু অন্যান্য পুৰাণৰ আধাৰত ভক্তি সাহিত্য ৰচনাত প্ৰবৃত হৈছিল। সেইবোৰৰ ভিতৰত ১৮ শ শতিকাৰ সাগৰখৰি দৈৱজ্ঞৰ *কুৰ্মাৱলী যুদ্ধ*; বিদ্যাপঞ্চাননৰ *অম্বা-চৰিত*; শিষ্ট ভট্টাচাৰ্যৰ *শিশুপাল বধ*; বিষ্ণুপম দ্বিজৰ *দাতাকৰ্ণ*, শ্ৰীনাথ দ্বিজৰ *দ্ৰৌপদী সয়ম্বৰ*, কবিৰাজ চক্ৰৱৰ্তীৰ *শকুন্তলা কাব্য, শংখচূড় বধ*; ৰঘুনাথ মহন্তৰ *শত্ৰুঞ্জয়* , *অদ্ভুত ৰামায়ণ* আদি উল্লেখযোগ্য গ্ৰন্থ। এই সময়চোৱা বিভিন্ন উৎসক কেন্দ্ৰ কৰি অনেক কাব্য ৰচিত হৈছিল। কিন্তু ক্ৰমান্বয়ে বিষ্ণু প্ৰাধান্য কমি অহাও পৰিলক্ষিত হয়। তথাপিও আমি ক'ব পাৰোঁ যে ভক্তিসাহিত্যৰ ৰচনাৰ ধাৰাটি ব্যাহত হোৱা নাছিল।

### ১.৫.২ গীত

মহাপুৰুষ জনাই তেওঁৰ দ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰসাৰৰ বাবে কেইবা প্ৰকাৰৰ গীত ৰচনা কৰিছিল। সেইবোৰক আমি ভটিমা, বৰগীত আৰু টোটয় চপয় হিচাপে বিভাজিত কৰিব পাৰোঁ। ভটিমাসমূহ হ'ল গুণ-গৰিমা প্ৰকাশক গীত। ভাট নামৰ গায়কে গাই বাবে এয়া ভটিমা। শ্ৰীমন্ত শংকৰদেৱে তিনি প্ৰকাশৰ ভটিমা প্ৰবৰ্তন কৰিছিল। যথা— *নাট-ভটিমা, দেৱ ভটিমা* আৰু *ৰাজ ভটিমা* । পৰৱৰ্তী কালত তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱ 'গুৰু ভটিমা' সংযোগ কৰি ভটিমাৰ সংখ্যা চাৰি প্ৰকাৰলৈ বৃদ্ধি কৰে।

বৰগীত মহাপুৰুষজনাৰ অভিনৱ অৱদান। বৰগীত নামকৰণ অৱশ্যে তেওঁ কৰা নাছিল। পৰৱৰ্তী বৈষ্ণৱ ভক্তসকলে মহাপুৰুষ দুজনাই ৰচনা কৰা মহত্ত্বপূৰ্ণ গীতখিনিক বেলেগৰ পৰা পৃথক কৰি ৰাখিবলৈ 'বৰগীত' আখ্যা দিয়ে। প্ৰথমতে শংকৰদেৱে প্ৰায় ছকুৰি বৰগীত ৰচনা কৰিছিল। কমলাবায়ন নামৰ ভকত এজনে আঁওৰাবলৈ নিওঁতে জুইত পুৰি সকলো নষ্ট হয়। প্ৰায় ডেৰ কুৰিমানহে ভকতৰ মুখত ৰয়। মনৰ বেজাৰত তেওঁ গীত ৰচনা নকৰি শিষ্য মাধৱদেৱক ৰচনা কৰিবলৈ কয়। সম্প্ৰতি অসমত সৰ্বমুঠ ১৯১ টা বৰগীত সংৰক্ষিত হৈছে। ইয়াৰে ভিতৰত ১৫৭ টা মাধৱদেৱে ৰচনা কৰা। বাকী ৩৪ টাহে শংকৰদেৱৰ দ্বাৰা ৰচিত। উচ্চ নৈতিক ভাবাদৰ্শ প্ৰকাশিত বৰগীতসমূহক বাণীকান্ত কাকতিয়ে Noble Numbers, কালিৰাম মেধিয়ে Song of Celestial আৰু দেবেন্দ্ৰনাথ বেজবৰুৱাই Holy Song আখ্যা দিছে।

টোটয় সংস্কৃতৰ 'তোটক' ছন্দৰ আৰ্হিত বিষ্ণু মহিমা প্ৰকাশক গীত। মহাপুৰুষ শংকৰদেৱে এই শ্ৰেণীৰ গীত ৰচনা কৰিছিল। ঠিক সেইদৰে চপয় ছন্দত ৰচিত কৃষ্ণৰ গুণ বৰ্ণনা মূলক গীতসমূহক চপয় নামৰে জনা যায়। এয়াও মহাপুৰুষ জনাই ৰচনা কৰিছিল। মাধৱদেৱে কেৱল ভটিমা আৰু বৰগীত হে ৰচনা কৰিছিল।

উল্লেখযোগ্য যে মহাপুৰুষ দুজনাৰ লগতে তেওঁলোকৰ অনুগামী শিষ্য-প্ৰশিষ্য সকলে ৰচনা কৰা নাটসমূহৰ বিবিধ ধৰণৰ গীত সন্নিবিষ্ট হৈছে। এইখিনিৰ বিষয়ে পাছৰ শাখাত আলোচনা আগবঢ়োৱা হ'ব। শংকৰ-মাধৱৰ পৰৱৰ্তী কালত ৰচনা বৰ বহুল ভাৱে হোৱা জনা নাযায়। পৰৱৰ্তী কালৰ সাহিত্যিকসকলে কেৱল কাব্য, অনুবাদমূলক ৰচনা আদিহে ৰচনা কৰাৰ প্ৰমাণ পোৱা যায়। তথাপিও ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, গোপাল আতা, শ্ৰীৰাম আতা, ৰামচন্দ্ৰ দ্বিজ, বৰযদুমণি, সনাতনদেৱ, পুৰযোত্তম ঠাকুৰ, নাৰায়ণ দাস ঠাকুৰ, চান্দসাই, দামোদৰদেৱ, হৰিদেৱ আদিয়েও ভালেমান ফকৰা গীত-পদ আদি ৰচনা কৰাৰ কথা চৰিত পুথিত উল্লেখ আছে। অনিৰুদ্ধ দেৱে নকুৰি গীত ৰচনা কৰাৰ কথা চৰিত পুথিত পোৱা যায়। এওঁলোকে গুৰু দুজনাৰ আৰ্হিতে গীত ৰচনা কৰিবলৈ যত্ন কৰিছিল। এই সম্পৰ্কে ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মন্তব্যটি উল্লেখযোগ্য— 'বৰগীতৰ ঐতিহ্যবহনকাৰী এই গীতসমূহে এহাতে যেনেকৈ উচ্চাংগ্ন সংগীতৰ ধাৰা অব্যাহত ৰাখে তেনেকৈ ভক্তিধৰ্মৰ সমাদৰ বঢ়োৱাত আৰু গীতিকাৰসকলৰ কৃষ্ণভাৱত আপ্লুত-আকুল হৃদয়ৰ নিৰঙ্কুশ প্ৰকাশ প্ৰদৰ্শন কৰাত সফলতা লাভ কৰিছে।

### ১.৫.৩ নাট

মহাপুৰুষ শংকৰদেৱৰ হাততেই অসমীয়া নাটকে জন্ম লাভ কৰে। শ্ৰৱণ-কীৰ্তন তথা দৰ্শনৰ যোগেদি কৃষ্ণমাহাত্ম্য প্ৰচাৰৰ বাবে শংকৰদেৱে একশ্ৰেণীৰ নাট ৰচনা কৰে। মহাপুৰুষজনাই ৰচনা কৰা নাটসমূহ হ'ল— *পত্নীপ্ৰসাদ, কালিদমন, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ* আৰু *ৰামবিজয়* । এই নাট ছয়খনৰ উপৰি তেওঁ 'চিহ্নযাত্ৰা' নামৰ নাট এখন ৰচনা কৰি অভিনয় কৰাৰ কথা চৰিতপুথিত উল্লেখ আছে। অৱশ্যে আজিলৈকে এই নাটখনিৰ কোনো লিপিবদ্ধ ৰূপ উদ্ধাৰ হোৱা নাই। *ভাগৱত পুৰাণ, বিষ্ণু পুৰাণ, হৰিবংশ, ৰামায়ণ* আদিৰ পৰা সমল সংগ্ৰহ কৰি নাটকেইখনৰ মাজেদি কৃষ্ণৰ শ্ৰেষ্ঠত্বৰ কথা প্ৰকাশ কৰি তেওঁৰ শ্ৰীচৰণত নিজকে সমৰ্পন কৰাৰ কথা ব্যক্ত হৈছে। মহাপুৰুষ জনাক অনুকৰণ কৰি তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱেও *চোৰ ধৰা, পিম্পৰা-গুচোৱা, অৰ্জুন-ভঞ্জন, ভূমি-লেটোৱা* আৰু *ভোজন-বিহাৰ* নামেৰে কৃষ্ণমাহাত্ম্য প্ৰকাশক নাট লিখিছিল।

এই নাট কেইখনৰ মাজেদি মহাপুৰুষ দুজনাই কৃষ্ণৰ চৰিত্ৰটি মাজে মাজে লৌকিক কৰি তুলিব চেষ্টা কৰিছে যদিও বাৰে বাৰে তেওঁৰ অলৌকিক আৰু ঐশ্বৰিক দিশটোৰ কথা সোঁৱৰাই তেওঁতে সমৰ্পিত হ'বলৈ আহবান জনাইছে। এই নাটসমূহত শ্লোক, কথা, গীত আৰু সংলাপৰ মাজেদি কাহিনীভাগ আগবঢ়াই নিয়া হৈছে। সূত্ৰধাৰৰ প্ৰাধান্য, কাব্যধৰ্মী গীত, শ্লোক আৰু পয়াৰ প্ৰয়োগ, ব্ৰজাৱলী ভাষাৰ ব্যৱহাৰ, লয়যুক্ত গদ্যৰ ব্যৱহাৰ, সংগীত নৃত্যৰ প্ৰয়োগ আৰু ভক্তি ৰসৰ প্ৰাধান্যই হ'ল এই সাহিত্য ৰাজিৰ প্ৰধান বৈশিষ্ট্য। প্ৰণিধানযোগ্য যে এই নাটসমূহৰ মাজেদি কৃষ্ণৰ ঐশ্বৰিক দিশ ফুটাই তুলিবলৈ যাওঁতে অযথা ধৰ্মীয় কথা জাপি দি দৰ্শকৰ ৰসবোধত ব্যাঘ্যাত জন্মোৱা নাই।

তেওঁলোকৰ পৰৱৰ্তী কালত অনন্ত কন্দলীয়ে *সীতাৰ পাতাল প্ৰৱেশ* নামৰ নাট এখন ৰচনা কৰি এই ধাৰাটি অব্যাহত ৰাখিছিল।

উত্তৰ শংকৰী যুগতো শংকৰদেৱ-মাধৱদেৱক অনুসৰণ কৰি বহু নাট্যকাৰে নাট ৰচনাত হাত উজান দিছিল। তদুপৰি এই সময়ছোৱাত অসমৰ বিভিন্ন স্থানত অসংখ্য সত্ৰ আৰু নামঘৰ স্থাপন হয়। এই সত্ৰ আৰু নামঘৰসমূহেই নৱ-বৈষ্ণৱ ধৰ্মৰ চৰ্চাৰ প্ৰাণকেন্দ্ৰ হৈ পৰিল। কোনো সত্ৰৰ সত্ৰাধিকাৰে আনুষ্ঠানিকভাৱে সত্ৰাধিকাৰ বাব পোৱাৰ লগে লগে এখন নাট ৰচনা কৰি নিজৰ নাট্যবিদ্যাৰ পৰিচয় দিবলগীয়া হৈছিল। সন্ত, মহন্তসকলৰ তিথি-মহোৎসৱ, জন্মাষ্টমী,

দৌলযাত্ৰা আদিতো নতুন নাট ৰচনা কৰি অভিনয় কৰাৰ প্ৰয়োজনীয়তা আহি পৰিল। এনেবোৰ কাৰণতে এই সময়ত ব্যাপক নাট ৰচনা হ'বলৈ ধৰে।

এই সময়ছোৱাত ৰচিত কেইখনমান উল্লেখযোগ্য নাট হ'ল গোপালদেৱৰ *জন্মযাত্ৰা, নন্দোৎসৱ, উদ্ধৱযান* ; ৰামচৰণ ঠাকুৰৰ *কংস বধ* ; দৈত্যাৰি ঠাকুৰৰ *নৃসিংহ যাত্ৰা, স্যমন্তক হৰণ* ; দ্বিজভূষণৰ *অজামিল উপাখ্যান* ; ৰাম আতাৰ *সুভদ্ৰা হৰণ* ; দীন গোপালদেৱৰ *সীতা হৰণ* আদি উল্লেখযোগ্য। উত্তৰ শংকৰী যুগৰ নাটসমূহত মহাপুৰুষ দুজনাই ৰচনা কৰা নাটসমূহৰ বৈশিষ্ট্যসমূহৰ বেছি ভাগেই ৰক্ষিত হোৱা নাই। তথাপিতো ভক্তি মাহাত্ম্য প্ৰচাৰক সাহিত্য হিচাপে এইবোৰ মূল্য অপৰিসীমা।

### ১.৫.৪ অনুবাদ

ভক্তি সাহিত্যত অনুবাদ সাহিত্যই এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। শংকৰীযুগৰ পূৰ্বেও মাধৱকন্দলীয়ে *বাল্মিকী* ৰামায়ণখন অনুবাদ কৰিছিল। শংকৰদেৱে ভাগৱত পুৰাণৰ ১ম, ২য়, ৬ষ্ঠ, ৮ম, ১১শ, ১২শ স্কন্ধ আৰু ৰামায়ণৰ *উত্তৰাকাণ্ড* অসমীয়ালৈ অনুবাদ কৰিছিল। ভাগৱত পুৰাণৰ দশম স্কন্ধৰ প্ৰথম ৪৭ টা স্কন্ধ অসমীয়ালৈ অনুবাদ কৰি সাহিত্যৰ ভঁৰাল চহকী কৰে।

ঠিক তেওঁকেই অনুসৰণ কৰি তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱেও ৰামায়ণৰ *আদিকাণ্ড* , বিষ্ণুপুৰী সন্ন্যাসীৰ *ভক্তি ৰত্নাৱলী* , *নামমালিকা* অসমীয়ালৈ অনুবাদ কৰে। বৈষ্ণৱ চাৰি পুথিৰ অন্যতম *নামঘোষা* খনৰো প্ৰায় ছশমান শ্লোক সংস্কৃৰৰ পৰা অনুদিত। কিন্তু তেওঁ বিষয়বস্তু এনেদৰে আত্মভূত কৰি অসমীয়ালৈ অনুবাদ কৰিছে যে সেয়া মুঠেও অনুবাদ যেন অনুভূত নহয়।

তেওঁলোকৰ সমসাময়িক অনন্দকন্দলীয়েও ভাগৱত পুৰাণৰ দশমৰ মধ্য আৰু অন্ত্য ভাগ, ৰামায়ণৰ *অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড* আৰু *কিষ্কিন্ধাকাণ্ড* অনুবাদ কৰিছে। ঠিক সেইদৰে ৰামস্বৰতীয়েও মহাভাৰতৰ *আদিপৰ্ব, সভাপৰ্ব*ৰ কিছুঅংশ, বনপৰ্ব, বিৰাট পৰ্বৰ কীচক বধ পৰ্যন্ত, উদ্যোগ পৰ্ব, ভষ্মপৰ্ব (অধিকাংশ), দ্ৰোণপৰ্ব (গোপীনাথ পাঠকৰ সহযোগত), কৰ্ণপৰ্ব (বিদ্যাপঞ্চাননৰ সহায়ত) অনুবাদ কৰাৰ লগতে জয়দেৱৰ *গীত-গোবিন্দ* কাব্যৰ বিষয়বস্তুৰ সৈতে ভাগৱত পুৰাণৰ কথাবস্তু সংমিশ্ৰণ কৰি *গীত গোবিন্দ* নামেৰে অনুবাদ কৰে।

উত্তৰ শংকৰী যুগৰ অধিকাংশ পুথিয়েই আছিল অনুবাদমূলক। বিশেষকৈ ৰামায়ণ-মহাভাৰতৰ বিভিন্ন কাহিনী উপকাহিনী, পুৰণাৰ অনুবাদে অসমীয়া সাহিত্যৰ ভঁৰাল মণি-মৰকতেৰে ভৰাই তোলে। তেওঁলোকৰ ভিতৰত গোপীনাথ পাঠকৰ *দ্ৰোনপৰ্ব, সভাপৰ্ব, স্বৰ্গাৰোহণ পৰ্ব* , দামোদৰদাসৰ *শৈল্য পৰ্ব* , বিদ্যা পঞ্চাননৰ *ভীষ্মপৰ্ব* , কবিশেখৰৰ *কিৰাত পৰ্ব* , অনিৰুদ্ধ কায়স্থৰ *ভাগৱতৰ পঞ্চম স্কন্ধ* , অনিৰুদ্ধদেৱৰ *ভাগৱতৰ চতুৰ্থ আৰু পঞ্চম স্কন্ধ*', গোপালচৰণ দ্বিজৰ *ভাগৱতৰ তৃতীয় স্কন্ধ* , *সপ্তম স্কন্ধ* , *অষ্টমস্কন্ধ* ; শংকৰদেৱৰ *ভক্তি-ৰত্নাকৰৰ ভাঙনি* , অনন্ত কায়স্থৰ *শ্ৰীৰাম-কীৰ্তন* আদি উল্লেখযোগ্য পুথি।

শংকৰদেৱ-মাধৱদেৱৰ উপৰি তেওঁৰ শিষ্য প্ৰশিষ্য সকলে যিমানখিনি সংস্কৃত পুথি, পুৰাণ আদি অসমীয়ালৈ অনুবাদ কৰিলে সেইখিনি অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অনুবাদ কৰা এই পুথিসমূহে সেই সময়তেই অসমীয়া সাহিত্যক এনে স্থানত উপবিষ্ট কৰালে যে সমালোচক সকলে সেইসময়খিনিক অসমীয়া সাহিত্যৰ 'স্বৰ্ণযুগ' বুলি অভিহিত কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আধাৰত ভক্তি সাহিত্যক কি কি ভাগত শ্ৰেণীবিভাগ কৰিব পাৰি সেয়া লিপিবদ্ধ কৰক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

### ১.৫.৫ চৰিতপুথি

চৰিত পুথিসমূহ হ'ল অসমীয়া বৈষ্ণৱ সাহিত্যৰ এটি অন্যতম ধাৰা। কেইখনমান গদ্যত লিখা চৰিত পুথিৰ বাদে বাকীখিনি পদ্য ৰচিত। পূৰ্বতে চৰিত পুথিসমূহ পদ্যত লিখা হৈছিল। পাছলৈ গদ্যতো ৰচিত হ'বলৈ ধৰে। বৈষ্ণৱ ভক্তসকলে শংকৰ-মাধৱ প্ৰমুখ্যে অন্যান্য বৈষ্ণৱগুৰু সকলক ভগৱন্তৰ অংশস্বৰূপ হিচাপে গণ্য কৰিছিল। তেৰাসবৰ মৃত্যুৰ পাছত তেওঁলোকৰ গুণাৱলী কীৰ্তন কৰাটো ভকত সকলৰ এটা প্ৰধান কৰ্তব্য হিচাপে বিবেচিত হয়। *গুৰু চৰিত* মতে মাধৱদেৱে প্ৰথমবাৰৰ বাবে এনেদৰে গুৰুলীলা কীৰ্তন কৰিছিল। এই প্ৰথাটিক **চৰিত তোলা** প্ৰথা বুলি কোৱা হয়। পোনতে মৌখিক পৰম্পৰাৰে এই কাহিনীবোৰ প্ৰচলন হৈ আছিল। পাছলৈ কিছুমান শিষ্যই গুৰু-পৰম্পৰা বাগৰি অহা কাহিনীবোৰ লিপিবদ্ধ কৰে। এইবোৰ গ্ৰন্থকে **চৰিত পুথি** বোলা হয়। সাধাৰণতে চৰিত পুথি দুই ধৰণৰ— (ক) সন্ত-মহাপুৰুষৰ জন্মৰ পৰা মৃত্যুলৈকে তেওঁলোকৰ কাৰ্যৱলী বৰ্ণনা থকা, (খ) একাধিক সন্তৰ গুণ আৰু কৰ্মৰ বৰ্ণনা।

চৰিত পুথিসমূহ একপ্ৰকাৰৰ জীৱনী সাহিত্য। ইয়াত নায়কসকলৰ জীৱনৰ দুৰ্বলতা সমূহক স্থান দিয়া নাই। তেওঁলোকৰ আদৰ্শাত্মক ৰূপটিহে এই পুথিবোৰত স্থান পাইছে। বহুসময়ত এনেবোৰ বৰ্ণনা ঐশ্বৰিক কাৰ্যকলাপ আৰু অলৌকিক ঘটনাৰে পৰিপূৰ্ণ। পুথিসমূহৰ জৰিয়তে বৈষ্ণৱ ধৰ্মীয় বিশ্বাস, নিষ্ঠা, নীতি আৰু আচাৰ পদ্ধতি সম্পৰ্কে জ্ঞান দিবলৈ যত্ন কৰা পৰিলক্ষিত হয়। তদুপৰি ইয়াৰ মাজত লিপিবদ্ধ আছে অসমৰ অৰ্থনৈতিক সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, ধৰ্মীয় আদি দিশৰ চিত্ৰ। এই পুথিসমূহৰ গদ্য অতিশয় মাৰ্জিত; ভকতীয়া ঠাঁচত সন্ত-মহন্তই কথা কোৱা আদৰ্শত ৰচনা কৰা।

মহাপুৰুষ মাধৱদেৱৰ ভাগিনিয়েক ৰামচৰণ ঠাকুৰে ৰচনা কৰা *শংকৰ চৰিত* খনকে প্ৰথম চৰিত পুথি বুলি অভিহিত কৰা হয়। এইখনৰ উপৰি দৈত্যাৰি ঠাকুৰৰ *শংকৰদেৱ-মাধৱদেৱ চৰিত* , ভূষণদ্বিজৰ *শংকৰ চৰিত* , ৰমানন্দ দ্বিজৰ *গুৰুচৰিত* , ৰামৰায় দ্বিজৰ *গুৰুলীলা* , ভৱানন্দ দ্বিজৰ *গোবিন্দ চৰিত* , ৰমাকান্তৰ *বনমালী দেৱৰ চৰিত* আদি খ্ৰীঃ সপ্তদশ শতিকাৰ মাজভাগলৈকে ৰচিত উল্লেখযোগ্য চৰিত পুথি। অষ্টাদশ শতিকাতো কেইবাখনো গদ্যত ৰচিত পুথি পোৱা হৈছে। বৃহৎ কলেৱৰ এই পুথি কেইখন অসমীয়া গদ্যৰ উৎকৃষ্ট নিদৰ্শন।

### ১.৫.৬ গদ্য

বৈষ্ণৱ সাহিত্যৰাজিৰ মাজতেই অসমীয়া গদ্যই জন্ম লাভ কৰে। শংকৰদেৱ বিৰচিত 'অঙ্কীয়া নাট' সমূহত থকা কথাসূত্ৰৰ মাজেদি অসমীয়া গদ্যৰ আদি নিদৰ্শনৰ ৰূপ আমাৰ উপলব্ধ হয়। কিন্তু অসমীয়া গদ্যক পোনপটীয়া আৰু প্ৰধানভাৱে সাহিত্য ৰচনাত ব্যৱহাৰ কৰে উত্তৰ শংকৰীযুগৰ সাহিত্যিক বৈকুণ্ঠনাথ ভট্টাচাৰ্যদেৱে। এওঁৰ হাততেই অসমীয়া গদ্যৰ সৃষ্টি হয়।

চৰিত সাহিত্য উদ্ভৱৰ প্ৰায় ২০/২৫ বছৰ আগতে ষোড়শ শতিকাৰ শেষ আৰু সপ্তদশ শতিকাৰ আৰম্ভকালত ভট্টদেৱে গদ্যত কেইবাখনো পুথি ৰচনা কৰে। তেওঁৰ গুৰু দামোদৰদেৱৰ আদেশ শিৰোধাৰ্য কৰি স্ত্ৰী-শূদ্ৰে বুজিব পৰাকৈ 'কথাবন্ধে' *ভাগৱত*খন ৰচনা কৰে। ইয়াৰ পাছত তেওঁ *কথা গীতা* আৰু *কথা-ৰত্নাৱলী* ৰচনা কৰে। কথাগীতাৰ প্ৰাচীনত্বৰ বিষয়ে মন্তব্য কৰিছে আচাৰ্য প্ৰফুল্ল ৰয়ে এইদৰে—

> *Indeed the prose Gita of Bhattadeva Composed in the sixteenth century is unique of its kind.......... it is a priceless treasure. Assamese prose lierature developed to a stage in the far distante sixteenth century which no other literature of the world reached except the writings of Hooker and Latimer in England.*

এই কথাষাৰৰ আঁত ধৰিয়েই আমি মন্তব্য কৰিব পাৰোঁ যে বৈষ্ণৱ ভক্তি সাহিত্যই অসমীয়া গদ্য সাহিত্যৰ সৃষ্টিটো বাট চিকুনাই দিছিল।

### ১.৫.৭ অন্যান্য ধৰ্মতত্ত্ব সম্পৰ্কীয় গ্ৰন্থ

উল্লিখিত শ্ৰেণীবিভাগত সন্নিবিষ্ট নোহোৱা গ্ৰন্থসমূহক আমি এই শাখাৰ অন্তৰ্ভুক্ত কৰিব পাৰোঁ। শংকৰদেৱে *ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ* আৰু *নিমি-নৱসিদ্ধ সংবাদ* নামেৰেও তিনিখন ভক্তিতত্ত্ব প্ৰকাশক পুথি ৰচনা কৰিছিল। ইয়াৰে *ভক্তি ৰত্নাকৰ* খন সংস্কৃত ভাষাত ৰচিত। তদুপৰি নাম-প্ৰসংগৰ উপযোগীকৈ মহাপুৰুষজনাই *কীৰ্তন* আৰু *গুণমালা* নামেৰে দুখন গুঢ় ভক্তিতত্ত্ব প্ৰকাশক পুথি ৰচনা কৰিছিল। এইবোৰৰ মাজেদি তেওঁ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰাৰ লগতে শ্ৰীকৃষ্ণৰ শ্ৰেষ্ঠত্বৰ কথা ঘোষণা কৰিছে। মহাপুৰুষ মাধৱদেৱেও *জন্মৰহস্য* নামেৰে তত্ত্বমূলক পুথি এখন ৰচনা কৰিছিল। সৃষ্টি আৰু প্ৰলয়ৰ বৰ্ণনা এই পুথিখনত সন্নিবিষ্ট হৈছে।

অনন্ত কন্দলীয়েও *জীৱতুতি* আৰু *বৈষ্ণৱামৃত* নামৰ দুখন ধৰ্মতত্ত্বসম্পৰ্কীয় পুথি ৰচনা কৰাৰ উপৰি *নীতিৰত্ন* আৰু *কল্পদ্ৰুম* নামেৰে দুখন স্মৃতি শাস্ত্ৰ সম্পাদনা কৰিছিল। ৰত্নাকৰ মিশ্ৰয়ো *ব্ৰহ্মগীতা* আৰু *গীতা কীৰ্তন* প্ৰনয়ণ কৰি অসমীয়া ভক্তি সাহিত্যলৈ অৱদান আগবঢ়ালে।

উত্তৰ শংকৰীযুগত অনিৰুদ্ধদেৱে *ভক্তিমংগল ঘোষা, পুৰঞ্জন উপাখ্যান, নিজশাস্ত্ৰ,* শ্ৰীৰাম আতাই প্ৰকৰণ গ্ৰন্থ *ঘোষাৰ পটল* আদি প্ৰকাশ কৰি এই ধাৰাটি অব্যাহত ৰাখিলে।

এই আলোচনাৰ পৰা আমি পতিয়ন যাব পাৰো যে শংকৰদেৱকে কেন্দ্ৰ কৰি তেওঁৰ শিষ্য প্ৰশিষ্যসকলে এক বিপুল সাহিত্য সম্ভাৰেৰে অসমীয়া সাহিত্যৰ উৎকৰ্ষ সাধন কৰে।

**আত্মমূল্যয়ন প্ৰশ্ন**

অসমীয়া গদ্যৰ জন্ম সম্পৰ্কে এটি টোকা লিখক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................

.............................................................................

.............................................................................

### ১.৬ ভক্তি সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য

ইতিপূৰ্বে হোৱা আলোচনাৰ পৰা আমি অসমীয়া ভক্তিসাহিত্যৰ পটভূমি, স্বৰূপ আৰু ইয়াৰ শ্ৰেণীবিভাজন সম্পৰ্কে এক সম্যক ধাৰণা লাভ কৰিলোঁ। এই সকলোখিনি বিচাৰ বিশ্লেষণ

কৰি আমি অসমীয়া ভক্তি সাহিত্যৰ প্ৰধান বৈশিষ্ট্যসমূহ লিপিবদ্ধ কৰিব পাৰোঁ এনেদৰে—

(ক) বৈষ্ণৱ সাহিত্য বা ভক্তিসাহিত্যৰাজিৰ মাজেদি প্ৰতিফলিত হৈছে শ্ৰীকৃষ্ণ বা বিষ্ণুৰ মাহাত্ম্য। তেওঁৰ মহিমা প্ৰকাশ কৰাৰ বাবেই এই সাহিত্যৰাজিৰ সৃষ্টি কৰা হৈছে।

(খ) ভক্তিসাধনৰ আন আন মাৰ্গৰ তুলনাত 'শ্ৰৱণ' আৰু 'কীৰ্তন'ত অধিক গুৰুত্ব আৰোপ কৰা হৈছে।

(গ) শ্ৰীকৃষ্ণ বা বিষ্ণুৰ বাদে আন দেৱ-দেৱীক উপসনা কৰিবলৈ বাৰণ কৰা হৈছে। মূলতঃ শ্ৰৱণ-কীৰ্তনৰ জৰিয়তে তেওঁৰ চৰণৰ আশ্ৰয় ল'বলৈ কোৱা হৈছে।

(ঘ) যাগ-যজ্ঞ বা তপস্যাৰ পৰিৱৰ্তে কেৱল শ্ৰৱণ-কীৰ্তনৰ যোগেদিয়েই তেওঁৰ (কৃষ্ণৰ) পৰমপদ লাভ কৰিব পাৰি। উদাহৰণস্বৰূপে আমি শংকৰদেৱৰ *অজামিল উপাখ্যান*ৰ কথা উল্লেখ কৰিব পাৰোঁ।

(ঙ) শাস্ত্ৰসন্মত নহ'লে কোনো কথাকেই সেই সময়ৰ জনসাধাৰণে মানি ল'বলৈ অপ্ৰস্তুত। সেয়ে শাস্ত্ৰত নাপালে লিখকক নিন্দা কৰিবলৈও কৈছে।

(চ) ভক্তিৰ মাজেদি তেওঁলোকে সমাজ সংস্কাৰৰ কথাও ধ্বনিত কৰিছে। সেয়ে *কুকুৰ-শৃগাল গদৰ্ভৰো আত্মাৰাম* বুলি শংকৰদেৱে তেওঁৰ ৰচনাৰ মাজেদি প্ৰকাশ কৰিছে।

(ছ) ৰসসৃষ্টিৰ ক্ষেত্ৰত নৱৰসৰ সঞ্চাৰ ঘটিলেও সেয়া ভক্তিৰসৰ অতল সমুদ্ৰত লীন হৈ গৈছে। সকলো ৰসসৃষ্টিৰ মূলত থাকে ভক্তিৰসৰ পৰিপুষ্টি।

(জ) মোক্ষ প্ৰাপ্তিয়েই ভক্ত কবিসকলৰ প্ৰধান উদ্দেশ্য নহয়। সৎসংগ লাভ কৰি অহিংসা, প্ৰেম, দয়া, কৰুণা আদি সৎ প্ৰবৃত্তিসমূহ উদ্ৰেক কৰি সৎপ্ৰবৃত্তি সমূহৰ উৎকৰ্ষসাধনৰ মাজেদি ভক্তিৰসত নিমজিত হোৱাতেই জীৱনৰসাৰ্থকতা বুলি তেওঁলোকে অনুভৱ কৰে।

(ঝ) মূলতঃ গুৰু আৰু সৎসংগৰ মাজেদি ভক্তিৰ অমৃত ধাৰাত নিজকে বিলীন কৰি দিয়াতেই আছে জীৱনৰ/ভক্তৰ সাৰ্থকতা। সকলো ভক্তিসাহিত্যৰ মাজেদি এই ভাবৰেই প্ৰকৃষ্ট প্ৰকাশ ঘটিছে।

(ঞ) উল্লেখযোগ্য যে এই সাহিত্যৰাজিৰ মাজেদি আধ্যাত্মবাদৰ আদৰ্শ প্ৰকাশিত কৰিবলৈ চেষ্টা কৰাৰ কাৰণে জনসাধাৰণৰ পাৰ্থিৱ জীৱন উপেক্ষিত হৈ ৰ'ল। আনকি কোনোবাই তেনে কৰিলে তিৰস্কাৰৰহে সন্মুখীন হ'ব লগা হৈছিল। এইক্ষেত্ৰত আমি শংকৰদেৱে পীতাম্বৰ কবিক **তামসিক কবি** বুলি মন্তব্য কৰা কথাৰ প্ৰসংগটি উল্লেখ কৰিব পাৰোঁ।

(ট) নিৰস তত্ত্বমূলক কথাখিনি জনসাধাৰণৰ বোধগম্য কৰি তুলিবলৈ সততে স্থানীয় ৰহন আৰু বিবিধ অলঙ্কাৰ প্ৰয়োগ কৰিছিল।

(ঠ) ভক্তিত বেছি গুৰুত্ব অৰোপ কৰিলেও সেয়া সৌন্দৰ্য ৰহিত সাহিত্য নহয়। নন্দনতাত্ত্বিক দিশত এই সাহিত্যৰাজি অনুপম।

## ১.৭ সাৰাংশ (Summing Up)

অসমীয়া ভক্তি সাহিত্যৰ বিষয়ে অধ্যয়ন কৰাৰ অন্তত আমি ক'ব পাৰোঁ যে—

- মহাপুৰুষ শংকৰদেৱৰ হাততেই অসমীয়া ভক্তি সাহিত্যই এক স্বকীয় ৰূপ পৰিগ্ৰহ কৰে।
- ভাৰতীয় ভক্তিসাহিত্যৰ পটভূমি বিচাৰ কৰিলেহে অসমীয়া ভক্তি সাহিত্যৰ পটভূমিৰ সম্যক ধাৰণা লাভ কৰিব পাৰি।

- বিভিন্ন ৰাজনৈতিক আৰু সামাজিক কাৰণৰ বাবে ভাৰতবৰ্ষত এই জাগৰণৰ সৃষ্টি হৈছিল।
- প্ৰান্তীয় ভাষাত সাহিত্য ৰচনা আৰম্ভ হোৱাৰে পৰাই এই জাগৰণে অভূতপৰ্ব সহাঁৰি লাভ কৰে।
- অসমৰ ৰাজনৈতিক আৰু সামাজিক পৰিৱেশো এনে ধৰণৰ ধৰ্মীয় জাগৰণ এটাৰ বাবে অনুকূল আছিল।
- শংকৰদেৱৰ পূৰ্বে ৰচিত সাহিত্যৰাজি আৰু বিবিধ তাম্ৰলেখ, শৈললেখ আদিত বিষ্ণুৰ নাম উল্লেখ আছে। কিন্তু তেওঁৰ হাততহে এই জাগৰণে স্বতন্ত্ৰ বৈশিষ্ট্যৰে সাৰ্বজনীন ভেঁটি নিৰ্মাণ কৰিলে।
- শংকৰদেৱে জীৱনৰ আদি ভাগতে কৰা তীৰ্থভ্ৰমণেও এই ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰিছিল।
- শংকৰদেৱকে কেন্দ্ৰ হিচাপে লৈ তেওঁৰ শিষ্য-প্ৰশিষ্যসকলে পোন্ধৰশ শতিকাৰ পৰা সপ্তদশ শতিকালৈকে বিবিধ সাহিত্য ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল মণি-মুকুতাৰে ভৰাই তুলিলে।
- জটিল ধৰ্মীয় তত্ত্ববোৰ জনসাধাৰণৰ বোধগম্য কৰি ভক্তিসাহিত্য ৰাজিৰ মাজেদি প্ৰকাশ কৰা হৈছে।
- ভক্তি সাহিত্য ৰাজিৰ মাজেদি সাম্যবাদৰ ধ্বনি ৰণিত হোৱাৰ লগতে 'ভক্তিৰস' সৃষ্টিয়ে অধিক গুৰুত্ব লাভ কৰিছে। আন ৰস প্ৰকাশ পালেও সেই ৰসে ভক্তিৰসৰ পৰিপুষ্টিত হে সহায়ক হৈছে।
- অসমীয়া ভক্তি সাহিত্যক মূলতঃ ছটা ভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি। যথা—
  - (ক) কাব্য
  - (খ) গীত
  - (গ) নাট
  - (ঘ) অনুবাদ
  - (ঙ) চৰিতপুথি
  - (চ) গদ্য আৰু
  - (ছ) অন্যান্য ধৰ্মতত্ত্ব সম্পৰ্কীয় গ্ৰন্থ
- এই সকলো প্ৰকাৰৰ সাহিত্যৰ মাজেদি শ্ৰীকৃষ্ণৰ শ্ৰেষ্ঠত্বৰ কথা ঘোষিত হৈছে। শ্ৰৱণ-কীৰ্তনৰ যোগেদি তেৰাৰ পৰম পদ লাভ কৰিব পাৰি।
- মোক্ষ প্ৰাপ্তিৰ পৰিৱৰ্তে ভক্তিৰসৰ নিমজ্জিত কৰোৱাতোৱেই এই সাহিত্য ৰাজিৰ অন্যতম বৈশিষ্ট্য।

এনেদৰে বিবিধ ভক্তি সাহিত্যৰ মাজেদি ভক্তি জাগৰণে অসমীয়া সৰ্ব্বসাধাৰণ ৰাইজক একতাৰ ডোলেৰে বান্ধি ৰখাৰ উপৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰি গৈছে। সাহিত্যৰ সমালোচক সকলে সেয়ে এই সময়চোৱাক অসমীয়া সাহিত্যৰ স্বৰ্ণযুগ বুলি অভিহিত কৰে।

## ১.৮ আৰ্হি প্ৰশ্ন (Sample Question)

(১) ভাৰতীয় ভক্তিজাগৰণৰ পটভূমিত অসমীয়া ভক্তি সাহিত্যৰ পটভূমি সম্পৰ্কে এটি প্ৰবন্ধ প্ৰস্তুত কৰক।

(২) অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰক।

(৩) অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ শ্ৰেণী বিভাজন কৰি সেই সময়ৰ প্ৰধান সাহিত্যিকসকলৰ ৰচনাৰ আধাৰত আলোচনৰ কৰক।

(৪) অসমীয়া বৈষ্ণৱ ভক্তিসাহিত্যৰ প্ৰধান বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰক।

(৫) 'দাৰ্শনিক তত্ত্বৰ ঠাইত ভক্তি প্ৰধান উপদেশ-নীতি আৰু প্ৰাৰ্থনাৰ ওপৰত বেছি গুৰুত্ব দান কৰিছে।' —কথাষাৰৰ যৰ্থাথতা নিৰূপন কৰক।

## ১.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


মহেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ ৰূপৰেখা*

(——) : *শ্ৰীশ্ৰীশংকৰদেৱ*

(——) : *শ্ৰীশ্ৰীমাধৱদেৱ*

সত্যেন্দ্ৰনাথ শৰ্মা : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*

(——) : *অসমীয়া ৰামায়ণী সাহিত্য*

(——) : *অসমীয়া নাট্য সাহিত্য*

শিৱনাথ বৰ্মন (সম্পা) : *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড)*

উপেন্দ্ৰনাথ গোস্বামী : *বৈষ্ণৱ ভক্তি-ধাৰা আৰু সন্ত-কথা*

অনিমা দত্ত : *অসমৰ বৈষ্ণৱসাহিত্য আৰু দৰ্শন*

বানীকান্ত কাকতি : *পুৰণি অসমীয়া সাহিত্য*

তীৰ্থনাথ শৰ্মা : *পঞ্চপুষ্প*

(——) : *ভক্তিবাদ*

হেমচন্দ্ৰ গোস্বামী : *ভট্টদেৱৰ কথাগীতা*

নবীন চন্দ্ৰ শৰ্মা : *পুৰণি অসমীয়া সাহিত্যৰ সুবাস*

(——) : *পুৰণি অসমীয়া সাহিত্যৰ সৌৰভ*

Moheswar Neog : *Sankaradeva and His Times*

S. N. Sarma : *The Neovaisnavite Movement and the Sattra Institution of Assam*

Pradip Jyoti Mahanta : *The Sankaradeva Movement: Its Cultural Horizons*


* * *

## দ্বিতীয় বিভাগ
## শঙ্কৰদেৱৰ 'ভক্তি-প্ৰদীপ'

**বিভাগৰ গঠন**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ শঙ্কৰদেৱৰ ভক্তিমূলক ৰচনা
২.৪ শঙ্কৰদেৱৰ ভক্তি ধৰ্মৰ বৈশিষ্ট্য
২.৫ 'ভক্তি-প্ৰদীপ'ত বৰ্ণিত বিষয়বস্তু
২.৬ 'ভক্তি-প্ৰদীপ' প্ৰকৃততে কাৰ ৰচনা
২.৭ 'ভক্তি-প্ৰদীপ'ৰ ৰচনা কাল
২.৮ 'ভক্তি-প্ৰদীপ'ৰ মূল আৰু ৰচনা-ৰীতি
২.৯ 'ভক্তি-প্ৰদীপ' আৰু শঙ্কৰদেৱৰ ভক্তিধৰ্ম
২.১০ সাৰাংশ (Summing Up)
২.১১ আৰ্হি প্ৰশ্ন (Sample Questions)
২.১২ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

যি সময়ত উশৃঙ্খল ধৰ্মীয় ব্যৱস্থা আৰু ৰাজনৈতিক সংঘাতে অসমৰ জাতীয় জীৱনক এক সঙ্কটাপন্ন অৱস্থাত পেলাবলৈ ধৰিছিল সেই সময়তে মহাপুৰুষ শঙ্কৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি অসমৰ জনগণক এক উচ্চাঙ্গ জাতীয় চেতনাৰে উদ্বুদ্ধ কৰিছিল। শঙ্কৰদেৱে তেওঁৰ বিৰাট আৰু বহুমুখী প্ৰতিভাৰে ৰচনা কৰা তেওঁৰ সাহিত্যৰাজি আৰু অসামান্য শক্তি-সামৰ্থ আৰু সৃজনী প্ৰতিভাৰে প্ৰস্তুত কৰা সাংস্কৃতিক সম্ভাৰে বৈষ্ণৱ ধৰ্ম প্ৰচাৰত এক প্ৰধান মাধ্যম ৰূপে কাম কৰিছিল। প্ৰাচীন ভাৰতীয় পৰম্পৰা আৰু তত্ত্বসমূহৰ সমন্বয় ৰক্ষা কৰি ৰচনা কৰা এই বৈষ্ণৱ সাহিত্যই অসমৰ জাতীয় জীৱনত এক নতুন প্ৰাণৰ সঞ্চাৰ কৰিবলৈ সমৰ্থ হৈছিল আৰু সেইবাবেই শঙ্কৰদেৱ আৰু তেওঁৰ অনুগামীসকলে ৰচনা কৰা সাহিত্য-সম্ভাৰখিনিয়ে অসমৰ জাতীয় সাহিত্য ৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। সকলো ধৰ্মীয় আন্দোলনকে সেই যুগৰ সাহিত্যই এক সৃজনীমূলক গতিশীলতা দান কৰাটো মন কৰিবলগীয়া বৈশিষ্ট্য। ধৰ্ম প্ৰচাৰৰ বাবে এক ভাষিক মাধ্যম প্ৰস্তুত কৰাটোৱে শঙ্কৰদেৱৰ সাহিত্য ৰচনাৰ মুখ্য উদ্দেশ্য আছিল যদিও সিবোৰৰ মাজেৰে এজন মহান শিল্পীৰ চিৰন্তন পৰিচয় আমি দেখিবলৈ পাও। "পুৰাণৰ বহু দেৱতা, তন্ত্ৰৰ বহু সাধনাৰ আৰু কামনাৰ তাড়নাত সঙ্কলিত বহুত অল্পফল ব্যয়সঙ্কুল অনুষ্ঠানৰ প্ৰভাৱৰ পৰা উদ্ধাৰ কৰি চৰাচৰ ব্ৰহ্মাণ্ড, সকলো দেৱতা আৰু 'সৰ্ব অৱতাৰৰ কাৰণ' স্বৰূপ 'ব্ৰহ্মাৰূপী সনাতন' মূলবস্তুৰ আদৰ্শ তেওঁ আমাৰ আগত দাঙি ধৰে" বুলি বৰ্ণনা কৰি 'বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান দান, বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি আমাৰ সামাজিক চৈতন্যৰ জাগৰণ আমাৰ জাতীয় আধ্যাত্মিক ক্ষেত্ৰত মহাপুৰুষৰ প্ৰধান দান' বুলি ড° বাণীকান্ত কাকতিয়ে আঙুলিয়াই দেখুৱাইছে। ইয়াৰ উপৰিও ঈশ্বৰক পাবৰ বাবে বাহ্যিক আচাৰ অনুষ্ঠান যাগ-যজ্ঞ, পূজা-অৰ্চনা, তীৰ্থযাত্ৰা আদিৰ বিপৰীতে মুখে বোলা ৰাম নাম হৃদয় ধৰা ৰূপ। এতেকে মুকুতি পাইবা কহিলো স্বৰূপ'ক ঈশ্বৰ চিন্তাৰ প্ৰধান ক্ষেত্ৰ বিশুদ্ধ হৃদয়, বিশুদ্ধ মন বুলি

গুৰুজনাই দৃঢ়কৈ প্ৰতিপন্ন কৰি থৈ গৈছে। ইয়াকে ড° কাকতিয়ে 'বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰক আধ্যাত্মিক উপলব্ধিৰ প্ৰধান লীলাক্ষেত্ৰ বুলি ডাঠ কৈ কৰা প্ৰতিপাদন' মহাপুৰুষৰ আন এটি দান বুলি উল্লেখ কৰিছে। এনে দৃষ্টিভঙ্গীৰে ৰচনা কৰা শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা, দশম আদি গ্ৰন্থৰ লগত ভক্তি-প্ৰদীপ গ্ৰন্থ তুলনা নকৰিও ক'ব পাৰি যে ভক্তি-প্ৰদীপ গ্ৰন্থৰ মাজেৰে শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্মৰ আদৰ্শ আৰু ইয়াৰ গ্ৰহণযোগ্যতা বিভিন্ন প্ৰক্ৰিয়াৰে উপস্থাপন কৰি একেশ্বৰবাদ আৰু ভক্তিবাদৰ প্ৰামাণ্য সুন্দৰভাৱে প্ৰতিপন্ন কৰি থৈ গৈছে।

## ২.২ উদ্দেশ্য (Objectives)

*ভক্তি-প্ৰদীপ* বিষয়ক এই বিভাগটি অধ্যয়ন কৰি আপুনি—

- শঙ্কৰদেৱৰ ভক্তিমূলক ৰচনাসমূহৰ পৰিচয় পোৱাৰ লগতে নৱ-বৈষ্ণৱ আন্দোলনত সেই গ্ৰন্থসমূহৰ ভূমিকা সম্পৰ্কে জানিব পাৰিব;
- *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ মূল বিষয়বস্তু ক'ৰপৰা গ্ৰহণ কৰা হৈছিল আৰু শঙ্কৰদেৱে তাক কেনেদৰে উপস্থাপন কৰিছিল সেই সম্পৰ্কে জানিব পাৰিব;
- শঙ্কৰদেৱৰ ভক্তি ধৰ্মৰ বৈশিষ্ট্য সম্পৰ্কে জানিব পাৰিব;
- *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ মূল প্ৰতিপাদ্য বিষয়ৰ লগত সম্পৰ্ক স্থাপন কৰিব পাৰিব; আৰু
- *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ ৰচনা-ৰীতি সম্পৰ্কে জানিব পাৰিব।

## ২.৩ শঙ্কৰদেৱৰ ভক্তিমূলক ৰচনা

ভূমিকাতে উল্লেখ কৰি অহা হৈছে শঙ্কৰদেৱৰ সকলো সাহিত্য কৰ্মই আছিল নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ এক ভাষিক মাধ্যম। গতিকে অৱধাৰিতভাৱেই ভক্তি-ধৰ্মৰ আদৰ্শ, দৰ্শন আৰু ইয়াৰ তাত্ত্বিক দিশসমূহৰ ব্যাখ্যাই আছিল শঙ্কৰদেৱৰ সকলো সাহিত্য কৰ্মৰ মূল প্ৰতিপাদ্য বিষয়। গীতাৰ একশৰণ তত্ত্ব, ভাগৱত পুৰাণৰ সৎসঙ্গ আৰু সহস্ৰনামখণ্ড পদ্ম পুৰাণৰ পৰা নাম ধৰ্মলৈ শঙ্কৰদেৱে তেওঁৰ প্ৰচাৰিত ধৰ্মৰ মূল জুমুথি প্ৰস্তুত কৰিছিল। আন আন ধৰ্মৰ প্ৰচাৰকসকলৰ দৰে তেওঁ ধৰ্ম দৰ্শনৰ কোনো সুকীয়া টীকা-ভাষ্য ৰচনা নকৰি 'সমস্ত-বেদান্ত সাৰ শ্ৰীভাগৱত শাস্ত্ৰ' বুলি ভাগৱত প্ৰতিপাদিত বেদান্ত ধৰ্মকে ভক্তি ধৰ্মৰ মূল অৱলম্বন হিচাপে গ্ৰহণ কৰিছিল। 'কিন্তু তেওঁৰ ৰচনাৱলীত শ্ৰীধৰ স্বামীৰ 'শ্ৰীভাগৱত ভাবাৰ্থ-দীপিকা'ৰ প্ৰভাৱ গভীৰ ভাৱে পৰিছিল; আনকি শঙ্কৰদেৱে কেতিয়াবা অবিকলভাৱে আৰু কেতিয়াবা অলপ মাত্ৰ ইফাল-সিফাল কৰি শ্ৰীধৰ টীকাৰ উদ্ধৃতি দিয়াটো মনকৰিবলগীয়া কথা' বুলি ড° মহেশ্বৰ নেওগে উল্লেখ কৰিছে।

শঙ্কৰদেৱৰ আগৰে পৰা অসম মুলুকত এক সাহিত্যিক আদৰ্শৰ স্বচ্ছ সোঁত প্ৰবাহিত আছিল। তেওঁৰ পূৰ্বসুৰীসকলৰ পৰা এক সাহিত্যিক ভাষা আৰু কেইটামান ছন্দ— পদ, দুলড়ি, ছবি আৰু ঝুমুৰী ছন্দৰ আদৰ্শ পাইছিল যদিও নিজৰ সৃজনীশীল প্ৰতিভা শক্তিৰ বলত সিবোৰৰ পৰিসৰ আৰু কমনীয়তা বৃদ্ধি কৰি অসমীয়া ভাষাক নিটোল ৰূপত গঢ়ি এক যুগজয়ী সাহিত্যৰ সৃষ্টি কৰিছিল। সংস্কৃত টোটয় ছন্দৰ 'মধু-দানব-দাৰণ' স্তোত্ৰটি আৰু প্ৰকৰণ গ্ৰন্থ *ভক্তি-ৰত্নাকৰ*ক এৰি দি তেওঁৰ অসমীয়া ৰচনাৱলীক ড° মহেশ্বৰ নেওগে তেওঁৰ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থত উল্লেখ কৰা ধৰণে সজাব পাৰি—

| | | | |
|---|---|---|---|
| ১। | উপাখ্যান | ঃ | হৰিচন্দ্ৰ উপাখ্যান, ৰুক্মিণীহৰণ কাব্য, বলিছলন, অমৃত মন্থন, অজামিল উপাখ্যান আৰু কুৰুক্ষেত্ৰ। |
| ২। | অনুবাদমূলক | ঃ | ভাগৱতৰ প্ৰথম, দ্বিতীয়, ষষ্ঠ খণ্ড (কেৱল অজামিল উপাখ্যান) অষ্টম স্কন্ধ (বলিছলন, অমৃত মন্থন) নৱম স্কন্ধ দশম স্কন্ধ (আদ্য) একাদশ, দ্বাদশ স্কন্ধ ভাগৱত আৰু উত্তৰা-কাণ্ড ৰামায়ণ। |
| ৩। | তত্ত্বমূলক আলোচনা | ঃ | *ভক্তি-প্ৰদীপ* , অনাদি পাতন, নিমি-নৱসিদ্ধ সংবাদ (আৰু সংস্কৃতৰ ভক্তি-ৰত্নাকৰ)। |
| ৪। | নাম-প্ৰসঙ্গ | ঃ | কীৰ্তন-ঘোষা আৰু গুণমালা। |
| ৫। | গীত | ঃ | বৰগীত, ভটিমা, তোটয় আৰু চপয়। |
| ৬। | নাটক | ঃ | পত্নী-প্ৰসাদ, কালীয়-দমন, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাত হৰণ আৰু ৰাম বিজয়। |

**আত্মমূল্যায়ন প্ৰশ্ন**

শংকৰদেৱৰ দ্বাৰা ৰচিত সাহিত্য ৰাজিৰ বিষয়ে এটি চমু আলোচনা যুগুত কৰক? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

...................................................................................

...................................................................................

...................................................................................

## ২.৪ শঙ্কৰদেৱৰ ভক্তি ধৰ্মৰ বৈশিষ্ট্য

শঙ্কৰপূৰ্ব যুগতে অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচলন আছিল যদিও সি নিস্তৰঙ্গ পানীৰ দৰে। সি জন-গণৰ চিত্ত স্পৰ্শ কৰি ভক্তি মাৰ্গত অৱগাহন কৰোৱাব পৰা নাছিল; কিন্তু শঙ্কৰদেৱ প্ৰৱৰ্তিত একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মই জনগণৰ হৃদয় জয় কৰি ভক্তিৰ থাপনা জলমলোৱাই নহয় আপামৰ জনতাৰ হিয়াৰ আমঠু হৈ পৰিল। এই নৱবৈষ্ণৱ ধৰ্মৰ মূল বৈশিষ্ট্যসমূহ হ'ল—

ভাৰতবৰ্ষৰ বৈষ্ণৱ ধৰ্মৰ সকলো সম্প্ৰদায়ৰ লোকে বিগ্ৰহ উপাসনা স্বীকাৰ কৰি ল'লেও শঙ্কৰদেৱৰ ভক্তিমতত বিগ্ৰহ উপাসনাৰ স্থান নাই। অৱশ্যে নিৰ্গুণ পন্থী কবীৰ আৰু শিখগুৰু নানকদেৱেও মূৰ্তিৰ অস্তিত্ব স্বীকাৰ কৰি লোৱা নাই। শঙ্কৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ আদৰ্শত নামঘৰ মণিকূটৰ সিংহাসনত ভাগৱত পুৰাণ প্ৰতিষ্ঠা কৰি ঈশ্বৰ উপাসনা কৰা হয়।

শঙ্কৰদেৱৰ ধৰ্মমতৰ আন এটি বৈশিষ্ট্য হ'ল— এক ভগৱন্তত শৰণ অৰ্থাৎ একশৰণীয়া। একমাত্ৰ কৃষ্ণহে এই ধৰ্মৰ ভজনীয় দেৱতা। এইফালৰপৰা গীতাৰ একশৰণৰ আদৰ্শ শঙ্কৰদেৱৰ ধৰ্মমতৰ প্ৰধান আদৰ্শ অৰ্থাৎ একশৰণ তত্ত্বৰ প্ৰতি অবিচল আস্থা; এক আৰু অদ্বিতীয় বিষ্ণু কৃষ্ণৰ প্ৰতি একান্ত ভক্তি।

ঈশ্বৰ কৃষ্ণত ভক্তিকে সৰ্বাধিক গুৰুত্ব দিয়া হৈছে। শ্ৰৱণ, কীৰ্তন, অৰ্চন, বন্দন, স্মৰণ, পদসেৱন, দাস্য, সখিত্ব, দেহ-অৰ্পণ এই নৱ-বিধা ভক্তিৰ ভিতৰত শ্ৰৱণ কীৰ্তনকে মুখ্য স্থান দিয়া হৈছে। শঙ্কৰদেৱৰ ধৰ্মমতত মোক্ষ বা মুক্তি প্ৰধান নহয় ৰসময়ী ভক্তিহে প্ৰধান। মুক্তিতকৈয়ো ভক্তিহে শ্ৰেষ্ঠ।

শঙ্কৰদেৱৰ ধৰ্মমতত কৰ্ম-ধৰ্মৰ কোনো স্থান নাই। যাগ-যজ্ঞ, তীৰ্থ-ব্ৰত, তপ-জপ-যোগ আদিৰ ঠাইত শুদ্ধভাৱে একমাত্ৰ ভগৱান কৃষ্ণৰ নাম ল'লেই এই সংসাৰৰ পৰা পৰিত্ৰাণ

পাব পাৰি। শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা এই নাম ল'ব পাৰি। সেই হেতুকে এই ধৰ্ম— নাম ধৰ্ম। ভাৰতবৰ্ষৰ আন আন বৈষ্ণৱ মতৰ বৈষ্ণৱাচাৰ্যসকলে সুকীয়াকৈ ভাষ্য ৰচনা কৰি নিজস্ব মত প্ৰতিষ্ঠা কৰি থৈ গৈছে। কিন্তু শঙ্কৰদেৱৰ ধৰ্মমতৰ কোনো সুকীয়া ভাষ্য গ্ৰন্থ নাই। বেদান্তসূত্ৰৰ অভ্ৰান্ত ব্যাস-ভাষ্য শ্ৰীমৎ ভাগৱতকে আধাৰ গ্ৰন্থ হিচাপে গ্ৰহণ কৰা হৈছে। সেই কাৰণে এই ধৰ্মক ভাগৱতী ধৰ্মও বোলে।

নাম-দেৱ গুৰু ভকত এই চাৰিবস্তুৰ মাজত স্থাপন কৰা শ্ৰদ্ধাভৰা সম্পৰ্ককে ভক্তিৰ চাৰিসুঁতি বুলি প্ৰতিপন্ন কৰা হৈছে।

শঙ্কৰদেৱৰ ধৰ্মমতৰ আন এটি বৈশিষ্ট্য হ'ল— সকলো জীৱৰ প্ৰতি সমভাৱ স্থাপন। তেওঁৰ আদৰ্শমতে ভক্তিধৰ্মত জাতি ধৰ্ম বৰ্ণৰ কোনো ভিন্নতা নাই—

*ব্ৰাহ্মণৰ চাণ্ডলৰ নিবিচাৰি কুল।*
*দাতাত চোৰত যেন দৃষ্টি সমতুল।।*
*নীচত সাধুত যাৰ ভৈল এক জ্ঞান।*
*তাকেসে পণ্ডিত বুলি সি সি সৰ্বজান।।*

এয়ে হ'ল তেওঁৰ ধৰ্মমতৰ উদাৰতা।

শঙ্কৰদেৱৰ ধৰ্মমতত দাস্য আৰু বাৎসল্য ভক্তিৰ প্ৰতি গভীৰ অনুৰাগ প্ৰকাশ মন-কৰিবলগীয়া বৈশিষ্ট্য। আন বৈষ্ণৱ আদৰ্শত থকা মধুৰ ভাৱৰ লগত শঙ্কৰদেৱৰ ধৰ্মমতৰ সম্পৰ্ক নাই। তাৰ ঠাইত ভক্ত নিজকে অচনা ভক্তিত আপ্লুত হৈ ভগৱন্তৰ চৰণত সৰুতকৈয়ো সৰু বুলি অথবা দাসৰো দাস বুলি ভক্তিৰসত নিমজ্জিত হোৱাই এই ধৰ্মমতৰ বৈশিষ্ট্য।

শঙ্কৰদেৱে ধৰ্মৰ মাজেৰে সমাজত প্ৰেম-প্ৰীতি, দয়া-দাক্ষিণ্য, অহিংসা আদি বিশ্বজনীন ভাব প্ৰচাৰ কৰি সমাজৰ ৰূপান্তৰ কৰিবলৈ কৰা প্ৰচেষ্টা আৰু পদদলিত, অৱহেলিত জনগণৰ সামাজিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ প্ৰচেষ্টা এক অননুকৰণীয় বৈশিষ্ট্য।

**আত্মমূল্যায়ন প্ৰশ্ন**

শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................
.......................................................................
.......................................................................

### ২.৫ 'ভক্তি-প্ৰদীপ' গ্ৰন্থত বৰ্ণিত বিষয়বস্তু

**প্ৰথম অধ্যায় ঃ**

**ৰাজসূয় যজ্ঞত মোক্ষ লাভৰ উপায় সম্পৰ্কে ঋষিসকলৰ আলাপ আলোচনাঃ**

ৰজা যুধিষ্ঠিৰে আয়োজন কৰা ৰাজসূয় যজ্ঞত সমবেত হোৱা দেৱৰ্ষি, ৰাজৰ্ষি, ব্ৰহ্মঋষিসকলে মোক্ষ লাভৰ বিষয়ে কৰা আলাপ আলোচনা প্ৰসঙ্গত কোনোৱে ক'লে, 'যজ্ঞ, দান, ব্ৰত আদিৰ মাধ্যমেৰে মোক্ষ লাভ কৰিব পাৰি; কোনোৱে ক'লে, মহাযোগ, জ্ঞান আদিৰ সহায়তহে জীৱৰ মোক্ষ সম্ভৱ; কোনোৱে ক'লে ৰাজসূয় যজ্ঞৰ দ্বাৰাহে মোক্ষ লাভ হয়। তেতিয়া অঙ্গিৰা আৰু নাৰদ মুনিয়ে ক'লে যে জ্ঞান, কৰ্মযোগ মহাকষ্টকৰ আৰু জ্ঞান-কৰ্মযোগত অকণমান দোষ হ'লেই সকলো ভ্ৰষ্ট হয়। তদুপৰি ৰাজসূয় যজ্ঞ কৰি ব্ৰহ্মলোক লাভ হ'লেও পূণ্য ক্ষয় হ'লেই দুনাই আহি সংসাৰচক্ৰত ভ্ৰমিব লগা হয়; তপ, যোগ সাধনা কৰি ব্ৰহ্মলোক পালেও সি ইন্দ্ৰিয়ৰহে সুখ মাত্ৰ, তাত আত্মসুখ নাথাকে। গতিকে মায়াময় দেৱধৰ্ম অস্থায়ী।

**কৃষ্ণ আৰু অৰ্জুনৰ কথোপকথন ঃ**

অঙ্গিৰা আৰু নাৰদ মুনিৰ কথা শুনি অৰ্জুনৰ মনত সংশয় উপস্থিত হ'ল আৰু পৰমব্ৰহ্মৰূপ কৃষ্ণক ওচৰতে পাই মনৰ সংশয় দূৰ কৰিবলৈ অৰ্জুনে কৃষ্ণক কাকুতি কৰিলে। তেতিয়া কৃষ্ণই ক'লে যে ৰাজসূয় যজ্ঞ, তুলাদান, যাগ-যোগ-যজ্ঞ-দান কৰি জীৱই মোক্ষ লাভ কৰাৰ বিপৰীতে এই ঘোৰ সংসাৰচক্ৰতহে পৰিব লগা হয়। ৰাজসূয় যজ্ঞ কৰি কোনোবাই ব্ৰহ্মৰ ভুবন লাভ কৰিব পাৰে, তুলাদানৰ জৰিয়তে তপলোক লাভ কৰিব পাৰে আৰু আন যাগ-যজ্ঞ কৰি ইন্দ্ৰৰ ভুবন লাভ কৰিব পাৰে; কিন্তু ভক্তিহীন জ্ঞান-যোগ সাধনাৰ দ্বাৰা স্বৰ্গতো লাভ নহয়েই আন ফলো লাভ কৰিব নোৱাৰে। কাঠ-পতানৰ বাহানি যেনেকৈ নিৰৰ্থক, বৰষুণৰ পানীত মাছ পোৱাৰ আশা যেনেকৈ অৰ্থহীন তেনেকৈ ভক্তিহীন জ্ঞানযোগো নিষ্ফল। কৃষ্ণৰ এই বচন শুনি অৰ্জুনে মোক্ষ লাভৰ প্ৰকৃত উপায় সম্পৰ্কে কৃষ্ণক প্ৰশ্ন কৰিলে। তেতিয়া কৃষ্ণই ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি ক'লে— 'মোক (কৃষ্ণক) ভক্তি কৰিলেই সকলো কৰ্মবন্ধনৰ ছেদ হয়।' কাৰণ হৰিভক্তিত কোনো যত্নৰ প্ৰয়াস নাথাকে আৰু ই বিঘিনি ৰহিত। তৰ্ক শাস্ত্ৰ, বেদ, বেদান্ত আদি সকলো জনা থাকিলেও, কৌটি কৌটি জন্ম ধৰি যোগ-জ্ঞান অভ্যাস কৰিলেও কৃষ্ণক জানিব নোৱাৰি; কাৰণ অকল কৃষ্ণ ভক্তিৰ দ্বাৰাহে হৰিক লাভ কৰিব পাৰি। হৰি-ভক্তিৰ গুণৰ কথা কৈ অন্ত কৰিব নোৱাৰি আৰু হৰি-ভক্তিৰ বাহিৰে আন মুক্তিদাতা নাই। বেদমন্ত্ৰৰাজিয়ে তাৰ প্ৰত্যক্ষ প্ৰমাণ।

**ভক্তি আৰু ভক্তিৰ লক্ষণ ঃ**

ভক্তিয়ে মোক্ষৰ একমাত্ৰ উপায় বুলি জনাৰ অন্তত অৰ্জুনে ভক্তি কি আৰু ইয়াৰ লক্ষণ কেনেকুৱা সেই বিষয়ে কৃষ্ণৰ পৰা স্পষ্টভাৱে জানিবলৈ বিচৰাত কৃষ্ণই ক'লে- 'হৰিকথা শ্ৰৱণ কীৰ্তন বিনে আন শ্ৰেষ্ঠ ভক্তি (ধৰ্ম) নাই। কৃষ্ণৰ জন্ম-কৰ্ম, গুণ-নাম অহৰহ অবিশ্ৰাস কীৰ্তন কৰিব লাগে। কৃষ্ণকথা শ্ৰৱণত ৰতি জন্মিলেই তাক উত্তম ভক্তি বুলি কোৱা হয়। কৃষ্ণই চৰাচৰ বিশ্বৰ আত্মাস্বৰূপ; তেঁৱেই ব্ৰহ্মা আদি সকলো দেৱতাৰো পৰম দেৱতা। সেই কাৰণে আন সকলো দেৱতাকো এৰি একমাত্ৰ কৃষ্ণক ভজিলেই সকলো কৰ্মবন্ধৰ পৰা মুক্ত হ'ব পাৰি। অন্য দেৱতাক এৰি প্ৰধান দেৱতা কৃষ্ণত শৰণ লোৱাটোৱে একশৰণ। সকলো ধৰ্ম পৰিত্যাগ কৰি এক কৃষ্ণত শৰণ ভজন লোৱাটোকে অব্যাভিচাৰী ভক্তি বুলি কোৱা হয়। এই অব্যাভিচাৰিণী ভক্তিৰ দ্বাৰাই কৰ্মবন্ধৰ পৰা অপ্ৰয়াসে মুক্তি লাভ কৰিব পাৰি।

**কৃষ্ণ ভক্তিয়েহে পাপ বিনাশ কৰিব পাৰে ঃ**

ইমানতো মনৰ সংশয় দূৰ নোহোৱাত অৰ্জুনে পুনৰাই কৃষ্ণক প্ৰশ্ন কৰিছে 'অনেকে কৃষ্ণক ভক্তি কৰে যদিও মনৰ পৰা কাম-ক্ৰোধ ত্যাগ নকৰি প্ৰাণী হিংসাত লিপ্ত হৈ পাপ অৰ্জন কৰে আৰু হাঁহ-ছাগলী বলি দি পূজা কৰি প্ৰাণী হিংসাত প্ৰৱৰ্তে। এনে লোক আন দেৱতাৰ ওচৰত অপৰাধী হ'ব পাৰে নেকি অথবা তেওঁলোকৰ ভক্তি কেনেদৰে সিদ্ধ হ'ব?' অৰ্জুনৰ সন্দেহ ভঞ্জন কৰি কৃষ্ণই কৈছে যে কোনো লোক দূৰাচাৰী হ'লেও তেওঁ যদি আন দেৱতাক পূজা নকৰি একমাত্ৰ কৃষ্ণকহে ভজনা কৰে আৰু একান্ত ভাবে কৃষ্ণকহে ভজনা কৰে তেনেহ'লে তেঁৱেই পৰম সাধু আৰু হৰিপ্ৰাণস্বৰূপ। তেওঁক কোনো দোষে স্পৰ্শ কৰিব নোৱাৰে; তেওঁ নিশ্চয়কৈ মোক্ষ লাভ কৰিব পাৰে। অনাচাৰ কৰিলে কৃষ্ণদ্ৰোহী নহয়, আন দেৱ-দেৱীক পূজা কৰাজনহে কৃষ্ণদ্ৰোহী। 'মোতকৈ আৰু আন কোনো দেৱতাই মহামোক্ষ দান কৰিব নোৱাৰে।' তথাপি যদি কৃষ্ণক নভজি আন দেৱতাক ভজে তেনেহ'লে তেওঁ কুকুৰ মাংস ভক্ষণকাৰী মহা

ম্লেচ্ছতকৈয়ো অধম, তেওঁ চণ্ডালৰো অশোচ্য, অপবিত্ৰ; তেঁৱেতকৈ আৰু মহাপাতকী আন কোনো নাই। আন দেৱ-দেৱীক পূজা কৰি বলি বিধান কৰাসকল ৰাক্ষস অসুৰতকৈয়ো অধিক আৰু তেওঁলোক জন্ম-জন্মান্তৰে পাপত পতিত হয়। কৰ্ম কাণ্ড বিশ্বাসী হৈ তেওঁলোক প্ৰকৃত হৰিভক্তিৰ পৰা সখলিত হয়; অকাৰণে ভকতৰ বিৰোধ কৰে আৰু নৰক যন্ত্ৰণাৰ পৰা কোনো দিনে নিস্তাৰ নাপায়। সেইকাৰণে অন্য দেৱতাক পূজা নকৰি, কৰ্ম-ধৰ্ম পৰিহাৰ কৰি একমাত্ৰ কৃষ্ণত শৰণ ল'ব লাগে। অন্য দেৱী-দেৱ সকলো মায়াময়; সেয়েহে সকলো ধৰ্ম পৰিত্যাগ কৰি একমাত্ৰ কৃষ্ণত শৰণাগত হৈ ভক্তিধৰ্ম আচৰণ কৰিলেই প্ৰকৃত মোক্ষ লাভ হয়। এই কথা গীতাতো উল্লেখ আছে। কলি কালত কৃষ্ণভক্তিয়ে একমাত্ৰ মোক্ষৰ পথ।

**দ্বিতীয় অধ্যায় ঃ**

**সুশীল ব্ৰাহ্মণ আৰু চণ্ডালিনীৰ কাহিনী ঃ**

প্ৰথম অধ্যায়ত বৰ্ণনা কৰা অনুসৰি কৃষ্ণক নভজি আন দেৱ-দেৱীক ভজোতাজন চণ্ডালতকৈয়ো অধম আৰু আনকি চণ্ডালৰো অস্পৃশ্য হোৱা কথাত পতিয়ন যাব নোৱাৰি অৰ্জুনে নিজৰ মনত ওপজা সংশয় আতৰাবলৈ কৃষ্ণৰ ওচৰত পুনৰাই প্ৰশ্নৰ অৱতাৰণা কৰিছে আৰু তাক প্ৰত্যক্ষ উদাহৰণেৰে দেখুৱাই দিবলৈ কাকুতি কৰিছে। তেতিয়া কৃষ্ণই অৰ্জুনৰ সন্দেহ ভঞ্জন কৰিবলৈ সুশীল ব্ৰাহ্মণ আৰু চণ্ডালিনীৰ কাহিনীভাগ ক'বলৈ ধৰিলে।

অতি পুৰণি কালত এগৰাকী কৃষ্ণভক্তা চণ্ডালিনী আছিল। কৃষ্ণভক্তিৰ বাহিৰে আন কোনো বিষয়তে তেওঁৰ ৰতি নাছিল। এদিন সখীয়েকসকলৰ লগত ৰং ধেমালী কৰি কৃষ্ণৰ নামগুণ গাই কৃষ্ণভক্তিত আপ্লুত হৈ গঙ্গাৰ পাৰত উপস্থিত হ'লগৈ। তাতে এজন পুৰুষে (সুশীল ব্ৰাহ্মণ) ইন্দ্ৰকে সকলো দেৱতাতকৈ শ্ৰেষ্ঠ বুলি মানি অগ্নিত আহুতি প্ৰদান কৰি কৃতাঞ্জলি হৈ মহাস্বৰ্গপদ কামনাৰে ইন্দ্ৰৰ গুণ-গান স্তৱ কৰি পূজা সেৱা কৰি থকা দেখিবলৈ পালে। এনে কাৰ্য দেখি বিস্ময়াভিভূত হৈ চণ্ডালিনীয়ে সুশীল ব্ৰাহ্মণেনো কাক পূজা কৰিছে সেই বিষয়ে জানিবলৈ বিচাৰিলে। চণ্ডালিনীৰ কথা শুনি ব্ৰাহ্মণে প্ৰথম ঠেহ ধৰি বহি আছিল যদিও অলপ পাছত চকু মেলি মহাগৰ্বভাবেৰে চণ্ডালিনীক ক'লে যে বিষ্ণু কেশৱতকৈয়ো যিজন শ্ৰেষ্ঠ, যাক সকলোৱে সেৱা কৰে সেই ত্ৰিদশ অধীশ্বৰ জলাধিপতি দেবেন্দ্ৰ মহেন্দ্ৰক মহা স্বৰ্গপদ লাভৰ অৰ্থে ধূপ দীপ পুষ্পৰে নিতৌ পূজা সেৱা কৰে। তদুপৰি এনেবোৰ কথা চণ্ডালিনীক কোৱা উচিত নহয় বুলি মদগৰ্বী ব্ৰাহ্মণে আসন ঘূৰাই বহি মৌন থৈ থাকিল।ব্ৰাহ্মণৰ কথা শুনি বিস্ময়চিত্তে চণ্ডালিনীয়ে কাণত বুঢ়া আঙুলি দি 'বিষ্ণু' 'বিষ্ণু' স্মৰণ কৰিবলৈ ধৰিলে।

তেতিয়া কৃষ্ণই অৰ্জুনক ক'লে যে ব্ৰাহ্মণৰ জৰিয়তে বিষ্ণু ভিন্ন আন দেৱতাৰ কথা শুনিব লগীয়া হোৱা বাবে চণ্ডালিনীয়ে মহাপাপত পতিত হ'ল বুলি ভাবি মনত খেদ কৰিবলৈ ধৰিলে। চণ্ডালিনীয়ে আক্ষেপ কৰি ক'লে যে আন দেৱতাৰ পূজা কৰি ছাৰখাৰ হোৱা এনে দুৰ্ভগীয়া লোক ইহসংসাৰত আৰু কোনো নাই। কাৰণ কৃষ্ণক স্মৰণ কৰিলেই সকলো দেৱতা সন্তুষ্ট হয় বুলি উপনিষদত স্পষ্টভাৱে কোৱা হৈছে। তেনে ক্ষেত্ৰত কৃষ্ণক নভজি ইন্দ্ৰক পৃথকে পূজা কৰি বেদবাক্য উলঙ্ঘা কৰি সেই ব্ৰাহ্মণ পাপত পতিত হৈছে। ভাৰতবৰ্ষত জন্ম লাভ কৰি কৃষ্ণক অৱজ্ঞা কৰা কাৰ্যই তেওঁৰ জীৱন বিপন্ন কৰি তুলিব। কৃষ্ণক ত্যাগ কৰি ইন্দ্ৰক পূজিব লোৱা মানেই মাণিক ত্যাগ কৰি কাচক বোটলাৰ লেখীয়া কথা। কাৰণ ইন্দ্ৰই নিজক ৰক্ষা কৰিবলৈকে অপৰাগ; কিয়নো বলি ৰজাই যেতিয়া ইন্দ্ৰক সিংহাসনচ্যুত কৰিছিল তেতিয়া ভগৱান কৃষ্ণইহে বলি ৰজাৰ পৰা দান লও বুলি বলিক পাতাললৈ খেদি দেবেন্দ্ৰক স্বৰ্গৰ সিংহাসনত

পুনঃ প্ৰতিষ্ঠা কৰিছিল। গতিকে ইন্দ্ৰক শ্ৰেষ্ঠ দেৱতা বুলি কোৱাটো দেখাতেই হাস্যস্পদ কথা। এনে হৰি বিমুখ লোকৰ মুখ দেখাও পাপ। তাতে বিপ্ৰৰ লগত হোৱা আলাপৰ বাবে চণ্ডালিনীকো পাপে স্পৰ্শ কৰিলে। এনে পাপৰ পৰা উদ্ধাৰ পাবলৈ বিষ্ণু পদোদকৰ পৰা উদ্ভৱ হোৱা জগৎ পৱিত্ৰকাৰী গঙ্গাৰ জলত স্নান কৰি বিষ্ণুক স্তুতি কৰিবলৈ ধৰিলে। গঙ্গা স্নানৰ পৰা বাহ্য শৰীৰৰ পাপ দূৰ হ'লেও মানসিক পাপ দূৰ কৰিবলৈ মহাভক্তিভাবে কৃষ্ণৰ সহস্ৰ নাম স্মৰণ কৰি কৃষ্ণত একান্তভাবে শৰণাপন্ন হ'ল। কৃষ্ণক 'নিৰুপায় ভকতি' প্ৰাৰ্থনা কৰি শিৰ নত কৰি বাৰে বাৰে কৃষ্ণক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে আৰু এনে কৰোতে চণ্ডালিনীৰ তনু-মন-দেহ কৃষ্ণপ্ৰেম ভক্তি-ৰস প্ৰবাহত নিমজ্জিত হ'ল আৰু দেহ ৰোমাঞ্চিত হ'বলৈ ধৰিলে। কৃষ্ণপ্ৰেমত বিগলিত চণ্ডালিনীৰ আনন্দ লোতক নিগৰিবলৈ ধৰিলে।

**নাৰদ আৰু চণ্ডালিনীৰ কথোপকথন ঃ**

চণ্ডালিনীৰ কৃষ্ণপ্ৰেমত বিস্ময় মানি সেই সময়তে নাৰদ মুনি তাতে উপস্থিত হ'ল। বিষ্ণুমায়া ভেদ কৰি আত্মশুদ্ধ হোৱা চণ্ডালিনীৰ ভক্তি ভাবে নাৰদ মুনিক বিস্ময়াভূত কৰিলে। সেয়েহে পৰম কৌতুহলেৰে নাৰদে তেওঁনো কাৰ নাম জপ কৰি আছে সুধিলে। তেতিয়া চণ্ডালিনীয়ে নাৰদৰ চৰণত প্ৰণিপাত জনাই হাতযোৰ কৈ ক'বলৈ ধৰিলে যে এই মহাপাতকী ব্ৰাহ্মণৰ লগত হোৱা আলাপৰ বাবে তেওঁ মহাপাপ অৰ্জন কৰিলে আৰু তাৰ পৰিত্ৰাণৰ বাবে গঙ্গাত স্নান কৰি বাহ্য শৰীৰ শুদ্ধ কৰিলে যদিও কৌটি স্নানৰ দ্বাৰাও যিহেতু অভ্যন্তৰৰ পাপ খণ্ডন নহয় সেয়েহে তেওঁ জগৎ পৱিত্ৰকাৰী 'কৃষ্ণনাম' অবিশ্ৰামে স্মৰণ কৰিছে। কাৰণ 'কৃষ্ণনাম' স্মৰণৰ প্ৰভাৱতহে যে সম্পূৰ্ণ পাপ বিনাশ হয় তাত তেওঁৰ সন্দেহ নাই। নাৰদে পুনৰাই ক'লে যে তেওঁ এইটো অদ্ভুত কথা শুনিলে; কাৰণ অন্ত্যজৰো অন্ত্যজ চণ্ডালিনী নিজেই অপৱিত্ৰ। সেই অপৱিত্ৰ চণ্ডালিনীকো যে কোনোবাই অপৱিত্ৰ কৰিব পাৰে সেইটোহে আশ্চৰ্যৰ কথা। তেতিয়া চণ্ডালিনীয়ে নাৰদক ক'লে যে দেৱৰ্ষি নাৰদে নিজেই ভূত-ভৱিষ্যৎ সকলো কথা জানে; তথাপি নাৰদে যেতিয়া তেওঁৰ মুখৰ পৰাই শুনিবলৈ ইচ্ছা কৰিছে সেয়েহে চণ্ডালিনীয়ে সৰ্ব-শাস্ত্ৰসন্মত-ৰূপ স্বৰূপ কৃষ্ণই যে এই সংসাৰৰ একমাত্ৰ দেৱতা সেই তত্ত্ব ব্যক্ত কৰিলে। কৃষ্ণ নাম শ্ৰৱণ-কীৰ্তন কৰিলে মহাপাতকীয়েও মহাপাপৰ পৰা উদ্ধাৰ পায়। কৃষ্ণ ব্যতিৰেকে যিজনে আন দেৱতাক পূজা কৰে তেওঁ পশুতকৈও অধম; কুকুৰৰ মাংস ভক্ষণকাৰী মহাম্লেছতকৈয়ো অধম। তেনে এজন মহাপাতকীৰ লগত কথা পাতি তেওঁ পাপ অৰ্জন কৰিলে আৰু দেহ-মন অপৱিত্ৰ হ'ল আৰু সেই দুৰ্বাৰ মহাপাপৰপৰা উদ্ধাৰ পাবলৈ তেওঁ নিৰন্তৰে কষ্ণনাম মহামন্ত্ৰ জপ কৰিছে। তেওঁ আৰু ক'লে যে কৃষ্ণই তেওঁৰ পৰম বান্ধৱ; সেই কাৰণে সংসাৰৰ সমস্ত ত্যাগ কৰি তেওঁতে দেহ-মন সকলো অৰ্পণ কৰিছে। চণ্ডালিনীৰ কৃষ্ণভক্তি দেখি নাৰদ বিমুগ্ধ হ'ল। সামান্য চণ্ডালিনী হৈয়ো কৃষ্ণত একচিত্ত দি একশৰণ ভক্তিৰে তেওঁ প্ৰশংসাৰ পাত্ৰ। সেয়েহে চণ্ডালিনীৰ গভীৰ আৰু একান্ত ভক্তি দেখি নাৰদে ক'লে যে তেওঁৰ সমান কৃষ্ণভক্তা আৰু জগতত নাই; আনকি তেওঁৰ দৰে উত্তমা ভক্তাৰ দৰ্শন লাভ কৰি নাৰদো পৰম কৃতাৰ্থ আৰু ধন্য হ'ল। চাৰিও বেদৰ তত্ত্বস্বৰূপ কৃষ্ণতত্ত্ব জনা এই চণ্ডালিনী অন্ত্যজা হৈয়ো অতি উত্তম আৰু মহাজ্ঞানী; এওঁৰ দৰ্শন পালেই পাপী-মহাপাপীয়েও উদ্ধাৰ পাব পাৰে। এওঁৰ দৰ্শনে জগৎ পৱিত্ৰ কৰিব পাৰে। তীৰ্থই পাপীক পৱিত্ৰ কৰে; কিন্তু চণ্ডালিনীৰ কৃষ্ণভক্তি দেখি নাৰদ প্ৰেমভাৱ'ত পুলকিত হ'ল। তেওঁৰ ভক্তিৰ পৰাকাষ্ঠাত নাৰদে তন্ময় আৰু তদ্‌গত হৈ ক'লে— *হে মাৰ, তুমি জগতৰ পূজ্য হ'লা, তুমি মোৰ বন্দনীয় হ'লা* । —এই বুলি নাৰদে চণ্ডালিনীক প্ৰণিপাত জনাই 'নাৰায়ণ' 'নাৰায়ণ' উচ্চাৰি ভকতৰ সঙ্গ বিচাৰি লোকান্তৰলৈ গ'ল।

**কৃষ্ণৰ দ্বাৰা অৰ্জুনক উপদেশ প্ৰদান ঃ**

নাৰদে গঙ্গানদীৰ সেই ঠাই ত্যাগ কৰাৰ পাছতে চণ্ডালিনীয়েও কৃষ্ণৰ নাম স্মৰণ কৰি ঘৰলৈ গ'ল আৰু কৃষ্ণৰ পদ-পদ্ম হৃদয়ত ধৰি অহৰ্নিশে কৃষ্ণৰ নাম স্মৰণ কৰি থাকিল। কৃষ্ণনাম শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা ভক্তি ৰসত নিমজ্জিত হৈ থাকোতে চণ্ডালিনীৰ শৰীৰ কৃষ্ণপ্ৰেমত পুলকিত হৈ পৰিল। দিনে দিনে তেওঁৰ অন্তৰত কৃষ্ণভক্তি গঢ় হৈ পৰিল আৰু তেওঁৰ একান্তিকা ভক্তিৰ বলতে চণ্ডাল কুলেও পৰম গতি লাভ কৰিলে। চণ্ডালিনীৰ কৃষ্ণপ্ৰেম প্ৰত্যক্ষ কৰাই কৃষ্ণই অৰ্জুনক উপদেশ দি ক'লে— *হে বান্ধৱ অৰ্জুন, তুমি মোৰ নাম-গুণ কীৰ্তন কৰা আৰু একচিত্তে মোকে সেৱা কৰা। অন্য দেৱ-দেৱীক দূৰতে পৰিহাৰ কৰা আৰু মোৰ বাক্য কোনো দিনে লংঘন নকৰিবা; মোতে মাত্ৰ শৰণ লোৱা আৰু মোকে মাত্ৰ ভজি তুমি মুকুতিৰ পাত্ৰ হোৱা। অন্য দেৱতাৰ নামো নুশুনিবা, তেতিয়া তোমাৰ ভক্তি ব্যাভিচাৰ নহ'ব। মোক সেৱা কৰিলেই তুমি মহামোক্ষ লাভ কৰিব পাৰিবা। মোৰ কথাত যদি পতিয়ন নিয়াব পৰা নাই তেনেহ'লে এক সুবৰ্ণৰ পত্ৰ দিও আৰু সেইখন তুমি শিৰত আৰিলৈ দিগ্বিজয় কৰি ফুৰা। যদিহে কোনোবা কুতৰ্কী পণ্ডিতে কোনো প্ৰতিবাদ কৰে তেনেহ'লে মোৰ পত্ৰ চাই তুমি সেই কুতৰ্কীক বাদত পৰাস্ত কৰিব পাৰিবা আৰু তেতিয়া তেনে পণ্ডিতে তোমাক গুৰু মানিবলৈ বাধ্য হ'ব। মোৰ এই বচন শিলৰ ৰেখাৰ দৰে সত্যঃ গতিকে ভক্তিত আশ্ৰয় গ্ৰহণ কৰা। মোত বাহিৰে অন্য দেৱতাক নভজিবা— পৰম সুহৃদ বুলি জানিয়ে তোমাক এই কথা ক'লো।* মাধৱৰ কথা শুনি অৰ্জুনৰ মনৰ সকলো সংশয় দূৰ হ'ল আৰু কৃষ্ণক তেওঁৰ গুৰু হ'বলৈ খাতনি ধৰিলে। কৃষ্ণক গুৰু ভজি অৰ্জুনে পুনৰাই ভকতৰ লক্ষণৰ বিষয়ে ক'বলৈ অনুৰোধ কৰি কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে।

**ভকতৰ লক্ষণ ঃ**

যিহেতু অৰ্জুন কৃষ্ণভক্তিত নিমজ্জিত হৈছে আৰু কৃষ্ণকে পৰম ঈশ্বৰ ভাবি তদ্গত চিত্তহৈ পৰিছে সেয়েহে কৃষ্ণই তেওঁৰ মনৰ সংশয় দূৰ কৰাৰ লগতে মনৰ অভিপ্ৰায় পূৰণ কৰিবলৈ তেওঁৰ জিজ্ঞাসা অনুযায়ী আন কোনো জ্ঞানী মুনিয়ে নজনা ভকতৰ লক্ষণৰ বিষয়ে বৰ্ণনা দিবলৈ ধৰিলে। প্ৰকৃত ভকত হ'বলৈ হ'লে প্ৰথমতে কৃষ্ণক একচিত্তহৈ বিশুদ্ধ অন্তৰৰ অধিকাৰী হ'ব লাগিব। সমস্ত মানব আৰু সকলো দেৱতাৰ মাজত কৃষ্ণইযে একমাত্ৰ চিনানন্দময় আৰু নিৰঞ্জন পুৰুষ এইকথা ধ্ৰুৱপ জানিবলৈ কৃষ্ণক অহৰ্নিশে স্মৰণ কৰিব লাগিব। কৃষ্ণৰ আদেশ উপদেশ জানি অৰ্জুনে কৃষ্ণক মহাভক্তি কৰি, চৰণ-পঙ্কজ হৃদয়ত সুদৃঢ়ভাৱে ধাৰণ কৰি এশবাৰ ৰাম-কৃষ্ণৰ নাম স্মৰণ কৰিলে। এনে স্মৰণৰ দ্বাৰা অৰ্জুনৰ মনৰ সকলো পাপ দূৰ হোৱাত কৃষ্ণই অৰ্জুনক সম্বোধন কৰি ক'লে যে যিহেতু ধনঞ্জয়ৰ মন-প্ৰাণ সকলো পৱিত্ৰ হৈছে গতিকে এতিয়া তেওঁ ভকতৰ সকলো লক্ষণ বিৱৰি ক'ব। আনত মতি ৰহিত কৰি একচিত্তহৈ পৰম আশ্চৰ্যস্বৰূপ ভকতৰ লক্ষণসমূহ নিৰ্ভয়ে শুনিবলৈ অৰ্জুনক আহ্বান জনালে। অপাৰ মহিমাযুক্ত কৃষ্ণভক্তই তীৰ্থস্থান, দেৱযান, দেৱতা আদি সকলোকে পৱিত্ৰ কৰে। কৃষ্ণভক্তৰ মহিমা লাভ কৰিবলৈ দেৱতাসকল ভকতৰ পিছে পিছে ফুৰিবলৈ বাধ্য হয়। এই দেৱতাসকলৰ ভিতৰত ইন্দ্ৰ, চন্দ্ৰ, সূৰ্য, কুবেৰ, বৰুণ, বায়ু, বহ্নি, প্ৰজাপতি, কমলা, কাৰ্তিক, চণ্ডিকা, শঙ্কৰ, গণেশ্বৰ, সৰস্বতী, অশ্বিনী কুমাৰ, ধৰ্ম, যমৰাজ আদি কৰি আন সকলো দেৱতা আছে। গঙ্গা, বাৰানসী, কেদাৰ, কাবেৰী, কালী, সিদ্ধ, কাঞ্চী, সিন্ধু, লুহিত, পুস্কৰ ক্ষেত্ৰ, পয়স্বিনী, কপিল, সপ্তসিন্ধু, কৌশকী, সোণাৰু, সৰযু, গণ্ডকী আদি কৰি যিমানবোৰ তীৰ্থস্থান আছে সেইবোৰেও নিজকে শুদ্ধ কৰিবলৈ ভকতৰ সঙ্গ-সান্নিধ্য বিচাৰে। তীৰ্থদেৱ সকলেও ভকতৰ সঙ্গসুখ লাভ কৰি কৃত্য কৃত্য হৈ নিজৰ জীৱন সফল হোৱা বুলি আপাৰ আনন্দ লাভ কৰে। পঞ্চবিধ মুক্তিয়েও মূৰ্তিমন্ত হৈ

ভকতসকলৰ কাষে কাষে ঘূৰি ফুৰে। সেয়েহে কৃষ্ণভক্তসকলৰ পূণ্য প্ৰতাপৰ মহিমা কৈ অন্ত পেলাব নোৱাৰি। ভকতে কিন্তু বেদবিহিত কৰ্মকাণ্ডী ধৰ্ম কৰাটো উচিত নহয়; আৰু যদি কোনোবাই কৰেও তেনেহ'লে তেওঁৰ ভক্তিধৰ্ম ভ্ৰষ্ট হ'ব। *যজ্ঞ, দান, জপ, তপ, তীৰ্থ, ব্ৰত, মহাজ্ঞান, যোগবল* আদি আচৰিলে তেওঁৰ পূণ্য বিফল হয়। তৰ্ক, বেদাগম, জ্ঞান, যোগ আদি শাস্ত্ৰই পুৰুষক অন্ধ কৰে আৰু এনে শাস্ত্ৰ চৰ্চাকাৰীয়ে কৌটি কৌটি জন্মতো কৃষ্ণক উপলব্ধি কৰিব নোৱাৰে। সেই কাৰণে এনেবোৰ শাস্ত্ৰৰ মন্ত্ৰচিন্তা দূৰতে পৰিহাৰ কৰি কৃষ্ণক পাবলৈ সদায় ভাগৱত গীতা শাস্ত্ৰহে শ্ৰৱণ-কীৰ্তন কৰিব লাগে। গীতা ভাগৱতত কৃষ্ণৰ শ্ৰেষ্ঠত্ব ব্যতিৰেকে আন কোনোৰে হয়তো আন শাস্ত্ৰত অন্য দেৱতাৰ শ্ৰেষ্ঠত্বৰ কথা ক'ব পাৰে; কিন্তু উপনিষদৰ মন্ত্ৰই ইয়াৰ অন্যতম সাক্ষী; কাৰণ উপনিষদৰ মন্ত্ৰয়ো কৃষ্ণভক্তিৰ শ্ৰেষ্ঠত্বকে প্ৰতিপন্ন কৰে। অন্য দেৱধৰ্ম সকলো মায়াময়; সেই কাৰণে ইবোৰ ত্যাগ কৰি কেৱল কৃষ্ণকহে একান্তভাৱে স্তুতি কৰিব লাগে। বেদমন্ত্ৰয়ো কেৱল কৃষ্ণকহে স্তুতি কৰে। পুৰাণ পুৰুষ সদানন্দ নিৰঞ্জন পৰম ব্ৰহ্মইহে জগৎ সৃষ্টি কৰে, প্ৰতিপালন কৰে আৰু সংহাৰ কৰে। তেওঁ অৰ্থাৎ কৃষ্ণই জগতৰ একমাত্ৰ স্বামী অৰ্থাৎ গৰাকী। সমস্ত জগৎ তেওঁ বিদ্যমান আৰু তেওঁ প্ৰকাশমান। যাৰ মায়াত দেৱতাসকলো বিমোহিত তেৱেঁই ভকতবৎসল, নিৰ্মল, নিশ্চল, তেৱেই দেৱতাৰো দেৱতা। ব্ৰহ্মাদি দেৱতাকো তেৱেই চেতন কৰায়। কৃষ্ণই পৰম ঈশ্বৰ, সৰ্বজীৱৰ প্ৰকাশক। বেদ-মন্ত্ৰয়ো কৃষ্ণকে স্তুতি কাৰে। গতিকে অন্য দেৱধৰ্ম সকলো ত্যাগ কৰি কৃষ্ণৰ চৰণতহে ভক্তিভাবে আশ্ৰয় লোৱা উচিত। বেদবাক্য শিলৰ ৰেখা। গতিকে বেদমন্ত্ৰৰ কথা দৃঢ়ভাবে লৈ অন্য দেৱতাক ত্যাগ কৰি কেৱলমাত্ৰ পৰম পুৰুষ কৃষ্ণক ভজি ভক্তিৰসত আত্মনিমজ্জিত হৈ কৃত্য কৃত্য হোৱাজনহে প্ৰকৃত ভকত।

**ভাগৱত ধৰ্ম ঃ**

ভকতৰ লক্ষণ বৰ্ণনা কৰাৰ পাছত অৰ্জুনে কৃষ্ণক ভাগৱত ধৰ্মৰ বিষয়ে বুজাই ক'বলৈ পুনৰাই সকাতৰে প্ৰাৰ্থনা জনালে। কৃষ্ণই তেতিয়া ভাগৱত ধৰ্মৰ বিষয়ে ক'বলৈ ধৰিলে। নিতৌ শৌচাদি নিত্য-কৰ্ম সম্পন্ন কৰাৰ পাছত মনক সংযম কৰি, সমবুদ্ধিৰে দান-দক্ষিণা কৰিব লাগে। কদাচিতো আনৰ ধৰ্মক হিংসা কৰিব নালাগে; সমস্ত ভূতক অৰ্থাৎ সকলো লোকৰে প্ৰতি দয়ালু আৰু সহানুভূতিশীল হ'ব লাগে। সকলো ধৰ্মৰ প্ৰতি শান্তচিত্তবান আৰু সহনশীল হোৱাই ভাগৱত ধৰ্ম। এনে দুষ্কৰ ভাগৱত ধৰ্মৰ কথা শুনি অৰ্জুনৰ ভয় উপজিল; কাৰণ পুত্ৰ পৰিবাৰসহ সংসাৰী লোকৰ বাবে এনে ভাগৱত ধৰ্ম পালন কৰা সাধ্যাতীত। গতিকে সংসাৰীলোকে সহজে বুজিব পৰা আৰু অনুশীলন কৰিব পৰাকৈ ভাগৱত ধৰ্ম ব্যাখ্যা কৰিবলৈ কৃষ্ণক পুনৰপি অনুৰোধ জনালে। অৰ্জুনৰ চিত্তবৃত্তিৰ প্ৰতি লক্ষ্য কৰি কৃষ্ণই ক'লে যে সমস্ত জীৱতে সমভাপন্ন হোৱাই ভাগৱত ধৰ্ম। যদি সমস্ত জীৱত সমভাবাপন্ন হ'বলৈ অক্ষম তেনেহ'লে সমস্ত জীৱক ঈশ্বৰ জ্ঞান কৰিলেও হ'ব। যদি সেইটো কৰিব নোৱাৰি তেনেহ'লে যোগধৰ্ম আচৰণ কৰিব লাগে। যোগজ্ঞানত সিদ্ধ হ'ব নোৱাৰিলে কৃষ্ণত অৰ্পণ কৰি ৰাজসূয় যজ্ঞ কৰা উচিত; ৰাজসূয় যজ্ঞ কৰিব নোৱাৰিলে অশ্বমেধ যজ্ঞ কৰা উচিত; অশ্বমেধ যজ্ঞ কৰিব নোৱাৰিলে আৰু অন্য উপায়ো আছে। সেই উপায় হ'ল সকলো জীৱৰ হৃদয়তে কৃষ্ণ বিৰাজমান, তেওঁ পৰম সুন্দৰ, মনোহৰ আৰু অন্তৰ্যামীৰূপে সকলো জীৱৰ হৃদীস্থিত বুলি ভাবি অহৰ্নিশে কৃষ্ণক উপাসনা কৰা উচিত আৰু তেতিয়া সংসাৰচক্ৰৰ সকলো দুখ-শোকৰপৰা পৰিত্ৰাণ লাভ কৰিব পাৰিব।

**নামধৰ্ম ঃ**

ইমানতো অৰ্জুনৰ মনৰ অস্থিৰ অৱস্থাৰ অৱসান নহ'ল। কাৰণ এনে দুষ্কৰ ভাগৱত ধৰ্ম আচৰিবলৈ অপুৰাগতা প্ৰকাশ কৰি অৰ্জুনে কৃষ্ণক ভাগৱত ধৰ্মৰ বিষয়ে আৰু সহজভাবে ক'বলৈ পুনৰাই অনুৰোধ কৰিলে। অৰ্জুনৰ অনুৰোধ ৰক্ষা কৰি কৃষ্ণই ক'লে যে সকলো ধৰ্ম পৰিত্যাগ

কৰি কেৱল কৃষ্ণৰ নাম লোৱাই বিধেয়; কাৰণ এই সংসাৰত নামধৰ্মই প্ৰকৃত ধৰ্ম। সকলো গোপনীয়তকৈয়ো গোপনীয় তথা সকলো ৰহস্যতকৈয়ো ৰহস্যময় এই নাম ধৰ্ম। কৃষ্ণনাম ভিন্ন আন শ্ৰেষ্ঠ ধৰ্ম জগতত নাই; ইয়ে প্ৰকৃত মহাভাগৱত ধৰ্ম। কৃষ্ণৰ গুণ- নাম- কৰ্ম শ্ৰৱণ-কীৰ্তন-স্মৰণ কৰাই মহাধৰ্ম। ইয়ে সংসাৰৰ পৰা পৰিত্ৰাণ লাভৰ একমাত্ৰ উপায়।

ভাগৱত ধৰ্মৰ কথা প্ৰসঙ্গত নামধৰ্মৰ কথা উত্থাপন হোৱাত অৰ্জুনে নাম-মহিমাৰ বিষয়ে কৃষ্ণৰ পৰা জানিব বিচাৰিলে। তেতিয়া কৃষ্ণই ক'লে যে অন্য ধৰ্ম পৰিত্যাগ কৰি কেৱল কৃষ্ণৰ নাম-ধৰ্ম শ্ৰৱণ-কীৰ্তন কৰাই এই সংসাৰ তৰিবৰ একমাত্ৰ উপায়। অৰ্জুনে পুনৰাই নামৰ মহিমা আৰু প্ৰভাৱৰ বিষয়ে প্ৰশ্ন কৰাত কৃষ্ণই ক'বলৈ ধৰিলে কৃষ্ণ নামৰ বাহিৰে এই সংসাৰত একোৱেই নাই। সকলো ধৰ্মৰে ৰজা হৈছে **নাম**। মহাযজ্ঞই যি ফল দিব নোৱাৰে নামধৰ্মই তাতোকৈ অধিক উত্তম ফল দিয়ে। আনকি সৰ্ব ধৰ্ম উত্তম জপ যজ্ঞ নাম ধৰ্মতকৈ লক্ষগুণে হীন। সকলো যজ্ঞৰ ভিতৰত ৰাজ যজ্ঞ ৰাজসূয় যজ্ঞও নামধৰ্মৰ তুলনাত কৌটি ভাগৰ এভাগো নহয়। *অশ্বমেধ যজ্ঞ, তুলাপুৰুষ দান, মহাযজ্ঞ* আদি কোনোটোৱে কোনো গুণে নামৰ সমান হ'ব নোৱাৰে। গঙ্গা, বাৰানসী আদি তীৰ্থস্থানো নামৰ সমান নহয়। কেৱল কৃষ্ণ নামেহে মানৱক জগতৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। সন্নাসব্ৰত আচৰণ কৰি যি ফল পায় কেৱল একনাম ল'লৈই সেই ফল লাভ কৰিব পাৰি। কৃষ্ণনাম স্মৰণ কৰিলেই পৰম পূণ্য লাভ কৰিব পাৰি।

ইমানতো অৰ্জুনৰ জিজ্ঞাসু মন শান্ত নহ'ল। কৃষ্ণ নাম কীৰ্তনত পূণ্য লাভ হ'ব আৰু সেই পূণ্যৰ বলত স্বৰ্গ লাভো হ'ব; কিন্তু পূণ্য ক্ষয়ৰ লগে লগে স্বৰ্গৰ পৰা স্খলন হ'ব লাগিব। গতিকে এনে বিনাশী ধৰ্মই অৰ্জুনৰ মন আকুল কৰি তোলাত তেওঁ এই সংশয় দূৰ কৰিবলৈ কৃষ্ণক অনুৰোধ কৰিলে।

অৰ্জুনৰ সন্দেহ দূৰ কৰিবলৈ কৃষ্ণই ক'লে যে ইয়াত ভয় বা সংশয় কৰিব লগা একো নাই। কাৰণ নামধৰ্মৰ জৰিয়তে যি শূন্য হয় তাৰ দ্বাৰা মোক্ষ লাভ হয়, তাৰ কোনো কৰ্মফল নাই। কৃষ্ণই আৰু ক'লে, 'মই নিজেই ঈশ্বৰ হৈ নিজৰ নামৰ মহিমা নিজেই বখানিছো, কিন্তু নামৰ মহিমা অচিন্ত্য, ইয়াৰ কোনো সীমা নাই, অসীম। মই তোমাক উৰ্দ্ধবাহু হৈ সত্যে সত্যে অঙ্গীকাৰ কৰি কৈছো, মোৰ নামেহে জীৱক নিস্তাৰিব পাৰে। গতিকে অহৰ্নিশে মোৰ নাম শ্ৰৱণ কীৰ্তন কৰা তেহে বৈকুণ্ঠত নিবাস কৰিব পাৰিবা। মোৰ নামত দৃঢ়ভাবে বিশ্বাস কৰিবা, তেতিয়া অপ্ৰয়াসে মহাসিদ্ধি লাভ হ'ব। কিন্তু মদগৰ্ব কৰি, মোৰ বচন নুশুনি মোক নভজি অন্য দেৱতাক ভজিলেই তোমাৰ অধোগতি নিশ্চিত। এই সংসাৰ সাগৰত মোৰ নামেই সুদৃঢ় নৌকা আৰু মই (কৃষ্ণ) সুজন কাণ্ডাৰী। গতিকে মোক ত্যাগ কৰিলেই এই সংসাৰ সাগৰত তল যাবা আৰু ইহ জনমত উদ্ধাৰ লাভ কৰিব নোৱাৰি জীৱন বিফলে নিয়াব লাগিব। ৰোগীয়ে ৰোগৰ ঔষধ সেৱন নকৰি যিদৰে ৰোগ বৃদ্ধি কৰে তেনেকৈ মোৰ নামৰ প্ৰতি শ্ৰদ্ধাহীনজনে সংসাৰ চক্ৰত পৰি পাকঘূৰণি খাই মৰিব। সেইকাৰণে একমাত্ৰ মোৰ চৰণত চিত্ত আৰোপ কৰি অহৰ্নিশে মোৰ নাম মুখৰ পৰা নেৰিবা।

অৰ্জুনে শ্ৰীকৃষ্ণৰ নামৰ মহিমাত দৃঢ় বিশ্বাসী হৈ নিজকে কৃষ্ণদাস জ্ঞান কৰি কৃষ্ণৰ কিমান নাম আছে সেই বিষয়ে জানিব বিচাৰিলে। তেতিয়া কৃষ্ণই অৰ্জুনক ক'লে যে তেওঁৰ অসংখ্য নাম; এই নামৰ অন্ত নাই। তেওঁৰ প্ৰতিটো নামেই জীৱক জগতৰ পৰা উদ্ধাৰ কৰিবলৈ যথেষ্ট। কৃষ্ণই ক'লে— জগতত প্ৰসিদ্ধ হৈ থকা মোৰ নামৰ লেখ শুনা— *শ্ৰীকৃষ্ণ, শঙ্কৰ, সদাশিৱ, সনাতন, পীতাম্বৰ, হৰি, বিষ্ণু, জনাৰ্দন, গোৱৰ্দ্ধনধাৰী, মধুসুধন, ঈশ্বৰ, বেণুবাদ্য বিশাৰদ, দেৱ, গদাধৰ, যশোদানন্দন, নন্দ কুমাৰ, কেশৱ, কমলানাথ, প্ৰমথ সংহাৰ, ভাস্কৰ, পুণ্ডৰীকাক্ষ বিভু, বিশ্বম্ভৰ, অনিৰুদ্ধ, শুদ্ধ, সত্য, শুদ্ধধৰাধৰ, দৈৱকী নন্দন, হৰি, বৈকুণ্ঠ*

*কমলাকান্ত, নাৰায়ণ, বিশ্বমূৰ্ত্তি, ৰামচন্দ্ৰ, কামদ, কংসাৰি, অনন্ত, অচ্যুত অঘাসুৰ, বিমোচক, কিৰীটি, ত্ৰিপুৰ অন্তক, শ্ৰীপতি, ত্ৰৈলোক্য তাৰণ, ত্ৰিনয়ণ, ত্ৰিবিক্ৰম, ৰুক্মিণী ৰমণ, জ্ঞান, ৰত্নেশ্বৰ, গুৰু, সত্যভামাবল্লভ, চিদানন্দ, সদানন্দ, দৈৱকীনন্দন, গোৱিন্দ, যাদৱ, মধুৰিপু, মাধৱ, ঘনশ্যাম, চক্ৰপাণি, হৃষীকেশ, বিষ্ণু, বামন, বাসুদেৱ, বিশ্বম্ভৰ, দামোদৰ, জগন্নাথ, জিতাসৃত, গোবিন্দ, আনন্দ সিন্দু, উপেন্দ্ৰ, গোপাল বনমালী, শ্ৰীবৎস, কৃষ্ণ, কমললোচন, পুৰাণ-পুৰুষ, পদ্মনাভ, ভগৱন্ত* ইত্যাদি।'

কৃষ্ণ নামৰ বৰ্ণনা দি শেষ কৰিব নোৱাৰি। এটি এটি নামৰ মহিমাৰ দ্বাৰাই জগতৰ পৰা উদ্ধাৰ পাব পাৰি। তদুপৰি কৃষ্ণৰ যিকোনো এটি নাম ল'লেই সৰ্বপ্ৰকাৰ পাপৰ পৰা উদ্ধাৰ পাব পাৰি। ব্ৰাহ্মণৰ সুবৰ্ণহৰণকাৰী, সুৰাপায়ী, ব্ৰহ্মবধী, গুৰুপত্নী হৰণকাৰী, ৰজাৰ বধকাৰী, পিতৃবধকাৰী, গুৰুবধী, মিত্ৰবধী, পৰহিংসাকাৰী, দেৱ-দ্বিজৰ প্ৰতি দ্ৰোহকাৰী আদি মহাপাতকীসকলেও অহৰ্নিশে মোৰ নাম লৈ এই জগতৰ পৰা উদ্ধাৰ পাব পাৰে। কৌটি কৌটি তীৰ্থ ভ্ৰমণ অথবা কৌটিবাৰ প্ৰায়চিত্ত কৰিলেও মোৰ নামৰ সমান পৱিত্ৰ হ'ব নোৱাৰে। বনপোৱা জুইক অনুকুল বতাহে যিদৰে নিমিষতে ধ্বংস কৰাত সহায় কৰে সেইদৰে সৰ্বপাপ ধ্বংস কৰাতো মোৰ নাৰে সহায় কৰে।

এনেদৰে ভাগৱত নামধৰ্মৰ কথা শুনি অজুনে বিস্ময় বিমুগ্ধ হৈ কেনেদৰে কিমান পাপ খণ্ডিব পাৰে সেই বিষয়ে কৃষ্ণক সুধিলে। তেতিয়া কৃষ্ণই ক'লে যে অন্য কোনো দেৱতাক নভজি কেৱল তেওঁতে শৰণাপন্নই অনিচ্ছা স্বত্বেও যদি কমলানাথ নাম উচ্চাৰণ কৰে তেনেহ'লে দুই কৌটি জনমৰ পাপ খণ্ডন হয়। পৰম মঙ্গল নাম শ্ৰদ্ধাসহকাৰে ল'লে দুগুণ আৰু অনিচ্ছাৰে ললে এগুণ পাপ বিনাশ হয়। অকস্মাতে বাসুদেৱ নাম ল'লে তিনি কৌটি, হেলাতে সনাতন নাম ল'লেও চাৰিকৌটি, অনিচ্ছাৰে সংকৰ্ষণ নাম ল'লেও পাচ কৌটি, বিভু নাম ল'লে ছয় কৌটি পুণ্ডৰীকাক্ষ নাম ললে শতকৌটি, ঈশ্বৰ নাম ল'লে আঠ কৌটি অনিৰুদ্ধ নাম ল'লে ন কৌটি, প্ৰভু বুলিলে দহ কৌটি, বিষ্ণু নাম ল'লে এঘাৰ কৌটি, ভাস্কৰ নাম ল'লে বাৰ কৌটি, মধুসুধন নাম ল'লে তেৰ কৌটি, বিশ্বম্ভৰ নাম ল'লে চৌধ্য কৌটি, সত্যসন্ধা নাম ল'লে পোন্ধৰ কৌটি, পাৰিজাতহৰণ নাম ল'লে যোল্ল কৌটি, গোবৰ্দ্ধন নাম ল'লে সোতৰ কৌটি, কমলাকান্ত নাম ল'লে ওঠৰ কৌটি, মাধৱ নাম ল'লে উনৈশ কৌটি, চাৰিও বেদৰ সাৰ স্বৰূপ নাৰায়ণ নাম ল'লে বিশ কৌটি, জগন্নাথ নাম ল'লে এৰৈশ কৌটি, পুৰুষোত্তম নাম ল'লে তেইশ লক্ষ কৌটি, পৰমাত্মা নাম ল'লে লক্ষ লক্ষ কৌটি, হৰি আৰু ৰাম নাম ল'লে যাঠি লক্ষ কৌটি পাপ ক্ষয় হয়।

**কৃষ্ণ নামৰ মহিমা বৰ্ণন ঃ**

কৃষ্ণৰ নামৰ অপাৰ মহিমা শুনি অৰ্জুনৰ মনত পুনৰ শঙ্কা উপজিল। কৌটি কৌটি তীৰ্থ ভ্ৰমণ কৰি অথবা অনেক প্ৰায়চিত্ত কৰিও যি পাপৰ খণ্ডন নহয় দুটি অক্ষৰযুক্ত হৰি বা ৰাম নাম ল'লেই কিদৰে এই অকাৰ্য সিদ্ধি হ'ব পাৰে তাৰ সমিধান অৰ্জুনে কৃষ্ণৰ পৰা বিচাৰিলে। তেতিয়া কৃষ্ণই ক'লে যে সকলো ধৰ্মৰ ৰজা হ'ল এই নামধৰ্ম; আন সকলোবোৰ ধৰ্ম এই নামধৰ্মৰ কিঙ্কৰ স্বৰূপ। যি ৰজাই সাধন কৰিব পাৰে সেইকাৰ্য ৰজাৰ দাসে কোনোমতে সাধন কৰিব নোৱাৰে। গতিকে নামধৰ্মই সৰ্বশ্ৰেষ্ঠ ধৰ্ম।

ইমানতো অৰ্জুনৰ বিশ্বাস নোহোৱাত কৃষ্ণই ওপৰলৈ হাত তুলি দহবাৰ সত্য অঙ্গীকাৰ কৰি ক'লে যে কৌটি কৌটি পাপৰ সংহাৰক হ'ল নাম আৰু এই কথাত বিশ্বাস নহ'লে অৰ্জুন অধোগতি যাব। তেতিয়া অৰ্জুনৰ শৰীৰ কৃষ্ণ প্ৰেমত ৰোমাঞ্চিত হ'ল। দুই চকুৰে চকুলো ব'বলৈ

ধৰিলে। কৃষ্ণক দণ্ডৱতে প্ৰণাম কৰি তেওঁৰ কথাত যে অৰ্জুনৰ দৃঢ় প্ৰত্যয় জন্মিছে সেই কথা প্ৰতীয়মান কৰিলে। তথাপি কৃষ্ণ নামৰ মাহাত্ম্যৰ সবিশেষ নোকোৱা কাৰণে অৰ্জুনৰ মনৰ সংশয় ছেদ নহ'ল; সেয়েহে কৃষ্ণৰ নামৰ মাহাত্ম্যৰ বিষয়ে ক'বলৈ অৰ্জুনে খাতনি ধৰিলে। তেতিয়া কৃষ্ণই ক'লে— *কৃষ্ণ নামৰ মাহাত্ম্য মই নিজেই নাজানো; যদিওবা কৌটিবাৰ মই (কৃষ্ণ) অৱতাৰ ধৰিছো তথাপি কৃষ্ণ নামৰ মাহাত্ম্যৰ বিষয়ে মই নিজেই নাজানিলো। কৃষ্ণ নামৰ বলিষ্ঠ বীৰ্যৰ মহিমাৰ সীমা নাই সেয়েহে মই তোমাক কৃষ্ণ নামৰ মাহাত্ম্যৰ বিষয়ে নক'লো; কিন্তু যিসকলে আন দেৱতাক নভজি কেৱল কৃষ্ণনামহে স্মৰণ কৰে তাৰ কথাকে কও। —* এইবুলি কৃষ্ণই পুনৰপি ক'বলৈ ধৰিলে— *কৃষ্ণনাম স্মৰণ কৰা সকলৰ লগতে মই থাকো, তেওঁলোকৰ লগে লগে মই ভ্ৰমণ কৰো। প্ৰেমভাবে কৃষ্ণনাম ল'লে মই হাতত চক্ৰধাৰণ কৰি তেওঁৰ পাচে পাচে ঘূৰি ফুৰো। কৃষ্ণনাম স্মৰণ কৰোতে কৰোতে যিজনৰ শৰীৰ ৰোমাঞ্চিত হয়, কৃষ্ণ প্ৰেমত চকুলো সৰে সেইজন ভক্তৰ ওচৰত মই বিক্ৰয় যাও। সেই কাৰণে সকলো নামৰ ভিতৰতে কৃষ্ণনাম শ্ৰেষ্ঠ।* তেতিয়া অৰ্জুনে পুনৰপি প্ৰশ্ন কৰিছে— *তুমি যিহেতু নিজেই কৃষ্ণ নামৰ মহিমা নাজানো বুলি কৈছা তেনেহ'লে কৃষ্ণ নাম ল'লে কেনেকৈ সহস্ৰ কৌটি পাপ মোচন কৰা? আৰু কৌটি কৌটি বাৰ অৱতাৰ ধৰিও কৃষ্ণনামৰ মাহাত্ম্য নাজানিলে তুমি কিয় এনেবোৰ অঙ্গীকাৰ কৰিলা?* তেতিয়া কৃষ্ণই অৰ্জুনক ক'লে— *এই কৃষ্ণ নামৰ মহিমা মই স্বৰূপত থাকি ক'ব নোৱাৰিম; কিন্তু এইটো ঠিক যে এইবিশ্ব ব্ৰহ্মাণ্ডত কৃষ্ণনামৰ বাহিৰে আন একোৱে নাই। কৃষ্ণ নামৰ মাহাত্ম্য প্ৰকাশ নকৰিলেও মই তোমাক আন এক প্ৰকাৰ শিক্ষা প্ৰদান কৰিম। সংসাৰত যিজনে কৃষ্ণ নামৰ মাহাত্ম্য জানে তেওঁ মোতকৈ শ্ৰেষ্ঠ। গুৰুৰো গুৰু স্বৰূপ। নিজকে শিষ্য জ্ঞান কৰি তেওঁক মই সেৱা কৰো। তেওঁৰ নাম লৈয়ে এই জগত উদ্ধাৰ হ'ব পাৰে। তেঁৱেই সৰ্বদেৱশ্ৰেষ্ঠ। কোনো ৰহস্য গোপনে নাৰাখি ছয় সত্য কাঢ়ি মই সত্যবাণী ব্যক্ত কৰিলো। সেইকাৰণেই কৈছো তুমি কৃষ্ণনাম স্মৰণ কৰা। ময়ে কৃষ্ণ ময়ে এই বিশ্বজগত চৰাচৰ অধিপতি সকলো জীৱৰ নিয়ন্তা অন্তৰ্যামী ভগৱন্ত।*

তেতিয়া অৰ্জুনে হাতযোৰ কৰি প্ৰাৰ্থনা কৰিলে— *হে প্ৰভু, তুমিয়েই যিহেতু জীৱৰ নিয়ন্তা পৰমব্ৰহ্ম পৰমেশ্বৰ গতিকে তোমাৰ চতুৰ্ভুজৰূপ আমাক প্ৰত্যক্ষ কৰোৱা। তাকে শুনি কৃষ্ণই ক'লে বৰ্তমান ৰূপত মোৰ ঈশ্বৰ ৰূপক নাজানিবা। তুমি মোক সখি বুলি পৰিহাস নকৰি শয়নে ভোজনেও মনত কোনো শঙ্কাবোধ নকৰি, গৃহবাস ত্যাগ কৰি ঈশ্বৰ বুলি ভজিলে মোৰ পূৰ্ণৰূপ দেখিবলৈ পাবা।*

এই বুলি কৃষ্ণই ঈশ্বৰ মূৰ্তি ধাৰণ কৰিলে। সেই ৰূপত ঃ

**শ্ৰীকৃষ্ণৰ ঈশ্বৰ ৰূপ প্ৰদৰ্শন ঃ**

শ্যামবৰণীয়া শৰীৰত পীতবস্ত্ৰই মেঘত বিজুলী ৰেখাৰ দৰে শোভা বৰ্দ্ধন কৰিছে; প্ৰসন্নবদন, শিৰত কৌটি সূৰ্যৰ জ্যোতিৰে উজ্জ্বল কিৰীটি, কপালত অলকাৰ শোভা, ধনুভিৰীয়া ভ্ৰূযুগল, পদুম ফুলৰ পাহিৰ দৰে চকুযুৰি, তিলফুলৰ নিচিনা নাক, সোণতকৈয়ো উজ্জ্বল অধৰ যুগল, কন্দকৰিৰ দৰে দাঁত, মণিময় মকৰ কুন্দল, কণ্ঠত কৌস্তুভ, আজানু লম্বিত চাৰিবাহু— তাতে প্ৰকাশ কৰিছে ৰত্নময় কেয়ূৰ কঙ্কণ, চাৰিহাতত চাৰি অস্ত্ৰ— শঙ্খ, চক্ৰ, গদা, পদ্ম, ৰাতুল বৰ্ণৰ হাতৰ তলুৱা, প্ৰতিটো আঙুলিতে সোণৰ আঙুঠি, অৰ্দ্ধচন্দ্ৰ সদৃশ আঙুলিৰ নখ, বুকুত শ্ৰীবৎস পান্তি, গলত বনমালা, হাতীৰ শূৰৰ দৰে উৰুযুগল, পদতলত ধ্বজ, ব্ৰজ, যৱ, পঙ্কজ, অঙ্কুশৰ চিহ্নৰে কন্দৰ্পৰ ৰূপকো চেৰ পেলাব পৰা নবীন যুবকৰ দেহ সৌন্দৰ্যৰে প্ৰকাশিত কৃষ্ণৰ এই ৰূপ কৌটি কৌটি উদিত সূৰ্যৰ দৰে জ্যোতিষ্মান। কৃষ্ণৰ এই বিশ্বম্ভৰ ৰূপত মুগ্ধহৈ অৰ্জুনৰ অপাৰ আনন্দ মিলিল; দুই চকুৰে প্ৰেমাশ্ৰু নিগৰিবলৈ ধৰিলে। নিচেই ওচৰতে পায়ো ভগৱন্ত

কৃষ্ণক পূৰ্বতে চিনিব নোৱাৰা বাবে নিজকে শত ধিক্কাৰ দি, দণ্ডৱতে পৰি প্ৰণাম কৰি কৃতাঞ্জলি হৈ নানাভাবে কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। অনেক স্তুতি কৰি অৰ্জুনে কৃষ্ণৰ চৰণত পৰি প্ৰেমভাবে কান্দিব ধৰিলে। তেতিয়া কৃষ্ণই অৰ্জুনৰ একান্ত ভক্তিত তুষ্ট হৈ আশ্বাস দিবলৈ ধৰিলে। অৰ্জুনক এই বুলি উপদেশ বাণী শুনালে 'মই তোমাক সংসাৰ তাৰণৰ এই ৰাজগুহ্য কথা কলো; তুমি মাত্ৰ কৃতাঞ্জলি কৰি ব্ৰহ্মবাক্য বুলি মানিবা। সকলো ধৰ্ম পৰিত্যাগ কৰি কৃষ্ণ নামক সুদৃঢ় ভাবে ধাৰণ কৰিবা। মহাযজ্ঞ, দান, জপ, তপ, তীৰ্থব্ৰত, যাগ, যোগ, অশ্বমেধ, ৰাজসূয়, সুকৃতি আদি যজ্ঞৰ ফলো তুমি কৃষ্ণ নাম উচ্চাৰণ কৰিলেই পাবা। কৃষ্ণনামে ধ্যান, কৃষ্ণনামে মহাজপ, কৃষ্ণনামে যোগ, কৃষ্ণনামে মহাতপ, কৃষ্ণনামে পৰম সন্ন্যাস, কৃষ্ণনামতে মহাজ্ঞান লাভ হয়। এই কৃষ্ণ নামতে সমস্ত কল্যাণ সাধন হয়। কৃষ্ণ নাম শ্ৰৱণ কীৰ্তনেই সংসাৰ পৰিত্ৰাণৰ একমাত্ৰ উপায় আৰু কৃষ্ণ নামেই এই সংসাৰৰ একমাত্ৰ সাৰবস্তু।

**বৈকুণ্ঠপুৰৰ বৰ্ণনা ঃ**

কৃষ্ণৰ চতুৰ্ভুজ ৰূপ দেখাৰ পাছত পৰম উল্লাসিত হৈ অৰ্জুনে কৃষ্ণক তেওঁৰ স্থানৰ মহিমা বিবৰি ক'বলৈ অনুৰোধ কৰিলে। অৰ্জুনৰ অনুৰোধ ৰক্ষা কৰি কৃষ্ণই বৈকুণ্ঠ পুৰৰ বৰ্ণনা দিবলৈ ধৰিলে।

বৈকুণ্ঠপুৰৰ মহিমা অপাৰ। তাত মায়াৰ প্ৰভাব বা কালৰ বিক্ৰম নাই। লোভ, মোহ, কাম, ক্ৰোধৰ পৰা মুক্ত এই বৈকুণ্ঠধামত সুখ, শান্তি আৰু নিত্য আনন্দ বিৰাজমান। ইন্দ্ৰিয়ৰ ভোগ বিলাসৰ পৰা মুক্ত বৈকুণ্ঠপুৰ আত্মাৰ আনন্দত সদাসুখী। পৰম ভকতসকলে ইয়াত বিষ্ণু সদৃশ ৰূপ লাভ কৰে আৰু কৃষ্ণৰ দৰে চাৰিহাতযুক্ত শ্যাম বৰণীয়া শৰীৰ পীতবস্ত্ৰৰদ্বাৰা ৰঞ্জিত হৈ থাকে। প্ৰত্যেকে শঙ্খ, চক্ৰ, গদা, পদ্ম ধাৰণ কৰি ৰত্নৰ বিমানত বহি থাকে। শশীসদৃৰ্শ পদ্মিনী নাৰীসকলে সততে ভকতসকলৰ সেৱা-সৎকাৰ কৰি থাকে। কৃষ্ণৰ নাম-গুণ শ্ৰৱণ কীৰ্তন কৰি সকলো ভক্তই পৰমপ্ৰেমত আনন্দময় হৈ থাকে আৰু কৃষ্ণপ্ৰেমত ৰোমাঞ্চিত সেই ভকতসকলৰ চকুৰপৰা আনন্দ লোতক সৰি পৰে। বৈকুণ্ঠপুৰৰ চৌদিশ কৃষ্ণ কৃষ্ণ ধ্বনিৰে পুলকিত হয়। আন কথা কৰ্মৰ কোনো চিন্তা নকৰি সকলোৱে কেৱল মোক্ষহে বাঞ্চা কৰে আৰু কৃষ্ণ প্ৰসাদত সকলোৱে পৰম আনন্দেৰে বাস কৰে। কলি কালত অযুত নিযুত লোকৰ মাজত কদাচিত এজনেহে মোক্ষ লাভ কৰি বৈকুণ্ঠপুৰ লাভ কৰে। বায়ু, শশী, সূৰ্য, কুবেৰ, বৰুণ, ব্ৰহ্মা, হৰ, পুৰন্দৰ আদিয়েও বৈকুণ্ঠপুৰ নাপায়। ভৃগু, বিশ্বমিত্ৰ, শ্ৰুত, অত্ৰি, অঙ্গিৰা, পুলহ আদি যিসকল ঋষিয়ে তীৰ্থস্নান, দান, তপ, জপ, যজ্ঞ আচৰণ কৰে অথবা যিসকল মহা বেদান্তিকে জ্ঞান প্ৰকাশ কৰে তেওঁলোকেও বৈকুণ্ঠপুৰ নাপায়। প্ৰহ্লাদ, নাৰদ, বলি আদি যিসকল কৃষ্ণভক্ত আছে তেওঁলোকে কৃষ্ণনাম আচৰি বৈকুণ্ঠত বাস কৰিব পাৰে। যজ্ঞ, জ্ঞান, দান আদি কৰি সকলোবোৰ গুণসঙ্গী, অকল কৃষ্ণভক্তিহে নিৰ্গুণ। সদায় নিৰ্গুণ কৃষ্ণৰ গুণ শ্ৰৱণ-কীৰ্তন কৰিব লাগে। বৈকুণ্ঠপুৰলৈ গতি কৰিব খোজা জনে অহৰ্নিশে কৃষ্ণৰ নাম শ্ৰৱন-কীৰ্তন স্মৰণ কৰা উচিত।

## ২.৬ 'ভক্তি-প্ৰদীপ' প্ৰকৃততে কাৰ ৰচনা

*ভক্তি-প্ৰদীপ* গ্ৰন্থখনি প্ৰকৃততে শঙ্কৰদেৱে ৰচনা কৰিছিল নে আন কোনোবাই ৰচনা কৰি শঙ্কৰদেৱৰ নামত প্ৰচাৰ কৰিছিল সেই বিষয়ে অনেকে প্ৰশ্ন উত্থাপন কৰিব খোজে। ড° মহেশ্বৰ নেওগৰ 'Early History of Vaisnava Faith And Movement In Assam: Sankardeva And His Times' গ্ৰন্থত উল্লেখ কৰা ধৰণে ক'ব পাৰি শঙ্কৰদেৱৰ নিজৰ ৰচনা

নহয় বুলি ক'ব খোজাসকলৰ তাৎক্ষণিক যুক্তি হ'ল— *ভক্তি-প্ৰদীপ* গ্ৰন্থত বেদ আৰু স্মৃতিশাস্ত্ৰ বিহিত কৃত্যাদি কৰিবলৈ বাৰণ কৰাটো—

*বেদৰ বিহিত কৰ্ম কৰিবাৰ*
*ভকতৰ যোগ্য নুই।*
*যদি মোহ হুয়া কৰে কৰ্ম-ধৰ্ম*
*ভকতিত ভ্ৰষ্ট হুই।।*

'ভকতসকলে বেদ বিহিত কৰ্ম কৰাটো উচিত নহয়; যদি মোহ বশতঃ কোনোৰে এনে কৰ্ম আচৰণ কৰে তেনেহ'লে তেওঁ ভক্তিৰ পৰা ভ্ৰষ্ট হ'ব।'

*ভক্তি-প্ৰদীপ* ৰ এই কথাখিনি শঙ্কৰদেৱ মাধৱদেৱে ৰচনা কৰা মূল বৈষ্ণৱ আদৰ্শৰ গ্ৰন্থসমূহৰ দ্বাৰা সমৰ্থিত নহয়। শঙ্কৰদেৱ মাধৱদেৱে সাধাৰণভাৱে বেদ বিহিত কৃত্যাদি বাধা নিষেধ কৰা নাছিল।

এনে প্ৰসঙ্গত *ভক্তি-প্ৰদীপ* গ্ৰন্থ শঙ্কৰদেৱৰ ৰচনা নহয় বুলি ক'ব খোজা প্ৰথম যুক্তি হ'ল, শঙ্কৰদেৱে এই গ্ৰন্থৰ মূল বিষয়বস্তু 'গৰুড় পুৰাণ'ৰ পৰা গ্ৰহণ কৰা বুলি উল্লেখ কৰিছে; কিন্তু বৰ্তমানে প্ৰাপ্ত গৰুড় পুৰাণৰ কোনো সংগ্ৰহতে শঙ্কৰদেৱৰ 'ভক্তি-প্ৰদীপ' গ্ৰন্থৰ বৰ্ণিত বিষয়বস্তু পাবলৈ নাই।

দ্বিতীয়তে, দৈত্যাৰি ঠাকুৰ, ভূষণদ্বিজ আৰু ৰামানন্দৰ পুৰণি চৰিত পুথিৰ কোনোখনতে শঙ্কৰদেৱে *ভক্তি-প্ৰদীপ* নামৰ গ্ৰন্থ ৰচনা কৰাৰ উল্লেখ পোৱা নাযায়।

তৃতীয়তে, শঙ্কৰদেৱ বিৰচিত আন গ্ৰন্থসমূহৰ ভাবৰ উচ্চতা আৰু ৰচনা ৰীতিৰ প্ৰাঞ্জলতা বৰ্তমানৰ *ভক্তি-প্ৰদীপ* গ্ৰন্থত পোৱা নাযায়।

চতুৰ্থতে, *ভক্তি-প্ৰদীপ* গ্ৰন্থখনত শঙ্কৰদেৱৰ আন গ্ৰন্থৰ বিষয়বস্তু আৰু ভাষাৰ পুনৰুক্তি দেখিবলৈ পোৱা যায়।

পঞ্চমতে, শঙ্কৰদেৱৰ আন প্ৰকৰণ গ্ৰন্থ *ভক্তি-ৰত্নাকৰ* বা বিষ্ণুপুৰী সন্ন্যাসীৰ *ভক্তি-ৰত্নাৱলী* গ্ৰন্থত যি ব্যাখ্যামূলক শৈলী বা আংগিক প্ৰয়োগ কৰা হৈছে সেয়া *ভক্তি-প্ৰদীপ* গ্ৰন্থত পাবলৈ নাই।

ষষ্ঠতে, *ভক্তি-প্ৰদীপ* ত পাপ বিনাশৰ ক্ষেত্ৰত কৃষ্ণৰ বিভিন্ন নামৰ যি অতিৰঞ্জিত বা বাহুল্য বৰ্ণনা দিয়া হৈছে সেয়া শঙ্কৰদেৱৰ ৰচনাৰ পৰিপন্থী যেন অনুভৱ হয়।

সপ্তমতে, সাধাৰণ বৈষ্ণৱ সমাজত এই পুথিৰ প্ৰচলন সীমিত। তদুপৰি সত্ৰসমূহত প্ৰসঙ্গ কালত ব্যৱহাৰ কৰা শঙ্কৰদেৱৰ আন পুথিসমূহৰ তুলনাত *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ বৰ উচ্চ মৰ্যাদা নাই।

এনে যুক্তিৰ আধাৰত *ভক্তি-প্ৰদীপ* গ্ৰন্থ শঙ্কৰদেৱৰ নিজা সৃষ্টি নহয় বুলি ব্যাখ্যা আগবঢ়াব খোজা হয়।

আনহাতে ওপৰত উল্লেখ কৰা যুক্তিসমূহ খণ্ডন কৰি ক'ব খোজাসকলৰ যুক্তি হ'ল—

বৰ্তমানে ছপা হৈ ওলোৱা আৰু প্ৰচলিত *গৰুড় পুৰাণ* ব্যতিৰেকে শঙ্কৰদেৱে হয়তো তেওঁৰ সময়ত প্ৰচলিত আন কোনো *গৰুড় পুৰাণ*-ৰ পৰা মূল চয়ন কৰি *ভক্তি-প্ৰদীপ* গ্ৰন্থ ৰচনা কৰিছিল। তেওঁৰ সময়ত প্ৰচলিত *গৰুড় পুৰাণ*-খন হয়তো উদ্ধাৰ নোহোৱাকৈয়ে নষ্ট হ'বলৈ পালে। এই প্ৰসঙ্গত হেম সৰস্বতীয়ে পদ ভাঙনি কৰা *প্ৰহ্লাদ চৰিত* ৰ মূল *বামণ পুৰাণ* ৰ পৰা লোৱা বুলি উল্লেখ কৰিলেও বৰ্তমানে প্ৰকাশিত *বামণ পুৰাণ* ৰ কোনো সংস্কৰণতে ইয়াৰ কাহিনী ভাগ পাবলৈ নাই। শঙ্কৰদেৱৰ নিজৰ ৰচনা *বলিছলন* আৰু *অনাদি-পাতন* গ্ৰন্থৰ মূল

*ভাগৱত পুৰাণ* আৰু *বামণ পুৰাণ*ৰ পৰা গ্ৰহণ কৰা বুলি উল্লেখ কৰিছে যদিও *বামণ পুৰাণ*ত উল্লিখিত দুয়োখন পুথিৰে আভাস পোৱা নাযায়।

দ্বিতীয়তে, কোনো কোনো চৰিতপুথিত শঙ্কৰদেৱে *ভক্তি-প্ৰদীপ* গ্ৰন্থ ৰচনা কৰাৰ উল্লেখ নাথাকিলেও ৰামানন্দ দ্বিজৰ পুত্ৰ ৰামগোপাল দ্বিজৰ গুৰু চৰিত আৰু কথা গুৰু চৰিতত *ভক্তি-প্ৰদীপ* গ্ৰন্থ শঙ্কৰদেৱে ৰচনা কৰিছিল বুলি স্পষ্ট উল্লেখ পোৱা যায়। কথা গুৰুচৰিতত আছে— 'তৈতে গৰুড় পুৰাণ চাই ভক্তি-প্ৰদীপ কৰিলে।' অৱশ্যে এই কথাও স্বীকাৰ্য যে সকলোবোৰ পুৰণি চৰিত পুথিতে শঙ্কৰদেৱ বিৰচিত সকলোবোৰ গ্ৰন্থৰ উল্লেখ পাবলৈ নাই।

তৃতীয় কথাষাৰ হ'ল— কথা গুৰুচৰিতৰ মতে *ভক্তি-প্ৰদীপ* গ্ৰন্থখন শঙ্কৰদেৱৰ আদি বয়সৰ ৰচনা। আদি বয়সৰ ৰচনা হোৱা হেতুকে তেওঁৰ আন আন ৰচনাসমূহৰ তুলনাত ইয়াৰ ভাবৰ উচ্চতা আৰু প্ৰকাশভঙ্গীৰ প্ৰাঞ্জলতা বহু পৰিমাণে দুৰ্বল বোলা যুক্তিৰ আধাৰতে এইখনক শঙ্কৰদেৱৰ ৰচনা বুলি ক'ব নোৱাৰি। কাৰণ আদি বয়সৰ ৰচনা হিচাপে বিষয়বস্তুৰ উপস্থাপন ৰীতি বা ভক্তিতত্ত্ব বিশ্লেষণ প্ৰণালী অথবা কথাবস্তুৰ তাত্ত্বিক বিশ্লেষণত হীন-ডেঢ়ি হোৱাটো বৰ ডাঙৰ কথা নহয়। তদুপৰি *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ কিমানখিনি মূল সংস্কৃত গ্ৰন্থৰ পৰা লৈছে, কিমানখিনি কথাবস্তু নিজৰভাগে সুমুৱাইছে তাৰ স্পষ্ট প্ৰমাণ পাবলৈ বৰ্তমান উপায় নাই।

চতুৰ্থতে, ভাব আৰু ভাষাৰ পুনৰুক্তি শঙ্কৰদেৱৰ আন আন ৰচনাতো বিৰল নহয়।

পঞ্চমতে, *ভক্তিৰত্নাকৰ* বা *ভক্তিৰত্নাৱলী*ৰ নিচিনা প্ৰকৰণ গ্ৰন্থ প্ৰণয়নৰ বাবে যি ৰীতি পালন কৰা হৈছিল তেনেধৰণৰ ৰীতি *ভক্তি-প্ৰদীপ* গ্ৰন্থ প্ৰণয়নৰ ক্ষেত্ৰত প্ৰয়োগ নোহোৱাটোৱে ইয়াক শঙ্কৰদেৱৰ ৰচনা নহয় বুলি প্ৰতীয়মান নকৰে।

ষষ্ঠতে, *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ কোনটি অংশ মূল সংস্কৃত গ্ৰন্থৰ পৰা প্ৰত্যক্ষ ভাৱে চয়ন কৰা হৈছে, কোনখিনি শঙ্কৰদেৱৰ নিজা সেই কথা সঠিককৈ ক'ব নোৱাৰি।

সপ্তমতে, *ভক্তি-প্ৰদীপ* গ্ৰন্থ শঙ্কৰদেৱৰ নিজা সৃষ্টি বুলি ক'বৰ প্ৰবল যুক্তি হ'ল সৰু-ডাঙৰ প্ৰায়বোৰ সত্ৰতে পাঠ-প্ৰসঙ্গৰ কালত এই গ্ৰন্থৰ ব্যৱহাৰ কৰি অহা হৈছে।

এনেবোৰ যুক্তিৰ আধাৰত *ভক্তি-প্ৰদীপ* যে শঙ্কাদেৱৰ নিজা সৃষ্টি তাত সন্দেহৰ অৱকাশ নাই বুলি নিশ্চিত কৰিব পাৰি।

### ২.৭ 'ভক্তি-প্ৰদীপ'ৰ ৰচনা কাল

*ভক্তি-প্ৰদীপ* গ্ৰন্থৰ ৰচনা-কাল নিৰূপণৰ ক্ষেত্ৰত ড° মহেশ্বৰ নেওগ দেৱৰ মত প্ৰণিধানযোগ্য। তেওঁৰ *Early History of Vaisnava Faith and Movement in Assam: Sankaradeva and His Times* -নামৰ গৱেষণা গ্ৰন্থত উল্লেখ কৰা ধৰণে বাৰভূঞা, আহোম আৰু কোচ ৰাজ্যত কটোৱা অনুসৰি তিনিটা ভাগত ভাগ কৰিব পাৰি। বাৰভূঞা ৰাজ্যত কটোৱা আদি কালচোৱাত ভাগৱতৰ বাহিৰৰ কাহিনীৰ *হৰিচন্দ্ৰ উপাখ্যান* (মাৰ্কেণ্ডেয় পুৰাণ), *ভক্তি-প্ৰদীপ* (গৰুড় পুৰাণ), *কীৰ্তন-ঘোষা*ৰ 'উৰেষা বৰ্ণন' (ব্ৰহ্ম পুৰাণ) ৰচনা কৰিছিল বুলি ড° নেওগে উল্লেখ কৰিছে। তদুপৰি এই প্ৰসঙ্গতে কথা গুৰু চৰিতৰ উল্লেখো প্ৰনিধানযোগ্য। কথাগুৰু চৰিতৰ মতে—

'তৈতে গৰুড় পুৰাণ চাই ভক্তি-প্ৰদীপ কৰিলে; হৰিবংশৰ পৰা ৰুক্মিণীহৰণ কৰিছে' বোলা উদ্ধৃতিষাৰেও *ভক্তি-প্ৰদীপ* শঙ্কৰদেৱৰ আদি বয়সৰ ৰচনা বুলি প্ৰতীয়মান কৰায়। তদুপৰি ওপৰত উল্লেখ কৰি অহা যুক্তিসমূহৰ আধাৰত যেনে বিষয়বস্তুৰ উপস্থাপন পদ্ধতি, ভক্তিতত্ত্বৰ ব্যাখ্যা, প্ৰকৰণ গ্ৰন্থৰীতিৰ পৰিপূৰ্ণতাৰ অভাৱ, ভাবৰ উচ্চতা, ৰচন-ৰীতিৰ দুৰ্বলতা আদিৰ দিশৰ পৰাও এই গ্ৰন্থখনি শঙ্কৰদেৱৰ আগবয়সৰ ৰচনা বুলি ঠাৱৰ কৰিব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

শংকৰদেৱৰ 'ভক্তি প্ৰদীপ'ত বৰ্ণিত বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়াওক?
(৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................
..........................................................................
..........................................................................

## ২.৮ 'ভক্তি-প্ৰদীপ'ৰ মূল আৰু ৰচনা-ৰীতি

*ভক্তি-প্ৰদীপ* গ্ৰন্থৰ মঙ্গলাচৰণত কবিয়ে নিজেই উল্লেখ কৰিছে—

*শুনা সভাসদ পাপ কৰিয়া উচ্ছাদ।*
*গডুৰ পুৰাণ কৃষ্ণ-অৰ্জুন সম্বাদ।।*
*ভকতি প্ৰদীপ নাম মহন্তৰ গতি।*
*কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।।*

এই গ্ৰন্থৰ বিষয়বস্তু *গৰুড় পুৰাণ*ৰ পৰা গ্ৰহণ কৰা হৈছে আৰু বিষয়বস্তু বিস্তাৰিত হৈছে কৃষ্ণ-অৰ্জুনৰ কথোপকথনৰ মাজেৰে। কিন্তু বৰ্তমানে প্ৰাপ্ত আৰু ছপা আকাৰে প্ৰকাশিত *গৰুড় পুৰাণ*ৰ লগত *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ বৰ বেছি মিল থকা দেখা নাযায়। অৱশ্যে বৰ্তমানে প্ৰকাশিত *গৰুড় পুৰাণ*ৰ আচাৰ খণ্ডৰ কিছুমান শ্লোকৰ লগত *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ বিষয়বস্তুৰ কিছু অংশৰ লগত মিল দেখা যায়। শঙ্কৰদেৱে *গৰুড় পুৰাণ*ৰ যিটো প্ৰতিলিপিৰ আধাৰত *ভক্তি-প্ৰদীপ* ৰচনা কৰিছিল সেই প্ৰতিলিপিটো নোপোৱা কাৰণে মূলৰ কিমানখিনি তেওঁ গ্ৰহণ কৰিছিল আৰু ক'ত কিমানখিনি আঁতৰি আহি নতুন কথা সংযোগ কৰিছে তাক খাতাংকৈ ক'বৰ উপায় নাই। এনে ক্ষেত্ৰত ড° মহেশ্বৰ নেওগে সম্পাদনা কৰা *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ পাতনিত উল্লেখ কৰা কথাখিনি প্ৰাণিধানযোগ্য—

> 'এই পুথিখনি *(ভক্তি-প্ৰদীপ)*-ৰ নামান্তৰ বা উপনাম *গৰুড় পুৰাণ কৃষ্ণ-অৰ্জুন সম্বাদ*। কিন্তু এইখিনি গৰুড় পুৰাণৰ ভাঙনি বুলিব নালাগে। অনেক লোকৰ শঙ্কৰী সাহিত্যক মাত্ৰ তৰ্জমা বুলি উৰাই দিব খোজা এটা উপৰ চকুৱা অভ্যাস আছে। কিন্তু আমাৰ কবিসকলে নিজকে মূল পুথিৰ দাস নাভাবি, কেতিয়াবা 'লম্ভা পৰিহৰি সাৰোদ্ধৃতে' কেতিয়াবা টীকা-ভাষ্য চাই' নিজৰো মনৰ-অন্তৰৰ বোল দি, সহজ এটি ৰূপ দি লৈছিল। কিন্তু *ভক্তি-প্ৰদীপ*ৰ বেলিকা মূলৰ লগত অনুবাদৰ সম্বন্ধ আৰু ঢিলা। প্ৰথম কথা ঠিক কৃষ্ণ-অৰ্জুন সম্বন্ধ বা কাহিনীৰূপে তত্বালোচনাৰ পদ্ধতিটো গৰুড় পুৰাণত নাই। বৰঞ্চ এই বিষয়ত শ্ৰীমদ্ভাগৱৎ গীতাৰ কথাই পাঠকৰ মনলৈ আহিব। গীতাত যেনেকৈ অৰ্জুনৰ আসন্ন-আত্মীয় হত্যা সংক্ৰান্ত বিষাদ গুচাবলৈ গৈ ভগৱন্তই তেওঁৰ সন্দেহৰ উপৰি সন্দেহ ভঞ্জন কৰিছে, *ভক্তি-প্ৰদীপ* তো সেইদৰে অব্যভিচাৰিণী ভক্তিৰ পথ নিৰ্দেশ কৰিবলৈ যাওতে অৰ্জুনক কেইবাখনো খুদুৰনিৰ হেঙাৰ ডেৱাই নিবলগীয়া হৈছে। গীতাত যেনেকৈ বিশ্বৰূপ দৰ্শনেৰে অৰ্জুনক ধৃতি সম হেৰুৱাই স্তম্ভিত কৰি, সাম্যৰূপ দেখুৱাই শান্ত কৰিছে ইখনিতো তেনেকৈয়ে চতুৰ্ভুজ মূৰ্ত্তি দেখুৱাই অৰ্জুনক ব্ৰহ্মানন্দত আপ্লুত কৰি আকৌ 'সখি' বুলি সাৱটি ধৰিছে। গীতাত ভগৱন্তৰ কৰাল উগ্ৰৰূপ দেখি আশ্চৰ্যান্বিত বিমূঢ় অৰ্জুনৰ অন্তৰত যিদৰে 'মা ওচঃ' 'মা ব্যথা' বাণী সহজে গলিছে, ইয়াতো সেইদৰে তিনি, ছয়, দহ সত্য কৰি, শ্ৰীকৃষ্ণই অৰ্জুনক পতনৰ ভয় দেখুৱাই ভক্তিমাৰ্গত পতিয়ন নিয়াইছে।'

গীতাত যেনেকৈ অৰ্জুনৰ মনৰ বিষাদ দূৰ কৰিবলৈ কৃষ্ণই নানান প্ৰশ্নৰ উত্তৰ দি গৈছে *ভক্তি-প্ৰদীপ* গ্ৰন্থতো সেইদৰে অৰ্জুনৰ মনৰ সংশয় দূৰ কৰিবলৈ সকলো প্ৰশ্নৰ উত্তৰ নিজেই দি গৈছে। ইয়াত অৰ্জুন প্ৰশ্নকৰ্তা কৃষ্ণ হ'ল উত্তৰ ব্যাখ্যাকাৰী। সেইফালৰ পৰা গীতা শাস্ত্ৰৰ আদৰ্শতে শঙ্কৰদেৱে *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ বিষয়বস্তু কৃষ্ণ-অৰ্জুন সম্বাদৰ মাজেৰে উপস্থাপন কৰিছে বুলি ক'ব পাৰি। গীতাৰ পৰৱৰ্তী সময়ত ৰচিত হোৱা, অনুগীতা, পৰাশৰ গীতা, ঈশ্বৰ-গীতা, পাণ্ডৱী গীতা আদি অনেক শাস্ত্ৰ প্ৰণীত হোৱাৰ দৰে *ভক্তি-প্ৰদীপ* -ও এই একে প্ৰণালীৰে ৰচিত পুথি ক'ব পাৰি।

*ভক্তি-প্ৰদীপ* গৰুড় পুৰাণৰ হুবহু অনুবাদ নহয়। ভাবাৰ্থৰ ফালৰ পৰা গৰুড় পুৰাণৰ পূৰ্বখণ্ডৰ ২৩১ নম্বৰ শ্লোকৰ পৰা ২৪২ নং শ্লোকলৈ বাৰটা অধ্যায়ৰ মাজত দুই-এটি পদৰ সামঞ্জস্য পোৱা যায় যদিও শঙ্কৰদেৱৰ একাদশ স্কন্ধ ভাগৱতৰ অনেক পদৰ লগতহে ইয়াৰ মিল দেখিবলৈ পোৱা যায়। *গৰুড় পুৰাণ* ৰ কথাবস্তু অনুসৰি নৈমিষাৰণ্যত উপস্থিত হোৱা ঋষিসকলে সূত মুনিক সোধা 'কোননো শ্ৰেষ্ঠ দেৱ, কোননো জগতৰ স্ৰষ্টা-পাতা-হন্তা' ইত্যাদি প্ৰশ্নৰ উত্তৰত বিষ্ণুভক্ত মহাত্মা সূতে 'একো নাৰায়ণো দেৱো দেৱনামীশ্বৰেশ্বৰঃ'বুলি কৈ একমাত্ৰ নাৰায়ণেই সৰ্ব দেৱেশ্বৰ বুলি স্বীকাৰ কৰিছে। ইয়াৰ পাছত সূতে বিষ্ণু অৱতাৰ, সহস্ৰ নাম, সৃষ্টি বৰ্ণনা আদি কৈ ভক্তিৰ লক্ষণ মাহাত্ম্য আদিৰ বৰ্ণনা দি ভক্তিতত্ত্ব আৰু নাৰায়ণ বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিছে। *ভক্তি-প্ৰদীপ* গ্ৰন্থৰো মূলমন্ত্ৰ হ'ল— কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন আৰু ভক্তিৰ মাহাত্ম্য কথন।

**আত্মমূল্যায়ন প্ৰশ্ন**

'ভক্তি-প্ৰদীপ'ৰ আধাৰ গ্ৰন্থখনিৰ নাম কি? এই গ্ৰন্থখনিৰ ৰচনা ৰীতি সম্পৰ্কে এটি চমু আভাস দিয়ক। (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................

..........................................................................

..........................................................................

### ২.৯ 'ভক্তি-প্ৰদীপ' আৰু শঙ্কৰদেৱৰ ভক্তিধৰ্ম

অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ চাৰিপুথি *কীৰ্তন, দশম, নাম-ঘোষা আৰু ভক্তি-ৰত্নাৱলীত* প্ৰকাশিত ভক্তি ধৰ্মৰ আদৰ্শৰ দৃষ্টিভঙ্গীৰে *ভক্তি-প্ৰদীপ* গ্ৰন্থত শঙ্কৰদেৱৰ ভক্তিধৰ্মৰ বিচাৰ কৰি চাব পাৰি। অব্যভিচাৰী ভক্তিৰ লক্ষণ আৰু নীতিৰ ব্যাখ্যাই *ভক্তি-প্ৰদীপ* গ্ৰন্থৰো মূল প্ৰতিপাদ্য বিষয় আৰু এই গ্ৰন্থৰ মূল বৈশিষ্ট্য। *ভক্তি-প্ৰদীপ* গ্ৰন্থত শঙ্কৰদেৱৰ ভক্তিধৰ্মৰ বিষয়ে আন কথা নকৈ ড° মহেশ্বৰ নেওগে সম্পাদনা কৰা *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ পাতনিত উল্লেখ কৰা কথাখিনিকে ইয়াত যুৰি দিয়া হ'ল—

*বেদৰ প্ৰতিপাদ্য পৰমেশ্বৰ ভক্তিয়েইহে; তাকে নৰ-মনিছে নুবুজা দেখি জগত উদ্ধাৰিবলৈ শ্ৰীকৃষ্ণৰূপে 'পূৰ্ণব্ৰহ্ম ভৈলন্ত আপুনি অৱতাৰ।* সেই কৃষ্ণই একমাত্ৰ উপাস্য দেৱ। গীতাৰ **মামেকং শৰণংব্ৰজ** ইয়ে ভক্তি প্ৰদীপতো কৃষ্ণদেৱ চূড়ান্ত বাণী, পুথিখনিৰ তত্ত্বৰ বৰ পেৰাৰ সঁচাৰ-কাঠি। পিছে গীতাত 'অন্য দেৱতা পূজিলেও যোকেই পূজা কৰা হয়' বুলি যিটি কথা কৈছে (অৱশ্যে লগতে তেনে পূজাৰ শেষফল যে পতন তাকো লগতে কৈ দিছে), ইয়াত তাৰ বাবে ঠাই ৰখা হোৱা নাই। বলি-বিধানেৰে অন্য-দেৱ সেৱীজন ঈশ্বৰদ্ৰোহী, ম্লেছতকৈও অপৱিত্ৰ, মহাপাপী। এক-শৰণ ভক্তি একমাত্ৰ ঈশ্বৰাভিমুখী হ'ব লাগিব। অন্য দেৱ-পূজা নিবাৰণ কৰাই

ভক্তি-প্ৰদীপৰ মুখ্য উদ্দেশ্য। অৱশ্যে আন ধৰ্মৰ প্ৰতি দ্বেষ আচৰণ কৰাও যুগুত নহয়। এই উদাৰতা বিশেষ লক্ষ্য কৰিবলগীয়া।

ভক্তিধৰ্মত অধ্যাত্ম-বিদ্যাৰ কঠিন আৱৰণ নাই। ভক্তৰ লগত ভজনীয়ৰ সংযোগ-সূত্ৰ প্ৰাণৰ; বিশ্বাসেই তাৰ মূল গাঁঠি; সেইকাৰণেহে ভক্তিধৰ্ম পৰম গুহ্য বোলা হৈছে। এই ভক্তি ন বিধ সাধনা-শ্ৰৱণ, কীৰ্তন, স্মৰণ, অৰ্চন, পদসেৱা, দাসত্ব, সখ্য, বন্দন, দেহ-নিবেদন। ইয়াৰ ভিতৰত শ্ৰৱণ কীৰ্তনকে মুখ্য বুলি ধৰা হয়। ভক্তৰ সঙ্গত কৃষ্ণ নাম মুখত লওতে আৰু কাণেৰে শুনোতে ভক্তিয়ে অন্তৰ অধিকাৰ কৰে। এয়ে নাম মাহাত্ম্য। আচৰিত কথা অশ্ৰদ্ধাৰে নাম লওতেও, জুইৰ আত্ম-সক্ৰিয়তাৰ দৰে, নামৰ পাতক দহন শক্তি বৰ্তমান থাকে। অজামিলে পুতেকৰ নাম লৈও মুক্তি পোৱা উপকথাটো নামৰ ভক্তি-সৃজনী শক্তি প্ৰকাশ কৰিবৰ বাবেহে সৃষ্টি কৰা হৈছে। অশ্ৰদ্ধাৰে নাম লৈ থাকোতে থাকোতে শ্ৰদ্ধা ভক্তি ওপজে। শেষত যেতিয়া ভক্তিয়ে অন্তৰত খোৰ পুতি লয়, ভক্তই যেতিয়া ভগৱন্তৰ আনন্দময়ৰূপ হৃদয়ত এবাৰ দেখা পায় তেতিয়া তেওঁ আৰু মোক্ষৰ বাবেও হাবিয়াস নকৰা হয়। সেয়ে নিষ্কাম বা কেৱল ভক্তি। একান্ত ভক্ত মোক্ষতকৈয়ো ওপৰত, তীৰ্থতকৈয়ো পৱিত্ৰ আৰু পৱিত্ৰকাৰী দেৱতাতকৈও শ্ৰেয়। সেইবাবেই ভক্তৰ সঙ্গ দুৰ্মূল্য। ইন্দ্ৰপূজা কৰা ব্ৰাহ্মণক চণ্ডালতকৈও নীচ বুলি ধৰা হৈছে আৰু বিষ্ণুভক্তা চাণ্ডালীক দেৱৰ্ষি নাৰদেও প্ৰদক্ষিণ কৰিছে, প্ৰণিপাত কৰিছে। সেই ভক্তাৰপৰাই চাণ্ডাল কুলে গতি পাইছে। এইখিনিতে ভক্তি-ধৰ্মৰ এটি সামাজিক লক্ষণ মনকৰিবলগীয়া। ইয়াত কোনো বিশিষ্ট সম্প্ৰদায়ৰ অধিকাৰ নাই। সকলো জাতিৰে ভক্ত সমান। এয়ে নৱ-বৈষ্ণৱ ধৰ্মৰ গণতান্ত্ৰিকতা।

শ্ৰীশ্ৰীশঙ্কৰদেৱে ভকতৰ বাবে বিধি কৰম নিষেধ কৰিছে—

*বেদৰ বিহিত কৰ্ম কৰিবাৰ*
*ভকতৰ যোগ্য নুই।*
*যদি মোহ হুয়া কৰে ধৰ্ম কৰ্ম*
*ভকতিত ভ্ৰষ্ট হুই।।* ১২৯ (ড° নেওগ সম্পাদিত ‘ভক্তি-প্ৰদীপ’)

. . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . .

*বেদৰ ধৰ্মক মানে কৰা পৰিত্যাগ।।* ১০২ (ঐ)

নামঘোষাত শ্ৰীশ্ৰীমাধৱপুৰুষে এফালে কৈছে—

*কৰ্মত বিশ্বাস যাৰ হিয়াত থাকন্তো হৰি*
*অতিশয় দূৰ হোন্ত তাৰ।*

আনফালে কৃষ্ণনামত একান্ত অনুৰাগ নোপোজা প্ৰাথমিক অৱস্থাৰ **ভক্তি-অবিৰোধী কৰ্ম** কৰিবৰ নিয়মো ৰাখিছে। কাৰণ দুই পথৰ এটিও গ্ৰহণ নকৰিলে পতনৰ ভয় থাকে। কিন্তু ভক্তি-প্ৰদীপত তেনে ভক্তিৰ সাধাৰণ নীতিৰ বহিৰ্ভুত ব্যৱস্থা নাই। কৰ্ম কৰিলেই ভক্তি ভ্ৰষ্ট হয়, ইয়াকেহে কোৱা হৈছে।

শ্ৰী শ্ৰীশঙ্কৰদেৱৰ মতে ভক্ত আৰু ভজনীয়ৰ সম্বন্ধ প্ৰভু আৰু দাসৰ সম্বন্ধেৰে একে। ইয়াৰ পৰা ইয়াকে বুজি জীৱ ঈশ্বৰৰ সম্পূৰ্ণ অধীন ভক্তি জীৱৰ কৰ্ত্তব্য কৰ্ম। ভক্তই ভগৱন্তক জানিবৰ উপায় প্ৰেম; কিন্তু এই প্ৰেম অধীনজনৰ প্ৰেমহে। নন্দ-যশোদা, ব্ৰজ-যুৱতী, উদ্ধৱ, ব্ৰজৰ চৰাই-পহু তৃণ পৰ্যন্ত কৰি সকলোৱে নানাৰূপে শ্ৰীকৃষ্ণক ভাল পাইছিল। কিন্তু শ্ৰীকৃষ্ণৰ নিজৰ গৰাকী বুলি ভবাতেই সেই ভালপোৱাই ভক্তিৰ সাৰ্থকতা লাভ কৰিছে। সখিভাব থকালৈকে অৰ্জুন কৃষ্ণৰ ভক্ত হ’ব নোৱাৰে; এই কথা কৃষ্ণই বুজাই দিছে। গোপীয়ে যেতিয়া যৌৱনেৰে

‘কানু’ক জয় কৰিছো বুলি ভাবিছে, তেতিয়া কৃষ্ণ অন্তৰ্হিত হৈছে, যশোদাৰ যেতিয়াই কৃষ্ণ-মমতা জন্মিছে, তেতিয়া ককালত বান্ধিবৰ জৰী চুটি হৈ গৈছে। অপাৰ কৰুণাময় প্ৰভুৰ ওচৰত সেৱকৰ যি আত্মসমৰ্পণ, যি প্ৰেম আৰু কৰ্ত্তব্যবোধ এই দুয়োফালৰপৰা সম্পূৰ্ণ হ’বলৈ বাধ্য। গতিকে বৈকুণ্ঠৰ ভক্ত পাৰিষদসকলো, আনকি লক্ষ্মী দেৱীও বৈকুণ্ঠপতিৰ ভৃত্য মাত্ৰ। তপ-জপ, যাগ-যজ্ঞ, জ্ঞান-তৰ্ক, তীৰ্থ-ব্ৰত সকলো যে অৰ্থহীন আৰু বৰ্তমান যুগৰ অনুপযোগী সেইটো অনেক ঠাইত কোৱা হৈছে। সেই যুক্তি লৈয়ে ভক্তি-প্ৰদীপ আৰম্ভ হৈছে।

শৌচ, সংযম, দান, পৰ-ধৰ্ম-অহিংসা, ভূত-দয়া, শান্তচিত্ত আদি ভাগৱত ধৰ্মৰ লক্ষণৰূপে বিবৃত হৈছে।

শঙ্কৰদেৱৰ আন আন পুথিৰ লগত *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ তুলনা নকৰিও ক’ব পাৰি যে আদি বয়সৰ ৰচনা হিচাপে এই গ্ৰন্থৰ কিছু দুৰ্বলতা থাকিলেও অব্যভিচাৰিণী ভক্তিৰ লক্ষণ আৰু নীতিৰ ব্যাখ্যাই এই গ্ৰন্থৰ মূল উপজীব্য আৰু সিটিয়ে গ্ৰন্থখনিক বৈষ্ণৱ আদৰ্শৰ গ্ৰন্থ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট। *ভক্তি-প্ৰদীপ* নামটোৱে গ্ৰন্থৰ প্ৰতিপাদ্য বিষয় সম্পৰ্কে স্পষ্ট ধাৰণা প্ৰকট কৰিবলৈ যথেষ্ট। যুধিষ্ঠিৰ ৰাজসূয় যজ্ঞস্থলীত উপস্থিত হোৱা মুনিসকলৰ মনত উদয় হোৱা প্ৰশ্নৰ প্ৰসঙ্গৰে শ্ৰীমদ্ভাগৱত গীতাৰ কৃষ্ণ-অৰ্জুন কাহিনীৰ আদৰ্শত *কৃষ্ণ-অৰ্জুন সম্বাদ* ৰূপে যি কাহিনীৰ অৱতাৰণা কৰিছে সেয়া গীতা শাস্ত্ৰৰ দৰে ৰসাল নহয়। তাতোকৈ কাহিনী হিচাপে নাৰদ-চণ্ডালিনীৰ কাহিনী বেছি জীৱন্ত আৰু সোৱাদ লগা। কিন্তু সমস্ত গ্ৰন্থখনিক ভক্তি ৰসেৰে ৰসাল কৰি তুলিবলৈ কবি শঙ্কৰদেৱ সমৰ্থ হৈছে। গ্ৰন্থৰ মূল বিষয়বস্তুক গতিশীলতা দান কৰি বিষয়ৰপৰা বিষয়ান্তৰলৈ গতি কৰিছে। উপমা, ৰূপক আদি অলঙ্কাৰৰ প্ৰয়োগ বৰ্ণনীয় বিষয়ৰ কাব্যিক সৌষ্ঠৱ বৃদ্ধি কৰিছে। ছন্দৰ উদ্দাম গতি আৰু পৰিণত আধ্যাত্মিক ভাবৰ সুসংযত প্ৰকাশে গ্ৰন্থখনিক নিটোল ৰূপ দান কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ভক্তি ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত ‘ভক্তি-প্ৰদীপ’-এ কেনেধৰণে ভূমিকা পালন কৰিছে সেই সম্পৰ্কে এটি আলোচনা আগবঢ়াওক। (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................

..................................................................................

..................................................................................

## ২.১০ সাৰাংশ (Summing Up)

ওপৰৰ আলোচনাৰপৰা এইটোৱে প্ৰতীয়মান হয় যে *ভক্তি-প্ৰদীপ* গ্ৰন্থত শ্ৰীমন্ত শঙ্কৰদেৱে কৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনৰ মাজেৰে ভক্তি-ধৰ্মৰ কথাকে ব্যাখ্যা কৰিব খুজিছে। যুধিষ্ঠিৰৰ যজ্ঞথলীত উপস্থিত হৈ মুনিসকলে কিদৰে মোক্ষ লাভ কৰিব পাৰি সেই বিষয়ে আলোচনা-বিলোচনা কৰাৰ প্ৰসঙ্গৰ সূত্ৰ ধৰিয়ে ভক্তি ধৰ্মৰ কথা উত্থাপিত হৈছে। অৰ্জুনৰ প্ৰশ্ন অনুসৰি কৃষ্ণই ভক্তি কি, ইয়াৰ লক্ষণ কেনে ধৰণৰ সেই বিষয়ে ব্যাখ্যা কৰিছে আৰু সেই প্ৰসঙ্গতে বৰ্ণনীয় বিষয়বস্তু ৰসোত্তীৰ্ণকৈ প্ৰকাশ কৰিবলৈ সুশীল ব্ৰাহ্মণ আৰু চণ্ডালিনীৰ কাহিনী উত্থাপন কৰিছে। চণ্ডালিনী অন্ত্যৰো অন্ত্য হৈও অব্যভিচাৰিণী ভক্তিৰ বলত কিদৰে নিজৰ কুলকো উদ্ধাৰ কৰিবলৈ সমৰ্থ হ’ল তাক বিশদভাৱে দেখুৱাইছে। এই কাহিনীৰ মাধ্যমেৰে এক কৃষ্ণত শৰণলৈ তেওঁৰ নাম শ্ৰৱণ কীৰ্তন কৰিলেই যে সকলো পাপ বিনাশ হয় তাকো প্ৰতীয়মান কৰা হৈছে। এক শৰণ নামধৰ্মৰ ব্যাখ্যা কৰি শ্ৰীকৃষ্ণই যে এই জগতৰ “স্ৰষ্টা পাতা হন্তা’ তাকো

প্ৰতিপন্ন কৰিছে। অন্য দেৱতাক ভজিলে যে ধৰ্ম ভ্ৰষ্ট তাৰেই প্ৰকৃষ্ট উদাহৰণ হ'ল এই ব্ৰাহ্মণ চণ্ডালিনীৰ কাহিনী। কাহিনী কোৱাৰ ছলেৰে ভকতৰ লক্ষণ আৰু নামধৰ্মৰ মৰ্যাদা সম্পৰ্কেও বিবৰী কৈছে। **গীতা**ত যেনেকৈ বিশ্বৰূপ দৰ্শনেৰে অৰ্জুনক যুদ্ধ কৰিবলৈ প্ৰস্তুত কৰিছিল ঠিক সেইদৰে *ভক্তি-প্ৰদীপ* গ্ৰন্থতো কৃষ্ণই অৰ্জুনক ঈশ্বৰৰূপ দেখুৱাই ভক্তিমাৰ্গত পতিয়ন নিয়াইছে।

## ২.১১ আৰ্হি প্ৰশ্ন (Sample Questions)

১। শঙ্কৰদেৱৰ ভক্তিমূলক ৰচনাসমূহৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

২। শঙ্কৰদেৱ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ মূল বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

৩। ভক্তি আৰু ভক্তিৰ লক্ষণসমূহৰ বিষয়ে আলোচনা কৰি কৃষ্ণ ভক্তিয়ে কিদৰে পাপ বিনাশ কৰিব পাৰে বুলি *ভক্তি-প্ৰদীপ* গ্ৰন্থত কোৱা হৈছে তাৰ বিশ্লেষণ কৰক।

৪। সুশীল ব্ৰাহ্মণ আৰু চণ্ডালিনীৰ কাহিনীটো দাঙি ধৰি তাৰ তাৎপৰ্য ব্যাখ্যা কৰক।

৫। নাৰদ আৰু চণ্ডালিনীৰ কথোপকথনৰ মাজেৰে প্ৰকাশ পোৱা ভক্তিধৰ্মৰ আদৰ্শ সম্পৰ্কে নিজৰ মতামত আগবঢ়াওক।

৬। 'অব্যভিচাৰিণী ভক্তিৰ লক্ষণ আৰু নীতিৰ বিশদ ব্যাখ্যাই *ভক্তি-প্ৰদীপ*ৰ উদ্দেশ্য আৰু সেয়ে তাৰ বৈশিষ্ট্য'— কথাষাৰ সমৰ্থন কৰি এটি আলোচনা যুগুত কৰক।

৭। *ভক্তি-প্ৰদীপ*ত বৰ্ণনা কৰা ধৰণে ভকতৰ লক্ষণসমূহ কি কি?

৮। ভাগৱতধৰ্ম আৰু নাম ধৰ্ম সম্পৰ্কে *ভক্তি-প্ৰদীপ* গ্ৰন্থত কেনেদৰে ব্যাখ্যা কৰা হৈছে— সেইবিষয়ে আলোচনা কৰক।

৯। *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ তত্ত্বালোচনা পদ্ধতি অথবা *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ ৰচনা ৰীতিৰ বিষয়ে এটি নিবন্ধ যুগুত কৰক।

১০। *ভক্তি-প্ৰদীপ* গ্ৰন্থ শঙ্কৰদেৱৰ নিজৰ ৰচনা নহয় বুলি কোনো কোনোৱে কোৱা কথাখিনি নিজৰ যুক্তিৰে খণ্ডন কৰক।

১১। *ভক্তি-প্ৰদীপ* গ্ৰন্থত প্ৰকাশ পোৱা মতে শঙ্কৰদেৱৰ ভক্তিধৰ্মৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

১২। *ভক্তি-প্ৰদীপ* গ্ৰন্থৰ আধাৰ গ্ৰন্থ কি? সেই আধাৰ গ্ৰন্থৰ লগত *ভক্তি-প্ৰদীপ*ৰ সম্পৰ্ক দেখুৱাওক।

## ২.১২ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


| | | |
|---|---|---|
| মহেশ্বৰ নেওগ | ঃ | *ভক্তি প্ৰদীপ* |
| (——) | ঃ | *শ্ৰী শ্ৰীশঙ্কৰদেৱ* |
| (——) | ঃ | *গুৰু চৰিত কথা* |
| (——) | ঃ | *অসমীয়া সাহিত্যৰ ৰূপৰেখা* |
| বাণীকান্ত কাকতি | ঃ | *পুৰণি অসমীয়া সাহিত্য* |
| নবীন চন্দ্ৰ শৰ্মা | ঃ | *ভক্তি প্ৰদীপ* |
| তীৰ্থনাথ শৰ্মা | ঃ | *ভক্তিবাদ* |
| অণিমা দত্ত | ঃ | *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দৰ্শন* |
| Maheswar Neog | ঃ | *Early History Of The Vaisnava Faith And Movement In Assam* |


* * *

# তৃতীয় বিভাগ
# মাধৱদেৱৰ 'ভক্তি-ৰত্নাৱলী'

**বিভাগৰ গঠন**


৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ মাধৱদেৱৰ ৰচনাৱলী
৩.৪ ভক্তি সাহিত্য ঃ ভক্তি-ৰত্নাৱলী
৩.৫ 'ভক্তি-ৰত্নাৱলী' গ্ৰন্থ প্ৰাপ্তিৰ কাহিনী
৩.৬ 'ভক্তি-ৰত্নাৱলী'ৰ টীকা
৩.৭ 'ভক্তি-ৰত্নাৱলী'ৰ অসমীয়া ভাঙনি
৩.৮ 'ভক্তি-ৰত্নাৱলী'ৰ মূল
৩.৯ 'ভক্তি-ৰত্নাৱলী'ৰ বিৰচনসমূহৰ পৰিচয়
৩.১০ 'ভক্তি-ৰত্নাৱলী'ৰ অনুবাদ ৰীতি আৰু মৌলিকতা
৩.১১ কাব্য-ৰীতি
৩.১২ 'ভক্তি-ৰত্নাৱলী'ৰ সামাজিক মূল্য
৩.১৩ সাৰাংশ (Summing up)
৩.১৪ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১৫ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


## ৩.১ ভূমিকা (Introduction)

সংস্কৃত ভজ্ ধাতুৰপৰা নিস্পন্ন (ভজ্ + ক্তি) ভক্তি শব্দৰ মূলগত অৰ্থ হ'ল— সেৱা বা আনুগত্য। ভক্তিৰ ভেটি শ্ৰদ্ধা। যি দেৱতাৰ প্ৰতি জন- সাধাৰণৰ শ্ৰদ্ধা আছে, সেই জনলৈ তেওঁলোকে ভক্তিৰ অঞ্জলি আগবঢ়ায়। ভক্তি শব্দটোৰ প্ৰথম প্ৰয়োগ হৈছে- শ্বেতাশ্বতৰ উপনিষদৰ ষষ্ঠ অধ্যায়ৰ অন্তিম তৰংগত। নাৰদে তেওঁৰ ভক্তিসূত্ৰত কৈছে যে ঈশ্বৰৰ প্ৰতি তীব্ৰ প্ৰেমেই ভক্তি। বৈদিক যুগৰে পৰা খ্ৰীষ্টীয় দশম শতাব্দীলৈকে ভাৰত ভূমিত ভক্তিবাদে ভিন্ ভিন্ ৰূপত না না সম্প্ৰদায়ৰ যোগেদি বিকাশ প্ৰাপ্ত হয়। শিৱ, শক্তি গণপতি সূৰ্য অথবা ৰামচন্দ্ৰক কেন্দ্ৰ কৰি ভক্তিৰ চকৰি ঘূৰিলেও কৃষ্ণ-বাসুদেৱেই আছিল ভক্তি সাধনাৰ কেন্দ্ৰ বিন্দু। ভক্তি ভাৱাশ্ৰয়ী সাহিত্য ভক্তি সাহিত্য ৰূপে পৰিচিত। সাধাৰণতে গীতি কবিতাৰ যোগেদি ভক্তিৰ ভাৱধাৰা প্ৰকাশ পায়। বিশ্বৰ প্ৰতিটো ধৰ্মতে পৰ্যাপ্ত পৰিমানে ভক্তি সাহিত্য ৰচিত হোৱাটো মন কৰিবলগীয়া। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্ব ভূ ভাগত অৱস্থিত অসমত নৱ-বৈষ্ণৱ ভক্তি আন্দোলনৰ গইনা লৈ ভক্তি সাহিত্যই গা কৰি উঠে। এই ভক্তি সাহিত্যক ৰূপৰ ফালৰ পৰা গীত, পদ, নাট আৰু গদ্যৰূপৰ অন্তৰ্ভুক্ত কৰিব পাৰি।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- *ভক্তি-ৰত্নাৱলী*ৰ নামৰ তাৎপৰ্য জানিব পাৰিব;
- *ভক্তি-ৰত্নাৱলী*ৰ ৰচনাৰ কাল নিৰ্ণয় কৰিব পাৰিব;
- *ভক্তি-ৰত্নাৱলী* গ্ৰন্থ প্ৰাপ্তিৰ কাহিনী জানিব পাৰিব;

- এই গ্ৰন্থৰ টীকা আৰু অসমীয়া ভাঙনি সম্পৰ্কে ধাৰণা এটি ল'ব পাৰিব;
- *ভক্তি-ৰত্নাৱলী*ত প্ৰকাশ পোৱা সৎসঙ্গ মহিমা, নৱবিধা ভক্তিৰ ধাৰা আৰু শৰণ সম্পৰ্কে ধাৰণা ল'ব পাৰিব; আৰু
- *ভক্তি-ৰত্নাৱলী*ৰ অনুবাদ ৰীতি আৰু মৌলিকতাৰ লগতে কাব্য ৰীতি আৰু সামাজিক মূল্যৰো আভাস পাব।

## ৩.৩ মাধৱদেৱৰ ৰচনাৱলী

বহুমুখী প্ৰতিভাসম্পন্ন মহাপুৰুষ মাধৱদেৱে তেওঁৰ অনুপম সাহিত্য-কৰ্মৰ জৰিয়তে অসমৰ ভক্তি আন্দোলনক আগবঢ়াই নিয়াত কৃতকাৰ্য হৈছিল। অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলে মহাপুৰুষৰ ৰচনা সম্ভাৰক আখ্যানমূলক ৰচনা, তত্ত্বমূলক ৰচনা, নাট বা ঝুমুৰা আৰু বৰগীত প্ৰকৃতি ভাগত ভগাই আলোচনা কৰিছে। আখ্যান মূলক ৰচনাৰ ভিতৰত *আদিকাণ্ড ৰামায়ণ* আৰু *ৰাজসূয় কাব্য* ৰ নাম ল'ব পাৰি। তত্ত্বমূলক ৰচনা ৰূপে *জন্মৰহস্য, ভক্তি-ৰত্নাৱলী* , মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ অভিজ্ঞতাৰ ফচল *নাম-ঘোষা*, ৰজা পুৰুষোত্তম্ গজপতিৰ *নাম মালিকা* ৰ পদবন্ধখনি আৰু *জন্ম ৰহস্য* প্ৰসিদ্ধ। নাট বা ঝুমুৰাৰ ভিতৰত *অৰ্জুন ভঞ্জন, চোৰধৰা, পিম্পৰা-গুচোৱা, ভোজন বেহাৰ,* আৰু *ভূমি-লুটিয়া* ৰ নাম একে উশাহতে ল'ব লগীয়া। *ৰাস ঝুমুৰা, কোটোৱা খেলা, ভূষন হৰণ* আৰু *ব্ৰহ্মামোহন* এই কেইখনি ঝুমুৰা মাধৱদেৱৰ ৰচনা নহয় বুলি বহুতে কয়। মাধৱদেৱৰ বৰগীত আৰু ভটিমাসমূহে অসমীয়া বৈষ্ণৱ সাহিত্যত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাটো তাৎপৰ্যপূৰ্ণ। অৱশ্যে গুৰুজনাই লিখা বৰগীতৰ সংখ্যা লৈ পণ্ডিতসকলৰ মাজত মতানৈক্য দেখা যায়। ড° সত্যেন্দ্ৰনাথ শৰ্মাই কয়, 'গুৰুবাক্য শিৰত ধৰি মাধৱদেৱে হেনো ন-কুৰি এঘাৰটা বৰগীত ৰচনা কৰিলে' (অসমীয়া সাহিত্যৰ ইতিবৃত্ত)। আনহাতে ড° মহেশ্বৰ নেওগৰ মতে, 'মাধৱদেৱে শংকৰদেৱৰ ৩০ টি আৰু নিজে ৰচা ১৫৭ টি গীত লৈ নতুনকৈ পুথি কৰিলে।' (অসমীয়া সাহিত্যৰ ৰূপৰেখা), ইয়াৰ উপৰি *অমূল্য ৰত্ন, আদি চৰিত্ৰ গুপ্তমনি, গুপ্তসাৰ* প্ৰভৃতি গ্ৰন্থৰ লগতে অনেক দেহবিচাৰৰ গীতত মাধৱদেৱৰ ভনিতা আছে যদিও সিবোৰ গুৰুজনাৰ ৰচনা নহয় বুলি পণ্ডিতসকলে নিৰ্ণয় কৰিছে।

## ৩.৪ ভক্তি সাহিত্য ঃ ভক্তি-ৰত্নাৱলী

ভক্তি শব্দেৰে আৰম্ভ কেবাখনো পুৰণি অসমীয়া পুথি পোৱা যায়। যেনে- মহাপুৰুষ শঙ্কৰদেৱৰ *ভক্তি-প্ৰদীপ* আৰু *ভক্তি-ৰত্নাকৰ*, মহাপুৰুষ মাধৱদেৱৰ *ভক্তি-ৰত্নাৱলী*, বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ *ভক্তি-বিৱেক* আৰু *ভক্তিসাৰ* আৰু নৰোত্তম ঠাকুৰৰ *ভক্তি-প্ৰেমাৱলী*। ইয়াৰে দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম গ্ৰন্থ সংস্কৃতত লিখা। *ভক্তি-ৰত্নাৱলী* দেৱভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰা। সাধাৰণতে অনুবাদ গ্ৰন্থক তিনিটা ভাগত ভগোৱা হয়— আক্ষৰিক অনুবাদ, ভাবানুবাদ আৰু ব্যাখ্যাত্মক অনুবাদ। মহাপুৰুষ মাধৱদেৱৰ পুথিখনি দ্বিতীয় শ্ৰেণীৰ অন্তভুক্ত।

*ৰত্নাৱলী* ৰ 'ৰত্ন' শব্দটো √ ৰম ধাতুত নিচ্ নঃ যোগ হৈ নিষ্পন্ন হৈছে। ইয়াৰ মূলগত অৰ্থ উৎকৃষ্ট শ্ৰেষ্ঠ সম্পদ। 'আৱলী' শব্দই শাৰী, বংশপৰযগৰা আদি অৰ্থ সূচায় বাবে *ৰত্নাৱলী* বুলিলে ৰত্নৰ মালা বুজায়। *ভক্তি-ৰত্নাৱলী* ৰ মূল সংকলক হ'ল- তিৰহুতৰ পৰমহংস বিষ্ণুপুৰী সন্ন্যাসী। পুৰী উপাধিটো জগৎগুৰু শ্ৰীমদ্ শংকৰাচাৰ্য সম্প্ৰদায়ৰ 'দশনামী' শাখাৰ বিভিন্ন উপাধিৰ এটা। বিষ্ণুপুৰী সম্পৰ্কে সবিশেষ পোৱা নাযায়। বিষ্ণুপুৰীৰ বিষয়ে বিশেষ জনা নাযায়। 'কান্তিমালা টীকা'ত তেওঁক 'তৈৰভুক্ত সন্ন্যাসী' বোলা হৈছে। লোক বিশ্বাস মতে, তেওঁ মিথিলাৰ তৰৌণী গাঁৱৰ ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। সংস্কৃত ভাষা আৰু সাহিত্যত পাৰদৰ্শী বিষ্ণুপুৰীয়ে সন্ন্যাস গ্ৰহণ কৰি বাৰাণসীৰ বিশ্বনাথ মন্দিৰৰ নিকটৱৰ্তী বিন্দুমাধৱ মন্দিৰত থাকিবলৈ লয়।

*ভক্তি-ৰত্নাৱলী* ৰ ৰচনাকাল সম্পৰ্কে পণ্ডিতসকলৰ মতানৈক্য আছে। তলত কেইটামান মত উল্লেখ কৰা হ'ল—

ক) *ভক্তি-ৰত্নাৱলী* ৰ সম্পাদক বলাইচাঁদ গোস্বামী আৰু অতুল কৃষ্ণ গোস্বামীয়ে উল্লেখ কৰিছে যে পুথিখনি ১১৫০ শকৰপৰা ১২০০ শকৰ মাজত সংকলন কৰা হৈছিল।

খ) সংকলন গ্ৰন্থখনিৰ কলিকতীয়া পাঠশাখাৰ অন্তিমৰ শ্লোকত বিষ্ণুপুৰীৰ সময়ৰ উল্লেখ আছে— "বিষ্ণুপুৰীয়ে বহু কষ্ট কৰি *ভক্তি-ৰত্নাৱলী* সংকলন কৰিলে আৰু তাৰ কান্তিমালা টীকাখনি লিখিলে। কাশীত বিশ্বনাথৰ সান্নিধ্যত হৰি মন্দিৰত ১৫৫৫ শকত ফাগুনৰ শুক্লা দ্বিতীয় তিথিত কান্তিমালা সাহিত্য *ভক্তি-ৰত্নাৱলী* সম্পূৰ্ণ কৰা হ'ল।"

গ) অধ্যাপক ড° কৃষ্ণ নাৰায়ণ প্ৰসাদ মাগধে বিষ্ণুপুৰীক চৈতন্যদেৱৰ সমসাময়িক বুলি সাব্যস্ত কৰিছে।

ঘ) আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীয়ে এটা ইংৰাজী নিবন্ধত বিষ্ণুপুৰীৰ কাল পঞ্চদশ শতাব্দীৰ অন্তিম তৰংগত স্থাপন কৰিছে।

প্ৰথম মতৰ সপক্ষে কোনো নিশ্চিত প্ৰমাণ পত্ৰ আমাৰ হাতত নাই। দ্বিতীয় মতৰ তাৰিখেটো বৰ পিছৰ যেন লাগে, কিয়নো মহাপুৰুষ শংকৰদেৱৰ জীৱন কালতে *ভক্তি-ৰত্নাৱলী* অসমলৈ অহাৰ কথা চৰিত পুথিত পোৱা যায় (কথা গুৰু চৰিত্ৰ)। মহাপুৰুষৰ- মহাপ্ৰয়াণ হৈছিল- ১৪৯০ শকত। সেই ফালৰপৰা ১৫৫৫ শকত 'ভক্তি-ৰত্নাৱলী'ৰ সংকলন অৰ্থ সমাপ্ত হোৱাৰ কোনো যুক্তি থাকিব নোৱাৰে। শ্ৰীচৈতন্য মহাপ্ৰভুৰ আৰ্বিভাৱ কাল-১৪৮৫ চন। বিষ্ণুপুৰীক শ্ৰীচৈতন্যদেৱৰ সমসাময়িক বুলিব নোৱাৰি, কাৰণ মহাপুৰুষে এই গ্ৰন্থিখনি পোৱাৰ পূৰ্বেই সন্ন্যাসীজনাই ইহলীলা সম্বৰণ কৰিছিল। মহাপুৰুষে তেওঁৰ দ্বিতীয়বাৰ তীৰ্থ যাত্ৰা কৰি অহাৰ পিছত কণ্ঠভূষণৰ যোগেদি এই গ্ৰন্থিখনি লাভ কৰে। গতিকে বিষ্ণুপুৰী শ্ৰীচৈতন্য দেৱতকৈ কিছুদিন আগৰ হোৱা সম্ভৱ। আনহাতে বিষ্ণুপুৰীৰ গ্ৰন্থত শ্ৰীধৰ স্বামীৰ প্ৰভাৱ মচিব নোৱাৰা সেই ফালৰ পৰা কোনো কোনো পণ্ডিতে সন্ন্যাসীজনাক শ্ৰীধৰ স্বামীৰ পৰৱৰ্তী কিছু শ্ৰীচৈতন্য মহাপ্ৰভুৰ পূৰ্বৱৰ্তী লোক ৰূপে সাব্যস্ত কৰে। এই মতটোত আপত্তি কৰিবলগীয়া বিশেষ নাই।

**আত্মমূল্যায়ন প্ৰশ্ন**

বিষ্ণুপুৰীৰ কাল সম্পৰ্কে আলোচনা কৰক? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

................................................................................

................................................................................

................................................................................

## ৩.৫ 'ভক্তি-ৰত্নাৱলী' গ্ৰন্থ প্ৰপ্তিৰ কাহিনী

মহাপুৰুষ মাধৱদেৱে বিষ্ণুপুৰী সন্ন্যাসীকৃত *ভক্তি-ৰত্নাৱলী* খন প্ৰাপ্তিৰ বৰ্ণনা *গুৰু চৰিত কথা* আৰু সবিস্তাৰে বৰ্ণিত হৈছে। তাত আছে— শ্ৰীমন্ত শংকৰদেৱৰ পাৰিবাৰিক পুৰোহিত ৰামৰায় গুৰুৰ-জোৱাই কণ্ঠভূষণে ভাগৱত তত্ত্ব ভালদৰে ব্যাখ্যা কৰিব নোৱাৰি শংকৰদেৱক তৰ্কত পৰাজিত কৰাৰ উদ্দেশ্যে বাৰানসী পালেগৈ আৰু তাতে এহেজাৰ ছাত্ৰক পাঠদান কৰা বিষ্ণুপুৰীৰ শিষ্য ব্ৰহ্মানন্দ সন্ন্যাসীৰ তলত বিদ্যাৰম্ভ কৰিলে। এদিনাখনৰ কথা। সন্ন্যাসীয়ে দশমৰ ব্ৰহ্মামোহন খণ্ডৰ কেইটামান শ্লোকৰ অৰ্থ উলিয়াব নোৱাৰি মৌন হৈ থকাত অসমৰ

শিক্ষাৰ্থীজনে মহাপুৰুষ শংকৰদেৱে কৰা ভাঙনি আওৰাই দিয়াত শ্লোকৰ অৰ্থ ওলাই পৰিল। তেতিয়া ব্ৰহ্মানন্দই কণ্ঠভূষণৰ পৰিচয় লোৱাত তেওঁ নিজৰ পৰিচয় দিয়াৰ লগতে গুৰুজনাৰ লগত 'বাদ কৰিবৰ' জোখাৰে পণ্ডিত হ'বলৈহে যে বাৰানসীলৈ আহিছে সেই কথাও উল্লেখ কৰিলে। ব্ৰহ্মানন্দই তেতিয়া কণ্ঠভূষণক বুজালে যে শংকৰদেৱেই আচল গুৰু তেওঁৰ লগত বাদ কৰাৰ পৰিৱৰ্তে তেওঁৰ শ্ৰীচৰণত শৰণ লোৱাহে যুগুত। তাৰ পিছত তেওঁ পুথি থোৱা পেৰাটো খেলি চাই দেখে যে বিষ্ণুপুৰীয়ে সংকলন কৰা 'ভক্তি-ৰত্নাৱলী' পুথিখন একেবাৰে ওপৰত উঠি আছেগৈ। লগে লগে গুৰুৱে কোৱা কথাখিনি তেওঁৰ মনত পৰিল- যেতিয়াই 'ব আদি গ্ৰাম, শ আদি নাম, হৰি অৱতাৰ পূব দিশত (অৰ্থাৎ বাৰাণসীৰ পূৱ দিশত বৰদোৱা নামে গাঁৱত শংকৰদেৱে হৰিৰ অৱতাৰ ৰূপে উপজিব) জন্মিব, তেতিয়াই সকলো পুথিত তলত যোৱা 'ৰত্নাৱলী'খন একেবাৰে ওপৰত উঠিব।' লগতে মৃত্যুমুখী গুৰুৱে কোৱা কথাখিনিও তেওঁৰ স্মৃতিলৈ আহিল— 'এই মোৰ কৃত্য তলত থৈছে। জৈমানি এই শাস্ত্ৰ উপৰ হয়, তেতিয়া পূৰ্ণ্নে অনাদি শিৱ অৱতাৰ পৃথিৱীত হ'ব ঃ মোৰ সন্দেহ দি সেৱাজনাই পঠাবা।' ব্ৰহ্মানন্দই গুৰুৰ ভৱিষ্যত বাণীৰ প্ৰমাণ ফলিওৱাত 'ৰত্নাৱলী' পুথিখনৰ লগতে নিজেও চাৰিটা শ্লোক ৰচি শংকৰদেৱলৈ সেৱাজনাই পঠিয়াই দিলে।

কণ্ঠভূষণে পুথিখনি আনি শংকৰদেৱৰ আগত থলেহি। মাধৱদেৱ সেই সময়ত কাষতে বহি আছিল। পুথিখনি তেওঁক চাবলৈ ক'লত বৰা পোৱে উত্তৰ দিলে- 'বোলে বাপ, সন্ন্যাসীৰ কৃত ই বা কিমত, কিয় চাম একা?'। তেতিয়া গুৰুজনাই নিজে হাতত তুলি দিয়াত পঢ়ি চাই শৰণৰ কথা বিচাৰি নাপাই ক'লে- 'পুৰুষটি সুন্দৰ, কিন্তু শিৰ নাই।' পিছত পুথিখনৰ পাত লুটিয়াই শেহত শৰণ বিৰচন পাই পুলকিত হৈ ক'লে- 'গ্ৰন্থৰ অমূল্য ৰত্নৰে অলি, কিন্তু তেওঁ শিৰভাগ তলা।' অৰ্থাৎ ভাগৱত পুৰাণৰ সাৰস্বৰূপ আছে পুথিখনিৰ শেহত হৈ। শংকৰদেৱে তেতিয়া আনন্দত আপ্লুত হৈ ক'লে- 'বিষ্ণুপুৰী মোৰ সংগী আগে পোৱা হ'লে শ্ৰমকৈ ৰত্নাকৰ নকৰোএ... বৰাপো মহা বিচক্ষণ শাস্ত্ৰ, ভকতৰ সৰ্ব্বস, শ্লোক ভাংগি পদ কৰা যক।' মাধৱদেৱে সেই কথালৈ পোনতে সংকোচ কৰাত গুৰুজনাই তাৰে আঢ়েটি পদ ভাঙনি কৰিলে যদিও গুৰুজনাক প্ৰেম ভকতিৰ আবেগে আগুৰি ধৰাত আই গোঁসানীক ক'লে— 'ৰামানন্দৰ মাক, থৰা নি। এই শাস্ত্ৰ বৰাপোতে হাস্তেসে হব পাচত।'

**আত্মমূল্যায়ন প্ৰশ্ন**

বিষ্ণুপুৰী সন্ন্যাসীৰ *ভক্তি-ৰত্নাৱলী* খনি অসমলৈ অহাৰ কাহিনীটো বৰ্ণনা কৰক?
(৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

..........................................................................
..........................................................................
..........................................................................

## ৩.৬ 'ভক্তি-ৰত্নাৱলী'ৰ টীকা

বিষ্ণুপুৰী সন্ন্যাসীয়ে সংকলন কৰা *ভক্তি-ৰত্নাৱলী* ৰ এখনি টীকা পোৱা যায়। টীকাখনৰ নাম *কান্তিমালা* । কোনো কোনো পণ্ডিতৰ মতে, সেইখনি বিষ্ণুপুৰীৰে ৰচনা। আন কোনো পণ্ডিতৰ মতে, সেইখনিৰ ৰচয়িতা বিষ্ণুপুৰী নহয়- শ্ৰীধৰ স্বামীহে। মহাপুৰুষ মাধৱদেৱে ভাষাৰূপ দিয়া *ভক্তি-ৰত্নাৱলী* ৰ শেষত বৈষ্ণৱ কবিজনায়ো সেইখনি শ্ৰীধৰ স্বামীৰ ৰচনা ৰূপে স্বীকৃতি দিয়াটো তাৎপৰ্যপূৰ্ণ। যেনে—

'ইহাৰ শ্ৰীধৰ স্বামী উক্তি লেখনত য'ত
নূন্যধিক হৈল নিৰন্তৰ।
সিসৰ চঞ্চল দোষ মই লুভিয়াৰ ক্ষমা
কৰিবে উচিত মহত্তৰ।।'

উল্লেখযোগ্য যে আলোচিত সংকলন গ্ৰন্থখনিৰ 'ভক্তি-প্ৰকাশিকা' নামেৰে আন এটি টীকাও পোৱা যায়।

### ৩.৭ 'ভক্তি-ৰত্নাৱলী'ৰ অসমীয়া ভাঙনি

*ভক্তি-ৰত্নাৱলী* ৰ প্ৰথম পদবন্ধ কৰা কবিজন হ'ল- মহাপুৰুষ মাধৱদেৱ। *গুৰু চৰিত-কথা* ত পোৱা যায়—গুৰুজনাৰ তিৰোভাৱৰ পিছত আই গোঁসানীৰ কথা মতে মাধৱদেৱে পাটবাউসীত থাকি অসৎ লোকৰ উৎপাতত অসহ্য হৈ ৰামচৰণ ঠাকুৰৰ ঘৰ পায়গৈ। তাতে তেওঁ *ভক্তি-ৰত্নাৱলী*ৰ ভাষাৰূপ আৰম্ভ কৰে। প্ৰথম তিনিটা বিৰচন শেষ হোৱাৰ পিছত এদিন শংকৰ গুৰুৰ বংশৰ হাযিয়া দলৈ মাধৱদেৱৰ ওচৰলৈ গৈ ক'বলৈ ধৰিলে — 'অ তুমি শাস্ত্ৰ কৰিব খৈলা, মোৰ শংকৰদেৱক দেখি, তাৰ গ্ৰন্থ অনেক, আদৰকৈ চাব, পঢ়িব, শুনিবঃ তোমাৰ পুথি চাব গাব কোনে?' এই কাথাত মনস্তাপ পাই বৈষ্ণৱ গুৰুজনাই বাকী থকা বিৰচন কেইটা চমুকৈ ভাঙনি কৰি কোনোমতে পুথিখনি শেষ কৰে। সমাপ্তিৰ পিছত মাধৱদেৱে কামটিত আত্মসন্তুষ্টি লভি কৈছিল— 'ঘোষা ৰত্নাৱলী' আমাৰ থাকিবৰ মন।' শেষত সেই ভাঙনিটো নি কণ্ঠভুষনক দেখুৱালত তেওঁ মন্তব্য দিলে— 'পণ্ডিতে যুখ দিব নোৱাৰা বিচক্ষণ হৈছে।'

*ভক্তি-ৰত্নাৱলী* ৰ প্ৰথম আৰু শেষ কথা বন্ধ কৰে— বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য ওৰফে ভট্টদেৱে। অৱশ্যে জনসাধাৰণে *ভক্তি-ৰত্নাৱলী* বুলিলে মাধৱদেৱৰ পদবন্ধ পুথিখনহে বুজে।

**আত্মমূল্যায়ন প্ৰশ্ন**

বিষ্ণুপুৰী সন্ন্যাসীৰ 'ভক্তি-ৰত্নাৱলী'ৰ অসমীয়া ভাঙনি স্পৰ্কে লিখক? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

..............................................................................
..............................................................................
..............................................................................

### ৩.৮ 'ভক্তি-ৰত্নাৱলী'ৰ মূল

*ভক্তি -ৰত্নাৱলী* হ'ল— ভাগৱত পুৰাণৰ পৰা চয়ন কৰা ভক্তিজ্ঞাপক ভালেসংখ্যক শ্লোকৰ অনুপম সংকলন গ্ৰন্থ। ইয়াত বিষ্ণুপুৰীৰ দ্বাৰা ৰচিত শ্লোকৰ সংখ্যা তেনেই কম। মংগলাচৰণৰ পিছত চাৰিটা আৰু গ্ৰন্থ সমাপ্তিৰ চাৰিটা-মুঠতে আঠোটা শ্লোকহে সন্ন্যাসীৰ দ্বাৰা ৰচিত। উক্ত শ্লোক গুচ্ছৰ উপৰি *হৰিভক্তি সুধোদয়*ৰ পৰা দুটা আৰু পুৰাণান্তৰ গ্ৰন্থৰ পৰা চাৰিটা শ্লোক পোৱা যায়। পূৰ্বৰ ছেদত উল্লেখ কৰি অহা হৈছে যে আলোচিত অনুপম সংকলন গ্ৰন্থখনিৰ এটি 'কান্তিমালা' নামেৰে টীকাও পোৱা যায়। সেই টীকাখনি কোনোৱে বিষ্ণুপুৰীয়ে নিজে ৰচনা কৰা বুলি কয় যদিও আন বহুতে সেইখনি শ্ৰীধৰ স্বামীয়ে ৰচনা কৰা বুলিহে ক'বলৈ বিচাৰে। অৱশ্যে মহাপুৰুষ মাধৱদেৱে কণ্ঠভূষণৰ যোগেদি পোৱা *ৰত্নাৱলী*-খন কান্তিমালা টীকা সম্বলিত আছিল। বৈষ্ণৱ কবিজনাৰ অনুবাদে তাৰ প্ৰমাণ ঃ

মহা কান্তিমালা যুক্ত ভক্তি ৰত্নাৱলী গ্ৰন্থ
কৰিলোহো অনেক যতনে।

### ৩.৯ 'ভক্তি-ৰত্নাৱলী'ৰ বিৰচনসমূহৰ পৰিচয়

বিষ্ণুপুৰী সন্ন্যাসীৰ *ভাগৱত পুৰাণ*ৰ প্ৰায় চাৰিশ ভক্তিৰ ভিন্ন মাহাত্ম্য প্ৰকাশক শ্লোক চয়ন কৰি সিবোৰ তেৰটা ভাগত ভগাইছে। প্ৰতিটো অধ্যায়ৰ নামকৰণ কৰিছে বিৰচন (Composition) ৰূপে। সন্ন্যাসীয়ে বিৰচনবোৰ বিষয়বস্তু নিৰ্ধাৰণ নকৰাটো মন কৰিবলগীয়া। মাধৱদেৱে পিছে প্ৰতিটো বিৰচনৰে বিষয়বস্তুৰ উল্লেখ কৰিছে। অৱশ্যে হিন্দীৰ দোহা চৌপাই ৰূপত ভাষান্তৰ কৰা 'ভক্তি-প্ৰকাশিকা' নামৰ টীকাখনত প্ৰতিটো বিৰচনতে প্ৰাৰম্ভতে নামকৰণ কৰা দেখা যায়। সেইবাবেই বিশিষ্ট বৈষ্ণৱ সাহিত্যৰ পণ্ডিত সোণাৰাম চুতীয়াই মাধৱদেৱে *ৰত্নাৱলী*ৰ ভাষান্তৰৰ কালত আলোচিত টীকাখন সম্ভাৱনা ব্যক্ত কৰিছে। তলত বিৰচনসমূহৰ চমু পৰিচয় দাঙি ধৰা হ'ল—

**প্ৰথম ঃ ভক্তি বিৰচন ঃ**

সংস্কৃত *ভক্তি-ৰত্নাৱলী* খনৰ মুঠ শ্লোকসংখ্যা- ১১৫ টা। ইয়াৰে চাৰিটা বিষ্ণুপুৰীৰ ৰচনা আৰু বাকীবোৰ 'ভাগৱত পুৰাণ'ৰ পৰা চয়ন কৰা। মাধৱদেৱে আলোচিত শ্লোকখিনি আপোন বক্তব্য সমন্বিতে ২৯৪ টা পদত সমাপ্ত কৰিছে। *ৰত্নাৱলী* খন যে *ভাগৱত পুৰাণ*ৰ সাৰসংগ্ৰহ, তাক বৈষ্ণৱ কবিজনাই আৰম্ভণিতে ব্যক্ত কৰিছে— 'ভক্তি ৰত্নাৱলীা গ্ৰন্থ ভাগৱত সাৰ।' এই বিৰচনত ভক্তিৰ শ্ৰেষ্ঠত্ব সুন্দৰভাৱে প্ৰতিপন্ন কৰা হৈছে। ইয়াত 'অব্যভিচাৰী ভক্তি'ৰ প্ৰয়োগ তাৎপৰ্যপূৰ্ণ। ভক্তিতকৈ শ্ৰেষ্ঠ ধৰ্ম পৃথিৱীত নাই। সকলো ধৰ্মৰে মুখ্যফল ভক্তি। ভক্তিহীন ধৰ্ম নিস্ফলঃ *'সমস্ত ধৰ্মৰ ভকতিসে মুখ্য ফল/ভকতি নভৈলে ধৰ্ম সকলে বিফল।।'*(পদ, ২৭) । যি ধৰ্মই বাসুদেৱত ভক্তি উপজায় যেয়ে পৰম ধৰ্ম। আত্মাৰাম বা মুক্ত মুনিসকলেও যে ভক্তিকেই বাঞ্ছা কৰে তাকে দেখুৱাবলৈ গৈ শ্ৰেষ্ঠতা বাৰে বাৰে আলোচনা কৰিছে— *'এহি তাৎপৰ্য কহে ভাগৱত গ্ৰন্থ/ ইহলোকে হৰি ভকতিসে মুখ্য পন্থ (পদ ২৬৯)।'* এক বাসুদেৱক সেৱা কৰিলে, ভক্তিৰ অঞ্জলি আগবঢ়ালে আন দেৱ-দেৱীলৈ ৰতি কৰাৰ আৱশ্যকতা নাই। প্ৰকৃত ভক্তই কোনোদিনে আন একো কামনা নকৰি ভকতি কৰি থাকিবলৈহে বিচাৰে। কিয়নো তেওঁলোকে জানে যে ভক্তিতকৈ মুক্তি নিম্নস্তৰৰ। ভগৱন্ত পুৰুষক ভকতি সেৱা আগবাঢ়াই পোৱা মানসিক সুখ-শান্তি যুক্তিয়ে প্ৰদান কৰিবলৈ অক্ষম। সেই বাবেই কবিয়ে দৃঢ়ভাৱে ঘোষণা কৰিছে—

*'এতেকে ভকতি শ্ৰেষ্ঠ মুকুতিত কৰি/নুহি আন সুখ আৰ ভকতিত সৰি।।'*

সকলো সাধনতকৈ ভক্তি শ্ৰেষ্ঠ গুণেই 'বিবেকীজনে ভক্তিকহে আসয় কৰে' (*ৰত্নাৱলী কথা)*। ভক্তিৰ শ্ৰেষ্ঠতা প্ৰতিপাদন কৰিবলৈ এই বিৰচনত উদ্ধৱ, কপিলদেৱ, কামদেৱ, চমস, নাৰদ, পুৰুৰবা পৃথু প্ৰহলাদ, প্ৰবুদ্ধ বৃত্ৰাসুৰ, মাৰ্কণ্ডেয়, যম, সুধিষ্ঠিৰ, শ্ৰীকৃষ্ণ, সুত, সুনীতি প্ৰভৃতিৰ ভক্তিপৰ উক্তি উপস্থাপন হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

সৎসংগ বিৰচনৰ মুল তাৎপৰ্য কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

. . . . . . . . . . . . . . . . . . . . . . . . . . .. . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

**দ্বিতীয় ঃ সৎসংগ বিৰচন ঃ**

*ভক্তি-ৰত্নাৱলী*ৰ দ্বিতীয় বিৰচনত সৎসংগৰ মহিমা কীৰ্তন কৰা হৈছে। ভগৱানৰ প্ৰতি অহৈতুকী ভক্তি কেনেদৰে মনত উদয় হ'ব পাৰে, তাৰ উপায় হিচাপে সৎসংগ তথা সাধুসেৱা নিৰ্দেশিত হৈছে। সৎসংগৰ মহিমা সাৰ্গাদি লাভৰ সুখতকৈ শ্ৰেষ্ঠতৰ ঃ *'স্বৰ্গাদিতো কৰি শ্ৰেষ্ঠ সাধুৰ সংগতি।'* গংগা প্ৰমুখ্যে শ্ৰেষ্ঠ তীৰ্থসমূহত স্নান কৰিলে শৰীৰৰ পাপৰ মাত্ৰা কৰিব পাৰে, কিন্তু মনৰ পৰিশুদ্ধি হ'ব নোৱাৰে। আনহাতে সৎসংগৰ সংযোগত অধমে উদ্ধাৰ পায়, শৰীৰ আৰু মন উভয়ৰে পৰিশুদ্ধি হয়। সেইবাবে সুবুদ্ধিৰ সদায় দুষ্টৰ সংগ পৰিহাৰ কৰি সাধুৰ সংগ লয় ঃ *'সাধু সংগ বিনে সদ্যে নোপোজে ভকতি'*। আনহাতে অসন্তৰ সংগত 'সত্য, শৌচ, দয়া, মৌন বুদ্ধি, লজ্জা, শ্ৰী, যশস্যা, ক্ষমা, সম-দম-ভাগ্য সমুলঞ্চে বিনাশ প্ৰাপ্ত হয়। বুদ্ধিমান জনৰ দৃষ্টিত সন্ত-মহন্তৰ সংগ লাভৰ সৈতে ভগৱন্ত পুৰুষৰ কোনো পাৰ্থক্য নাই ঃ *'মোৰ সন্ত সন্তে মহন্তৰ সংগে নুহিকে কিছু অন্তৰ।'* সৎসংগৰ সৈতে থাকি মুক্তি লাভ কৰা কুঁজী, গোকুলৰ গোপীসকল, জটায়ু, জাম্বৱন্ত, তুলধাৰ, ধৰ্মব্যাধ, বলি, বাণ, বিভীষণ, বৃত, বৃৰ্ষপৰ্ৱা, ময়, হনুমান প্ৰভৃতিৰ মনোৰম কাহিনী বৰ্ণনা কৰিছে। এই সমপ্ত কথা সংগত *ৰত্নাৱলীত* ৫৮ টা শ্লোকত বৰ্ণিত হৈছে যদিও মহাপুৰুষ মাধৱদেৱে ১৫২ টা শ্লোকত বৰ্ণনা কৰিছে।

**তৃতীয় ঃ ভক্তি বিৰচন ঃ**

তৃতীয় বিৰচনটো ৩২ টা সংস্কৃত শ্লোকৰ সমষ্টি। মহাপুৰুষ মাধৱদেৱে ইয়াক ৯০ টা পদত ভঙাটো উল্লেখযোগ্য। ইয়াৰ ৩১ টা শ্লোক *ভাগৱত পুৰাণ*ৰ পৰা আৰু অৱশিষ্টটো *হৰি ভক্তি সুধোদয়* গ্ৰন্থৰ পৰা চয়ন কৰা। এই বিৰচনত নৱবিধ ভক্তিৰ মহিমা প্ৰকাশ পাইছে। সেই ভক্তিসমূহ হ'ল যথাক্ৰমে শ্ৰৱণ, কীৰ্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্ধন, দাস্য, সখ্য আৰু আত্ম নিবেদন—

*'শ্ৰৱণ কীৰ্তন পদসেৱণ স্মৰণ/ অৰ্চন বন্দন দাস্য দেহ নিৱেদন।।*
*সখিত্ব সহিতে নৱবিধ এহিমান/ ইয়াৰ লক্ষণ শুনা যাৰ যেন ঠান।।*
(পদ ৪৪৮)

ভগৱন্তৰ নাম-গুণ আনৰপৰা শুনিলে শ্ৰৱণ ভক্তি হয়—

*অনো বা আপুনে গুণ নাম উক্ত কৰে।*
*তাহাকে শ্ৰৱণ বুলি কৰ্ণে যাক ধৰে।।*(পদ ৪৪৯)

ভগৱন্ত পুৰুষৰ নাম-গুণ নিজে কৰাটো কীৰ্তন ভক্তিৰ মূল কথা—

*নিজে মুখে উচ্চাৰিলে বোলয় কীৰ্তন।*(প. ৪৫০),

মনেৰে নামৰূপ স্মৰণ কৰাটোৱে স্মৰণ ভক্তি—

*মনে নাম ৰূপ সুমৰণক স্মৰণ।*(পদ ৪৫০)

প্ৰতিমা প্ৰকৃতিৰ পৰিচৰ্যাই পাদসেৱন-

*প্ৰতিমা আদিত পৰিচৰ্যা- সাধাৰণ।*
*কৰে যিটো বুলি তাক পাদসেৱন।।* (পদ ৪৫০)

পানী আদিৰে কৰা পূজা অৰ্চন ৰূপে পৰিচিত—

*বুলিয়া অৰ্চন জল আদিৰে পূজয়।* (পদ ৪৫১)।

সৰ্ব কৰ্ম ভগৱন্ত পুৰুষৰ পাদমূলত সমৰ্পণেই দাস্য ভক্তিৰ মূল কথা—

*তাকে বুলি দাস্য যত কৰ্ম সমৰ্পয়।* (পদ ৪৫১)

ভগৱন্ত পুৰুষ বিশ্বাসে সখ্য আৰু ভগৱন্তৰ ওচৰত কায়মন সমৰ্পনেই আত্মনিবেদন। নৱবিধা ভক্তিৰে ভগৱানক একান্তভাৱে ভক্তি কৰিলে সি উত্তমা আৰু ভাগৱতী ভক্তিৰ আখ্যা পায়। শ্ৰৱন, কীৰ্তন আৰু স্মৰণ মহাফল কৈ শেষ কৰিব নোৱাৰি। দান, ব্ৰত, তীৰ্থ প্ৰকৃতিতকৈ শ্ৰৱণ-কীৰ্তন স্মৰণ শ্ৰেষ্ঠ। বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যই *ভক্তি-ৰত্নাৱলীকথাত* লিখিছে—

*শ্ৰৱণাদিৰ পুৰুষাৰ্থ হেতু। পৰমাৰ্থত পুনু মোক্ষাদিতো কৰি শ্ৰৱণাদি শ্ৰেষ্ঠ।*

গতিকে ভগৱানৰ আনন্দময় লীলা *যি শ্ৰৱণ-কীৰ্তন কৰে, যি কৃতাৰ্থ হয়।*

**চতুৰ্থ ঃ শ্ৰৱণ বিৰচন ঃ**

*ভক্তি-ৰত্নাৱলী* ৰ চতুৰ্থ বিৰচনটো শ্ৰৱণ ৰূপে নামাংকিত। এই অধ্যায়টো ৪৫ টা শ্লোকৰ সমষ্টি। সেই শ্লোককেইটা মাধৱদেৱে ১৪৮ টা পদত ভাঙিছে। শ্ৰৱনৰপৰা পোৱা মুখ মোক্ষাদি সুখতকৈ অধিক সুখকৰ। *'শ্ৰৱণ মহাসুখ মুকুতিত নাই। মোক্ষ আদি কৰি সুখ শ্ৰৱণত পায়।।'*(পদ ৬১৪)। শ্ৰৱণ শক্তি নথকা গুণে তৰু-লতাৰ জীৱন বৃথা, হৰি কথা শুনিবলৈ ইচ্ছা নকৰা জনৰো জীৱন মূল্যহীন। প্ৰকৃত পক্ষে হৰিনাম স্মৰণ কৰিলেই মানুহৰ ভকতি পূৰ্ণ হয় — *'মোক্ষ আদি কৰি সুখ আছে যত যত/শ্ৰৱণ সুখৰ হুয়া আছে অন্তৰ্গত।'*

**পঞ্চম ঃ কীৰ্তন বিৰচন ঃ**

*ভক্তি-ৰত্নাৱলী*ৰ পঞ্চমটো বিৰচন ৫৭ টা শ্লোকৰ সমষ্টি। ইয়াৰে ৪৫ সংখ্যক শ্লোকটি *হৰিভক্তি সুধোদয়* ৰ পৰা চয়ন কৰা। বাকী আটাইখিনি *ভাগৱত পুৰাণ* ৰ। মাধৱদেৱে ১৫৭ টা শ্লোকত বিৰচনটি শেষ কৰিছে। নাৰদৰ বাক্যৰে বিৰচনটিৰ পাতনি তৰা হৈছে— *'সংসাৰত যত ধৰ্ম আছে শ্ৰেষ্ঠৰত/সমস্ততে কৰি শ্ৰেষ্ঠ কীৰ্তন কৃষ্ণৰ।।'*(পদ ৬৮৬)। সংসাৰৰ সকলোধৰণৰ মহাপাপ কৃষ্ণ-কীৰ্তনে বিনাশ কৰিব পাৰে। এই নাম-কীৰ্তনৰ বাবে সাধনাৰ প্ৰয়োজন, হৰি নাম উচ্চাৰণৰ মাহাত্ম্য *অজামিল উপাখ্যান*ৰ জৰিয়ত ভাস্বৰ হৈ উঠিছে। শুক্ৰাচাৰ্যৰ উক্তিৰদ্বাৰা প্ৰতিপন্ন কৰা হৈছে যে তন্ত্ৰ মন্ত্ৰ প্ৰভৃতিত দেশ কালৰ যি দোষ ঘটিব পাৰে, তাকে বিনাশ কৰাৰ একমাত্ৰ উপায় হ'ল কীৰ্তন— *'সত্য যুগত ধ্যান কৰি, ত্ৰেতা যুগত যজ্ঞেমজি, দ্বাপৰ যুগত পূজা কৰি, যি ফল পাবৈ, তাক কলিত কীৰ্তন মাত্ৰে পায়।*(ভট্টদেৱ)। অক্ৰূৰ, উদ্ধৱ, নাৰদ, প্ৰহলাদ প্ৰভৃতিৰ যোগেদি কৃষ্ণ নাম-কীৰ্তন শ্ৰেষ্ঠতাৰ কথা বাৰে বাৰে দোহাৰাটো উল্লেখযোগ্য।

**ষষ্ঠ ঃ স্মৰণ বিৰচন ঃ**

*ভাগৱত পুৰাণ*ৰ ২৬ টা শ্লোকেৰে সম্পূৰ্ণ কৰা স্মৰণ বিৰচনটো মহাপুৰুষ-মাধৱদেৱে সুদীৰ্ঘ ৬৯ টা শ্লোকত ভাঙিছে। হৰিস্মৰণৰ দ্বাৰা জীৱৰ অমংগল আঁতৰে-কেউপিনে মংগলময় হয়। চিত্ত পৰিশুদ্ধি হোৱাৰ লগতে ভক্তিৰো উদয় হয়। অন্তিম কালত তেওঁৰ ৰূপ স্মৰণ কৰাসকলে সাৰোপ্য মুক্তি লাভৰ যোগ্যতা অৰ্জন কৰিব পাৰে। ঈশ্বৰক বৈৰীভাৱে স্মৰণ কৰিও পৰম পদ পায়। শিশুপাল, শাল্ব প্ৰকৃতি নৃপতিসকলে তাৰ উদাহৰণ—

*শিশুপাল শাল্ব আদি যত ৰাজাগন/বৈৰভাৱে কৃষ্ণক সুমৰি অনুক্ষণ।।*
*কৃষ্ণৰ সমান ৰূপ পাইলা অতিশয়/মৰি মৰি গৈল সবে বৈকুণ্ঠ নিলয়।।*

সংসাৰীজনে বিষয়ৰ ভাৱনা এৰিব পাৰিলে শ্ৰীকৃষ্ণ লীলা স্মৰণৰ পথ সুগম হয়। জ্ঞান আহৰণ কৰিবলৈ যিমানখিনি যত্নৰ প্ৰয়োজন, হৰি স্মৰণত সিমানখিনি যত্নৰ প্ৰয়োজন নাই। জ্ঞানৰ সমস্ত স্মৰণত পোৱা যায় — *'জ্ঞানাদিৰ পদে একোশ্ৰম নলাগয়/হৰি স্মৰণত সুখে সমস্ত মিলয়।।'*

**সপ্তম ঃ পদসেৱন বিৰচন ঃ**

*ভক্তি-ৰত্নাৱলী*ৰ সপ্তম অধ্যায়টো পদসেৱন। সেইটি *ভাগৱত -পুৰাণ*ৰ পৰা ৫১ টা শ্লোক চয়ন কৰি সম্পূৰ্ণ কৰা হৈছে। মাধৱ পুৰুষে ১১২ টা পদত বহলভাৱে সেইটি জনসাধাৰণৰ বাবে ভাঙনি কৰিছে। পদসেৱনৰদ্বাৰা হৰিৰ বিগ্ৰহ অথবা প্ৰভৃতিৰ পৰিচাৰ্যৰ কথা কোৱা হৈছে ঃ *'প্ৰতিমাদি পৰিচৰ্যা কৰে যিটো জন/সাধাৰণ পদ নিসেৱন নাম তাৰ ।।'*(পদ ৯৫২)। ভগৱান বিষ্ণুৰ পদ-সেৱনত ব্ৰাহ্মণ-চাণ্ডালৰ বাচ-বিচাৰ নাই। প্ৰহলাদৰ উক্তিৰ মাজেদি এই কথা প্ৰকাশ পাইছে —

*তাতো কৰি শ্ৰেষ্ঠ মানো সিটো চাণ্ডালক।*
*কায় বাক্য মনে যিটো তোমাৰ সেৱক।।* (পদ ১০০৮)

প্ৰকৃত ভক্তই শ্ৰীকৃষ্ণৰ পদসেৱনত যি আনন্দ উপভোগ কৰে, সেই আনন্দৰ আগত মুক্তি সুখো তুচ্চ। ভগৱানৰ পদসেৱনকাৰী জনক স্বধৰ্ম ত্যাগৰ দোষে পৰসিবলৈ অক্ষম। আনহাতে পাদসেৱাহীন স্বধৰ্ম আচৰণকাৰীজনৰো নহয়। সেইবাবেই উদ্ধৱে সিদ্ধান্ত দিছে—

*তোমাৰ চৰণ পদ্ম মহা শ্ৰেষ্ঠতৰ/আনন্দপূৰ্ণ কৰে ভকতৰ।।* (পদ ৯৭৪)

**অষ্টম ঃ অৰ্চন বিৰচন ঃ**

*ৰত্নাৱলী* ৰ অষ্ঠম বিৰচনটো 'ভাগৱত পুৰাণ'ৰ পৰা চয়ন কৰা মাত্ৰ আঠোটা শ্লোকৰ সংগ্ৰহ। অসমীয়া ভাঙনি কাৰে সেইখিনি পঁচিশটা সম্পূৰ্ণ পদ আৰু দুটা শাৰীত সম্পূৰ্ণ কৰিছে। কৃষ্ণ অৰ্চনাতে আন দেৱ -দেৱীৰ অৰ্চনাতকৈ শ্ৰেষ্ঠ, তাকেই এই বিৰচনৰ মাজেদি ফুটাই তোলা হৈছে। নাৰদৰ উক্তিৰ দ্বাৰা প্ৰতিপন্ন হৈছে যে— ভগৱন্তৰ পূজাৰ দ্বাৰা সকলোৰে পূজা সম্পাদিত হয়—

*'কষ্ণৰ পূজায়ে' সমস্তৰে পূজা হয়/পৃথকে পূজিলে পূজা কেহো ন পাৱয়/ ।*(পদ-১০৬৩)

যিদৰে গছৰ গুৰিত পানী দিলে ডাল-পাত, ফল-ফুল সকলোৰে তৃপ্তি পায়, তেনেদৰে এই বিষ্ণুক পূজাকৰিলে সমস্ত দেৱ-দেৱী পৰিতুষ্ট হয়—

'যেন জল দান দিলে বৃক্ষৰ মূলত/ হোৱয় তৃপিতি ডাল পত্ৰ পুষ্প যত।। (পদ ১০৬৪) অৰ্চনৰ মূলাধাৰ হ'ল- ভাৱ শুদ্ধ। ভাৱশুদ্ধি অবিহনে পক্ষপ্তি পৰিমানৰ দ্ৰব্য সম্ভাৰেৰে ঊগৱানক পূজিলেও তাৰ একো ফল পোৱা নাযায়। সেইবাবে শঠতা পৰিহাৰ কৰি শুদ্ধ ভাৱে ভগৱন্তক অৰ্চনা কৰা বিধেয়- 'অকপট ভাদি শুদ্ধ হৃদয়ৰ/পূজাৰ পৰম কতু এহিসে কৃষ্ণৰ।। (পদ ১০৮৩)

**নৱম ঃ বন্দন বিৰচন ঃ**

সংস্কৃত *ভক্তি-ৰত্নাৱলী* খনত 'ভাগৱত পুৰাণ'ৰ পৰা মাত্ৰ চাৰিটা শ্লোক চয়ন কৰিয়ে বিৰচনটোৰ ইতিৰেখা টানিছে। মহাপুৰুষ মাধৱদেৱে সেইটি যোল্লটা সম্পূৰ্ণ পদৰ উপৰি আৰু দুটা শাৰীত সম্পূৰ্ণ কৰিছে। ইয়াত কোৱা হৈছে যে ঐকান্তিক ভাৱে ভগৱন্তক বন্দিলে মানুহৰ অমংগল আতৰি যায় আৰু মানৱী জন্ম সফল হয়। ভগৱানৰ বন্দনাৰ দ্বাৰা গছৰপৰা পৰিযোৱা জন, জ্বৰ তাপত পীড়িত লোক অথবা ক্ষুধাতজনৰ ৰক্ষা পৰে আৰু সেইসকল লোকৰ সৰ্বপাপ মোচন হয়। সৰ্বব্যাপী ভগৱানৰ উদ্দেশ্য কৰি জগতৰ যিকোনো বস্তু বা পদাৰ্থক নমস্কাৰ কৰিলেই ভগৱানৰ সন্তুষ্ট হয়—

*কৰিয়া যতন আতি কায় বাক্য মনে/যিটো নমস্কাৰ কৰে তোমাৰ চৰণে।।*
*তয়ু অনুগ্ৰহত কৃতাৰ্থ সি যি নৰ/পাৰে সুখে মুকুতিৰ বন্টা বৈকুণ্ঠৰ।।*
(পদ ১০৯৪-৯৫)

**দশম ঃ দাস্য বিৰচন ঃ**

*ভাগৱত পুৰাণ* ৰ মাত্র চাৰিটা শ্লোকেৰে সম্পূর্ণ কৰা দাস্য বিৰচনটো মাধৱদেৱে সোতৰটা পদত ভাঙিছে। দাস্য ভক্তিৰদ্বাৰা যে অন্য শৰণ অথবা একশৰণ লাভৰপথ সুগম হয়, তাকেই এই বিৰচনত ব্যক্ত কৰা হৈছে—

*'অনন্য শৰণ তযু একান্ত দাসক/দিয়া তুমি আপোনাৰ নিজ স্বৰূপক'।।*

(পদ ১১১৫)

*'দাস্য ভাৱ ভক্তি আক বুলিয় নিশ্চয়/কায় বাক্যমনে যত কর্ম সমর্পয়।।'*

(পদ ১১২০)

**একাদশ ঃ সখ্য বিৰচন ঃ**

*ভাগৱত পুৰাণ* ৰ পৰা মাত্র দুটা শ্লোক চয়ন কৰি বিষ্ণুপুৰীয়ে সখ্য বিৰচনটো সম্পূর্ণ কৰিছে। মাধৱদেৱে সেইটি সম্পূর্ণ কৰিছে এঘাৰটা পদত। ভগৱন্ত পুৰুষৰ সৈতে সখ্য বা মিত্র ভাৱে স্থাপন কৰিলে মানুহৰটো কথাই নাই বনৰ পশু-পক্ষীয়েও হৰি কৃপাৰ পৰা বাঞ্চিও নহয়। ব্রহ্মাৰ উক্তিৰ নন্দ প্রমুখ্যে ব্রজ বাসীৰ কৃষ্ণৰ সৈতে আত্মীয়তাৰ ভাৱে গঢ়ি উঠাৰ বিষয়ে বিৰচনটিত আলোচিত হৈছে—

*যত জীৱ-জন্তু আছে নন্দৰ ব্রজত/তাসম্বাৰ কিনো মহা ভাগ্যৰ মহত্ব।।*
*নন্দাদিৰ যেন মহা বিশ্বাস তোমাত/গবাদিৰ সেহিমতে বিশ্বাস সাক্ষাত।।*
*এতেকেশে তাসম্বাৰ ভাগ্য আতি চিত্র/তুমি পূর্ণ ব্রহ্মা ভৈলা যাৰ মিত্র।।*

(পদ ১১২৩-২৪)

**দ্বাদশঃ আত্মনিবেদন বিৰচন ঃ**

এই বিৰচনটো দুটা শ্লোকৰ সমষ্টি। মাধৱদেৱৰ ভাঙনিত এঘাৰটা পদ আছে। দেহ মন সমস্তকে যেতিয়া ভগৱান শ্রীকৃষ্ণৰ পাদমূলত অর্পন কৰা হয় তেতিয়াই সি আত্ম নিবেদন আখ্যা পায়। গৰু বিক্রী কৰাৰ পিছত বেচোঁতাৰ পালন-পোযনৰ চিন্তা ৰোহিত দৰে দেহ মন ঐকান্তিৰ ভাৱে ভগৱন্তৰ ওচৰত অর্পন ভক্তৰো একো কৰণীয় নাথাকে। কেৱল ভক্তিত ৰত হৈ থাকিব বিচৰা এই ভক্তসকল ভগৱান শ্রীকৃষ্ণৰ আত্মীয় হোৱাৰ বিৰল সুযোগ পায় —

*যেন গৰু পৰত বিকিলে যিটো জনে/পোষন পালন চিন্তা নকৰে সিজনে।।*

পদ- ১১৩৫

*কেবলে কৰা চিন্তা ভকতিত মাত্র/ভৈল যিটো মোৰ হই কৰিবাৰ পাত্র।।*

পদ-১১৩৬

*আক ত্যজি যেবে দেহ অর্পিলে কৃষ্ণত/তাকেসে কেৱল সত্য মানো যে মনত।।*

পদ-১১৪১

**ত্রয়োদশঃ শৰণ বিৰচন ঃ**

অসমৰ নৱ বৈষ্ণৱ ধর্মৰ গুৰুত্বপূর্ণ বিষয় শৰণৰ মাহাত্ম্য প্রকাশক *ভক্তি-ৰত্নাৱলী* অন্তিম বিৰচনটো শৰণ বিৰচন। ইয়াৰে ১০ টা শ্লোক 'ভাগৱত পুৰাণ'ৰ পৰা চয়ন কৰা আৰু অন্তিমৰ দুটা শ্লোক বিষ্ণুপুৰীৰ নিজস্ব ৰচনা। মহাপুৰুষ মাধৱদেৱে নিজৰ মত উপদেশ সমন্বিতে আটাইখিনি কথা বস্তু ৬৪ টা শব্দত সামাৰটো উল্লেখযোগ্য। পৰম পুৰুষৰ পাদমূলত একান্তভাৱে শৰণ লোৱাজনে দেৱ সন্তুষ্টিৰ বাবে হোম বা যজ্ঞ, ঋষি-মুণিৰ বাবে তর্পণ, জীৱৰ বাবে বলি, পিতৃ

পুৰুষৰ বাবে শ্ৰাদ্ধাদি নৈমিত্তিক কৰ্ম আৰু অন্যান্য দেৱতাৰ বাবে পূজা অৰ্চনাৰ প্ৰয়োজন নাই, এক শৰণত ব্ৰতী নোহোৱাজনেহে এইবোৰ সম্পাদন কৰিব পাৰে। যিসকলে এক ভগৱন্তত শৰণ নলৈ আন দেৱতাত শৰণ লয়গৈ, তেওঁলোকে কুকুৰৰ নেজত ধৰি মহাসমুদ্ৰ পাৰ হোৱাৰ দৰে কৰ্ম কৰেগৈ —

*তোমাক এৰিয়া লৱে আমাত শৰণ/তাত পৰে নাহিকে পৰম অজ্ঞজন।।*
*যেন কোনোজনে কুকুৰৰ লাজে ধৰি/যাইবাক ইচ্ছয় আতি সমুদ্ৰৰ তাৰি।।*
(পদ ১১৫৮)

সেইবাবে উদ্ধৱৰ বানী উদ্ধৃত কৰি এক কৃষ্ণ শৰণ লোৱাৰ পক্ষে স্পষ্ট ভাৱে কৈছে—
*লৈয়োক শৰণসৰে কৃষ্ণৰ চৰণে।।*
আৰু *কেৱলে শৰণ্যদেৱ ঈশ্বৰ মাধৱ।*
*শুনিয়ো কৃষ্ণক যেন বুলিলা উদ্ধৱ।।* (পদ ১৩৭২)

উদ্ধৱৰ লগতে অক্ৰূৰ, প্ৰহ্লাদ, মুচুকুন্দ আদিৰ দৃষ্টান্তৰ উপৰি স্বয়ং শ্ৰীকৃষ্ণই অৰ্জুনক একশৰণৰ যি উপদেশ দিছিল তাৰো বৰ্ণনা দি **শৰণ বিৰচন** অধ্যায়টি নিটোল কৰি তোলাটো তাৎপৰ্যপূৰ্ণ।

**আত্মমূল্যায়ন প্ৰশ্ন**

শৰণ বিৰচনৰ কথাখিনি চমুকৈ লিখক? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

.......................................................
.......................................................
.......................................................

## ৩.১০ 'ভক্তি-ৰত্নাৱলী'ৰ অনুবাদ ৰীতি আৰু মৌলিকতা

ইতিমধ্যে পূৰ্বৱৰ্তী একাধিক ছেদত উল্লেখ কৰি অহা হৈছে যে *ভক্তি-ৰত্নাৱলী* এখনি ভক্তিৰ বিভিন্ন দিশ আলোকিত কৰা এখনি সংগ্ৰহ গ্ৰন্থ। এই সংগ্ৰহ কাৰ্য সুচাৰুৰূপে সম্পাদন কৰিছিল বিষ্ণুপুৰী সন্ন্যাসীয়ে। সন্ন্যাসীয়ে সৰহখিনি শ্লোককে চয়ন কৰিছিল। পুৰাণ সূৰ্য 'ভাগৱত পুৰাণ'ৰ পৰা। 'হৰিভক্তি সুধোদয়' আৰু পুৰাণান্তৰৰ পৰা মাত্ৰ ছটা শ্লোক চয়ন কৰাৰ কথাও ইতিমধ্যে 'ভক্তি-ৰত্নাৱলী'ৰ মূল শীৰ্ষক ছেদত উল্লেখ কৰি অহা হৈছে। মহাপুৰুষ মাধৱদেৱৰ 'ভক্তি-ৰত্নাৱলী'খন সেই ফালৰপৰা এখনি বৈষ্ণৱ যুগৰ অনুবাদ গ্ৰন্থ। অসমীয়া নৱ বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যৰ অনুবাদমূলক গ্ৰন্থসমূহৰ ভাঙনি কৰ্মৰ বৈশিষ্টসমূহ ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' শীৰ্ষক বহলাই আলোচনা কৰিছে। সেই বৈশিষ্ট্যসমূহ চমুকৈ ক'ব পাৰি এনেদৰে—

ক) অনুবাদকসকলে য'তে সুবিধা পাইছে, তাতেই স্থানীয় ৰহন সানিবলৈ যত্ন কৰিছে।

খ) দাৰ্শনিক তত্ত্বৰ ঠাইত ভক্তি প্ৰধান উপদেশ আৰু প্ৰাৰ্থনাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা দেখা যায়।

গ) কাহিনী কথনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰাটো এটা সাধাৰণ লক্ষণ। কিয়নো কাহিনীৰ মাজেদি ভক্তিৰ মাহাত্ম্য আৰু নৈতিক ভাৱে পাঠক সমাজ লাভ কৰিব বুলি ধৰি লোৱা হৈছিল।

ঘ) ভক্তিৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিলেও কাব্যিক সৌন্দৰ্য আৰু ৰসানুভূতিৰ সৃষ্টি কৰাৰ উদ্দেশ্য বৈষ্ণৱ কবি সকলৰ সদায় আছিল।

ঙ) অনুবাদৰ ক্ষেত্ৰত কোনো ধৰা বন্ধা ৰীতি অনুসৰণ কৰা দেখা নাযায়। বিষয়বস্তু আৰু অনুবাদকৰ আৰু সুবিধা অনুসৰি মূলৰ বৰ্ণনা চমু বা দীঘল কৰা দেখা যায়।

চ) বৈষ্ণৱ সাহিত্যত হাস্য কৰুন আদিকৈ বিভিন্ন ৰসৰ সমাৱেশ ঘটিছে যদিও ভক্তি ৰসৰ প্ৰাধন্য যাতে ক্ষুণ্ণ নহয়, তাৰ বাবে কবি-অনুবাদকসকলে সততে লক্ষ্য ৰাখিছিল।

ওপৰত উল্লেখ কৰা বৈশিষ্ট্যসমূহ কম বেছি পৰিমাণে *ভক্তি-ৰত্নাৱলী* তো দেখাযায়। তদুপৰি ভাঙনিসমূহক সাধাৰণতে তিনিটা শাখাত ভগোৱা হয়- আক্ষৰিক অনুবাদ, ভাৱানুবাদ আৰু ব্যাখ্যাত্মক অনুবাদ। মহাপুৰুষ মাধৱদেৱে তেওঁৰ ‘ভক্তি-ৰত্নাৱলী’ত সাধাৰণতে দ্বিতীয় আৰু তৃতীয় বিধ ভাঙনিৰ ৰীতি গ্ৰহণ কৰা বুলিব পাৰি। প্ৰতিটো শব্দৰ অবিকল অনুবাদলৈ নগৈ মূলভাৱটো সৰল সহজ ব্যাখ্যাৰে জনগণৰ বোধ্য কৰি তোলা সহজতে চকুত পৰে। দৃষ্টান্ত প্ৰথম বিৰচন ১০২ টা শ্লোকৰ ব্যাখ্যাত্মক অনুবাদত বৈষ্ণৱ কবিজনাই ২৭৮ টা পদ খৰছ কৰিছে। আন বিৰচন ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। *গুৰুচৰিত-কথা*ৰ আঁত ড° মহেশ্বৰ নেওগে লিখিছে যে হামিয়া দলৈৰ ঠাট্টই শ্ৰীশ্ৰীমাধৱদেৱক কিছু পৰিমানে ক্ষুণ্ণ কৰে বিৰচনৰ পিছত অনুবাদৰ কথা ‘চমু কৰি পেলায়।’ স্থান বিশেষে চমু কৰিলেও পিছে পুথিখনি আধৰুৱা কৰা নাই। পুথিখনিৰ অনুবাদৰ ধাৰা সম্পৰ্কে ড° নেওগৰ বিজ্ঞ মন্তব্য এনে ধৰণৰ—

‘বিষ্ণুপুৰীয়ে জয়জয়তে ভাগৱত পুৰাণৰ চাৰিটি শ্লোক উদ্ধাৰ কৰি শুকৰ মুখে শ্ৰীকৃষ্ণ কীৰ্তন ৰূপ মংগলাচৰণ কৰিছে, গ্ৰন্থৰ প্ৰতিপাদ্যনা বিধ ভক্তিৰ মহিমা দৰ্শই মংগলাচৰণ কৰিছে আৰু পৰমেশ্বৰক প্ৰণাম কৰিছে। মাধৱদেৱে এই কেইটি শ্লোকৰ অৰ্থ মাথোন উল্লেখ কৰি (ভক্তসমে মাধৱক কৰিয়া সেৱলি) পঞ্চম শ্লোকেৰে ভাঙনিৰ কাম আৰম্ভ কৰিছে। ভাঙনি মানে তৰ্জমা, translation নহয়, ব্যাখ্যা paraphrase. ভাগৱতাচাৰ্য, ব্যাসমূত শুকক সূতৰ ভাষাৰে বিষ্ণুপুৰীয়ে প্ৰণাম জনাইছে ‘যি সদ্যপ্ৰদ’ আৰু ‘নিখিল বেদৰ সৰ’ ‘পৰম গোশনী সমস্ত শাস্ত্ৰৰ’ ‘আত্মা প্ৰকাশক প্ৰদীপ সাক্ষাত’ স্বৰূপ পুৰাণখনি ৰচনা কৰিলে। ভাগৱত পাঁচটি শ্লোকৰ পিছত বিষ্ণুপুৰীয়ে নিজৰ চাৰিটি শ্লোকেৰে বৰ্ণনা কৰিছে তেওঁ কেনেকৈ সেই শাস্ত্ৰৰ ভক্তিস্বৰূপ ৰত্ন আৱিস্কাৰ কৰিলে আৰু কিয় বিবিধ প্ৰকৰণৰপৰা কেনেকৈ সেই ৰত্নাৱলী বা ৰত্নৰ মালা শুধিলে।’ (শ্ৰীশ্ৰীমাধৱদেৱ)

মাধৱদেৱৰ অনুবাদ যে মূলানুগ অথচ আক্ষৰিক নহয়- সহজ ব্যাখ্যাত্মকহে তাক দেখুৱাবলৈ কেইটামান শ্লোকৰ ভাঙনি তলত দিয়া হ’ল—

(১) *নান্যত্ৰ সদ্ভাগৱতঃ প্ৰধান পুৰুষে শ্বৰাত্।*
*আত্মনঃ সৰ্বভূতানাং ভয়ং তীব্ৰং নিৱৰ্ততে।।* (ভাগৱত. ৩/২৫/৪১)

**মাধৱদেৱৰ ভাঙনি—**

মই পৰমাত্মা চৰাচৰ জগতৰ।
প্ৰধান পুৰুষ দুইৰো নিয়ন্তা ঈশ্বৰ।।
ভকতি মুকুতি পদ দাতা মই দেৱ।
স্বতন্ত্ৰ ঈশ্বৰ মোত পৰে নাহি কেৱ।।
হেন মই মোক তেজি আনক ভজয়।
নুগুছে তাহাৰ ঘোৰ সংসাৰৰ ভয়।। (পদ ৭২-৭৩)

(২) *নালং দ্বিজত্বং দেৱত্ব ঋষিত্বং বাসুৰাত্মজাঃ।*
*প্ৰাণনায় মুকুন্দস্য ন বৃহুজ্ঞাতা।।*
*ন দানং ন তপো তেজ্যা ন শৌচং ন ব্ৰতানি।*
*প্ৰীয়তে অমলয়া ভক্ত্যা হৰিন্যাদ বিড়ম্বনম্।।* (ভাগৱত. ৭/৭/৫১)

**মাধৱদেৱৰ ভাঙনি—**

দেৱ দ্বিজ ঋষি তপ জপ যজ্ঞ দান।
যত শৌচাচাৰ তীৰ্থ ব্ৰত মহাজ্ঞান।।
ইটো সবে বিড়ম্বন জানা নিষ্ঠ কৰি।
কেৱল ভক্তিত মাত্ৰ তুষ্ট হৱে হৰি।। (পদ ১৪৬)

(৩) *সৎ সেৱয়া প্ৰতীতং চ সালোক্যা দিচ তুষ্ট য়ম্।*
*নেচ্ছন্তি সেৱয়া পূৰ্ণাঃ কুতো অন্যত্ কাল বিদ্ৰু তম্।।* (ভাগৱত. ৯/৪/৬৭)

**মাধৱদেৱৰ ভাঙনি—**

বৈকুণ্ঠৰ চাৰিপদ প্ৰমুখ্যে।
মোহোৰ সেৱাত আসি-পাৱে মহাসুখে।।
নলৱন্ত সেৱা ৰসে পূৰ্ণ হুয়া চিত্ত।
কাল বশ্য স্বৰ্গাদিকো নকৰে ইংগিত।। (পদ ৩৯৭)

(৪) *বৈৰেন সৎ নৃপতয়ঃ শিশুপাল পৌণ্ড্ৰ*
*শাল্বাদয়ো গতিবিলাস বিলোক নাটদ্যঃ।*
*ধ্যায়ন্ত আকৃত ধিয়ঃ শয়না সনাদৌ*
*তত্ সাম্যমাপুৰনু ৰক্তিধিয়াং পুনঃ কিম্।।* (ভাগৱত. ১১/৫/৪৮)

**মাধৱদেৱৰ ভাঙনি—**

শিশুপাল শাল্ব আদি যত ৰাজাগণ।
বৈৰভাৱে কৃষ্ণক সুমাৰি অনুক্ষণ।।
কৃষ্ণৰ সমান ৰূপ পাইয়া অতিশয়।
মৰি মৰি গৈল সৱে বৈকুণ্ঠ নিলয়।। (পদ ৯২২-৯২৩)

অনুবাদৰ লগে লগে শ্ৰীশ্ৰীমাধৱদেৱৰ উপদেশ, কাকুতি প্ৰভৃতি কবিৰ নিজা সৃষ্টি। যিবোৰত কবিৰ মৌলিকতা প্ৰকাশ পাইছে। দুটিমান উদাহৰণ দিলেই এই কথা স্পষ্ট হ'ব—

ক) *দুৰ্ঘোৰ সংসাৰ সাগৰ নিকাৰ তাধবাক ইচ্ছা যাৰ।*
*কেৱল কৃষ্ণৰ চৰণ পংকজে ভকতিক কৰা সাৰ।।* পদ ২৯৪

খ) *তুমিসি পৰম প্ৰিয়তম আত্মা ইষ্টদেৱ গুৰু নিষ্ট।*
*তুমিসি সুহৃদ বান্ধৱ তোমাক নাজানো মই পাপীষ্ঠ।।* পদ ৬৮৩

গ) *একে ভৱৰোগে মোক সহজে পীড়য়*
*বিষয় অপথ্য তাতে খাইলে অতিশয়।।* পদ ৮৭৮

ঘ) *তযুবেদ বানী শুনি আছো যিটো শৰণ লৱে তোমাত।*
*দুৰাচাৰো মই নুহি কিন্তু সিটো কৃ তাৰ্থ হোৱা সাক্ষাত।।* পদ ১২০৭

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে *ভক্তি-ৰত্নাৱলী* এখন অনুবাদ মূলক গ্ৰন্থ হ'লেও সেই অনুবাদ ভক্ত কবিৰ হৃদয়ৰ উমেৰে সজীৱ হৈ উঠিছে। সেইবাবেই অসমৰ জনসমাজত ইয়াৰ জনপ্ৰিয়তা ইমান বেছি। 'ক বুলিব নেজানে ৰত্নাৱলী পঢ়ে' বোলা কথাষাৰিয়ে ইয়াৰ জনপ্ৰিয়তাৰ আন এটি দিশত পোহৰ পেলায়। 'বুৰঞ্জীত পোৱা যায়, ৰণলৈ যাবৰ সময়ত বীৰসকলে জন্মভূমিৰ প্ৰতি একানুগত্য শপত গ্ৰহণ কৰিছে ৰত্নাৱলী পুথি আগত থৈ, বা কোনো লোকে মৰণৰ হাত সাৰিবলৈ বুকুত ৰত্নাৱলী বান্ধি ঘাতকৰ সন্মুখত দেখা দিছে।' (শ্ৰীশ্ৰীমাধৱদেৱ বাক্যামৃতৰ ভূমিকা) এনে জনপ্ৰিয় আৰু লোকমান্য গ্ৰন্থ অসমত আঙুলিমূৰত লেখিব পৰা।

**আত্মমূল্যায়ন প্ৰশ্ন**

*ভক্তি-ৰত্নাৱলী* ৰ অনুবাদ ৰীতিৰ আভাস দিয়ক? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ৩.১১ কাব্য-ৰীতি

মহাপুৰুষ মাধৱদেৱৰ *ভক্তি-ৰত্নাৱলী* এখন অনুবাদমূলক ভক্তিকাব্য। ভক্তি তত্ত্ব প্ৰকাশক গ্ৰন্থ হোৱা হেতুকে এই গ্ৰন্থখনিত কাব্যিক সৌন্দৰ্য প্ৰকাশৰ সুবিধা সীমিত যদিও সেই সীমিত পৰিসৰৰ মাজতে প্ৰতিভাসম্পন্ন মাধৱদেৱে কাব্যৰস সৃষ্টিৰ সুৰুঙা বিচাৰি উলিওৱাটো উল্লেখযোগ্য। এইটো প্ৰত্যেকে জনা কথা যে কাব্যানুভূতিৰ স্বকীয় প্ৰকৃতিক উপযুক্ত গতি আৰু লয়দানৰ উপযুক্ত মাধ্যম হ'ল ছন্দ। মহাপুৰুষ মাধৱদেৱে কাব্যৰ সৌন্দৰ্য আনয়নৰ বাবে পদ দুলড়ী আৰু ছবি ছন্দৰ প্ৰয়োগ কৰিছে। বিধে বিধে শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ প্ৰয়োগ ঘটাই ভক্তিকাব্যখনি অধিক জনপ্ৰিয় কৰি তুলিছে। বিভিন্ন বিৰচনত বিভিন্ন চৰিত্ৰৰ উক্তি প্ৰতি উক্তিসমূহে নাটকীয় গুণ বৃদ্ধি কৰা বুলিব পাৰি। ভক্তি ৰসেৰে চপ্‌চপীয়া 'ভক্তি-ৰত্নাৱলী'খন চোট গুৰুজনে নিশ্চয় নিজেও উৎকৃষ্ট ভক্তি কাব্য বুলি গণ্য কৰিছিল। 'দশম-কীৰ্তন গুৰুজনৰ মূৰ্তিৰ সমান, ঘোষা-ৰত্নাৱলী আমাৰ থাকিবৰ থান।, অথবা 'ঘোষা-ৰত্নাৱলীতহে মোকপাবা' উক্তিয়ে তাৰ প্ৰমাণ।

**আত্মমূল্যায়ন প্ৰশ্ন**

'ভক্তি-ৰত্নাৱলী'ৰ কাব্যৰীতি সম্পৰ্কে চমুকৈ লিখক? (৩০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখিব)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ৩.১২ 'ভক্তি-ৰত্নাৱলী'ৰ সামাজিক মূল্য

মহৎ গ্ৰন্থ একোখনিৰ সামাজিক মূল্য অপৰিসীম। সমাজক ঐক্য ভাৱত বান্ধিবলৈ, জনগণৰ বহুধা বিভক্তমন পদ্ধতিগত কৰিবলৈ গ্ৰন্থ একোখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। অন্যৰ কথা বাদেই আমাৰ মধ্যযুগীয় অসম, কামৰূপ আৰু বেহাৰত বিভিন্ন ভয়াবহ আচাৰ-

নীতি আঁতৰাই 'একদেৱ একসেৱ একবিনে নাই কেৱ' মহামন্ত্ৰেৰে এখনি সুশৃংখলিত অসম গঢ়াৰ ক্ষেত্ৰত বৈষ্ণৱ গুৰু শংকদেৱৰ কীৰ্তন-দশম, বৰগীত আৰু অংকসমূহে কেনে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল, তাক দোহাৰিবৰ আৱশ্যকতা নাই। মহাপুৰুষ শংকৰদেৱৰ দৰে মহাপুৰুষ মাধৱদেৱৰ ভক্তি গীত-কাব্য নাটসমূহেও এখনি সুশৃংখলিত বৰ অসম গঢ়াত বিশেষ সহায় কৰিছিল। ভক্তিৰ স্বৰূপ নিৰ্ণয়ৰ ক্ষেত্ৰত 'ভাগৱত পুৰাণ'ৰ এখনি সুকীয়া স্থান আছে। পিছে দ্বাদশস্কন্ধ বিশিষ্ট ভাগৱত পুৰাণখনিৰ পৰা ভক্তিজ্ঞাপক কথাখিনি বাচি তাক উপদেশ কৰাটো সকলোৰে সম্ভৱ নহয়। সেই বাবেই ত্ৰিহুতীয়া সন্ন্যসী বিষ্ণুপুৰীয়ে ভক্তজনৰ সুবিধাৰ বাবে 'ভাগৱত পুৰাণ' মন্থন কৰি 'ভক্তি-ৰত্নাৱলী'খন প্ৰস্তুত কৰিছিল। এই অমূল্য গ্ৰন্থখনিৰ একাধিক টীকাও বৰ্তমন। মহাপুৰুষ শংকৰদেৱৰ আজ্ঞাত শ্ৰীশ্ৰীমাধৱদেৱে সৰ্বসাধাৰণে বুজিব পৰাকৈ এই অমূল্য ৰত্নৰ পুথিখনি সহজবোধ্য ভাষাৰে মাতৃভাষাত ভাঙি আবাল-বৃদ্ধ বণিতাৰ পৰম উপকাৰ সাধন কৰে। অসমীয়া বৈষ্ণৱ সমাজৰ চাৰি পুথিৰ ভিতৰত 'ৰত্নাৱলী'ৰ স্থান সুকীয়া। এই শাস্ত্ৰত বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াৰ ভাষাত অসমীয়া নৱ-বৈষ্ণৱ সাধনাৰ চাৰিটা দিশ সমুজ্জ্বল হৈ উঠিছে। সেই কেইটা হ'ল— ক) এক শৰণত সৰ্বাধিক মহত্ত্ব, খ) অন্যান্য ভক্তিতকৈ দাস্য ভক্তিৰ শ্ৰেষ্ঠতা, গ) সাধন পন্থত শ্ৰৱন আৰু কীৰ্তনত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা আৰু ঘ) সৎসংস্কাৰ আশ্ৰয় গ্ৰহণ।

অসমৰ ৰাজনৈতিক আৰু ভৌগোলিক ইতিহাস আজি বহুখিনি পৰিৱৰ্তন হ'ল পৰিৱৰ্তন হ'ল— মানুহৰ ৰুচি অভিৰুচিৰ, কিন্তু বিগত চাৰিশ বছৰে মহাপুৰুষ মাধৱদেৱৰ ঘোষা ৰত্নাৱলীৰ জনপ্ৰিয়তা অকণো ম্লান পৰা নাই। অসমৰ সত্ৰ-নামঘৰসমূহত 'ভক্তি-ৰত্নাৱলী' আজিও সেৱাৰ বস্তু। মধ্যযুগীয় চিত্ৰশিল্পীয়ে ইয়াক চিত্তিত কৰি পুথিখনিৰ জনপ্ৰিয়তা আৰু এঘাপ আগুৱাই দিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

*ভক্তি-ৰত্নাৱলী* ৰ সামাজিক মূল্যৰ আভাস দিয়ক (৩০ টা শব্দৰ ভিতৰত লিখিব।)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ৩.১৩ সাৰাংশ (Summing up)

*ভক্তি-ৰত্নাৱলী* এখনি সংস্কৃত ভক্তি জ্ঞাপক প্ৰকৰণ গ্ৰন্থ। ইয়াৰ সংকলক বিষ্ণুপুৰী স্বামী। স্বামীয়ে সৰহসংখ্যক ভক্তিপ্ৰকাশক শ্লোক ভাগৱত পুৰাণৰপৰা চয়ন কৰি তেৰটা বিৰচনত সজাইছিল। মাধৱদেৱে এইখনি সুন্দৰীদিয়াত থকা কালত ভাঙনি কৰে। ইয়াৰে প্ৰথম বিৰচনত ভক্তিধৰ্ম আৰু বিষ্ণুৰ শ্ৰেষ্ঠতা প্ৰকাশ পাইছে। দ্বিতীয় বিৰচনত আছে সৎসংগৰ মহিমা। তৃতীয় বিৰচনত ভক্তিমাৰ্গ আৰু নৱ বিধ ভক্তিৰ কথা সুন্দৰকৈ বিবৃত হৈছে। চতুৰ্থৰপৰা দ্বাদশলৈ প্ৰতিবিধ ভক্তিৰে ব্যাখ্যা আৰু ত্ৰয়োদশ বিৰচনত শৰণৰ সবিশেষ প্ৰকাশ পাইছে।মাধৱদেৱে পদবন্ধ কৰা ভক্তি-ৰত্নাৱলীখন মূলৰ আক্ষৰিক অনুবাদ নহয়— ভাৱানুবাদ আৰু ব্যাখ্যামূলক অনুবাদৰ মনিকাঞ্চন সংযোগহে। অনুবাদ গ্ৰন্থ হ'লেও *ভক্তি-ৰত্নাৱলী* কাব্যিক সৌন্দৰ্যপূৰ্ণ, অসমীয়া বৈষ্ণৱ সাহিত্যৰ চাৰিপুথিৰ অন্যতম।

## ৩.১৪ আৰ্হি প্ৰশ্ন (Sample Questions)

১। মাধৱদেৱৰ *ভক্তি-ৰত্নাৱলী* গ্ৰন্থত আলোচিত মূল বিষয়বোৰৰ লগত আপোনাৰ পৰিচয় প্ৰদৰ্শন কৰক।

২। *ভক্তি-ৰত্নাৱলী* ৰ মূল ৰচক গৰাকীৰ এটি পৰিচয় দি অসমীয়া ভাষাত এই গ্ৰন্থ ৰচনাৰ আঁৰৰ ঘটনা এটাৰ চমু আভাস দিয়ক।

৩। *ভক্তি-ৰত্নাৱলী* ৰ মূল সংকলক গৰাকী কোন? প্ৰকৰণ গ্ৰন্থখনিৰ শ্লোকসমূহ কোন পুথিৰপৰা সংগ্ৰহ কৰা হৈছিল? অসমীয়া পুথিখনৰপৰা সৎসংগ আৰু শৰণ বিৰচন আলোচিত কথাখিনি আপোনাৰ নিজৰ ভাষাত লিখক।

৪। মাধৱদেৱৰ *ভক্তি-ৰত্নাৱলী* গ্ৰন্থখন বিষ্ণুপুৰী সন্ন্যসীৰ একেনামৰ গ্ৰন্থৰ হুবহু অনুবাদ নে? তেওঁৰ অনুবাদ বৈশিষ্ট্যখিনি আলোচনা কৰি ‘ভক্তি-বিৰচন’ অধ্যায়ৰ মূল কথাখিনি চমুকৈ লিখক।

৫। *ভক্তি-ৰত্নাৱলী* গ্ৰন্থৰ আধাৰ গ্ৰন্থ কি? গ্ৰন্থখনিত আলোচিত ভক্তিৰ প্ৰধান দিশ কেইটাৰ সৈতে আপোনাৰ পৰিচয় দাঙি ধৰক।

৬। *ভক্তি-ৰত্নাৱলী* পুথিৰ সৈতে ‘ভাগৱত পুৰাণ’ৰ সম্পৰ্ক কেনেকুৱা? কি পৰিস্থিতিত এই গ্ৰন্থখনি পুৰণি অসমীয়ালৈ অনূদিত হৈ ভক্তি ধৰ্মৰ এটি প্ৰধান স্তম্ভ স্বৰূপ হ'ল— আলোচনা কৰক।

৭। *ভক্তি-ৰত্নাৱলী* নামটোৰ তাৎপৰ্য কি? ইয়াত কি কি ন প্ৰকাৰ ভক্তিৰ কথা উল্লেখ কৰা হৈছে, আলোচনা কৰক।

৮। *ভক্তি-ৰত্নাৱলী* গ্ৰন্থখনৰ ৰচনাৰ পৃষ্ঠভূমি বৰ্ণনা কৰক আৰু কি কি গুণৰ কাৰণে এই গ্ৰন্থখনি ভক্তি ধৰ্মৰ প্ৰধান প্ৰকৰণ গ্ৰন্থৰূপে সমাদৃত হৈছে, আলোচনা কৰক।

৯। *ভক্তি-ৰত্নাৱলী* গ্ৰন্থৰ মূল সংকলনকৰ্তা কোন? এই পুথিখনি কেতিয়া কেনেদৰে আহি মধ্যযুগীয় ভক্তিসাহিত্যত বৰপীৰা পাৰি বহিল, আলোচনা কৰক। পুৰণি অসমীয়া সাহিত্যত কোনে কোনে ‘ৰত্নাৱলী’ পুথিখনি ভাষান্তৰ কৰিছিল? ইয়াৰে কোনটো ভাঙনি অধিক জনপ্ৰিয়— উল্লেখ কৰক।

১০। ভক্তিগ্ৰন্থৰূপে মাধৱদেৱৰ *ভক্তি-ৰত্নাৱলী* ৰ গুণাগুণ বিচাৰ কৰি নিবন্ধ এটি প্ৰস্তুত কৰক।

## ৩.১৫ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


**মুখ্য উৎস ঃ**

**অসমীয়া ঃ**

শ্ৰীশ্ৰীমাধৱদেৱ ঃ *ভক্তি-ৰত্নাৱলী*

ঃ *মহাপুৰুষ মাধৱদেৱ বাক্যামৃত*

ঃ *শ্ৰীশ্ৰীমাধৱদেৱৰ বাক্যামৃত*

**সংস্কৃত ঃ**

শ্ৰীবিষ্ণুপুৰী সন্ন্যাসী ঃ *ভক্তি-ৰত্নাৱলী*

**গৌণ উৎস ঃ**

ইন্দিৰা শইকীয়া বৰা ঃ *বৈষ্ণৱ সাহিত্যৰ অধ্যয়ন*

কৰবী ডেকা হাজৰিকা ঃ *মাধৱদেৱ ঃ সাহিত্য, কলা আৰু দৰ্শন*

নৰ-নাৰায়ণ দেৱ গোস্বামী (সম্পা.) ঃ *কথা ভক্তি-ৰত্নাৱলী*

পূৰ্ণানন্দ শইকীয়া ঃ *মাধৱদেৱৰ ভক্তি সাহিত্য*

ভৱপ্ৰসাদ চলিহা (সম্পা.) ঃ *মাধৱদেৱ আৰু সংস্কৃতি*

মহেশ্বৰ নেওগ ঃ *শ্ৰীশ্ৰীমাধৱদেৱ*

ৰামচন্দ্ৰ ডেকা ঃ *মাধৱদেৱ ঃ জীৱন আৰু কৃতি*


* * *

## তৃতীয় খণ্ড
# শৈৱ ধৰ্ম আৰু অসমীয়া শৈৱ সাহিত্য

আগৰ খণ্ডটিত অসমীয়া ভক্তি সাহিত্যৰ সাধাৰণ আভাস দাঙি ধৰাৰ লগতে অসমীয়া বৈষ্ণৱ সাহিত্যৰ দুখন মহত্বপূৰ্ণ গ্ৰন্থ শংকৰদেৱৰ *ভক্তি-প্ৰদীপ* আৰু মাধৱদেৱৰ *ভক্তি-ৰত্নাৱলী*-ৰ পৰ্যালোচনা দাঙি ধৰা হৈছে। এই খণ্ডটিৰ আলোচনাৰ বিষয় হ'ল 'শৈৱ ধৰ্ম আৰু অসমীয়া শৈৱ সাহিত্য'। শিৱৰ মহিমাসূচক উল্লেখযোগ্য গ্ৰন্থ ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ*ৰ বিশ্লেষণাত্মক আালোচনা এই খণ্ডটিত আগবঢ়োৱা হৈছে। আলোচনাৰ সুবিধাৰ্থে এই খণ্ডটিক দুটা বিভাগত বিভক্ত কৰি লোৱা হৈছে—

**প্ৰথম বিভাগ ঃ শৈৱ ধৰ্ম আৰু অসমীয়া শৈৱ সাহিত্য**
**দ্বিতীয় বিভাগঃ ৰুদ্ৰসিংহৰ 'শিৱ-পুৰাণ'**

প্ৰথম বিভাগত শৈৱ ধৰ্ম আৰু অসমীয়া শৈৱ সাহিত্যৰ সাধাৰণ পৰিচয় জ্ঞাপন কৰা হৈছে। এই বিভাগত আলোচিত দিশবোৰ হ'ল শৈৱ ধৰ্মৰ উৎপত্তি শিৱৰ বিভিন্ন নাম আৰু ৰূপ, অসমত শৈৱ ধৰ্মৰ প্ৰাচীনত্ব, অসমৰ শৈৱ সাহিত্য ইত্যাদি।

দ্বিতীয় বিভাগত ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ* গ্ৰন্থখনৰ পৰ্যালোচনা আগবঢ়োৱা হৈছে। কবি পৰিচয়, বিষয়বস্তু (কাহিনীভাগ), মূল আৰু কবিৰ মৌলিকতা, বৈশিষ্ট্য, শিৱ-মাহাত্ম্য, পুৰাণ হিচাপে *শিৱ-পুৰাণ,* সামাজিক চিত্ৰ আদি পাঠগত দিশবোৰৰ লগতে প্ৰাচীন কামৰূপত শৈৱতত্ত্বৰ বিকাশ আৰু প্ৰসাৰ, বিভিন্ন নৃগোষ্ঠীৰ আৰু নৃপতিসৰৰ মাজত শিৱ-দেৱতাৰ জনপ্ৰিয়তা, পৰম্পৰাগত অসমীয়া শৈৱসাহিত্য আদি শিতানসমূহ এই বিভাগৰ আলোচনাত সামৰি লোৱা হৈছে।

## প্ৰথম বিভাগ
# শৈৱ ধৰ্ম আৰু অসমীয়া শৈৱ সাহিত্য

**বিভাগৰ গঠন**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ শৈৱ ধৰ্মৰ উৎপত্তি
১.৪ শিৱৰ বিভিন্ন নাম আৰু ৰূপ
১.৫ অসমত শৈৱ ধৰ্মৰ প্ৰাচীনত্ব
১.৬ অসমৰ শৈৱ সাহিত্য
১.৭ সাৰাংশ (Summing Up)
১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ১.১ ভূমিকা (Introduction)

হিন্দুধৰ্মৰ প্ৰাচীন তথা প্ৰধান দেৱতাসকলৰ ভিতৰত শিৱ অন্যতম। অতি প্ৰাচীন কালৰেপৰা অসম তথা ভাৰতবৰ্ষত শৈৱ, শাক্ত আৰু বৈষ্ণৱ- এই তিনিওটা ধৰ্ম সমান্তৰালভাৱে চলি আহিছে। এই তিনিওটি ধৰ্মৰ প্ৰাচীনত্বৰ প্ৰমাণ শিলালিপি, তামৰ ফলি, প্ৰাচীন স্থাপত্য, ভাস্কৰ্য আৰু বিভিন্ন গ্ৰন্থৰপৰা পাব পাৰি। শিৱৰ যেনেকৈ বিভিন্ন নাম আছে, তেনেদৰে তেওঁৰ বিভিন্ন ৰূপৰো কল্পনা কৰা হৈছে। পৌৰাণিক আখ্যান অনুযায়ী ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ— এই তিনিগৰাকী হ'ল হিন্দু ধৰ্মৰ প্ৰধান দেৱতা। ব্ৰহ্মাই সৃষ্টি কৰে, বিষ্ণুৱে পালন কৰে আৰু শিৱই সংহাৰ কৰে। এই তিনিওগৰাকী দেৱতাৰ ভিতৰত শিৱ হৈছে আটাইতকৈ জনপ্ৰিয় দেৱতা। শিৱক উপাস্য দেৱতা হিচাপে গ্ৰহণ কৰি আৰাধনা কৰা ধৰ্মীয় পন্থাৰে নাম হৈছে শৈৱ ধৰ্ম। ধৰ্মীয় জীৱনত শিৱৰ প্ৰভাৱ অপৰিসীম। কেৱল ধৰ্মৰ ক্ষেত্ৰতে নহয়, শিৱ বা শৈৱ ধৰ্মক লৈ পূজা-পাতল উপৰি ভালেমান সাহিত্যও ৰচিত হৈছিল। অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত থকা শিৱ মন্দিৰ বা থানসমূহে দেৱতা হিচাপে শিৱৰ মাহাত্ম্য তথা অস্তিত্ব ঘোষণা কৰি আছে।

## ১.২ উদ্দেশ্য (Objectives)

এই অধ্যয়টি অধ্যয়ন কৰাৰ অন্তত আপুনি—

- শৈৱ ধৰ্মৰ উৎপত্তি সম্পৰ্কে আলোচনা আগবঢ়াবলৈ সমৰ্থ হ'ব;
- দেৱতা হিচাপে শিৱৰ মাহাত্ম্য আৰু অস্তিত্ব বিচাৰ কৰিব পাৰিব;
- শিৱৰ বিভিন্ন নাম আৰু ৰূপৰ লগত পৰিচিত হৈ সেই সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব;
- অসমত কেতিয়াৰপৰা আৰু কেনেদৰে শৈৱ ধৰ্মৰ প্ৰচলন হ'ল তাৰ ইতিহাস দিবলৈ সক্ষম হ'ব;
- ধৰ্মৰ লগে লগে শিৱক-কেন্দ্ৰ কৰি কেনেধৰণৰ সাহিত্য ৰচিত হৈছিল তাৰ আভাস দিব পাৰিব; আৰু
- সৰ্বোপৰি সাহিত্য, সমাজ, সংস্কৃতিৰ লগত শিৱ দেৱতা কেনেদৰে জৰিত হৈ আছে তাৰ যথাযথ বিৱৰণ দিব পাৰিব।

## ১.৩ শৈৱ ধৰ্মৰ উৎপত্তি

প্ৰাগৈতিহাসিক হৰপ্পা সভ্যতাৰ যুগতেই ভাৰতবৰ্ষত শৈৱ ধৰ্মৰ উত্থান বা উৎপত্তি হোৱা বুলি কোৱা হয়। হৰপ্পা আৰু মহেঞ্জোদাৰোত পশুপতি শিৱৰ অনুৰূপ দেৱতা বা লিঙ্গ পূজাৰ প্ৰচলন থকাৰ পৰিচয় পোৱা যায়। ঋক বেদত লিঙ্গৰ উপাস্যজনক নিন্দা কৰা হ'লেও, এই বেদৰ ৰুদ্ৰ দেৱতাৰ কল্পনাত প্ৰাক্-বৈদিক যুগৰ ধৰ্মবিশ্বাসৰ প্ৰভাৱ পৰিছিল। ঋক বেদৰ ৰুদ্ৰ দেৱতা ধ্বংসৰ প্ৰতীক। তেওঁ ভয়ঙ্কৰ। কিন্তু যজুৰ্বেদত এই চৰিত্ৰৰ পৰিৱৰ্ত্তন দেখিবলৈ পোৱা যায়। ইয়াত তেওঁ জগতপতি হিচাপে বন্দিত হৈছে। তাৰ লগতে শিৱক কৃষি, পশু, অৰণ্য আৰু পৰ্বতৰ লগত জৰিত কৰা হৈছে। যজুৰ্বেদতহে ৰুদ্ৰ আৰু শিৱ অভিন্ন বুলি ঘোষণা কৰা হৈছে। অথৰ্ব বেদত ৰুদ্ৰৰ পৰিচয় আৰু অধিক ব্যাপক। ইয়াত নানা দেৱতা ৰুদ্ৰৰ লগত একীভূত হৈ পৰিছে। ব্ৰাহ্মণ গ্ৰন্থসমূহত কোৱা হৈছে যে, দেৱতাসকলৰ ক্ৰোধৰপৰাই ৰুদ্ৰৰ উৎপত্তি হৈছে। তৈত্তিৰীয় আৰণ্যকত ৰুদ্ৰক *সৰ্বভূতান্তৰাত্মা* বুলি কোৱা হৈছে। আনহাতে শ্বেতাশ্বৰতৰ উপনিষদত ৰুদ্ৰ-শিৱ সংযুক্তভাৱে আৰু অভিন্ন পৰিচয়ৰ দ্বাৰা একেগৰাকী দেৱতাকে বুজোৱা হৈছে আৰু তেওঁক পৰম ব্ৰহ্মাৰ লগত জৰিত কৰা হৈছে।

বৈদিক সাহিত্যত ৰুদ্ৰ-শিৱৰ অসংখ্য বিশেষণ। তাৰ ভিতৰত এটা হ'ল গণদেৱতা বা জনগণৰ দেৱতা। বেদ, সংহিতা আদিত ৰুদ্ৰৰ যিবোৰ নাম পোৱা যায়, মহাভাৰতত সেইবোৰ নাম শিৱৰ অন্তৰ্ভুক্ত কৰা হৈছে। মহাভাৰতত শিৱৰ-বেদবিহিত আৰু বেদবাহ্য দুয়োটা ৰূপৰে পৰিচয় পোৱা যায়। এহাতে, তেওঁক যেনেদৰে পৰোপকাৰী মহেশ্বৰ, পৰমব্ৰহ্ম, অজেয় আত্মা, বিশ্বমূৰ্ত্তি আদি বেদ বিহিত আখ্যা দিয়া হৈছে; আনহাতে বেদবাহ্য লৌকিক ৰূপেও বৰ্ণনা কৰা হৈছে। শিৱৰ বেদ বহিৰ্ভূত চৰিত্ৰৰ পৰিচয় দক্ষযজ্ঞ কাহিনীৰ মাজেৰে পোৱা যায়। এই বেদবৰ্হিভূত চৰিত্ৰই পৰৱৰ্ত্তীকালত পাশুপাত ধৰ্মত প্ৰাধান্য বিস্তাৰ কৰিছে। পাশুপাত ধৰ্ম-বৰ্ণাশ্ৰম ধৰ্মৰ বিপৰীত। বৈদিক ক্ৰিয়াকৰ্মৰ লগত পাশুপাত ধৰ্মৰ কোনো যোগসূত্ৰ নাই।

মহাভাৰতত শিৱৰ উগ্ৰ-ভয়ঙ্কৰ আৰু সৌম্য-শান্ত উভয় প্ৰকাৰৰ মূৰ্ত্তিৰ বিৱৰণ আছে। ত্ৰিপুৰাসুৰ বধৰ কাহিনীও মহাভাৰতত বৰ্ণিত হৈছে। লিঙ্গৰূপত শিৱ অৰ্চনাৰ কথাও ইয়াত পোৱা যায়। শিৱলিঙ্গৰ পূজা হিন্দুৰ মাজত ব্যাপকভাৱে প্ৰচলিত হ'লেও সম্প্ৰদায় হিচাপে কৰ্ণাটকৰ *বীৰশৈৱ* বা *লিঙ্গায়তৰা নিষ্কল* ব্ৰহ্মাস্বৰূপাৰ প্ৰতীক হিচাপে লিঙ্গ ধাৰণ কৰে। তন্ত্ৰত শিৱক-শিৱৰূপা আৰু দেৱীক যোনীৰূপা বুলি কোৱা হৈছে। শিৱ উপাসনাৰ ঐতিহাসিক প্ৰমাণ পোৱা যায়- খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰপৰা। ভাৰতবৰ্ষত বসবাস কৰা গ্ৰীকসকলে তেওঁলোকৰ দেৱতা ডাইনিচাচৰ লগত শিৱক অভিন্ন বুলি মত পোষণ কৰে। খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ উপজাতীয় ৰজাসকলৰ মুদ্ৰাত শিৱৰ মূৰ্ত্তি আৰু লিঙ্গ উৎকীৰ্ণ হোৱা দেখা যায়। কুষাণ ৰজাসকলৰ মুদ্ৰাত শিৱ মূৰ্ত্তি বিৰাজমান। কুষাণৰাজ বীম কদফিচে নিজকে মহেশ্বৰৰ উপাসক বুলি কৈছে। গুপ্তযুগত বহুতো শিৱ লিঙ্গ আৱিষ্কৃত হৈছে। ভাৰতবৰ্ষৰ বাহিৰতো শিৱ উপাসনাৰ বিস্তাৰ ঘটিছিল। মধ্য এছিয়াত বৃষবাহন শিৱ আৰু হৰ-পাৰ্বতীৰ মূৰ্ত্তি পোৱা গৈছে। চীন দেশতো বৃষবাহন শিৱ মূৰ্ত্তি দেখা যায়। দক্ষিণ-পূব এছিয়াতো শৈৱ ধৰ্মৰ ব্যাপক প্ৰচলন দেখা যায়।

পাশুপাত মতাৱলম্বীসকলেই প্ৰাচীনতম শৈৱ সম্প্ৰদায়। এই সম্প্ৰদায়ৰ অন্যতম প্ৰধান প্ৰবক্তা লকুলীশ বা নকুলীশ আৰু তেওঁৰ শিষ্যবৰ্গৰ পৰিচয় প্ৰাচীন লেখ আৰু গ্ৰন্থসমূহত পোৱা যায়। পাশুপাতৰ বাহিৰেও কাৰুণিক, সিদ্ধান্তী, কাপালিক, মহাব্ৰতধৰ, কালামুখ আদি নানা শৈৱ সম্প্ৰদায়ৰ নাম পোৱা যায়। দক্ষিণ ভাৰতৰ কাঞ্চী, তিৰুৱৰৈ, মেলপাৰি আদি স্থান কাপালিক আৰু কালামুখ সম্প্ৰদায়ৰ কেন্দ্ৰ আছিল। মধ্যভাৰতৰ মত্তময়ুৰ সম্প্ৰদায় শৈৱ ধৰ্ম আশ্ৰিত।

বৈদিক দেৱতা ৰুদ্ৰ-শিৱক অৱলম্বন কৰি খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত একেশ্বৰবাদী শৈৱ ধৰ্মৰ বিকাশ ঘটে। শৈৱ ধৰ্মৰ ক্ষেত্ৰত ভক্তিবাদ প্ৰতিষ্ঠা কাৰে তামিল প্ৰদেশৰ নায়নমাৰ সাধক সম্প্ৰদায়ে। সাধকসকলৰ দ্বাৰা ৰচিত শৈৱ ভক্তিগীত তামিল সাহিত্যৰ অমূল্য সম্পদ। বেদান্তৰ ইশ্বৰবাদী ব্যাখ্যাৰ অবলম্বনত এওঁলোকে শিৱক ব্ৰহ্মস্বৰূপে গ্ৰহণ কৰে।

শিৱ বেদ আৰু পুৰাণৰ প্ৰতিষ্ঠিত দেৱতা হ'লেও আৰু তেওঁক কেন্দ্ৰ কৰি নানা দাৰ্শনিক তত্ত্ব গঢ়ি উঠিলেও প্ৰাচীনকালৰেপৰা বৰ্তমানলৈ শিৱ এটি লৌকিক চৰিত্ৰ হিচাপে বিদ্যমান। সপ্তদশ-অষ্টাদশ শতিকাৰ পৰা বাংলা সাহিত্যত শিৱক বিষয়বস্তু হিচাপে লৈ না না আখ্যানধৰ্মী কাব্য ৰচিত হৈছে। অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো এই কথা সমানেই প্ৰযোজ্য। এই কাহিনীসমূহত শিৱ কেতিয়াবা অবাঞ্চিত ঘৰ-জোঁৱাই, কেতিয়াবা কৃষক। আনহাতে, জনজাতীয় লোকসকল হিন্দুকৰণহৈ সৰহভাগেই শৈৱ ধৰ্মী হৈ পৰিছে (নৰেন্দ্ৰনাথ ভট্টচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈৰ *'শিৱ'* গ্ৰন্থৰ পাতনি)।

## ১.৪ শিৱৰ বিভিন্ন নাম আৰু ৰূপ

শিৱৰ অনেক নাম আৰু ৰূপৰো কল্পনা কৰা হৈছে। তেওঁক বিভিন্ন নামেৰে জনা যায়- হৰ, শংকৰ, মহাদেৱ, মহেশ, দেৱাদিদেৱ, দেৱেশ, সুৰেশ্বৰ, মহেশ্বৰ, বিশ্বনাথ, বিশ্বেশ্বৰ, পাশুপতি, বোমকেশ, ত্ৰিনয়ন, ত্ৰিলোচন, সম্ভু, নীলকণ্ঠ, নীলগ্ৰীৱ, দিগম্বৰ, ভোলা, ভোলানাথ, আশুতোষ, পিনাকী, পিনাকপানি, কৈলাশপতি, কৈলাশনাথ, ৰুদ্ৰ, পঞ্চানন, ইন্দ্ৰভূষণ, ইন্দ্ৰমৌলি, চন্দ্ৰচুড়, চন্দ্ৰশেখৰ, শশীভূষণ, জঁটাধৰ, জঁটাধাৰী, ডম্বৰুধৰ, মৃত্যুঞ্জয়, অজ, ত্ৰিপুৰাৰী, কেদাৰ, ঈশান, প্ৰমথেশ, প্ৰসন্ননাথ, বিৰুপাক্ষ, শূলী, শূলপাণি, ত্ৰিশূলী, ত্ৰিশূলধাৰী, নটৰাজ, ভৱেশ, বাণেশ্বৰ, ভৈৰৱ, বৃষধ্বজ, বৃষভবহেন, সোমনাথ, সোমেশ্বৰ, কাশীনাথ, কাশীপতি, কাশীশ্বৰ, কাশীল, যোগীন্দ্ৰ, যোগেশ্বৰ, যোগেশ, বীৰেশ্বৰ, একনাথ, মহানট, নটেশ্বৰ, ভৱ, দুৰ্গাপতি, দুৰ্গাধীশ, দুৰ্গেশ্বৰ, দুৰ্গেশ, সতীশ, সতীন্দ্ৰ, সতীপতি, অম্বিকানাথ, উমেশ, উমানাথ, উমাপতি, ভৱানীকান্ত, ভৱানীপতি, গিৰিজাকান্ত, উমানন্দ, বিশ্বেশ্বৰ, ভূতনাথ, ভূতভাৱন, মৃগাংমৌলি, মৃগাংক, মৃগাংকশেখৰ, ত্ৰিপুৰঘ্ন, চেতিকান, কৃতস্বৰ, ৰামেশ্বৰ, তাৰকানাথ, তাৰকেশ্বৰ, ত্ৰিনেত্ৰ, ধূৰ্জতি, গংগাধৰ, গিৰীশ, অদ্ৰীশ, অদ্ৰিনাথ, সিদ্ধদেৱ, পুৰুহৰ, পুৰাভদ, পুৰমহান, পুৰঞ্জিৎ, অঘোৰ, ফণীধৰ, ফণীভূষণ, উৰগভূষণ, অনংগাৰি, হিৰণ্যনেতাঃ, বহ্নিৰেতাঃ, ত্ৰিনাথ, বিভূতিভূষণ, মাৰজিৎ, স্মৰজিৎ, চন্দ্ৰিল, নটশেখৰ, খণ্ডপৰশু, কন্দুকেশ্বৰ, জ্বালী, জল্পেশ্বৰ, হিংগুলেশ্বৰ, গৌৰীনাথ, গৌৰিশ্বৰ নন্দেশ্বৰ, ভূংগেশ্বৰ, বুঢ়াগোঁসাই আদি।

**আত্মমূলায়ন প্ৰশ্ন**

দেৱতা হিচাপে বৈদিক যুগত শিৱৰ বিৱৰণ কেনেদৰে পোৱা যায় আলোচনা কৰক। (৫০ টা শব্দৰ ভিত্তৰ উত্তৰ লিখক)

..................................................................................
..................................................................................
..................................................................................

## ১.৫ অসমত শৈৱ ধৰ্মৰ প্ৰাচীনত্ব

হিন্দুধৰ্মৰ প্ৰাচীন তথা দেৱতাসকলৰ ভিতৰত শিৱ অন্যতম। অতি প্ৰাচীনকালৰেপৰা শৈৱ, শাক্ত আৰু বৈষ্ণৱ- এই তিনিওটা ধৰ্ম অসমত চলি আহিছে। এই তিনিওটি ধৰ্মৰ প্ৰাচীনত্বৰ প্ৰমাণ শিলালিপি, তামৰ ফলি, প্ৰাচীন স্থাপত্য-ভাস্কৰ্য্য আৰু বিভিন্ন গ্ৰন্থৰ পৰা পাব পাৰি।

শৈৱ ধৰ্মৰ প্ৰাচীনত্বৰ প্ৰমাণ *মহাভাৰত*-তে আমি দেখিবলৈ পাওঁ। *মহাভাৰত*-ৰ সেই সময়ৰ প্ৰাগজ্যোতিষপুৰৰ ৰজা ভগদত্তক শিৱৰ সখা আখ্যা দিয়া হৈছে। আনহাতে, নিধনপুৰৰ তাম্ৰশাসনৰ পৰা জনা যায় যে, সপ্তম শতিকাৰ কামৰূপৰ প্ৰৱল প্ৰতাপী ৰজা ভাস্কৰ বৰ্মা শৈৱ আছিল। এই একেই প্ৰসঙ্গত সপ্তম শতিকাত ভাৰতলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ মন্তব্য প্ৰণিধানযোগ্য। হিউৱেন চাঙৰ মতে, ভাস্কৰ বৰ্মাৰ দিনত প্ৰাগজ্যোতিষপুৰত বহু হিন্দুৰ দেৱ-দেৱীৰ মন্দিৰ আছিল আৰু সেইবোৰৰ ভিতৰত শিৱ মন্দিৰৰ সংখ্যাই আছিল বেছি। সেইদৰে হায়ুংথল লিপি আৰু তেজপুৰ তাম্ৰশাসনে প্ৰমাণ কৰে যে নৱম শতিকাৰ কামৰূপৰ ৰজা ক্ৰমে হৰ্জৰ বৰ্মা, বনমাল বৰ্মা শিৱভক্ত আছিল। বনমাল বৰ্মাই শিৱক উপাসনা কৰাৰ উপৰি এটা শিৱমন্দিৰ নিৰ্মাণ কৰাই দিছিল। গুৱাহাটী ফলিৰপৰা জানিব পাৰি যে, দ্বাদশ শতিকাৰ ৰজা ইন্দ্ৰপালে শিৱ আৰু গিৰিজা দুয়োকে ভক্তি কৰিছিল। একেদৰে ইন্দ্ৰপালৰ নাতি ধৰ্মপালৰ তামৰ ফলিত শিৱৰ অৰ্দ্ধনাৰীশ্বৰ মূৰ্ত্তি অঙ্কিত আছিল। ইয়ে প্ৰমাণ কৰে ধৰ্মপালৰ দিনতো শিৱৰ প্ৰাধান্য আছিল।

দশম-একাদশ শতিকাত ৰচিত *কালিকা-পুৰাণ* ৰ মতে, নৰকাসুৰৰ আগমনলৈকে কামৰূপ ৰাজ্যখন শিৱই নিজৰ কাৰণে গোপনে ৰাখিছিল— *"স চ দেশঃ স্বৰাজ্যাৰ্থে পূৰ্বং গুপ্তশ্চ সম্ভুনা"*। নৰকাসুৰে কামৰূপত দেৱীপূজাৰ প্ৰৱৰ্ত্তন কৰিলেও শৈৱ ধৰ্ম গোপনে দেশত থাকি গ'ল— *"অন্তৰ্গুপ্ত স মে পুৰে"*। আনহাতে সেই সময়ৰ শোণিতপুৰৰ ৰজা বাণ শিৱ ভক্ত আছিল আৰু শিৱৰ বৰত তেওঁ অদমনীয় বীৰ হৈ উঠিছিল। আনকি ভক্তিত সন্তুষ্ট হৈ শিৱই বাণক পুত্ৰৰূপেও গ্ৰহণ কৰিছিল। ইয়াৰপৰা নৰকৰ পূৰ্বৱৰ্ত্তীকালতো যে অসমত শৈৱ ধৰ্ম চলি আছিল, সেই কথা সহজে অনুমান কৰিব পাৰি। *কালিকা-পুৰাণ*তে শিৱ পূজাৰ লগতে শিৱৰ মাহাত্ম্য প্ৰকাশক অনেক কথাৰ বিৱৰণ পোৱা যায়। ইয়াৰপৰা উমান পোৱা যায় যে, *কালিকা-পুৰাণ*ৰ সময়ত অসমত শৈৱ ধৰ্মই যথেষ্ট প্ৰতিপত্তি লাভ কৰিছিল।

শিৱৰ যেনেকৈ বিভিন্ন নাম আছে, তেনেকৈ তেওঁৰ বিভিন্ন ৰূপৰো কল্পনা কৰা হৈছে। অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা শিৱৰ মূৰ্ত্তি আৰু লিঙ্গবোৰেও অসমত শৈৱ ধৰ্মৰ প্ৰাচীনত্ব তথা জনপ্ৰিয়তাৰ ইঙ্গিত বহন কৰে। পুৰণিকালত শৈৱ ধৰ্মই এনেকৈ বিস্তাৰ লাভ কৰিছিল যে, শঙ্কৰদেৱৰ সময়ত আৰু তেওঁৰ পৰৱৰ্ত্তীকালতো শৈৱ ধৰ্ম তথা দেৱতা শিৱৰ প্ৰতি মানুহৰ শ্ৰদ্ধা অকণো কমা নাছিল। কেইবাখনো চৰিত পুথিৰপৰা জানিব পাৰি যে, কুসুম্বৰ ভূঞাই শংকৰক (শিৱক) পূজিহে পুত্ৰ শংকৰক লাভ কৰিছিল। সেইবাবে পুতেকৰ নাম ৰখা হৈছিল শংকৰদেৱ। গুৰু চৰিতৰপৰাই জানিব পাৰি যে, শংকৰদেৱে বৈষ্ণৱধৰ্ম প্ৰচাৰ কৰাৰ আগতে কামৰূপৰ লোকে হৰিক পূজা নকৰি কাছ আৰু ছাগলীৰে ভৈৰৱৰূপী শিৱক পূজা কৰিছিল। সূৰ্য্যখড়ি দৈৱজ্ঞৰ *দৰং ৰাজবংশাৱলী* মতে কোচ ৰজাসকল শিৱৰ বংশধৰ আছিল। এই কোচ ৰজাসকলে কেনেকৈ হিন্দুমত আৰু জনজাতীয় মতে শিৱক পূজা কৰিছিল তাৰ উল্লেখ আছে। জনজাতীয় মতে, শিৱপূজাত মাদল বজাই, দেওধাই নৃত্যৰ আয়োজন কৰি, পূজাৰ সম্ভাৰ হিচাপে হাঁহ, পাৰ, কুকুৰা, ছাগলী, মদ আদি আগবঢ়েৱো হৈছিল। বড়ো সমাজত শিৱক *বাথৌ শিৱৰাই* মানি পূজা কৰা হয়। এইটো মনকৰিবলগীয়া কথা যে, যিবোৰ মন্দিৰত শিৱক অকলে পূজা কৰা হয় তাত নিৰামিষ ভোগ আৰু যিবোৰ মন্দিৰত শিৱৰ লগতে শক্তিকো পূজা দিয়া হয় তাত সামিষ ভোগ চলে। আনহাতে, শিৱ চতুৰ্দ্দশীৰ দিনা ছাগলী বলি দিয়া প্ৰথা আৰু শিৱ মন্দিৰত নটীৰ নাচ-প্ৰথা মনকৰিবলগীয়া বিশেষত্ব। বৰ্তমানে নানা কাৰণত এই প্ৰথা উঠি গ'ল। কিন্তু এসময়ত কামৰূপৰ পৰিহৰেশ্বৰ দেৱালয়, বিশ্বনাথ মন্দিৰ আৰু শিৱদৌলৰ নটীৰ কথা সৰ্বজনবিদিত। আহোম ৰজা শিৱসিংহৰ মহিষী ফুলেশ্বৰী নেঘেৰিটিং শিৱদৌলৰ নটীহে আছিল।

আনহাতে, প্ৰাচীন আৰু আহোম ৰজাদিনীয়া শিৱ মন্দিৰ আৰু আধুনিক যুগত স্থাপিত হোৱা শিৱ থানবোৰে আজিও অসমৰ শৈৱ ধৰ্মৰ ঐতিহ্য আৰু গৌৰৱ ঘোষণা কৰি আছে।

অসমত শৈৱ ধৰ্মৰ প্ৰাচীনত্ব সম্পৰ্কে ড° মহেশ্বৰ নেওগে *পুৰণি কামৰূপত শৈৱ ধৰ্ম* নামৰ প্ৰৱন্ধটিত বিশেষভাৱে আলোচনা কৰিছে। প্ৰৱন্ধটিৰ মতে—

'কামৰূপত শিৱ পূজাৰ চলতি অতি প্ৰাচীন কালৰ পৰাই আছিল বুলি অনুমান হয়। শৈৱসকলৰ মূল ধৰ্মশাস্ত্ৰ ওঠৰখনি আগম অৱশ্যে আৰ্য্যাৱৰ্ত বা উত্তৰ ভাৰতত হে লিখা হৈছিল। কাৰণ সেই শাস্ত্ৰমতেই আৰ্য্যাৱৰ্তৰ ব্ৰাহ্মণ সকলেহে শিৱাচাৰ্য্য হ'ব পাৰিছিল। আৰ্য্যাৱৰ্তৰ চাৰিওফালৰ দেশ কামৰূপ, কাশ্মীৰ, কলিঙ্গ, কোঙ্কন, কাঞ্চী, কোশল, কাৱেৰী, আৰু ৰাষ্ট্ৰৰ লোকসকলৰ শাৰীৰিক গঠন নিটোল নোহোৱা বাবে এই পদৰ বাবে তেওঁলোক অনুপযুক্ত বিবেচিত হৈছিল। কিন্তু *কালিকা -পুৰাণ*-ৰ বিৱৰণৰ পৰা যি দেখা যায়, শৈৱ ধৰ্ম সোনকালেই ভাৰতৰ এই পূৰ্ব খণ্ডতো বিয়পি পৰিল; আৰু এই উপপুৰাণত বৰ্ণিত দেৱ-স্থানসমূহৰ ভিতৰত শিৱৰ বাবে পৱিত্ৰ স্থানৰ সংখ্যাই আটাইতকৈ সৰহ।

*মহাভাৰত*-ৰ সভাপৰ্বত কামৰূপৰাজ ভগদত্তক ভুৰি ভুৰি প্ৰশংসা কৰা হৈছে; আৰু এঠাইত তেওঁক 'শিৱৰ সখা' বুলিও আখ্যা দিয়া হৈছে। ইয়াৰ পৰা ভগদত্তৰ কালতো কামৰূপত শৈৱ ধৰ্ম প্ৰবল আছিল বুলি অনুমান কৰিব পাৰি নেকি, বুজা নাযায়। *কালিকা-পুৰাণ*-ত কোৱা হৈছে, মিথিলাৰ ৰাজকোঁৱৰ নৰকে প্ৰাগজ্যোতিষপুৰত বিষ্ণুৰ আদেশত ঐকান্তিকভাৱে কামাখ্যা পূজাত লগাৰ আগতে এই দেশৰ অধিবাসী কিৰাতসকলে শিৱক পূজা-পাতল দি আছিল; কাৰণ ইয়াক শম্ভুৱে পূৰ্বৰে পৰা নিজাৰাজ্য হিচাপে দখল কৰি আছিল- *স চ দেশঃ স্বৰাজ্যাৰ্থে পূৰ্বং গুপ্তশ্চ শম্ভুনা*। কিৰাতসকল শম্ভুৰ আশ্ৰিত, গতিকে শিৱৰ অনুমতি লৈহে নৰকে সেইসকলক পূৰ্ব দিশৰ সাগৰৰ পাৰত বহুৱাইছিল। নৰকৰ শাসনত কামৰূপত শৈৱ ধৰ্ম ৰহিত হ'ল; কিন্তু সি গোপনে এই দেশত থাকি গ'ল- *অন্তৰ্গুপ্তঃ স মে পুৰে*। আনফালে এই সময়ত শোণিতপুৰৰ ৰজা বাণ মহা শিৱভক্ত আছিল, আৰু এওঁৰে প্ৰৰোচনাত নৰক কামাখ্যাৰ প্ৰতি বিমুখ হয়। তেওঁ দেৱপূজাৰ বিৰোধী হৈ মহা উৎপীড়ক হৈ পৰিল। ইয়াৰ ফলত তেওঁৰ বিনাশ ওচৰ চাপি আহিল।

*কালিকা-পুৰাণ*-ৰ পিছৰ ফালৰ এটা অধ্যায়ত শিৱক কেনেকৈ ম্লেচ্ছ সকলে পূজিবলৈ আৰম্ভ কৰিলে তাৰ বৰ্ণনা দিয়া হৈছে। দেৱ-পূজা আদিৰ কামৰূপ সিদ্ধক্ষেত্ৰ হৈ উঠিল, আৰু লোকে পোনে পোনে স্বৰ্গ-প্ৰাপ্তি লাভ কৰিবলৈ বা শিৱত্ব পাবলৈ ধৰিলে। যমৰ কাম নোহোৱা হোৱাত তেওঁ আপত্তি কৰাত ব্ৰহ্মা আৰু বিষ্ণুৰ কথামতে শিৱই লগত তেওঁৰ গণসকল আৰু উগ্ৰতাৰা, অপৰাজিতা দেৱীক লৈ কামৰূপৰ পৰা দ্বিজাতি সকলক খেদিবৰ দিহা কৰিলে। উগ্ৰতাৰাই সন্ধ্যাচলত তপস্যা কৰি থকা বশিষ্ঠ মুনিকো আঁতৰাবলৈ ধৰোঁতে মুনিয়ে দেৱীক শাপ দিলে তেওঁ যেন বামাচাৰ পূজাহে পায়। শিৱ আৰু শিৱৰ গণকো অভিশাপ দি ক'লে ম্লেচ্ছৰং ঘূৰি ফুৰা গণবোৰ ম্লেচ্ছতে পৰিণত হ'ব আৰু শিৱও অস্থি-ভস্ম ধাৰণ কৰি ম্লেচ্ছ প্ৰিয় হৈ পৰিব।

গুণাভিৰাম বৰুৱাৰ *আসাম বুৰঞ্জী*-ত আছে, কামৰূপৰ নামনি খণ্ডত জীতাৰি নামে ভাটীৰ পৰা অহা ক্ষত্ৰিয় সন্ন্যাসী ৰজা হয়, আৰু তেওঁৰ পিছতে তেনে আন এজন ৰজা হয় জল্পেশ্বৰ। *'তেওঁৰ ৰাজধানী এতিয়াৰ জলপাইগুৰি য'ত জল্পেশ্বৰ নামে দেৱালয় আছে ত'ত আছিল। এইজনা ৰজাই জল্পেশ্বৰ দেৱালয় স্থাপন কৰে আৰু শিৱৰ পূজা প্ৰচাৰ কৰে, কিয়নো সন্ন্যাসীবিলাকৰ প্ৰায় শিৱই ইষ্ট দেৱতা।'* তাৰিখ আদিৰ ফালৰ পৰা জল্পেশ্বৰ ৰজাৰ বুৰঞ্জীত স্থিতি প্ৰমাণিত হোৱা নাই। আনফালে পুৰাণতো এজন জল্পৰজাৰ কথা আছে। *স্কন্দ-পুৰাণ*-ৰ আৱন্ত্য-খণ্ডত বিৱৰণ থকা এজন জল্প ৰজাই মহাকাল বনত অনাদি শিৱলিঙ্গৰ পূজা-আৰধনা কৰি কৰি সেই লিঙ্গতে মাৰ যায়; আৰু তেতিয়াৰ পৰাই সেই শিৱলিঙ্গৰ নাম জল্পেশ্বৰ হয়।

চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত পুষ্যবৰ্মা, শালস্তম্ভ আৰু ব্ৰহ্মপাল বংশৰ হিন্দু ৰজাসকলৰ ৰাজত্বত শৈৱ ধৰ্মৰ প্ৰাধান্য প্ৰতিষ্ঠিত হোৱা যেন অনুমান হয়। তেওঁলোকৰ তাম্ৰ শাসনবোৰত বিষ্ণু আৰু দেৱীৰ উল্লেখ বৰ বেছি নহয়। এই ৰজাসকলে নিজকে নৰকাসুৰ, ভগদত্ত আৰু বজ্ৰদত্তৰ বংশধৰ বুলি পৰিচয় দিয়ে। ফলিবোৰত ভগদত্ত আৰু বজ্ৰদত্তক শিৱ-ভক্ত বুলি কোৱা হৈছে। ভাস্কৰ-বৰ্মাই তেওঁৰ নিধানপুৰ তামৰফলিত শিৱক সভক্তি প্ৰণাম জনাইছে। তেওঁৰ শিৱ পিনাকপাণি, চন্দ্ৰলেখাৰ কিৰীটিৰে শোভিত, ভস্ম ৰঞ্জিত, আৰু সৌন্দৰ্য্যত কামদেৱতকৈও অধিক। বাণভট্টৰ *হৰ্ষচৰি*-তো ভাস্কৰবৰ্মাৰ ঐকান্তিক শিৱভক্তিৰ কথা পোৱা যায়। ইয়াত কামৰূপ-ৰাজৰ দূতে হৰ্ষবৰ্ধনক জনাইছে যে শৈশৱৰে পৰা শিৱৰ বাহিৰে আন দেৱতাক পূজা নিদিবলৈ ভাস্কৰবৰ্মা কৃতসংকল্প। নৱম শতিকাৰ বনমালদেৱৰ ফলিত এইজনা ৰজাই হাটক শিৱৰ এটি মন্দিৰ পুনৰ্নিৰ্মাণ কৰি মন্দিৰৰ নামত গাওঁ, পৰিচৰ, হাতী, আৰু বেশ্যা দিয়াৰ এটি সুন্দৰ বৰ্ণনা আছে। একেখন ফলিতে ৰাজধানী হাৰূপেশ্বৰৰ কাষৰৰ কামকুট পৰ্বতত শ্ৰীকামেশ্বৰ আৰু মহাগৌৰীৰ থানৰ উল্লেখ আছে। বনমালৰ শিৱভক্তিৰ প্ৰমাণ তেওঁৰ নাতি বলবৰ্মাৰ ফলিতো আছে। তাত কোৱা হৈছে, বৃদ্ধ বলবৰ্মাই পুতেকৰ কান্ধত ৰাজ্য- ভাৰ অৰ্পণ কৰি মহেশ্বৰ জ্যোতিত বিলীন হৈ গ'ল। এই ফলিবোৰত শিৱক নানা বিশেষণেৰে বিভূষিত কৰা হৈছে, আৰু সিবোৰৰ পৰাই পুৰাণত উক্ত তেওঁৰ বিবিধ মাহাত্ম্য স্পষ্ট হৈ উঠে। ইন্দ্ৰপাল ৰজাৰ গুৱাহাটী ফলিত গৌৰীয়ে শিৱক দ্যূত-ক্ৰীড়াত ঘটুৱা আৰু তেওঁৰ পৰশু, বৃষভ, অৰ্ধচন্দ্ৰ আদি সকলো পণত লাভ কৰাৰ কাহিনী সৃষ্টি কৰা হৈছে। গৌৰীয়ে শিৱক ঘূৰাই দিলে, কিন্তু ক'লে, যেন তাৰ পৰিৱৰ্তে তেওঁ গঙ্গাক তেওঁৰ জলৱহা অৰ্থাৎ পানী-যোগাঁতীৰূপে পায়। ইন্দ্ৰপাল শিৱ আৰু গিৰিজা দুইৰো ভক্ত। ইন্দ্ৰপালৰ নাতি ধৰ্মপালৰ ফলিতে (১২শ শতিকা) শিৱৰ অৰ্ধনাৰীশ্বৰ ৰূপ অঙ্কন কৰি প্ৰণাম জনোৱা হৈছে।

এইবোৰৰ পৰা বুজিব পৰা যায় যে তাম্ৰশাসনৰ যুগৰ ৰজাসকলে প্ৰায়েই ঐকান্তিক শিৱভক্ত আছিল। শিৱ তেওঁলোকৰ ৰাজ্যৰ যেন অধিষ্ঠাতা দেৱতা। এই কথাই *কালিকাপুৰাণ*-ৰ উক্তিলৈ আমাৰ মনত পেলাব। *স চ দেশঃ স্বৰাজ্যাৰ্থে পূৰ্বং গুপ্তশ্চ শম্ভুনা* । ভাস্কৰবৰ্মাৰ ৰাজত্ব কালত চীনা পৰিব্ৰাজক হিৱেন-চাং কামৰূপলৈ আহোঁতে এই দেশত কেইবাশও হিন্দুৰ দেৱমন্দিৰ দেখা পাইছিল, আৰু নানা সম্প্ৰদায়ৰ লোকো আছিল লাখ লাখ। এইখিনিতে অনুমান কৰিবৰ মন যায় এই মন্দিৰবোৰৰ অনেকখিনিয়ে শিৱমন্দিৰ আছিল, আৰু শৈৱ ধৰ্মই আছিল এই সময়ৰ প্ৰধানতম ধৰ্ম।

সপ্তম আৰু ত্ৰয়োদশ শতিকাৰ ভিতৰৰ বুলি অনুমান কৰা কেইবাটিও শিৱমন্দিৰৰ ধ্বংসাৱশেষ আদি অসমৰ নানা ঠাইত পোৱা গৈছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ধনুখানা পৰ্বতত দুটি শিৱমন্দিৰৰ ধ্বংসাৱশেষ আছে। কাশীনাথ দীক্ষিতৰ মতে এই দুটিয়ে হৰ্জৰবৰ্মাৰ তেজপুৰৰ ফলিৰ (৮২৯ খৃষ্টাব্দ) ফালে আঙুলিয়ায়। তেজপুৰৰ দ-পৰ্বতীয়া গাৱঁত গুপ্ত যুগৰ শেষৰ ফালৰ স্থাপত্যৰ নিদৰ্শনৰ লগত সাদৃশ্য থকা প্ৰায় ৬০০ খৃষ্টাব্দৰ পিছৰ এক শিৱমন্দিৰৰ অৱশিষ্ট পোৱা গৈছে। তাৰ ধ্বংসাৱশেষবোৰৰ ভিতৰৰ এটুকুৰাত ভৰিত জৰি মেৰিয়াই বন্ধা শিৱৰ লকুলীশ ৰূপৰ মূৰ্তি পোৱা গৈছে। তেজপুৰৰ নগৰৰ ভিতৰতে দশম শতিকাৰ এক মন্দিৰৰ ধ্বংসাৱশেষ খান্দি উলিওৱা হৈছে। ইয়াৰ এখন দুৱাৰৰ ওপৰৰ শিলত শিৱলিঙ্গই সৈতে পাঁচটা সৰু সৰু মন্দিৰৰ আকৃতি কটা আছে। তেজপুৰৰ পশ্চিম ফালৰ এটা পৰ্বতৰ ধ্বংসাৱশিষ্ট মন্দিৰৰ শিৱ-লিঙ্গ বুলি এতিয়াও ঘুৰি ফুৰা সাধুসকলে পূজা কৰে। ইয়াৰ অধিষ্ঠাতা শিৱৰ নাম তিঙ্গেশ্বৰ, আৰু কনকলাল বৰুৱাৰ মতে ইয়াক দ্বাদশ শতিকাৰ কামৰূপৰ ৰজা তিঙ্গদেৱে প্ৰতিষ্ঠা কৰে।

তেজপুৰৰ বিশ্বনাথ ঘাটৰ বিশ্বনাথ শিৱমন্দিৰ আহোম যুগৰ আগতে নিৰ্মিত। গোলাঘাটৰ নেঘেৰীটিঙৰ ধ্বংসপ্ৰাপ্ত শিৱমন্দিৰো তেনে বয়সৰে বুলি অনুমান কৰা হৈছে। আহোম যুগত এই ঠাইত পুনৰ এটি মন্দিৰ সজাৰ সময়ত আগৰ মন্দিৰৰ ভগা-ছিগা অংশ ন মন্দিৰৰ ঠাইৰ ওপৰলৈ উঠা খটখটিত লগোৱা হয়। গোলাঘাট মহকুমাৰ নুমলীগড়ৰ দেও পৰ্বতত, গুৱাহাটীৰ উমানন্দ বা ভস্মাচল পৰ্বতত এতিয়াৰ শিৱ মন্দিৰৰ ঠাইত আৰু গুৱাহাটীৰ পানীকলৰ ওচৰতো প্ৰাক্-আহোম শিৱমন্দিৰৰ ধ্বংসাৱশেষ পোৱা গৈছে।

শিৱক সাধাৰণতে মন্দিৰত বা আন ঠাইত লিঙ্গ ৰূপত পূজা কৰা হয়। কিন্তু তেওঁৰ ঈশান, মহেশ, লকুলীশ, ষড়ভুজ বা দশভুজ নটৰাজ, ভৈৰৱ উমামহেশ্বৰ, হৰি-হৰ আদি ৰূপতো অসমৰ বিভিন্ন ঠাইত মূৰ্তি পোৱা গৈছে।

সূৰ্য্যখৰি দৈবজ্ঞৰ *দৰং ৰাজ বংশাৱলী-ত* কোচবেহাৰ-কামৰূপ কোচ ৰাজবংশক শিৱবংশীৰূপে দেখুৱাবলৈ যত্ন কৰা হৈছে। হাৰিয়া মণ্ডল নামে এজন মেচ (কোচ) লোকৰ বেশ ধাৰণ কৰা শিৱ আৰু মণ্ডলৰ ভাৰ্য্যা হীৰাৰ পৰা বিযু বা বিশ্বসিংহৰ জন্ম হয় বুলি ইয়াত কোৱা হৈছে। বিশ্বসিংহই কোচ ৰাজ্য আৰু কোচ ৰাজবংশ প্ৰতিষ্ঠা কৰে। তেওঁৰ ভাৰ্য্যা হীৰা পৰম শিৱভক্তা আছিল। কোচ ৰজাসকলৰ মোহৰ বিলাকত তেওঁলোকে নিজকে 'শিৱ-চৰণ-মধুকৰ' বুলি আখ্যা দিছে। ৰাজবংশাৱলীত হিন্দুমতে আৰু জনজাতীয় মতে কোচসকলে শিৱ পূজা কৰাৰ উল্লেখ আছে। নৰনাৰায়ণ ৰজাই আহোম ৰাজ্য আক্ৰমণ কৰিবৰ সময়ত হিন্দুমতে পূজা কৰা বাবে মহাদেৱে অভিযানৰ প্ৰথম নিশাতে দেখা দি ক'লে-

*আপোনাৰ ৰীতি এৰিলিহি কিয়।।*
*কছাৰীৰ মতে এভো কৰিয়ো নাচন*
*তোৰ জয় হ'ব কৈলো স্বৰূপ বচন।।*

ৰজাই সোণকোষ নৈৰ পাৰৰ গাৰি থানাত কছাৰী সকলৰ নাচৰ আয়োজন কৰিলে।

*হংস পাৰ মদ ভাত মহিষ শূকৰ।*
*কুকুৰা ছাগল উপহাৰ নিৰন্তৰ।।*
*পাতিলা নাচন তথা মাদল বজাই।*
*সবাৱো মাজত তুলিলন্ত দেওধাই।।*

কছাৰীসকলৰ মাজত শিৱ পূজাৰ এনে পদ্ধতি কিমান দিনৰ আগৰ পৰা চলি আহিছে, জনা নাযায়। ওপৰত কোৱা অনুষ্ঠানৰ কিছুদিনৰ পিছত অসমঅভিযানপ্ৰসঙ্গতে নৰনাৰায়ণে উত্তৰৰ দুৱাৰৰ ভোট কছাৰীসকলক গোট খুৱাই এই আজ্ঞা কৰিলে,-

*গোহাঁই কমল আলি মধ্যে সীমা কৰি।*
*উত্তৰৰ ফালে আছে যতেক কছাৰী।।*
*সেহিফালে দেৱালয় আছে যত যত।*
*কোচে মেচে পূজিবেক মোহোৰ বাক্যত।।*
*দক্ষিণৰ ফালে পূজা ব্ৰাহ্মণে কৰিব।*
*এহি নিৰন্ধনে সবে ধৰ্ম প্ৰবৰ্তিব।।*

বিভিন্ন বড়ো সমাজত শিৱক বাথো, বাথৌ, বাথৌ-ব্ৰাই বা বাথৌ-শিৱ-ৰাই নামে পূজা কৰা হৈ আহিছে। গেইট্ছাহাবে এঠাইত লিখিছে- (বঙ্গদেশৰ) ঢিমাল বিলাকৰ দৰে

মেচবিলাকৰ ধৰ্ম জড়-পূজা আৰু হিন্দু ধৰ্মৰ মাজৰ ঠাইত পৰে। তেওঁলোকে নিজকে শৈৱসম্প্ৰদায়ৰ হিন্দু বুলি কয়, আৰু বাথো নামত শিৱক আৰু বলি খুংৰী নামেৰে শিৱৰ ভাৰ্য্যা কালীক পূজা কৰে। অগ্নি-মেচহঁতে শিৱৰ আগত ম'হ, ছাগলী, আৰু পাৰৰ বলি দিয়ে; কালীয়ে কিন্তু গাহৰি, কুকুৰা আৰু ছাগলীৰ বলি গ্ৰহণ কৰিয়ে সন্তুষ্ট থাকিব লাগে। জাতিমেচসকলে পিছে পিছৰ বিধ বলি দুই গৰাকীকে একেভাবে দিয়ে। জাতিমেচ ঘৰ দেৱীৰূপে- নাম নোহোৱা এক দেৱীক শিৱৰ মাতৃ বুলি ঘৰৰ ডাঙৰ খোঁটালীটোৰ এচুকত এচপাৰ মাটিৰূপত পূজা কৰে। গাহৰি কুকুৰা, কল, চিৰা আদি দেও, মঙ্গল আৰু বুধবাৰৰ বাহিৰে আন কেইদিন এওঁলৈ নৈবেদ্যস্বৰূপে আগবঢ়োৱা হয়'।

মণিৰাম দেৱানৰ *বুৰঞ্জী-বিৱেক-ৰত্ন* ত আছে যে দেৰগাঁৱৰ মহাদেৱ প্ৰতিষ্ঠা কৰে ঔৰ্ব নামৰ ঋষিয়ে, আৰু এই দেৱতাৰ পূজা কছাৰী ৰজাসকললৰ তত্বাৱধানত মদ-মাংসৰ নৈবেদ্যৰে নিয়মিতৰূপে চলিছিল। দেৰগাঁৱৰ শিৱ-মন্দিৰৰ বৰঠাকুৰৰৰ ঘৰৰ হাতে লিখা বংশাৱলীত মন্দিৰৰ ঠাইডোখৰক ঔৰ্বাশ্ৰম বোলা হৈছে। ইয়াত কোৱা হৈছে যে ঔৰ্ব ঋষিয়ে তেওঁৰ আশ্ৰমক দ্বিতীয় কাশীত পৰিণত কৰিবৰ মনেৰে বহু সংখ্যক শিৱলিঙ্গ সংগ্ৰহ কৰে। ঋষিয়ে সংগ্ৰহ কৰা এক কোটি শিৱলিঙ্গ এতিয়াও শীতলী পথাৰৰ মাটিৰ তলত সোমাই আছে বুলি জন-বিশ্বাস আছে। বৰ্তমান মন্দিৰৰ প্ৰকাণ্ড বাণলিঙ্গ প্ৰতাপসিংহ বুঢ়াৰজাৰ দিনত মাটিৰ পৰা খানি উলিওৱা হৈছিল।

অসমৰ শিৱ-মন্দিৰবিলাকৰ দুটা বিশেষভাবে মন কৰিবলগীয়া বিষয়- নটীৰ নাচ আৰু শিৱ-চতুৰ্দশীৰ দিনা ডিঙি মুচৰি ছাগলী বলি দিয়া কাৰ্য্য। বনমালবৰ্মাই (নৱম শতিকা) হাটক-শিৱমন্দিৰত বেশ্যা অৰ্থাৎ দেৱ-নটী দিয়াৰ কথা আমি আগতে পাই আহিছোঁ। কামৰূপৰ পাঠশালা ৰেল ষ্টেচনৰ ওচৰৰ ডুবি, বিশ্বানাথ ঘাট আৰু নেঘেৰী টিঙৰ শিৱ-দলৰ নটীৰ কথা সকলোৰে জনাজাত। নটসম্প্ৰদায়ৰ সুকীয়া গাঁও আছিল। নটীবিলাক বাপেক-মাকৰ ঘৰত থাকি নিৰ্দিষ্ট সময়ত দ'ললৈ আহি নৃত্য কৰিছিল। কালক্ৰমত এই নটীৰ অনুষ্ঠানৰ মৃত্যু ঘটে। বুৰঞ্জীত আছে, ১৬১৬ খ্ৰীষ্টাব্দত মুছলমানৰ অসম আক্ৰমণৰ সময়ত পাণ্ডু আৰু গুৱাহাটীত থকা বঙ্গৰ থানাদাৰ সত্ৰাজিত বৰুৱাই বিশ্বনাথ শিৱ দ'লৰ ধন-সোন আদি লুটি নিয়ে, আৰু লগতে তাৰ পৰা তিনিজনী নটীও লৈ যায়। পিছৰ যুগৰ আহোম ৰজা শিৱ সিংহৰ পত্নী 'বৰৰজা' ফুলেশ্বৰী কুৰঁৰী নেঘেৰীটিং শিৱ দলৰ নটী আছিল। ডিঙি মুচৰি কৰা বলি বিধান উমানন্দ শিৱ মন্দিৰত এতিয়ালৈকে চলি আছে, এই প্ৰথা প্ৰাচীন গৃহ্য-সূত্ৰত *সংজ্ঞাপথন* নামে অনুমোদিত হৈ আছে।

প্ৰাক্-শঙ্কৰ সাহিত্যতো শিৱ-ধৰ্মৰ কিছু আভাস পোৱা যায়। কবিৰত্ন সৰস্বতীৰ *দ্ৰোণ পৰ্ব* মহাভাৰতৰ ভণিতাত দুৰ্লভ নাৰায়ণৰ পুত্ৰ ইন্দ্ৰনাৰায়ণ দেৱৰ ফালে আঙুলিয়াই কোৱা হৈছে—

*যত সৰ্বক্ষণ ইন্দ্ৰনাৰায়ণ*
*বৰ দেন্ত সদাশিৱ।*
*হৌক নৰেশ্বৰ পাণ্ডু গৌড়েশ্বৰ*
*পিতা-পুত্ৰে চিৰঞ্জীৱ।।*

প্ৰায় ১৪৭৯ খ্ৰীষ্টাব্দৰ ঘটনাৰ বৰ্ণনা দিওঁতে *অসম-বুৰঞ্জী* ত কোৱা হৈছে, সুশুদ্ধি গড়মাকুঁৱৰীৰ স্বামী কমতেশ্বৰ *'ৰজাৰ দুৱাৰৰ বাজে পশ্চিম ফালে কমতেশ্বৰ গোসাঁইৰ পূৰ্বে যি পাষাণময় ভৈৰৱ আছে, সমস্তে বিবাহৰ পূৰ্বদিনে ২০ ৰূপ, কলীয়া পঠা ২টা, হাঁহ ৮ যোৰ, পাৰ ৮ যোৰ, আন উপায়ন দ্ৰব্য, সামান্যে ৫টকা, ৫টকাৰ কৰি দিব লাগে, নিদিলে বাতুল কৰে।'*

ৰামানন্দ দ্বিজৰ *গুৰুচৰিত*ৰ শঙ্কৰদেৱৰ ধৰ্ম-প্ৰচাৰৰ আগৰ অৱস্থাৰ বৰ্ণনা দিয়া হৈছে-

*নুপূজে হৰিক নকৰয় হৰি-কৰ্ম।*
*ভৈৰৱক পূজে মাত্ৰ বুলি শ্ৰেষ্ঠ ধৰ্ম।।*
*কুৰ্ম ছাগলৰ তেজ বঢ়ায়া আগত।*
*প্ৰসাদ বুলিয়া পিয়ে হুয়া উনমত্ত।।*

শঙ্কৰদেৱৰ পিতৃ কুসুমবৰ বৰভূঞাৰ বহুত বয়সলৈকে ল'ৰা-লুৰি নোহোৱাত তেওঁ *হৰিবংশ-পাঠ* , নানা তন্ত্ৰ-মন্ত্ৰ আদি কৰায়ো একো ফল নাপায় শেষত শিৱ পূজা কৰায়। ইয়াৰ পিছত ল'ৰা জন্ম হ'লত শঙ্কৰ বা শঙ্কৰবৰ নাম ৰাখে। চৰিতকাৰ ভূষণ দ্বিজে খাটাংকৈ কৈছে যে কুসুমবৰে শিৱলিঙ্গ পূজা কৰিছিল। শঙ্কৰদেৱৰ ব্ৰাহ্মণ শিষ্য ব্যাসকলাইৰ তিনিটা ল'ৰা মৰাৰ পিছত চতুৰ্থটোৰ অসুখত চপৰাৰ বৰদেৱ মহেশ্বৰৰ পূজা কৰায়। এইবাবে ব্যাসকলাইক পন্থৰ বাহিৰ কৰি শঙ্কৰদেৱে ত্যাগ কৰে। *কথা-গুৰুচৰিত*-ত আছে, এই ক্ষেত্ৰত মহাদেৱৰ নামে এযোৰ পাৰহে উৰাই দিয়া হৈছিল। মাধৱদেৱৰ এবাৰ পুৰণি ঘৰলৈ (ৰংপুৰ জিলাৰ বাণ্ডুকাত) যাওঁতে তেওঁৰ বৈমাতৃক ককায়েকে তেওঁক শিৱ চতুদৰ্শীৰ দিনা শিৱ-পূজা কৰিবলৈ ধৰিছিল। ৰঘুদেৱ নাৰায়ণ ৰজাই বিখ্যাত শৈৱ পণ্ডিত অসুৰাৰি ভট্টাচাৰ্যক নীলাচলত বুঢ়া পূজা কৰিবলৈ বিজয়নগৰৰ পৰা পঠোৱা কথাৰো *গুৰুচৰিত* ত উল্লেখ আছে। মুঠতে পূৰ্বৰে পৰা শঙ্কৰদেৱৰ যুগলৈকে শিৱ পূজাৰ প্ৰৱল সোঁত এটা বৈ আহিছিল।' (মহেশ্বৰ নেওগ ঃ *পুৰণি কামৰূপত শৈৱ ধৰ্ম* (প্ৰবন্ধ), *নিৰ্বাচিত প্ৰবন্ধ* , পৃষ্ঠা ১২-১৯)

**আত্মমূল্যায়ন প্ৰশ্ন**

প্ৰাচীন কালৰে পৰা অসমত জনজাতীয় আৰু অ-জনজাতীয় সমাজত শিৱ পূজাৰ কেনেদৰে প্ৰচলন হৈ আহিছে তাৰ এটি বিৱৰণ দিয়ক।

..............................................................
..............................................................
..............................................................

## ১.৬ অসমৰ শৈৱ সাহিত্য

অতি প্ৰাচীন কালৰেপৰা অসমৰ সাংস্কৃতিক জীৱনত শিৱ দেৱতাই অনুপম স্থান লাভ কৰি আহিছে। কিন্তু অসমীয়া লিখিত সাহিত্যত শিৱ দেৱতাই তেনে স্থান লাভ কৰা দেখা নেযায়। বিষ্ণু বা কৃষ্ণক লৈ অসমীয়া সাহিত্যত যিদৰে বিশাল বৈষ্ণৱ সাহিত্যৰাজিৰ সৃষ্টি হৈছে (যাৰ বাবে এই যুগটোক অসমীয়া সাহিত্যৰ 'স্বৰ্ণযুগ' বুলি কোৱা হয়); শিৱ দেৱতাক লৈ তেনেধৰণৰ সাহিত্য ৰচিত হোৱা নাই। শিৱক মূল উপাস্য দেৱতা হিচাপে লৈ ৰচনা কৰা *শিৱ পুৰাণ*ৰ বাহিৰে অসমীয়া ভাষাত আনকোনো স্বতন্ত্ৰ কাব্য ৰচিত হোৱাৰ নিদৰ্শন পাবলৈ নাই। আনহাতে, শিৱৰ মাহাত্ম্য প্ৰকাশক *শিৱ পুৰাণ* খনিও অসমীয়া ভাষাত সম্পূৰ্ণৰূপে অনুবাদ হোৱা নাই।

তথাপি, প্ৰাক্ শংকৰী যুগৰপৰা আৰম্ভ কৰি আহোম যুগৰ সাহিত্যলৈ শিৱ দেৱতাই গৌণভাৱে হলেও স্থান লাভ কৰি আহিছে। মৌখিক সাহিত্য (ওজাপালী, ভড়ুৱাগীত, জুনাগীত, বিয়াগীত, পগলা পাৰ্বতীৰ গীত, টোকাৰী গীত, চীয়াগীত, দেহবিচাৰৰ গীত, মন্ত্ৰ আদি) মনসা সাহিত্য, বৈষ্ণৱ সাহিত্য, এই সকলোবোৰত শিৱই আংশিকভাৱে হ'লেও ভূমুকি মাৰিছে। কিন্তু সেইবোৰত শিৱই প্ৰাধান্য লাভ কৰিলেও তেওঁৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰা নাই।

প্ৰাক্ শংকৰীযুগৰ কবি মাধৱ কন্দলী, হেম সৰস্বতী, কবিৰত্ন সৰস্বতীৰ কাব্যত শিৱৰ প্ৰাধান্য দেখা যায়। কন্দলীৰ *সপ্তকাণ্ড ৰামায়ণ*ত শৈৱ তত্ত্বৰ প্ৰভাৱ পৰিলক্ষিত হয়। *ৰামায়ণ*ত থকা কিছুমান ৰূপক, উপমাত শিৱৰ উল্লেখ পোৱা যায়। যেনে—

*পাইলেক ভাগৰ বোকণ্ডা কাষৰ*
*সবে পৰি গৈলা খসি।*
*মুখে শিৱশিৱ সুমৰন্তে আতি*
*পাইলা যত তাপসী।।*

একেদৰে *'কান্ধত কানি জুলি লৈ শিৱ শিৱ বুলি ঘুৰি ফুৰা যোগী'* আদি বাক্যবোৰেও শিৱৰ অস্তিত্বৰ ঈঙ্গিত বহন কৰে।

তেনেদৰে, কবিৰত্ন সৰস্বতীৰ *দ্ৰোণপৰ্ব*ত শিৱৰ উল্লেখ পোৱাই নহয় দেৱতা হিচাপে শিৱই ভক্তক আশীৰ্বাদ দিয়াৰ কথাও পোৱা যায়—

*যত সৰ্বক্ষণ ইন্দ্ৰ নাৰায়ণ*
*বৰ দেন্ত সদাশিৱ*
*হৌক নৰেশ্বৰ পাঞ্চ গৌড়েশ্বৰ*
*পিতা পুত্ৰে চিৰঞ্জীৱ।*

এই একে গৰাকী কবিৰ *জয়দ্ৰথ বধ* আৰু হেম সৰস্বতীৰ *হৰগৌৰী সংবাদ* কাব্যতো শিৱৰ মহিমা প্ৰকাশ পাইছে।

সংস্কৃত ভাষাত ৰচিত *কালিকা-পুৰাণ, যোগিনীতন্ত্ৰ*ত শৈৱ ধৰ্মৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। তেনেদৰে চণ্ডীদাসৰ *শ্ৰীকৃষ্ণ-কীৰ্ত্তণ*, ৰামাই পণ্ডিতৰ *শূণ্য-পুৰাণ*ত শিৱৰ মাহাত্ম্য প্ৰকাশ পাইছে। অৱশ্যে *শূণ্য-পুৰাণ*ত উপাস্য দেৱতাজন ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ সমন্বিত ৰূপ। নাথ, সিদ্ধসকলে নিজকে শিৱৰপৰা জন্ম হোৱা বুলি ভাবে। সেইবাবে এই সম্প্ৰদায়ৰ লোকে 'নাথ' উপাধী গ্ৰহণ কৰে। *মইনামতী, গোৰক্ষ বিজয়* আদি গ্ৰন্থ নাথ সাহিত্যৰূপে পৰিচিত। এই গ্ৰন্থসমূহত শিৱ দেৱতাৰ প্ৰভাৱ অতি গভীৰ।

মনকৰ, দুৰ্গাবৰ আৰু সুকবি নাৰায়নদেৱৰ মনসা কাব্যত শিৱৰ পৌৰাণিক আৰু লৌকিক ৰূপৰ অপূৰ্ব সমন্বয় ঘটিছে। তথাপি শিৱৰ লৌকিক চিত্ৰ ৰূপায়নতহে মনসা কবিসকল অধিক আগ্ৰহী আছিল যেন লাগে। এওঁলোকৰ শিৱ কামদেৱক ভস্ম কৰা মহাযোগী শিৱ নহয়। মনসা কবিৰ তুলিকাত শিৱ জগত স্ৰষ্টা, নীলকণ্ঠ, পুৰাণ পুৰুষ, কৃষিদেৱতা, প্ৰেমৰ দেৱতা, গ্ৰাম্য দেৱতা, কামুক, উলংগ আদি বিভিন্ন ৰূপত অংকিত হৈছে।

বৈষ্ণৱ কবিসকলে শিৱক বিষ্ণুৰ সমমৰ্যদা প্ৰদান কৰিছে। বিষ্ণু আৰু শিৱৰ মাজত বিভেদ সিঁচাজনক অপৰাধী বুলি ঘোষণা কৰিছে। শংকৰদেৱৰ *নাম অপৰাধ খণ্ড*-ত ইয়াৰ প্ৰমাণ পোৱা যায়—

*গুণ নাম যত বিষ্ণু শিৱৰ।*
*তাক ভিন্ন বুদ্ধি কৰে যি নৰ।।*
*নামৰ সিও মহা অপৰাধী।*
*নৰকত পৰে দৈৱে ন বাধি।।*

সেইবাবেই বোধকৰোঁ *কীৰ্ত্তন ঘোষা*ত তেওঁ কৈছে— *কেশৱ শিৱ শিৱ ঘুষিয়ো সদায়। ৰাম নাম বিনা বান্ধব নাই*।। একেদৰে শঙ্কৰদেৱৰ *কীৰ্ত্তন ঘোষা*ৰ অন্তৰ্গত *উৰেষা বৰ্ণন*ত শিৱ-

মহাদেৱৰ ত্ৰিপুৰাৰি আৰু তেওঁৰ প্ৰতীক লিঙ্গ পূজাৰ উপাসনা, শিৱৰ যোগৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। আনহাতে, শঙ্কৰদেৱৰ *অমৃত মন্থন* ত শিৱৰ শক্তি-সামৰ্থ আৰু মাহাত্ম্য প্ৰকটিত হৈছে- জগতক ৰক্ষা কৰিবৰ বাবে কালকূট বিষ ভক্ষণ কৰি নীলকণ্ঠ ৰূপে পৰিচয় লাভ কৰিলে। গতিকে দেখা যায় যে, বৈষ্ণৱ যুগৰ মধ্যমণি স্বৰূপ শঙ্কৰদেৱৰ কাব্যতো শিৱই বিশিষ্ট আসন লাভ কৰিছে। তেনেদৰে ৰমানন্দ দ্বিজৰ *গুৰু চৰিততো* শিৱৰ উল্লেখ পোৱা যায়—

*নুপূজে হৰিক নকৰয় হৰি কৰ্ম।*
*ভৈৰৱক পূজে মাত্ৰ বুলি শ্ৰেষ্ঠ ধৰ্ম।।*
*কূৰ্ম ছাগলৰ তেজ বঢ়ায়া আগত।*
*প্ৰসাদ বুলিয়া পিয়ে হুয়া উনমত্ত।।*

এই গৰাকী কবিৰেই *মহামোহ কাব্য* ত *শংকৰৰ অংশ ত্ৰৈলোক্যত বীৰ সাৰ* বুলি মহামোহক পৰিচয় দি শিৱৰ মহিমা প্ৰকট কৰিছে।

আহোম যুগৰ সাহিত্যতো শিৱই এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি তেওঁৰ শক্তি-সামৰ্থৰ লগতে শ্ৰেষ্ঠত্বও প্ৰতিপন্ন কৰিছে। ৰুদ্ৰসিংহ, শিৱ সিংহ আৰু ফুলেশ্বৰীৰ আমোলৰ ৰাজকবি ৰামনাৰায়ণৰ চক্ৰৱৰ্ত্তীৰ কাব্যত শিৱই উল্লেখযোগ্য ভূমিকা পালন কৰিছে। ৰামনাৰায়ণৰ *শঙ্খচূড় বধ* কাব্যত শিৱ আৰু শঙ্খচূড়ৰ যুদ্ধ আৰু শিৱৰ আঘাতত শংখচূড় নিহত হোৱাৰ কাহিনী বৰ্ণিত হৈছে। গতিকে ইয়াত শিৱৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা হৈছে।

অজ্ঞাত লেখকৰ দ্বাৰা ৰচিত *হৰগৌৰী বিবাহ* বা *কালিকা-পুৰাণ* ত শিৱ গোঁসাইৰ লৌকিক ৰূপটো সুন্দৰকৈ পৰিস্ফুট হৈছে। একেদৰে ৰাজেশ্বৰ সিংহৰ ৰাজসভাৰ কবি ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী* ত শিৱ দেৱতাৰ স্থান নিশ্চিতভাৱে গুৰুত্বপূৰ্ণ। বিশেষকৈ, দৈত্যসকলক নিধনত শিৱই মুখ্য ভূমিকা পালন কৰিছে। আহোম যুগৰ আন এগৰাকী কবি অনন্ত আচাৰ্য্যৰ *আনন্দ লহৰী* ত শিৱৰ মহিমা প্ৰকাশ পাইছে। এই পুথিখনিত শিৱৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কোৱা হৈছে যে, শিৱক পূজা নকৰা বাবে বিষ্ণুৱে শূকৰ ৰূপ পাবলগীয়া হৈছিল।

শিৱৰ প্ৰাধান্য থকা আন এক শ্ৰেণীৰ কাব্য হ'ল কবি ৰাম সৰস্বতীৰ বধকাব্যসমূহ। বধকাব্যবিলাকৰ আখ্যানবোৰ মহাভাৰতৰ বনপৰ্বক আশ্ৰয় কৰি নানান পুৰাণ, উপপুৰাণ আদিৰ পৰা সংগৃহীত। এই কাব্যসমূহত শিৱই কেনেদৰে প্ৰাধান্য বিস্তাৰ কৰিছে তাৰ নিদৰ্শন হিচাপে আমি হেমা সুন্দৰীৰ আখ্যানভাগকে ল'ব পাৰো। কাব্যখনিৰ আৰম্ভণিতে পাওঁ- পুৰণি কালত উশীনৰ নামে এজন ৰজা আছিল। তেওঁ বৰ শিৱভক্ত আছিল আৰু শিৱৰ বৰত বৰ বিক্ৰমশালী হৈ উঠিছিল। তেওঁৰেই জীয়েক হেমা সুন্দৰী। কন্যাৰ মঙ্গলৰ নিমিত্তে ৰজাই শিৱ পূজা কৰিলত হৰ-গৌৰীয়ে কুমাৰীক বৰ দিলে- *সৰ্বকালে যুৱা হুয়া থাকিবেক, মোহোক দিলন্ত বৰ*। অকল এয়াই নহয়, কাব্যৰ সামৰণিত দেখিবলৈ পাওঁ হেমাই অশ্বকৰ্ণক বধ কৰাই শিৱৰ অধিষ্ঠানলৈ লৈ গ'ল। শিৱয়ো এই সুযোগত ভীম-অৰ্জুনৰ হাতে নানান দৈত্য দানৱক বধ কৰাই হেমা কুমাৰীক অৰ্জুনক সঁপি দিলে। স্বাভাৱিকভাৱেই অৰ্জুনে কাৰ কুঁৱৰী কাৰবা বোৱাৰী, কিজানি কাৰোবাৰ পত্নী হৈয়েই আছে বুলি সন্দেহ প্ৰকাশ কৰাত শিৱই সেই সন্দেহ ভঞ্জন কৰাই অৰ্জুনৰ লগত হেমাৰ বিয়া পাতি দিয়ে। বিয়াৰ পাছত বনবাসী হোৱাৰ বাবে অৰ্জুনে হেমাক লগত আনিব নোৱাৰাত শিৱই মায়াদেৱীৰ ওচৰত হেমাক ৰাখিবলৈ নিৰ্দেশ দিয়ে। গতিকে দেখা গ'ল যে, কাব্যখনিৰ আৰম্ভণিৰপৰা সমাপ্তিলৈ শিৱই এক বিশিষ্ট ভূমিকা পালন কৰিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে, শিৱৰ মহিমা বা শ্ৰেষ্ঠত্ব প্ৰকাশক একাধিক কাব্য অসমীয়া ভাষাত ৰচিত নহ'লেও প্ৰাক্-বৈষ্ণৱ যুগৰপৰা আহোম যুগৰ সাহিত্য পৰ্যন্ত শিৱই এক উল্লেখযোগ্য স্থান লাভ কৰি আছে। বৈষ্ণৱ ধৰ্মৰ প্ৰৱল ঢৌৱেও শৈৱ ধৰ্মৰ জনপ্ৰিয়তাক ম্লান কৰিব নোৱাৰিলে। তথাপি এই কথা সঁচা যে, বৈষ্ণৱ সম্প্ৰদায় বা কাশ্মিৰী শৈৱ সম্প্ৰদায়ৰ সাহিত্যৰাজিৰ দৰে বিশুদ্ধ শৈৱ সাহিত্য অসমীয়া ভাষাত ৰচিত নহ'ল। তাৰ মাজতে অৱশ্যে ৰুদ্ৰ সিংহৰ *শিৱ-পুৰাণ* খনি ব্যতিক্ৰম।

**আত্মমূলায়ন প্ৰশ্ন**

শিৱৰ মাহাত্ম্য প্ৰকাশ পোৱা সংস্কৃত আৰু অসমীয়া পুথি কেইখনমানৰ বিষয়ে চমুকৈ আলোচনা আগবঢ়াওক। (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................................

.................................................................................

.................................................................................

## ১.৭ সাৰাংশ (Summing Up)

অতি প্ৰাচীন কালৰেপৰা অসম, ভাৰতবৰ্ষ তথা বিদেশতো শৈৱ ধৰ্মৰ প্ৰচলন আছিল। শৈৱ ধৰ্মৰ প্ৰাচীনতাৰ ইঙ্গিত তামৰ ফলি, মুদ্ৰা, লিঙ্গ, মূৰ্ত্তি, বিভিন্ন গ্ৰন্থ আদিত পোৱা যায়। শৈৱ ধৰ্মৰ বিভিন্ন সম্প্ৰদায় আছিল কাপালিক, কালামুখ, পাশুপাত, সিদ্ধান্ত, কাশ্মীৰি, নায়নমাৰ- এইবোৰ আছিল একো-একোটা সম্প্ৰাদায়। শিৱৰ যেনেদৰে সহস্ৰ নাম আছে, তেনেদৰে শিৱৰ- বিভিন্ন ৰূপৰ কল্পনাও আছে। নটৰাজন, কিৰাত, পাশুপতি, ৰুদ্ৰ, সংহাৰী, তাণ্ডৱ, লিঙ্গ, ত্ৰিশূলধাৰী, ভঙুৱা, বৃষবাহন আদি শিৱৰ বিভিন্ন ৰূপ। এই বিভিন্ন ৰূপৰ কল্পনা কৰি উপাস্য দেৱতা গৰাকীক উপাসনা বা ভক্তি নিবেদন কল্পনা কৰি উপাস্য দেৱতা গৰাকীক উপাসনা বা ভক্তি নিবেদন কৰা হয়। জনজাতিসকলেও শিৱক উপাস্য দেৱতা হিচাপে গ্ৰহণ কৰি পূজা-অৰ্চনা কৰা দেখা যায়। বহুতো জনজাতীয়ে শিৱক তেওঁলোকৰ পূৰ্বপুৰুষ বুলিও মানি আহিছে। শৈৱ ধৰ্মক অবলম্বন কৰি বিভিন্ন ভাষাত একশ্ৰেণী সাহিত্যও ৰচিত হৈছে। ইয়াক শৈৱ সাহিত্য বুলি কোৱা হয়। শিৱ অসম বা ভাৰততে নহয়, বিভিন্ন ভাষা-ভাষীৰ মাজত জনপ্ৰিয় দেৱতা। সেইবাবে এই বিভিন্ন ঠাইত শিৱ মন্দিৰসমূহ গঢ় লৈ উঠিছে। এই মঠ-মন্দিৰবোৰে বিভিন্ন প্ৰদেশত শৈৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত অৰিহণা যোগাই আহিছে।

## ১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

(১) অসমত শৈৱ ধৰ্মৰ প্ৰাচীনত্ব সম্পৰ্কে এটি আলোচনা আগবঢ়াওঁক।

(২) শিৱক কি কি ৰূপত পূজা বা উপাসনা কৰা হয়। সেই বিষয়ে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰক।

(৩) অসমৰ জনজাতীয় সমাজত শিৱক কেনেদৰে পূজা কৰা হয় তাৰ এটি বিৱৰণ দাঙি ধৰক।

(৪) শৈৱ ধৰ্মই অসমীয়া সাহিত্যত কেনেদৰে স্থান লাভ কৰি আছে সেই বিষয়ে সবিশেষ আলোচনা আগবঢ়াওঁক।

(৫) ‘শৈৱ ধৰ্মৰ প্ৰাচীনত্বৰ প্ৰমাণ শিলালিপি, তামৰ ফলি, প্ৰাচীন স্থাপত্য-ভাস্কৰ্য আৰু বিভিন্ন গ্ৰন্থৰপৰা পাব পাৰি’- এই মন্তব্যৰ সমৰ্থনত এটি প্ৰবন্ধ আলোচনা আগবঢ়াওঁক।

(৬) শৈৱ ধৰ্মৰ জনপ্ৰিয়তা সম্পৰ্কে এটি সমীক্ষা আগবঢ়াওঁক।

(৭) চমুটোকা

(ক) শৈৱ সম্প্ৰাদায় (খ) শিৱৰ বিভিন্ন নাম আৰু ৰূপ (গ) শিৱৰ লৌকিক ৰূপ (ঘ) অসমীয়া মৌখিক গীতত শিৱ (ঙ) শিৱ সম্পৰ্কীয় সমালোচনাসমূহক গ্ৰন্থৰ পৰিচয়।

## ১.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


নিৰ্মলপ্ৰভা বৰদলৈ : *শিৱ*

নিৰ্মলপ্ৰভা বৰদলৈ : *দেৱী*

বিৰিঞ্চিকুমাৰ বৰুৱা (সম্পা.) : *নিৰ্বাচিত প্ৰবন্ধ*

বাণীকান্ত কাকতি : *পুৰণি অসমৰ ধৰ্মৰ ধাৰা*

ধৰণীধৰ চৌধুৰী : *পুৰাণপ্ৰভা*

বিমল মজুমদাৰ : *পুৰাণৰ পৰিচয়*

প্ৰহ্লাদ কুমাৰ বৰুৱা : *ধৰ্মৰ সমীক্ষা*

B. Biswas : *The Cult of Siva*

M. Neog : *Saivism in Assam*


* * *

## দ্বিতীয় বিভাগ
## ৰুদ্ৰসিংহৰ 'শিৱ-পুৰাণ'

**বিভাগৰ গঠন**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ প্ৰাচীন কামৰূপত শৈৱতত্ত্বৰ বিকাশ আৰু প্ৰসাৰ
২.৪ পৰম্পৰাগত অসমীয়া শৈৱসাহিত্য
২.৪.১ মৌখিক শৈৱ সাহিত্য
২.৪.২ লিখিত শৈৱ সাহিত্য
২.৫ 'শিৱ-পুৰাণ' গ্ৰন্থৰ ৰচকৰ পৰিচয়
২.৬ 'শিৱ-পুৰাণ'ৰ বিষয়বস্তু (কাহিনীভাগ)
২.৭ 'শিৱ-পুৰাণ'ৰ মূল আৰু কবিৰ মৌলিকতা
২.৮ 'শিৱ-পুৰাণ' গ্ৰন্থখনৰ বৈশিষ্ট্য
২.৯ 'শিৱ-পুৰাণ'ত শিৱ-মাহাত্ম্য
২.১০ পুৰাণ হিচাপে 'শিৱ-পুৰাণ'
২.১১ 'শিৱ-পুৰাণ'ত প্ৰতিফলিত সামাজিক চিত্ৰ
২.১২ সাৰাংশ (Summing Up)
২.১৩ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

শৈৱ মাৰ্গ বা শৈৱ ধৰ্মৰ ধৰ্মমত, ধৰ্মীয় কৃত্য, দৰ্শন আদিৰ আধাৰতে ৰচিত হৈছে *শিৱ-পুৰাণ* বা আন আন শৈৱ গ্ৰন্থৰ। গতিকে *শিৱ-পুৰাণ* বা শৈৱ-গ্ৰন্থৰ বিষয়ে আলোচনা আগবঢ়োৱাৰ পূৰ্বে শৈৱতত্ত্ব বা মাৰ্গৰ উদ্ভৱ বিকাশ ইতিহাস আদিৰ বিষয়ে আলোচনা কৰা উচিত হ'ব।

আৰ্য আৰু প্ৰাক্-আৰ্য সংস্কৃতিৰ নিৰন্তৰ সংঘাত আৰু সমাহৰণ প্ৰক্ৰিয়াৰ ফলত ভাৰতবৰ্ষৰ ইতিহাস প্ৰবল গতিত প্ৰবাহমান। এই প্ৰক্ৰিয়াৰ আধাৰতেই ৰুদ্ৰ-শিৱৰ জন্ম। অধ্যাপক হুইটনীৰ মতে স্থানীয় ৰুদ্ৰদেৱতাৰ পৰাই শিৱদেৱতাৰ উদ্ভৱ হ'ব পাৰে। তেওঁৰ ভাষাত—

*Siva may be a local form of Rudra, arisen under the influence of Peculiar climatic relations in the disticts from which he made his way into Hindustan Proper.*

আৰ্য পূৰ্ব শৈৱতত্ত্বৰ আভাস পোৱা যায় মহেঞ্জদাৰো আৰু সিন্ধু সভ্যতাত। মহেঞ্জদাৰোত প্ৰাপ্ত এটি যোগ মূৰ্ত্তিয়ে শিৱদেৱতাৰ ইংগিত বহন কৰিব পাৰে। মূৰ্ত্তিটোৰ এটি আকৰ্ষণীয় বিশেষত্ব হৈছে ই উথেলিত লিংগ (*ithyphallic*) যুক্ত, অৱশ্যে ই স্পষ্ট নহয়। জন মাৰ্ছালে এই যোগমূৰ্ত্তিক পৌৰাণিক মহাযোগী শিৱৰ প্ৰটো ৰূপ বুলি কৈছে। শিৱদেৱতাক উপাসনা কৰাৰ ক্ষেত্ৰত সিন্ধু উপত্যকাৰ অধিবাসীসকলে প্ৰতীক স্বৰূপে লিংগ ব্যৱহাৰ কৰিছিল বুলি অনুমান কৰিব পাৰি। ঋগ্বেদত ব্যৱহৃত শিশ্নদেৱ পদটোৰ দ্বাৰা সিন্ধু উপত্যকাৰ লিংগ পূজক আদিম অধিবাসীসকল সূচিত হ'ব পাৰে। এইখন বেদত শিশ্ন উপাসকসকলক বৈদিক আৰ্যসকলৰ শত্ৰু আখ্যা দিয়া হৈছে। বৈদিকযুগৰ আৰম্ভণিৰ পৰাই শিৱদেৱতাৰ গুৰুত্ব লাভ কৰি আহিছে

ৰুদ্ৰ শিৱসকলে। অনা আৰ্য শিৱ সত্য সুন্দৰ আৰু শান্তত্বৰ প্ৰতিভূ। তেওঁ সৃষ্টিৰ প্ৰতীক। অন্যহাতে বৈদিক দেৱতা ৰুদ্ৰ ধ্বংসৰ প্ৰতীক। পৰৱৰ্তী কালত ৰুদ্ৰ-শিৱ একাকাৰ হৈছে। অনেক ক্ষেত্ৰত শিৱৰ বিশেষণ স্বৰূপে ৰুদ্ৰ পদটো প্ৰয়োগ কৰা দেখা যায় আৰু ইয়াৰ বিপৰীতে বিভিন্ন প্ৰসংগত শিৱ পদটো ৰুদ্ৰৰ বিশেষণ স্বৰূপে প্ৰয়োগ হৈছে।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, শিৱ বৈদিক দেৱতা নহয়, অবৈদিক দেৱতাহে। অবৈদিক দেৱতা স্বৰূপে শিৱই যে বৈদিক যুগৰ পূৰ্বৰ পৰাই ভাৰতীয় জীৱন-সমাজ আৰু ধৰ্মসংস্কৃতিত প্ৰভাৱ পেলাই আহিছিল তাত সন্দেহ নাই। গতিকে বৈদিক দেৱতা ৰুদ্ৰৰ সৈতে শিৱ দেৱতাৰ তাৎপৰ্যপূৰ্ণ স্থিতিৰ আভাস পোৱা যায়, বিশেষকৈ বৈদিক সাহিত্যত।

"ৰুদ্ৰ-শিৱৰ মিলন দুবিধ সংস্কৃতিক সমাহৰণ বা মিলনৰ প্ৰতিভূ অৰ্থাৎ আৰ্য সংস্কৃতি আৰু আৰ্যতেৰ সংস্কৃতিৰ সমাহৰণৰ প্ৰতিভূ। ৰুদ্ৰ ধ্বংসকাৰী কিন্তু সেই ৰুদ্ৰ চাৰিত্ৰিক বৈশিষ্ট্যত আৰোপিত হ'ল স্ৰষ্টা , পালক, ৰক্ষাকৰ্তা, কল্যাণকাৰী গুণৰাজি, যিবোৰ গুণ পৰিস্ফুট হৈছে শিৱৰ চাৰিত্ৰিক বৈশিষ্ট্যত। গতিকে ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে গুণ-কৰ্মৰ মাধ্যমত ৰুদ্ৰ-শিৱ একাকাৰ হৈছে। ৰুদ্ৰ বায়ু, পশুপতি, উগ্ৰ, মহাদেৱ, ঈশান, অগনি, ভৱ, শৰ্ব আদি নামেৰে জনাজাত। অন্যহাতে শিৱ দেৱতাও এই কেইটা নামেৰেই জনাজাত। তেনেদৰে ৰুদ্ৰ আৰু শিৱ উভয়ে ভৱ, শৰ্ব, মহেশ, ঈষাণ, পশুপতি, ভীম, উগ্ৰ আৰু মহাদেৱ স্বৰূপেও পৰিচিত। ঋগ্বেদত কোৱা হৈছে যে, ৰুদ্ৰৰেই এটা নাম শিৱ।" (নবীনচন্দ্ৰ শৰ্মা, *শিৱ-পুৰাণ*)।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপুনি-

- প্ৰাগ ঐতিহাসিক যুগৰ পৰা প্ৰাগজ্যোতিষ কামৰূপত পৰম্পৰাগতভাৱে প্ৰচলিত শৈৱ ধৰ্ম বা শৈৱমত বা শৈৱতত্ত্বৰ উদ্ভৱ-বিকাশ-ইতিহাস ধৰ্মতত্ত্ব, দৰ্শন, সাহিত্য-সংস্কৃতিৰ বিষয়ে বিস্তৃতভাৱে জানিবলৈ সক্ষম হ'ব পাৰিব;
- প্ৰাগজ্যোতিষ কামৰূপত প্ৰচলিত শৈৱ ধৰ্ম ভাৰতীয় শৈৱ-তত্ত্বৰ সৈতে সম্পৰ্কযুক্ত সেই বিষয়েও জানিব পাৰিব।
- কিৰাতসকলৰ মাজত প্ৰচলিত শিৱদেৱতাৰ প্ৰতিফলনো যে প্ৰাগজ্যোতিষ কামৰূপৰ শৈৱমাৰ্গত প্ৰত্যক্ষ কৰা যায় সেই বিষয়ে আপুনি জানিবলৈ সক্ষম হ'ব।
- তদানীন্তন প্ৰাগজ্যোতিষ কামৰূপৰ বিভিন্ন গোষ্ঠী আৰু অজনজাতীয় লোক সকলোৱে যে শৈৱ বা শৈৱ ধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল সেই বিষয়ে জানিব পাৰিব।
- শিৱ দেৱতাক কেন্দ্ৰ কৰি বাচিক কলা আৰু লিখিত কলা আৰু পৰিৱেশ্য কলাৰ বিকাশ ঘটিছিল সেই বিষয়েও জানিব পাৰিব।
- শৈৱমাৰ্গ যে এক সামাজিক ব্যাপাৰ আৰু এই ব্যাপাৰে যে সামাজিক সংহতি স্থাপনত বিস্তৰভাৱে সহায় কৰিছিল সেই বিষয়েও আপুনি জানিব পাৰিব।

## ২.৩ প্ৰাচীন কামৰূপত শৈৱতত্ত্বৰ বিকাশ আৰু প্ৰসাৰ

শৈৱ ধৰ্মৰ প্ৰসাৰ অতি প্ৰাচীন কালৰে পৰা প্ৰাগজ্যোতিষ কামৰূপত লক্ষ্য কৰা যায়। খ্ৰীঃ সপ্তম শতিকাৰ পৰা খ্ৰীঃ দ্বাদশ শতিকা পৰ্যন্ত প্ৰাচীন কামৰূপৰ নৃপতিসৱ আছিল শৈৱ ধৰ্মৰ পৃষ্ঠপোষক। পুৰণি অসমত আন আন দেৱ-দেৱীৰ মন্দিৰৰ তুলনাত শিৱ-মহাদেৱৰ মঠ-মন্দিৰৰ সংখ্যাই সৰহ আছিল। বৰ্তমান অসমতো অৰ্থাৎ আধুনিক অসমতো শিৱৰ মঠ-মন্দিৰৰ সংখ্যাই আন আন দেৱ দেৱীৰ মঠ-মন্দিৰক চেৰ পেলাইছে। কালিকা পুৰাণ-ত উল্লেখ আছে

প্ৰাগজ্যোতিষ কামৰূপত শিৱক্ষেত্ৰৰ সংখ্যা আন আন দেৱ দেৱীৰ ক্ষেত্ৰ সংখ্যাতকৈ সৰহ। পশ্চিমে কৰতোৱা নদীৰ পাৰৰ মহাবৃক্ষ লিংগৰ পৰা আৰম্ভ কৰি পূবৰ বুঢ়ী গংগা নদীৰ পাৰৰ বিশ্বনাথ শিৱৰ ক্ষেত্ৰলৈকে ক্ষেত্ৰ সংখ্যা পোন্ধৰ, বিষ্ণুৰ ক্ষেত্ৰ সংখ্যা চাৰি আৰু দেৱীৰ ক্ষেত্ৰ সংখ্যা পাঁচ। যোগিনী তন্ত্ৰত উল্লেখ আছে যে, প্ৰাচীন কামৰূপত শিৱলিংগৰ সংখ্যা কোটিতকৈয়ো অধিক।

গুণাভিৰাম বৰুৱাৰ মতে নৃপতি জল্পেশ্বৰে প্ৰাচীন কামৰূপত শিৱ পূজাৰ পৰম্পৰা প্ৰচলন কৰে। বৰ্তমানৰ জলপাইগুৰিয়েই তাহানিৰ জল্পেশ্বৰৰ ৰাজধানী আছিল। নৃপতি জল্পেশ্বৰে জল্পেশ্বৰ মন্দিৰ নিৰ্মাণ কৰিছিল বুলি প্ৰচলিত ঐতিহ্যই ক'ব খোজে। অৱশ্যে ইতিহাস এই ক্ষেত্ৰত স্পষ্ট নহয়। *স্কন্দ-পুৰাণ* ত উল্লেখ আছে যে, জল্প নামধাৰী কোনো এগৰাকী ৰজাই শিৱ পূজা কৰিছিল। পূজা উপাসনাৰ মহিমাৰ বলত তেওঁ উপাসিত লিংগত লীন প্ৰাপ্ত হৈছিল। তেতিয়াৰ পৰাই হেনো লিংগৰ নাম জল্পেশ্বৰ হ'ল।

*কালিকা পুৰাণ*ৰ মতে পৰশুৰামৰ ভয়ত সন্ত্ৰাসিত হৈ কিছুমান ক্ষত্ৰিয়ই ম্লেছ আত্মগোপন কৰি আত্মৰক্ষাৰ্থে জল্পীশ শিৱত শৰণ লৈছিল আৰু আৰ্যভাষী হোৱা সত্বেও তেওঁলোকে ম্লেছ ৰূপে ভাষা প্ৰয়োগ কৰিছিল। এইখন পুৰাণৰ মতে মিথিলাৰ পৰা নৰকাসুৰ প্ৰাগজ্যোতিষলৈ আহি ৰাজত্ব কৰাৰ পূৰ্বৰে পৰা কামৰূপ দেশক শিৱই নিজৰ লীলাভূমি ৰূপে ৰাখিছিল। গতিকে আমি সহজে অনুমান কৰিব পাৰো যে নৰক প্ৰাগজ্যোতিষলৈ অহাৰ পূৰ্বৰে পৰা ইয়াত শৈৱ ধৰ্মৰ প্ৰচলন আছিল। এই সময়ত কিৰাতসকল আছিল প্ৰাগজ্যোতিষৰ খিলঞ্জীয়া অধিবাসী। কিৰাত নৃপতি ঘটকাসুৰৰ পৰৱৰ্তী নৃপতি ভগদত্তৰ ৰাজত্ব কালতো প্ৰাগজ্যোতিষ নগৰ কিৰাত, চীন আদি লোকৰ দ্বাৰা পৰিবৃত্ত আছিল। ইয়াৰ প্ৰমাণ পোৱা যায় মহাভাৰতত। নৰকাসুৰৰ ৰাজত্ব কালত শিৱ-উপাসনা গোপনীয়ভাৱে চলিছিল। অন্যহাতে নৰকৰ সময়তেই শোণিতপুৰত বানে প্ৰকাশ্যভাৱে শিৱ উপাসনা কৰিছিল। বান নৰকৰ প্ৰাণসম সখা আছিল। বাণৰ আসুৰিক ভাৱৰ দ্বাৰা নৰকো প্ৰভাৱিত হৈছিল। নৰকৰ মৃত্যুৰ পিছত প্ৰাগজ্যোতিষত শিৱই উপাসনা পদ্ধতিৰ সৈতে মিশ্ৰিত হৈ যায়।

প্ৰাচীন অসমত যে শিৱ-পূজাই বিশেষভাৱে প্ৰসিদ্ধ লাভ কৰিছিল তাৰ নিদৰ্শন পোৱা যায় নৃপতিসকলে ভূমিদানৰ প্ৰসংগত প্ৰদান কৰা তাম্ৰলিপি বা তামৰফলিৰ পৰা। খ্ৰীঃ সপ্তম শতিকাৰ পৰা খ্ৰীঃ দ্বাদশ শতিকালৈকে প্ৰাচীন কামৰূপত ৰাজত্ব কৰা সাতজন হিন্দু ৰজাই ভূমিদান কৰাৰ প্ৰসংগত প্ৰদান কৰা তাম্ৰপত্ৰ কেইখনত শিৱদেৱতাৰ গৌৰৱ-গৰিমাৰ বৰ্ণনা সন্নিৱেশিত হৈছে।

## ২.৪ বিভিন্ন নৃগোষ্ঠীৰ আৰু নৃপতিসৰৰ মাজত শিৱ-দেৱতাৰ জনপ্ৰিয়তা

প্ৰাচীন অসমত দূৰ অতীতৰে পৰা বসবাস কৰি অহা বিভিন্ন নৃ-গোষ্ঠী আৰু নৃপতিসৰৰ মাজত শিৱ দেৱতা পূজিত বা উপাসিত হৈ আছে। সেইসকলৰ ভিতৰৰ কেইটামান নৃ-গোষ্ঠী আৰু নৃপতিৰ বিষয়ে তলত আলোচনা কৰা হ'ল ঃ

**(ক)** এই সকলৰ ভিতৰত আমি পোনতে নাম ল'ব পাৰো কোচ নৃগোষ্ঠীৰ। তেওঁলোকৰ মাজত প্ৰচলিত বাচিক পৰম্পৰা মতে কোচ নৃপতি বিশ্বসিংহ শিৱবীৰ্য সম্ভূত। বিশ্বসিংহৰ প্ৰজা কোচসকলো সামগ্ৰিকভাৱে শিৱ উপাসক। বিশ্বসিংহৰ বংশধৰসকল, যেনেঃ নৰনাৰায়ণ, চিলাৰায়, ৰঘুদেৱ নাৰায়ণ, লক্ষ্মীনাৰায়ণ, পৰীক্ষিত নাৰায়ণ, বলীনাৰায়ণ বা ধৰ্ম নাৰায়ণ আদি নৃপতিসকল আছিল শৈৱ ধৰ্মৰ একনিষ্ঠ পৃষ্ঠপোষক। নৰনাৰায়ণে শিৱদেৱতাক জনজাতীয় আৰু পৌৰাণিক পদ্ধতিৰে উপাসনা কৰা পৰম্পৰা প্ৰৱৰ্তন কৰিছিল। এইদৰে তেওঁ জাতি আৰু জনজাতীয় সংস্কৃতি অবিচ্ছেদ্যতা সংৰক্ষণত গুৰুত্ব দিছিল। ঐতিহাসিক গেইটৰ মতে নৃপতি

নৰনাৰায়ণে এখন লিপি দিয়াই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে জনজাতীয় নিয়মে শিৱ-পূজা কৰা ঐতিহাসিক সত্যটিক বিধিসংগতভাৱে স্বীকৃতি দিছিল।

**(খ)** কছাৰীসকল কিৰাত ৰূপেও পৰিচিত। তেওঁলোক মংগোলীয় গোষ্ঠীসম্ভূত। কছাৰীসকলৰ মাজত প্ৰচলিত পৰম্পৰাগত আখ্যানৰপৰা জনা যায় যে বাথৌ-শিব্ৰাই বড়োসকলৰ পিতৃদেৱতা। *কছাৰী-বুৰঞ্জীৰ* পৰা জনা যায় যে, কছাৰীসকলৰ পিতৃ দেৱতা শিৱ। তেওঁলোকৰ মাজত শিৱ দেৱতা গিলা দামত্ৰা, খীপিয়া, বীৰায়- শ্ৰীবীৰায় (ছিত্ৰায়) বাথৌ-বাৰয় আদি নামেৰে পৰিচিত।

**(গ)** ত্ৰিপুৰাৰ নৃপতিসকলেও নিজকে শিৱদেৱতাৰ বংশধৰ বুলি বিশ্বাস কৰে। চুতীয়া বৰাহীসকলেও শিৱদেৱতা আৰু পাৰ্বতী দেৱীক ক্ৰমে বুঢ়া আৰু বুঢ়ী স্বৰূপে শ্ৰদ্ধা কৰে। সেইদৰে দেউৰী সমাজত শিব-পাৰ্বতীক্ৰমে গিৰা-গিৰাচী বা পিশ্বাডেমা (পিচাডেমা), বুঢ়া-বুঢ়ী ৰূপে পূজিত হৈ আহিছে। ডিমাছাসকলৰ দৃষ্টিত সৃষ্টিকৰ্তা বাংলা ৰাজা আৰু তেওঁৰ পত্নী আড়িখী ডিমাৰ পৰা ত্ৰাই শিব্ৰাই বা শিব্ৰাই দেৱতাৰ জন্ম হৈছে। তেওঁলোকৰ দৃষ্টিত ত্ৰাই শিৱই দেৱাদিদেৱ। তিৱাসকলৰ প্ৰধান উপাস্য আৰু উপাস্যা দেৱ-দেৱী ক্ৰমে শিৱ আৰু পাৰ্বতী। লালুংসকলৰ মতে মহাদেৱৰ কালৰপৰা তেওঁলোকৰ জন্ম, গতিকে মহাদেৱ তেওঁলোকৰ পিতৃ পুৰুষ। ৰাভাসকলৰ মাজত শিৱদেৱতা লাঙা বুঢ়া ৰূপে পৰিচিত। তেওঁলোকে লাঙা বুঢ়াৰ প্ৰতীক স্বৰূপে ৰংজুমুক অৰ্থাৎ শিল এছটাক পূজা কৰে। ৰংজুমুক পূজাই লিংগ উপাসনাৰো ইংগিত দেখুৱাই দিব পাৰে। সোণোৱাল কছাৰীসকলে শিৱদেৱতাক খিৰিংৰজা বা বাইথৰূপে পূজা কৰে। হিন্দু ধৰ্মী কাৰ্বিসকলে শিৱদেৱতাক হেমফু ৰূপে বিশ্বাস কৰে।

**(ঘ)** শংকৰদেৱৰ জন্মৰ সময়ত শৈৱ ধৰ্মমত সৌমাৰ, কামৰূপ আৰু কমতাত অন্যতম ধৰ্মমত ৰূপে পৰিগণিত হৈছিল। দ্বিজ ৰামানন্দই লিখিছে যে সেই সময়ত জনসাধাৰণে কৃষ্ণ-বিষ্ণু হৰিৰ পূজা সেৱা কৰা নাছিল। ইয়াৰ সলনি তেওঁলোকে ভৈৰৱ পূজাহে কৰিছিল। ভৈৰৱ শিৱৰ এটি ৰূপ। সেই সময়ত বিষ্ণুকো মহাভৈৰৱ ৰূপত পূজা কৰা হৈছিল। চৰিত পুথিৰ মতে শংকৰদেৱৰ পিতাক কুসুম্বৰ ভূঞা আছিল শিৱ শংকৰৰ উপাসক। তেওঁ দুগৰাকী বিয়া কৰালে, তথাপি অপুত্ৰক। অৱশেষত শিঙ্গৰীৰ গোপেশ্বৰ শিৱক পূজা সেৱা কৰাতহে পুত্ৰ লাভ কৰিবলৈ সক্ষম হ'ল। মহাদেৱৰ ককায়েকো আছিল শিৱ উপাসক। ৰজা ৰঘুদেৱে কামাখ্যাধামত বুঢ়া পূজা অৰ্থাৎ শিৱ পূজাৰ ব্যৱস্থা কৰিবৰ বাবে পণ্ডিত অপুৰ্বাৰি ভট্টাচাৰ্য্যক প্ৰেৰণ কৰিছিল। ৰামায়ণৰ *গুৰু-লীলা* -ত মহাপুৰুষজনাক শিৱৰ অৱতাৰ আখ্যা দিয়া হৈছে।

**(ঙ)** আহোম স্বৰ্গদেৱসকল ইন্দ্ৰবংশী হ'লেও তেওঁলোক শিৱদেৱতাক উপাসনা কৰিছিল। আহোম ৰজাসকলৰ ভিতৰত চুকাফা, স্বৰ্গনাৰায়ণ, প্ৰতাপসিংহ, চুছেনফা প্ৰতাপ সিংহ, গদাধৰ সিংহ, ৰুদ্ৰসিংহ, শিৱসিংহ, ৰাজেশ্বৰ সিংহ, আদি ৰজাসকল নিজে শিৱ উপাসক আছিল। তেওঁলোকে শৈৱতত্ত্বৰ প্ৰসাৰ-প্ৰচাৰ আদিৰ বাবে মঠ-মন্দিৰ নিৰ্মাণ কৰাই দিয়াইছিল। মাটি-বাৰী পাইক আদিৰ সু-ব্যৱস্থা কৰি দিছিল। আনকি শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱ-বৈষ্ণৱধৰ্মৰ প্ৰভাৱেও শৈৱ ধৰ্মৰ প্ৰসাৰ আৰু সমাদৰ কমাব পৰা নাছিল। এই সন্দৰ্ভত ঐতিহাসিক এডৱাৰ্ড গেইট চাহাবৰ তলৰ উক্তিটি তাৎপৰ্যপূৰ্ণ —

> *Saivism was also a popular religion during the rule of the Ahom inspite of the success of Sankardev's movement, Saivism could count among its adherents a king like Pratap Singha only shows its popularity.*

সাম্প্ৰতিক কালতো শিৱদেৱতাৰ জনপ্ৰিয়তা প্ৰচাৰ -প্ৰসাৰ পূৰ্বৰ দৰেই চলি আছে।

## ২.৪ পৰম্পৰাগত অসমীয়া শৈৱসাহিত্য

অসমীয়া ভাষাত প্ৰচলিত পৰম্পৰাগত শৈৱ সাহিত্যক দুটা ভাগত ভগাব পাৰি যেনে—

ক) মৌখিক শৈৱ সাহিত্য আৰু

খ) লিখিত শৈৱ সাহিত্য

### ২.৪.১ মৌখিক শৈৱ সাহিত্য

লোকসমাজৰ ৰুচি-অভিৰুচি অনুসৰি শিৱ দেৱতাই অসমীয়া লোক বা বাচিক কলাত কল্প ঘটাইছে। লোকজীৱনৰ ভাব-কল্পনাৰ পৰিসীমাত বিচৰণ কৰি বুঢ়া গোঁসাই, জটলা, ভাঙ্গৰাই লোকসমাজৰ এটা পৰিৱেশক প্ৰতিনিধিত্ব কৰিবলৈ বাধ্য নোহোৱাকৈ থকা নাই। লোকসমাজত শিৱ-ৰুদ্ৰৰ বৈদিক পৌৰাণিক ৰূপটোতকৈও লোকৰূপটোহে অধিক পৰিচিত আৰু জনপ্ৰিয়। বিয়াহ ওজাপালিৰ ঝুনা-পদ-এটাত শিৱ ভাঙৰাৰ স্বৰূপটো আকৰ্ষণীয় ৰূপত প্ৰকাশ পাইছে। অনামী কবিৰ ভাষাত—

*দিহাঃ* *অ' মোৰ জটীয়া, অ' মোৰ জটীয়া*
*ঘৰ বাৰী এৰি থাকে শ্মশানে পৰিয়া।।*
*অ' মোৰ জটীয়া।।*

*পদঃ* *খীৰ লাডু খাই শিৱে থাকে ভালা ভালা।*
*জটীয়া ভাঙৰ গুড়িত সদায় পাগলা।।*
*লাল্‌কি মোহন বাঁশী শিৱে নকৰে বাজানা।*
*ঘুটুকি ঘুটুক ডম্বৰু শিৱৰ সদায়ে বাজানা।।*
*চিকৰা ব্যাঘ্ৰৰ চৰ্ম সদায় চলনা।। ... ...*
*গলে শোভে মুণ্ডমালা শিৰে শোভে জটা।*
*হৰৰ কপালে শোভে অৰ্ধচন্দ্ৰৰ ফোট।।*
*ভক্ষণ ভাঙৰ গুড়া নাম ত্ৰিপুৰাৰি।*
*জগতক দিয়ে দান আপুনি ভিখাৰী।।*
*বৃষভত চৰি হাতে ডম্বৰুক লই।*
*দুব্‌ দুব কৰি ফুৰে ডম্বৰু বজাই।।*

কোনো কোনো ঝুনা-গীত বা পদত শিৱ-মহাদেৱৰ নিঃস্ব জীৱনৰ পৰিচয় পোৱা যায়। যেনে—

***দিহাঃ*** *নন্দিৰে ভৃংগীৰে*
*অ' কিলৈ বঞ্চো কৈলাস শিখৰে না-ৰে।।*

***পদঃ*** *দুঃখ মন আছে হৰ পাছে দেৱ নিৰন্তৰ*
*শংকৰক কৰে গৈয়া তুতি।*
*চিন্তা এৰা শূলপাণি বিহায়োক কন্যাখানি*
*হেমৱন্ত দুহিতা পাৰ্বতী।।*
*দেৱৰ কাৰুণ্য শুনিশংকৰে মাতিলা গুণি*
*শুনা এবে দেৱ সমুদায়।*
*ভিখাৰী বুলিয়া মোক হাসে জগতৰ লোক*
*কন্যা দিবো কিবা গুণ গাই।।*

*ব্ৰহ্মাই বোলন্ত বাণী          শুনা দেৱ শূলপাণি*
*হেমৱন্তে দিবো কন্যাদান।*
*কবি হৰিদাসে কয়          তযু ভৃত্য ভৈলো মই*
*কৰা কৃপা দেৱতা ঈশান।*

'টোকাৰী গীত'ত মৰ্ত্যত শিৱদেৱতা টোকাৰী স্ৰষ্টা।

***দিহা ঃ*** *যেতিয়া বিৰিখে   দুই পাত মেলিলে*
*তললৈ মেলিলে শিয়া।*
*সেই গছে জুপি          খোজে মহাদেৱে*
*টোকাৰী সাজোগৈ দিয়া।।*

***পদ ঃ*** *মহাদেউ গোসাঁয়ে টোকাৰী সাজিলে*
*বাটে পাৰ্ৱতী শুনা।*
*ইঙলা পিঙলা          চিত্ৰা সুযুম্না*
*এই চাৰি গচি গুণা।।*
*ৰেবাবে চেবাবে          দুখনি টোকাৰী*
*আহিল ভাৰস্তলৈ নামি।*
*এখনি গ'ল গই          পগলাৰ সংগলৈ*
*এখনি ভাৰস্তত থাকি।।*
*ছাঙৰ ভাঙএ এমুঠি          নমাই আন পাৰ্বতী*
*আঠিয়া কলেৰে খাওঁ।*
*কৈলাসৰে টোকাৰী          নমাই আন পাৰ্বতী*
*ভিক্ষা মাগিবলৈ যাওঁ।।*
*দুখৰ উপৰি দুখ।*
*দুখৰ উপৰি দুখ।।*
*কুকুৰে কামোৰে   ছাৰালে দলিয়ায়*
*ভিখাতো নিমিলে খুদ।।*
*কিনো অমাতৰে মাত।*
*কাঠৰে টোকাৰী          লয় হৰিনাম*
*মনিচে নেপালে তোক*
*বাটে বাটে যাবা          মূৰ দাঙি নেচাবা*
*বেইচাত নকৰা ৰতি।*
*সাতো সাতো পুৰুষ          নৰকত পৰিব*
*জীৱৰ হ'ব অধোগতি।।*

শিৱ-পাৰ্বতীৰ অভাব-অনাটনে আবৰি থকা জীৱনৰ পৰিচয় *পগলা-পাৰ্বতী*ৰ গীতত লোকসমাজৰ প্ৰতিফলন লক্ষ্য কৰিব পাৰি। এনে ধৰণৰ গীত এটিৰ উদাহৰণ তলত দিয়া হ'ল। যেনে—

***ঘোষা ঃ*** *জটীয়া শংকৰে          টোকাৰী বজালে*
*পাৰ্বতী বজালে বীণা।*

*ডুম্ ডুম্ ডুম্ ডম্বৰু এতিয়া নুশুনে*
*কৈলাসত হৰি নাম শুনা।।*

***পদ ঃ*** *তেতেলী তলতে কৰোঁ তাঁতে বাটি*
*পাহৰি আহিলো কুঁচি।*
*কুঁচিৰ লগতে পগলাই কিলাব*
*যামে আইৰ ঘৰলৈ গুচি।।*
*মাৰৰ ঘৰলৈ যাৱ তই পাগলী*
*বাটত খাপে দিয়ে ধৰিম।*
*বাটত খাপে দিয়ে ধৰ তই পগলা*
*হাবিয়ে হাবিয়ে সাৰিম।।...*
*মোৰ বৰে বিলত পৰ তই পাগলী*
*জকায়ে জুলুকি বাম।*
*জকায়ে জুলুকি বাৰ তই পগলা*
*শামুকে শেলায়ে হ'ম।। ...*
*জৰাৰ কুমলীয়া পাতে ঐ পগলা*
*জৰাৰ কুমলীয়া পাত*
*এৰাওঁ এৰাওঁ বুলি এৰাব নোৱাৰোঁ*
*তোৰে কুমলীয়া হাত।।*

চিয়া-গীতত শিৱৰ মহত্বপূৰ্ণ জীৱনৰ পৰিচয় পোৱা যায়। 'চিয়া' পদটোৰ উদ্ভৱ হ'ব পাৰে 'চৰ্য্যা' পদৰ পৰা। তলত এনেধৰণৰ গীত এটিৰ উদাহৰণ দিয়া হ'ল। যেনেঃ

***দিহা ঃ*** *অ' কোন পন্থে আহিলা অ' মোৰ হৰি,*
*জটিয়াৰ সেৰাল্লে অ' মোৰ হৰি।*
*কি নামে আহিছা চলাই চৰণ।।*

***পদ ঃ*** *কোন মুখে আইলা ভকত কোন মুখে কোৱা*
*কোন মুখে ভিক্ষা মাগি কোন মুখে খোৱা।*
*চান্ মুখে আইলো বন্ধু সূৰুজ মুখে যাও।*
*গুৰু মুখে ভিক্ষা মাগি আপোন মুখে খাও।।*
*সন্ত আজ্ঞা লৈয়া ফুৰো সচঙে বেৰাই।*
*ব্ৰহ্মানন্দৰ পদ সেৰি শুক দেৰে গাই।।*

বৈৰাগী গীততো শিৱ দেৱতাই বিশিষ্ট স্থান লাভ কৰিছে —

***ঘোষা ঃ*** *এ প্ৰভূ মহাদেৱ মোহিনীয়ে ভুলালে মন।*
*প্ৰভূ মহাদেৱ মোহিনীয়ে ভুলালে মন।।*

***পদ ঃ*** *ভাঙ খাই এডুলি নিতৌ তিনি ডুলি*
*ছকুৰি ধুতুৰাৰ গুটি*
*ভাঙৰে জালতে নলয় ঘৰে ঘৰে বাৰী*
*থাকে বৰযুণে তিতি।।*
*ক'ৰ পৰা আহিলা জটীয়া মহাদেৱ*
*সৰ্পৰে বন্ধোৱা হিয়া ।*

*তোমাৰ ৰূপ দেখি মেনকা কান্দিছে*
*পাৰ্বতী নোসোমায় বিয়া।।*
*দুখৰে উপৰে দুখ পাৰৱতী*
*দুখৰে উপৰে দুখ।*
*কুকুৰে কামোৰে ছৰালে দলিয়াই*
*ক'তো নিমিলে সুখ।।*

কামৰূপী লোকগীততো মহাদেৱৰ দুখ-জৰ্জৰিত জীৱনৰ পৰিচয় পোৱা যায়। যেনে—

***দিহা ঃ*** *বাপহে, ও মাই কেনে বিয়া দিলা বাপে।*
*মৰিলো মৰিলো সমুদাই মৰিলো,*
*জটীয়া ভাঙুৱাৰ তাপে।।*

***পদ ঃ*** *আজি ঘৰে খাবাৰ চাউল এমুঠি নাই*
*পৰৰে ঘৰতে আশা।*
*থাকিবৰ নাই ঘৰ নাবান্ধে শংকৰ*
*শ্মশানশালিতে বাহা।।*
*অনাৰ ছাৱালে পিঠা পনা লাড়ু*
*পদুলি ওলাই খাই।*
*কাৰ্তিক গণপতি কান্দিবা লাগিছে*
*ঘৰে খুদ এমুঠি নাই।।*
*আইথেৰ ঘৰকে যাও মই ভাঙুৱা*
*সকলো সম্পত্তি থও।*
*কাৰ্তিক গণপতি দুগুটি সম্পত্তি*
*তাক লগত কৰি নেও।।*
*মাৰেৰ ঘৰলে যাৱ তই পাৰ্বতী*
*বাটতে খাপে দিয়ে ধৰিম।*
*বাটত খাপ দিয়ে ধৰ তই পাগল*
*হাবিলে মই লৰ মাৰিম।।*

পাতি ৰাভাসকলৰ তুকুৰীয়া গীতত লাঙাবুঢ়া মৰ্ত্যলৈ যাত্ৰা কৰাৰ বৰ্ণনা পোৱা যায়। যেনে—

*নামেৰে লাঙা বুঢ়া*
*নামে আৰো নামেৰে*
*ঘৰ দেৱতী নামে আৰো নামেৰে।*
*ন বইনি নাম আৰো নামেৰে।*
*হেৰকাপেটা নামে আৰো নামেৰে।*

বিয়া-গীত, মন্ত্ৰ, সাধুকথা, যোজনা-পটন্তৰ আদিতো শিৱদেৱতাৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমীয়া মৌখিক গীতত শিৱ দেৱতাৰ কেনে ৰূপ প্ৰকাশ পাইছে বৰ্ণনা কৰক। (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................

..................................................................

..................................................................

### ২.৪.২ লিখিত শৈৱ সাহিত্য

অসমীয়া লিখিত সাহিত্যতো শিৱ দেৱতাই স্থান লাভ কৰি আহিছে। লোকজীৱনৰ ৰুচি-অভিৰুচি অনুসৰি লোকদেৱতাই কল্প সলাই আহিছে। অপ্ৰমাদী কবি মাধৱ কন্দলীৰ *ৰামায়ণ*-ত সমসাময়িক শৈৱতত্ত্ব সম্পৰ্কে সাধাৰণ পৰিচয় পোৱা যায়। শিৱভক্ত যোগীসকলৰ বিষয়ে মাধৱকন্দলীৰ *ৰামায়ণ*-ৰ পৰা জানিব পাৰি। যেনে—

*যোগীৰ কান্ধত কানি ঝুলি যত*
*হাতে দোৱাদশ কাথি*
*লৱৰন্তে লৱ ৰত্নে পাচে চান্তে*
*হিয়া মানে গৈল ফাটি।।*
*পাইলেক ভাগৰ বোকণ্ডা কাষৰ*
*সৰে পৰি ৰৈলা খসি।*
*মুখে শিৱ শিৱ সুমৰন্তে আতি*
*পলাইলা যত তাপসী।।*

মাধৱ কন্দলীৰ নাম প্ৰচলিত *দেৱজিত* পুথিতো শিৱদেৱতাৰ ভূমিকা চাবলগীয়া। তেনেদৰে হেম সৰস্বতীৰ *হৰ-গৌৰী-সংবাদ*গ্ৰন্থও নিঃসন্দেহে শিৱ মাহাত্ম্যপ্ৰধান। কবিয়ে নিজেই কৈছে যে, তেওঁ হৰ গৌৰীৰ সেৱক। সেইদৰে কবিৰত্ন সৰস্বতীৰ জয়দ্ৰথ বধতো শিৱ গৌৰৱ গৰিমা প্ৰকট হোৱা দেখা যায়। সেইদৰে হৰিবৰো হৰ-গৌৰীৰ সেৱক হোৱাই স্বাভাৱিক।

বড়ু চণ্ডীদাসৰ *শ্ৰীকৃষ্ণ কীৰ্ত্তন* আৰু ৰামাই পণ্ডিতৰ *শূন্য-পুৰাণ* আদি গ্ৰন্থ অসমীয়া ভাষাত ৰচিত যেন লাগে। *শূন্য-পুৰাণ*ৰ উপাস্য দেৱতা ধৰ্ম ঠাকুৰ, ধৰ্ম-নিৰঞ্জন, ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰৰ সমন্বিত ৰূপ। স্বৰূপাৰ্থত ধৰ্ম আৰু শিৱৰ মাজত পাৰ্থক্য নাই। *শূন্য-পুৰাণ*ত আচলতে অৰ্ধনাৰীশ্ব শিৱৰ বৰ্ণনাহে পোৱা যায়। *শূন্য-পুৰাণ*-ৰ শিৱৰ সৈতে ৰাম সৰস্বতীৰ ভীম-চৰিত্ৰৰ শিৱ চৰিত্ৰৰ সাদৃশ্য দেখা যায়। নাথ সাহিত্যতো শিৱৰ ভূমিকা লক্ষ্য কৰিব পাৰি।

মনবৰ, দুৰ্গাবৰ, সুকবি নাৰায়ণদেৱ আদি পাঁচালী কবিসকলৰ ৰচনাত শিৱ দেৱতাই স্থান লাভ কৰিছে বিস্ময়কৰভাবে। তেওঁ এফালে দেৱতা, ঈশ্বৰ, হৰ ভক্তৰ মনোবাঞ্চা পূৰ্ণকাৰী। আনহাতে তেওঁ বুঢ়াদেৱতা, কৃষক, দৰিদ্ৰ, নিস্ব, গ্ৰাম্যদেৱতা, পাগল, উন্মাদ, প্ৰেমৰ দেৱতা, বুঢ়াগোহাঁই, যোগী, কামুকৰূপে এই গ্ৰন্থ তিনিখনত স্থান পাইছে। পীতাম্বৰ দ্বিজৰ ৰচনাতো শিৱদেৱতাই বিশিষ্ট স্থান লাভ কৰিছে। হৰি-হৰৰ সমত্ব স্থাপন পীতাম্বৰদ্বিজৰ আন এটি উদ্দেশ্য।

নৱ-বৈষ্ণৱ কবিসকলৰ নিৰ্মিতিৰাজি নিশ্চিতভাৱে কৃষ্ণকেন্দ্ৰিক। গতিকে এই কবিসকলে কৃষ্ণৰ লীলা-মালা প্ৰকাশতেই দিছিল অত্যাধিক গুৰুত্ব, কিন্তু তাৰ মাজতেই

শিৱদেৱতাৰ প্ৰাধান্যও লক্ষ্য নকৰাকৈ থকা দেখা নাযায়। শংকৰদেৱৰ দৃষ্টিতো বিষ্ণু-শিৱৰ মাজত পাৰ্থক্য নাই। এইগৰাকী সন্ত কবিৰ *কীৰ্ত্তন-ঘোষা* ৰ অন্তৰ্গত 'উৰেষা বৰ্ণন'ত শিৱ-মহাদেৱ ত্ৰিপুৰাৰি আৰু তেওঁৰ প্ৰতীক লিংগৰ পূজা-উপাসনা, শিৱ-লোকৰ ভোগ আৰু শিৱযোগৰ (যাগ ?) ওপৰত গুৰুত্ব প্ৰদান কৰা দেখা যায়। *অমৃত মন্থন*-ত (শংকৰদেৱ কৃত) শিৱৰ শক্তি আৰু মহিমাৰ ইংগিত পোৱা যায় বিশেষকৈ ব্ৰহ্মাৰ স্তুতিৰ জৰিয়তে। কালকূট, বিষভক্ষণ কৰি জগৎ ৰক্ষা কৰিবৰ বাবে সুৰাসুৰৰ সৈতে ব্ৰহ্মাই শিৱক স্তুতি কৰিবলৈ বাধ্য হৈছে।

*সুৰাসুৰ সহিতে কৰন্ত ব্ৰহ্মা স্তুতি*
*ত্ৰাহি ত্ৰাহি পাৰ্বতী বল্লভ পশুপতি।।...*
*অচিন্ত্য মহিমা তুমি পুৰুষ পুৰাণ।*
*সংকট বেলাতে বাৰে বাৰে কৰা ত্ৰাণ।।*

*চতুৰ্থস্কন্ধ-ভাগৱত*-ত বিশেষকৈ 'দক্ষ-যজ্ঞ'-ৰ প্ৰসংগত শিৱ-মহাদেৱ জগত ঈশ্বৰ ভৱ ভয় বিনাশন ৰূপ স্তুত হৈছে। তেওঁ ত্ৰিজগতৰ গুৰু, জগত ঈশ্বৰ, নিৰ্বৈৰ আৰু শুদ্ধ-শান্ত মূৰ্ত্তিধৰ।

হৰিৰ ভক্ত স্বৰূপে হৰক দেখুৱাইছে কবি ৰাম সৰস্বতীয়ে। তেওঁৰ ভাষাত—

*জগত অন্তক হৰ ভক্ত প্ৰিয়ংকাৰী।*
*হৰিক ধিয়ান্ত সদা একচিত্ত কৰি।।*

ৰামসৰস্বতীৰ *ভীম-চৰিত* পৌৰাণিক শিৱ আৰু লোক শিৱৰ অপূৰ্ব সংমিশ্ৰণ। অন্যহাতে ৰামসৰস্বতীৰ *বধ-কাব্য* ত শিৱ-মহাদেৱৰ পৌৰাণিক ৰূপটি পৰিস্ফুট হোৱা দেখা যায়। তেওঁৰ মতে পাণ্ডৱসকল ৰুদ্ৰৰ অৱতাৰ। অন্যহাতে ব্ৰহ্মা-বিষ্ণু-হৰ-কৃষ্ণ অভিন্ন। যেনে—

*তুমি ব্ৰহ্মা তুমি হৰ তুমি বিষ্ণুময়।*
*তোমাতেসে হোৱয় উৎপত্তি প্ৰলয়।।*

ৰামসৰস্বতীৰ দৃষ্টিত শিৱ জন্মৰহিত নিৰ্গুণ-ঈশ্বৰ অৰ্জুনৰ ইষ্টদেৱ ৰূপেও শংকৰ-মহাদেৱৰ ভূমিকা মন কৰিবলগীয়া।

ৰামসৰস্বতীৰ *পাতালীকাণ্ড* বা *অশ্বকৰ্ণ বধ* কাব্যৰ মূল উদ্দেশ্য পৰম বৈষ্ণৱ-শিৱ-ৰুদ্ৰৰ মহিমা কীৰ্ত্তন। কবিৰ ভাষাত—

*মহাগুৰু ত্ৰিনয়ন কালমূৰ্ত্তি হৰ।*
*বৈষ্ণৱৰ মধ্যে শ্ৰেষ্ঠ নাহি তান পৰ।।*
*ভীমৰ দৃষ্টিতো শিৱ দেৱাদিদেৱঃ*
*জগতৰ অন্ত দেহো দেৱ ত্ৰিনয়ন।*
*তাঙ্ক দৰশন মোৰ ভাগ্যৰ কাৰণ।।*

অৰ্জুনৰ দৃষ্টিতো ৰুদ্ৰ-শিৱ-হৰ জগত ঈশ্বৰ আৰু পূৰ্ণ সনাতন—

*অৰ্জুনে বোলন্ত দাদা সামূল জীৱন।*
*ব্ৰহ্মা আদি দেৱে যাৰ নপায় চৰণ।।*

দানৱৰ হাতৰ পৰা ৰক্ষা বিচাৰি ভীম আৰু অৰ্জুনে শিৱক এনেদৰে স্তুতি কৰিছে—

*তুমি জগতৰ সংহাৰ কৰন্তা*
*ব্ৰহ্মা আদি নিৰন্তৰ।*

*তুমি বৰদাতা নৰেন্দ্ৰৰ ধাতা*
*কালমূৰ্ত্তি বিভূষণ।।...*
*তুমি পশুপতি প্ৰলয় অন্তক*
*ব্ৰহ্মাৰ বধ কাৰণ।*
*তোমাৰ পালন সৱে দেৱগণ*
*ভূত স্বামী ত্ৰিলোচন।।*
*এক ত্ৰিনয়ন দেৱ শঙ্কৰত পৰে।*
*চৈধ্যয় ভুবনে আজি কোনে ৰক্ষা কৰে।।*

স্বয়ং শিৱ দেৱতাই ভয়ংকৰ যুদ্ধত প্ৰবৃত্ত হৈও ভক্ত ভীম আৰু অৰ্জুনক দানৱৰ গ্ৰাসৰপৰা ৰক্ষা কৰিছে।

*অশ্বকৰ্ণ বধ* -ত শিৱ জগৎ স্ৰষ্টা, পালক, সংহাৰক মহাকাল আৰু ত্ৰিভুবনৰ শ্ৰেষ্ঠ দেৱ স্বৰূপে স্বীকৃত হৈছে।

ক) *শিৱৰ সমান মুখ্য নাহি ত্ৰিভূবন।।*

খ) *ত্ৰিভুবনৰ যিটো কাল ৰূপ হৰ।*
*স্ৰজন-পালন-সংহৰণ মহেশ্বৰ।।*

ওপৰৰ আলোচনাৰ পৰা কবিবৰ ৰামসৰস্বতীৰ *অশ্বকৰ্ণ-বধ* কাব্যখনক শিৱায়ণ কাব্য আখ্যা দিলেহে ৰজিতা খায়।

চন্দ্ৰভাৰতী ওৰফে অনন্ত কন্দলীৰ ৰচনাতো শিৱ দেৱতাই তাৎপৰ্য ভূমিকা পালন কৰিছে। জয়ৰামৰ *শীতলা*, অজ্ঞাত কবিৰ *হৰ-গৌৰী বিবাহ*, বা *কালিকা-পুৰাণ*, দ্বিজ গভীৰথৰ *তুলসী চৰিত্ৰ*, ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰীচণ্ডী, *হৰ-গৌৰী সংবাদ*, অনন্ত আচাৰ্য্যৰ *আনন্দ লহৰী*, বলদেৱ সূৰ্য্যখড়ি, দৈবজ্ঞৰ *দৰঙ্গ ৰাজবংশাৱলী* আদি পুথিত শিৱ দেৱতাৰ মহিমা বৰ্ণিত হৈছে।

পুৰণি আসমীয়া সাহিত্যত শিৱ দেৱতাৰ পৌৰাণিক আৰু লোকৰূপৰ অপূৰ্ব সমন্বয় ঘটিছে। আনকি আধুনিক অসমীয়া সাহিত্যতো শিৱ দেৱতাৰ মহিমা বৰ্ণিত দেখা যায়।

## ২.৫ 'শিৱ-পুৰাণ' গ্ৰন্থৰ ৰচকৰ পৰিচয়

আমাৰ পাঠ্যপুথি *শিৱ-পুৰাণ*-ৰ ৰচয়িতা গৰাকীৰ নাম ৰুদ্ৰসিংহ। এই ৰুদ্ৰসিংহ কবিগৰাকী কোন সেই বিষয়ে জনা উচিত হ'ব। এই গৰাকী ৰুদ্ৰসিংহ যে নৰপতি অৰ্থাৎ নৃপতি আছিল সেই কথা জানিব পাৰি তেওঁ উপস্থাপন কৰা ভণিতাৰ জৰিয়তে। তেওঁ কৈছে —

*ৰুদ্ৰসিংহ নৰপতি মিনতি বোলয়।।*

*প্ৰভু সদাশিৱ তুমি হয়োক সদয়।।*

দ্বিতীয় কথা হ'ল- তেওঁ ক'ৰ ৰজা ? এই সন্দৰ্ভত আমাৰ পাঠ্যপুথি *শিৱ-পুৰাণ* নিমাত যদিও আমি বহিৰঙ্গ প্ৰমাণৰ পৰা সহজে বুজিব পাৰো যে নৃপতি ৰুদ্ৰসিংহ আছিল আহোম ৰাজ্যৰ ৰজা। পুৰণি অসমৰ বা সৌমাৰ কামৰূপ কমতা বা কমতাৰ বিভিন্ন অঞ্চলত ৰুদ্ৰসিংহ নামৰ ৰজাজনে সৌমাৰতহে ৰাজত্ব কৰিছিল। সৌমাৰ ৰাজ্যতেই পোনতে আহোমসকলে ৰাজত্ব কৰিছিল। গতিকে ৰুদ্ৰসিংহ সৌমাৰৰ নৃপতি বা স্বৰ্গদেৱ আছিল।

এই সন্দৰ্ভত ৰুচিনাথ কন্দলীয়ে অধিক স্পষ্টভাৱে কৈছে —

*বাসৱ বংশত জাত ৰুদ্ৰসিংহ নামে খ্যাত*
*সৌমাৰপীঠৰ অধিপতি।*
*কামৰূপ অধিকাৰী দুৰ্জনৰ দণ্ডধাৰী*
*গদাধৰ সিংহৰ সন্ততি।।*
*কছাৰী জয়ন্তীপুৰ জিনি গৰ্ব্ব কৰি চুৰ*
*দুয়ি ৰাজা নিলা বন্দী কৰি।*
*বলে বীৰ্য্যে দানে মানে ৰূপে গুণে কলা জ্ঞানে*
*একো ৰূপ যাৰ নাহি সৰি।।*
*ৰঙ্গপুৰ নামে এক তেন্তে পুৰ কৰিলেক*
*থাপিলেক তৈতে দেৱগণ।*
*নানা থান হন্তে আনি বৃত্তি বিধানক দিয়া*
*থাপি থৈলা অনেক ব্ৰাহ্মণ।।*

ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে বাসব বংশত জন্ম লাভকাৰী গদাধৰ সিংহৰ পুত্ৰ ৰুদ্ৰসিংহ যি গৰাকী সৌমাৰধিপতিয়ে কছাৰী, জয়ন্তীয়া ৰজাক বশীভূত কৰিছিল, যি গৰাকীয়ে ৰঙ্গপুৰ নিৰ্মাণ কৰিছিল, যি গৰাকী আছিল ৰূপ-গুণ আৰু কলা জ্ঞানত অতুলনীয়, যি জনে কবি পণ্ডিতসকলৰ পৃষ্ঠপোষকতা প্ৰদান কৰিছিল আৰু যিজনে নিজেও কাব্য প্ৰতিভা প্ৰণয়ন কৰিছিল সেই গৰাকী ৰুদ্ৰসিংহই *শিৱ-পুৰাণ* ৰচনা কৰিছিল।

পিতৃ গদাধৰ সিংহৰ মৃত্যুৰ পিছত ৰুদ্ৰসিংহ আহোম ৰাজপাটত উঠে। তেওঁৰ পিতৃদত্ত নাম ছাওছুঙ্গফা আৰু মাতৃৰ নাম জয়মতী। সিংহাসনত উঠাৰ সময়ত তেওঁ হিন্দু মতে ৰুদ্ৰসিংহ নাম লয়। ৰাজসিংহাসনত তেওঁ আৰোহণ কৰে ১৬১৭ শকৰ ১৪ ফাগুণত। গদাধৰ সিংহৰ ৰাজত্ব কালত যিসকল মহন্ত বচা -চেউনি আদিত পাতিছিল, সেই সকলক ৰুদ্ৰসিংহই পুনৰ যথাযোগ্য সন্মানসহ মাজুলীত স্থাপন কৰে। ৰুদ্ৰসিংহই মেটেকাত 'ৰঙ্গপুৰ' নগৰ প্ৰতিষ্ঠা কৰি তাত তলাতল ঘৰ নামে এটা পকীঘৰ নিৰ্মাণ কৰে। তেওঁ ১৬১৯ শকত ৪৫ দিনৰ ভিতৰত জয়সাগৰ খন্দায় আৰু ১৬২০ শকত জয়সাগৰৰ পাৰত তিনিটা দ'ল নিৰ্মাণ কৰাই ১৬৬২ শকত। সেই দ'ল তিনিটাত ক্ৰমে শিৱ, দুৰ্গা আৰু বিষ্ণুৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰায় আৰু তেতিয়াৰ পৰা এই দ'ল তিনিটা ক্ৰমে শিৱ-দুৰ্গা আৰু বিষ্ণুৰ দ'ল নামে পৰিচিত হয়। ৰুদ্ৰসিংহৰ কীৰ্তিসমূহৰ ভিতৰত ৰঙ্গনাথৰ দ'ল আৰু পুখুৰী, ফাকুৱা দ'ল, নামদাঙৰ শিলৰ সাকোঁ, ডিমৌৰ দুই শিলৰ সাকোঁ, খৰিকটীয়া আলি, দুবৰণি আলি, মেটেকাৰ আলি আদি উল্লেখযোগ্য।

ৰুদ্ৰসিংহৰ ৰাজনৈতিক আকাঙ্ক্ষা আছিল অতিকে প্ৰসাৰিত। ভাৰতবৰ্ষৰ আন আন ৰজা-মহাৰজাসকলৰ সৈতে সম্পৰ্ক ৰক্ষা কৰিবলৈ তেওঁ প্ৰয়াস কৰিছিল। সেই উদ্দেশ্য আগত ৰাখি তেওঁ চিঠি পত্ৰৰ জৰিয়তে পঞ্জাৱ, বংগদেশ, কাশ্মীৰ, অযোধ্যা, বুন্দেলখণ্ড আদি দেশ বা প্ৰান্তৰ ৰজা-মহাৰজাসকলৰ লগত মিত্ৰতা স্থাপন কৰিছিল। আনকি সেই সেই দেশৰ বা প্ৰান্তৰ উকীল বা কটকী আদি অসমলৈ অনাইছিল।

ৰুদ্ৰসিংহৰ ৰাজত্ব কালতেই হিন্দুস্থানী সংগীতে অসমত প্ৰৱেশ কৰে। অসমীয়া পৰম্পৰাগত সংগীতত এই গৰাকী নৃপতিৰ ৰাজত্ব কালতেই পাখোৱাজ বাদ্যযন্ত্ৰৰ আমদানী হয়। বিদেশী ধৰণৰ সাজ-পোছাকে ৰুদ্ৰসিংহৰ ৰাজত্ব কালতে অসম প্ৰৱেশ কৰে।

স্বৰ্গদেৱ ৰুদ্ৰসিংহ আছিল কলা-কুশল, সাহিত্য-সংগীত প্ৰেমী। দ্বিতীয়তে আছিল বিদ্যানুৰাগী, সাহিত্যানুৰাগী আৰু সংস্কৃতি প্ৰেমী। ঠায়ে ঠায়ে তেওঁ ছাত্ৰশালা আৰু পঢ়াশালি স্থাপন কৰাই দিছিল। ভাটীৰ দেশত পঢ়িবৰ বাবে কেইজনমান ছাত্ৰ বিদেশলৈ পঠিয়াইছিল। গুণাভিৰাম বৰুৱাৰ মতে ৰুদ্ৰসিংহ নিৰক্ষৰ আছিল এই মন্তব্যটো কোনোপধ্যেই মানি ল'ব নোৱাৰি। তেওঁৰ কলা-সাহিত্য সংগীতত থকা দখল, ৰাজ্য শাসনত লক্ষ্য কৰা দক্ষতা আদিৰপৰা সহজে অনুমান কৰিব পাৰি যে তেওঁ শিক্ষিত লোক আছিল। পঢ়িব শুনিব নজনাহেঁতেন তেওঁ কেতিয়াও শিৱ পুৰাণখন ৰচনা কৰিব নোৱাৰিলেহেঁতেন বা গীত প্ৰণয়ন কৰিব নোৱাৰিলেহেঁতেন।

ৰুদ্ৰসিংহই পঢ়াশালিত পঢ়িবলৈ সুবিধা নাপাব পাৰে, কিন্তু তেওঁ ঘৰতেই শাস্ত্ৰাদি পঢ়িছিল অধ্যাপক বা পণ্ডিতৰ তত্বাৱধানত। ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ পৃষ্ঠপোষকতা লাভ কৰা কবিৰাজ ৰামনাৰায়ণ চক্ৰৱৰ্তীয়ে তেওঁৰ বিশিষ্ট কাব্য শকুন্তলাত এনেদৰে উল্লেখ কৰিছে—

*কবিৰাজ চক্ৰবৰ্তী যাৰ পৰ নাম।*
*শাস্ত্ৰত নিপুণ বিপ্ৰ গুণে অভিৰাম।।*
*যাতহন্তে শাস্ত্ৰ পঢ়ি ৰুদ্ৰসিংহই ৰাই।*
*পণ্ডিত ভৈলন্ত নানা শাস্ত্ৰতত্ত্ব পাই।।*

ৰুদ্ৰসিংহ ৰুদ্ৰ-শিৱৰ একান্ত ভক্ত আছিল। ৰুদ্ৰেশ্বৰ দেৱালয়ৰ শিলৰ ফলিত তেওঁক ৰুদ্ৰৰ একান্ত সেৱক আখ্যা দিয়া হৈছে। কেইবাটিও শিৱ মন্দিৰ নিৰ্মাণ কৰোৱাৰ বাহিৰেও কেইবাটিও শিৱ-মন্দিৰৰ পুনৰ্নিৰ্মাণ কৰি দিছিল। অন্যহাতে তেওঁ মাজুলীৰ আউনীআটী সত্ৰৰ গুৰু হৰিদেৱ অধিকাৰী বাপুত শৰণ লৈছিল যদিও ৰুদ্ৰ শিৱৰ প্ৰতি গভীৰ ভক্তি আছিল। জনশ্ৰুতি প্ৰচলিত আছে যে, ৰুদ্ৰসিংহই একসেৰ মৃত্তিকাৰ শিৱলিংগ নিৰ্মাণ কৰি গন্ধ-পুষ্প, ধূপ-দীপ, বিল্বপত্ৰ, নৈবেদ্যসহ পূজা কৰে। কোনো কোনো সময়ত শিৱ মূৰ্ত্তিৰ পৰা অগ্নি নিৰ্গত হৈ উছৰ্গিত বিল্ব-পত্ৰাদি পুৰি ভস্ম কৰিছিল। ৰুদ্ৰসিংহ স্বৰ্গদেৱে সদায়েই মহাদেৱক 'বোপা বোপা' বুলি স্মৰণ কৰিছিল।

সদৰামিনৰ *অসম-বুৰঞ্জী*-ত পোৱা যায় যে মহাদেৱে ৰুদ্ৰসিংহক স্বপ্নত দেখা দি পৰ্বত খহোৱা আৰু গংগাদেৱীক ৰাজ্যৰ ভিতৰ কৰি লোৱাৰ মানস পৰিহাৰ কৰিবলৈ নিৰ্দেশ দি কৈছিল — *কালিলৈ প্ৰভাতে মানুহ এটি পঠাবি। হাবিত চাব অকালতে ফুলা পুষ্প এপাহ পাব। সেই পুষ্পৰ যেইটি পাহ সেই পক্ষহে জীয়াই থাকিবি। ইয়াৰ পিছতেই* ১৬৩৬ *শকৰ ভাদমাহৰ* ১৩ *দিন যাওতে উত্তৰ গুৱাহাটীত ৰুদ্ৰসিংহ স্বৰ্গদেৱে শেষ নিশ্বাস পেলায়।*

ৰুদ্ৰসিংহৰ বৈদেশীক নীতি নিশ্চিতভাৱে প্ৰশংসনীয়। তেওঁ সেই সময়ৰ অসম, ত্ৰিপুৰা আদিৰ প্ৰায় এক লাখ সৈন্য গোটাই উত্তৰ গুৱাহাটীত সমাৱেশ কৰায় বংগদেশ আক্ৰমণ কৰিবলৈ। যুদ্ধযাত্ৰা কৰিবলৈ সকলো সাজু হ'ল, কিন্তু আগদিনা ৰাতি ৰুদ্ৰসিংহই শেষ নিশ্বাস পেলালে। এইদৰে বংগদেশ আক্ৰমণ কৰাৰ সকলো পৰিকল্পনা প্ৰায় চিৰদিনৰ বাবে শেষ হৈ গ'ল।

**সাহিত্য কৃতি ঃ**

ৰুদ্ৰসিংহ এগৰাকী কবি আছিল। তেওঁৰ কবিত্বৰ পৰিচয় পোৱা যায় সাম্প্ৰতিকলৈকে উদ্ধাৰ হোৱা পাঁচটা কবিতা অৰ্থাৎ গীত আৰু *শিৱ-পুৰাণ*-ৰ জৰিয়তে। প্ৰথম গীতটিত কেশৱৰ মহিমা, দ্বিতীয় গীতটিত মহামায়াৰ বিভূতি, তৃতীয়টিত দশভূজাৰ ৰূপ সৌন্দৰ্য্য, চতুৰ্থটিত শ্যাম -ৰাধাৰ অনংগ কেলি আৰু পঞ্চম গীতটিত মাধৱৰ মহিমা বৰ্ণিত হৈছে।

ৰুদ্ৰসিংহৰ দ্বিতীয় আৰু অন্যতম কৃতি হৈছে *শিৱ-পুৰাণ*। (এই গ্ৰন্থখনৰ আলোচনা পৰৱৰ্তী অধ্যায়ত চাওক)

**আত্মমূলায়ন প্ৰশ্ন**

ৰজা শিৱ সিংহৰ পৰিচয়ৰ আগতে তেওঁৰ কাব্যকৃতিৰ বিষয়ে চমু আভাস দিয়ক। (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....................................................................

.....................................................................

.....................................................................

## ২.৬ 'শিৱ-পুৰাণ'ৰ বিষয়বস্তু (কাহিনীভাগ)

ৰুদ্ৰসিংহ বিৰচিত *শিৱ-পুৰাণ* ত শিৱ-মাহাত্ম্য প্ৰকাশত বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। সাধাৰণতে পুৰাণত কাহিনীৰ ওপৰত গুৰুত্ব দিয়া হয়। সেই কাৰণে কোৱা হয় আখ্যানযুক্ত ৰচনাই পুৰাণ (পুৰাণম আখ্যানম্)। আমাৰ পাঠ্য ৰুদ্ৰসিংহৰ দ্বাৰা ৰচিত *শিৱ-পুৰাণ*-ত কাহিনীৰ আভাস আছে, কিন্তু পৰিপূৰ্ণ কাহিনী নাই। দ্বিতীয়তে, তেনেধৰণৰ কাহিনীৰ আভাস কি দৰে *শিৱ-পুৰাণ*-ত ৰক্ষিত হৈছে সেই বিষয়ে তলত আলোচনা কৰা হ'ল।

*শিৱ-পুৰাণ*ৰ প্ৰথম অধ্যায়ত ব্যাসদেৱ সনৎ কুমাৰৰ ওচৰত ৰুদ্ৰৰ মহিমা বিষয়ক প্ৰশ্ন কৰে। উত্তৰ স্বৰূপে সনৎ কুমাৰে কয় যে নৈমিষাৰণ্যত ঋষিসকলে লোভ-মোহ-কাম-ক্ৰোধ আদি পৰিহৰি ভৃগু আৰু অঙ্গিৰাক আগ কৰি ব্ৰহ্মাৰ সভালৈ যাত্ৰা কৰিলে। মুনিসকলে ব্ৰহ্মাৰ স্থানত কামগমা নামে এখন সভা দেখিবলৈ পালে, যিখন সভা লুভীয়াজনে দেখা নাপায়। ঋষিসকলে ব্ৰহ্মাক প্ৰণাম কৰিলেগৈ। আদৰ-সাদৰ কৰি ব্ৰহ্মাই তেওঁলোকৰ আগমনৰ কাৰণ সুধিলে। তেতিয়া মুনিসকলে ক'লে যে তেওঁলোক আহিছে ৰুদ্ৰ-শিৱৰ জন্ম কথা শুনিবলৈ। ঋষিসকলৰ অনুৰোধ মতে ব্ৰহ্মাই ৰুদ্ৰ-শিৱৰ জন্ম কথা ক'লে। প্ৰলয় কালত ৰুদ্ৰই কাল ৰূপ পৰিগ্ৰহ কৰে। সেই সময়ত চন্দ্ৰ-সূৰ্য্য, আকাশ-বতাহ একো নাছিল। তেতিয়া ব্ৰহ্মাই জলত ভ্ৰমণ কৰি আছিল। তেনে সময়তে জ্বলন্ত পুৰুষ দেখা পাই ব্ৰহ্মাই লক্ষ্য কোটি হাজাৰ বৎসৰ শিৱক ধ্যান কৰিবলৈ ধৰিলে। তেতিয়া মহাৰুদ্ৰই সেই ব্ৰহ্মাক জগৎ স্ৰজিবলৈ নিৰ্দেশ দিলে। তদনুক্ৰমে প্ৰজাপতি ব্ৰহ্মাও সৃষ্টি কাৰ্যত প্ৰবৃত্ত হ'ল। ব্ৰহ্মাই ৰুদ্ৰৰ পঞ্চমূৰ্ত্তি, ৰুদ্ৰৰ বিভিন্ন তত্ত্বাখ্যা, ব্ৰহ্ম আৰু শিৱৰ অভিন্নতা আদিৰ বিষয়ে ঋষি-মুনিসকলৰ আগত বিৱৰি কয়।

সমস্ত জগত, বিষ্ণু আদি দেৱতাসৱ শঙ্কৰ-মহাদেৱ আদি লিংগৰূপী শিৱৰ পৰা জন্ম হৈছে। জগতত ৰুদ্ৰ ভক্তিয়েই শ্ৰেষ্ঠ ভক্তি আৰু শিৱ ভক্তসকলেই শ্ৰেষ্ঠ ভক্ত। বিষ্ণু শিৱৰ পৰম ভক্ত। জগতৰ সৃষ্টি কাৰ্যত প্ৰবৃত্ত হ'বলৈ শিৱে বিষ্ণুক নিৰ্দেশ দিয়ে। তেনেদৰে ব্ৰহ্মাই শিৱক আৰাধনা কৰি প্ৰসাদ লাভ কৰিবলৈ সক্ষম হয়। ইন্দ্ৰই শিৱৰ অনুগ্ৰহ লাভ কৰি অতিকে গৰ্বিত হৈ উঠে । তেনে অৱস্থাত শিৱদেৱতাই ইন্দ্ৰক অভিশাপ দিয়ে। ৰুদ্ৰগণসমূহ শিৱৰ বিচিত্ৰ সংগী। ৰুদ্ৰ-গণসকলে স্বৰ্গ-মৰ্ত্য-পাতাল আদিত শিৱ মহিমা প্ৰচাৰ কৰে। ব্ৰহ্মাই সনৎ কুমাৰৰ ওচৰত শিৱ মহিমা ব্যাখ্যা কৰে। শিৱৰ অতৰ্ক মহিমা আৰু পৰাক্ৰমৰ কথা শুনি সনৎ কুমাৰে শিৱক স্তুতি কৰে। ইয়াৰ পিছত সনৎ কুমাৰৰ ওচৰত ব্ৰহ্মাই মহেশ্বৰৰ ৰূপ বৰ্ণন কৰে। ব্ৰহ্মাই ঋষি-মুনিসকলৰ ওচৰত পুনৰ শিৱ-ভক্তিৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰে। সনৎ কুমাৰে শিৱলোক, বিষ্ণুলোক, ব্ৰহ্মাৰপুৰ, শিৱস্থানৰ বৰ্ণনা যেনেঃ সৰ্ব, ভৱ, ৰুদ্ৰ, উগ্ৰ, ভীম, পশুপতি, মহাদেৱ আৰু ঈশানৰ স্বৰূপ বৰ্ণন প্ৰদান কৰে সনৎ কুমাৰে।

ভক্ত ব্যাসদেৱ, ভক্ত বিভীষণ আদিৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ স্বৰূপে ভগৱান শিৱই কয় যে ভক্তসৱৰ সন্তুষ্টিৰ বাবেই তেওঁ মৰ্তৰ বিভিন্ন স্থানত থাকে। সেই পবিত্ৰ স্থানসমূহৰ ভিতৰত গোকৰ্ণগিৰি, ভদ্ৰকৰ্ণ, প্ৰণৱ, অবিমুক্ত, ৰুদ্ৰকোটি, আম্ৰাতকেশ্বৰ, যোগীশ্বৰ সুৱৰ্ণাক্ষ, ভদ্ৰেশ্বৰ, মহাকালপুৰ, বিশ্বগিৰি, কৰ্কটেশ্বৰ, কালাঞ্জগিৰি, ভূতেশ্বৰ কেদাৰ আদি উল্লেখযোগ্য।

ইয়াৰ পিছত সদাশিৱে বিভীষণৰ আগত শিৱ-পূজাৰ মাহাত্ম্য ব্যাখ্যা কৰে। তেওঁ বিভীষণৰ আগত ব্যক্ত কৰে যে তেওঁৱেই জগৎ সৃষ্টি কৰে, পালন কৰে, সংহাৰ কৰে। য'ত জীৱ-জংগম, চৰাচৰ সকলোৱে তেওঁৰ কৃপাত গতিশীল, জীৱন্ত হৈ আছে। পঞ্চাতত্ত্ব, পঞ্চপ্ৰাণ, দশ ইন্দ্ৰিয় আদি শিৱৰেই ৰূপ মাথোন। শিৱ-পূজকসকলে শিৱৰ কৃপা লাভ কৰি অনন্ত কালৰ বাবে পৰশিৱ লোকত স্থান লাভ কৰিব পাৰে।

ইয়াৰ পিছত ব্যাসদেৱক সন্তুষ্ট কৰিবলৈ সনৎ কুমাৰে লিংগ-পূজাৰ স্বৰূপ আৰু মাহাত্ম্য সম্পৰ্কে বিৱৰি কয়। সনৎ কুমাৰে আৰু কয় যে, লিঙ্গৰূপী ৰুদ্ৰই জগত ধ্বংস কৰে, লিঙ্গৰ পৰা আবিৰ্ভূতা হয় ব্ৰহ্মাদি দেৱতা, আৰু দেৱতাসকলে শিৱৰ নিৰ্দেশমতে জগত প্ৰতিপালনৰ বাবে প্ৰয়োজনীয় বিভিন্ন কৰ্মত প্ৰবৃত্ত হয়। সত্য-নিত্য-শিৱৰ ক্ৰীড়া হেতু জগৎ সৃষ্টি হয়। লিঙ্গ-পূজা কৰিলেহে পূজকসকল অনন্ত কালৰ বাবে শিৱলোকত স্থিতি লাভ কৰিব পাৰে। সনৎ কুমাৰে ব্যাসদেৱৰ ওচৰত শিৱজ্ঞান সম্পৰ্কে বিৱৰি কয়। মহেশ অষ্টমূৰ্ত্তি ধৰ। শিৱ নাম স্মৰণৰ ফলত সৰ্ব বিপদৰ পৰা ৰক্ষা পাব পাৰে। সনৎ কুমাৰে শিৱৰ অষ্টস্থানৰ মহিমা বৰ্ণনা কৰে।

## ২.৭ 'শিৱ-পুৰাণ'ৰ মূল আৰু কবিৰ মৌলিকতা

ৰুদ্ৰসিংহ *শিৱ-পুৰাণ*ৰ মূল হৈছে সংস্কৃত *শিৱ-পুৰাণ*ৰ অন্তৰ্গত সনৎ বা সনৎ কুমাৰ সংহিতা। কোনো কোনো পণ্ডিতৰ মতে *শিৱ-পুৰাণ*ৰ সৈতে সনৎ কুমাৰ সংহিতাৰ কোন সম্পৰ্ক নাই কোনো কোনো *শিৱ-পুৰাণ*ৰ পাঠত সনৎ কুমাৰ বা সনৎ সংহিতা অংশটো পোৱা নাযায়। ইয়াৰপৰা আমি সহজে অনুমান কৰিব পাৰো যে, পৰৱৰ্তী কালতহে এই অংশটি *শিৱ-পুৰাণ*-ত সংযোজিত হৈছে।

সনৎ কুমাৰ শিৱভক্ত ঋষি। ব্যাস আদি শিৱ ভক্তৰ শিৱ সম্পৰ্কীয় সন্দেহাদি ভঞ্জনৰ বাবে বিভিন্ন প্ৰশ্নৰ উত্তৰ যুক্তি তৰ্ক-প্ৰমাণ আদিৰ সহায়ত ব্যাখ্যা কৰি তেওঁলোকৰ সন্দেহ ভঞ্জন কৰিছিল। এই কথাখিনিৰ সমষ্টিয়েই হৈছে *সনৎ-সংহিতা*।

*সনৎ-সংহিতা*-ৰ পূৰ্বভাগত উপস্থাপিত বিষয়বস্তুৰ সৈতে ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ*-ৰ বিষয়বস্তুৰ মিল দেখা যায়। উদাহৰণ স্বৰূপে নৈমিষাৰণ্যত সনৎ কুমাৰৰ উপস্থিতি, ব্যাসাদি ঋষিৰ আগমন, ঋষিসৱৰ অনুৰোধ ক্ৰমে সনৎ কুমাৰৰ দ্বাৰা জগৎ সৃষ্টিৰ বৰ্ণনা দিয়ে। সেই প্ৰসংগত তেওঁ কয় যে, পৰ শিৱই ব্ৰহ্মাক জগৎ সৃষ্টি কৰিবলৈ নিৰ্দেশ দিয়ে। এই বৰ্ণনাখিনি ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ* তো পোৱা যায় আৰু সনৎ সংহিতাতো পোৱা যায়।

ঋষি মুনিসকলে ব্ৰহ্মাক অনুৰোধ কৰিলে জগৎ স্ৰষ্টা, পালনকাৰী, সংহাৰকাৰী শিৱৰ বিষয়ে জানিব খোজে। সনৎ সংহিতাত এই কথাখিনি বহলাই কোৱা হৈছে। ৰুদ্ৰসিংহই তেওঁৰ *শিৱ-পুৰাণ*-ত এই কথাখিনি চমুকৈ উপস্থাপন কৰিছে।

ঋষিসৱৰ সন্দেশ ভঞ্জন কৰিবলৈ বুলি ব্ৰহ্মাই শিৱ-ৰুদ্ৰৰ স্বৰূপ সম্পৰ্কে বিৱৰি কয়। মূলত এই বৰ্ণনাংশ দীৰ্ঘ পৰিসৰ বিশিষ্ট। অন্যহাতে আমাৰ কবি ৰুদ্ৰসিংহই মূলৰ কথাখিনি চমুৱাই বৰ্ণনা কৰিছে। সনৎ-কুমাৰৰ সংহিতাত ৰুদ্ৰৰ সৃষ্টি ব্ৰহ্মা-শিৱ-ৰুদ্ৰৰ অভিন্নতা আদি প্ৰকাশক বৰ্ণনাৰাজি দীঘলীয়া অৰ্থাৎ দীৰ্ঘ পৰিসৰ বিশিষ্ট কিন্তু ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ*-ত এইবোৰৰ চমু ৰূপ একোটিহে পৰিৱেশন কৰিছে।

ৰুদ্ৰসিংহৰ কিছুমান অনুবাদ আক্ষৰিক। এইবিধ অনুবাদৰ উদাহৰণ স্বৰূপে তলত দিয়া সংস্কৃত *শিৱ-পুৰাণ*-ৰ শ্লোককেইটি আৰু ইয়াৰ অনুবাদৰ কিয়দাংশ তলত দিয়া হৈছে। মূল শ্লোক আৰু ইয়াৰ অনুবাদটি তুলনা কৰি চালেই বুজা যাব ৰুদ্ৰসিংহৰ অনুবাদ কিমান বিশ্বাসযোগ্য আৰু আক্ষৰিক। যেনে—

সংস্কৃত শিৱ পুৰাণ ঃ

*একা ভগৱতো মূৰ্ত্তিৰূৰ্দ্ধৰোমা ভয়াৱহা।*
*দ্বিতীয়া তস্য বৈ মূৰ্ক্তিঃ সূৰ্যজ্যোতিঃ সম প্ৰভা।।*
*তৃতীয়া ভগৱতো মূৰ্ত্তিঃ শশনিঃ পৰাত্মনঃ।*
*চতুৰ্থী ভগৱতো মূৰ্ত্তিঃ কুবেৰস্য মহাতনুঃ।।*
*পঞ্চমী ভগৱতো মূৰ্ত্তিস্তদ্বৈ ব্ৰহ্ম পৰংপদম্।।*
*তত্তু পশ্যন্তি ৱিদ্বাংস সূক্ষ্মধ্যানৱিচিন্তকাঃ।*

ৰুদ্ৰসিংহই এই শ্লোক কেইটি এনেদৰে ভাঙনি কৰিছে —

*ৰুদ্ৰৰ পঞ্চম মূৰ্ত্তি শুনিয়ো নিৰ্ণ্ণয়।*
*এক মূৰ্ত্তি ভয়ানক লোম সিহঁড়য়।।*
*আৰ মূৰ্ত্তি সূৰ্য্য সম তপস্যা কৰয়।*
*চন্দ্ৰ সমান আৰ মূৰ্ত্তি প্ৰকাশয়।*
*চতুৰ্থ মূৰ্ত্তিৰ কুৱেৰৰ সম কাই।*
*পঞ্চম মূৰ্ত্তি ব্ৰহ্ম ৰূপে থাকে সদাই*

ৰুদ্ৰৰ পঞ্চমূৰ্ত্তিৰ বিভিন্ন কাৰ্যৰ যি বৰ্ণনা আমাৰ কবিয়ে পৰিৱেশন কৰিছে, সেই বৰ্ণনা *সনৎ-সংহিতা* আশ্ৰয়ী। এই বৰ্ণনাখিনি আমাৰ পাঠ্য পুথি *শিৱ-পুৰাণ*-ত এনেদৰে পোৱা যায়। যেনে—

*প্ৰথম মূৰ্ত্তিয়ে ক্ৰীড়াক কৰয়।*
*দ্বিতীয় মূৰ্ত্তিয়ে তপস্যাক আচৰয়।।*
*তৃতীয় মূৰ্ত্তিয়ে লোক কৰয় পালন।*
*চতুৰ্থ মূৰ্ত্তিয়ে প্ৰজা কৰয় নাশন।।*
*পঞ্চম মূৰ্ত্তিক যাক ব্ৰহ্ম বুলি কয়।*
*সমস্ত জগত যিটো ব্যাপিয়া আছয়।।*

এই পদকেইটাৰ মূল হৈছে ঃ *ক্ৰীড়াতে প্ৰথমা মূৰ্ত্তি ... ... সৰ্ব্বমাবৃত্য তিষ্ঠতি।।*

ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ*-ৰ অন্তৰ্গত লিংগৰূপী শিৱতত্ত্বৰ বৰ্ণন, ঋষিসৰৰ আগত ব্ৰহ্মৰদ্বাৰা শিৱতত্ত্ব ব্যাখ্যা, ৰুদ্ৰ ভক্তি আৰু ভক্তৰ শ্ৰেষ্ঠতা প্ৰকাশ আদি সম্পূৰ্ণভাৱে *সনৎ-সংহিতা*ৰ শ্লোকৰ ভাঙনি মাথোন। সংস্কৃত *শিৱ-পুৰাণ*-ৰ অন্তৰ্গত *সনৎ-সংহিতা*-ৰ পৰা অনুবাদ কৰা দুটিমান পদ তলত দিয়া হ'ল। যেনে—

*প্ৰলয়ৰ কালতে সৱে প্ৰাণী নষ্ট হোৱে।*
*সত্য নিত্য জ্ঞান ৰূপে থাকে সদাশিৱে।।*
*প্ৰলয়ৰ অন্তে পুনৰ্ব্বাৰ সৃষ্টি হয়।*
*আপোনাৰ সম্পত্তিক লভে দেৱ ছয়।।*
*পৰম ঈশ্বৰ দেৱ শিৱ সনাতন।*

*এনে ৰূপে কৰে সৃষ্টি সংহাৰ পালন।।*
*ক্রীড়া কৰি থাকে সদা বালকৰ নয়।*
*আপুনি নোহয় মোহ অন্যক মোহয়।।*
*সবাকে কৰান্ত কৰ্ম্ম সেহি মহাদেৱ।*
*ববৰ কাৰণে তাঙ্ক সৰ্ব্বলোকে লৱে।।*
*শিৱৰ শৰীৰে সৰ্ব্বলোকে লয় যায়।*
*যাতো ব্ৰহ্মাণ্ডত তাঙ ভিন্নে বস্তু নাই।।*
*এতেযেসে লিঙ্গৰূপী শিৱৰ চৰণে।*
*শুদ্ধ চিত্ত হয়া পূজা কৰে শঠজনে।।...*

ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ*-ৰ ষষ্ঠ অধ্যায়ত শিৱৰ বিভিন্ন স্থানৰ বৰ্ণনা দিয়া হৈছে। এই বৰ্ণনাৰাজি সনৎ সংহিতাৰ একাদশ অধ্যায়ৰ বিষয়বস্তুৰ আধাৰত পল্লবিত। অৱশ্যে সংস্কৃত *শিৱ-পুৰাণ*-ত্ এই বৰ্ণনাৰাজি দীৰ্ঘ পৰিসৰ বিশিষ্ট। ইয়াৰ বিপৰীতে অসমীয়া কবিয়ে এই বৰ্ণনা চমুৱাইছে।

*শিৱ-পুৰাণ*-ৰ অন্তৰ্গত সনৎ সংহিতাৰ ১৫ৰ পৰা ১৭ শ অধ্যায় পৰ্যন্ত এই তিনিটা অধ্যায়ত শিৱযুক্ত ক্ষেত্ৰ, শিৱস্থান, শিৱমহাপুৰ আদি বৰ্ণনা দিয়া হৈছে। নকলেও হ'ব যে এই বৰ্ণনা দীৰ্ঘ পৰিসৰ বিস্তৃত। অসমীয়া কবিয়ে তেওঁৰ ৰচনাত এই বৰ্ণনাংশ চমুৱাইছে যদিও মূলৰ সৈতে সম্পৰ্ক ক্ষুণ্ণ কৰা নাই।

ওপৰৰ আলোচনাৰ পৰা সহজে অনুমান কৰিব পাৰি যে ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ*-ৰ বিষয়বস্তু গ্ৰহণ কৰা হৈছে সংস্কৃত শিৱ-পুৰাণ-ৰ অন্তৰ্গত "সনৎ-সংহিতা"ৰ পৰা।

প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে সংযোজন কৰা শ্লোক আঠোটি কোনো সংস্কৃত মূলৰ পৰা লোৱা যেন নালাগে। সম্ভৱ কবিয়ে নিজেই এই শ্লোক কেইটা ৰচনা কৰিব পাৰে। দ্বিতীয়তে, প্ৰতিটো অধ্যায়ৰ শেষৰ ফালে উপস্থাপন কৰা ভণিতা বা ভণিতা সদৃশ বৰ্ণনাবোৰ আমাৰ কবিৰ স্বকীয় সৃষ্টি।

## ২.৮ 'শিৱ-পুৰাণ' গ্ৰন্থখনৰ বৈশিষ্ট্য

ৰুদ্ৰসিংহ বিৰচিত *শিৱ-পুৰাণ* পৰিপূৰ্ণ *শিৱ-পুৰাণ*-ৰ সম্পূৰ্ণ অনুবাদ নহয়। ইয়াৰ আগলৈকে কোনো অসমীয়া কবিয়ে সম্পূৰ্ণ *শিৱ-পুৰাণ* খন্ অনুবাদ কৰিবলৈ বা আংশিকভাৱে অনুবাদ কৰিবলৈ প্ৰয়াস কৰা নাই। অৱশ্যে কোচবিহাৰৰ ৰাজ সভাৰ কবি দ্বিজবৈদ্যনাথে *শিৱ-পুৰাণ*-ৰ কিছু অংশ পদ বন্ধে দেশী ভাষাত (কামৰূপী) অনুবাদ কৰিছিল। এই ফালৰ পৰা অসমীয়া *শিৱ-পুৰাণ* ৰ পৰম্পৰা সৃষ্টিকাৰী স্বৰূপে ৰুদ্ৰসিংহৰ নাম বৈ বৈ যোৱা।

আমাৰ আলোচ্য *শিৱ-পুৰাণ* খন সমগ্ৰ সংস্কৃত পুৰাণৰ অনুবাদ বা চমু ৰূপ নহয়। সংস্কৃত *শিৱ-পুৰাণ*-ৰ অন্তৰ্গত সনৎ-সংহিতাৰ পদানুবাদতেই ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ*ৰ পৰিসীমা সীমিত। দ্বিতীয়তে, সনৎ-সংহিতাত সন্নিৱেশিত আটাইবোৰ শ্লোকৰ অনুবাদো আমাৰ কবিয়ে কৰা নাই। অনেক ক্ষেত্ৰত ৰুদ্ৰসিংহই কোনো কোনো শ্লোকৰ আক্ষৰিক অনুবাদ কৰিছে। কিছুমান শ্লোকৰ মুকলি বা ব্যাখ্যামূলক অনুবাদ কৰিছে আৰু কিছুমান শ্লোকৰ চমু বা সংক্ষেপ অনুবাদ কৰা হৈছে। এইফালৰ পৰা ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ* ৰ অনুবাদ ৰীতি কেইটিমান ভাগত ভাগ কৰিব পাৰি। যেনেঃ (ক) ব্যাখ্যা অনুবাদ (খ) সংক্ষেপ অনুবাদ আৰু (গ) আক্ষৰিক অনুবাদ বা যথাযথ অনুবাদ।

ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ* ৰ প্ৰতিটো অধ্যায় শিৱ-ৰুদ্ৰ দেৱী মহিমা প্ৰকাশক একোটি সংস্কৃত শ্লোকেৰে আৰম্ভ হৈছে। এই শ্লোক কেইটি কোনো সংস্কৃত গ্ৰন্থৰ পৰা চয়ন কৰা যেন লাগে। এইফালৰ পৰা এই শ্লোককেইটা আমাৰ কবিৰ স্বকীয় ৰচনা হ'ব পাৰে।

প্ৰথম শ্লোকটি *"গৌৰীসুপীবৰ .. .. .. .. .. সততং ময়াপৌ"* অৰ্থাৎ যাৰ বক্ষস্থল কুমকুমেৰে মনোৰম হৈছে আৰু মেঘাচ্ছন্ন সজল মেঘৰ বুকুত প্ৰকাশ পোৱা বিজুলী ৰেখাৰ নিচিনাকৈ শোভিত হৈছে সেই পশুপতি শিৱক বন্দনা কৰিছে।

দ্বিতীয় শ্লোকটি *"শাৰ্দ্দুল চম .. .. .. .. ... ভীমকৰণা য়ননা নমস্তে"* অৰ্থাৎ হিমালয় কন্যাৰ মুখ-পদ্ম পৰাগ মধু যিজনে পান কৰে আৰু যি গৰাকী দেৱতাই ভক্ত সবৰ দুখ বিনাশ কৰে সেইজন শিৱক কবিয়ে বন্দনা কৰিছে।

চতুৰ্থ শ্লোকটি *"সুৰাসুৰৈৰ্ব্বন্দ্য.. .. .. .. .. ত্ৰিপুৰোন্ময়"*অৰ্থাৎ দেৱতা আৰু অসুৰসৱৰ বন্দনীয়, ত্ৰিপুৰৰ উদ্বেগকাৰী শিৱ দেৱতাক কবিয়ে নমস্কাৰ কৰিছে।

পঞ্চম শ্লোকটি *"ৰজত গিৰিসকালং.. .. .. .. .. চিন্তায়ামো নিতান্তম"* অৰ্থাৎ ৰজত পৰ্বত সদৃশ আৰু দৈত্যকুলৰ যম সদৃশ গিৰীশক কবিয়ে বন্দনা কৰিছে।

ষষ্ঠ শ্লোকটি *"জ্ঞানাগ্নিভস্মীকৃত.. .. .. .. .. দৈত্য গণাভিতাপম্"* অৰ্থাৎ যি গৰাকী দেৱতাই জ্ঞানাগ্নিৰ দ্বাৰা সৰ্ব পাপ ভগ্ন কৰে সেই হৰক কবিয়ে বন্দনা কৰিছে।

সপ্তম শ্লোকটি *"পদাৰবিন্দং মমলং.. .. .. .. .. সততং নমস্তে"* অৰ্থাৎ যি গৰাকী দেৱতাৰ পদাৰবিন্দ চিন্তা কাৰ জীৱসমূহে ভৱ বন্ধনৰ পৰা মুক্তি লাভ কৰে সেই গৰাকী শিৱক কবিয়ে নমস্কাৰ কৰিছে।

অষ্টম শ্লোকটি *"ৱক্তৈৰনন্তৈৰ্ভগৱাননন্তঃ.. .. .. .. .. নমো নমস্তে"* অৰ্থাৎ ভগৱান অনন্তই অনন্ত মুখেৰেও যাৰ মহিমা বৰ্ণনা কৰিবলৈ অক্ষম, সেই ব্ৰহ্ম স্বৰূপ শিৱক কবিয়ে নমস্কাৰ কৰিছে।

প্ৰকৃতাৰ্থত একোটিকৈ শ্লোকযুক্ত অষ্ট অধ্যায়ৰ জৰিয়তে শিৱ-মহিমা বা শিৱ মাহাত্ম্য বৰ্ণনা কৰা হৈছে। এই ফালৰ পৰা ৰুদ্ৰসিংহৰ গ্ৰন্থখনিক *শিৱ-পুৰাণ* আখ্যা নিদি শিৱাষ্টক আখ্যা দিলেও ৰজিতা খায়।

*শিৱ-পুৰাণ* শিৱ মহিমা প্ৰকাশক গ্ৰন্থ। আমাৰ কবিয়েও শিৱ-মহিমা প্ৰকাশত অত্যাধিক গুৰুত্ব দিছে। কিন্তু তাৰ মাজে মাজে আমাৰ কবিয়ে হৰি হৰৰ অৰ্থাৎ শিৱ-বিষ্ণু-কৃষ্ণৰ অভিন্নতা স্বীকাৰ কৰিছে। কবিৰ ভাষাত—

*১) ৰুদ্ৰসিংহ নৃপে বোলো শুনা সৰ্ব্বজন*
*সদায়ে ঘুষিয়ো হৰি-হৰ ত্ৰিলোচন*
*২) জয় শিৱৰূপী বিষ্ণু ত্ৰৈলোক্য ঈশ্বৰ।।*
*৩) তুমি ব্ৰহ্মা বিষ্ণু অগ্নি তুমি সদাশিৱ।।*
*৪) তুমি ভাল মত বিষ্ণুত ভকত*
*শিৱৰ কৃপা লভিলি।।*
*৫) এক চিত্তে ৰুদ্ৰকে বা বিষ্ণুকে ভয়।*

ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে ধৰ্মীয় দিশত ৰুদ্ৰসিংহ স্বৰ্গদেৱ বৰ উদাৰ আছিল। আমি জানো যে তেওঁৰ উপাস্য দেৱতা শিৱ আৰু তেওঁৰ নামটোৰ জৰিয়তেও তেওঁ শিৱ-ৰুদ্ৰৰ প্ৰতি থকা অচলা ভক্তিৰ পৰিচয় পোৱা যায়। এইটোও সত্য যে ধৰ্মৰ দিশত ৰুদ্ৰসিংহৰ

কোনো গোড়ামি নাছিল। ভাৰতীয় দৃষ্টিভংগী অনুসৰিয়েই শিৱ-বিষ্ণুৰ মাজত ৰুদ্রসিংহই একত্রীকৰণ কৰিবলৈ প্রয়াস কৰি সামাজিক ঐক্য প্রতিষ্ঠাত গুৰুত্ব দিছে।

ৰুদ্রসিংহই *শিৱ-পুৰাণ*-ৰ প্রতিটো অধ্যায়ৰ শেষ ভাগত পৰিৱেশন কৰা ভণিতাবোৰৰ জৰিয়তেও কবিৰ আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক দিশৰ পৰিচয় পোৱা যায়। যেনে—

*১) ৰুদ্রৰ চৰণে কৰি সহস্র প্রণতি।*
*পদবন্ধে ভনে ৰুদ্রসিংহ নৰপতি।।...*
*ৰুদ্রসিংহ নৃপে বোলে শুনা সৰ্ব্বজন*
*সদায়ে ঘুষিয়ো হৰিহৰ ত্রিলোচন।।*

ইয়াত শৈৱ আৰু বৈষ্ণৱ মাৰ্গৰ মাজত সমন্বয় সাধনত গুৰুত্ব দিছে।

*২) ৰুদ্র সিংহই ৰাই এহি পদ গাই*
*শিৱ পদে কৰি মতি।*
*শুনা সৰ্বজন তেজি আন মন*
*শিৱতে কৰা ভকতি।।*

ইয়াত কবি ৰুদ্রসিংহই গুৰুত্ব দিছে শিৱ ভক্তিত। ৰুদ্রসিংহই যে শিৱৰ একান্ত সেৱক আছিল তাৰ আভাস তলৰ ভণিতাটিৰ পৰা বুজিব পাৰি। যেনে —

*৩) ব্যাস বিৰচিত ইটো মহা বিতোপন।*
*শিৱ-পুৰাণৰ শিৱ পুৰৰ বৰ্ণনা।।*
*সদাসদ গণ শুনিয়োক সাৱধানে।*
*শিৱ পদ সেৱি ৰুদ্রসিংহ নৃপে ভণে।।*

কবিৰ দৃষ্টিত শিৱ ভক্তি সংসাৰ ৰোগৰ মহা ঔষধ। গতিকে সাংসাৰিক আন কাম এৰি ভৱ বন্ধন মুক্ত হোৱাৰ একমাত্র উপায় শিৱভক্তিত ৰতি কৰা উচিত। যেনেঃ

*৪) শুনা সভাসদ পদ শিৱ-পুৰাণৰ।*
*পৰম ঔষধ ইটো সংসাৰ ৰোগৰ।।*
*ৰুদ্রসিংহ নৃপে বোলে শিৱৰ চৰণে।*
*আন কাম এড়ি শিৱ শিৱ বোলা ঘনে।।*

বিষয় বাসনা এৰি মোক্ষ লাভৰ বাবে শিৱ চৰণত আশ্রয় লোৱাটো প্রতিজন সংসাৰীৰ কৰ্তব্য হোৱা উচিত। কবিৰ ভাষাতঃ

*ৰুদ্রসিংহ বাণী শুনাসৱে প্রাণী*
*শিৱ পদে দিয়া মন।*
*বিষয়ক তেজি সদাশিৱ ভজি*
*বোলা শিৱ ত্রিনয়ন।।*

পাঠক শ্রোতাৰ প্রতি শ্রদ্ধাসহ কবি ৰুদ্রসিংহ কৈছে যে, বিষয় বা সাংসাৰিক কামনা-বাসনা অতিকে বিষম। শিৱৰ দৰে আশুতোষ আন কোনো দেৱতা নাই। এতেকে কেৱল শিৱৰ চৰণত আশ্রয় গ্রহণ কৰি নিজৰ ঘোৰ যাতনাৰ পৰা উদ্ধাৰ লাভৰ বাবে যত্ন কৰা উচিত। কবিৰ ভাষাত—

*দেখা নৰগণ কেন বিষয় বিষম।*
*এতেকে চিন্তিয়ো শিৱ চৰণ পৰম।।*
*শিৱ সম আশুতুষ্ট নাহি অন্য দেৱ।*
*এতেকে শঙ্কুৰ পদে কৰিয়োক সেৱ।।*
*আপোনাৰ ঘোৰ যম যাতনাক জানি।*
*নিৰন্তৰে নৰে বোলা  শিৱ শম্ভুবাণী।।*

*শিৱ-পুৰাণ* ত আমাৰ কবিয়ে মাত্ৰ দুবিধ ছন্দ প্ৰয়োগ কৰিছে এবিধ পয়াৰ বা পদ (৬) আৰু আনবিধ দুলড়ি (২)। পুৰাণত যি দৰে কাহিনী থাকিব লাগে, কাহিনীৰ বিকাশ, চৰিত্ৰৰ সৃষ্টি, পৰিস্থিতি চিত্ৰণ থাকিব লাগে তেনে কাহিনী বা চৰিত্ৰ বা পৰিস্থিতিৰ বিকাশ, অগ্ৰগতি বা পৰিস্ফুৰণ শিৱ পুৰাণত  নাই। ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ*-ত শিৱ-মাহাত্ম্যকহে তুলনামুলকভাবে অধিক গুৰুত্ব দিয়া হৈছে। তাতে আকৌ কোনো চৰিত্ৰৰ আধাৰত, বা কাহিনীৰ সহায়ত সেই মাহাত্ম্য প্ৰকাশ কৰিবলৈ চেষ্টা কৰা নাই। সেইবাবে আমাৰ পাঠ্যপুথি *শিৱ-পুৰাণ*-এ কবি ৰুদ্ৰসিংহৰ উচ্চ কবি প্ৰতিভাৰ পৰিচয় দিব নোৱাৰে। অৱশ্যে *শিৱ-পুৰাণ*-ত  উপস্থাপন কৰা কোনো কোনো মাধ্যমেৰে ৰুদ্ৰসিংহৰ কবি প্ৰতিভাৰ পৰিচয় পোৱা যায়। তেনে বৰ্ণনাৰ ভিতৰত 'বিমানৰ বৰ্ণনা', 'ইন্দ্ৰৰ দৰ্পচূৰ্ণ', 'ৰুদ্ৰগণৰ পৰিচয়', 'শিৱলোক', 'বিষ্ণুলোক' আদিৰ চিত্ৰধৰ্ম্মী বৰ্ণনা আদি উল্লেখ কৰিব পাৰি।

আন আন অসমীয়া কবিয়ে তেওঁলোকৰ অনুবাদমূলক সাহিত্যতো সামাজিক জীৱনৰ চিত্ৰ ফুটাই তুলিবলৈ চেষ্টা কৰিছে আৰু এই চেষ্টাত তেওঁলোকে কৃতকাৰ্যতা লাভো কৰিছে বিস্ময়কৰভাবে। এই প্ৰসংগত মাধৱকন্দলী, হৰিবৰ বিপ্ৰ, শংকৰদেৱ, ৰামসৰস্বতী, অনন্ত কন্দলী, সুকবি নাৰায়ণদেৱ আদি কবিসকললৈ আঙুলিয়াব পাৰি। অনুবাদ কাব্য হ'লেও বা পুৰাণৰ অনুবাদ হ'লেও অনুবাদকাৰীজনৰ সমসাময়িক জীৱন আৰু সমাজৰ চৰিত্ৰ পৰিস্ফুট হ'ব পাৰে যদি অনুবাদমূলক গ্ৰন্থৰ পৰিসৰ ব্যাপক হয় তাত  যদি কাহিনী, চৰিত্ৰ, পৰিস্থিতি পৰিৱেশ আদিত সমসাময়িক সমাজৰ কিছু সমল সংযোজন কৰাৰ সুবিধা থাকে।

ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ*  সংস্কৃত *শিৱ-পুৰাণ* ৰ অন্তৰ্গত সনৎ-সংহিতাৰ কেইটিমান অধ্যায়ৰ অনুবাদ। বিষয়বস্তুত কাহিনীৰ সমল নাই, প্ৰাৰ্থনা বিষয়ক, গতিকে তাত সামাজিক চিত্ৰ ৰূপায়িত হোৱাৰ আশা কম। সেইবাবে ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ* ত সামাজিক জীৱনৰ প্ৰতিফলন দেখা নাযায়।

*শিৱ-পুৰাণ*-ত আমাৰ কবিৰ মৌলিকতা লক্ষ্য কৰা যায়-বিশেষকৈ সৰ্বসাধাৰণৰ বাবে অবোধগম্য সংস্কৃত ভাষাত লিপিবদ্ধ *শিৱ-পুৰাণ* ৰ অন্তৰ্গত *সনৎ-সংহিতা* ত পল্লবিত শিৱ মাহাত্ম্যৰ সহজ সৰল নিমজ সৰস অনুবাদ এটি দিব পৰাৰ ক্ষেত্ৰত।

অসমীয়া ভাষাত *শিৱ-পুৰাণ* ৰ পৰম্পৰা নিৰ্মাণকাৰী ৰূপেই ৰুদ্ৰসিংহৰ মৌলিকতা ৰক্ষিত  হৈছে বুলি ক'ব পাৰি।

**আত্মমূলায়ন প্ৰশ্ন**

*শিৱ-পুৰাণ*  ত কবিৰ মৌলিক প্ৰতিভা কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰক। (৫০ টা শব্দৰ ভিতৰ উত্তৰ লিখক)

..........................................................................
..........................................................................
..........................................................................

## ২.৯ 'শিৱ-পুৰাণ' ত শিৱ-মাহাত্ম্য

শিৱ-ৰুদ্ৰৰ মহিমা প্ৰকাশেই ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ*ৰ একমাত্ৰ উদ্দেশ্য। কবিয়ে তেওঁৰ নিৰ্মিতি বিশেষৰ আৰম্ভণিতে উল্লেখ কৰিছে। যেনে—

*জয় জয় সদাশিৱ পুৰুষ পুৰাণ।*
*জয় কৈলাসৰ পতি দুয়োক প্ৰসন।।*
*জয় শিৱ ৰূপী বিষ্ণু ত্ৰৈলোক ঈশ্বৰ।*
*তুমি বিনে নাহি আৰ সংসাৰ ভিতৰ।।*
*তুমি ব্ৰহ্মা অগ্নি তুমি সদাশিৱ।*
*অনাথৰ নাথ প্ৰভু জগতৰ জীৱ।।*

তেনে মহিমাময় একমাত্ৰ ঈশ্বৰক ব্ৰহ্মাই প্ৰত্যক্ষ কৰিছিল লক্ষ কোটি হাজাৰ বৎসৰ ধ্যান কৰাৰ অন্তত। তেৱেঁই মহা হৰ। ব্ৰহ্মাৰ স্তুতিত সন্তুষ্ট হৈ মহাহৰে দুৰ্ঘোৰ ৰূপ পৰিহাৰ কৰি সুপ্ৰসন্ন হৈ সহাস্য বদনে ক'লেঃ মোৰ বাহিৰে আন সত্য বস্তু একো নাই। মোৰ বাক্য ধৰি তুমি মোহ ত্যাগ কৰি জগৎ সৃষ্টি কাৰ্যত প্ৰবৃত্ত হোৱা। যেনে—

*পাছে মই লোকৰ হিতক ভাবি মনে।*
*চিন্তিবাক লৈলো সেহি পুৰুষ চৰণে।।*
*লক্ষ কোটি হাজাৰ বৎসৰ কৰো ধ্যান।*
*তাত পাছে দেখা দিল দেৱ ভগৱান।।*
*দুৰ্ঘোৰ ৰূপক তেজি সুপ্ৰসন্ন ভৈলা।*
*হাস্য কৰি মহাৰুদ্ৰ বচন বুলিলা।।...*
*এতেকে মোহোৰ বাক্যে এড়া মোহ কয়।*
*লোকসৱ স্ৰজিয়েক তুমি মহাশয়।।*

ৰুদ্ৰ পঞ্চমূৰ্ত্তি বিশিষ্ট। এক মূৰ্ত্তি ভয়ানক, দ্বিতীয় মূৰ্ত্তি সূৰ্য্য সদৃশ, তৃতীয় মূৰ্ত্তি চন্দ্ৰ সম, চতুৰ্থ মূৰ্ত্তি কুবেৰ সম আৰু পঞ্চম মূৰ্ত্তি ব্ৰহ্ম ৰূপ বিশিষ্ট। ভয়ানক মূৰ্ত্তিয়ে ক্ৰীড়া কৰে, সূৰ্য্য মূৰ্ত্তিয়ে তপস্যা কৰে, তৃতীয় অৰ্থাৎ চন্দ্ৰ মূৰ্ত্তিয়ে লোক-পালনত সদা-সৰ্বদা প্ৰবৃত্ত, চতুৰ্থ মূৰ্ত্তি অৰ্থাৎ কুবেৰ মূৰ্ত্তিয়ে প্ৰজা সংহাৰ কৰে। পঞ্চম মূৰ্ত্তি সমস্ত জগত পৰিব্যাপ্ত। তেওঁ আত্মাৰূপী আৰু আত্মাৰূপে সৰ্বজীৱক নিয়মন কৰে।

তেঁৱেই ভগৱন্ত, পৰম মহন্ত-সন্ত, তেওঁৰ নাই আদি-মধ্য-অন্ত্য। জন্মিয়ে তেওঁ ৰোদন কৰিছিল বাবে তেওঁ ৰুদ্ৰ। মায়াবৃত্ত জীৱক পালন কৰি আছে বুলি তেওঁ পশুপতি, তেওঁৰ পিতৃ-মাতৃ নাই, স্বয়ম্ভু, তেওঁ কাপালি, শঙ্কৰ, তেওঁ সকলোৰে ঈশ্বৰ বাবে তেওঁৰ নাম ঈশান, সন্ত-মহন্ত সকলে তেওঁক আৰাধনা কৰে বাবে তেওঁ মহেশ্বৰ ৰূপে পৰিচিত। ব্ৰহ্মাই শিৱ আৰু শিৱই ব্ৰহ্ম। তেঁৱেই শব্দ ব্ৰহ্ম-নিত্য-অনিত্য। তেওঁ সকলোৰে প্ৰাণ বায়ু।

শিৱ-ৰুদ্ৰ লিঙ্গ ৰূপী। ৰুদ্ৰভক্তিৰ শ্ৰেষ্ঠতাৰ কথা কৈ অন্ত কৰিব নোৱাৰি। শিৱ-তত্ত্ব বুজিবলৈ বিষ্ণুৱেও শিৱক আৰাধনা কৰিবলৈ বাধ্য হৈছিল। শিৱৰ নিৰ্দেশমতে জগত পালনত বিষ্ণু প্ৰবৃত্ত হৈছিল। আনকি শিৱৰ কৃপাতহে ব্ৰহ্মাই ব্ৰহ্মপদ লাভ কৰিবলৈ সক্ষম হৈছে। স্বৰূপাৰ্থত শিৱ নিজেই জগৎ স্ৰজনকাৰী, পালনকাৰী আৰু সংহাৰকাৰী। তেওঁ ইন্দ্ৰৰ গৰ্ব সৰ্বকাৰী। শিৱৰ শাপত ইন্দ্ৰই কৃষ্ণকীট স্বৰূপে পাতালত থাকিবলৈ বাধ্য হৈছিল। শিৱৰ গণসমূহৰ নামেই ৰুদ্ৰ। যাৰ সংখ্যা অষ্টাধিক যাঠি। শিৱ মুক্তি দাতা, প্ৰোস দাতা, শ্ৰোস দাতা।

চৰাচৰৰ আত্মা স্বৰূপ শিৱ সৰ্বত্ৰ বিৰাজমান, তেঁৱেই প্ৰাণীৰ ধাৰক, দিগনায়ক, যজ্ঞৰ ফলদাতা। ভৱভয়হাৰী শিৱ চাৰিয়ো যুগত ধৰ্ম প্ৰবৰ্তনকাৰী। তেঁৱেই কৰ্মকৰ্তা, তেঁৱেই কৰ্মৰূপী তেঁৱেই কৰ্মকৰ্তা, সূৰ্য্যসম কলেৱৰধাৰী শিৱ কৰ্মদাতা সুফল প্ৰদানকাৰী। অগ্নিয়েই তেওঁৰ নেত্ৰ, চতুৰ্মুখ আৰু চতুৰ্বাহু যুক্ত বন্দনী, শিৱই বায়ু, তেঁৱেই মহেশ্বৰ, তেওঁ মাঘবাহন, ত্ৰিলোচন, জটাধৰ, মহাধাৰ্মিক, জগতৰ ঈশ্বৰ ব্যাঘ্ৰচৰ্মধাৰী, কীৰ্তিমান লজ্জাৰূপী, কাম্যকৰ্তা, শ্ৰীকণ্ঠ, মলৰো দহনকাৰী, বিষ্ণু, সূৰ্য্য, চন্দ্ৰ অদিতি, সমুদ্ৰ দেৱাসুৰ আদি সবাকো জয় প্ৰদানকাৰী। শিৱ সৰ্ব জীৱৰ সৰ্ব পৃথিৱীৰ আশ্ৰয়স্থল, ত্ৰিশূলধাৰী, অজাত, সংসাৰৰ মূল তপসী, পৰমপদ, পশুপতি। তেওঁ পৰাপৰ তত্ত্বজ্ঞানী, তেওঁ অৰ্যমা, অনিল আদিৰ ৰূপধাৰী, তেঁৱেই কৃষ্ণ আৰু শুক্লবৰ্ণধাৰী, তেওঁ ব্ৰহ্মাক আজ্ঞা প্ৰদান কৰে। বিষ্ণুয়ো তেওঁৰ আজ্ঞাধাৰী, তেঁৱেই শংখ চক্ৰ-গদা পদ্মধাৰী, তেওঁ এফাল গৃহাশ্ৰমী আনহাতে তেওঁ ব্ৰহ্মচাৰী, বানপ্ৰস্থী, যতী, ভিক্ষুক, অতিথি, তেঁৱেই চতুৰ্বেদ, শাস্ত্ৰ-নিৰুক্ত, তেওঁ বিভূ, মহাপ্ৰভু, সৰ্বজীৱৰ পিতৃ-মাতৃ ত্ৰিলোকেশ্বৰ শিৱই একমাত্ৰ দাতা-কৰ্তা-সংহৰ্তা, অৱতাৰী পুৰুষ, দেৱতা সৱৰ গতি-মতি পতি, অগতিৰ গতি। ব্ৰহ্মাই শিৱৰ মহিমা এনেদৰে বৰ্ণনাইছে —

*যোগীগণ চিন্তা প্ৰণৱ অচ্যুত*
*হেনয় শিৱক যিটো*
*চিন্তে সৰ্বক্ষণ অতি শুদ্ধ মন*
*তাহাঙ্কে লভয় সিটো।।*
*যোগী অপৰ্যন্ত তপস্যায়ে সন্ত*
*ত্ৰিদশ দেৱ নায়ক।*
*সদায়ে অব্যয় অচিন্ত অভয়*
*প্ৰসন্ন কৰি শিৱক।।*

ব্ৰহ্মাই আৰু কৈছে যে তেওঁ নিত্য-নিৰাময়-নিৰ্মল-অক্ষয়, পৰম যোগী, সদা প্ৰকাশমান, জগত নিবাস, জগত ধাৰক।

স্বৰূপাৰ্থত শিৱ মহেশ্বৰেই ব্ৰহ্মা-বিষ্ণু। তেওঁত ব্যতিৰেক আন কোনো সত্তা জগতত নাই। শিৱ-মহাদেৱে নিজেই কৈছে যে তেঁৱেই জগৎ সৃষ্টি কৰে, পালন কৰে আৰু সংহাৰ কৰে, বায়ু, কামদেৱ, মহৰ্ষি, দানৱ, দিগপালক, ধৰ্ম, স্কন্দ, ইন্দ্ৰ, অগ্নি, সূৰ্য্য, চন্দ্ৰ, কুবেৰ, যক্ষ, বৰুণ, গণেশ, অসুৰ, গন্ধৰ্ব, কিন্নৰ, বিদ্যাধৰ, দেৱতা, ৰাক্ষস, চাৰণ, মানুহ, নাগ, সাগৰ, দৈত্য, প্ৰেত, ভুত, নক্ষত্ৰ, পৰ্বত, পশু, পক্ষী, জলচৰ আদি প্ৰাণী। শিশিৰ, বসন্ত, শৰৎ, হেমন্ত, গ্ৰীষ্ম, বৰ্ষা ঋতু, নদ-নদী, সৰোবৰৰ, হ্ৰদ, বৃক্ষ, লতা, স্থাৱৰ, সঙ্গম, পৃথিৱী, দিশ আকাশ আদিৰ স্ৰষ্টা।

শিৱদেৱতা লিংগৰূপী। লিংগ-পূজনৰ জৰিয়তে তীৰ্থস্থান দৰ্শনতকৈও অধিক ফল লাভ কৰিব পাৰি। লিংগৰূপী হৰৰ পৰা ত্ৰিজগত সৃষ্টি হয়। মহেশৰ পৰা মহাবায়ু উপজি, শুক্ল-বীৰ্য্য ৰূপ লাভ কৰে। সেই ৰেতস অগ্নি সূৰ্য্য সদৃশ। তাৰ পৰা যুগান্ত কালৰ সূৰ্য্য সদৃশ কলেৱৰ বিশিষ্ট লিংগ ৰূপী শিৱ প্ৰকট হ'ল। লিংগৰূপী হৰেই জগৎ ধ্বংস কৰে। শিৱ লিংগৰ পৰাই ব্ৰহ্মাদি দেৱতাৰ জন্ম হৈছে।

সত্য-নিত্য শিৱৰ ক্ৰীড়াৰ পৰাই জগৎ সৃষ্টি হয়। প্ৰলয়ৰ অন্তত শিৱৰ ইচ্ছাত জগৎ সৃষ্টি হয়। তেনেদৰে তেওঁ জগৎ পালন কৰে। সংহাৰ কৰে। যেনে—

*ভৈলা অন্তৰ্ধান মহাৰুদ্ৰে এহি বুলি*
*শুন ব্যাস ইটো কথা কহিলো সমূলি।।*

*প্ৰলয় কালত সৱে প্ৰাণী নষ্ট হোৱে।*
*সত্য নিত্য জ্ঞান ৰূপে থাকে সদাশিৱে।।*
*প্ৰলয়ৰ অন্তে পুনৰ্বাৰ সৃষ্টি হয়।*
*আপোনাৰ সম্পত্তিক লভে দেৱ ছয়।।*
*পৰণ ঈশ্বৰ দেৱ শিৱ সনাতন।*
*এনে ৰূপে কৰে সৃষ্টি সংহাৰ পালন।।... ...*

প্ৰলয়ৰ অন্তত সৰ্বলোক শিৱৰ দেহত লয় প্ৰাপ্ত হয়। যিহেতু শিৱ ভিন্ন আন সত্তা বা পদাৰ্থ বা বস্তু জগতত নাই।

*শিৱৰ শৰীৰে সৰ্বলোক লয় যাই।*
*যাতো ব্ৰহ্মাণ্ডত তান্ত ভিনে বস্তু নাই।।*

**আত্মমূলায়ন প্ৰশ্ন**

ৰুদ্ৰসিংহৰ দ্বাৰা ৰচিত *শিৱ-পুৰাণ* ত শিৱৰ মাহাত্ম্য কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰক। (৫০ টা শব্দৰ ভিত্তৰ উত্তৰ লিখক)

.......................................................................
.......................................................................
.......................................................................

## ২.১০ পুৰাণ হিচাপে 'শিৱ-পুৰাণ'

ৰুদ্ৰসিংহ বিৰচিত *শিৱ-পুৰাণ* খনিক প্ৰকৃতাৰ্থত পৰম্পৰানুযায়ী পুৰাণ বুলিব পাৰিনে নোৱাৰি সেই বিষয়ে আলোচনা কৰাৰ পূৰ্বে পুৰাণ কাক বোলে সেই বিষয়ে আলোচনা কৰা উচিত হ'ব।

*পুৰাণ*-ৰ অৰ্থ হ'ল "পুৰাণম্ আখ্যানম্" অৰ্থাৎ পৰম্পৰাগত কাহিনীযুক্ত ৰচনা বা নিৰ্মিতিয়ে *পুৰাণ* । পুৰাণ বাচিক পৰম্পৰাতো প্ৰবাহমান হৈ থাকিব পাৰে। বাচিক পুৰাণ বা বাচিক মহাপুৰাণ; লোকপুৰাণ/মহাপুৰাণ, মৌখিক পুৰাণ/মহাপুৰাণ ইত্যাদি। সময় আগবঢ়াৰ লগে লগে পুৰাণৰ পৰিসৰ ক্ৰমশ বাঢ়ি গ'ল আৰু শেষত পুৰাণ কথা বা আখ্যান (myth) পৰম্পৰাগত উপাখ্যান (legend) আৰু সাধুকথা (tale) সন্নিবেশিত একশ্ৰেণীৰ সাহিত্য নিৰ্মিতিক বুজাবলৈ *পুৰাণ* পদটো ব্যৱহাৰ কৰিবলৈ লোৱা হ'ল। ভাৰতীয় পৰম্পৰা মতে পুৰাণ পঞ্চ লক্ষণ বিশিষ্ট। *বিষ্ণু-পুৰাণ*-ত পুৰাণৰ পঞ্চ লক্ষণ এনেদৰে দিয়া হৈছে। যেনে—

*সৰ্গশ্চ প্ৰতিসৰ্গশ্চ ৱংশোমন্বন্তৰাণি চ।*
*ৱংশানুচৰিতং চৈব পুৰাণং পঞ্চ লক্ষণম্।।*

অৰ্থাৎ সৰ্গ (জগৎ সৃষ্টি বা অনাদি পাতল) প্ৰতিসৰ্গ (ব্ৰহ্মাৰ সৃষ্টিৰ অন্তত দক্ষাদি প্ৰজাপতিৰ সৃষ্টি, কল্পাদি আৰু যুগাদিৰ সৃষ্টি) বংশ (দেৱতা, অসুৰ, পিতৃসকল, ঋষিমুনি আৰু নৃপতিসৱৰ বংশানুচৰিত) মন্বন্তৰ (একোজন মুনিৰ ৰাজ্য শাসনৰ কাল) আৰু বংশানুচৰিত (ৰাজবংশৰ বৰ্ণনা)। এই কেইটাই হ'ল চমুকৈ পুৰাণৰ পঞ্চ বৈশিষ্ট্য বা লক্ষণ। ইয়াৰ বাহিৰেও দেৱতা, ঋষি মুনিসকলৰ বংশাৱলী, মুনিসকলৰ বয়স, চন্দ্ৰ আৰু সূৰ্য্যবংশীয় ৰজাসকলৰ ইতিহাসাদিৰ বৰ্ণনা *পুৰাণ*-ত থাকিব লাগিব। ইয়াৰ বাহিৰেও ধৰ্ম অৰ্থ-কাম মোক্ষ এই চতুৰ্বৰ্গৰ সাধনো *পুৰাণ*-ৰ অন্যতম লক্ষণ বা বৈশিষ্ট্য।

*বিষ্ণু-পুৰাণ*-ৰ পৰৱৰ্তী কালত ৰচিত পুৰাণত বিশেষকৈ *ভাগৱত-পুৰাণ*-ত পুৰাণৰ পঞ্চ লক্ষণৰ পৰিৱৰ্তে দশ লক্ষণ স্বীকাৰ কৰা হৈছে। *ভাগৱত-পুৰাণ*-ত পুৰাণৰ দশ লক্ষণ তলত দিয়াৰ দৰে দিয়া হৈছে।

*সৰ্গোহস্যাথ বিসৰ্গশ্চ বৃত্তি ৰক্ষান্তৰাণি চ।*
*ৱংশোৱংশানুচৰিতং সংস্থা হেতুৰপাশ্ৰয়ঃ।।*
*দশবিৰ্লক্ষনৈৰ্যুক্তং পুৰাণং তদ্বিদোৱিদুঃ।*
*কেচিৎ পঞ্চবিধং ব্ৰহ্মন্মহদল্পব্যৱস্থায়া।।*

অৰ্থাৎ সৰ্গ (অনাদি পাতাল), বিসৰ্গ (বিশেষ সৃষ্টি) বৃত্তি (জীৱিকাৰ মাধ্যম), ৰক্ষা (পালন, অন্তৰ (মন্বন্তৰ), ৱংশ (নৃপতি সৱৰ বংশাৱলী) বংশানুচৰিত (বংশৰ বৰ্ণনা), সংস্থা (প্ৰলয়), হেতু (সৃষ্টিৰ কাৰণ) আৰু অপাশ্ৰয় (সৰ্বজনৰ শেষ আশ্ৰয়) এই দশবিধ লক্ষণযুক্ত ৰচনাই পুৰাণ।

ৰুদ্ৰসিংহ বিৰচিত *শিৱ-পুৰাণ*-ত পুৰাণৰ দশ লক্ষণৰ স্থিত লক্ষ্য কৰা নাযায়, কিন্তু পুৰাণৰ পঞ্চ লক্ষণৰ স্থিতি কিবা নহয় কিবা প্ৰকাৰে দেখুৱাব পাৰি। যেনেঃ সৰ্গঃ *শিৱ-পুৰাণ*-ত বৰ্ণিত সৃষ্টিৰ বৰ্ণনা, প্ৰতিসৰ্গঃ এই পুৰাণখনিত ব্ৰহ্মাদি প্ৰজাপতিৰ সৃষ্টি, ৱংশঃ *শিৱ-পুৰাণ*-ত চিত্ৰিত বিভিন্ন ৰজাৰ বংশানুচৰিত, মন্বন্তৰঃ এই পুৰাণখনিত বৰ্ণিত শিৱৰ আদেশমতে মনু আদিৰ শাসন, বংশানুচৰিতঃ *শিৱ-পুৰাণ*-ত বিভিন্ন ৰাজবংশৰ বৰ্ণনা আদিৰ সাধাৰণ আভাস পোৱা যায়। দ্বিতীয়তে, ধৰ্ম-অৰ্থ-কাম মোক্ষৰ সাধনো ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ*-ৰ অন্যতম লক্ষ্য। পুৰাণৰ লক্ষণ, উদ্দেশ্য, তাৎপৰ্য্য, প্ৰকাৰ্য্য আদিৰ কালৰ পৰাও ৰুদ্ৰসিংহৰ নিৰ্মিতি বিশেষক পুৰাণ আখ্যা দিব পাৰি।

## ২.১১ 'শিৱ-পুৰাণ' ত প্ৰতিফলিত সামাজিক চিত্ৰ

সমাজক আশ্ৰয় কৰি বা সমাজৰ আধাৰত সাহিত্য ৰচিত হয়। সামাজিক আচৰণক ভাষাৰ সহায়ত বাঙ্‌ময় ৰূপ দিলেই সাহিত্যৰ সৃষ্টি হয়, অথবা মানৱ অভিজ্ঞতা ভাষাৰ মাধ্যমেৰে অভিজ্ঞাপিত হ'লেই সৃষ্টি হয় সাহিত্যৰ। মানৱ অভিজ্ঞতা আকৌ অৱধাৰিত হয় সমাজ আৰু সংস্কৃতিৰ পৰা। স্বৰূপাৰ্থত অভিজ্ঞতা সংস্কৃতিৰ অংশ বিশেষ। বাল্মীকিৰ অভিজ্ঞতা ভাৰতীয় সমাজ আৰু সাংস্কৃতিক ব্যাপাৰৰ পৰা উত্থিত। সেই অভিজ্ঞতাক ভাষাময় ৰূপ দিলে ভাষাৰ সহায়ত নিৰ্মাণ কৰিব নোৱাৰে। সেয়েহে কোৱা হয় এখন গ্ৰন্থৰ অন্তৰালত থাকে এজন ব্যক্তি আৰু সেই ব্যক্তিগৰাকীৰ অন্তৰালত থাকে এখন সমাজ। আকৌ সমাজৰ অন্তৰালত থাকে সেই সমাজৰ সাংস্কৃতিক জীৱন। সাহিত্য সামাজিক আচৰণৰ প্ৰতিফলক। ভাষা বাচিক আচৰণ, সংস্কৃতি সামাজিক আচৰণ। বাচিক আচৰণ ভাষাই সামাজিক আচৰণক ৰূপ বা অৱয়ৱ(form) প্ৰদান কৰে। এই ৰূপ বা অৱয়ৱৰ অন্য নাম সাহিত্য।

সাহিত্যৰ মাজেৰে কোনো এটা জাতিৰ জ্ঞান, অভিজ্ঞতা, উপলব্ধি, সামাজিক মূল্যবোধ যুগে যুগে অভিজ্ঞাপিত হয়। গতিকে কোনো এখন সমাজৰ সাংস্কৃতিক বৈশিষ্ট্য বা সামাজিক মূল্যবোধৰ বিষয়ে জানিবৰ বাবে সেই সমাজৰ সাহিত্য অধ্যয়ন অপৰিহাৰ্য্য।

কোনো এটা জনসমষ্টি বা অঞ্চলৰ জীৱন আৰু সমাজে কিদৰে বিশিষ্ট সাহিত্য নিৰ্মিতিৰ মাজেৰে অভিজ্ঞাপিত হ'ব পাৰে তাৰ বিশিষ্ট দৃষ্টান্ত অপ্ৰমাদী কবি মাধৱ কন্দলীৰ *ৰামায়ণ* । *ৰামায়ণ* মাধৱ কন্দলীৰ মৌখিক গ্ৰন্থ নহয়, অনূদিত গ্ৰন্থ, তত্ৰাচ এইখন অনূদিত গ্ৰন্থৰ মাজেৰেই খ্ৰীঃ চতুৰ্দশ শতিকাৰ অসমৰ সমাজ আৰু সংস্কৃতিৰ পৰিপূৰ্ণ প্ৰতিফলন সম্ভৱ হৈ উঠিছে। ইয়াৰ

মূল কাৰণটো হৈছে ৰচয়িতা বা অনুবাদকৰ গভীৰ সামাজিক চেতনা। এই গভীৰ সামাজিক চেতনাৰ বাবেই হৰিবৰ (হৰ) বিপ্ৰ, হেম সৰস্বতী, শংকৰদেৱ, ৰামসৰস্বতী, অনন্ত কন্দলী, সুকবি নাৰায়ণদেৱ আদিৰ সাহিত্য কৃতিত সেয়েহে তদানীন্তন সমাজ আৰু সংস্কৃতৰ প্ৰতিফলন ব্যাপক ৰূপত লক্ষ্য কৰা যায়। অনুবাদ গ্ৰন্থই হওক নাইবা মৌলিক গ্ৰন্থই হওক তাত যদি কথা-কাহিনীৰ পৰিসৰ তুলনামূলকভাৱে বহল হয়, চৰিত্ৰ বা পাত্ৰ-পাত্ৰীৰ দেহত যদি বৰ্ণিল তুলিকাৰ দুই এটা যাদু লগা পৰশ দিব পৰা যায়, পৰিস্থিতি বা পৰিৱেশ ৰচনাত যদি কাল বিৰোধ দোষ নঘটাকৈ নতুনত্বৰ সমাৱেশ কৰিব পৰা যায় তেনেহ'লে তাত সমাজ জীৱনৰ চিত্ৰ নিশ্চিত ভাবেই পৰিস্ফুট হ'বই। ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ* শিৱ মহিমাৰ বৰ্ণন মাথোন। তাত কোনো ধৰণৰ শক্তিশালী কাহিনী নাই। চৰিত্ৰৰ ক্ষেত্ৰতো কোনো ধৰণৰ ৰং-ৰূপৰ সমাৱেশ কৰিব নোৱাৰি। তেনে কৰিলে চৰিত্ৰ কেইটিৰ সম্বন্ধে ভক্ত সমাজ বা ধৰ্ম প্ৰাণ সমাজৰ চিৰাচৰিত বিশ্বাস শ্ৰদ্ধা আৰু ৰতিত আঘাত পৰিব পাৰে। *শিৱ-পুৰাণ*-ত লৌকিক কাহিনী থাকিলে সমসাময়িক সমাজৰ বিশ্বাস ধাৰাৰ আধাৰত নতুনকৈ সজাব পৰা গ'লহেতেন। গতিকে *শিৱ-পুৰাণ*-ৰ ধৰ্মীয় পবিত্ৰতা অক্ষুণ্ণ ৰাখিবলৈ যোৱাত গ্ৰন্থখনিৰ বিষয়বস্তুৰ সৈতে তদানীন্তন সমাজ জীৱনৰ সমল সাৰ্থক ভাবে প্ৰয়োগ কৰিব পৰা নগ'ল।

তথাপি দুই এটা বৰ্ণনাত যেনেঃ বিষ্ণু-পুৰীৰ বৰ্ণনা, ব্ৰহ্মালোকৰ বৰ্ণনা আদি উল্লেখ কৰা ঘৰ-দুৱাৰ, হাটী বাটী, ফুল-ফুলনি, চৰাই-চিৰিকতি আদিৰ মাজেৰে সেই সময়ৰ অসমৰ সমাজ জীৱনৰ কিছু পৰিচয় পোৱা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ* ত সমসাময়িক সমাজ জীৱনৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে উদাহৰণসহ আলোচনা কৰক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................................

.................................................................................

.................................................................................

## ২.১২ সাৰাংশ (Summing Up)

শৈৱমাৰ্গৰ উদ্ভৱ-বিকাশ আদিৰ ইতিহাস নজনাকৈ সংস্কৃত শিৱ-পুৰাণেই হওক নাইবা অসমীয়া পুৰাণৰ প্ৰকৃত তত্ত্ব অনুধাৱন কৰিব নোৱাৰি, যিহেতু কোনো ধৰ্ম বা সম্প্ৰদায় বা মাৰ্গৰ সৈতে জড়িত পুৰাণ বা আন আন গ্ৰন্থ সেই ধৰ্মমাৰ্গ বা সম্প্ৰদায়ৰ অভিব্যঞ্জিত বা অভিজ্ঞাপিত মাধ্যম।

শৈৱমাৰ্গ বৈদিক যুগৰ পূৰ্বৰ পৰাই পৰম্পৰাগতভাৱে চলি আহিছে। আৰ্যপূৰ্ব শৈৱতত্ত্বৰ আভাস পোৱা যায় মহেঞ্জদাৰো আৰু সিন্ধু সভ্যতাত। মহেঞ্জদাৰোত প্ৰাপ্ত এটি যোগ মূৰ্ত্তিয়ে শিৱদেৱতাৰ ইংগিত দিব পাৰে। জন মাৰ্শ্বালৰ মতে এই যোগ মূৰ্ত্তিটি পৌৰাণিক মহাযোগী শিৱ দেৱতাৰ প্ৰটো ৰূপ হ'ব পাৰে। সিন্ধু উপত্যকাৰ প্ৰাচীন অধিবাসীসকলে শিৱক লিংগৰূপত পূজা কৰিছিল। অনেক ক্ষেত্ৰত বিশেষণ ৰূপে ৰুদ্ৰ শব্দটো প্ৰয়োগ কৰা হৈছিল। অন্যহাতে ৰুদ্ৰৰ বিশেষণ ৰূপেও শিৱ শব্দৰ প্ৰয়োগো কম নহয়। শিৱ বৈদিক দেৱতা নহয় কিন্তু ৰুদ্ৰ বৈদিক দেৱতা। সময়ৰ সোতত দুয়ো মিলি শিৱ ৰুদ্ৰ স্বৰূপে বৈদিক সাহিত্যত প্ৰয়োগিত হ'বলৈ

ধৰিলে। শিৱ ৰুদ্ৰৰ মিলনৰ সাংস্কৃতিক তাৎপৰ্য ৰক্ষিত হৈছে আৰ্য আৰু অনাৰ্যৰ মিলন প্ৰক্ৰিয়াৰ প্ৰয়োগ বৈশিষ্ট্যত।

শৈৱ ধৰ্ম প্ৰচাৰ-প্ৰসাৰ আৰু জনপ্ৰিয়তা অতি প্ৰাচীন কালৰে পৰা চলি আহিছে প্ৰাগজ্যোতিষ কামৰূপত। প্ৰাগজ্যোতিষৰ আদিম অধিবাসী ভাৰতীয় মংগোলীয়সকল অৰ্থাৎ কিৰাতসকল আছিল শৈৱ। নৰক প্ৰাগজ্যোতিষ কামৰূপলৈ অহাৰ পূৰ্বৰে পৰা শৈৱ ধৰ্মী কিৰাতসকলে ইয়াত বৰপীৰা পাৰি বহি আছিল।

খ্ৰীঃ সপ্তম শতিকাৰ পৰা খ্ৰীঃ দ্বাদশ শতিকা পৰ্যন্ত প্ৰাচীন কামৰূপৰ নৃপতিসৱ আছিল শৈৱ ধৰ্মৰ পৃষ্ঠপোষক। অসমত আন আন দেৱ দেৱীৰ মন্দিৰৰ তুলনাত শিৱ মন্দিৰৰ সংখ্যাই সৰহ আছিল। প্ৰাগজ্যোতিষ কামৰূপ অসমত প্ৰাচীন কালৰেপৰা যে শিৱ উপাসনাই প্ৰাধান্য লাভ কৰি আছিল তাৰ আভাস পোৱা যায় খ্ৰীঃ সপ্তম শতিকাৰ পৰা খ্ৰী দ্বাদশ শতিকালৈকে প্ৰাচীন কামৰূপৰ ৰাজত্ব কৰা সাতগৰাকী হিন্দু ৰজাই ভূমিদান কৰাৰ প্ৰসংগত প্ৰদান কৰা তাম্ৰপত্ৰ কেইখনৰ জৰিয়তে, যিহেতু এই তাম্ৰপত্ৰ কেইখনত শিৱ দেৱতাৰ মহিমা কীৰ্ত্তন কৰা হৈছে।

অসমত ৰাজত্ব কৰা বিভিন্ন গোষ্ঠীৰ নৃপতিসৱ যেনে— কোচ নৃপতিসকল, বড়ো কছাৰীসকল, ত্ৰিপুৰাৰ নৃপতিসকল, ৰাভাসকল, কাৰবি, ডিমাছা, দেউৰী, চুতীয়া আদি নৃগোষ্ঠীসকলো আছিল শিৱ উপাসক।

শংকৰদেৱৰ পূৰ্ব পুৰুষসকলো শৈৱ আছিল। আহোমসকল ইন্দ্ৰবংশী হ'লেও তেওঁলোক আছিল শৈৱ।

পৰম্পৰাগত শৈৱ সাহিত্য দুটা ভাগত বিভক্ত মৌখিক শৈৱ সাহিত্য আৰু লিখিত শৈৱ সাহিত্য। ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ* লিখিত সাহিত্যৰ অপূৰ্ব নিদৰ্শন।

*শিৱ-পুৰাণ*-ৰ ৰচয়িতা ৰুদ্ৰসিংহ আহোম নৃপতিসৱৰ ভিতৰত শ্ৰেষ্ঠ নৃপতি। গদাধৰ সিংহৰ মৃত্যুৰ পিছত ১৬১৭ শকৰ ২৪ ফাগুনত ৰুদ্ৰসিংহই সিংহাসন আৰোহন কৰে। ৰাজ্যশাসনৰ ক্ষেত্ৰত তেওঁ যি দৰে সুখ্যাতি অৰ্জন কৰিছিল, কলা-সাহিত্য চৰ্চাতো গুৰুত্ব প্ৰদান কৰিছিল। তেওঁৰ জীৱনৰ অন্যতম সাহিত্য কৃতি হৈছে শিৱ-পুৰাণ।

*শিৱ-পুৰাণ*-ৰ বিষয়বস্তু লোৱা হৈছে সংস্কৃত শিৱ-পুৰাণ-ৰ অন্তৰ্গত *সনৎ-সংহিতা*-ৰ পৰা। সনৎ মুনিৰদ্বাৰা ব্ৰহ্মাদিৰ ওচৰত শিৱ মহিমা কথনেই এই অংশৰ মূল বক্তব্য। ৰুদ্ৰসিংহই আঠোটি অধ্যায়ৰ জৰিয়তে শিৱ-মহিমা বৰ্ণনা কৰিছে। ইয়াৰ বাহিৰেও লিংগৰূপী শিৱৰ দ্বাৰা জগৎ সৃষ্টি, পালন আৰু সংহাৰ আদিৰো বৰ্ণনা দিয়া হৈছে। শিৱই ব্ৰহ্মা আত্মাৰূপে তেওঁ সৰ্বত্ৰতে বৰ্তমান। এইফালৰ পৰা ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ* ক প্ৰকৃতাৰ্থত পুৰাণ নুবুলি শিবাষ্টক আখ্যা দিয়াহে উচিত।

ৰুদ্ৰসিংহৰ *শিৱ-পুৰাণ*-ত মাধৱ কন্দলী, শংকৰদেৱ, ৰামসৰস্বতী আদিৰ সাহিত্য নিৰ্মিতিত পৰিদৃষ্ট সামাজিক চিত্ৰ সদৃশ বিস্তৃত সমাজ জীৱনৰ পৰিচয় পোৱা নাযায়। ক'ৰবাত বিশেষকৈ শিৱ-পুৰী, বিষ্ণুপুৰী আদিৰ বৰ্ণনাত সামাজিক চিত্ৰৰ সাধাৰণ পৰিচয় পোৱা যায়।

*শিৱ-পুৰাণ*-ৰ পৰম্পৰা স্ৰষ্টাৰূপে ৰুদ্ৰসিংহই অসমীয়া সাহিত্যৰ বুৰঞ্জীত এখন সুকীয়া স্থান লাভ কৰি আছিছে।

## ২.১৩ আৰ্হি প্ৰশ্ন (Sample Questions)

১। শৈৱ ধৰ্ম বা শৈৱমাৰ্গৰ ইতিহাস আৰ্য-আৰ্যতেৰ সংস্কৃতিৰ সমন্বয়ৰ ইতিহাস। — মন্তব্যটি হয় খণ্ডন কৰক নহয় মণ্ডন কৰক।

২। লিংগ উপাসনাৰ সৈতে শিৱ মহাদেৱৰ সম্পৰ্ক এই সন্দৰ্ভত এটি আলোচনা আগবঢ়াওক।

৩। প্ৰাগজ্যোতিষ কামৰূপত শিৱদেৱতাৰ জনপ্ৰিয়তা সম্পৰ্কে আলোচনা কৰাক।

৪। খ্ৰীঃ সপ্তম শতিকাৰ পৰা খ্ৰীঃ দ্বাদশ শতিকা পৰ্যন্ত প্ৰাগজ্যোতিষ কামৰূপত ৰাজত্ব কৰা নৃপতিসকল যে শৈৱ ধৰ্মৰ পৃষ্ঠপোষক আছিল তাৰ প্ৰমাণ কি? হিউৱেন চাঙে পুৰণি কামৰূপত শৈৱ ধৰ্মৰ প্ৰসাৰ আৰু জনপ্ৰিয়তা সম্পৰ্কে কি কৈছিল বুজাই লিখক।

৫। বাচিক কলাত শিৱদেৱতাই কিদৰে অৰ্থপূৰ্ণ স্থান লাভ কৰি আহিছে দৃষ্টান্তসহ আলোচনা কৰক।

৬। অসমীয়া লিখিত সাহিত্যত শিৱদেৱতাই কি দৰে মহিমাময় স্থান লাভ কৰি আহিছে বহলাই আলোচনা কৰক।

৭। ৰুদ্ৰসিংহৰ শিৱ-পুৰাণ-ক প্ৰকৃত অৰ্থত পুৰাণ বুলিব পাৰি নে নোৱাৰি আলোচনা কৰক।

৮। পুৰাণ কাক বোলে? পুৰাণ কেইবিধ? পুৰাণৰ লক্ষণবোৰ কি কি? ৰুদ্ৰসিংহৰ শিৱ-পুৰাণখনিক যথাৰ্থতে পুৰাণ বুলিব পাৰি নে নোৱাৰি আলোচনা কৰক।

৯। ৰুদ্ৰসিংহৰ শিৱ-পুৰাণত সামাজিক চিত্ৰ এই সন্দৰ্ভত এটি প্ৰবন্ধ লিখক।

১০। ৰুদ্ৰসিংহৰ শিৱ-পুৰাণৰ বৈশিষ্ট্যসমূহ কি কি?

১১। ৰুদ্ৰসিংহৰ শিৱ-পুৰাণত শিৱ মহিমা কি দৰে প্ৰকাশ পাইছে আলোচনা কৰক।

১২। ৰুদ্ৰসিংহ কৃত শিৱ-পুৰাণৰ মূল আৰু কবিৰ মৌলিকতাৰ বিষয়ে এটি টোকা লিখক।

১৩। শৈৱ মঠ মন্দিৰ আদিৰ বিষয়ে এটি টোকা লিখক।

১৪। ৰুদ্ৰসিংহই ৰচনা কৰা গীতৰ বিষয়ে এটি টোকা লিখক।

১৫। চমুটোকা লিখক ঃ

অগ্নি, শিৱ, ৰুদ্ৰ, কেদাৰেশ্বৰ, গোকৰ্ণ, জ্যোতিৰ্লিংগ, অচ্যুত, শিৱৰ অষ্টমূৰ্ত্তি আৰু অষ্টস্থান, আশুতোষ, মহেশ্বৰ, ইন্দ্ৰিয়, ঈশান, কপালি, কতিবাম, খটাংগ, জটাধৰ।

## ২.১৩ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


দুৰ্গেশ্বৰ ওজানাথ ঃ *ব্যাস সংগীতৰ ৰূপৰেখা*

বাণীকান্ত কাকতি ঃ *পুৰণি অসমীয়া সাহিত্য*

লীলা গগৈ ঃ *আহোম জাতি আৰু অসমীয়া সংস্কৃতি*

(——) ঃ *টাই সংস্কৃতিৰ ৰূপৰেখা*

প্ৰফুল্ল দত্ত গোস্বামী (সম্পা.) ঃ *বাৰ মাহৰ তেৰগীত*

বীৰেন্দ্ৰ কুমাৰ গোহাই ঃ *আমাৰ দেৱতা শিৱ*

বীৰেন্দ্ৰনাথ দত্ত (সম্পা.) ঃ *গোৱালপৰীয়া লোকগীত সংগ্ৰহ*

ভবেন নাৰ্জি ঃ *বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি*


* * *

## চতুৰ্থ খণ্ড

## শাক্ত ধৰ্ম আৰু অসমীয়া শাক্ত সাহিত্য

পূৰ্বৱৰ্তী খণ্ডটিত ভক্তিৰ স্বৰূপ, সংজ্ঞা আৰু ধাৰণা, ভক্তি জাগৰণৰ পটভূমি আৰু বৈশিষ্ট্য আৰু ভক্তিতত্ত্ব প্ৰকাশক পুৰাণৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই খণ্ডটিত শাক্ত ধৰ্ম বিষয়ক অসমীয়া সাহিত্যৰ বিষয়ে আলোচনা কৰা হ'ব। খণ্ডটিক তিনিটা বিভাগত বিভক্ত কৰি আলোচনা কৰা হৈছে—

| | | |
|---|---|---|
| **প্ৰথম বিভাগ** | ঃ | **শাক্ত ধৰ্ম আৰু অসমীয়া শাক্ত সাহিত্য** |
| **দ্বিতীয় বিভাগ** | ঃ | **ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰী চণ্ডী'** |
| **তৃতীয় বিভাগ** | ঃ | **নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' (ভাটিয়ালী খণ্ড)** |

**প্ৰথম বিভাগ**ৰ আৰম্ভনিতে শাক্ত ধৰ্মৰ ইতিহাস দাঙি ধৰা হৈছে। বিভাগটিত অসমীয়া শাক্ত সাহিত্যৰ শিতানত মৌখিক সাহিত্য, মনসা সাহিত্য, অনুবাদ সাহিত্য, বৈষ্ণৱ সাহিত্যত শাক্ত উপাদান আৰু অন্যান্য সাহিত্যত শাক্ত উপাদান আদি দিশবোৰ পৰ্যায়ক্ৰমে আলোচনা কৰা হৈছে।

**দ্বিতীয় বিভাগ**ত অসমীয়া শাক্ত সাহিত্যৰ এখনি উল্লেখযোগ্য গ্ৰন্থ ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰী চণ্ডী'ৰ আলোচনাই ঠাই পাইছে। 'শ্ৰীশ্ৰী চণ্ডী'ৰ পৰিচয়, ৰুচিনাথ কন্দলী আৰু তেওঁৰ সাহিত্য কৃতি, মূলৰ সৈতে কন্দলীৰ গ্ৰন্থৰ সাদৃশ্য-বৈসাদৃশ্য, গ্ৰন্থখনত আন আন পুৰাণৰ সমল আদি দিশবোৰ সূক্ষ্মভাৱে বিশ্লেষণ কৰি দেখুওৱা হৈছে।

**তৃতীয় বিভাগ**ৰ বিষয়বস্তু হ'ল মনসা সাহিত্যৰ উল্লেখযোগ্য গ্ৰন্থ সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' (ভাটিয়ালী খণ্ড)। পদ্মা-পুৰাণৰ বিষয়বস্তু, মূল আৰু মৌলিকতা, বৈশিষ্ট্য, গ্ৰন্থখনত পৰিলক্ষিত হোৱা দেৱী মাহাত্ম্য, লোককথা আৰু সামাজিক চিত্ৰৰ বিভিন্ন দিশসমূহ বিভাগটিৰ মূল বিষয়বস্তু। বিভাগটিৰ আৰম্ভনিতে কবি পৰিচয় আৰু তেওঁৰ কাব্যকৃতি পৰ্যালোচনা কৰা হৈছে।

## প্ৰথম বিভাগ

# শাক্ত ধৰ্ম আৰু অসমীয়া শাক্ত সাহিত্য

**বিভাগৰ গঠন**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ শাক্তধৰ্মৰ ইতিহাস
১.৪ অসমৰ শাক্ত সাহিত্য
১.৪.১ মৌখিক সাহিত্য
১.৪.২ মনসা সাহিত্য
১.৪.৩ অনুবাদ সাহিত্য
১.৪.৪ বৈষ্ণৱ সাহিত্যত শাক্ত উপাদান
১.৪.৫ অন্যান্য সাহিত্যত শাক্ত উপাদান
১.৫ সাৰাংশ (Summing Up)
১.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ১.১ ভূমিকা (Introduction)

অসমৰ শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ ঐতিহ্য অতি উজ্জ্বল। অতি প্ৰাচীন কালৰে পৰা এই তিনিওটা ধৰ্ম অসমত সমান্তৰালভাৱে চলি আহিছে। এই তিনিওটা ধৰ্মৰ প্ৰাচীনত্বৰ প্ৰমাণ শিলালিপি, তামৰ ফলি, প্ৰাচীন স্থাপত্য-ভাস্কৰ্য আৰু বিভিন্ন গ্ৰন্থৰ পৰা পাব পাৰি। বহুতৰে ধাৰণা যে, অসমত আগেয়ে শৈৱ আৰু বৈষ্ণৱ ধৰ্মহে চলিছিল, শাক্ত ধৰ্মৰ প্ৰচলন নাছিল। কিন্তু এই ধাৰণা সঠিক নহয়। মহাপুৰুষ শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ কেইবাশ বছৰৰ আগৰেপৰা অসমত শাক্ত ধৰ্মৰ প্ৰচলন আছিল। শক্তি বা দেৱীৰ মূল বীজটো বেদতে আছিল। কিন্তু আজিৰ দেৱীৰ স্থূল ৰূপ এটাহে আছিল। পুৰাণৰ যুগতহে বেদৰ দেৱীয়ে ৰূপ পালে। এই সম্পৰ্কে কালিকা পুৰাণ, দেৱী পুৰাণ, মৎস্য পুৰাণ, লিঙ্গ পুৰাণ, যোগিনীতন্ত্ৰ আদিৰ নাম উল্লেখযোগ্য। এই আটাইবোৰ পুৰাণৰ ভিতৰত কালিকা পুৰাণেহে দেৱী পূজাক অধিক জনপ্ৰিয় কৰি তোলে। পুৰাণৰ উপৰিও তন্ত্ৰশাস্ত্ৰসমূহেও শক্তিৰ প্ৰাধান্য বঢ়াইছিল। যোগিনীতন্ত্ৰতো কামৰূপত বিবিধ প্ৰকাৰে শক্তি উপাসনা কৰাৰ কথা আছে। তদুপৰি নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শঙ্কৰদেৱৰ আদি পুৰুষেও শক্তিৰ উপাসনা কৰাৰ কথা গুৰু চৰিতত পোৱা যায়।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে —

- অসমত প্ৰাচীন কালৰেপৰা প্ৰচলিত শাক্ত, শৈৱ আৰু বৈষ্ণৱ ধৰ্মৰ বিষয়ে জানিব পাৰিব,
- শাক্ত ধৰ্মৰ ইতিহাস সম্পৰ্কে আলোচনা আগবঢ়াব পাৰিব,
- বিভিন্ন যুগৰ ৰাজ পৃষ্ঠপোষকতাত শাক্ত ধৰ্মই কেনেদৰে বিকাশ তথা জনপ্ৰিয়তা অৰ্জন কৰিব পাৰিছিল সেই বিষয়ে বিৱৰণ দিব পাৰিব,

- শাক্ত ধৰ্মৰ লগতে এই ধৰ্মক কেন্দ্ৰ কৰি কি কি শাক্ত সাহিত্যৰ সৃষ্টি হৈছিল সেই বিষয়ে অৱগত হৈ ব্যাখ্যা আগবঢ়াবলৈ সক্ষম হ'ব,
- শাক্ত সাহিত্যৰ শ্ৰেণীবিভাজন সম্পৰ্কে ফঁহিয়াই আলোচনা কৰিবলৈ সমৰ্থ হ'ব।

## ১.৩ শাক্তধৰ্মৰ ইতিহাস

মানুহ আদিতে প্ৰকৃতি পূজক আছিল। প্ৰকৃতিৰ অংশীদাৰ স্বৰূপে কিছুমান শক্তিক প্ৰত্যক্ষ কৰি তেওঁলোকে পূজা কৰিছিল। সূৰ্য, বায়ু, বৰুণ, অগ্নি, ইন্দ্ৰ, পৰ্বত-পাহাৰ, গছ-গছনি, নদ-নদী আদিক বিশ্বাস অনুযায়ী তেওঁলোকে বিধে বিধে পূজা কৰিছিল। শ শ বছৰ অতিক্ৰম কৰাৰ পিছত আদিম ভাৰতবাসীৰ ভৌগোলিক স্থিতি, প্ৰাকৃতিক পৰিবেশ, ধৰ্মীয় বিশ্বাস, সাংস্কৃতিক ৰীতি অনুযায়ী জনগোষ্ঠীসমূহৰ উপাস্য দেৱ-দেৱী নিৰ্দিষ্ট হৈ পৰে। অসমত এনে এক প্ৰক্ৰিয়াৰ ফলত সৃষ্টি হৈছিল শাক্ত পূজা বা শাক্ত ধৰ্মৰ। শাক্ত ধৰ্মৰ মূল উপাস্য হৈছে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী। এই দেৱীৰ বিভিন্ন ৰূপ বা নামৰ কথা পোৱা যায়। যেনে ঃ ভগৱতী, চণ্ডী, কাত্যায়নী, উমা, পাৰ্বতী, মহিষমৰ্দিনী, কামাখ্যা, ভৈৰৱী, চামুণ্ডা, কালী, গৌৰী, তাৰা, চণ্ডিকা, মহামায়া, দশভূজা, যোড়শভূজা, লক্ষ্মী, সৰস্বতী আদি।

পুৰাণ শাস্ত্ৰই প্ৰমাণ দিয়ে প্ৰাগজ্যোতিষৰ ৰজা নৰকেই শক্তিৰ প্ৰথম সেৱক আছিল আৰু তেৱেঁই অসমত (প্ৰাগত) দেৱীপূজাৰ প্ৰচলন কৰিছিল। উল্লেখযোগ্য যে, নৰকৰ জন্ম হৈছিল বৰাহৰূপী বিষ্ণুৰ ঔৰসত। সেই বাবে বিষ্ণুৱে নৰকক প্ৰাগজ্যোতিষৰ ৰজা পাতে আৰু এই বিশাল ৰাজ্য শাসন কৰিবলৈ দিয়ে। লগতে বিষ্ণুৱে নৰকক এই বুলিও নিৰ্দেশ দিয়ে — 'কামাখ্যাৰ বাহিৰে তুমি আন দেৱতাক পূজা নকৰিবা (কামাখ্যাং ত্বাং বিনা পুত্ৰ নান্যদেৱং যজিষ্যামি)। আকৌ এই বুলি সাৱধান বাণী শুনায় — যদি এই কথাৰ ব্যতিক্ৰম ঘটে তেনেহ'লে নৰকৰ প্ৰাণনাশ হ'ব। ফলত নৰকাসুৰ শক্তিৰ একান্ত উপাসক হৈ পৰে আৰু তেওঁৰ যোগেদিয়েই অসমত শাক্ত ধৰ্মৰ উত্থান ঘটে।

কেইবাখনো বিখ্যাত তন্ত্ৰ শাস্ত্ৰত ভাৰতবৰ্ষৰ চাৰিখন প্ৰাচীন শক্তি পীঠৰ ভিতৰত কামৰূপপীঠক শ্ৰেষ্ঠ মহাপীঠ বুলি কোৱা হৈছে। বাকী তিনিখন পীঠ হ'ল — পূৰ্ণগিৰি, উড্ডিয়ান আৰু জালন্ধৰ। অতি প্ৰাচীন কালৰেপৰাই কামৰূপ ক্ষেত্ৰ শক্তি সাধনৰ শ্ৰেষ্ঠ পীঠ হিচাপে স্বীকৃতি পাই আহিছে। কামাখ্যা তীৰ্থৰ মাহাত্ম্যই কামৰূপ পীঠক অতীতৰপৰা মহত্বপূৰ্ণ কৰি ৰাখিছে। প্ৰাচীন আৰু মধ্যযুগীয় কামৰূপ তন্ত্ৰ-মন্ত্ৰ আৰু ইন্দ্ৰজাল বিদ্যাৰ বাবে বিখ্যাত আছিল। আনকি ঊনবিংশ শতিকালৈকে বাহিৰৰ মানুহে অসমক তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যাৰ কাৰণে ভয়ৰ দৃষ্টিৰে চাইছিল। মুঠতে, এই কামৰূপ পীঠ তান্ত্ৰিক সংস্কৃতিৰ কেন্দ্ৰ হিচাপে ভাৰতৰ ভিতৰতে অদ্বিতীয় আছিল। কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, কুব্জিকাতন্ত্ৰ, দেৱীভাগৱত আদি গ্ৰন্থসমূহে কামৰূপ শক্তি সাধন আৰু সিদ্ধিলাভৰ প্ৰশস্ত ক্ষেত্ৰ বুলি নিৰ্দেশ কৰিছে। গতিকে এনে এখন পূণ্যস্থানত দীৰ্ঘকালিনভাৱে শাক্তধৰ্ম ব্যাপকভাৱে চৰ্চিত হৈ থকাটো স্বাভাৱিক।

কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰই স্পষ্টভাৱে কৈছে যে, কামৰূপৰ নিচিনা আৰু কোনো ঠাই নাই, যি ঠাই দেৱীৰ আৱাসস্থানৰ কাৰণে উপযুক্ত। অন্য দেশত যি দুৰ্লভ, সেই দেৱী কামৰূপৰ ঘৰে ঘৰে বিৰাজমান ঃ

> *"দেৱীক্ষেত্ৰং কামৰূপং বিদ্যতেহন্যন তৎসমম্।*
> *অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।।"*

'কালিকাপুৰাণ'ত আদ্যশক্তি মহামায়াৰ বিভিন্ন ৰূপৰ বিস্তৃত বিৱৰণ, পূজা-উপাসনাৰ

পদ্ধতি, শক্তি সাধনাৰ বিভিন্ন ব্যৱস্থা আদিৰ যিমান সূক্ষ্ম বৰ্ণনা দিয়া হৈছে, তাৰপৰা অনুমান কৰিব পাৰি যে, কালিকা পুৰাণ ৰচনা কৰাৰ সময়ত বা তাৰ আগৰেপৰা অসমত শাক্তধৰ্মৰ প্ৰচলন আছিল। কালিকাপুৰাণে পূৰ্বৰ এক শক্তিকে বহুত ভাগত বিভক্ত কৰি শক্তিৰ বিস্তাৰ সাধন কৰে। *কালিকাপুৰাণে* এক শক্তি বা দেৱীকে সতী, পাৰ্বতী, দুৰ্গা, কামাখ্যা, ত্ৰিপুৰাসুন্দৰী, কেঁচাইখাতী তাম্ৰেশ্বৰী, মহামায়া, উগ্ৰতাৰা আদি অনেক ৰূপ দিলে। এইখিনিতে মন কৰিবলগীয়া যে, কালিকা পুৰাণে দেৱীৰ বহুৰূপৰ জন্ম দিলেও প্ৰধানভাৱে চাৰিটা হ'ল — মাতৃৰূপী কামাখ্যা, পত্নীৰূপী পাৰ্বতী, কুমাৰীৰূপী ত্ৰিপুৰা সুন্দৰী আৰু সংহাৰৰূপী কেঁচাইখাতী তাম্ৰেশ্বৰী। কালিকাপুৰাণৰ এই চাৰিটা ৰূপৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে, দেৱীৰ এই চাৰিটা ৰূপ দুই ধৰণৰ। প্ৰথমটো ভাগত পৰে মাতৃৰূপে কামাখ্যা, পত্নীৰূপে পাৰ্বতী আৰু কুমাৰীৰূপে ত্ৰিপুৰাসুন্দৰী। দ্বিতীয় ভাগত থাকিল কেবল সংহাৰৰূপিনী কেঁচাইখাতী তাম্ৰেশ্বৰী। এই ভাগ দুটাৰ পৰা স্পষ্ট হৈ পৰে যে, প্ৰথমটো ভাগৰ তিনিটা ৰূপ মাতৃ, পত্নী আৰু কুমাৰী সুন্দৰৰ প্ৰতীক আৰু দ্বিতীয় ভাগৰ কেঁচাইখাতী তাম্ৰেশ্বৰী ৰূপটো ভয়াবহতাৰ প্ৰতীক। একালত নাৰীৰ শান্তি দায়িনী ৰূপৰ প্ৰতীক ৰূপেই মাতৃ, পত্নী আৰু কুমাৰী ৰূপত শক্তিক উপাসনা কৰা হৈছিল। তাৰ বিপৰীতে শান্তি ভঙ্গ কৰিব পৰা যিকোনো অশুভ শক্তিৰ প্ৰতীক ৰূপত কেঁচাইখাতী তাম্ৰেশ্বৰীক পূজা কৰাৰ ব্যৱস্থা আছিল (প্ৰহ্লাদ কুমাৰ বৰুৱা, *ধৰ্ম সমীক্ষা,* পৃঃ ৬)।

ত্ৰয়োদশ শতিকাৰ চুটিয়া ৰজা ৰত্নধ্বজ শাক্ত আছিল। সেই ৰাজ্যত 'কেঁচাইখাতী'ৰ ৰূপত কালী দেৱীক পূজা উপাসনা কৰা হৈছিল। তাম্ৰপাতৰ মন্দিৰত অধিষ্ঠিতা কাৰণে কেঁচাইখাতী দেৱী পৰৱৰ্তীকালত 'তাম্ৰেশ্বৰী' নামেৰে জনাজাত হৈছিল। কেঁচাইখাতীৰ আগত পশু বলি দিয়াৰ উপৰিও নৰবলি পৰ্য্যন্ত দিয়া হৈছিল বুলি জনা যায় (হৰিনাথ শৰ্মাদলৈ, *শক্তি সাধনা আৰু শাক্ত সাহিত্য,* পৃঃ ৫১)। বহুকালৰ আগৰেপৰা কেঁচাইখাতী গোসানীক কছাৰীসকলেও বলি-বিধানেৰে পূজা কৰি অহাৰ প্ৰমাণ কছাৰী বুৰঞ্জীত পোৱা যায়।

প্ৰতাপ সিংহৰ দিনত (১৬১১-১৬৪৯) মাটিৰ দুৰ্গা মূৰ্তি নিৰ্মাণ কৰি দুৰ্গা পূজা কৰাৰ নীতি প্ৰচলিত হয়। আনহাতে, আহোম ৰাজত্বকালৰ ৰজা শিৱ সিংহ আৰু তেওঁৰ তিনি গৰাকী ৰাণী ক্ৰমে ঃ ফুলেশ্বৰী, অম্বিকা আৰু সৰ্বেশ্বৰী ঘোৰ শাক্ত আছিল। ৰাজক্ষমতা পোৱাৰ পিছত ফুলেশ্বৰীয়ে শাক্ত ধৰ্ম প্ৰচাৰ কৰিবলৈ উঠি পৰি লাগিছিল। তেৱেঁই ৰজাঘৰৰ পৰা দুৰ্গাপূজা পাতি শাক্তবিৰোধী মোৱামৰীয়া মহন্তসকলক বলপূৰ্বভাৱে দেৱীৰ আগত আঠু লোৱাই, ফোঁট দি, প্ৰসাদ খুৱাই অপমান কৰিছিল।

গেইট চাহাবৰ মতে, প্ৰথম কোঁচ ৰজা বিশ্বসিংহ শিৱ আৰু দুৰ্গা দুয়োৰে ভক্ত আছিল। বিশ্বসিংহই কামাখ্যা মন্দিৰ নিৰ্মাণ কৰায় আৰু ইয়াৰ যথোচিত পূজা সেৱাৰ ব্যৱস্থা কৰি দিয়ে। আনহাতে বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণে কালাপাহাৰে ধ্বংস কৰি থৈ যোৱা কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণ কৰি উলিয়ায়। এইবোৰে ৰজাৰ দেৱীৰ প্ৰতি থকা আস্থাৰ কথাকে সূচায়।

মধ্যযুগীয় অসমত শাক্ত ধৰ্মৰ প্ৰচলন থকাৰ প্ৰমাণ গুৰু চৰিততো পোৱা যায়। শঙ্কৰদেৱৰ আগত শৰণ লোৱাৰ আগলৈকে মাধৱদেৱেও বলি-বিধানেৰে কৰা শক্তি পূজাত একান্ত বিশ্বাসী আছিল। কথা গুৰুচৰিততে পোৱা যায় শঙ্কৰদেৱে শক্তি পূজা নকৰা বাবে তেওঁৰ বিৰুদ্ধে কিছুমান লোকে মহাৰাজ নৰনাৰায়ণৰ ওচৰত গোচৰ দিছিল।

এই সকলোবোৰ তথ্যই ইঙ্গিত দিয়ে শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ আগলৈকে অসমত শাক্ত ধৰ্ম প্ৰচলিত আছিল। ড° বাণীকান্ত কাকতিয়ে দেৱীপূজা, বামাচাৰীপূজা, কৌলচাৰ, কৈৱাত ধৰ্ম আৰু কৈৱাতিক অনুষ্ঠান আদিৰ বিষয়ে আলোচনা কৰি অসমত শাক্ত ধৰ্মৰ প্ৰাধান্যকে দেখুৱাইছে।

অসমৰ শক্তি উপাসনা কৰাৰ পৰম্পৰা পঞ্চাশ শতিকালৈকে যথেষ্ট প্ৰবল আছিল। কিন্তু পঞ্চদশ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশাল প্ৰতিভা আৰু তেওঁৰ যুগজয়ী সাংস্কৃতিক প্ৰমূল্যযুক্ত নৱ বৈষ্ণৱ ধৰ্মৰ আন্দোলনৰ ফলত শক্তি উপাসনা স্তিমিত হৈ পৰিছিল। কিন্তু ৰুদ্ৰসিংহ, শিৱ সিংহ আদি স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত অসমত শক্তি উপাসনাই কিছু জনপ্ৰিয়তা লাভ কৰিছিল। কিন্তু লগে লগে শ্ৰীমন্ত শঙ্কৰদেৱৰ বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱ দিনক দিনে বাঢ়ি যোৱাত শাক্ত ধৰ্মই সিমান গা কৰিব পৰা নাছিল। কিন্তু ঊনবিংশ শতিকাৰ মাজ ভাগৰপৰা অসমত দেৱী পূজাই পুনৰ জনপ্ৰিয়তা লাভ কৰিবলৈ ধৰে। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসম ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনলৈ যোৱাৰ ফলত অসমলৈ চাকৰি কৰিবলৈ অহা চুবুৰীয়া বঙালীসকলে অসমত শক্তি পূজাক পুনৰ জনপ্ৰিয় কৰি তোলে। ইতিমধ্যে অসমত গঢ় লৈ উঠা চাহ উদ্যোগৰ ফলত দিনক দিনে বাগিছাবোৰ বাঢ়ি যোৱাত চাহ বাগিচাবোৰক কেন্দ্ৰ কৰি দেৱীপূজাৰ প্ৰচলন পুনৰ ব্যাপক হ'বলৈ ধৰে। আধুনিক যুগত দেৱী পূজাৰ জনপ্ৰিয়তা বৃদ্ধিত অসমবাসী  বঙালীসকলৰ ভূমিকাৰ উপৰিও আৰু এটা শক্তিয়ে দেৱী পূজাক জনপ্ৰিয় কৰি তোলাত আগভাগ ল'লে। সেই শক্তিটো হ'ল আধুনিক সভ্যতাৰ নামত গঢ় লৈ উঠা অসমৰ নগৰকেন্দ্ৰিক বিলাসী সভ্যতা। এই শ্ৰেণীটোৱে ধৰ্মীয় ভাৱতকৈ বাহ্যিকতা প্ৰদৰ্শন, বিলাসিতা আৰু আমোদ-প্ৰমোদৰ উদ্দেশ্যেৰেহে দুৰ্গাপূজাৰ দৰে অনুষ্ঠানত সৰ্বাধিক গুৰুত্ব দিবলৈ ধৰিলে (বাণীকান্ত কাকতি, *অসমৰ দেৱী পূজাৰ চলতি* 'প্ৰবন্ধ' পৃঃ ৮)।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমত শাক্ত ধৰ্মৰ পৰম্পৰা কেতিয়াৰে পৰা আৰম্ভ হৈছিল? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................
.......................................................................
.......................................................................

## ১.৪ অসমৰ শাক্ত সাহিত্য

অসমৰ শাক্ত সাহিত্যক মূলতঃ দুটা ভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি। এটা ভাগ হ'ল সংস্কৃত ভাষাত ৰচিত শাক্ত সাহিত্য আৰু আনটো ভাগ হ'ল অসমীয়া ভাষাত ৰচিত শাক্ত সাহিত্য। সাধক-পণ্ডিতসকলে শক্তি সাধনা, শক্তি পূজা আৰু সিদ্ধিলাভৰ বিভিন্ন পদ্ধতি, ক্ৰিয়া-প্ৰতিক্ৰিয়া আৰু সাধনতত্ত্ব সম্পৰ্কে দেৱভাষা সংস্কৃতত ভালেমান গ্ৰন্থ প্ৰণয়ন কৰিছিল। প্ৰকাশিত আৰু অপ্ৰকাশিত সাঁচিপচীয়া পুথিৰ সংস্কৃত শাক্ত সাহিত্যৰ নিদৰ্শন স্বৰূপে কেইখনমানৰ নাম উল্লেখ কৰা হ'ল। এইবোৰ কামৰূপ কামাখ্যাৰ মাহাত্ম্যসূচক শাক্তপুথি। যেনে — *মাহানিৰ্বান তন্ত্ৰ, কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, কুব্জিকাতন্ত্ৰ, হৰগৌৰী সংবাদ, সৰ্বোল্লাসতন্ত্ৰ, কামাখ্যাতন্ত্ৰ, পুৰশ্চৰণ চন্দ্ৰিকা, পঞ্চ-মন্ত্ৰ-দীক্ষা-কৌমুদী, গূঢ়াৰ্থ দীপিকা, দেৱী পূজা-ভাস্কৰ, দেৱীমাহাত্ম্য, চণ্ডীমাহাত্ম্য, সপ্তশতী, চণ্ডীটীকা, অন্নদাকল্প, পূজাবিধি, বৃত্তি সংগ্ৰহ, কুমাৰীপূজা বিধি, সৰ্ব দেৱ-দেৱী পূজা, দুৰ্গাস্তোত্ৰ, দুৰ্গা শতনাম স্তোত্ৰ, দুৰ্গা কবচ, দুৰ্গা পূজা পদ্ধতি, কালী শতনাম স্তোত্ৰ, সপ্তশতী চণ্ডীকৱচ, কালিকা স্তোত্ৰ, লক্ষ্মী স্তোত্ৰ, বলিদানবিধি, তাৰা পূজা বিধি, সৰস্বতী স্তোত্ৰ, তুলসী মাহাত্ম্য, তন্ত্ৰসাৰ, বৃহৎ যোগিনী তন্ত্ৰ, ৰুদ্ৰচণ্ডী, শতচণ্ডী বিধান, শ্যামা ৰহস্যতন্ত্ৰ, কালী উদ্ধাৰতন্ত্ৰ, জগদ্ধাত্ৰী পূজা-পাতল* আদি (পৰীক্ষিত হাজৰিকা, *শ্ৰীশ্ৰী চণ্ডী* 'ভূমিকা')।

প্ৰাচীন কামৰূপৰ সংস্কৃত সাহিত্যই খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা পুৰণি অসমীয়া শাক্ত সাহিত্যলৈ গতি কৰে। অতি প্ৰাচীনকালৰেপৰা কামৰূপক্ষেত্ৰ শক্তি সাধনাৰ শ্ৰেষ্ঠ পীঠ হিচাপে স্বীকৃতি পাই আহিছে। এই শক্তিবাদৰ আধাৰতে দেশৰ ধৰ্ম, সংস্কৃতি, সাহিত্য ঠন ধৰি উঠিছিল। কিন্তু মনকৰিবলগীয়া কথা যে, পৰৱৰ্তীকালত অৰ্থাৎ মধ্য যুগৰপৰা অসমৰ সাহিত্য সৃষ্টিত শক্তিবাদৰ প্ৰভাৱ কমি আহে। ফলত অসমতে দেৱভাষা সংস্কৃতত যিমান শাক্ত সাহিত্য ৰচিত হৈছিল তাৰ তুলনাত অসমীয়া ভাষাত ৰচিত হোৱা শাক্ত সাহিত্যৰ সংখ্যা আঙুলিৰ মূৰত লেখিবপৰা। অসমীয়া সাহিত্যত শাক্তধৰ্মৰ প্ৰভাৱ হ্ৰাস পাই অহাৰ কাৰণে হৰিনাথ শৰ্মাদলৈয়ে তেওঁৰ *'শক্তি সাধনা আৰু শাক্ত সাহিত্য'* শীৰ্ষক গ্ৰন্থত ড° শশীভূষণ দাসগুপ্তৰ উদ্ধৃতি দি তিনিটা কাৰণ দাঙি ধৰিছে।

প্ৰথম, কামৰূপ কামাখ্যা তীৰ্থ প্ৰাচীন কালৰেপৰা গুহ্য তন্ত্ৰ সাধনাৰ কেন্দ্ৰ আছিল। এই গুহ্য-সাধনা এক বিশেষ গোষ্ঠী সাধকৰ মাজত সীমাবদ্ধ থকা কাৰণে ই সৰ্বসাধাৰণৰ আচৰণীয় ধৰ্মৰূপে জনপ্ৰিয়তা অৰ্জন কৰিব পৰা নাছিল।

দ্বিতীয়তে, তীৰ্থৰূপে কামাখ্যা দেৱালয়ৰ প্ৰতি অসমীয়া মানুহৰ আকৰ্ষণ খুব বেছি নহয়। কামৰূপ আৰু কামাখ্যা দেৱালয়ৰ প্ৰতি বঙালী আৰু ভাৰতৰ আন আন প্ৰদেশৰ মানুহৰহে অধিক আকৰ্ষণ আৰু সেই ঠাইবোৰৰ তীৰ্থযাত্ৰীৰ সমাগমহে ইয়াত বেছি।

তৃতীয় আৰু মুখ্য কাৰণ হ'ল শঙ্কৰদেৱৰ আবিৰ্ভাৱ আৰু ধৰ্মপ্ৰচাৰ। শঙ্কৰদেৱে অসমত সাহিত্যৰ মাধ্যমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। ধৰ্মপ্ৰচাৰৰ উদ্দেশ্যে শঙ্কৰদেৱ আৰু তেওঁৰ অনুগামীসকলে *ৰামায়ণ, মহাভাৰত, ভাগৱত পুৰাণ* আদিৰ কাহিনী অসমীয়া পদত অনুবাদ কৰাৰ উপৰিও সেইবোৰ শাস্ত্ৰৰ কিছুমান ঘটনাৰ অৱলম্বনত গীত-নাট আদিও ৰচনা কৰি গৈছে। তেওঁলোকৰ সুললিত পদে সৰ্বসাধাৰণৰ মন ভক্তি ধৰ্মৰ প্ৰতি আকৰ্ষণ কৰাৰ উপৰিও তেওঁলোকৰ কাব্যিক চাহিদাও পূৰণ কৰিব পাৰিছিল। শক্তি সাধনাৰ কেন্দ্ৰ স্থল অসমৰ শাক্ত সাহিত্যৰ যে পৰৱৰ্তীকালত যথোচিত ভাৱে সৃষ্টি নহ'ল, তাৰ কাৰণ আমিও এইকেইটাই বুলি ভাবো।

তথাপি যিখিনি অসমীয়া শাক্ত সাহিত্য পোৱা গৈছে, আলোচনাৰ সুবিধাৰ্থে আমি পাঁচটা ভাগত বিভক্ত কৰিব পাৰো —

১) মৌখিক সাহিত্য
২) মনসা সাহিত্য
৩) অনুবাদ সাহিত্য
৪) বৈষ্ণৱ সাহিত্যত শাক্ত উপাদান
৫) অন্যান্য কাব্য আৰু গীত।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমত কি কি কাৰণত শাক্ত সাহিত্য বিস্তাৰিত হ'ব পৰা নাছিল? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................
..........................................................................
..........................................................................
..........................................................................

### ১.৪.১ মৌখিক সাহিত্য

মৌখিক সাহিত্যৰ ভিতৰত আইনাম, অপেচৰা নাম, লখিমী সবাহৰ গীত, দেৱী আইৰ গীত বিষয়বস্তুৰ ফালৰপৰা শাক্ত পৰ্য্যায়ৰ অন্তৰ্ভুক্ত। এই গীতসমূহ তিৰোতাসকলৰ মাজতহে প্ৰচলিত বাবে তেওঁলোকৰ দ্বাৰাই ৰচিত বুলি অনুমান কৰা হৈছে। বসন্ত ওলালে উক্ত ৰোগৰ অধিষ্ঠাত্ৰী দেৱী বুলি বিশ্বাস কৰা সাত গৰাকী আই বা দেৱীৰ বাই-ভনীক সন্তুষ্ট কৰাৰ উদ্দেশ্যে আইনাম গোৱা হয়। বিনা ৰোগে ল'ৰা-ছোৱালী শুকাই-খীনাই গ'লে অপেচৰা সবাহ পাতি গীত গোৱা হয়। তেনেদৰে লখিমী সবাহৰ গীত, দেৱী আইৰ গীত আদি বিভিন্ন উপলক্ষে গোৱা হয়। এই কেইগৰাকী উপদেৱীক মহামায়া বা দুৰ্গাৰ অভিব্যক্তি বুলি বিশ্বাস কৰা হয়। শক্তি দেৱীৰ প্ৰতি বিশ্বাসৰ ফলতেই এই গীতখিনি সৃষ্টি হৈছে, সেই বাবে ই শাক্ত পৰ্য্যায়ত অন্তৰ্গত।

### ১.৪.২ মনসা সাহিত্য

অসমৰ লিখিত শাক্ত সাহিত্যৰ কবিৰূপে মনকৰ, দুৰ্গাবৰ আৰু সুকবি নাৰায়ণদেৱৰ নামেই মনলৈ আহে। তেওঁলোকৰ নামানুসাৰে তেওঁলোকৰ কাব্যক ক্ৰমে মনকৰী, দুৰ্গাবৰী আৰু সুকনান্নী বুলি অভিহিত কৰা হয়। মনকৰে *'মনসাকাব্য'*, দুৰ্গাবৰে *'বেউলা আখ্যান'* আৰু সুকবি নাৰায়ণদেৱে *'পদ্মাপুৰাণ'* ৰচনা কৰে। এই তিনিওখন কাব্যই সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী মনসা অৰ্থাৎ পদ্মাদেৱীৰ মাহাত্ম্য প্ৰতিষ্ঠা কৰাৰ লগতে মনসাপূজাৰ এটা বিকাশমান অৱস্থাৰ প্ৰমাণ দিয়ে। উল্লেখযোগ্য যে এই তিনিওখন কাব্যই মহাপুৰুষ শঙ্কৰদেৱ তথা বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ সমসাময়িকভাৱে ৰচিত হৈছিল।

### ১.৪.৩ অনুবাদ সাহিত্য

শক্তি বা দেৱী মাহাত্ম্য প্ৰকাশক ভালেমান সংস্কৃত পুথি অসমীয়ালৈ অনুবাদ কৰাৰ প্ৰমাণ পোনা যায়। তেনে অনুবাদমূলক গ্ৰন্থৰ ভিতৰত প্ৰথমে *'শ্ৰীশ্ৰীচণ্ডী'* উল্লেখযোগ্য। পীতাম্বৰ কবি, ৰুচিনাথ কন্দলী, ৰংগনাথ চক্ৰৱৰ্ত্তী আৰু মধুসুদন মিশ্ৰ — এই চাৰিগৰাকী কবিয়ে চণ্ডীৰ আখ্যানভাগ পৃথকে পৃথকে চাৰিখন কাব্যৰূপে অসমীয়ালৈ অনুবাদ কৰিছে। আহোম স্বৰ্গদেউ শিৱসিংহ আৰু ফুলেশ্বৰীৰ ৰাজত্বকালত কবি অনন্ত আচাৰ্যই ২৮৫ টা শ্লোকত *'আনন্দ লহৰী'* ৰচনা কৰে। এই গ্ৰন্থখনি শঙ্কৰাচাৰ্য্যৰ *'সৌন্দৰ্য্য লহৰী'*ৰ নামৰ গ্ৰন্থৰ অনুবাদ। আন এগৰাকী শাক্ত কবি ৰামচন্দ্ৰ বৰপাত্ৰই বিখ্যাত *'যোগিনীতন্ত্ৰ'*ৰ মুকলি অনুবাদ কৰে। সংস্কৃত ভাষাৰপৰা অসমীয়ালৈ অনুবাদ হোৱা শাক্ত সম্পৰ্কীয় আন আন পুথিসমূহৰ ভিতৰত এইকেইখনৰ নাম উল্লেখনীয় — *গুপ্তমণি, গুপ্তসাৰ, কালিকাপুৰাণ, হৰগৌৰী সংবাদ* আদি।

### ১.৪.৪ বৈষ্ণৱ সাহিত্যত শাক্ত উপাদান

ভগৱান শ্ৰীকৃষ্ণ বা বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন আৰু প্ৰচাৰৰ উদ্দেশ্য বৈষ্ণৱ সাহিত্যৰাজিৰ সৃষ্টি হৈছিল। গতিকে বৈষ্ণৱ সাহিত্যৰ মাজত শক্তিৰ প্ৰাধান্য আশা কৰিব নোৱাৰি। তথাপি, বৈষ্ণৱ সাহিত্যৰ কোনো কোনো অংশত শাক্তভাৱৰ চিটিকনি নপৰাকৈ থকা নাই। বৈষ্ণৱ সাহিত্যৰ মাজত প্ৰকাশ পোৱা এনে ধৰণৰ শক্তি মাহাত্ম্যসূচক বৰ্ণনাৰ অংশবিশেষ তলত উদ্ধৃত কৰা হ'ল।

(১) *মহামায়া কাত্যায়নী দিয়ো এহি বৰ।*
*আমাৰ হোন্তক স্বামী নন্দন কুমাৰ।।*

(২)  *অনেক নৈবেদ্য দিয়া কৰিলন্ত পূজা।*
*প্ৰণামী বোলন্ত তুষ্ট হুয়ো দশভূজা।।*

প্ৰথম উদাহৰণটি মহাপুৰুষ শঙ্কৰদেৱৰ ভাগৱত দশম স্কন্ধৰ আৰু দ্বিতীয়টি 'ৰুক্মিনী হৰণ কাব্য'ৰ। ইয়াত ক্ৰমে মহামায়া কাত্যায়নী আৰু দশভূজা দুৰ্গাক উপাসনা কৰাৰ যোগেদি এই দুগৰাকী শক্তিদেৱীৰ মাহাত্ম্য প্ৰকাশ কৰা হৈছে। স্বয়ং শঙ্কৰদেৱৰ ৰচনাতেই শক্তিদেৱীৰ এনে প্ৰাধান্য পৰিলক্ষিত হয়। এনে উদাহৰণ বৈষ্ণৱ যুগৰ সাহিত্যত আৰু অনেক আছে।

### ১.৪.৫ অন্যান্য সাহিত্যত শাক্ত উপাদান

খ্ৰীষ্টিয় পঞ্চদশ শতিকাৰপৰা ঊনবিংশ শতিকালৈকে বিভিন্ন সাধক, কবি আৰু পণ্ডিতে দেৱী মাহাত্ম্যসূচক সৰু-বৰ অনেক পুথি ৰচনা কৰিছিল। নতুন নতুন শাক্ত পুথি বৰ্তমানেও ছপা হৈ আছে। দেৱী গুণ মাহাত্ম্যসূচক এনেধৰণৰ কাব্যসমূহৰ ভিতৰত *'শীতলা কাব্য'* অন্যতম। শাস্ত্ৰীয় ৰাগত বন্ধা এই কাব্যখন ৰচনা কৰে জয়ৰাম দাসে। এনে কাব্যসমূহৰ ভিতৰত দুখন *'লক্ষ্মীচৰিত'* উল্লেখযোগ্য। এখন *'লক্ষ্মীচৰিত'* ৰচক হ'ল কবি ৰামসৰস্বতী আৰু আনখন *'লক্ষ্মীচৰিত'* প্ৰণেতা হ'ল জগন্নাথ দ্বিজ। আনহাতে *শনিচৰিত্ৰ, শীতলাদেৱী, তুলসীচৰিত্ৰ, আইসবাহৰ গীত, আসন পতা আইনাম, শ্ৰীশ্ৰী কালি সহস্ৰ নাম, মনসাপূজা, বেউলা, চাপনি মন্ত্ৰ, উবাচ মন্ত্ৰ, সৰ্বঢাক মন্ত্ৰ, বীৰাখেদা মন্ত্ৰ, বেতজৰা মন্ত্ৰ* আদি ক্ষুদ্ৰ ক্ষুদ্ৰ মন্ত্ৰ পুথিসমূহে অসমৰ শাক্ত ধৰ্মৰ আন্তঃসলিলা সুঁতিটো প্ৰবাহিত কৰি ৰাখিছে। আনহাতে কুৰি শতিকাত চণ্ডী আৰু মনসা মাহাত্ম্যসূচক ডাঙৰ পুথিও কেইখনমান ৰচিত তথা প্ৰকাশিত হৈছে। তাৰে ভিতৰত কীৰ্ত্তিচন্দ্ৰ বিদ্যাভূষণ গোস্বামীৰ *'চণ্ডীকাখ্যান'*(১৯০৮), ফেলোৰাম দত্তৰ *'মনসা পুৰাণ'*(১৯৩০) আৰু গোবিন্দ চন্দ্ৰ ভাগৱতীৰ ব্যাখ্যাত্মক পুথি *'শ্ৰীশ্ৰী চণ্ডীতত্ত্ব'*(১৯৭৫) উল্লেখযোগ্য ( হৰিনাথ শৰ্মাদলৈ, উক্ত গ্ৰন্থ, পৃঃ ২৪৩)।

কাব্যৰ দৰে শাক্তধৰ্মীয় গীতো ভালেসংখ্যক ৰচিত হোৱাৰ প্ৰমাণ পোৱা যায়। স্বৰ্গদেউ ৰুদ্ৰসিংহ আৰু শিৱসিংহ ৰচিত গীত কেইটি শাক্ত-ধৰ্মীয় গীত। তেনেদৰে কাছাৰৰ ৰজা গোবিন্দ চন্দ্ৰ আৰু কৃষ্ণ চন্দ্ৰয়ো দেৱী ভৱানীৰ উদ্দেশ্যে গীত ৰচনা কৰিছিল।

বিংশ শতিকাত দেৱী মাহাত্ম্যৰ বিভিন্ন আখ্যান পৰম্পৰাগত পদ্যৰূপৰ সলনি গদ্য ৰূপতো আংশিকভাৱে পোৱা যায়। উদাহৰণস্বৰূপে, উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে *'তাম্ৰেশ্বৰী মন্দিৰ'* উপন্যাসত শদিয়াৰ কেঁচাইখাঁতী গোসাঁনীৰ মাহাত্ম্য প্ৰদৰ্শন কৰিছে। সেইদৰে অতুলচন্দ্ৰ হাজৰিকাৰ *'নৰকাসুৰ', 'বেউলা'* নাটকতো দেৱী মাহাত্ম্য পৰোক্ষভাৱে প্ৰকাশ পাইছে। আনহাতে, অসমত প্ৰতিবছৰে উদ্‌যাপন কৰা দুৰ্গাপূজা, মনসাপূজা, লক্ষ্মীপূজা, সৰস্বতীপূজা, কালীপূজা আদি উপলক্ষে উপাস্য দেৱীৰ মাহাত্ম্য বৰ্ণাই অনেক প্ৰবন্ধপাতি প্ৰকাশ পাই আহিছে। এইবোৰ পৰ্য্যালোচনা কৰি ক'ব পাৰি যে, অসমীয়া সাহিত্যত শাক্ত ধৰ্মই বিভিন্ন ভাগত স্থান পাই আহিছে।

সামগ্ৰিকভাৱে অসমীয়া শাক্ত সাহিত্যখিনি নন্দনতাত্ত্বিক দৃষ্টিৰে আলোচনা কৰিলে দেখা যায় যে, মনসা কবি কেইগৰাকীৰ বাহিৰে বাকীখিনি শাক্তধৰ্মীয় পুথিৰ সাহিত্যিক আবেদন নাই। সন্দেহ নাই *'দুৰ্গাপূজা বিধি', 'কালী সহস্ৰ নাম', 'শনি চৰিত্ৰ'* আদি পুথিবোৰ সংশ্লিষ্ট ধৰ্মীয় সম্প্ৰদায়ৰ আদৰৰ বস্তু। কিন্তু সাহিত্যৰ বিচাৰত সেইবোৰৰ মূল্য নিচেই কম। মনসা কবি দুৰ্গাবৰ, মনকৰ আৰু সুকবি নাৰায়ণদেৱৰ পিছত যিবোৰ কবিয়ে শাক্ত সাহিত্য ৰচনা কৰিছে, দেৱী ভক্তিৰ প্লাবনে স্বাভাৱিকতে তেওঁলোকৰ কাব্য সমুদ্ৰত ডুব যাবলৈ ঠেলি দিয়া নাই। কবিসকলৰ কোনোৱে ৰাজ আদেশ পালনৰ উদ্দেশ্যে আৰু কোনোৱে হয়তো যশষ্যা লাভৰ

কাৰণে কাব্য ৰচনা কৰিছিল। কবিৰ অন্তৰৰ অনুৰাগ আৰু দেৱী ভক্তিৰ গভীৰতাই সিক্ত কৰিব নোৱাৰা কাৰণেই বোধকৰোঁ মনসা কাব্যৰ পাছৰ অসমীয়া সাহিত্য জীৱনীশক্তিত দুৰ্বল হৈ পৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

শাক্ত সাহিত্যৰ সাহিত্যিক মূল্য আছে নে? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.........................................................................

.........................................................................

.........................................................................

## ১.৫ সাৰাংশ (Summing Up)

অসমত অতি প্ৰাচীন কালৰ পৰা যি কেইটা ধৰ্ম প্ৰচলিত হৈ আহিছে তাৰে ভিতৰত শাক্ত ধৰ্ম অন্যতম। শাক্ত ধৰ্মৰ মূল উপাস্য হৈছে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী। ভগৱতী, চণ্ডী, মহামায়া, কাত্যায়নী, উমা, পাৰ্বতী, দুৰ্গা, লক্ষ্মী, সৰস্বতী, মনসা, কালী আদি দেৱীৰেই বিভিন্ন ৰূপ। বৈদিক যুগৰে পৰা দেৱী পূজাৰ প্ৰচলন থকাৰ কথা জানিব পাৰি। অসমত নৰকাসুৰৰ দিনৰে পৰা দেৱী পূজা বা শাক্ত ধৰ্মৰ প্ৰচলন হোৱাৰ কথা জানিব পাৰি। শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ সময়লৈকে এই ধৰ্মৰ ব্যাপকতা বেছি আছিল; কিন্তু বৈষ্ণৱ ধৰ্মৰ প্ৰচলনৰ ফলত শাক্ত ধৰ্মৰ প্ৰচলন বা জনপ্ৰিয়তা হ্ৰাস পায়। তাৰ মাজতে শাক্ত ধৰ্ম অসমত এতিয়ালৈকে বৰ্ত্তি আছে। এই ধৰ্মক কেন্দ্ৰ কৰি একশ্ৰেণীৰ সাহিত্যও সৃষ্টি হৈছে। এই সাহিত্যসমূহে শাক্ত ধৰ্মৰ প্ৰাচীনতা তথা জনপ্ৰিয়তাৰ ইঙ্গিত দিয়ে।

## ১.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১) প্ৰাচীন কালৰে পৰা অসমত কি কি ধৰ্মৰ প্ৰচলন আছিল সেই বিষয়ে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰক।

২) অসমত শাক্ত ধৰ্মৰ প্ৰচলন কেতিয়াৰপৰা আৰম্ভ হয় সেই বিষয়ে এটি আলোচনা আগবঢ়াওঁক।

৩) শাক্ত ধৰ্মক কেন্দ্ৰ কৰি অসমত কি কি সাহিত্য ৰচিত হৈছিল সেই বিষয়ে এটি আলোচনা আগবঢ়াওঁক।

৪) অসমীয়া শাক্ত সাহিত্যক কি কি শ্ৰেণীত বিভক্ত কৰিব পাৰি? প্ৰতিটো ভাগৰ বিষয়ে চমুকৈ আলোচনা আগবঢ়াওঁক।

৫) ‘অসমৰ শাক্ত ধৰ্ম আৰু শাক্ত সাহিত্য’ — এই বিষয়ে এটি সমীক্ষা যুগুত কৰক।

## ১.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


নিৰ্মল প্ৰভা বৰদলৈ ঃ *দেৱী*

বাণীকান্ত কাকতি ঃ *পুৰণি অসমত ধৰ্মৰ ধাৰা*

হৰিনাথ শৰ্মা দলৈ ঃ *শক্তি সাধনা আৰু শাক্ত সাহিত্য*

বিমল মজুমদাৰ ঃ *পুৰাণৰ পৰিচয়*

প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ *ধৰ্ম সমীক্ষা*

B. K. Kakati : *Mother Goddess Kamakhya*


* * *

## দ্বিতীয় বিভাগ

## ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰীচণ্ডী'

**বিভাগৰ গঠন**


২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ শক্তি দেৱীৰ ধাৰণা আৰু 'শ্ৰীশ্ৰীচণ্ডী'ৰ সাধাৰণ পৰিচয়
২.৪ ৰুচিনাথ কন্দলী আৰু তেওঁৰ সাহিত্যকৃতি
২.৫ ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰী চণ্ডী'
২.৬ মূলৰ সৈতে ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰী চণ্ডী'ৰ পাৰ্থক্য বা বৈসাদৃশ্য
২.৭ ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰী চণ্ডীত আন আন পুৰাণ-সমলৰ স্থিতি
২.৮ পুৰাণ হিচাপে 'শ্ৰীশ্ৰীচণ্ডী'
২.৯ ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰীচণ্ডীৰ বৈশিষ্ট্য
২.১০ সামাজিক চিত্ৰ
২.১১ সাৰাংশ (Summing Up)
২.১২ আৰ্হি প্ৰশ্ন (Sample Questions)
২.১৩ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


### ২.১ ভূমিকা (Introduction)

পূৰ্ববৰ্তী বিভাগত শাক্ত ধৰ্মৰ পটভূমি সম্পৰ্কে আলোচনা কৰাৰ লগতে অসমীয়া শাক্ত সাহিত্যৰ বিষয়ে বিভিন্ন দিশৰ পৰা আলোচনা দাঙি ধৰা হৈছে। এই বিভাগটিত অসমীয়া শাক্ত সাহিত্যৰ এখনি উল্লেখযোগ্য গ্ৰন্থ ৰুচিনাথ কন্দলীৰ *'শ্ৰীশ্ৰী চণ্ডী'*ৰ বিষয়ে পুংখানুপুংখভাৱে বিশ্লেষণ কৰা হ'ব। বিভাগটিৰ আৰম্ভনিতে শক্তি দেৱীৰ ধাৰণা আৰু *'শ্ৰীশ্ৰী চণ্ডী'*ৰ সাধাৰণ পৰিচয় জ্ঞাপন কৰা হৈছে। বিভাগটিৰ মূল আলোচনাত গ্ৰন্থখনৰ ৰচক ৰুচিনাথ কন্দলী আৰু তেওঁৰ সাহিত্যকৃতিৰ লগতে *'শ্ৰীশ্ৰী চণ্ডী'*ৰ কাহিনীভাগ বৰ্ণনা কৰি ইয়াৰ মূলৰ সৈতে সাদৃশ্য-বৈসাদৃশ্য বিচাৰ কৰা হৈছে। গ্ৰন্থখনত সন্নিৱিষ্ট থকা বিভিন্ন পুৰাণৰ সমল দাঙি ধৰি সাধাৰণ বৈশিষ্ট্যৰ পৰ্যালোচনা কৰাৰ লগতে সৰ্বশেষত গ্ৰন্থখনত প্ৰতিফলিত হোৱা বিভিন্ন সামাজিক দিশসমূহ বিশ্লেষণ কৰা হৈছে।

### ২.২ উদ্দেশ্য (Objectives)

এই অধ্যায়টি অধ্যয়ন কৰাৰ অন্তত আপুনি —

l মানৱ সমাজত উদ্ধাৱ হোৱা যাদু, যাদুমূলক কৃত্য, সংস্কাৰ আৰু দেৱ-দেৱীৰ বিকাশ সম্পৰ্কে জানিবলৈ সক্ষম হ'ব,

l আমাৰ সমাজত প্ৰচলিত শৈৱ-শাক্ত বৈষ্ণৱ আদি হিন্দু ধৰ্মৰ শাখা-প্ৰশাখাৰ বিষয়ে জানিবলৈ সক্ষম হ'ব পাৰিব,

l সামাজিক বিভিন্নতা বা সমাজৰ প্ৰয়োজন অনুসৰি এক অনন্ত-পৰমব্ৰহ্মই কি দৰে শিৱ-দেৱী, বিষ্ণু-কৃষ্ণ ৰূপে আত্মপ্ৰকাশ কৰে সেই বিষয়েও জ্ঞান লাভ কৰিব পাৰিব,

1 জগৎ সৃষ্টি, জগৎ পৰিপালন, জগতত ন্যায়, সমতা, সাম্যভাব প্ৰবৰ্তনৰ বাবেই যে দেৱ-দেৱীৰ প্ৰয়োজন সেই বিষয়েও আপুনি জানিব পাৰিব,

1 অন্যায় আৰু অত্যাচাৰৰ প্ৰতিমূৰ্ত্তি অসুৰাদিক বধ কৰি জগতত সমতা প্ৰতিষ্ঠাৰ বাবে শ্ৰীশ্ৰী চণ্ডী দেৱীৰ অভিব্যক্তি স্বীকাৰ কৰা হৈছে।

## ২.৩ শক্তি দেৱীৰ ধাৰণা আৰু 'শ্ৰীশ্ৰীচণ্ডী'ৰ সাধাৰণ পৰিচয়

শক্তিতত্বৰ বা দেৱীতত্ত্ব ঐতিহাসিক আৰু সাংস্কৃতিক ব্যাপাৰ। শৈৱতত্ত্বৰ দৰে শক্তিতত্ত্বও আৰ্য্য-প্ৰাগাৰ্য্য অথবা গ্ৰেট ত্ৰেডিছন-লিটোল ট্ৰেডিছনৰ সাংস্কৃতিক সংমিশ্ৰণৰ পৰিণতি মাথোন। জীৱন নিৰ্বাহৰ পদ্ধতি, আৰ্থ-সামাজিক অৱস্থা আৰু জাগতিক দৃষ্টি ভংগীৰ আধাৰত দেৱ-দেৱীৰ ধ্যান-ধাৰণা মূৰ্ত হৈ উঠে। দ্বিতীয়তে, সমাজত পুৰুষ বা স্ত্ৰীয়ে লাভ কৰা গুৰুত্ব অথবা প্ৰাধান্যৰ ওপৰতো দেৱ-দেৱীৰ ধাৰণা আৰু উপাসনা পদ্ধতিৰ বৈশিষ্ট্য নিৰ্ভৰ কৰে। জীৱিকা নিৰ্বাহ পদ্ধতিয়ে অনেক ক্ষেত্ৰত উপাসনা-আচৰণত প্ৰভাৱ বিস্তাৰ কৰে গভীৰ ভাৱে।

চিকাৰী সমাজত (Hunting Society) মানৱ আৰু পশুৰ মাজত সাধাৰণতে এক বিশেষ ধৰণৰ সম্বন্ধ গঢ়ি উঠে আৰু মানৱ-পশুৰ এই তাদাত্ম্যৰ পৰিণতিত চিকাৰী সমাজত অনুষ্ঠিত ঐন্দ্ৰজালিক ক্ৰিয়াকাণ্ডত পশু আৰু পশু সদৃশ্য দেৱতা বা দেৱীয়ে প্ৰাধান্য লাভ কৰে। পশুপালকৰ বৃত্তি গ্ৰহণ কাৰী সমাজৰ জীৱন পদ্ধতি কৃষিজীৱীসকলৰ জীৱন পদ্ধতিৰ তুলনাত কষ্টসাধ্য আৰু বিপদ সংকুলন। পশুপালক যাযাবৰসকলে প্ৰখৰ ৰ'দ, প্ৰচণ্ড ধুমুহা, অতিপাত বৃষ্টি, কঠোৰ শীত আদি বিভিন্ন প্ৰাকৃতিক বিপৰ্য্যয়ৰ বিৰুদ্ধে নিৰন্তৰ ভাৱে যুঁজি থাকিবলৈ বাধ্য থাকিব লগা হয়। সেইবাবে পশুপালক যাযাবৰ সকলে ঐন্দ্ৰজালিক ক্ৰিয়া-কাণ্ডৰ সংযোগত আকাশ, জল, স্থল, বন আদিৰ বিভিন্ন প্ৰাকৃতিক শক্তিক সন্তুষ্ট কৰিবলৈ প্ৰয়াস কৰিছিল। প্ৰাকৃতিক দুৰ্জেয় আৰু ৰহস্যাবৃত শক্তিৰ মাজত তেওঁলোকে বিভিন্ন দেৱতাৰ অৱস্থিতি কল্পনা কৰিবলৈ বাধ্য হৈছিল। এই দেৱতাসৱৰ মাজত তেওঁলোকে আকৌ আকাশীদেৱতাৰ ওপৰতহে তুলনামূলকভাৱে অধিক গুৰুত্ব প্ৰদান কৰিছিল। এই আকাশীদেৱতাক কেন্দ্ৰ কৰি তেওঁলোকে বিভিন্ন কথা বৃত্তৰো সৃষ্টি কৰিছিল।

কৃষিজীৱী সমাজত আকৌ পৃথিৱীদেৱী বা ভূমি দেৱীয়ে প্ৰাধান্য লাভ কৰিছিল। তেওঁলোকৰ মাজত আকাশী দেৱতাৰ স্থান তেনেই নগণ্য। আই বসুমতীক সোণ-সাৰুৱা কৰিবলৈ কৃষিজীৱীসকলে উৰ্বৰতা-যাদু সম্পৰ্কীয় বিভিন্ন ক্ৰিয়া-কাণ্ড সম্পন্ন কৰিছিল। চিকাৰী সমাজ বা পশুপালক যাযাবৰ সমাজত ঐন্দ্ৰজালিক কৃত্যৰ স্থান সুদূৰ প্ৰসাৰী। কৃষিৰ প্ৰসংগত নাৰীৰ ভূমিকা পুৰুষৰ তুলনাত অতিকে ব্যাপক। পণ্ডিতসকসলৰ মতে নাৰীয়েই কৃষিৰ উদ্ভাৱিকা, তেওঁলোকেই প্ৰথম খেতিয়ক আৰু তেওঁলোকেহে আই বসুমতীৰ উৰ্বৰতা বৃদ্ধিত বিশেষভাৱে অৰিহণা যোগাব পাৰে। নাৰীয়ে সন্তান ধাৰণ কৰে। এই বসুমতিয়ো শস্য ধাৰণ কৰে। গতিকে নাৰী আৰু বসুমতীৰ মাজত এক সাদৃশ্য লক্ষ্য কৰা যায় অন্ততঃ আদিম মানৱৰ দৃষ্টিভঙ্গীৰ ফালৰপৰা। নাৰীৰ সন্তান ধাৰণ ক্ষমতাই আই বসুমতীৰ উৰ্বৰতা বৃদ্ধিত সহানুভূতিক যাদুৰ (Sympathetic Magic) প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। মাটিৰ উৰ্বৰতা বৃদ্ধিত নাৰীৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ, কাৰণ কৃষি সম্পৰ্কীয় যাদুৰ প্ৰধান উৎস নাৰী।

কৃষি প্ৰধান সমাজত বিশেষকৈ 'লিটিল ট্ৰেডিছন'ত ভূমি আৰু ভূমিৰ উৰ্বৰতাৰ আধাৰত অত্যধিক গুৰুত্ব দিয়া হেতু সেই সমাজত নাৰীৰ স্থান নিশ্চিত ভাৱে তাৎপৰ্য্যপূৰ্ণ। ইয়াৰ পৰিণতিত

নাৰীয়ে পৰিয়ালৰ পৰা সমাজলৈকে সাংস্কৃতিক জমিনত (Cultural Texture) নিজৰ প্ৰভুত্ব আৰু কৰ্তৃত্ব প্ৰবৰ্তন কৰিবলৈ সক্ষম হ'ল অবিসম্বাদিতভাৱে। এনে সমাজত স্বামীৰ স্থান তেনেই নগণ্য। আনকি সম্পত্তিৰ অধিকাৰীও নাৰীহে। সন্তান-সন্ততি পিতৃৰ গোত্ৰেৰে পৰিচিত নহৈ মাতৃৰ গোত্ৰেৰেহে পৰিচিত হ'বলৈ ধৰিলে। মাতৃ-প্ৰধান সমাজত স্ত্ৰী-দেৱতা বা মাতৃ-দেৱতাই সাৰ্বভৌমত্ব লাভ কৰে, পুৰুষ দেৱতা বা পিতৃদেৱতাৰ স্থান তেনেই নগন্য। আনকি মাতৃ প্ৰধান সমাজত পুৰুষ পুৰোহিতকৈ স্ত্ৰী পুৰোহিতৰহে প্ৰাধান্য পৰিলক্ষিত হয়। সমাজ-জীৱন আৰু অৰ্থনৈতিক অৱস্থাৰ আধাৰত পৃথিৱীৰ বিভিন্ন অঞ্চলত মাতৃ-দেৱতাৰ উপাসনা-পৰম্পৰাৰ সূত্ৰপাত হয়। চাইবেৰিয়া, ইজিপ্ত আদিতো মাতৃ দেৱতাৰ উপাসনা প্ৰচলিত হৈছিল। অন্তৰঙ্গ আৰু বহিৰঙ্গ প্ৰমাণৰ আধাৰত অনুমান কৰিব পাৰি যে, চেমেটিকসকলৰ সমাজ-জীৱন আদিতে মাতৃ প্ৰধানহে আছিল। তেনে পৰিস্থিতিত তেওঁলোকৰ মাজত মাতৃ-দেৱতাই প্ৰাধান্য লাভ কৰিছিল বুলি ছিদাংকৈ ক'ব পাৰি। অৱশ্যে পৰৱৰ্তী কালত পিতৃ-তন্ত্ৰই চেমেটিক সমাজত মাতৃ-তন্ত্ৰক স্থানচ্যুত কৰে। প্ৰাচীন ভাৰতীয় ধৰ্মীয় বিশ্বাসত স্থান পোৱা দেৱ-দেৱীসকলৰ ভিতৰত দেৱীৰ সংখ্যা তুলনামূলকভাৱে বেছি আছিল। দেৱতাসকলে অনেক ক্ষেত্ৰত মাতৃদেৱীৰ পুত্ৰ ৰূপে স্বীকৃতি লাভ কৰিছে। লাহে লাহে মাতৃদেৱীয়ে পিতৃদেৱতা স্বৰূপে নৱাভিব্যক্তি লাভ কৰিবলৈ সক্ষম হ'ল। প্ৰাচীন ইজিপ্ততো মাতৃ তন্ত্ৰই বিশেষভাৱে প্ৰাধান্য লাভ কৰিছিল।

দেৱীৰ শাক্ত সংপ্ৰত্যয়ৰ উৎস বিচাৰি বৈদিক আৰ্য্য আৰু আবেষ্টীয় ইৰাণীসকলৰ দখলত থকা স্থানৰপৰা ভূমধ্য সাগৰৰ ওচৰ-চুবুৰীয়া এচিয়া মাইনৰ, চিৰিয়া, ইজিপ্ত আৰু আন আন দেশলৈ যাব লাগিব। এইবোৰ অঞ্চলত ভাৰতীয় শক্তি আৰু শাক্ত ধাৰণাৰ সমগোত্ৰীয় ধৰ্মবিশ্বাস প্ৰচলিত থকাৰ প্ৰমাণ পোৱা যায়। বৰ্তমানলৈ আবিষ্কৃত ঐতিহাসিক সমলৰ ভিতৰত সিন্ধু সভ্যতাৰ অপূৰ্ব নিদৰ্শন মহেঞ্জোদাৰোৰ ভগ্নাৱশেষ ৰাজি প্ৰাচীনতম। এই ভগ্নাৱশেষৰাজিৰ মাজত প্ৰাপ্ত প্ৰটো দেৱী আৰু প্ৰটো শিৱৰ মূৰ্তিও উদ্ধাৰ হৈছে। এটা নাম মুদ্ৰাত বিৱসনা নাৰী এগৰাকীৰ মূৰ্তি এটি চিত্ৰিত হৈছে। এই মূৰ্তিটো শাকম্ভৰী নামধাৰী মাতৃদেৱীৰ মূৰ্তি হোৱাই স্বাভাৱিক। আন এটি মুদ্ৰাত দেৱদাসীৰ মূৰ্তি এটিও পোৱা গৈছে। মহেঞ্জোদাৰোৰ ভগ্নাৱশেষৰ মাজত যোনি আৰু লিংগৰ প্ৰতীক কিছুমানো পোৱা গৈছে। এনে প্ৰমাণৰ আধাৰত আমি ক'ব পাৰোঁ যে, আন নহ'লেও শাক্ততত্ত্ব বা শক্তিবাদ আৰু শৈৱতত্ত্ব বা শৈৱবাদ প্ৰাগ বৈদিক ধৰ্মতত্ত্ব।

নৃতত্ত্ববিদসকলৰ মতেও সিন্ধু উপত্যকাত বিভিন্ন মাতৃ-দেৱী পূজিত হৈছিল। এই মাতৃদেৱীসকল উৰ্বৰতা যাদুৰ লগত সম্পৃক্ত। মাতৃদেৱীয়েই পৰৱৰ্তী কালৰ হিন্দুধৰ্মৰ শাক্তশাখাত দেৱী বা মহাদেৱী অৰ্থাৎ পাৰ্ৱতী ৰূপে আত্ম প্ৰকাশ কৰে। মহেঞ্জোদাৰো আৰু হৰপ্পা সভ্যতাৰ উৎস গ্ৰাম্য বা লোকসমাজ, যিহেতু এই সভ্যতাৰ সাংস্কৃতিক জীৱনৰ লগত নগৰীয়া সংস্কৃতিলৈকে লোক-সংস্কৃতিৰ সাদৃশ্যহে স্পষ্ট। সিন্ধু সভ্যতাই পূৰ্ব নাগৰিক সভ্যতাৰ ইংগিত বহন কৰিব পাৰে।

বৈদিক যুগৰ আদি স্তৰত পুৰুষ দেৱতা, অগ্নি, ইন্দ্ৰ, মৰুৎ, বায়ু আদি পুৰুষ দেৱতাহে পূজিত হৈছিল। লাহে লাহে দুই-চাৰি গৌণ দেৱতা আৰু স্ত্ৰী দেৱীয়ে বৈদিক আৰ্যসকলৰ ধৰ্মীয় বিশ্বাসত স্থান পাইছিল। এই দেৱীসকলৰ ভিতৰত অদিতি, ধৰিত্ৰী বা পৃথিৱী, দ্যাবা-পৃথিৱী, ঊষা, ইন্দ্ৰাণী, ভবানী, বৰুণী আদি উল্লেখযোগ্য।

পাৰ্বতী মূলতঃ অনা-আৰ্যদেৱী। পৰৱৰ্তী কালত তেওঁ আৰ্য্যদেৱীৰ পৰিসীমাত সামৰি লোৱা হৈছে। পাৰ্বতীৰ ভয়াবহ অভিব্যক্তিয়েই হৈছে কালী, চামুণ্ডা, চণ্ডী, দুৰ্গা, তাৰা, যোড়শী, ভুবনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, ধুমাৱতী, বগলা, মাতংগী আৰু কমলা।

কালীৰ আন এটা নাম চণ্ডিকা বা চণ্ডী। *দেৱী-মাহাত্ম্য* -ৰ বাহিৰেও *হৰিবংশ, চণ্ডিশতক, কাদম্বৰী, মহাভাৰত,* আদিতো 'চণ্ডিকা' বা 'চণ্ডী' নামটোৰ উল্লেখ পোৱা যায়। *দেৱী-মাহাত্ম্যত* চণ্ডীৰ মাহাত্ম্য বৰ্ণিত হৈছে বাবে এই গ্ৰন্থখনৰ আন এটি নাম হৈছে *চণ্ডী* বা *শ্ৰীশ্ৰীচণ্ডী*।

*শ্ৰীশ্ৰী চণ্ডী* বা *দেৱীমাহাত্ম্য* বা *দুৰ্গা সপ্ত শতী* - একেখন গ্ৰন্থৰেই বিভিন্ন নাম। মূল পুথি বা গ্ৰন্থখন ৰচিত হৈছে সংস্কৃতত বিশেষকৈ *মাৰ্কণ্ডেয় পুৰাণ*-ৰ অন্তৰ্গত ৮১ তমৰ পৰা ৯তম অধ্যায় পৰ্য্যন্ত তেৰটা অধ্যায়ত দেৱী-মহিমা বৰ্ণিত হৈছে। এই তেৰটা অধ্যায়ৰ সমষ্টিগত নামেই হৈছে *শ্ৰীশ্ৰী চণ্ডী* বা *দেৱীমাহাত্ম্য* বা *দুৰ্গাসপ্ত শতী*। সুকীয়া গ্ৰন্থ স্বৰূপে এই অধ্যায় কেইটি একত্ৰে প্ৰকাশ কৰা হৈছে। ইউৰোপ আৰু আমেৰিকাৰ পণ্ডিতসকলৰ মাজতো **দেৱী-মাহাত্ম্য** নামটোৰ সমাদৰহে লক্ষ্য কৰা যায়। *মাৰ্কণ্ডেয় পুৰাণ* তো দুৰ্গা-চণ্ডী-কালীৰ মাহাত্ম্য প্ৰকাশক বৰ্ণনাংশ *দেৱী মাহাত্ম্য* স্বৰূপেহে পৰিচিত।

*দেৱী মাহাত্ম্য* গ্ৰন্থখনি ভাৰতৰ প্ৰায়বিলাক আধুনিক ভাষালৈ অনূদিত হৈছে। অসমীয়া ভাষাতো কেইবাজনো কবিয়ে *দেৱী মাহাত্ম্য* গ্ৰন্থখন অসমীয়ালৈ পদ-বন্ধে অনুবাদ কৰিছে। সেইসকলৰ ভিতৰত কবি ৰুচি নাথ কন্দলী নিশ্চিতভাৱে অন্যতম।

**আত্মমূল্যায়ন প্ৰশ্ন**

দেৱী তত্ত্বৰ ধাৰণাই কেনেদৰে গা কৰি উঠিছে? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................

.................................................................

.................................................................

## ২.৪ ৰুচিনাথ কন্দলী আৰু তেওঁৰ সাহিত্যকৃতি

অসমীয়া ভাষাত *শ্ৰীশ্ৰী চণ্ডী*ৰ লিখিত পৰম্পৰা স্ৰষ্টা কবিসকলৰ ভিতৰত ৰুচিনাথ কন্দলী অন্যতম। কন্দলীয়ে তেওঁৰ অন্যতম সৃষ্টি *শ্ৰীশ্ৰী চণ্ডী*-ত নিজৰ পৰিচয় এনেদৰে দিছে।

তেওঁৰ পূৰ্বপুৰুষসকলৰ নিবাস স্থান আছিল লৌহিত্যৰ উত্তৰ কূলস্থ 'অনুপমদেশ' নাৰায়ণীপুৰ। এই নাৰায়ণীপুৰেই বৰ্তমানৰ নাৰায়ণপুৰ। এই নগৰ বা পুৰখন মৃগাংক (মৃদাংক?) ৰজাৰ অতিকে প্ৰিয় আছিল।ব্ৰাহ্মণসকলৰ বসতিৰ বাবে এই অঞ্চল আছিল প্ৰসিদ্ধ। নাৰায়ণীপুৰ বা নাৰায়ণপুৰত কাশ্যপ গোত্ৰৰ ৰত্না বা ৰত্ন কন্দলী নামৰ এগৰাকী ধৰ্মপ্ৰাণ লোকে বাস কৰিছিল। ৰত্ন কন্দলীৰ বংশত ৰমাপতি বিপ্ৰৰ জন্ম হয়। তেওঁ কটকী উপাধি লাভ কৰিছিল। ৰমাপতি বিপ্ৰই বাস কৰিছিল তামোলবাড়ীত। তামোল বাড়ী নাৰায়ণপুৰৰ অন্তৰ্গত এখন গাঁৱৰ নাম। পদ ৰচনাত ৰমাপতিয়ে লাভ কৰিছিল বিশেষ খ্যাতি। বিৱাহকৃত্য সম্পাদনৰ পিছতো তেওঁৰ পত্নীৰ সতি-সন্ততি একো নোহোৱা হেতু লোকে ৰমাপতিক 'বন্ধ্যা কটকী' আখ্যা দিছিল। অৱশ্যে শেহ বয়সত ৰমাপতি বিপ্ৰই এটি পুত্ৰ সন্তানৰ মুখ দেখে। এই পুত্ৰ সন্তানটিৰ নাম আছিল ৰঘুপতি। ৰঘুপতিৰ পুত্ৰৰ নাম বলোৰাম আৰু তেওঁৰ পুত্ৰৰ নাম ৰাম নায়িক। নায়িক পদটো নৈয়ায়িক পদৰ সংক্ষিপ্ত ৰূপ হ'ব পাৰে। ন্যায় শাস্ত্ৰত সম্ভৱ ৰমাপতিৰ খ্যাতি আছিল বৈ-বৈ যোৱা। পণ্ডিত হেম চন্দ্ৰ গোস্বামীৰ মতে ৰামৰ উপাধি নায়কহে, অৰ্থাৎ ৰাম নায়ক। ৰামনায়কৰ পুত্ৰৰ নামেই কৃষ্ণ আচাৰ্য্য। তেওঁ বিৱাহ কৰাইছিল ৰুক্মিণী দেৱীক। ৰুক্মিণী দেৱীৰ

গৰ্ভত জন্ম হৈছিল আমাৰ আলোচ্য কবি ৰুচিনাথ কন্দলীৰ। কবি ৰুচিনাথৰ ভাষাত —

*লৌহিত্যৰ উত্তৰ কুলত অনুপম।*
*দেশ এক আছে নাৰায়ণীপুৰ নাম।।*
*মৃগাঙ্ক ৰাজাৰ সিটো আন প্ৰিয়তৰ।*
*বিশেষ বসতি থান বিপ্ৰসকলৰ।।*
*তথাতে আছিলা ৰত্না কন্দলী ধৰ্মাদি।*
*কাশ্যপ গোত্ৰত জাত বিপ্ৰ সত্যবাদী।।*
*তান বংশে জাত ভৈলা বিপ্ৰ ৰমাপতি।*
*তামোল বাড়ীত তান ভৈলেক বসতি।।*
*পদ কৰান্তে বিপ্ৰ আছিলা প্ৰধান।*
*প্ৰথম কালত পুত্ৰ নাছিল তাহান।।*
*তাতে নাম ভৈলা বন্ধ্যা কটকী প্ৰখ্যাত।*
*পাছে তান পুত্ৰ ৰঘুপতি ভৈলা জাত।।*
*তান পুত্ৰ বলোৰাম গুণে অতিৰেক।*
*বলোৰ তনয় ৰাম নায়িক ভৈলেক।।*
*ভৈলা তানপুত্ৰ কৃষ্ণ আচাৰ্য্য প্ৰখ্যাত।*
*তাত হন্তে ৰুক্মিণী গৰ্ভে মই জাত।।*
*সেই মই ৰুচিনাথ বিপ্ৰ অলপ মতি।*
*পণ্ডিত জনক বোলো কৰিয়ো বিনতি।।*

ৰুচিনাথ কন্দলীয়ে তেওঁৰ নিৰ্মিতি বিশেষত উল্লেখ কৰা 'মৃগাঙ্ক' ৰজাগৰাকী কোন, তেওঁনো কোন দেশৰ ৰজা আছিল আদি বিভিন্ন প্ৰশ্নৰ সমাধানৰ বাবে প্ৰয়াস কৰাটো উচিত হ'ব। *অসম বুৰঞ্জী* (*A History of Assam*) প্ৰণেতা এডৱাৰ্ড গেইটৰ মতে বৰ্তমানৰ ভৰলী নদীৰ পৰা (জামুগুৰি) ডিক্ৰুং নদীলৈকে বিস্তৃত এই অঞ্চলত খ্ৰীঃ চতুৰ্থ শতিকাৰ শেষৰফালে নাগশংকৰ বা নাগাক্ষ ৰজাই ৰাজত্ব কৰিছিল। এই গৰাকী ৰজাৰ ৰাজ্যৰ নামেই আছিল লেহিত্যপুৰ বা লৌহিত্যপুৰ আৰু ৰাজধানীৰ নাম আছিল প্ৰতাপ গড়। প্ৰতাপ গড়ৰ ধ্বংসাৱশেষ বৰ্তমানো লক্ষ্য কৰা যায়। ৰজা নাগাক্ষ লৌহিত্য বংশীয় ব্ৰাহ্মণ নৃপতি আছিল। নাগশংকৰ বা নাগাক্ষ ৰজাৰ পিছত লৌহিত্য পুৰত আৰু চাৰিজন ৰজাই ৰাজত্ব কৰিছিল আৰু তেওঁলোকৰ ভিতৰত মৃগাঙ্ক ৰজাও এজন। মৃগাঙ্কৰ দেহাৱসানৰ লগে লগে লোহিত্যপুৰ ৰাজ্য বাৰভূঞাৰ শাসনাধীন হয়- যিহেতু এই গৰাকী ৰজাৰ কোনো বংশধৰ নাছিল। নাৰায়ণীপুৰ অথবা নাৰায়ণপুৰ সম্ভৱ লোহিত্যপুৰ বা লৌহিত্যপুৰ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল আৰু ই আছিল মৃগাঙ্ক ৰজাৰ অতিকে প্ৰিয়স্থান।

দ্বিতীয়তে, চৈনিক পৰিব্ৰাজক হিউৱেন চিয়াঙৰ মতে কামৰূপেশ্বৰ ভাস্কৰ বৰ্মা, নাৰায়ণ দেৱ বংশীয়। ভাস্কৰ বৰ্মাৰ পূৰ্বে বোধ কৰোঁ প্ৰাগজ্যোতিশত নাৰায়ণদেৱে ৰাজত্ব কৰিছিল। নাৰায়ণীপুৰ বা নাৰায়ণপুৰ নাৰায়ণদেৱে প্ৰতিষ্ঠা কৰিছিল বুলিও ক'ব পাৰি।

ৰুচিনাথ বিপ্ৰ বা কন্দলীৰ জন্ম স্থান কিন্তু নাৰায়ণীপুৰ বা নাৰায়ণপুৰ নহয়- ৰংপুৰ বা ৰঙ্গপুৰতহে তেওঁৰ জন্ম হৈছিল। ৰংপুৰ বা ৰঙ্গপুৰ বৰ্তমান শিৱসাগৰ জিলাত অৱস্থিত। বাসৱৰ বংশ জাত, গদাধৰ সিংহৰ প্ৰথম পুত্ৰ, সজ্জনক ৰক্ষাকাৰী আৰু দুৰ্জনক দমনকাৰী সৌমাৰপীঠৰ অধিপতি, কামৰূপৰ অধিকাৰী, শৌৰ্য্য বীৰ্য্যশালী, ৰূপ-গুণ আৰু আদি নানা গুণৰ অধিকাৰী

স্বৰ্গদেৱ ৰুদ্ৰসিংহই কছাৰী আৰু জয়ন্তীয়া ৰজাক যুদ্ধত পৰাজয় কৰি বন্দী কৰি আনে। এই গৰাকী স্বৰ্গদেৱে বৰ্তমানৰ শিৱসাগৰ নগৰত 'ৰঙ্গপুৰ' বা ৰংপুৰ নামৰ এখন নগৰ স্থাপন কৰাই বিভিন্ন দ'ল, দেৱালয় প্ৰতিষ্ঠা কৰে আৰু নানা স্থানৰ পৰা অনেক ব্ৰাহ্মণ আনি বৃত্তি-বিধান দি থাপিলে। ৰঙ্গপুৰ বা ৰংপুৰত নানা গুণেৰে গুণান্বিত এগৰাকী ব্ৰাহ্মণ আছিল, তেওঁৰ নাম আছিল কৃষ্ণ আচাৰ্য্য বা তেওঁৰ পিতৃক নাৰায়ণপুৰৰ পৰা আনি বৃত্তিবিধান দি ৰংপুৰত স্থাপন কৰিছিল। কৃষ্ণ আচাৰ্য্যৰ পুত্ৰ ৰুচিনাথ বিপ্ৰই 'চণ্ডী'-পদ ৰচনা কৰিছিল।" (ড° নবীন চন্দ্ৰ শৰ্মা)

ৰুচিনাথ কন্দলীৰ পিতাক কৃষ্ণ আচাৰ্য্যই যে ৰুদ্ৰ সিংহৰ পৃষ্ঠপোষকতা লাভ কৰিছিল তাত মুঠেই সন্দেহ নাই, কিন্তু সন্দেহ ওপজে কৃষ্ণ আচাৰ্য্যৰ পুত্ৰ ৰুচিনাথে ৰুদ্ৰসিংহৰ পৃষ্ঠপোষকতা লাভ কৰাৰ ক্ষেত্ৰত। কবি নিজে এই বিষয়ত কোনো ধৰণৰ মতামত প্ৰকাশ কৰা নাই, মাত্ৰ কৈছে যে, 'একাহি সক'ত তেওঁ চণ্ডীৰ পদ কৰিছে। কবিৰ ভাষাত —

*চণ্ডীৰ চৰণ চিন্তি মই মূঢ়মতি।*
*একাহি শকত পদ লিখিলো সম্প্ৰতি।।*

'একাহি সক'ৰ অৰ্থ কোনো এটা শকৰ 'একাশী' বছৰত কৰিয়ে *চণ্ডী* ৰচনা কৰে। "পোন্ধৰশ একাশী অৰ্থাৎ ১৫৮১ শক ধৰাও যুক্তি সংগত নহ'ব কাৰণ এই পুথিখন ৰুদ্ৰসিংহৰ ৰাজত্ব কালত বা ইয়াৰ পৰৱৰ্তী কালত ৰচিত হৈছে। ৰুদ্ৰসিংহ ৰাজপাটত উঠে ১৬১৮ শকত; গতিকে ১৬৮১ শকত ৰুচিনাথে *চণ্ডী* পুথি ৰচনা কৰা নাই। এই ফালৰ পৰা *চণ্ডী* পুথিখন ১৬৮১ শকত অৰ্থাৎ খ্ৰীঃ ১৭৫৯ চনত ৰচিত হোৱাই স্বাভাৱিক। স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ ৰাজপাটত উঠিছিল ১৬৭৩ শকত আৰু ৰাজত্ব কৰিছিল ১৬৯৯ শক পৰ্যন্ত (খ্ৰীঃ ১৭৫১-১৭৬৯ চন)। ইয়াৰ পৰা আমি সহজে ক'ব পাৰোঁ যে, ৰুচিনাথ কন্দলীয়ে ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালতেই *শ্ৰীশ্ৰীচণ্ডী* অনুবাদ কৰে, যিহেতু এই গৰাকী ৰজাৰ সিংহাসন আৰোহণ আৰু মৃত্যুৰ মাজতেই ১৬৮১ শকটো পৰে। ইয়াৰ পৰা আমি সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে ৰুচিনাথ কন্দলীয়ে স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালত ১৬৮১ শক অৰ্থাৎ ১৭৫৯ চনত *শ্ৰীশ্ৰী চণ্ডী* পুথিখন পদ বন্ধে ৰচনা কৰে।

ৰুচিনাথ কন্দলীৰ আত্ম পৰিচয়মূলক ভণিতাৰ পৰা সহজে অনুমান কৰিব পাৰি যে, তেওঁ দুখন পুথি ৰচনা কৰে। এখন *কল্কি-পুৰাণ* আৰু আনখন *শ্ৰীশ্ৰী চণ্ডী*। তেওঁ এনেদৰে উল্লেখ কৰিছে —

*কল্কি পুৰাণৰ পদ কৰিলোহো আগে।*
*চৰিলো চণ্ডিৰ পদ আৱে অনুৰাগে।।*

কবিৰ এই উক্তি বিশেষৰ পৰা সহজে অনুমান কৰিব পাৰি যে, যিহেতু ৰুচিনাথে তেওঁৰ দ্বিতীয় গ্ৰন্থ *শ্ৰীশ্ৰীচণ্ডী* ৰচনা কৰে ১৬৮১ শকত, গতিকে তেওঁৰ প্ৰথম গ্ৰন্থ নিশ্চয় ৰচিত হৈছিল ১৬৮১ শকৰ পূৰ্বে। এই ফালৰ পৰা আমি ক'ব পাৰোঁ যে, *কল্কি-পুৰাণ* ৰুচিনাথ কন্দলীৰ আদ্য ৰচনা আৰু *শ্ৰীশ্ৰীচণ্ডী* তেওঁৰ দ্বিতীয় ৰচনা।

ৰুচিনাথ কন্দলীৰ পূৰ্বে কোনো কবিয়েই সংস্কৃত *কল্কি-পুৰাণ* খন পদ-বন্ধে অসমীয়াত অনুবাদ কৰিবলৈ চেষ্টা কৰা নাই। ৰুচিনাথ কন্দলীয়েই প্ৰথম কবি যি গৰাকী কবিয়ে সংস্কৃত *কল্কি-পুৰাণ* খন পদবন্ধে অসমীয়াত ৰচনা কৰে। অসমীয়া *কল্কি-পুৰাণ*ৰ পৰম্পৰা স্ৰষ্টা স্বৰূপে এই গৰাকী কবিৰ খ্যাতি বৈ-বৈ যোৱা। ৰুচিনাথ কন্দলীৰ পিছত অৰ্থাৎ খ্ৰীঃ ঊনবিংশ শতিকাৰ আদি ভাগত ঘনশ্যাম খাৰঘৰীয়া ফুকনে *কল্কি-পুৰাণ*ৰ আংশিক অনুবাদ কৰা বুলি ড° সত্যেন্দ্ৰনাথ

শৰ্মা আৰু ড° মহেশ্বৰ নেওগে তেওঁলোকৰ সাহিত্যৰ বুৰঞ্জীত উল্লেখ কৰিছে। এই পুথিখন চিত্ৰযুক্ত। কলিকালৰ শেষত ভগৱন্ত বিষ্ণুৱে কল্কি অৱতাৰ গ্ৰহণ কৰি কেনেকৈ ম্লেচ্ছসৱক কাটি-মাৰি বুন্দামাৰ কৰিব তাৰ শক্তিশালী আৰু আকৰ্ষণীয় বৰ্ণনা পোৱা যায়।

ৰুচিনাথ কন্দলীৰ *কল্কি-পুৰাণ,* সংস্কৃত *কল্কি-পুৰাণ*ৰ পদানুবাদ। অনুবাদৰ প্ৰসংগত আমাৰ কবি কন্দলীয়ে মূলৰ সৈতে সম্পৰ্ক ৰক্ষা কৰিবলৈ প্ৰয়াস কৰিছে যদিও অনেক ক্ষেত্ৰত মূলৰ দীঘলীয়া বৰ্ণনা অনুবাদত তেওঁ চমুৱাইছে। কলিৰ উৎপত্তি, লোক সাধাৰণৰ ধৰ্ম-কৰ্ম-নষ্ট কৰিবলৈ কলিৰ প্ৰয়াস, ধৰ্ম আৰু ধাৰ্মিকজনক ৰক্ষা কৰি অধৰ্ম আৰু অধাৰ্মিকক ধ্বংস কৰিবলৈ ভগৱন্তৰ কল্কি অৱতাৰ গ্ৰহণ, অধাৰ্মিক ম্লেচ্ছসকলৰ সৈতে কল্কিৰ সংগ্ৰাম আদিৰ বৰ্ণনাত কন্দলীয়ে মূলৰ লগত সংগতি ৰক্ষা কৰিও আপোন কাব্য-প্ৰতিভাৰ সম্যক পৰিচয় দিব পৰাতেই তেওঁৰ পাণ্ডিত্য আৰু কবিত্বৰ বিস্ময়কৰ পৰিস্ফূৰণ ঘটিছে।

## ২.৫ ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰী চণ্ডী'

ৰুচিনাথ কন্দলীৰ দ্বিতীয় আৰু সম্ভৱ অন্ত্য ৰচনা *শ্ৰীশ্ৰী চণ্ডী,* সংস্কৃত *মাৰ্কণ্ডেয় চণ্ডী*ৰ কাব্য সন্মত অনুবাদ বুলিব পাৰি। অৱশ্যে আন আন অসমীয়া চণ্ডী-কবিয়ে সংস্কৃত *চণ্ডী-গ্ৰন্থ*ৰ অনুবাদত যি দৰে গুৰুত্ব দিছে তেনেদৰে ৰুচিনাথ কন্দলীয়ে গুৰুত্ব দিয়া নাই যিহেতু তেওঁ দেৱী পৰম্পৰাৰ সংশ্লেষণতহে গুৰুত্ব দিছে। এই ফালৰপৰা ৰুচিনাথ কন্দলীৰ এই নিৰ্মিতি বিশেষৰ তাৎপৰ্য্য লক্ষ্য কৰা যায়। সন্দেহ নাই ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডী* মূল, সংস্কৃত *মাৰ্কণ্ডেয় চণ্ডী* বা *দেৱী মাহাত্ম্য* বা *দুৰ্গা সপ্তশতী* ; কিন্তু মূলৰ কথা বস্তু স্পষ্ট, ঘন পীণবদ্ধ আৰু কাব্যসন্মত কৰাৰ প্ৰয়াসেৰে আমাৰ কবিয়ে দেৱী মহিমা বা মাহাত্ম্য বিষয়ক বিভিন্ন সংস্কৃত গ্ৰন্থৰ পৰা সমল সংগ্ৰহ কৰি তেওঁৰ অনুবাদত সংযোজন কৰিছে। এই ক্ষেত্ৰত *বামন-পুৰাণ, ব্ৰহ্ম বৈৱৰ্ত-পুৰাণ* আৰু *কালিকা-পুৰাণ*ৰ নাম ল'ব লাগিব। মূল গ্ৰন্থখনত আমি পাওঁ প্ৰধান ভাৱে তিনিটা চৰিত বা আখ্যান বা মিথ। এই চৰিত কেইটা হ'ল- (ক) মধু-কৈটভ বধ, (খ) মহিষাসুৰ বধ আৰু (গ) শুম্ভ-নিশুম্ভ বধ।

এই *চৰিত* বা কাহিনী তিনিটাৰ পটভূমি নিৰ্মাণ কৰাৰ প্ৰয়াসেৰে পুৰাণকাৰে এনেদৰে কৈছে —

*সাৱৰ্ণিঃ সূৰ্য্যতনয়ো যো মনুঃ কথ্যতেহ ষ্টমঃ।*
*নিশাময় তদুৎপত্তিং বিস্তৰাদগতো মম।।*

এই কথাখিনি মাৰ্কণ্ডেয় ঋষিয়ে জৈমিনিক ঋষিক কৈছিল। জৈমিনিয়ে দেৱী-মহিমা জনাৰ উদ্দেশ্যেৰে মাৰ্কণ্ডেয় ঋষিৰ ওচৰলৈ গৈ দেৱীতত্ত্ব বিষয়ক প্ৰশ্ন কৰিছিল। মাৰ্কণ্ডেয় ঋষিয়ে আৰু কৈছিল যে,

পুৰণি কালৰ কথা, স্বাৰোচিমনুৰ সময়ত বা ৰাজত্ব কালত চৈত্ৰবংশ সম্ভূত সুৰথে সমগ্ৰ পৃথিৱীত ৰাজত্ব কৰিছিল। তেওঁ প্ৰজাসৰক নিজৰ পুত্ৰৰ দৰে পালন কৰিছিল। বিপক্ষীয় নৃপতিসকলে সুৰথ ৰজাক আক্ৰমণ কৰি পৰাভূত কৰে। নিজ ৰাজধানীতো দুষ্ট মন্ত্ৰীসকলৰ অত্যাচাৰত সুখেৰে থাকিব নোৱাৰিলে। ৰাজকোষ মন্ত্ৰীসকলৰ হাতলৈ গ'ল। উপায়ন্তৰ হৈ তেওঁ ঘোঁৰাত উঠি অকলেই গহীন বননিত প্ৰৱেশ কৰি দ্বিজ শ্ৰেষ্ঠ মেধামুনিৰ আশ্ৰমত দেখা পালে। কিছুদিন তেওঁ মেধামুনিৰ আশ্ৰমত থাকিল যদিও মনত শান্তি নাই, ৰাজ্য-ধৰ্ম-জন, পুত্ৰ-পৰিবাৰ আদিৰ চিন্তাত তেওঁ মায়া-বিমূঢ় হৈ উঠিল। সেই আশ্ৰমতেই সুৰথে এগৰাকী বৈশ্যক লগ পাই সুধিলে ঃ

আপুনি কোন? কি কাৰণে আপোনাক বিষাদ বিহ্বল দেখা গৈছে?

বৈশ্যাই ক'লে ঃ মোৰ নাম সমাধি বৈশ্য। মই মোৰ দুষ্ট, অসাধু পুত্ৰ-পৰিবাৰৰ দ্বাৰা পৰিত্যক্ত হৈছোঁ। শোক-দুখত ম্রিয়মান হৈ এই গহীন বননিত বাস কৰিবলৈ লৈছোঁ। তথাপি মই পুত্ৰ-পৰিবাৰ, ধন-জন আদিৰ মায়া-মমতাত অস্থিৰ হৈ পৰিছোঁ। এই মায়া খণ্ডনৰ উপায় আমি অদূৰত দেখা নাই।

অৱশেষত সুৰথ আৰু সমাধি উভয়ে গৈ মেধা ঋষিৰ ওচৰত উপস্থিত হৈ মায়া-মোহ নিৰাময়ৰ উপায় প্ৰৰ্থনা কৰিলে। তেতিয়া মেধা ঋষিয়ে সুৰথ আৰু সমাধিক ক'লে বোলে যে মায়া-মোহ বিনাশৰ বাবে তেওঁলোকে জগন্মূৰ্তি মহামায়া নিত্যা-উৎপত্তি-বিনাশ-ৰহিতাৰ লীলা-মালা-চৰিত শ্ৰৱণ কৰা উচিত, কাৰণ মায়া-মোহ বিনাশক আন দ্বিতীয় জন নাই সেই পৰমা প্ৰকৃতি মহামায়াৰ বাহিৰে। গতিকে সেই মহামায়াৰ লীলা-মালাৰ প্ৰথম চৰিত শ্ৰৱণ অপৰিহাৰ্য্য।

এইদৰে কৈ মেধস ঋষিয়ে দেৱী-মাহাত্ম্য বৰ্ণনা কৰিবলৈ ধৰিলে।

## (ক) প্ৰথম চৰিত ঃ দেৱী মাহাত্ম্য

**মধু-কৈটভ বধ (দেৱীৰ প্ৰথম মহিমা) ঃ** জগৎ ধ্বংসৰ অন্তত অনন্ত শয্যাত বিষ্ণুৱে যোগ-নিদ্ৰাত অৱস্থান কৰিছিল। সমস্ত জগৎ জলময়। এইদৰে হাজাৰ হাজাৰ বছৰ পাৰ হ'ল। তেনে অৱস্থাত বিষ্ণুৰ কাণৰ পৰা মল অৰ্থাৎ মাকৰি অগাধ জলত পৰিল। সেই মল দুভাগত বিভক্ত হ'ল— এভাগৰ পৰা জন্মিল মৌৰ বৰণ বিশিষ্ট মধু দৈত্য আৰু আনটো ভাগৰ পৰা জন্মিল কীট সদৃশ কৈটভ। বিষ্ণুৰ নাভি কমলত স্থিত অতি দীপ্তিমান প্ৰজাপতি ব্ৰহ্মাই ভয়ঙ্কৰ অসুৰদ্বয়ক দেখি আৰু বিষ্ণুক নিদ্ৰামগ্ন দেখি ভীতি বিহ্বল হৈ তেওঁ বিষ্ণুৰ নেত্ৰ-স্থিতা বিষ্ণুৰ নিদ্ৰা স্বৰূপা, বিশ্বেশ্বৰী, জগদ্ধাত্ৰী, সৃষ্টি সংহাৰ কাৰিণী সেই যোগ নিদ্ৰাক স্তুতি কৰিবলৈ ধৰিলে। ব্ৰহ্মাই জগদ্ধাত্ৰীক এনেদৰে স্তুতি কৰিবলৈ আৰম্ভ কৰিলে —

হে ব্ৰহ্মস্বৰূপে! হে নিত্যে। তুমি দেৱগণৰ হবিৰ্দান মন্ত্ৰ স্বাহা স্বৰূপ, তুমি পিতৃসকলৰ উদ্দেশ্যে প্ৰদান মন্ত্ৰ স্বধা স্বৰূপা, তুমি বষট্‌কাৰ ইন্দ্ৰৰ হবিৰ্দান মন্ত্ৰ-স্বৰ স্বৰূপা; হে দেৱী! তুমি সুধা স্বৰূপা; তুমিয়েই বৰ্ণসমূহৰ হ্ৰস্ব-দীৰ্ঘ স্বৰূপ মাত্ৰাত্ৰয় ৰূপা।........... তুমিয়েই জগৎ স্ৰষ্টা, তুমিয়েই জগৎ পালন কৰ্ত্ৰী, তুমিয়েই ধংস কাৰিণী।...........

ব্ৰহ্মাৰ স্তুতিত সন্তুষ্ট হৈ তমো গুণময়ী যোগনিদ্ৰা ৰূপা মহামায়াই বিষ্ণুৰ নেত্ৰ, মুখ, নাসিকা, বাহু, হৃদয় আৰু বক্ষস্থলৰ পৰা আঁতৰি আহিল। অনন্ত শয্যাৰ পৰা উঠি বিষ্ণুৱে চাৰিওফালে চকু ফুৰোৱাৰ লগে লগে সেই দুৰাত্মা অতি বীৰ্য্য-পৰাক্ৰমশালী, ক্ৰোধৰক্ত নেত্ৰ মধু আৰু কৈটভ নামৰ অসুৰদ্বয়ক দেখা পালে। অসুৰদ্বয়ে ব্ৰহ্মাক বধ কৰিবলৈ উদ্যত হৈছে। অৱশেষত অসুৰদ্বয়ৰ সৈতে বিষ্ণুৱে বাহু যুদ্ধ কৰিলে পাঁচ হাজাৰ বছৰ। মহামায়াৰ দ্বাৰা বিমোহিত হৈ অসুৰদ্বয়ে কেশৱক ক'লে ঃ- "তুমি আমাৰ ওচৰত বৰ প্ৰাৰ্থনা কৰা।"

তেতিয়া বিষ্ণুৱে ক'লে ঃ সঁচাকৈয়ে যদি তোমালোকে মোক বৰ দিব খুজিছা তেনেহ'লে তোমালোক দুয়ো মোৰ বধ্য হোৱা। অন্যবৰ মই নিবিচাৰোঁ।

অসুৰদ্বয়ে সমগ্ৰ জগৎ জলপ্লাৱিত দেখি ভগবান পুণ্ডৰীকাক্ষক উদ্দেশ্য কৰি ক'লৈ ঃ "জল অপ্লাবিত স্থানত তুমি আমাক বধ কৰিব পাৰিবা।"

তেতিয়া বিষ্ণুৱে শংখ-চক্ৰ-গদা ধাৰণ পূৰ্বক নিজৰ কৰঙনত অসুৰদ্বয়ক পেলাই লৈ চক্ৰৰদ্বাৰা সিহঁতৰ মস্তক ছেদন কৰিলে।

**(খ) দ্বিতীয় চৰিত ঃ দেৱী মাহাত্ম্য**

**মহিষাসুৰ বধ (দেৱীৰ দ্বিতীয় মহিমা) ঃ** পুনৰ মেধস ঋষিয়ে দেৱী-মাহাত্ম্যৰ কথা ক'বলৈ গৈ ক'লে বোলে দূৰ অতীতত যেতিয়া পুৰন্দৰ নাম বিশিষ্ট ইন্দ্ৰ দেৱতাসৱৰ অধিপতি আছিল তেতিয়া মহিষ নামৰ অসুৰ, অসুৰসকলৰ অধিপতি আছিল। মহিষ দানবৰ নেতৃত্বত অসুৰসকলে অমৰাৱতী আক্ৰমণ কৰে। দেৱতা সৱেও ইন্দ্ৰৰ সেনাপতিত্বত দানৱসকলৰ বিৰুদ্ধে দুৰ্ঘোৰ সমৰত প্ৰবৃত্ত হ'ল। কাৰো জয়-পৰাজয় নাই। অৱশেষত মহিষ দানৱৰ সৈন্যৰ হাতত দেৱতাসৱ সমুলঞ্চে পৰাজিত হ'বলৈ বাধ্য হয়। মহিষাসুৰ স্বৰ্গৰ ইন্দ্ৰ স্বৰূপে অধিষ্ঠিত হ'ল। নিৰুপায় হৈ পৰাজিত দেৱতাবৃন্দই ব্ৰহ্মাৰ সৈতে গৈ হৰি-হৰক লগ ধৰি নিজৰ দুখ-দুৰ্গতিৰ কথা বিবৰি ক'লে। মহিষাসুৰে কি দৰে দেৱতাসবৰ অধিকাৰ ছিন্ন কৰি নিজে সেই অধিকাৰৰ অধিকাৰী হৈছে, সেই দানৱ ক্ৰূৰে কিদৰে দেৱতা সৱক স্বৰ্গৰপৰা বিতাড়িত কৰি ধূলিৰ-ধৰণীত, মাটিৰ পৃথিৱীত সাধাৰণ মানুহৰ দৰে জীৱন নিৰ্বাহ কৰিবলৈ বাধ্য হৈছে— সেই বিষয়ে বিবৰি ক'লে। দেৱতাসৱৰ দুখ-দুৰ্গতিৰ কথা শুনি হৰি-হৰ পৰম ক্ৰোধান্বিত হ'ল। শিৱ-বিষ্ণু-ব্ৰহ্মাৰ বদন মণ্ডলৰ পৰা মহৎ তেজ নিৰ্গত হ'বলৈ ধৰিলে। সেই তেজসমূহ এক স্থানত মিলিত হ'ল। সেই মিলিত শক্তিৰপৰা নাৰী এজনীৰ উদ্ভৱ হ'ল। শিৱৰ তেজৰপৰা দেৱীৰ মুখমণ্ডল নিৰ্মিত হ'ল। যম আৰু বিষ্ণুৰ তেজৰপৰা দেৱীগৰাকীৰ ক্ৰমে কেশ আৰু বাহুদ্বয়ৰ সৃষ্টি হ'ল। চন্দ্ৰ, ইন্দ্ৰ, বৰুণ, পৃথিৱী, ব্ৰহ্মা, সূৰ্য্য, বসু, কুবেৰ, প্ৰজাপতি, অনল, সন্ধ্যা আৰু পবনৰ তেজেৰে দেৱীৰ ক্ৰমে স্তনদ্বয়, কঁকাল, জংঘা আৰু উৰু, নিতম্ব, পদদ্বয়, ভঁৰিৰ আংগুলিসমূহ, হাতৰ আংগুলি, নাসিকা, দাঁত, নয়ন যুগল, ভ্ৰুদ্বয়, কৰ্ণদ্বয়ৰ সৃষ্টি হ'ল। আনদেৱতাৰ তেজসমূহেও দেৱীৰ নিমাৰ্ণত ইন্ধন যোগালে। সৰ্বদেৱতাৰ তেজৰদ্বাৰা উৎপন্না দেৱী গৰাকীক দেখি তেওঁলোক সন্দেহাতীত হ'ল যে, মহিষাসুৰ অৰ্নৱ-জল শুকাবলৈ উপক্ৰম কৰিছে। দেৱতাসৱে নিজ নিজ অস্ত্ৰ-শস্ত্ৰৰ পৰা অস্ত্ৰ-শস্ত্ৰ আকৰ্ষণ কৰি দেৱীৰ হাতত প্ৰদান কৰিলে। মহাদেৱে ত্ৰিশূল , বিষ্ণুৱে চক্ৰ, বৰুণে শংখ, অগ্নিয়ে শক্তি, বায়ুৱে ধনু-বাণপূৰ্ণ দুটা টোন, ইন্দ্ৰই বজ্ৰ, ঐৰাৱতে গজ ঘন্টা, যমে কালদণ্ড, বৰুণে পাশ, দক্ষ প্ৰজাপতিয়ে অক্ষমালা, ব্ৰহ্মাই কমণ্ডলু, দিবাকৰে দেৱীৰ ৰোমকূপত ৰশ্মিসমূহ প্ৰদান কৰে। কালে দেৱীক প্ৰদান কৰিলে নিৰ্মল খড়্গ আৰু চৰ্ম। হিমালয়ে দেৱীক দিলে বাহন সিংহ আৰু বিবিধ ৰত্ন অলংকাৰ। কুবেৰে তেওঁক দিলে মহামণি বিভূষিত নাগহাৰ।

হঠাতে দেৱীয়ে অট্টহাস্য কৰি তৰ্জন-গৰ্জন কৰিবলৈ ধৰিলে। সমস্ত জগৎ জুৰি দেৱীৰ বন্দনা-গীতি ধ্বনিত প্ৰতিধ্বনিত হ'ল। সেই তৰ্জন-গৰ্জন শুনি অসুৰ বাহিনী সন্তম হৈ উঠিল। অসুৰ সৈন্যৰদ্বাৰা বেষ্টিত হৈ সেই তৰ্জন-গৰ্জনৰ স্থান উদ্দেশ্যি ধ্বাবিত হ'ল। দেৱীৰ সৈতে অসুৰসৱৰ ভয়ংকৰ যুদ্ধ আৰম্ভ হ'ল। সেনাপতিসৱৰ নেতৃত্বত ধাবমান সৈন্যসকল দেৱীৰ অস্ত্ৰ-প্ৰহাৰত নিহত হ'ল। দেৱীৰ পৰাক্ৰম তথা শক্তি দেখি দেৱ আৰু ঋষিসকলে স্তুতি কৰিব ধৰিলে। অৱশেষত মহিষাসুৰে নিজ মহিষৰূপ ধাৰণ কৰি দেৱীৰ গণসমূহক ভীতি-বিহ্বল কৰিবলৈ উপক্ৰম কৰা দেখি দেৱীয়ে পাশ প্ৰহাৰ কৰি মহাসুৰক বন্দী কৰাৰ লগে লগে তৎক্ষণাতে সেই মহাসুৰে সিংহৰূপ ধাৰণ কৰিলে। দেৱী অম্বিকাই খড়্গ প্ৰহাৰ কৰি মূৰ কাটি পেলোৱাৰ লগে মহিষাসুৰে খড়্গপাণি পুৰুষৰূপে মূৰ্ত হৈ উঠিল। দেৱীয়ে সেই পুৰুষকো দুছোৱা কৰিলে। এইবাৰ মহিষাসুৰে প্ৰকাণ্ড হাতী এটাৰ ৰূপ ল'লে। দেৱীয়ে খড়্গ প্ৰহাৰ কৰি হাতীৰ শুঁড়ডাল ছেদন কৰিলে। এইবাৰ আকৌ মহাসুৰে মহিষৰূপ ধাৰণ কৰি দেৱীক আক্ৰমণ কৰা দেখি দেৱীয়ে মধুপান কৰি অট্টহাস্য কৰি জাপ মাৰি মহাসুৰৰ উপৰত আৰোহণ কৰি পদৰদ্বাৰা আক্ৰমণ কৰি ত্ৰিশূলৰদ্বাৰা সেই অসুৰক তাড়না কৰি মহা অসিৰদ্বাৰা শিৰচ্ছেদ কৰিলে। মহিষাসুৰৰ বিনাশ সম্ভৱ হৈ উঠিল মহাদেৱীৰ কৃপাত। স্বৰ্গৰ পৰা অসুৰসকল পলাল আৰু দেৱতাসকলে পুনৰ স্বৰ্গ অধিকাৰ কৰিলে।

(গ) তৃতীয় চৰিত ঃ দেৱী মাহাত্ম্য

**শুম্ভ-নিশুম্ভ বধ (দেৱীৰ তৃতীয় মহিমা) ঃ** পূৰ্বকালত শুম্ভ-নিশুম্ভ নামৰ দুজন মহাসুৰে স্বৰ্গ অধিকাৰ কৰি দেৱতাসকলৰ স্ব স্ব অধিকাৰসমূহত নিজেই অধিকাৰ সাব্যস্ত কৰিলে। সেই মহাসুৰদ্বয়ৰদ্বাৰা হৃতাধিকাৰ, তিৰস্কৃত, ৰাজ্যহীন, পৰাজিত আৰু বিতাড়িত দেৱতাসৰে সেই অপৰাজিতা দেৱীক স্মৰণ কৰিবলৈ ধৰিলে। দেৱীয়ে বিপদত দেৱতাসৰক সহায় কৰিব বুলি কথা দিছিল। দেৱীৰ অংগীকাৰলৈ মনত পেলাই দেৱতাবৃন্দ হিমালয় পৰ্বতলৈ গৈ সেই বিষ্ণুমায়াক স্তৱ কৰিবলৈ ধৰিলে। দেৱতাসৰৰ স্তুতিত সন্তুষ্ট হৈ দেৱী পাৰ্বতী জাহ্নৱী জলত স্নান কৰিবলৈ যাঁওতে তেওঁ দেৱতাসৰৰ আগত উপস্থিত হ'ল গৈ। তেওঁ দেৱতাসকলক সুধিলে যে তেওঁলোকে কাৰ স্তৱ কৰিছে। সেই মূহূৰ্ততে পাৰ্বতীদেৱীৰ কোষৰপৰা শিৱা দেৱী উৎপন্না হৈ ক'লে ঃ শুম্ভ-নিশুম্ভৰদ্বাৰা পৰাজিত হৈ দেৱতাসকলে মোকেই স্তুতি কৰিছে। পাৰ্বতীৰ কোষৰপৰা জন্ম হোৱা বাবে দেৱী গৰাকী কৌষিকী স্বৰূপে পৰিচিতা হ'ল। তেওঁ কৃষ্ণ বৰ্ণা বাবে তেওঁৰ আন এটা নাম কালিকা। তেওঁ হিমাচলত স্থিতি লাভ কৰিলে জগৎ বিমোহন ৰূপ ধাৰণ কৰি। দেৱতাসকলৰ সন্ধানত প্ৰেৰিত শুম্ভ-নিশুম্ভৰ দূত চণ্ড-মুণ্ডই দেৱীৰ বিশ্ববিমোহন ৰূপ দেখি শুম্ভক জনালেগৈ যে হিমাচলত এগৰাকী সুন্দৰী ৰমণী দেখি আহিছে- যি গৰাকীক পত্নী স্বৰূপে গ্ৰহণ কৰিব নোৱাৰিলে জীৱনেই নিৰৰ্থক। দূতৰ কথা শুনি মহাসুৰ শুম্ভই সুগ্ৰীৱ নামৰ দূত এজনক প্ৰেৰণ কৰিলে আৰু ক'লে বোলে দেৱীক বুজাই-বঢ়াই মহাসুৰৰ পত্নী স্বৰূপে আনিব লাগে। সেইমতে সুগ্ৰীৱে দেৱীক বুজোৱা-বঢ়োৱা কৰিলে। সুগ্ৰীৱৰ কথা শুনি দেৱী গৰাকীয়ে ক'লে যে দূতে উচিত প্ৰস্তাৱকেই দিছে ; কিন্তু তেওঁহে সেই প্ৰস্তাৱ গ্ৰহণ কৰিব নোৱাৰি ব্যথিতা হৈছে ; কাৰণ তেওঁ প্ৰতিজ্ঞা কৰিছে যে, যিজন পুৰুষে দেৱীক যুদ্ধত পৰাজয় কৰিব পাৰিব সেইজন দেৱতাৰ লগতহে তেওঁ বিবাহ কৃত্য সম্পন্ন কৰিব। শুম্ভ-নিশুম্ভই তেওঁক পৰাজিত কৰিব পাৰিলেহে তেওঁ তেওঁলোকৰ কোনোবা এজনক স্বামীৰূপে গ্ৰহণ কৰিব পাৰিব।

সেই কথা শুনি শুম্ভ-নিশুম্ভই অসংখ্য সৈন্যৰ সৈতে ধূম্ৰলোচনক সেনাপতি পাতি দেৱীৰ বিৰুদ্ধে প্ৰেৰণ কৰিলে। দেৱীয়ে সেনাপতিৰ সৈতে সৈন্যসকলক বধ কৰিলে। চণ্ড আৰু মুণ্ডকো সসৈন্যে দেৱীৰ বিৰুদ্ধে প্ৰেৰণ কৰা হ'ল। ক্ৰোধিতা দেৱীৰ ভ্ৰূকুটী-কূটিল ললাট-ফলকৰ পৰা খটাংগ ধাৰিণী নৰমালা-বিভূষণা, কৰাল-বদনা আৰু কৃষ্ণৱৰ্ণা দেৱী গৰাকী নিৰ্গতা হ'ল। সেই দেৱী গৰাকীয়ে দৈত্য সৈন্যসমূহৰ কিছুমান ভক্ষণ কৰিলে, কিছুমানক বধ কৰিলে। চণ্ড-মুণ্ড অসুৰদ্বয়ো দেৱীৰ হাতত নিহত হ'ল। যুদ্ধলৈ যাত্ৰা কৰিলে শুম্ভাসুৰে লগত অসংখ্য সৈন্য লৈ। দেৱী চণ্ডিকাই শিৱদেৱক অসুৰ সেনাপতিৰ ওচৰলৈ প্ৰেৰণ কৰিলে— সন্ধি স্থাপনৰ অৰ্থে। দেৱী চণ্ডিকাই ভীষণ ৰূপ ধৰি এফালৰপৰা অসুৰসকলক হত্যা কৰিলে। এই প্ৰসংগত দেৱীক সহায় কৰিলে সপ্ত মাতৃকাই। সপ্ত মাতৃকা হ'ল— সাতজনী মাতৃ। তেওঁলোক ব্ৰহ্মাৰ পত্নী ব্ৰহ্মানী, মহেশ্বৰৰ মাহেশ্বৰী, বিষ্ণুৰ বৈষ্ণৱী, কুমাৰ অৰ্থাৎ কাৰ্ত্তিকেয়ৰ পত্নী কৌমাৰী, ইন্দ্ৰৰ শক্তি ইন্দ্ৰানী, বৰাহৰ শক্তি বৰাহী, নৰসিংহৰ শক্তি নাৰসিংহী। সপ্তমাতৃকাই তেওঁলোকৰ স্বামীসকলৰ অস্ত্ৰ সদৃশ অস্ত্ৰ ধাৰণ কৰি অসুৰ সৈন্যসৰক বধ কৰিবলৈ ধৰিলে। ভীতি-বিহ্বল হৈ কিছুমান অসুৰ সৈন্য ফৰিং ছিটিকা দিলে। তেনে সময়তে ৰক্তবীজ নামৰ আন এগৰাকী মহাসুৰ পৰম ক্ৰোধান্বিত হৈ যুদ্ধ ক্ষেত্ৰত প্ৰৱেশ কৰি দেৱী-সেনাৰ সৈতে ভয়ংকৰ যুদ্ধত প্ৰবৃত্ত হ'ল। ৰক্তবীজৰ শৰীৰৰ পৰা ওলোৱা ৰক্ত-বিন্দুৰ পৰা হাজাৰ হাজাৰ অসুৰ সৈন্যৰ জন্ম হ'ল। ৰক্তবীজৰ আচৰিত শক্তি দেখি দেৱতাসকল ভয়-সন্ত্ৰস্ত হ'ল। তেতিয়া দেৱীয়ে কালীক ৰক্তবীজৰ দেহৰ পৰা নিৰ্গত তেজ-বিন্দুবোৰ মাটিত পৰাৰ পূৰ্বেই মুখ বিস্তাৰ কৰি পান কৰিবলৈ নিৰ্দেশ দিলে।

সেইমতে কাম হ'ল। ৰক্তবিহীন হৈ ৰক্তবীজ যুদ্ধক্ষেত্ৰত বাগৰি পৰিল। দেৱীৰ অস্ত্ৰ প্ৰহাৰত নিশুম্ভাসুৰেও শেষ নিশ্বাস কাঢ়িলে। নিশুম্ভৰ সৈন্যসকলোৱেও সেনাপতিৰ পথকে অনুসৰণ কৰিবলৈ বাধ্য হ'ল।

এইবাৰ শুম্ভাসুৰৰ পাল পৰিল। তেওঁ দেৱীক তৰ্জন গৰ্জন কৰি অসংখ্য সৈন্য লগত লৈ যুদ্ধক্ষেত্ৰলৈ ধাবিত হ'ল। অৱশেষত দেৱীৰ শূল প্ৰহাৰত শুম্ভাসুৰে শেষ নিশ্বাস কাঢ়িবলৈ বাধ্য হ'ল।

দেৱতাসকলে দেৱীক স্তুতি-স্তৱ কৰি শান্ত কৰিলে। সন্তুষ্টমনা দেৱীয়ে দেৱতাসৱক বৰ মাগিবলৈ নিৰ্দেশ দিলে। তেতিয়া দেৱতাসকলে যোৰহস্ত হৈ ক'লে ঃ হে অখিলেশ্বৰী, ত্ৰৈলোক্যৰ সৰ্বপ্ৰকাৰ বিপদ-বিঘিনি বিনাশ কৰা আৰু এইদৰে আমাৰ শত্ৰুসমূহক বিনাশ কৰা এয়ে হ'ব আমাৰ বৰ।

ওপৰোল্লিখিত চৰিত কেইটিত দেৱীৰ মাহাত্ম্য প্ৰকটিত হৈছে। 'মধু-কৈটভ' বধত আমি দেখা পাওঁ যোগ নিদ্ৰা দেৱীৰ মহিমা। 'মহিষাসুৰ বধ চৰিত'ত আমি দেখিবলৈ পাওঁ দুৰ্গা দেৱীৰ মাহাত্ম্য। তৃতীয় আৰু অন্ত্য চৰিত *শুম্ভ-নিশুম্ভ বধতো* আমি কৌষিকী-কালী-চণ্ডিকা-চামুণ্ডা আদি দেৱীৰ (অৰ্থাৎ কালীদেৱীৰ) মহিমা-মহাত্ম্য দেখা পাওঁ।

শুম্ভাসুৰৰ মৃত্যুৰ পূৰ্বে দেৱীয়ে তেওঁৰ সাৰ্বভৌম মহিমা-মাহাত্ম্য আৰু শক্তিৰ কথা ক'বলৈ গৈ কৈছেঃ ৰে দুষ্ট! এই জগতত ময়েই অকলে বিদ্যমান। মোৰ বাহিৰে আন দ্বিতীয়জন কোন?

*একৈবাহং জগত্যত্ৰ দ্বিতীয়া কা মমা পৰা।*
*পশ্যৈতা দুষ্ট ময্যেৱ বিশন্ত্যো মদ্বিভূতয়।।*

**দেৱীৰ বিভিন্ন অৱতাৰ ঃ**

*শ্ৰীশ্ৰী চণ্ডী* বা *শ্ৰীশ্ৰী চণ্ডী মাহাত্ম্য* বা *দেৱী-মাহাত্ম্য*-ৰ অন্ত্য চৰিত শুম্ভ-নিশুম্ভ বধত দেৱতাসৱৰ প্ৰাৰ্থনাত সন্তুষ্টমনা দেৱীয়ে কৈছিল যে জগৎ সংৰক্ষণ আৰু ধৰ্ম প্ৰতিষ্ঠাপন আদিৰ বাবে তেওঁ বিভিন্ন সময়ত বিভিন্ন অৱতাৰ গ্ৰহণ কৰিব।

(১) সপ্তম মন্বন্তৰত অষ্ট বিংশতি সংখ্যক যুগত শুম্ভ-নিশুম্ভ নামে আন দুজন মহাসুৰৰ জন্ম হৈ জগতত অত্যাচাৰ আৰম্ভ কৰিব। সিহঁতৰ অত্যাচাৰৰপৰা জগতক ৰক্ষা কৰিবৰ বাবে মই নন্দ-গোপৰ ঘৰত যশোদাৰ গৰ্ভত জন্ম গ্ৰহণ কৰি বিন্ধ্যাচলত বাস কৰি থাকিম আৰু তেতিয়াই সেই অসুৰদ্বয়ক বধ কৰিম।

(২) বিপ্ৰচিত্তি দানৱৰ বংশত জন্মলাভ কৰা বৈপ্ৰচিত্ত নামৰ দানৱসকলক সংহাৰ কৰিবলৈ ভয়ংকৰ ৰূপ ধৰি পৃথিৱীত আবিৰ্ভূতা হ'ম। সেই বৈপ্ৰচিত্ত নামৰ উগ্ৰ অসুৰসকলক মই ভক্ষণ কৰিম। তাৰ পৰিণতিত মোৰ দাঁতবোৰ ডালিম ফুলৰ দৰে ৰক্ত অৰ্থাৎ ৰঙা হৈ উঠিব। সেইবাবে স্বৰ্গত দেৱতাসকলে আৰু মৰ্ত্যত মানৱসকলে মোক স্তুতি কৰাৰ প্ৰসংগত সততে 'ৰক্তদন্তিকা' ৰূপে কীৰ্তন কৰিব।

(৩) অনাবৃষ্টিৰদ্বাৰা ধৰিত্ৰীৰ বক্ষ অঞ্চল হ'ব ৰুক্ষ। তেতিয়া মুনিসকলে মোক স্তুতি কৰিব। মুনিসৱৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ মই অযোনিজা ৰূপে আবিৰ্ভাৱ হ'ম আৰু শতনেত্ৰ বিশিষ্টা হৈ মুনিসকলক নিৰীক্ষণ কৰিম। সেইবাবে মানৱসৰে মোক 'শতাক্ষী' আখ্যা দিব।

(৪) যিমান দিনলৈকে বৰষুণ নহ'ব সিমান দিনলৈকে মোৰ দেহৰপৰা উৎপন্ন প্ৰাণ ধাৰক শাকৰদ্বাৰা অখিল লোকক পোষণ কৰিম। সেইবাবে মোৰ নাম হ'ব শাকম্ভৰী।

(৫) সেই সময়তেই দুৰ্গম নামৰ মহাসুৰক বধ কৰি মই জগতক আসুৰিক শক্তি বিমুক্ত কৰিম আৰু তাৰ বাবে লোকে মোক দুৰ্গাদেৱী ৰূপে স্তুতি কৰিব।

(৬) ৰাক্ষসসকলৰ অত্যাচাৰৰ পৰা সন্ত-সাধু আৰু ঋষি-মুনিসৰক ৰক্ষা কৰিবৰ বাবে মই হিমালয়ত ভীমৰূপ ধাৰণ কৰিম আৰু ৰাক্ষসসকলক বিনাশ কৰিম। তেতিয়া ঋষি-মুনিসকলে মোক 'ভীমাদেৱী' ৰূপে স্তুতি কৰিব।

(৭) অৰুণ নামৰ মহাসুৰক বধ কৰি ধাৰ্মিকজন আৰু ধৰ্ম প্ৰতিষ্ঠাৰ বাবে ভ্ৰমৰ ৰূপ ধাৰণা কৰি তিনিলোকৰ কল্যাণ আৰু মংগলৰ বাবে অৰুণাসুৰক বধ কৰিম আৰু তাৰ বাবে মই ভ্ৰামৰীদেৱ স্বৰূপে পৰিচিত হ'ম।

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰীচণ্ডী' ৰ মূল বিষয়বস্তু কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

...........................................................

...........................................................

...........................................................

## ২.৬ মূলৰ সৈতে ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰী চণ্ডী'ৰ পাৰ্থক্য বা বৈসাদৃশ্য

অসমীয়া সাহিত্যত প্ৰথম অনুবাদক কবি স্বৰূপে পৰিচিত কবিৰাজ মাধৱ কন্দলীৰ নাম সৰ্বজন জ্ঞাত। খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ অন্ত্যভাগত বা খ্ৰীঃ চতুৰ্দশ শতিকাৰ আগভাগত তেওঁ আদি কবি বাল্মীকি কৃত *ৰামায়ণ-মহাকাব্য* অনুবাদ কৰে বৰাহী ৰজা মহামাণিক্যৰ অনুৰোধ ৰক্ষা কৰি। অনুবাদৰ প্ৰসংগত তেওঁ এটা কৈছিল —

*দেব বাণী নোহে ইটো লৌকিক কথা।*
*এতেকে ইহাৰ দোষ নলৈবা সৰ্বথা।।*

ইয়াৰ পৰা সহজে বুজিব পাৰি যে, আমাৰ কবিয়ে অনুবাদৰ প্ৰসংগত মূলৰ কিছু কথা এৰিছে (পাঠকৰ বাবে দুৰ্বোধ্য হ'ব পাৰে বুলি ভয় কৰি) আৰু তাৰ ঠাইত নিজা কথা সংযোজন কৰিছে— পাঠক সমাজৰ গ্ৰহণ ক্ষমতাৰ প্ৰতি অৱগত হৈ। মাধৱ কন্দলীৰ এই অনুবাদ শৈলীটো পৰৱৰ্তী পুৰণি অসমীয়া কবিসকলেও অভ্ৰান্ত ভাবে ৰক্ষা কৰিছে। ৰুচিনাথ কন্দলীয়ে দেৱী পৰম্পৰা বিশেষ অক্ষুণ্ণ আৰু অভ্ৰান্তভাৱে দেখুৱাবৰ বাবে সংস্কৃত *শ্ৰীশ্ৰী চণ্ডী*-ৰ বিষয় বস্তুৰ মাজে মাজে আন আন পুৰাণ-উপপুৰাণ আদিৰ পৰা সমল সংগ্ৰহ কৰি তেওঁৰ অনুবাদটিত সংযোজন কৰা হেতু *মাৰ্কণ্ডেয় চণ্ডী*ত নোহোৱা কিছুমান বিষয় অসমীয়া *চণ্ডী*ত দেখা যায় আৰু এই প্ৰসংগতেই মূলৰ সৈতে ৰুচিনাথ কন্দলীৰ *চণ্ডী*ৰ কোনো কোনো বিষয়ত বৈসাদৃশ্য বা বিভিন্নতা দেখা যায়। তলত এই বিষয়ে আলোচনা কৰা হ'ল—

(১) সংস্কৃত *দেৱীমাহাত্ম্য* আৰম্ভ হৈছে সুৰথ ৰজা আৰু সমাধি বৈশ্যৰ পৰিচয়ৰে। অন্যহাতে ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডী* আৰম্ভ হৈছে মংগলা চৰণ, জৈমুনিৰ প্ৰশ্ন, ধৰ্মপক্ষীৰ বৃত্তান্ত, মন্দপাল ঋষিৰ কাহিনী, জৈমিনি আৰু ধৰ্মৰক্ষী সংবাদ ইত্যাদিৰে। তাৰ পিছতহে চৈত্ৰ

নৃপতি আৰু সুৰথ তথা দুমিণ বৈশ্য আৰু তেওঁৰ পুত্ৰ সমাধিৰ কাহিনীৰ উল্লেখ কৰা হৈছে। ইয়াৰ পৰা আমি সহজে ক'ব পাৰোঁ যে, সংস্কৃতত পুৰাণৰ অংশ ৰূপে *দেৱী মাহাত্ম্য*ৰ আৰম্ভণি কৰা হৈছে। ইয়াৰ বিপৰীতে অসমীয়া *চণ্ডী*ৰ আৰম্ভনি সূচিত হৈছে- কাব্যৰূপত।

(২) মূল চণ্ডীত ৰম্ভাসুৰৰ তপস্যা সম্পৰ্কীয় বৰ্ণনা পোৱা নাযায় ; কিন্তু ৰুচিনাথে মহিষাসুৰৰ জন্মৰ প্ৰসংগত ৰম্ভাসুৰে শিৱসম পুত্ৰ লাভৰ বাবে শিৱ-পাৰ্বতীক অনেক বছৰ আৰাধনা কৰা দেখুৱাইছে। শিৱসম পুত্ৰ লাভৰ বাবে ৰম্ভাসুৰে শিৱৰপৰা বৰ লাভ কৰে। মহিষীৰ সৈতে ৰম্ভাসুৰৰ ৰতি-ৰস আৰু মহিষাসুৰৰ জন্ম আদিৰ বৰ্ণনা পোৱা যায়। মূলত এনে বৰ্ণনা পোৱা নাযায়।

(৩) মহিষাসুৰৰ ১ম, ২য় আৰু ৩য় জন্ম লাভ, ৩য় জন্মত মহিষাসুৰৰ দাৰুণ সপোন, মহিষাসুৰৰ দ্বাৰা দেৱীপূজন, মহেশ্বৰীৰ দ্বাৰা যোড়সভুজ গ্ৰহণ কৰি ভদ্ৰকাল ৰূপে মহিষাসুৰক দৰ্শন প্ৰদান, দেৱীৰ আগত মহিষাসুৰৰ স্বপ্ন বৰ্ণন, দেৱীৰ ওচৰত মহিষাসুৰৰ বৰ প্ৰাৰ্থন, যাবৎ সূৰ্য্য তাবৎ দেৱীৰ চৰণত মহিষাসুৰৰ অবিচলা ভক্তি ৰক্ষণ আৰু যজ্ঞত ভাগ প্ৰদান আদিৰ বৰ্ণনা ৰুচিনাথৰ *চণ্ডী*ত পোৱা যায় ; কিন্তু মূলতঃ পোৱা নাযায়।

মূল *চণ্ডী*ৰ মতে দেৱী দুৰ্গাই মাত্ৰ এবাৰেই মহিষাসুৰক বধ কৰে অৱশ্যে দুৰ্গাই মহিষাসুৰৰ তিনিটা ৰূপ যেনে ঃ মানুহ, ঐৰাৱত, মহিষ তিনিবাৰ বধ কৰে— একে যাত্ৰাতেই। ইয়াৰ বিপৰীতে ৰুচিনাথ কন্দলীয়ে উল্লেখ কৰিছে যে দেৱীয়ে অষ্টাদশ ভুজ ধৰি উগ্ৰচণ্ডা ৰূপত প্ৰথম বাৰ মহিষাসুৰক বধ কৰে। দ্বিতীয় বাৰত দেৱী যোল ভুজা হৈ ভদ্ৰাকালী নাম ধৰি মহিষাসুৰক বধ কৰে। তৃতীয় আৰু শেষ বাৰৰ বাবে দশভুজা দুৰ্গা ৰূপে অৱতাৰ গ্ৰহণ কৰি মহিষাসুৰক বধ কৰে— যাৰ ফলত অনন্ত কালৰ বাবে দুৰ্গাৰ চৰণত স্থান লাভ কৰিবলৈ সক্ষম হয়। দুৰ্গাক পূজা দিয়াৰ লগে লগেই মহিষকো পূজা দিয়াৰ পৰম্পৰা আৰম্ভ হয়। মহিষাসুৰ শিৱ-মহাদেৱৰ অৱতাৰ বিশেষ।

(৪) ৰুচিনাথ কন্দলীয়ে তেওঁৰ নিৰ্মিতি বিশেষত বাসৱ বংশাৱলী অৰ্থাৎ ৰুদ্ৰসিংহ ৰজাৰ কাৰ্যাৱলী, তেওঁৰদ্বাৰা বিপক্ষীয় নৃপতিসৱক দমন, ৰঙ্গপুৰ নিৰ্মাণ আদিৰ ৰাজনৈতিক আৰু সামাজিক বৰ্ণনা দিছে- যাৰ সংকেৎ সংস্কৃতি *চণ্ডী*ত পোৱা নাযায়।

(৫) শুম্ভ-নিশুম্ভ মহাসুৰদ্বয়ৰ পূৰ্ব বৃত্তান্ত, দেৱৰাজ ইন্দ্ৰৰ সৈতে এই মহাসুৰদ্বয়ৰ সংঘৰ্ষৰ কাৰণ আদি মূল *চণ্ডী*ত পোৱা নাযায় ; কিন্তু ৰুচিনাথ কন্দলীয়ে তেওঁৰ নিৰ্মিতি বিশেষত এই সংঘৰ্ষৰ বৰ্ণনা পৰিৱেশন কৰিছে।

(৬) ৰক্তবীজৰ পৰিচয় প্ৰকাশক বৰ্ণনা মূল *চণ্ডী*ত পোৱা নাযায় ; কিন্তু আমাৰ কবিয়ে ৰক্তবীজৰ পৰিচয় প্ৰকাশক বৰ্ণনা দিছে আৰু লগতে এই মহাসুৰে কৈছে তেওঁ মহিষাসুৰৰ সেনাপতি আছিল। মহিষাসুৰৰ বধৰ পিছত দুৰ্গাৰ ভয়ত তেওঁ জলত লুকাই আছিল। মূল চণ্ডীত মহিষাসুৰৰ কেইবা গৰাকী সেনাপতিৰ নামোল্লেখ আছে; কিন্তু সেই সেনাপতিসকলৰ মাজত ৰক্তবীজ নামৰ এজন সেনাপতি থকাৰ কোনো ইংগিত পোৱা নাযায়।

(৭) *শ্ৰীশ্ৰীচণ্ডী*-ৰ শেষৰ ফালে উপস্থাপিত কবিৰ 'আত্ম-পৰিচয়' অংশ মূলৰ সৈতে জড়িত নহয়। ৰুচিনাথ কন্দলীয়ে যে *মাৰ্কণ্ডেয় পুৰাণৰ* কথা বস্তুৰ সৈতে ইতিমধ্যে দেৱী পৰম্পৰাত স্থান পোৱা প্ৰাসংগিক কথাবস্তু সংগ্ৰহ কৰি তেওঁৰ অনুবাদ কৰ্মৰ বিষয় বস্তুৰ সৈতে সংমিশ্ৰণ কৰি দেৱী-পৰম্পৰা সমৃদ্ধ কৰিবলৈ প্ৰয়াস কৰিছিল তাৰ আভাস ইয়াৰপৰা পোৱা যায়।

## ২.৭ ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰী চণ্ডীত আন আন পুৰাণ-সমলৰ স্থিতি

প্ৰকৃতাৰ্থত ৰুচিনাথকন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী, মাৰ্কণ্ডেয় চণ্ডী* বা *দেৱী-মাহাত্ম্যৰ* হুবহু অনুবাদ নহয়, দেৱী-পৰম্পৰাৰ সংশ্লেষণহে। এই সংশ্লেষণৰ আভাস পোনতে পোৱা যায় *বামন-পুৰাণ*-ত। ইয়াৰ বাহিৰেও *ব্ৰহ্মবৈৱৰ্ত-পুৰাণ, কালিকা-পুৰাণ* আদিৰো সমল সংযোজন কৰা হৈছে। তলত এই বিষয়ে আলোচনা কৰা হ'ল —

### (১) ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰী চণ্ডীত বামন-পুৰাণৰ সমল

দেৱী-পৰম্পৰাৰ সংহতিত ৰূপ পোনতে পোৱা যায় *বামন-পুৰাণ*-ত। সেইবাবে *শ্ৰীশ্ৰীচণ্ডী*ৰ কাহিনী তিনিটিত পৰিপূৰ্ণতা প্ৰদান কৰাৰ বাবে আৰু কাব্যিক সংহতি ৰক্ষাৰ বাবে ৰুচিনাথ কন্দলীয়ে *বামন-পুৰাণ*-ৰ সমল তেওঁৰ অনুবাদটিত সংযোজন কৰিছে। কবি নিজেই কৈছে —

*শুম্ভ আদি দানবৰ জন্ম কৰ্ম্ম যত।*
*সিটো কথা আছয় বামন পুৰাণত।।*
*তাক চাই আত কথা দিলো মিসলাই।*
*আক শুনি শিৱ দুৰ্গা ঘুষিয়ো সদাই।।*

কৰম্ভ আৰু ৰম্ভ দুয়ো ভাতৃয়ে মহাৱলী পুত্ৰৰ বাবে অনেক বছৰ তপস্যা মগ্ন, গ্ৰাহৰূপী ইন্দ্ৰৰদ্বাৰা কৰম্ভ বধ, নিজ শিৰ ছেদ কৰি ক্ৰোধান্বিত ৰম্ভাসুৰে অগ্নিক হুনিবলৈ কৰা প্ৰয়াস, শিৱৰপৰা বৰ লাভ, মহিষীৰ লগত ৰম্ভাসুৰৰ সংগম, মহিষাসুৰৰ জন্ম, মহিষীৰ স্বামী মহিষ আৰু ৰম্ভৰ যুদ্ধ আৰু ৰম্ভাসুৰৰ মৃত্যু, যক্ষৰ চৰণত মহিষীৰ আশ্ৰয় গ্ৰহণ, মদন পীড়াত জৰ্জৰিত মহিষৰদ্বাৰা দিব্য ৰূপ লাভ, ৰম্ভৰ চিতাগ্নিৰ পৰা ৰক্তবীজ জন্ম, মহিষাসুৰৰদ্বাৰা দেৱতাবৃন্দৰ পৰাজয়, কাত্যায়নীৰ দ্বাৰা মহিষাসুৰ নিধন, চণ্ড-মুণ্ডৰ পলায়ন আদিৰ বৰ্ণনা *বামন-পুৰাণ*-ৰ পৰা পোৱা হৈছে। দ্বিতীয়তে শুম্ভ-নিশুম্ভ আৰু চণ্ড-মুণ্ডৰ পৰিচয় সম্পৰ্কীয় বৰ্ণনাংশও *বামন-পুৰাণ* আশ্ৰিত। কশ্যপ ঋষি সম্পৰ্কীয় বৰ্ণনাংশ *বামন-পুৰাণ* নিৰ্ভৰশীল।

### (২) ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰী চণ্ডীত কালিকা পুৰাণৰ সমল

ৰুচিনাথ কন্দলীয়ে তেওঁৰ *শ্ৰীশ্ৰীচণ্ডী*ৰ কাহিনী ভাগক কাব্যসন্মত ৰূপ দিয়াৰ প্ৰসংগত *কালিকা-পুৰাণ*ৰ সমলো সংযোজন কৰিছে। কবিৰ ভাষাত —

(ক) *মহিষৰ জন্ম কথা শাপ বৰ পাইলা যথা*
*সংক্ষেপে ৰচিলো পদ কৰি।*
*কালিকা-পুৰাণ চাই আত দিলো মিসলাই*
*পূৰ্ব্ব কবি পথ অনুসৰি।।*

(খ) *কালিকা পুৰাণ চাই কৰিয়া বিচাৰ।*
*প্ৰসংগত কহো দুৰ্গা আদি অৱতাৰ।।*

মহিষাসুৰৰ চৰিত্ৰটি *শ্ৰীশ্ৰীচণ্ডী*-ত আকৰ্ষণীয় ৰূপত চিত্ৰিত হোৱা নাই- *কালিকা-পুৰাণ*-ত যিদৰে চিত্ৰিত হৈছে। *কালিকা-পুৰাণ*ৰ মতে ৰম্ভাসুৰে অনেক কাল ধৰি তপশ্চৰণ কৰি মহাদেৱক আৰাধনা কৰিছিল মহাদেৱ সদৃশ বলবান পুত্ৰ লাভৰ বাবে। তপস্যাত সন্তুষ্ট হৈ মহাদেৱে ৰম্ভাসুৰক নিৰ্দেশ দিলে বাঞ্ছিত বৰ ল'বলৈ। ৰম্ভাসুৰে তিনি জন্মত শিৱক পুত্ৰ ৰূপে পাবলৈ প্ৰাৰ্থনা জনালে। মহাদেৱে 'তথাস্তু' বুলি ক'লে। ৰম্ভাসুৰৰ ঔৰসত মহিষীৰ গৰ্ভত মহিষাসুৰৰ জন্ম হ'ল। দানৱপতি মহিষাসুৰে নাৰীৰূপ ধৰি কাত্যায়ন মুনিৰ শিষ্য ৰৌদ্ৰাক্ষক

মোহিত কৰাত কাত্যায়নে অভিশাপ দিছিল যে, যিহেতু স্ত্ৰীৰূপ ধাৰণ কৰি তেওঁৰ শিষ্যক মোহিত কৰি তপস্যা ভংগ কৰিছে, গতিকে স্ত্ৰীৰ হাতত মহাসুৰৰ মৃত্যু হ'ব। কালিকা-পুৰাণৰ এই কথাকিনি ৰুচিনাথে তেওঁৰ *চণ্ডীত* সন্নিৱিষ্ট কৰিছে। *কালিকা-পুৰাণ*-ৰ আদৰ্শ অনুসৰিয়েই ৰুচিনাথেও শিৱ আৰু মহিষৰ পাৰ্থক্য নাই বুলি কৈছে। দেৱী দুৰ্গাৰ বিভিন্ন অৱতাৰ বৰ্ণনা দিয়াৰ ক্ষেত্ৰতো কন্দলীয়ে *কালিকা-পুৰাণ*-ৰ ওচৰ চাপিছে। ৰাম-ৰাৱণৰ যুদ্ধত ৰামৰ জয় আৰু ৰাৱণৰ পতনৰ বাবে ব্ৰহ্মাই জগন্ময়ী মহামায়া বৈষ্ণৱী দেৱীক বোধন কৰা পৰিস্থিতি বিশেষৰ বৰ্ণনা আমাৰ কবিয়ে দিছে- *কালিকা-পুৰাণ* ক আশ্ৰয় কৰি।

**(৩) ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰী চণ্ডীত ব্ৰহ্মবৈৱৰ্ত-পুৰাণৰ সমল**

*ব্ৰহ্মবৈৱৰ্ত-পুৰাণ*-ৰ প্ৰকৃতি খণ্ডৰ সমলো আমাৰ কবি কন্দলীয়ে তেওঁৰ *শ্ৰীশ্ৰীচণ্ডী*-ত সংযোজন কৰিছে। এই সমল সমূহৰ ভিতৰত —

(ক) চন্দ্ৰৰ ঔৰসত দেৱগুৰু বৃহস্পতিৰ পত্নী তাৰাৰ গৰ্ভত বুধৰ জন্ম।

(খ) অথিৰথ সম্পৰ্কীয় বৰ্ণনা।

(গ) সুৰথ সম্পৰ্কীয় অণু-কাহিনী, ইত্যাদি।

(ঘ) সুৰথ আৰু সমাধি বৈশ্যৰ সুখ-শান্তি লাভৰ কথা *ব্ৰহ্মবৈৱৰ্ত-পুৰাণ* আশ্ৰিত।

কবি নিজেই কৈছে —

*প্ৰকৃতি খণ্ডক চাই কৰিয়া উদ্ধাৰ।*
*নিবন্ধিলো শেষ কথা বৈশ্যৰ ৰাজাৰ।।*

**(৪) ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰী চণ্ডীত মাৰ্কণ্ডেয় পুৰাণৰ সমল**

ৰুচিনাথ কন্দলীয়ে তেওঁৰ *শ্ৰীশ্ৰীচণ্ডী* গ্ৰন্থখনিক কাব্যসন্মত ৰূপ দিয়াৰ প্ৰয়াসেৰে *মাৰ্কণ্ডেয়-পুৰাণ* ৰ পৰাও সমল সংগ্ৰহ কৰি সংযোজন কৰি দিছে। এই সমল সমূহৰ ভিতৰত কেইটিমানৰ উল্লেখ তলত কৰা হ'ল —

(ক) ধৰ্মপক্ষীৰ প্ৰসংগ,

(খ) বিপুলস্বান মুনিৰ কথা,

(গ) ইন্দ্ৰৰ প্ৰসংগ, ইত্যাদি।

ওপৰৰ আলোচনাৰপৰা সহজে অনুমান কৰিব পাৰিয়ে, ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী, দেৱী-মাহাত্ম্য, বামন-পুৰাণ, কালিকা-পুৰাণ* আৰু *ব্ৰহ্ম বৈৱৰ্ত পুৰাণ*ৰ সংমিশ্ৰিত ৰূপ মাথোন। গতিকে আমি সন্দেহ বিহীন ভাৱে ক'ব পাৰোঁ যে, ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী দেৱী-মাহাত্ম্যৰ* অনুবাদ নহয়, দেৱী-পৰম্পৰাৰ সংশ্লেষণ বা সমন্বিত ৰূপ মাথোন।

**আত্মমূল্যায়ন প্ৰশ্ন**

'শ্ৰীশ্ৰীচণ্ডী'ত সকলো পুৰাণৰ উমৈহতীয়া সমল কি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................
.................................................................
.................................................................

## ২.৮ পুৰাণ হিচাপে ‘শ্ৰীশ্ৰীচণ্ডী’

‘পুৰাণ’ শব্দৰ অৰ্থ আখ্যান—পুৰাণম্ আখ্যানম্। পুৰাণ দুভাগত বিভক্ত ঃ মহাপুৰাণ আৰু উপ-পুৰাণ। মহাপুৰাণসমূহ প্ৰাচীন। ইয়াৰ বিপৰীতে উপ-পুৰাণসমূহ তুলনামূলক ভাৱে অৰ্বাচীন। আদিতে *মহাপুৰাণ* সমূহো আছিল পঞ্চ লক্ষণযুক্ত। পৰৱৰ্তীকালত মহাপুৰাণৰ বাবে দশ লক্ষণৰ প্ৰয়োজন হ’ল আৰু উপপুৰাণ পঞ্চ লক্ষণযুক্ত হ’ল।

মাৰ্কণ্ডেয় পুৰাণ প্ৰাচীন পুৰাণ, গতিকে পঞ্চ লক্ষণযুক্ত। এই পঞ্চ লক্ষণ হৈছে—

*সৰ্গশ্চ প্ৰতিসৰ্গশ্চ বংশো মণ্বন্তৰাণি চ।*
*বংশানুচৰিতং চৈব পুৰাণং পঞ্চলক্ষণম্।।*

অৰ্থাৎ, সৰ্গ (জগৎ সৃষ্টি বা অনাদি পাতন), প্ৰতিসৰ্গ (ব্ৰহ্মাৰ সৃষ্টিৰ অন্তত দক্ষাদি প্ৰজাপতিৰ সৃষ্টি, কল্লাদি আৰু যুগাদিৰ সৃষ্টি), *বংশ* (দেৱতা, অসুৰ, পিতৃসকল, ঋষি-মুনি আৰু নৃপতিসৰৰ বংশানুচৰিত) মন্বন্তৰ (একোজন মনুৰ ৰাজ্য শাসনৰ কাল) আৰু বংশানুচৰিত (ৰাজ বংশৰ বৰ্ণনা)।

চমুকৈ ক’বলৈ গ’লে দেৱতা-ঋষি-মুনিসৰৰ বংশাৱলী, মনুসকলৰ বয়স, চন্দ্ৰ আৰু সূৰ্য্যবংশীয় ৰজাসকলৰ ইতিহাসাদিৰ বৰ্ণন পুৰাণত থাকিব লাগে।

সন্দেহ নাই *মাৰ্কণ্ডেয়-পুৰাণ* পঞ্চ লক্ষণ বিশিষ্ট পুৰাণ, যিখন পুৰাণ মহাপুৰাণ ৰূপেও সৰ্বজন মান্য। ‘দেৱী-মাহাত্ম্য’ বা ‘শ্ৰীশ্ৰীচণ্ডী’ *মাৰ্কণ্ডেয়-পুৰাণ*-ৰ অংশ বিশেষ। এইখন পুৰাণৰ ৮১ তম অধ্যায়ৰপৰা ৯৩ তম অধ্যায় পৰ্য্যন্ত বিস্তৃত বিভিন্ন কমাংগৰ সমল ‘দেৱী-মাহাত্ম্য’ *মাৰ্কণ্ডেয়-পুৰাণ*-ৰ অংশ বিশেষহে। অৱশ্যে প্ৰাচীন মহাপুৰাণ আৰু অৰ্বাচীন উপ-পুৰাণৰ সমল *দেৱী-মাহাত্ম্য*ত লক্ষ্য কৰিব পাৰি।

পুৰাণৰ প্ৰথম লক্ষণ হ’ল সৰ্গ অৰ্থাৎ জগৎ সৃষ্টি বা অনাদি পাতন। *দেৱী-মাহাত্ম্য*-ৰ বিশেষকৈ ‘মধু-কৈটভ বধ’ চৰিতটিত বিষ্ণুৰ নাভি কমলত প্ৰজাপতি ব্ৰহ্মাৰ সৃষ্টিৰ জৰিয়তে সৃষ্টি ৰচনা প্ৰক্ৰিয়া সূচিত হৈছে বুলি ক’ব পাৰি। পুৰাণৰ দ্বিতীয় লক্ষণ প্ৰতিসৰ্গ অৰ্থাৎ ব্ৰহ্মাৰ সৃষ্টিৰ অন্তত দক্ষাদি প্ৰজাপতিৰ সৃষ্টি, কল্লাদি আৰু যুগাদিৰ সৃষ্টি আদিৰ আভাস পোৱা যায়। সূৰ্য্যৰ তনয় সাৱৰ্ণি মনুৰ জন্মৰ কাহিনী, তেওঁৰ প্ৰজাপালন আদিৰ বৰ্ণনাও *দেৱী-মাহাত্ম্য*ত পোৱা যায়। পুৰাণৰ তৃতীয় লক্ষণ ৰংশ ; অৰ্থাৎ দেৱতা অসুৰ পিতৃসকল, ঋষি-মুনি আৰু নৃপতিসৰৰ বংশ পৰিচয়। *দেৱী-মাহাত্ম্য*ত বিভিন্ন দেৱ-দেৱী যেনেঃ শিৱ, বিষ্ণু, ব্ৰহ্মা, ইন্দ্ৰ, অগ্নি, বায়ু, বৰুণ, যম, অষ্টবসু, পাৰ্বতী, যোগনিদ্ৰা, কালী, ভদ্ৰা, দুৰ্গা, কাত্যায়নী আদি দেৱীক বিভিন্ন ঋষি-মুনি, যেনে ঃ মাৰ্কণ্ডেয় ঋষি, মেধস্, জৈমিনি, সুকৃস, তম্বুৰু, মন্দপাল, দুৰ্বাসা, বৃহস্পতি, বিভিন্ন ৰজা নৃপতি আৰু তেওঁলোকৰ শাসন কাল, যেনে — চৈত্ৰ নৃপতি, স্বাৰোচিত মনু, অধিৰথ নৃপতি, সুৰথ, নন্দি, আদি ৰজা আৰু তেওঁলোকৰ বংশ পৰিচয় *দেৱী-মাহাত্ম্য*-ত পোৱা যায়। পুৰাণৰ আন এটি লক্ষণ হৈছে, মন্বন্তৰ অৰ্থাৎ একোজন মনুৰ ৰাজ্য শাসন-কালৰ পৰিচয়। ইয়াৰ আভাস যেনে — চৌধ্য মনুৰ জন্ম, সাৱৰ্ণি, স্বাৰোচিস আদি মনু আৰু তেওঁলোকৰ ৰাজত্বকালৰ সাধাৰণ পৰিচয় শ্ৰীশ্ৰী চণ্ডীত পোৱা যায়। পুৰাণৰ পঞ্চম আৰু অন্ত্য লক্ষণ হৈছে *বংশানুচৰিত*। বংশানুচৰিতৰ অৰ্থ হৈছে একোজন ৰজাৰ বংশৰ পৰিচয়। *দেৱী-মাহাত্ম্য*-ত চৈত্ৰ নৃপতি, অধিৰথ, সুৰথ আদি ৰজা আৰু তেওঁলোকৰ বংশানুচৰিতৰ সাধাৰণ আভাস পোৱা যায়।

ইয়াৰ বাহিৰেও *দেৱী-মাহাত্ম্য*-ত ধৰ্ম-অৰ্থ-কাম-মোক্ষ এই চতুঃবৰ্গৰ সাধনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই ফালৰপৰা *দেৱী-মাহাত্ম্যত* পুৰাণৰ বৈশিষ্ট্য ৰক্ষিত হৈছে বুলি ক'ব পাৰিলেও পৰিসৰ আৰু বিস্তৃতিৰ ফালৰপৰা *দেৱী-মাহাত্ম্য*-ক পুৰাণ আখ্যা দিব নোৱাৰি। *দেৱী-মাহাত্ম্য* সৰ্বমুঠ (৮১ তমৰ পৰা ৯৩ তম) অৰ্থাৎ ১৩ টা অধ্যায় বিশিষ্ট গ্ৰন্থ এখনক পুৰাণ আখ্যা দিয়াটো কষ্টকৰ। পুৰাণৰ বিস্তৃতি অথবা সংযুতি *দেৱী-মাহাত্ম্য*- নাই। স্বৰূপাৰ্থত *দেৱী-মাহাত্ম্য* মাৰ্কণ্ডেয় পুৰাণৰ অংশ বিশেষহে। দ্বিতীয়তে, *মাৰ্কণ্ডেয় পুৰাণ* ৰ বিষয়বস্তুৰ লগতো *দেৱী-মাহাত্ম্য* ৰ বিষয়বস্তুৰ দিশৰ পৰা কোনো মিল বা সংগতি নাই। কেৱল ধৰ্মপক্ষীৰ জৰিয়তে *মাৰ্কণ্ডেয় পুৰাণ* (দেৱী-মাহাত্ম্য বিহীন আৰু *দেৱী-মাহাত্ম্য, মাৰ্কণ্ডেয় পুৰাণ*-ৰ অংশ বিশেষ বুলি কোৱাৰ কোনো যুক্তি নাই, কাৰণ *মাৰ্কণ্ডেয় পুৰাণ*-ৰ সৈতে কোনো সম্পৰ্ক ৰক্ষা নকৰাকৈয়ে সম্পূৰ্ণ গ্ৰন্থ স্বৰূপে 'দেৱী-মাহাত্ম্য' প্ৰকাশিত হৈছে। *দেৱী-মাহাত্ম্য মাৰ্কণ্ডেয় পুৰাণ*ৰ অবিচ্ছেদ্য অংগ নহয়, কাৰণ এইখন পুৰাণৰ সৈতে কোনো ধৰণৰ সম্পৰ্ক নৰখাকৈও *দেৱী-মাহাত্ম্যই* স্বকীয় তাৎপৰ্য্য ৰক্ষা কৰিবলৈ সক্ষম হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

'শ্ৰীশ্ৰীচণ্ডী'ত পুৰাণৰ কি কি বৈশিষ্ট্য দেখা যায়? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................

..........................................................

..........................................................

## ২.৯ ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰীচণ্ডীৰ বৈশিষ্ট্য

ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী*, সংস্কৃত *দেৱী-মাহাত্ম্য* বা মাৰ্কণ্ডেয় চণ্ডীৰ হুবহু অনুবাদ নহয়, দেৱী-পৰম্পৰাৰ একে সংশ্লেষণহে বা দেৱী-পৰম্পৰাৰ এক সমন্বিত ৰূপহে। অসমীয়া ভাষাত এতিয়ালৈকে ৰচিত *শ্ৰীশ্ৰীচণ্ডী* গ্ৰন্থসমূহত এই বৈশিষ্ট্যটি দেখা নাযায়— যিহেতু সেইবোৰ সংস্কৃত *শ্ৰীশ্ৰীচণ্ডী*ৰ শ্লোকসমূহৰ আক্ষৰিক বা চমু অনুবাদহে। ৰুচিনাথ কন্দলীয়ে মূল *শ্ৰীশ্ৰীচণ্ডী*-ৰ বিশ্বাসযোগ্যতা বৈশিষ্ট্যটি অব্যাহত ৰাখিলেও মূলৰ খালী ঠাই বা বিচ্ছেদ যুক্ত অংশবোৰত নতুন সমল সংযোজন কৰি কাহিনী ভাগৰ গতিশীলতা আৰু অবিচ্ছেদ্যতা ৰক্ষা কৰিছে।

ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী* অনুবাদ গ্ৰন্থৰ পৰিসৰতে সীমিত নহয়; কাৰণ এই নিৰ্মিতি বিশেষে কাব্যৰ দাবীও পূৰণ কৰিবলৈ সক্ষম হৈছে। কাব্যৰ নিচিনাকৈ *মংগলোচৰণ*ৰে গ্ৰন্থখনৰ শুভাৰম্ভণি সূচিত কৰা হৈছে। যেনে —

**শ্ৰীশ্ৰী দুৰ্গায়ৈ নমঃ**

*নমস্তে সৰ্বমংগল্যে নমস্তে সৰ্বসিদ্ধিদে।*
*নমস্তে সৰ্বদেৱেশি দুৰ্গে দেবি নমোঽস্তুতে।।*

**পদ। মঙ্গলাচৰণ**

*জয় নমো ভাগৱতী দেৱী মহামায়া।*
*ভকত জনৰ বন্ধু শঙ্কৰৰ জায়া।।*
*অপাৰ সংসাৰ সিন্ধু এৰিবাৰ হেতু।*
*দানৱ কুলৰ সাক্ষাতে ধূম্ৰকেতু।।*
*পতিত পাৱনী মাতা অগতিৰ গতি।*
*হেন ভবানীৰ পদে কৰোহো প্ৰণতি।।*ইত্যাদি

দ্বিতীয়তে, মূল মাৰ্কণ্ডেয় চণ্ডীত উপস্থাপিত চৰিত তিনিটিৰ মাজত কাব্যিক ঐক্য নোহোৱাৰ দৰে— যিহেতু প্ৰত্যেকটোৱেই স্বয়ং সম্পূৰ্ণ চৰিত— ইটোৰ লগত সিটোৰ সম্পৰ্ক নায়েই বা আছে যদিও তেনেই ক্ষীণ। মূলতঃ *মধু-কৈটভ বধ* চৰিতৰ সৈতে *মহিষাসুৰ বধ চৰিত* বা *শুম্ভ-নিশুম্ভ বধ চৰিতৰ* কোনো ধৰণৰ কাহিনীগত বা চৰিত্ৰগত সম্পৰ্ক নাই। অৱশ্যে চৰিত তিনিটাৰ কথক বা বক্তা, শ্ৰোতা আৰু অনুযংগৰ মাজত এটা সম্পৰ্ক ৰক্ষিত হৈছে আৰু ইয়াৰ সামাজিক প্ৰকাৰ্য্যৰো সাদৃশ্য আছে— মায়া-মোহ বিতাড়ন।

ৰুচিনাথ কন্দলীৰ নিৰ্মিতি বিশেষতো কথক-বক্তা আৰু শ্ৰোতা তথা অনুযংগ আৰু প্ৰকাৰ্যিক বৈশিষ্ট্যৰ মাজতো ঐক্য ৰক্ষিত হৈছে।

কাহিনীগত আৰু চৰিত্ৰগত ঐক্য ৰক্ষণত ৰুচিনাথ কন্দলীয়ে সাৰ্থকভাবে গুৰুত্ব দিছে। 'মহিষাসুৰ বধ চৰিত' আৰু 'শুম্ভ-নিশুম্ভ বধ চৰিত' দুটিৰ মাজত আমাৰ কবিয়ে বৈশিষ্ট্যপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰিছে ৰক্তবীজ চৰিত্ৰৰ জৰিয়তে।

শুম্ভ-নিশুম্ভ মহাসুৰদ্বয়ে সৈন্যসহ স্বৰ্গৰাজ্য আক্ৰমণ কৰি দেৱতা সৱক বিতাৰণ কৰি নিজে স্বৰ্গৰ অধিপতি হয়। এইদৰে দুয়ো ঘূৰি ফুৰোতে পৃথিৱীত ভৰি দিলেহি। পৃথিৱীতেই মহাসুৰদ্বয়ে ৰক্তবীজ নামৰ এগৰাকী মহাসুৰক লগ পায়। অসুৰদ্বয়ে পৰিচয় সোধাত ৰক্তবীজে ক'লে যে তেওঁ মহিষাসুৰৰ সেনাপতি আছিল। শুম্ভ-নিশুম্ভই ৰক্তবীজক মহিষাসুৰ কোন, তেওঁক কোনে হত্যা কৰিলে ইত্যাদিৰ বিষয়ে সোধে। তেতিয়া ৰক্তবীজে মহিষাসুৰ সম্পৰ্কীয় কথাবোৰ কয়। ৰক্তবীজক শুম্ভ-নিশুম্ভই নিজ সৈন্য বাহিনীৰ এগৰাকী উল্লেখযোগ্য সেনাপতিৰ পদত নিযুক্ত কৰিলে। যেনে —

*সম্বুদ্ধি বোলয় অৰে তুমি কোন জন।*
*ৰক্তবীজে বোলে শুনা কুলেৰ নন্দন।।*
*মহিষাসুৰৰ আছিলোহো সেনাপতি।*
*মোৰ পূৰ্ব্ব কথা আবে শুনা মহামতি।।. . .*

ইয়াৰদ্বাৰা সহজে বুজিব পাৰি যে, ৰক্তবীজ-চৰিত্ৰৰ মাধ্যমেৰে *মহিষাসুৰ বধ চৰিত* আৰু *শুম্ভ-নিশুম্ভ বধ চৰিত*-ৰ মাজত কাব্যসন্মত সম্পৰ্ক ৰক্ষা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

ৰুচিনাথ কন্দলীয়ে সংস্কৃত *দেৱী-মাহাত্ম্য*-ৰ পৰা অনুবাদ কৰা শ্লোকখিনি আৰু অনূদিত পদখিনিলৈ চাই তেওঁৰ অনুবাদ ৰীতি অন্ততঃ কেইটিমান ভাগত ভগাব পাৰি। যেনে—

(ক) ব্যাখ্যামূলক অনুবাদ,

(খ) সাৰগ্ৰাহী অনুবাদ,

(গ) নীতি প্ৰধান অনুবাদ, আৰু

(ঘ) আক্ষৰিক অনুবাদ।

অধ্যায় বিভাজনতো আমাৰ কবি কন্দলীয়ে বৈশিষ্ট্য দেখুৱাবলৈ সক্ষম হৈছে। মূলৰ তেৰটা অধ্যায়ত বিভক্ত প্ৰায় সাতশ শ্লোক পদাদি ছন্দত অনুবাদ কৰিছে ৯ টা অধ্যায়ত। কবিয়ে প্ৰয়োগ কৰা বিভিন্ন ছন্দৰ মাধ্যমেৰে তেওঁৰ অধ্যায় বিভাজনৰ পৰিচয় পোৱা যায়। পদ ছন্দত ৫টা অধ্যায়, দুলড়ীত ১টা, ছবিত ২টা আৰু ঝুমুৰিত ১টা (মুঠ ৯টা)।

কবি ৰুচিনাথ কন্দলীৰ কাহিনী-কথন ভংগী নিশ্চিতভাৱে আকৰ্ষণীয়। ৰাম সৰস্বতী, অনন্ত কন্দলী আদিৰ দৰে ৰুচিনাথে ছন্দ বা কবিতাত কাহিনী ক'ব জানে। আমাৰ কবিৰ বৰ্ণনা ক্ষমতা বিস্ময়কৰ আৰু প্ৰাচুৰ্য্যপূৰ্ণ। ৰুচিনাথৰ যুদ্ধৰ বৰ্ণনা ৰাজি সজীৱ আৰু জীৱন্ত।

ছন্দ-প্ৰয়োগতো ৰুচিনাথ সিদ্ধহস্ত। বিষয়বস্তুৰ ভাৱ অনুসৰি তেওঁ ছন্দ প্ৰয়োগ কৰিছে। সাধাৰণ বৰ্ণনাত পয়াৰ, অনুভূতি প্ৰধান বৰ্ণনাত দুলড়ী আৰু ছবি আৰু যুদ্ধৰ বৰ্ণনাত ঝুমুৰি ছন্দ প্ৰয়োগ কৰিছে। কবিৰ ভাষা সাৱলীল আৰু প্ৰাঞ্জল। *শ্ৰীশ্ৰীচণ্ডী*ৰ ভাষাই খ্ৰীঃ অষ্টাদশ শতিকাৰ অসমীয়া ভাষাৰ প্ৰতিনিধিত্ব কৰিব পাৰে।

ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী*ত সমাজ জীৱনৰ প্ৰতিফলন লক্ষ্য কৰা যায়, বিশেষকৈ ৰঙ্গপুৰ নগৰ আৰু নাৰায়ণীপুৰৰ বৰ্ণনা দিয়াৰ প্ৰসংগত।

ৰুচিনাথ কন্দলী এগৰাকী বিশিষ্ট সংস্কৃত পণ্ডিত আছিল। কাব্য-মহাকাব্য আদিত তেওঁৰ গভীৰ পাণ্ডিত্য থকাৰ উপৰিও মহাপুৰাণ-উপপুৰাণ আদিতো আছিল তেওঁৰ গভীৰ ব্যুৎপত্তি আৰু সেই কাৰণেই বিভিন্ন পুৰাণত সন্নিবিষ্ট দেৱীতত্ত্ব বিষয়ক সমল ৰাজি সংগ্ৰহ কৰি আনি তেওঁৰ অপূৰ্ব নিৰ্মিতি *শ্ৰীশ্ৰীচণ্ডী* ৰচনা কৰিব পাৰিছে। ৰুচিনাথ কন্দলীযে উচ্চ প্ৰতিভা সম্পন্ন কবি আছিল তাত কোনো সন্দেহ নাই। অসমীয়া সাহিত্য ভঁড়ালত ৰুচিনাথৰ *চণ্ডী* এটা উজ্জ্বল ৰত্ন।

অসমীয়া শাক্ত-সাহিত্য আৰু চণ্ডী-পৰম্পৰা বা দেৱী-পৰম্পৰা শক্তিশালী কৰাত ৰুচিনাথ কন্দলীৰ অৱদান বিস্ময়কৰ আৰু কালজয়ী।

**আত্মমূল্যায়ন প্ৰশ্ন**

'শ্ৰীশ্ৰীচণ্ডী' গ্ৰন্থখনিৰ মূল বৈশিষ্ট্য কি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................

..........................................................

..........................................................

## ২.১০ সামাজিক চিত্ৰ

মাধৱ কন্দলী, শংকৰদেৱ, ৰামসৰস্বতী, অনন্ত কন্দলী আদি কবিৰ ৰচনাত সামাজিক চিত্ৰৰ যি বৰ্ণাঢ্য আৰু বৈবিধ্য পূৰ্ণ বৰ্ণনা পোৱা যায়— তেনে বৰ্ণনা ৰুচিনাথ কন্দলীৰ নিৰ্মিতিত পোৱা নগলেও ছেগা-ছোৰোকাকৈ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱনৰ কিছু আভাস পোৱা যায়।

বাসৱ বংশীয় অৰ্থাৎ ইন্দ্ৰবংশীয় নৃপতিৰ আমোলত বিশেষকৈ ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালত ৰুচিনাথে ৰঙ্গপুৰত থাকি কাব্য ৰচনা কৰিছিল। ৰাজেশ্বৰ সিংহৰ পূৰ্ব-পুৰুষ ৰুদ্ৰসিংহৰ ৰাজনৈতিক ঘটনাৱলীৰ বৰ্ণনা আমাৰ কবিয়ে সুন্দৰকৈ দিছে। কবিয়ে কৈছে যে বাসৱৰ বংশত জন্ম লাভ কৰি স্বৰ্গদেৱ ৰুদ্ৰসিংহই সৌমাৰ পীঠত ৰাজত্ব কৰিছিল। তেওঁ আছিল গদাধৰ সিংহৰ পুত্ৰ। তেওঁ কামৰূপৰো অধিকাৰী আছিল। সিংহাসনত উঠিয়েই তেওঁ কছাৰী আৰু জয়ন্তীয়া ৰজাক পৰাজয় কৰে আৰু দুয়োকে বন্দী কৰি ৰাজধানীলৈ আনে। বল-বীৰ্য্য, ৰূপ-গুণ, কলা-জ্ঞান, দানে-মানে তেওঁৰ সমকক্ষ ৰজা আন দ্বিতীয়জন নাছিল। তেওঁ 'ৰঙ্গপুৰ'ত ৰাজধানী নিৰ্মাণ কৰায়। 'ৰাজধানীত নিৰ্মাণ কৰা মঠ-মন্দিৰত শিৱ, দুৰ্গা, বিষ্ণু আদি দেৱক প্ৰতিষ্ঠা কৰে। নানা ঠাইৰপৰা পণ্ডিত, শাস্ত্ৰজ্ঞ, কবি-সাহিত্যিক ব্ৰাহ্মণসৱক বিভিন্ন স্থানৰ পৰা আনি বৃত্তি-বিধান দি থাপিছিল— যিসকলৰ অন্যতম কৰ্তব্য আছিল শাস্ত্ৰ-কাব্য চৰ্চা আৰু সাহিত্য প্ৰণয়ন। ৰুচিনাথৰ পিতৃ কৃষ্ণ আচাৰ্য্যকো মহাৰাজ ৰুদ্ৰসিংহই নাৰাণপুৰৰ পৰা আনি ৰঙ্গপুৰত থাপিছিল।

কবি ৰুচিনাথ কন্দলীয়ে *শ্ৰীশ্ৰীচণ্ডী*-ৰ শেষৰফালে পৰিৱেশন কৰা আত্মপৰিচয়মূলক বৰ্ণনাতো নাৰায়ণপুৰ বা নাৰায়ণপুৰৰ সামাজিক জীৱনৰ আভাস পোৱা যায়। লৌহিত্যৰ উত্তৰপাৰত অৱস্থিত নাৰায়ণীপুৰ মৃগাঙ্ক ৰজাৰ অতিকে প্ৰিয়স্থান। বিপ্ৰবসতি প্ৰধান নাৰায়ণপুৰ বা নাৰায়ণীপুৰৰ ওচৰতে তামোলবাড়ী নামৰ স্থান এখন আছিল। তাত এগৰাকী শাস্ত্ৰজ্ঞ আৰু কবিত্ব গুণ সম্পন্ন বিপ্ৰ আছিল। তেওঁ বহুদিনলৈকে অপুত্ৰক আছিল। সেইবাবে মানুহে বন্ধ্যা কটকী বুলি মাতিছিল। সেই সময়ত যে কটকী পদটোৰ সমাদৰ সমাজত আছিল তাৰ আভাস ইয়াৰপৰা পাব পাৰি। সেইসময়তে ন্যায় শাস্ত্ৰৰ প্ৰতি ব্ৰাহ্মণসৰৰ বিশেষ আকৰ্ষণ আছিল তাৰ আভাস পোৱা যায় 'ৰাম নায়িক' নামৰ ব্যক্তি গৰাকীৰ পৰা। শাস্ত্ৰ চৰ্চ্চাত যে নৃপতিসৰে গুৰুত্ব দিছিল তাৰ আভাসো আমাৰ কবিয়ে দিছে।

## ২.১১ সাৰাংশ (Summing Up)

শক্তিতত্ত্ব এক সামাজিক বিষয়। কামৰূপ-কামাখ্যা শাক্তপীঠ। শক্তিতত্ত্বৰ মূল গ্ৰন্থ স্বৰূপে *শ্ৰীশ্ৰীচণ্ডী* বা *দেৱী-মাহাত্ম্য* বা *দেৱী-সপ্তশতী* গ্ৰন্থলৈ আঙুলিওৱা হয়। *মাৰ্কণ্ডেয়-পুৰাণ* নিশ্চিতভাৱে প্ৰাচীন। এই পুৰাণখনৰ ৮১ তম অধ্যায়ৰপৰা ৯৩ তম অধ্যায় পৰ্য্যন্ত বিস্তৃত বিষয়ৰ বস্তুৰ সমষ্টিয়েই *দেৱী-মাহাত্ম্য* বা *শ্ৰীশ্ৰীচণ্ডী* বা *মাৰ্কণ্ডেয় চণ্ডী*। *মদ্ভগবদ্‌গীতাৰ* দৰে *শ্ৰীশ্ৰীচণ্ডী* ও সাতশ শ্লোকৰ সমষ্টি। বৈষ্ণৱসকলৰ বাবে *শ্ৰীমদ্ভগবদ্‌গীতা* যিদৰে অতিকে পবিত্ৰ আৰু অপৌৰুষেয় গ্ৰন্থ, তদ্ৰূপ শাক্তসকলৰ বাবে *'শ্ৰীশ্ৰীচণ্ডী'* অতিকে পবিত্ৰ আৰু অপৌৰুষেয় গ্ৰন্থ। বেদৰ পাঠৰ দৰে *দেৱী-মাহাত্ম্য*-ৰ পাঠৰো স্বকীয় জীৱন বৰ্ত্তমান। অন্যহাতে *শ্ৰীশ্ৰীচণ্ডী* বা *দেৱী-মাহাত্ম্য* ই দেৱী-উপাসনাৰ বিধি ব্যৱস্থা (liturgy) স্বৰূপে প্ৰকাৰ্য্য সাধন কৰি আহিছে।

কেইবাজনো অসমীয়া কবিয়ে *শ্ৰীশ্ৰীচণ্ডী* ৰ পদ ভাঙনি কৰিছে। বৰ্ত্তমানলৈকে পোৱা প্ৰমাণৰ আধাৰত ক'ব পাৰি যে পীতাম্বৰ দ্বিজেই পোনতে শ্ৰীশ্ৰীচণ্ডীৰ পদ ভাঙনি কৰে বিশ্বসিংহৰ ৰাজত্ব কালত। স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালত ৰুচিনাথ কন্দলী নামৰ আন এগৰাকী কবিয়ে শ্ৰীশ্ৰীচণ্ডীৰ অনুবাদ কৰে পদ-বন্ধে। ৰুচিনাথ কন্দলীয়ে এই প্ৰসংগত *বামন-পুৰাণ, কালিকা-পুৰাণ, ব্ৰহ্মবৈৱৰ্ত-পুৰাণ* আদিৰ পৰাও সমল সংগ্ৰহ কৰি অনুবাদটিৰ সৈতে সংমিশ্ৰিত কৰি শাক্ত পৰম্পৰাৰ এক সমন্বিত ৰূপ ৰচনা কৰে। এই ফালৰ পৰা তেওঁৰ এই নিৰ্মিত বিশেষক অনুবাদমূলক গ্ৰন্থ বুলি নকৈ কাব্য বুলিব পাৰি। কাহিনী কেইটিৰ মাজত সম্পৰ্ক-সম্বন্ধ দেখুৱাই কাব্যিক ঐক্য ৰক্ষা কৰিবলৈ আমাৰ কবিয়ে চেষ্টা-প্ৰচেষ্টা চলাইছে।

*দেৱী-মাহাত্ম্য* গ্ৰন্থৰ তিনিটা চৰিত সন্নিবেশিত হৈছে— যেনে মধু-কৈটভ বধ, মহিষাসুৰ বধ আৰু শুম্ভ-নিশুম্ভ বধ। এই তিনিওটা চৰিতৰ মাধ্যমেৰে দেৱী-মহিমা প্ৰকটিত হৈছে— সেইবাবে এই পুথিখনক *দেৱী-মাহাত্ম্য* ও আখ্যা দিয়া হৈছে।

*দেৱী-মাহাত্ম্য*-ৰ শেষৰফালে দেৱীৰ বিভিন্ন অৱতাৰৰ বৰ্ণনা দিয়া হৈছে। আমাৰ কবিয়ে তেওঁৰ নিৰ্মিতিৰ জৰিয়তে তেওঁৰ স্বকীয় প্ৰতিভাৰ পৰিচয় দিব পাৰিছে। কাব্যসন্মত ৰূপ ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী* ত পোৱা যায়।

## ২.১২ আৰ্হি প্ৰশ্ন (Sample Questions)

১) শ্ৰীশ্ৰী চণ্ডীৰ আধাৰ গ্ৰন্থখনৰ নাম কি? এই গ্ৰন্থখনৰ চমু পৰিচয় দিয়ক।

২) কি কি কাৰণে চণ্ডীক মাৰ্কণ্ডেয় চণ্ডী, দেৱী মাহাত্ম্য, স্ৰীশ্ৰীচণ্ডী, দেৱী

সপ্তদশী বা দুৰ্গা সপ্তশতী বোলে বহলাই আলোচনা কৰক।

৩) অসমীয়া চণ্ডী সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰক।

৪) শ্ৰীশ্ৰীচণ্ডীৰ মাধ্যমেৰে দেৱী-মাহাত্ম্য কিদৰে বৰ্ণিত হৈছে আলোচনা কৰক।

৫) শ্ৰীশ্ৰীচণ্ডীত পৰিৱেশন কৰা প্ৰাৰ্থনা মন্ত্ৰবোৰৰ বিষয়ে আলোচনা কৰক।

৬) শ্ৰীশ্ৰীচণ্ডী বা দেৱী-মাহাত্ম্যক পুৰাণ আখ্যা দিব পাৰি নে নোৱাৰি আলোচনা কৰক।

৭) মাৰ্কণ্ডেয়-পুৰাণ মহাপুৰাণ নে উপ-পুৰাণ? কি কি কাৰণে মাৰ্কণ্ডেয়-পুৰাণক উপপুৰাণ বা মহা-পুৰাণ আখ্যা দিয়া হৈছে বুজাই লিখক।

৮) মহিষাসুৰ কোন? তেওঁক কিয় মহিষাসুৰ বোলে? কোনে মহিষাসুৰক বধ কৰিছিল? কি কাৰণে ৰুচিনাথ কন্দলীয়ে মহিষাসুৰক শিৱৰ অৱতাৰ বুলিছে— বহলাই লিখক।

৯) দুৰ্গা শব্দটোৰ অৰ্থ ব্যাখ্যা কৰক। দুৰ্গাৰ উদ্ভৱ কি দৰে হৈছিল? দুৰ্গা আৰু মহিষাসুৰৰ যুদ্ধৰ বৰ্ণনা কিদৰে উপস্থাপন কৰা হৈছে বুজাই লিখক।

১০) ৰুচিনাথ কন্দলীৰ সময়, পৃষ্ঠপোষক, সাহিত্য-কৃতি আৰু অসমীয়া সাহিত্যলৈ তেওঁৰ অৱদানৰ বিষয়ে এটি বিশ্লেষণশীল প্ৰবন্ধ ৰচনা কৰক।

১১) ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী*-ৰ বিশেষত্ববোৰ কি কি? আন আন অসমীয়া *শ্ৰীশ্ৰীচণ্ডী*-ৰ লগত এইখন *শ্ৰীশ্ৰীচণ্ডী*-ৰ কিবা পাৰ্থক্য দেখা যায় নেকি আলোচনা কৰক।

১২) ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী*ৰ সংস্কৃত চণ্ডীৰ অনুবাদ বুলি নকৈ দেৱী-পৰম্পৰাৰ সংশ্লেষণ বুলি ক'লেহে ৰজিতা খায়। কথাষাৰ বহলাই আলোচনা কৰক।

১৩) ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী*-ত *বামন-পুৰাণ*ৰ সমল সম্বন্ধে এটি বিশ্লেষণশীল নিৱন্ধ প্ৰস্তুত কৰক।

১৪) ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী* ত *কালিকা-পুৰাণৰ* সমল সম্বন্ধে এটি বিশ্লেষণশীল নিৱন্ধ প্ৰস্তুত কৰক।

১৫) ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী* ত ব্ৰহ্মবৈৱৰ্ত-পুৰাণৰ সমল কি দৰে ৰক্ষিত হৈছে বহলাই আলোচনা কৰক।

১৬) ৰুচিনাথ কন্দলীয়ে *দেৱী-মাহাত্ম্য*-ৰ শ্লোকবোৰ অনুবাদ কৰোতে কি কি নীতি গ্ৰহণ কৰিছে বুজাই লিখক।

১৭) ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী*-ত কি কি বিষয়ত নতুনত্ব বা স্বকীয় প্ৰতিভাৰ পৰিচয় পোৱা যায় বহলাই লিখক।

১৮) ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰীচণ্ডী*-ৰ অধ্যায় বিভাজন আৰু কাব্যিক সৌন্দৰ্য্যৰ বিষয়ে আলোচনা কৰক।

১৯) মূল দেৱী-মাহাত্ম্যত কেইটা অধ্যায় আছে? ৰুচিনাথ কন্দলীয়ে কেইটা অধ্যায়ত তেওঁৰ ৰচনা কৰ্মটি শেষ কৰিছে? কবিৰ বৰ্ণনা প্ৰণালীৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

২০) **চমুটোকা লিখক** —
দুৰ্গা, কাত্যায়নী, অপৰাজিতা, চণ্ডী, চণ্ডিকা, জগদ্ধাত্ৰী, মেধস ঋষি, জৈমিনি ঋষি, মহামায়া, নাৰায়ণী, কালী, কৌমাৰী, ব্ৰহ্মাণী, গৌৰী, পাৰ্বতী, ভদ্ৰকালী।

## ২.১৩ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


**অসমীয়া ঃ**

শৰত চন্দ্ৰ গোস্বামী (সম্পা.) ঃ বিপ্ৰ ৰুচিনাথ কৃত *শ্ৰীশ্ৰীচণ্ডী*

ড° মহেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*

নবীন চন্দ্ৰ শৰ্মা (সম্পা.) ঃ ৰুচিনাথ কন্দলী কৃত *শ্ৰীশ্ৰীচণ্ডী*

বেণুধৰ শৰ্মা (সম্পা.) ঃ *হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী*

সত্যেন্দ্ৰ নাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষামূলক ইতিবৃত্ত*

হৰিনাথ শৰ্মা দলৈ ঃ *অসমত শক্তিসাধনা আৰু শক্তি সাহিত্য*

**সংস্কৃত ঃ**

পঞ্চানন তৰ্কৰত্ন (সম্পা.) ঃ *কালিকা-পুৰাণ*

হেমৰাজ শ্ৰীকৃষ্ণ দাস (সম্পা.) ঃ *বামন-পুৰাণ*

পঞ্চানন তৰ্কৰত্ন (সম্পা.) ঃ *বামন-পুৰাণ*

শ্ৰীশ্ৰী জীৱ ভট্টাচাৰ্য্য ন্যায়তীৰ্থ (সম্পা.) ঃ *ব্ৰহ্মবৈৱৰ্ত্ত-পুৰাণ*

পঞ্চানন তৰ্কৰত্ন (সম্পা.) ঃ *মাৰ্কণ্ডেয়-পুৰাণ*

স্বামী জগদীশ্বৰানন্দ (সম্পা.) ঃ *শ্ৰীশ্ৰীচণ্ডী*

**ইংৰাজী ঃ**

N.N. Bhattacharyya : *History of Sakta Religion*

C.M. Brown : *God as Mother, A Feminine Theology in India*

Thomas B. Coburn : *Devi-Mahatmya*

Lynn E. Gatwood : *Devi And The Spouse Goddess*

Devid Kinsley : *Hindu Goddesses*

E.A. Payne : *The Saktas: An Introductory And Comparative Study*


* * *

## তৃতীয় বিভাগ
## নাৰায়ণদেৰৰ 'পদ্মা-পুৰাণ' (ভাটিয়ালী খণ্ড)

**বিভাগৰ গঠন**


৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ কবি পৰিচয়
৩.৩.১ কাব্যকৃতি
৩.৪ পদ্মা-পুৰাণৰ বিষয়বস্তু
৩.৫ মূল আৰু মৌলিকতা
৩.৫.১ মূল
৩.৫.২ মৌলিকতা
৩.৬ পদ্মা পুৰাণৰ বৈশিষ্ট্য
৩.৭ দেৱী মাহাত্ম্য
৩.৮ লোককাব্য হিচাপে পদ্মা-পুৰাণ
৩.৯ সামাজিক চিত্ৰ
৩.১০ সাৰাংশ (Summing Up)
৩.১১ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১২ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ৩.১ ভূমিকা (Introduction)

সুকবি নাৰায়ণদেৰৰ পদ্মা-পুৰাণ-ৰ বিষয়ে অধ্যয়ন কৰাৰ পূৰ্বে এইখন পুৰাণ (বা আন আন মনসা পদ্মা বিষয়ক কাব্য বা কবিতা পুথিৰ) বা অনুষংগ স্বৰূপে ভূমিকা গ্ৰহণ কৰি অহা মনসা বা পদ্মা পূজাৰ বিষয়ে সাধাৰণ ভাৱে জানিব লাগিব।

সৰ্প-পূজাৰ উন্নতৰ অভিব্যক্তিৰ নামেই মনসা বা পদ্মা পূজা বুলি কোনো কোনো পণ্ডিতে ক'ব খোজে যদিও আন আন পণ্ডিতে এই মতটো মানি ল'ব নোখোজে।

সৰ্প-পূজাৰ পৰম্পৰা কম-বেছি পৰিমাণে পৃথিৱীৰ সৰ্বত্ৰ লক্ষ্য কৰা যায়। নানা কাৰণবশতঃ জীৱ-জন্তু, কীট-পতংগ আদিয়ে মানুহৰ পৰা পূজা সেৱা আদায় কৰি আহিছে। বলবান, শক্তিশালী জীৱ-জন্তুৱে যি দৰে মানুহৰ পৰা পূজা সেৱা আদায় কৰি আহিছে তেনেদৰে দুৰ্বল, সীমিত অবয়ৱযুক্ত প্ৰাণীয়েও পূজা উপাসনা কৰা দেখা যায়।

আদিম মানৱে গহীন হাবি-বননি নাইবা পৰ্বতৰ গুহাত বাস কৰিব লগা হৈছিল। আনকি ভয়ংকৰ আৰু ক্ৰুৰ জন্তুৰ আক্ৰমণৰ বিৰুদ্ধেও নিয়তভাবে তেওঁলোকে সংগ্ৰাম কৰিবলৈ বাধ্য হৈছিল। নিষ্ঠুৰ বন্য জন্তুৰ আক্ৰমণত অথবা বিষাক্ত সৰ্পৰ দংশনত তেওঁলোকৰ মাজৰ অনেকেই মৃত্যুৰ মুখত পৰিব লগা হৈছিল। তেনে অৱস্থাত জনসমাজে ভাবিবলৈ বাধ্য হৈছিল যে, ভয়াবহ আৰু ক্ৰুৰ জন্তুসমূহ ঐশীশক্তি সম্পন্ন। দ্বিতীয়তে সৰ্পৰ আন আন বৈশিষ্ট্যৰাজিয়েও এই ভাৱটো অধিক গাঢ় কৰি তুলিছিল। গৃহ-বাৰী, প্ৰাচীন ভগ্নাৱশেষ, পথাৰ, পুখুৰী, হ্ৰদ, জলাশয় আদিৰ ৰক্ষক স্বৰূপেও সৰ্পই শ্ৰদ্ধা লাভ কৰি আহিছে। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে

মানৱৰ ভীতি-বিহ্বলতা আৰু বিস্ময় বিমূঢ়তাই পৃথিৱীত সৰ্প পূজাৰ পৰম্পৰা ৰচনাত সহায় কৰিছিল। দেৱ-দেৱীৰ উদ্ভৱ আৰু বিকাশৰ গুৰিত আছে ভয়, অৱশ্যে অনেক ক্ষেত্ৰত ভয়ৰ লগতে শ্ৰদ্ধা-ৰতি ভক্তিও জড়িত হৈ থাকে। সৰ্পই দেৱতা বা দেৱীৰূপে স্থান পালে বিশেষভাৱে আখ্যান (myth), উপাখ্যান (legend) আৰু সাধুকথাৰ (tale) মাধ্যমেৰে।

এই প্ৰসংগত এটা কথা কোৱা উচিত হ'ব যে সৰ্প পূজা বিশেষ এক জাতি বা নৃগোষ্ঠী বা ভৌগোলিক অঞ্চল নিৰ্ভৰশীল নহয়- সৰ্বত্ৰতে ই বিৰাজমান। বিশ্বজনীন মনৰ আধাৰত এইবিধ সামাজিক আচৰণৰ জন্ম।

ভাৰতবৰ্ষত প্ৰচলিত সৰ্প-পূজা কেইটিমান ভাগত বিভক্ত যেনেঃ

ক) জীৱন্ত সৰ্প-পূজা (theriomorphic form)

খ) সৰ্পবলি কৃত্য

গ) নাগ-মূৰ্তি পূজা (therio anthropomorphic form)

ঘ) নৰ ৰূপত পূজা (anthropomorphic form)

**ক) জীৱন্ত সৰ্প পূজা**

অতি প্ৰাচীন কালত যে ভাৰতবৰ্ষত সৰ্পক পূজা কৰা হৈছিল তাৰ আভাস পোৱা যায় গ্ৰীকসকলৰ লেখাত। সাধাৰণতে পৰ্বতৰ গুহাত ডাঙৰ দীঘল সৰ্প এডাল সংৰক্ষণ কৰি পূজা কৰা হৈছিল। এনে পূজা খ্ৰীঃ পূঃ ৪ৰ্থ শতিকা বা তাৰো পূৰ্বৰে পৰা চলি আহিছে। পৃথিৱীৰ আন আন ঠাইতো এনে পূজাৰ প্ৰচলন আছিল তাৰ প্ৰমাণ পোৱা যায় ঐতিহ্যগত বৰ্ণনাত।

**খ) সৰ্পবলি কৃত্য**

গৃহ সূত্ৰ-ত সৰ্পবলি পূজাৰ বৰ্ণনা পোৱা যায়। সৰ্পক সন্তুষ্ট কৰিবলৈ শ্ৰাৱণ মাহৰ পুৰ্ণিমাত যি কৃত্য অনুষ্ঠিত হৈছিল তাৰ নামেই 'সৰ্পবলি কৃত্য'। গৃহসূত্ৰ আদি ৰচিত হোৱাৰ সময়ত এনেধৰণৰ কৃত্যৰ প্ৰচলন আছিল বুলি জনা যায়। এই পদ্ধতিৰ বলি হৰণ কৃত্য উল্লেখযোগ্য।

**গ) নাগ মূৰ্তিৰ পূজা**

সৰ্প বা সাপৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰি পূজা কৰাৰ পৰম্পৰা অতিকে প্ৰাচীন। এনেধৰণৰ মূৰ্তিৰ প্ৰধান বৈশিষ্ট্য মানৱ সৰ্প উভয় মটিফৰ সমাহৰণ অৰ্থাৎ এই জাতীয় মূৰ্তিৰ আধা অংশ মানব বা মানৱী বাকী আধা অংশ সৰ্পৰ। নৰ-সৰ্প মটিফ বিশিষ্ট মূৰ্তি আধাৰত নৰ-ৰূপী সৰ্প পূজাৰ পৰম্পৰা আৰম্ভ হৈছে।

**ঘ) নৰৰূপত সৰ্প পূজা**

সময়ৰ অগ্ৰগতিৰ পৰিণতিত সৰ্প দেৱতাই মানৱ ৰূপত বিকাশ লাভ কৰে। নৰ-ৰূপত সৰ্প-পূজাৰ পৰম্পৰ অসম, বংগদেশ, বাংলাদেশ, বিহাৰ, পূব-উত্তৰ প্ৰদেশ, গুজৰাট, মহাৰাষ্ট্ৰ আদিত প্ৰচলিত। এই গৰাকী দেৱীয়েই পদ্মা, বিষহৰী, ব্ৰহ্মাণী, মনসা আদি নামেৰেও পৰিচিত।

কোনো কোনো পণ্ডিতৰ মতে সৰ্পৰ পৰা মনসা দেৱীৰ জন্ম হোৱা নাই-মনৰ পৰা যাৰ জন্ম তেওঁৱেই মনসা দেৱী। কশ্যপ ঋষিৰ মনৰ পৰা যাৰ সৃষ্টি হৈছে তেওঁৱেই মনসা বা শিৱ মহাদেৱৰ মনৰ পৰা যাৰ জন্ম হৈছে তেওঁৱেই মনসা দেৱী। পৃথিৱীৰ বিভিন্ন অঞ্চলত সৰ্প পূজাৰ প্ৰচলন আছে কিন্তু ভাৰতবৰ্ষৰ বাহিৰে আন ঠাইত সৰ্পৰ দেৱী হিচাপে মনসা বা পদ্মাৰ

দৰে দেৱী পূজিত হোৱাৰ কোনো ধৰণৰ ঐতিহাসিক প্ৰমাণ পোৱা নাযায়।

মনসা সদৃশ দেৱী দক্ষিণ ভাৰতত পূজিত হোৱাৰ কথা হেনৰি হোৱাইটহেডে তেওঁৰ 'Village Gods of South India' নামৰ গ্ৰন্থখনত উল্লেখ কৰিছে। তেওঁ উল্লেখ কৰিছে যে মাৰি-মৰক আদিৰ দেৱী মঞ্চমাৰ লগত মনসা পদটোৰ সাদৃশ্য আছে। *ব্ৰহ্মবৈৱৰ্ত পুৰাণ* আৰু *দেৱী ভাগৱত-পুৰাণ* ত বৰ্ণিত আখ্যানৰ পৰা জনা যায় যে, দেৱী গৰাকীৰ জন্ম হৈছিল (মনসা দেৱীৰ) মহৰ্ষি কশ্যপৰ মনৰ পৰা। সেইবাবে দেৱী গৰাকীৰ নাম মনসা।

তেওঁৰ নাম কিয় মনসা হ'ল আৰু তেওঁক কিয় দেৱী আখ্যা দিয়া হয় তাৰ উত্তৰ দুয়োখন পুৰাণত প্ৰায় একেদৰে দিছে। তেওঁ মনেৰে পৰমেশ্বৰক ধ্যান কৰে, সেইবাবে তেওঁ মনসা আৰু তেওঁ মানৱৰ মনত ক্ৰীড়া কৰে, সেই হেতু তেওঁ দেৱী ৰূপে প্ৰসিদ্ধ।

মনসাই তিনি যুগ ধৰি পৰমাত্মা শ্ৰীকৃষ্ণৰ উদ্দেশ্যে তপস্যা কৰি সিদ্ধা যোগিনী স্বৰূপে আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হয়।

*দেৱী ভাগৱত* আৰু *ব্ৰহ্মবৈৱৰ্ত পুৰাণ*ৰ মতে শিৱৰ কন্যা নহয়, শিষ্যাহে, সেইবাবে মনসাৰ আন এটা নাম শৈৱী। এই দুখন পুৰাণৰ মতে ভগৱান শ্ৰীকৃষ্ণই সৰ্ব প্ৰথমে মনসা পূজা কৰাইছিল আৰু কৰিছিলোঁ। ইয়াৰ পিছত ভগৱান শিৱ আৰু কশ্যপৰ দ্বাৰা মনসা দেৱী পূজিত হয়।

অন্যহাতে মনসা বিষয়ে লোক কথা আৰু *মনসা-গীত, মনসা-কাব্য, পদ্মা-পুৰাণ* আদিৰ মতে মনসা দেৱী শিৱ-বীৰ্য্য সম্ভুতা কন্যা। মনসাৰ জন্ম কোনো স্ত্ৰীগৰ্ভত হোৱা নাছিল। বিল্বদলৰ সৈতে গৌৰীৰ স্তন যুগলৰ সাদৃশ্য শিৱৰ দ্বাৰা পৰিলক্ষিত হোৱাৰ লগে লগে তেওঁৰ বীৰ্যপাত হয়। শিৱই স্ববীৰ্য সৰোবৰৰ পদ্ম পত্ৰত স্থাপন কৰে। পদ্ম-নলেৰে সেই বীৰ্য যায় পাতাল পুৰলৈ। পাতালত বাসুকি নাগে নিৰ্মাণৰ জৰিয়তে শিৱৰ সাদৃশ্যত মনসাৰ সৃষ্টি কৰে। শিৱৰ বীৰ্যৰ পৰা মনৰ ইচ্ছানুসাৰে দেৱী গৰাকীক সৃষ্টি কৰা বাবেই বোধকৰোঁ 'মনসা স্ৰষ্টা দেৱী' ৰূপে অভিহিত হৈছে। নাৰায়ণ দেৱৰ বিশিষ্ট নিৰ্মিতি *পদ্মা-পুৰাণ*-ৰ মতেও মনৰ পৰা মনসা দেৱীৰ জন্ম। যেনেঃ "মনত জন্মিলা কন্যা নাম জে মনসা।" আনহাতে মনকৰৰ মতে 'সতাই মাৰক' দংশন কৰা বাবেহে দেৱী গৰাকীৰ নাম মনসা যেনেঃ "মাৰক ডংকিয়া ভৈলা মনসাই নাম।" সৰ্বসাধাৰণৰ মাজত নাৰায়ণদেৱৰ ব্যাখ্যাটোহে তুলনামূলকভাবে অধিক সমাদৃত।

অসমৰ পাতি ৰাভাসকলৰ ধৰ্মীয় বিশ্বাসমতে মনসা দেৱী সৰ্পদেৱী নহয়, তেওঁ অনাদি গোহাঁইৰ নিশ্বাসৰ পৰা জন্ম লাভ কৰা এগৰাকী দেৱী যেনে —

*তিনি পুত্ৰ ধিয়ানত যায় তাক গোহাঁয় ৰৈয়া চায়*
*তাক দেখি তেজ নিঃসৰে।।*
*তেজ নিঃসৰিলা মনসা কামানি হৈলা*
*উপজিলা গোহাঁইৰ দাইন পাশে।*

*দেৱী ভাগৱত*-ত উল্লেখ আছে যে কাশ্যপ ঋষিৰ মানস কন্যা মনসাই লক্ষ্মীদেৱী বা কমলাদেৱী। মনসা, কমলা, লক্ষ্মী এই তিনিও গৰাকী সৌভাগ্যৰ দেৱী। ব্ৰহ্মবৈৱৰ্ত পুৰাণ আৰু দেৱী পুৰাণত মনসা দেৱীৰ বাৰটা বিভিন্ন নাম পোৱা যায়। যেনেঃ জৰৎকাৰ, জগদগৌৰী, শৈৱী, বৈষ্ণৱী, নাগেশ্বৰী, নাগভগিনী, বিষহৰী, সিদ্ধ যোগিনী, মহাজ্ঞানযুতা, আস্তিকমাতা, মনসা আৰু জৰৎকা প্ৰিয়।

ইয়াৰ বাহিৰেও কেইটিমান মনসা সম্বন্ধীয় নামবাচক বিশেষণ আৰু বিশেষণজাত নাম লোক সমাজত প্ৰচলিত যেনেঃ কানী, জাঙ্গুলী, জগতী, তোতলা, ব্ৰহ্মাণী, বাহুৰা, নাগমাতা, নাৰায়ণী, যোগমাতা, বিধু-বদনী, বেঙ-খাইতী, ধেমেনা, ভতাৰী ইত্যাদি।

শিৱ, ইন্দ্ৰ, যম, ধৰ্ম, চণ্ডিকা, গংগা, শীতলা, সৰস্বতী আদিৰ সৈতেও মনসাৰ কিবা নহয় কিবা প্ৰকাৰ সম্পৰ্ক ৰক্ষিত হৈ আছে। ইয়াৰ বাহিৰেও নেতাৰ সৈতেও মনসাৰ বাই-ভনীৰ সম্পৰ্ক লক্ষ্য কৰা দেখা যায়। মনসাৰ সখীয়েক আৰু পথ প্ৰদৰ্শিকা ৰূপে নেতাই ভূমিকা গ্ৰহণ কৰি আহিছে

মনসা বা বিষহৰী পূজা পোনতে গৰখীয়া, মৎস্যজীৱী, বেপাৰী সদাগৰ আদিয়ে কৰিছিল। স্ত্ৰীব্ৰত স্বৰূপেও মনসা ব্ৰত প্ৰচলিত। সময়ৰ অগ্ৰগতিৰ লগে লগে মনসা বিষহৰী পূজাৰ পৰিসৰ বাঢ়ি গ'ল আৰু আনকি ১১/১৩/১৫ দিন ধৰি একেৰাহে পূজা চলিবলৈ ধৰিলে। পূজা-উপাসনাত নৃত্য-নৃত্ত-নাট আদি প্ৰদৰ্শন কৰা হৈছিল। এই নাচ বা অভিনয়ৰ লগত সংগতি ৰাখি গীত পদ ৰচিত হ'ল মৌখিক বা বাচিক ভাবে। লাহে লাহে এই গীত-পদবোৰ লিখিত ৰূপ পালে। আমাৰ পাঠ্য *পদ্মা-পুৰাণ* ৰো এইদৰেই সৃষ্টি হ'ল। খ্ৰীঃ ৮ম-৯ম শতিকা মানৰ পৰা যে কামৰূপ অসমত মনসা পূজা চলি আহিছে তাৰ প্ৰমাণ স্থাপত্য আৰু ভাস্কৰ্যৰ জৰিয়তে পোৱা যায়।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপুনি—

- খ্ৰীঃ ৮ম-৯ম শতিকাৰ পৰা প্ৰাগজ্যোতিষ কামৰূপত পৰম্পৰাগতভাবে প্ৰচলিত মনসা-পদ্মা-বিষহৰী-পদ্মাদেৱীৰ পূজা উপাসনাৰ উদ্ভৱ-বিকাশ-ইতিহাস-ধৰ্মতত্ত্ব, সাহিত্য-সংস্কৃতি আদিৰ বিষয়ে বিস্তৃতভাবে জানিবলৈ সক্ষম হ'ব।
- এই অঞ্চলত প্ৰচলিত মনসা-পৰম্পৰা যে সৰ্বভাৰতীয় মনসা পৰম্পৰাৰ এক বিস্তৃত ৰূপ সেই বিষয়েও জানিব পাৰিব।
- বিষহৰী-পদ্মাৱতী-বৰমানী-পূজা উপাসনা যে জাতি-জনজাতি উভয়ৰে মাজত প্ৰচলিত তাৰ আভাসো এই বিভাগটিৰ অধ্যয়নৰ জৰিয়তে জানিব পাব।
- বিষহৰী-পদ্মাৱতী-বৰমানীক কেন্দ্ৰ কৰি বাচিক কলা, লিখিত কলা আৰু পৰিৱেশ্য কলাৰ বিকাশ ঘটিছে সেই বিষয়েও জানিব পাৰিব।
- মনসা বা বিষহৰী অথবা পদ্মাৱতী-পৰম্পৰা যে এক সামাজিক ব্যাপাৰ যে সামাজিক সংহতি স্থাপনত বিস্তৰভাৱে সহায় কৰিছিল সেই বিষয়েও আপুনি জানিব পাৰিব।

## ৩.৩ কবি পৰিচয়

আমাৰ পাঠ্যপুথি *পদ্মা-পুৰাণ*-ৰ ৰচয়িতা গৰাকীৰ নাম সুকবি নাৰায়ণদেৱ। বাচিক ৰূপত প্ৰচলিত মনসা কথাবৃত্তক মহাকাব্যীয় বা পুৰাণসন্মত ৰূপ প্ৰদান কৰোতা সুকবি নাৰায়ণদেৱৰ স্থান কাল লৈ নানা মুনিৰ নানা মত দেখা যায়। কোনো কোনো পণ্ডিতৰ মতে নাৰায়ণদেৱৰ জন্ম হৈছিল মগধত অৰ্থাৎ বিহাৰত (নাৰায়ণদেৱৰ কয় জন্ম মগধ) কোনো কোনো পণ্ডিতৰ মতে তেওঁৰ জন্ম হৈছিল - উত্তৰ পূব বংগদেশত। এই গৰাকী পণ্ডিতৰ মতে নাৰায়ণদেৱৰ

পূৰ্বপুৰুষে উত্তৰ-পূব বংগদেশত মনসা কথাবৃত্তৰ বাচিক পৰম্পৰা প্ৰচাৰ কৰে। তেওঁ সুযোগ্য বংশধৰ নাৰায়ণদেৱে বাচিক কথা-বৃত্তক লিখিত ৰূপ প্ৰদান কৰে। আন এগৰাকী পণ্ডিতৰ মতে নাৰায়ণদেৱ বসতি কৰিবলৈ লৈছিল ময়মনসিং জিলাৰ অন্তৰ্গত বোৰ গ্ৰামত।

আন এটা জনশ্ৰুতি মতে নাৰায়ণদেৱ আছিল শ্ৰীহট্টৰ লোক। এই জিলাখন কিছুদিন আগলৈকে (১৯৪৭) অসমৰ চাৰিসীমাৰ ভিতৰতে আছিল। ভাৰতৰ স্বাধীনতাৰ বিষময় পৰিণতিত শ্ৰীহট্ট জিলা অসমৰ পৰাই যে চিৰদিনৰ কাৰণে গ'ল তেনে নহয়, ভাৰতৰ পৰাও চিৰদিনৰ বাবে গুচি গ'ল। ডিম্বেশ্বৰ নেওগৰ মতে পচৰিয়া অঞ্চলত নাৰায়ণদেৱৰ জন্ম হ'ব পাৰে। কোনো কোনো পণ্ডিতৰ মতে নাৰায়ণদেৱৰ ঘৰ গোসাঁই নগৰ হাজোৰ ওচৰতে। দীনেশ্বৰ শৰ্মাই ক'ব খোজে, নাৰায়ণদেৱৰ জন্ম য'তেই নহওক তেওঁ দৰঙ্গী ৰজা বলীনাৰায়ণ বা ধৰ্মনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। নাৰায়ণদেৱ বিৰচিত গীত শুনি ৰসাপ্লুত ধৰ্ম নাৰায়ণে তেওঁক প্ৰদান কৰিছিল সুকবি উপাধি। তেওঁ আৰু ক'ব খোজে যে, দৰঙৰ ৰয়নাকুছি মৌজাৰ ঘোঁৰাশাল নামৰ গাঁৱত নাৰায়ণদেৱৰ জন্ম হৈছিল। ইংৰাজ শাসনৰ পূৰ্বে এই গাওঁখন ব্যাসপাৰাৰ চাৰিসীমাৰ ভিতৰতে আছিল। আন দুই চাৰিজন পণ্ডিতে ক'ব খোজে যে, নাৰায়ণদেৱৰ জনম হৈছিল অবিভক্ত গোৱালপাৰাত অৰ্থাৎ নাৰায়ণদেৱৰ নামত প্ৰচলিত *পদ্মা-পুৰাণ* ৰ পুথিৰ ভাষাৰ এই অনুমানটিৰ সাৰসত্ত্বা প্ৰমাণ কৰিব পাৰে, কিয়নো এই ভাষা পুৰাণত ধুবুৰী অঞ্চলৰ দেশী ভাষাটিৰহে প্ৰয়োগ দেখা যায়। এই দেশী ভাষাটো পীতাম্বৰ দ্বিজে তেওঁৰ *শ্ৰীশ্ৰীচণ্ডী*-ত ব্যৱহাৰ কৰা দেশী ভাষাৰ সমগোত্ৰীয়। এই ভাষাৰ সৈতে দৰং কামৰূপৰ কথিত ভাষাৰ সাদৃশ্য স্পষ্ট। ড° সত্যেন্দ্ৰনাথ শৰ্মা আদি পণ্ডিতসকলে ক'ব খোজে যে, সুকবি নাৰায়ণদেৱে শুৱালকুছিৰ বাসত্তৰীয়া ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল।

বংগদেশত প্ৰচলিত লিখিত পৰম্পৰাৰ মতে নাৰায়ণদেৱ কায়স্থকুলোদ্ভৱ। অসমত প্ৰচলিত পৰম্পৰা মতে নাৰায়ণদেৱ ব্ৰাহ্মণ কুলোদ্ভৱ। যেনে —

*আমি ব্ৰাহ্মণ জাতি মুখ হন্তে উৎপত্তি*
*ক্ষেত্ৰি জন্মিলা বাহ হন্তে।*

বিপ্ৰ জানকী নাথ, বিপ্ৰ ৰঘুনাথ আদি নামেৰেও পৰিচিত।

অসমীয়া আৰু বঙলা পৰম্পৰা উভয়তে নাৰায়ণদেৱৰ পিতৃৰ নাম নৰসিংহ। যেনে—

**বঙলা ঃ** পিতামহ উদ্ধৱ নৰসিংহ পিতা।
মাতামহ প্ৰভাকৰ ৰুক্মিণী মোৰ মাতা।।

**অসমীয়া ঃ** ক) নৰসিংহ সুত কবি দেৱ নাৰায়ণ।
ৰচিলা পাঞ্চালি গীত পদ্মাৰ চৰণ।।
খ) নৰসিংহ সুত কবি ৰাম নাৰায়ণে।
ৰচিল পুৰাণ-গীত পদ্মাৰে চৰণে।।

বঙলা পৰম্পৰাত নাৰায়ণদেৱৰ মাতৃৰ নাম ৰুক্মিণী আৰু অসমীয়া পৰম্পৰা মতে নাৰায়ণদেৱৰ মাতৃৰ নাম গণেশ্বৰী। যেনেঃ

*বন্দি দিগপাল গণে নাৰায়ণ চন্দ্ৰে ভণে*
*গণেশ্বৰী দেৱীৰ তনয়।*
*নাৰায়ণ দেৱে কয় সুকবি বল্লভে হয়*
*দেৱগণ হৈবাহা সদয়।।*

নাৰায়ণদেৱৰ উদ্ভৱ সময় খাটাংকৈ ক'ব নোৱাৰি। কোনো কোনোৰ মতে কবিগৰাকীৰ জন্ম খ্ৰীঃ ষোড়শ শতিকা। আন দুগৰাকীমান পণ্ডিতৰ মতে খ্ৰীঃ দ্বাদশ-ত্ৰয়োদশ শতিকা মানত নাৰায়ণদেৱৰ কাব্য চৰ্চ্চা আৰম্ভ হৈছিল। দীনেশ চন্দ্ৰ সেনৰ মতে নাৰায়ণদেৱ খ্ৰীঃ পঞ্চদশ শতিকাৰ কবি হ'ব পাৰে। ভাৰত চন্দ্ৰ দাসৰ মতে নাৰায়ণদেৱ খ্ৰীঃ দ্বাদশ শতিকাৰ কবি। প্ৰকৃতাৰ্থত সুকবি নাৰায়ণদেৱ মনবৰ, দুৰ্গাবৰ, ষষ্ঠীবৰ আদি কবিসকলৰ সমসাময়িক।

অন্যহাতে নাৰায়ণদেৱ ঐতিহাসিক ব্যক্তি হয়নে নহয়— এই বিষয়েও কোনো কোনো মহলে সন্দেহ কৰে। তেওঁলোকৰ মতে সুকবি নাৰায়ণদেৱক এক জীৱন্ত-বাচিক পৰম্পৰা বুলিলেই ৰঞ্জিতা খায়। স্বৰূপাৰ্থত নাৰায়ণদেৱৰ পৰম্পৰা আৰম্ভ হৈছিল বিহাৰত আৰু বংগদেশত ই পল্লবিত হ'বলৈ ধৰে আৰু পশ্চিম অসমত ই লাভ কৰে পূৰ্ণত্ব। বিহাৰত নাৰায়ণদেৱৰ গীতে বিহাৰীৰূপ, বংগদেশ বঙলাৰূপ আৰু অসমত অসমীয়া ৰূপ পৰিগ্ৰহ কৰে। আনকি পাতি ৰাভাৰ বিষহৰী বা বৰমানী পৰম্পৰাতো নাৰায়ণদেৱৰ পৰম্পৰাই আংশিকভাবে হ'লেও প্ৰৱেশ লাভ কৰিছে।

সন্দেহ নাই নাৰায়ণদেৱৰ পৰম্পৰাই মহাকাব্য বা পুৰাণ (মহা) ৰূপত লিখিত ৰূপ লাভ কৰে দৰঙ্গী ৰজা ধৰ্ম নাৰায়ণৰ ৰাজত্ব কালত। দৰঙী ৰজাসকলৰ বংশধৰসকলৰ জিম্মাত বৰ্তমান অতি কমেও *পদ্মা-পুৰাণ*ৰ ১০/১২ খন প্ৰতিলিপি ব্যক্তিগত বা ৰাজহুৱা মনসা মন্দিৰত (গোঁসাই ঘৰত) সংৰক্ষিত হৈছে। এই প্ৰতিলিপিবিলাক সৰ্প দেৱী মনসাৰ প্ৰতিৰূপ (replica) স্বৰূপে পূজিত হৈ আহিছে। আনকি প্ৰসিদ্ধ সুকনানি ওজাপালিৰ ওজাৰ ঘৰতো *পদ্মা-পুৰাণ*ৰ প্ৰতিলিপি পোৱা যায়। এইফালৰ পৰা বিচাৰ বিশ্লেষণ কৰি আমি ক'ব পাৰো যে, নাৰায়ণদেৱৰ নামৰ এগৰাকী কবিয়ে দৰঙী ৰজা ধৰ্মনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰিছিল নে নাই সেই বিষয়ে নিশ্চিতভাবে ক'ব নোৱাৰিলেও নাৰায়ণদেৱৰ নামত মুখ পৰম্পৰা প্ৰচলিত মনসা বা পদুমাইৰ গীত পদে দৰঙী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰা কোনোবা এগৰাকী কবিৰ হাতত লিখিত ৰূপ লাভ কৰে। এই কবি গৰাকীৰ নামো নাৰায়ণদেৱ।

নাৰায়ণদেৱৰ নামৰ সৈতে ব্যৱহৃত 'সুকবি' আৰু 'সুকবি বল্লভ' পদ দুটা কবি গৰাকীৰ উচ্চ কবি প্ৰতিভাৰ স্বীকৃতি মাথোন। কোনো কোনো সমালোচকৰ মতে এই উপাধি দুটা তেওঁ লাভ কৰিছিল দৰঙী ৰজাৰ পৰা।

**আত্মমূল্যায়ন প্ৰশ্ন**

নাৰায়ণদেৱৰ কাল আৰু জন্মস্থান নিৰূপন কৰক? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................

.......................................................................

.......................................................................

### ৩.৩.১ কাব্যকৃতি

সুকবি নাৰায়ণদেৱে পদ্মা-পুৰাণৰ বাহিৰেও যে আন কাব্য ৰচনা কৰিছিল তাৰ কোনো ধৰণৰ আভাস বা পৰিচয় তেওঁৰ এই নিৰ্মিতি বিশেষৰ পৰা জনা নাযায়। স্বৰূপাৰ্থত পদ্মা-পুৰাণ সুকবি নাৰায়ণদেৱে ৰচনা কৰিছিল নে বাচিক পৰম্পৰাত চলি অহা মনসা-পদুমাই বিষয়ক গীত-পদখিনিক লিখিত ৰূপ দিছিল সেই বিষয়ে খাটাংকৈ ক'ব নোৱাৰিলেও দ্বিতীয় ধাৰণাটোৰ তাৎপৰ্য্য এই প্ৰসংগত মন কৰিবলগীয়া। মনসা-পদুমাইৰ বাচিক-গীত-পদে কাব্য মহাকাব্যৰ

পৰিসৰ অতিক্ৰম কৰা হেতু লিখিত পৰম্পৰাত প্ৰৱেশ কৰা গীত-পদ খিনিয়েও নাম পালে পুৰাণ, অৰ্থাৎ মনসা-পদুমাইৰ গীত পদে কাব্য মহাকাব্যৰ পৰিসৰ অতিক্ৰম কৰা হেতু লিখিত পৰম্পৰাত প্ৰৱেশ কৰা গীত পদ খিনিয়েও নাম পালে পুৰাণ, অৰ্থাৎ মনসা-পদুমাইৰ গীত নাম পালে পুৰাণ। বাচিক পৰম্পৰাত প্ৰচলিত মনসা-পদুমাইৰ গীতসমূহ এইদৰে পৰিমাৰ্জ্জিত ৰূপ প্ৰদান কৰি তাত নান্দনিক বৈশিষ্ট্য সংযোগ কৰে যে অচিৰ কালতে এই সংকলনটিয়ে কাব্যগুণ যুক্ত কাব্য নিৰ্মিতি হৈ পৰিল। যেনেকৈ মৌখিক পৰম্পৰাত প্ৰচলিত হৈ অহা সংস্কৃত ভাষাত বিৰচিত কাব্য-মহাকাব্য, পুৰাণ-মহাপুৰাণ আদিয়ে ব্যাস নাম বা উপাধিধাৰী একশ্ৰেণী কবিৰ সাহিত্যৰে কলা-সুলভ পৰশত ৰচিত নিৰ্মিতিৰ সন্মান লাভ কৰিবলৈ সক্ষম হ'ল।

*পদ্মা-পুৰাণ* ৰ বাহিৰে আন কোনো সাহিত্য-নিৰ্মিতি সুকবি নাৰায়ণদেৱৰ নামত সাম্প্ৰতিকলৈকে পোৱা নাই। এই অনিন্দ্যসুন্দৰ পুৰাণখনিয়েই নাৰায়ণদেৱৰ নাম নিৰৱধিকাল আৰু বিপুলা পৃথিৱীত জিলিকাই ৰাখিব।

## ৩.৪ পদ্মা-পুৰাণৰ বিষয়বস্তু

নাৰায়ণদেৱৰ নামত প্ৰচলিত মনসা-পদুমাই গীত-পদখিনিৰ সমষ্টিয়েই পদ্মা-পুৰাণ বা 'সুকনানি' বা সুকনান্নী'। 'সুকনানি' বা 'সুকনান্নী' পদটি সুকবি নাৰায়ণদেৱ নিগদিত বাক্যটিৰ সংকুচিত ৰূপ। ( সু-ক-না-নি = সুকনানি= সুকনানন্নি=সুকনান্নি)

নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*-ৰ বিষয়বস্তু বিভিন্ন ভাগত বিভক্ত কৰা হয়। যেনে—১) পূজাৰ গীত-পদ, ২) বন্দনা-পদ, ৩) সৃষ্টিখণ্ড বা সৃষ্টি পাতন বা অনাদি পাতন, ৪) চন্দ্ৰধৰৰ আখ্যান, ৫) ধন্বন্তৰি বধ ৬) চন্দ্ৰধৰৰ বনিজ যাত্ৰা বা বৰ বণিজ, ৭) ভাটিয়ালী খণ্ড, ৮) স্বৰ্গ-গমন খণ্ড, ৯) দেওৰ পদ বা দেওধনী নচোৱা গীত-পদ, ১০) সামৰণি গীত-বিদায় দিয়ন খণ্ড।

**আমাৰ পাঠ্য ভাটিয়ালী খণ্ডৰ বিষয়বস্তুৰ আভাস তলত দিয়া হ'ল—**

চম্পক নগৰৰ মেৰঘৰত নৱ-দম্পতী বেউলা-লখিন্দৰক থাকিবলৈ দিয়া হৈছে মধু-যামিনী সম্পাদনৰ অৰ্থে। কালিনাগৰ দ্বাৰা লখাই দংশিত হৈ শেষ নিশ্বাস পেলায়। কালিনাগে লখিন্দৰ বা লখাইৰ আত্মাটি বন্দী কৰে। তেনে অৱস্থাত বেউলাই হাতৰপৰা কটাৰীখন পৰি কালিনাগৰ নেজডাল কটা যায়। নিদ্ৰাৰ গ্ৰাসৰপৰা মুক্ত হৈ চক্‌মককৈ উঠি স্বামী লখিন্দৰৰ গাত হাত দি বুজিবলৈ বাকী নাথাকিল যে ইতিমধ্যে তেওঁৰ স্বামীৰ প্ৰাণ পক্ষী উৰি গৈছে (বন্দী কৰি থোৱা হৈছে) হিয়া ঢাকুৰী বেউলাই কান্দিবলৈ ধৰিলে। বেউলাৰ ক্ৰন্দনত শাহুৱেক সোনেকা আৰু চন্দ্ৰধৰে টোপনিৰ পৰা সাৰ পালে। মৃত স্বামীক ভেলত তুলি লৈ বেউলাই যাত্ৰা কৰিলে দেৱ-পুৰীলৈ। শৃগলী, যমদাইনী, গোধা, জুৱাৰু ধনামনা, ৰঙ্গাইসাধু, নাৰায়ণসাধু, বাঘ, নিলক্ষ তৃপানী আদি পাক অতিক্ৰম কৰি বেউলাই নেতাক লগ পায়। নেতাই বেউলাৰ সতীত্ব পৰীক্ষা কৰে। বেউলা দেৱপুৰীলৈ অহাৰ বাৰ্তা শিৱক দিয়ে নেতাই। শিৱৰ নিৰ্দেশমতে দেৱতাসকলৰ উপস্থিতিত বেউলাই নৃত্য কৰে। নাৰদৰ মুখে বাৰ্তা পাই চণ্ডিকা ক্ৰোধান্বিত হৈ উঠে শিৱৰ ওপৰত। আনৰ নাৰীৰ নৃত্য চোৱা বাবে চণ্ডিকাই শিৱক ভৎৰ্সনা কৰে। ফুলশয্যাৰ নিশা বিনাদোষে পদ্মাই বিধৱা কৰা বাবে বেউলাই পদ্মাৰ বিৰুদ্ধে চণ্ডীৰ ওচৰত অভিযোগ কৰে। পদ্মাই মায়াজ্বৰ পাতি উপস্থিত পৰিস্থিতিৰ পৰা আতৰি থাকিবলৈ বৃথা চেষ্টা কৰিছিল যদিও শেষত শিৱই লখিন্দৰক জীয়াই দিবলৈ মনসা-পদ্মাৱতীক নিৰ্দেশ দিয়ে। পদ্মাই যে লখিন্দৰক কালিনাগৰ জৰিয়তে বধ কৰাইছে তাৰ প্ৰমাণ দিবলৈ বেউলাক নিৰ্দেশ দিয়ে মনসাই। অনুক্ৰমে বেউলাই

সৰ্প পৰীক্ষা কৰে। নেতাৰ ইংগিতত নেজকটা কালিনাগক পদ্মাৰ আসনৰ পৰা বেউলাই টান মাৰি উলিয়াই আনে আৰু নিজৰ হাতত থকা কালিনাগৰ নেজৰ অংশটোৰ সৈতে মিলাই দেখুৱায়। সভাসদৰ বুজিবলৈ বাকী নাথাকিল যে পদ্মাই কালিনাগৰ জৰিয়তে বেউলাৰ স্বামী লখিন্দৰক বধ কৰাইছে। ইন্দ্ৰ-যম আদি দেৱতাসকলেও বেউলাৰ সপক্ষে সাক্ষ্য প্ৰদান কৰে। অৱশেষত পদ্মাই পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হয়। তেওঁ বেউলাৰ স্বামী লখিন্দৰক জীয়াই দিবলৈ প্ৰতিশ্ৰুতি প্ৰদান কৰি লখিন্দৰৰ শৰটো আনিবলৈ বেউলাক নিৰ্দেশ দিয়ে। বেউলাই তেওঁৰ স্বামীৰ অস্থি-পাঞ্জৰবোৰ বিষহৰীৰ আগত দিলে। পদ্মাই অস্থিৰবোৰ সংযোগ কৰিলে, যদিও আঁঠুৰ ঘিলাটো বিচাৰি নাপালে। সেইবাবে তেওঁ বেউলাক ভৎৰ্সনা কৰে। বেউলাৰ মিনতিত সন্তুষ্টা পদুমাই ধ্যান কৰি চাই দেখিলে যে সাগৰৰ ৰাঘোৱা বৰালিয়ে লখাইৰ আঁঠুৰ ঘিলাটো ভক্ষণ কৰিছে। পদ্মাৰ নিৰ্দেশমতে নেতাই জালো মালোৰ দ্বাৰা সাগৰত জালমাৰি ৰাঘোৱা বৰালিটো ধৰায় আৰু মাছটোৰ পেট ফালি লখাইৰ আঁঠুৰ ঘিলাটো বাহিৰ কৰি আনি পদ্মাক দিয়ে। ৰাঘোৱা বৰালিৰ পেটটো চিলাই কৰি দিয়া হয়। সেই আঁঠুৰ ঘিলাটো পদ্মাই লখিন্দৰৰ দেহৰ যথাস্থানত সংযোগ কৰে। পদ্মাক সন্তুষ্ট কৰিবৰ বাবে চান্দোৰ জৰিয়তে মনসাক পূজিবলৈ দেৱতা বিদ্যমানে বেউলাই প্ৰতিজ্ঞা কৰে। বেউলাৰ ভক্তিত সন্তুষ্টা পদ্মাৱতীয়ে ধন্বন্তৰিৰ সৈতে চান্দোৰ ছয়কুমাৰক পুনৰ্জীৱন প্ৰদান কৰে। ইয়াৰ লগতে সাগৰত নিমজ্জিত চান্দোৰ চৈধ্যখন ডিঙাও উত্তোলন কৰে। অকল ইমানেই নহয় পদ্মাৰ কৃপাত ডিঙা বুৰি প্ৰাণ হেৰুৱা কাণ্ডাৰী, বাইচা আৰু আন আন লোকে পুনৰ জীৱন লাভ কৰে। নেতা-পদ্মাৰ সৈতে বেউলা লখিন্দৰ, চান্দোৰ ছয়পুত্ৰ, ধন্বন্তৰি আদিয়ে চম্পক নগৰ অভিমুখে যাত্ৰা কৰে ডিঙাত আৰোহণ কৰি। অৱশেষত চন্দ্ৰধৰে বেউলা আৰু জনসাধাৰণৰ কাতৰ অনুৰোধত উপেক্ষা কৰিব নোৱাৰি আনকি নিজৰ আজন্ম আদৰ্শ আৰু প্ৰতিজ্ঞা অকাতৰে পৰিহাৰ কৰি মনসা পদ্মাৱতীক পূজিবলৈ প্ৰতিজ্ঞা কৰাই নহয় হেমতাল গুঞ্জৰি সাগৰত নিক্ষেপ কৰি লক্ষ বলি সহ মনসা-পদ্মাৱতীক পূজা কৰে।

চন্দ্ৰধৰে বেউলাৰ সতীত্ব পৰীক্ষা কৰে। তুলাপৰীক্ষাত উত্তীৰ্ণ হৈ বেউলা-লখিন্দৰ দুয়ো অন্তৰীক্ষলৈ যাত্ৰা কৰে। পুত্ৰ আৰু পুত্ৰবধূৰ অন্তৰিক্ষ যাত্ৰাত শোকবিহ্বলা সোনেকাই কান্দিবলৈ ধৰে।

ওপৰৰ আলোচনাৰ পৰা সহজে অনুমান কৰিব পৰা যে, পদ্মা-পুৰাণ-ৰ ভাটিয়ালী খণ্ডত বিষয়বস্তুৰ মাজত কাব্যসন্মত ঐক্য ৰক্ষিত হৈছে।

## ৩.৫ মূল আৰু মৌলিকতা

### ৩.৫.১ মূল

সুকবি নাৰায়ণদেৱ বিৰচিত *পদ্মা-পুৰাণ* কোনো সংস্কৃত পুৰাণ-পৰম্পৰা পৰিধিৰ অৰ্ন্তগত পুৰাণৰ অনুবাদ নহয়, অথবা কোনো সংস্কৃত পুৰাণ আশ্ৰয়ীও নহয়। পদ্মা-পুৰাণ নামটোৱে হয়তো কোনো কোনো লোকৰ অন্তৰত সন্দেহৰ খু-দুৱনি জগাব পাৰে- এইখন পুৰাণ সংস্কৃত *পদ্মা-পুৰাণ*-ৰ অনুবাদ নেকি। আচলতে সংস্কৃত পুৰাণখনৰ নাম *পদ্ম-পুৰাণ* হে, *পদ্মা-পুৰাণ* নহয়। অৱশ্যে বহুতে সুকবি নাৰায়ণদেৱৰ পুৰাণখনকো *পদ্ম-পুৰাণ* বোলে। এই উচ্চাৰণটো নিশ্চিতভাৱে ভুল। সংস্কৃত *পদ্ম-পুৰাণ* বৈষ্ণৱ পুৰাণ আৰু এই পুৰাণখনৰ ৰচয়িতা গৰাকীৰ নাম ব্যাসদেৱ। বিষ্ণু-পুৰাণত উল্লেখ থকা মহাপুৰাণসমূহৰ ভিতৰত *পদ্ম-পুৰাণ*-ৰ স্থান দ্বিতীয়। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে, বিষ্ণু-পুৰাণ-ৰ পূৰ্বেই *পদ্ম-পুৰাণ* ৰচিত হৈছে। *ভাগৱত-পুৰাণ*-ত সন্নিবেশিত পুৰাণসমূহৰ ভিতৰতো *পদ্ম-পুৰাণ*-ৰ স্থান দ্বিতীয়। প্ৰাচীন

মহাপুৰাণৰ দৰে *পদ্ম-পুৰাণো* পঞ্চ লক্ষণ বিশিষ্ট। অৱশ্যে মূল *পদ্ম-পুৰাণ* -ত পৰৱৰ্তীকালত বিবিধ সমলে স্থান পাইছে। ব্ৰহ্মাই পদ্ম-আসনত বহি এইখন পুৰাণৰ বিষয়বস্তু বৰ্ণনা কৰিছিল বাবে পুৰাণখনৰ নাম হ'লগৈ *পদ্ম-পুৰাণ*।

এই পুৰাণখন মূলতঃ বৈষ্ণৱ আদৰ্শ প্ৰধান হ'লেও ইয়াত শৈৱ আৰু শাক্ত সমলৰো অভাৱ নাই। ছয়খণ্ডৰ বিভক্ত *পদ্মা-পুৰাণ*ৰ দুটা পাঠ দেখা যায়। বঙলা পাঠ আৰু পুনা পাঠ। বঙলা পাঠ পাঁচোটা খণ্ডযুক্তঃ সৃষ্টি, ভূমি বা ভোমি, স্বৰ্গ, পাতাল আৰু উত্তৰ। পৰবৰ্তী সংস্কৰণত এই পাঁচোটাৰ লগতে আৰু এটা খণ্ড সংযোজিত হৈ ছয়টা খণ্ড হৈছে। এই খণ্ডটোৰ নাম উত্তৰ। উত্তৰ খণ্ডটো আন আন খণ্ডকেইটাতকৈ বিস্তৃত পৰিসৰ যুক্ত। এই খণ্ডটিৰ মুখ্য উদ্দেশ্য বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন। পাতাল কাণ্ডত পাতালৰ নাগসকল আৰু ৰাৱণৰ বীৰত্বৰ কাহিনীয়ে প্ৰাধান্য লাভ কৰিছে। স্বৰ্গখণ্ডত দুষ্যন্ত শকুন্তলা, পুৰুৰৱা আৰু উৰ্বশীৰ উপাখ্যান সন্নিবেশিত হৈছে।

এইফালৰ পৰা সংস্কৃত *পদ্ম-পুৰাণ*-ৰ পৰা আমাৰ আলোচ্য *পদ্মা-পুৰাণ*-ৰ বিষয়বস্তু লোৱা হোৱা নাই ই নিশ্চিত। অসমীয়া ভাষাৰ পুৰাণ পদ্মা-পুৰাণত মনসা নেতা আদি দেৱীৰ জন্ম, চন্দ্ৰধৰৰ সৈতে পদ্মাৱতী বিষহৰীৰ বিৰোধ, চন্দ্ৰধৰৰ কৰুণ পৰিণতি, লখিন্দৰ বেউলাৰ জৰিয়তে পদ্মাৱতী-চন্দ্ৰধৰৰ বিৰোধৰ অন্ত, বেউলা লখিন্দৰ স্বৰ্গ-গমন আদিৰ বৰ্ণনা পোৱা যায়।

*পদ্মা-পুৰাণ* মংগল কাব্য বা পুৰাণ, ই লোক পুৰাণ বা লোককাব্য বা মহাকাব্য। মনসা পদ্মাৱতী দেৱীৰ উদ্ভৱ আৰু বিকাশ তুলনামূলকভাবে অৰ্বাচীন। খুব সম্ভৱ সংস্কৃত পুৰাণৰ পৰম্পৰাৰ অৱমানৰ পিছতেই মনসা পুৰাণ বা পদ্মা-পুৰাণৰ পৰম্পৰা আৰম্ভ হয়। সেইবাবে সংস্কৃত পুৰাণ পৰম্পৰাৰ পৰিসৰে পদ্মাদেৱী চন্দ্ৰধৰ, বেউলা-লখিন্দৰৰ কাহিনী উপাখ্যান আদিত প্ৰৱেশ কৰিব নোৱাৰিলে। অৱশ্যে *দেৱী-পুৰাণ, ব্ৰহ্মবৈৱৰ্ত-পুৰাণ* আদি অৰ্বাচীন পুৰাণত মনসা-পদ্মা বিষয়ক কাহিনী পোৱা যায়, কিন্তু বেউলা লখিন্দৰ সম্বন্ধীয় আখ্যান-উপাখ্যান আদি পোৱা নাযায়।

পদ্মা-চন্দ্ৰধৰ বা বেউলা লখিন্দৰ সম্পৰ্কীয় কাহিনী সংস্কৃত পুৰাণ-উপপুৰাণ আদিত পোৱা নগ'লেও সংস্কৃত পৰম্পৰাই সামৰি লোৱা কিছুমান উপাদানৰ স্থিতি সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*-ত পোৱা যায়। সেই উপাদানবোৰ এনেদৰে ভাগ কৰি দেখুৱাব পাৰি।

**ক) ৰামায়ণৰ উপাদানঃ** ৰাম বন্দনা, লংকাৰ বৰ্ণনা, ৰাৱণ-হনুমানৰ পৰিচয়। ৰাম বন্দনা-ৰ উদাহৰণ —

দিহাঃ অ' ৰাম বোল,
হায় হায় কোন গুণে
অ' হায় হায় কোন গুণে
ৰাঘৱৰ ভজিম চৰণে।।

প্ৰথমে বন্দিবো ৰাম মুক্তিপ্ৰদ যাৰ নাম
প্ৰভুৰাম কমল লোচন।
অযোধ্যাৰ পতি ৰাম তনু দুৰ্ব্বাদল শ্যাম
প্ৰণাম কৰো কৌশল্যা নন্দন।।
প্ৰণামোহো শ্ৰীৰাম মন্ত্ৰী যাৰ জাম্বৱান
মিত্ৰ যাৰ গুহক চণ্ডাল।

ৰিপু যাৰ দশানন                সৰে বন্ধু ৰূপায়ণ
কীৰ্তি যাৰ সাগৰ বন্ধন।।
দিবা ৰাত্ৰি নিশাচৰে                সেৰে যাক নিৰন্তৰে
পক্ষীৰাজ যাহাৰ বাহন
পক্ষী যাৰ সুৰনিতা                সীতা যাৰ বিবাহিতা
ভাতৃ যাৰ অনুজ লক্ষণ।।
শ্ৰীৰাম চৰণ                মনে কৰি সোমৰণ
বিপ্ৰ জানকী নাথে গায়।। ইত্যাদি।

**(খ) মহাভাৰতৰ সমল ঃ** সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*-ত স্থান পোৱা মহাভাৰতীয় সমলৰাজিৰ ভিতৰত তলত দিয়াবোৰ উল্লেখযোগ্যঃ কশ্যপৰ কাহিনী, দিতি অদিতিৰ জন্ম, বিবাহ, দেৱতা-অসুৰৰ জন্ম, কদ্ৰু আৰু বিনতাৰ বিবাহ, বাসুকি আদি সৰ্পকুলৰ জন্ম, অৰুণ-গৰুৰৰ জন্ম, ইন্দ্ৰৰ অশ্বৰ নেজৰ কৰুণ ৰহস্য, কদ্ৰু বিনতাৰ বাজি, কদ্ৰুৰ ছলনাত বিনতাৰ পৰাজয় আৰু সতিনীৰ দাসীত্ব মোচন, কদ্ৰুৰ দ্বাৰা তেওঁৰ পুত্ৰ সৰ্পসকলক অভিশাপ, জৰৎকাৰুৰ লগত পদ্মাৱতীৰ বিবাহ সম্পাদন, স্বামীৰ দ্বাৰা পদ্মাক পৰিত্যাগ, আস্তিকৰ জন্ম, পৰীক্ষিতৰ প্ৰতি ব্ৰহ্মশাপ, তক্ষক নাগৰ দ্বাৰা পৰীক্ষিতক দংশন আৰু মৃত্যু, পৰীক্ষিতৰ পুত্ৰ জন্মেজয়ৰ সৰ্প যজ্ঞ, আস্তিক মুনিৰ দ্বাৰা তক্ষকৰ প্ৰাণ ৰক্ষা, শতমুখী গংগাৰ বৰ্ণনাৰ প্ৰসংগত ভগীৰথৰ কাহিনী বৰ্ণনা, ভীমৰ পৰিচয় আৰু তেওঁৰ কাৰ্যাৱলী আদি।

**(গ) মাৰ্কণ্ডেয় পুৰাণৰ সমল ঃ** সুকবি নাৰায়ণদেৱে তেওঁৰ *পদ্মা-পুৰাণ*-ত সংযোজিত মাৰ্কণ্ডেয় পুৰাণৰ সমলৰাজি তলত দিয়া হ'ল যেনে —

নাৰায়ণৰ যোগনিদ্ৰা, নাৰায়ণৰ কৰ্ণমলৰ পৰা মধু-কৈটভৰ জন্ম আৰু নাৰায়ণৰ নাভিকমলত ব্ৰহ্মাৰ জন্ম,নাৰায়ণৰ লগত মধু কৈটভৰ যুদ্ধ আৰু মৃত্যু, মধু কৈটভৰ দ্বাৰা মেদিনী সৃষ্টি আদি *মাৰ্কণ্ডেয়-পুৰাণ*-ৰ পৰা লোৱা হৈছে।

**(ঘ) বিষ্ণু পুৰাণ আৰু ভাগৱত-পুৰাণৰ সমল ঃ** সুকবি নাৰায়দেৱে তেওঁৰ সোৰস (সৰস, যোড়শ পাঞ্চালি) পাঞ্চালি *পদ্মা-পুৰাণ*-ৰ কথাবস্তুৰ কাৰ্য্য-কাৰণ-তাৎপৰ্য্য স্পষ্ট আৰু প্ৰমাণসিদ্ধ কৰিবলৈ নানা পুৰাণৰ বিষয়বস্তু গ্ৰহণ কৰিছে। এই নানা পুৰাণৰ ভিতৰত বিষ্ণু পুৰাণৰ আৰু ভাগৱত পুৰাণো উল্লেখযোগ্য।

*পদ্মা-পুৰাণ*-ত সন্নিবেশিত কৃষ্ণ-বন্দনাটিৰ সমল ভাগৱত-পুৰাণ আশ্ৰয়ী। বন্দনাটি তলত দিয়া হ'ল।

*কুসুমে বৰিষে দেৱগণ মধ্য পৰৱেস।*
*হেন সময়ত জন্মিলেক ৰিষিকেস।।*
*উপজিল হৰিদেৱ কোলে কৰি লই।*
*পাৰ কৰি জমুনাৰ জসোদাৰ ঘৰে থই।।*
*দৈৱকিয়ে বোলে প্ৰভু সুন বসুদেৱ।*
*একে হৰিদেৱ বিনে আন নাহি কেৱ।।*
*সংখ চক্ৰ পিত বস্ত্ৰ কৰিটি কুণ্ডল।*

*নানা বিধ অলংকাৰে কৰে ঝলমল।।*
*উপজিল হৰিদেৱ বসুদেৱ ঘৰে।*
*গন্ধৰ্বে মৃদঙ্গ বাদ্য আকাশত কৰে।।*
*দৈৱকিৰ গৰ্ভে আসি ভৈলেক বেকত।*
*চন্দ্ৰ জেন প্ৰকাসন্ত পূব জে দিসত।।*
*নানান প্ৰকাৰে তুতি লাগে বুলিবাৰ।*
*জন্ম ভৈলন্ত শ্ৰীকৃষ্ণ কংস বধিবাৰ।।*

দেৱৰাজ ইন্দ্ৰৰ প্ৰতি দুৰ্বাসাৰ অভিশাপ, স্বৰ্গৰপৰা লক্ষ্মীভ্ৰষ্ট, বিষ্ণুৰ নিৰ্দেশমতে দেৱ-দৈত্যৰ দ্বাৰা সাগৰ মন্থন,অমৃতৰ ঘট সহ লক্ষ্মীৰ আৱিৰ্ভাৱ, কালকূট বিষ উদ্‌গীৰণ আৰু মহদেৱৰ দ্বাৰা পান, বিষৰ প্ৰতিক্ৰিয়া, নীলকণ্ঠ নাম ধাৰণ আদি অনুঘটনা গ্ৰহণ কৰা হৈছে। *বিষ্ণু-পুৰাণ* আৰু *ভাগৱত-পুৰাণ*-ৰ পৰা। সাম্বাসুৰৰ গৃহত ৰতিদেৱী ছায়াৱতী ৰূপে আশ্ৰয় গ্ৰহণ আদিৰ বৰ্ণনাও *ভাগৱত-পুৰাণ* আশ্ৰয়ী।

**(ঙ) শিৱ-পুৰাণ ঃ** *বিষ্ণু-পুৰাণ* আৰু *ভাগৱত-পুৰাণ*-ৰ দৰে *শিৱ-পুৰাণ*-ৰ সমল সংমিশ্ৰণো সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*-ত লক্ষ্য কৰা যায়। এই সমলৰাজিৰ ভিতৰত শিৱ-পাৰ্বতীৰ বিবাহ, গণপতি কাৰ্ত্তিকৰ জন্ম, তাড়কাসুৰৰ বধ আদি উল্লেখযোগ্য।

*কালিকা-পুৰাণ*-ৰ পৰা নাৰায়ণদেৱে সতীৰ সৈতে শিৱৰ বিবাহ, দক্ষ-যজ্ঞ, দক্ষ-যজ্ঞ ধ্বংস, পাৰ্বতীৰ জন্ম, মদন ভষ্ম, পাৰ্বতীৰ লগত শিৱৰ বিবাহ আদি সমল লোৱা যেন লাগে।

সেইদৰে মনসা-পদ্মাৱতীৰ বিভিন্ন অভিব্যক্তি, পূজা-মাহাত্ম্য আদিৰ বৰ্ণনাত আমাৰ কবিয়ে *দেৱী ভাগৱত* আৰু *ব্ৰহ্মবৈৱৰ্ত পুৰাণ*-ৰ প্ৰকৃতি খণ্ডৰ পৰাও সমল গ্ৰহণ কৰিব পাৰে। পদ্মা-পুৰাণ-ত পাপ-পূণ্যৰ বিচাৰ, প্ৰায়শ্চিত্ত ব্যৱস্থা, দানৰ মহিমা আদিৰ বৰ্ণনাৰ প্ৰসংগত আমাৰ কবিয়ে ধৰ্মশাস্ত্ৰ বা স্মৃতি শাস্ত্ৰৰ পৰাও সমল গ্ৰহণ কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

পদ্মাপুৰাণত কি কি পুৰাণৰ সমল পোৱা যায়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................
..........................................................................
..........................................................................

## ৩.৫.২ মৌলিকতা

সুকবি নাৰায়ণদেৱে তেওঁৰ ভাষা পুৰাণখনিৰ বিষয়বস্তু আকৰ্ষণীয় আৰু প্ৰভাৱশীল কৰাৰ প্ৰসংগত লোক কথাবৃত্ত বা বাচিক কাব্যৰ সৈতে সংস্কৃত পৌৰাণিক পৰম্পৰাৰ পৰা সমল গ্ৰহণ কৰিছে যদিও সেই সমলৰাজিৰ কাব্যময়ৰূপ দিয়াৰ প্ৰসংগত কবিগৰাকী সততে সচেতন আছিল। তদানীন্তন সমাজৰ লোকসমাজ, তেওঁলোকৰ মন, তেওঁলোকৰ গ্ৰহণ যোগ্যতা তথা ৰুচিৰ প্ৰতি। এই প্ৰসংগত কবি গৰাকী কৃতকাৰ্য হৈছে বিস্ময়কৰ ভাবে। সেইবাবে বৰ্তমানলৈকে তাহানিৰ দৰে পুৰাণখন মানুহৰ মন আৰু হিয়াত গভীৰ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। আমাৰ কবিয়ে পুৰাণখনিত স্থান পোৱা আটাইবিলাক চৰিত্ৰকেই মানৱীয় দৃষ্টিভংগীৰে অংকন কৰিছে। উদাহৰণ স্বৰূপে আমি উল্লেখ কৰিব পাৰো যে, শংকৰদেৱ আৰু নাৰায়ণদেৱ উভয়ে

কালিনাগৰ ভয়াবহ বৰ্ণনা দিছে। বালগোপালৰ ভুবন বিমোহন ৰূপ দেখিও শংকৰদেৱৰ কালিনাগ ক্ষন্তেকৰ কাৰণেও বিমুগ্ধ হোৱা নাই। তাৰ বিপৰীতে বাল গোপালক নিষ্ঠুৰ ভাবে দংশন কৰিছে। অন্যহাতে সেই কালিনাগেই পদ্মাৰ কঠোৰ আৰু নিষ্ঠুৰ নিৰ্দেশ নতশিৰে পালন কৰি পৰম দৃঢ়তাৰে আগবাঢ়ি গৈছে নিদ্ৰাদেৱীৰ কোলাত পৰি থকা লখিন্দৰক দংশন কৰিবলৈ। কিন্তু কি যে অবিস্মৰণীয় সৌন্দৰ্য দুটা- অনিন্দ্যসুন্দৰী শুই আছে কাৰ্ত্তিক সদৃশ যুৱক লখিন্দৰৰ কোলাত। নিষ্ঠুৰ, ক্ৰোধান্বিত কালিনাগৰ অন্তৰ মৰম চেনেহ-সহানুভুতিৰে আৰ্দ্ৰ হৈ উঠিল যে কেনেকৈ সেই প্ৰেম আৰু সৌন্দৰ্য্যৰ অনিন্দ্য প্ৰতীক লখিন্দৰক দংশন কৰিব। কালি নাগে জুৰিলে কান্দোন—

দিহা ঃ *স্বৰূপে বোলেৰেহে সুন্দৰী আছে বোলে*
*কিমতে দংশিম লখাইক দয়া লাগে মোৰ*
পদ ঃ *প্ৰসন্ন বদন লখাইৰ শৰীৰ জ্যোতি।*
*শাৰী শাৰী দান্ত জ্বলে মুকুতাৰ পান্তি।।*
*চন্দন তিলক লখাইৰ কপালত মাজে।*
*চন্দ্ৰৰ উদয় যেন গগণেৰ মাঝে।।*
*কণ্ঠত বেষ্টিত গজ মুকুতাৰ মালা।*
*হেমগিৰি মধ্যে যেন শোভে চন্দ্ৰকলা।।*
*ভূবন মোহন যেন বেফুলাৰ বেশ।*
*চামৰ জিনিয়া যেন মাথাই দীৰ্ঘ কেশ।....*
*মুণ্ডত দংশিম লখাইৰ ঝুনা নাৰিকেল।*
*কেশত দংশিম লখা হাৰুৱা চোৰাৰ।।*
*কপালত দংশিম লখাইৰ দ্বিতীয়াৰ চান্দ।*
*দুই কৰ্ণ দংশিম লখাইৰ বৰগাছৰ পান।।...*
*এই বুলি কান্দে কালি গুণক বৰ্ণায়।।*

নাৰায়ণদেৱে যে মানৱীয় স্পৰ্শেৰে চৰিত্ৰাদি অংকন কৰিছে তাৰ আভাস ইয়াৰ দ্বাৰা সহজে বুজিব পাৰি। অন্যহাতে শংকৰদেৱৰ কালিনাগৰ চৰিত্ৰ ৰূপায়ণত মানৱীয় স্পৰ্শ লক্ষ্য কৰা নাযায়।

অকল কালিনাগৰ চৰিত্ৰই নহয় চন্দ্ৰধৰ, সোনেকা, বেউলা, লখিন্দৰ, পদ্মা, শিৱ আদিৰ চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত আমাৰ কবিয়ে সমাজ জীৱনৰ সৈতে গভীৰ সম্পৰ্ক ৰাখি গভীৰ সহানুভুতি, আন্তৰিকতা আৰু মানৱীয় স্পৰ্শেৰে অংকন কৰিছে।

সেইদৰে পৰিৱেশ বৰ্ণন বা সৃষ্টিৰ প্ৰসংগটো নাৰায়ণদেৱ যে সিদ্ধহস্ত আছিল তাৰ প্ৰমাণ পোৱা যায় মেৰ ঘৰৰ বৰ্ণন, ভুৰৰ বৰ্ণন, চম্পাকলি নগৰৰ বৰ্ণন, গোধাৰ বৰ্ণনা আদিৰ জৰিয়তে।

শোক-দুখ, বিলাপ-কান্দোন আদিৰ বৰ্ণন আমাৰ কবিয়ে ইমান অন্তৰস্পৰ্শী ৰূপত ৰূপায়ণ কৰিছে যে সেই বৰ্ণনাৰাজিক শুনি শ্ৰোতাসকলেও কান্দিবলৈ বাধ্য হয়।

সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*ৰ অন্তৰ্গত দুই এটা সমল বিভিন্ন পুৰাণ উপ-পুৰাণৰ পৰা ল'ব পাৰে, কিন্তু মূল কাহিনী চন্দ্ৰধৰ, সোনেকা, বেউলা, লখিন্দৰ আৰু শিৱ পদ্মাৰ কাহিনী কবিৰ নিজা সৃষ্টি অৰ্থাৎ মৌলিক সৃষ্টি। মৌলিক কাব্য-মহাকাব্য বা পুৰাণ ৰচনাত সুকবি নাৰায়ণদেৱৰ স্থান অনন্য। ৰাগ-তাল সংযোজন কৰি গীত পদৰূপে নাৰায়ণদেৱে পদ্মা-পুৰাণখনি

ৰচনা কৰিছে যাৰ গীত-পদ আজিও ওজাপালিয়ে মনসা পদ্মা পূজাৰ প্ৰসংগত গায় আৰু মাতা আবু বা আইতা ককা, বৌ-নবৌ, দাদা, খুড়ী, বাইদেউ-ভিনদেউ, সকলোৱে ভোক পিয়াই শোৱন-খাৱন পাহৰি সেই গীত পদ শুনে। লোককাব্য বা মহাকাব্যৰ দৰে *পদ্মা-পুৰাণ* পুৰণি হৈও নতুন আৰু নতুন হৈও পুৰণি।

**আত্মমূল্যায়ন প্ৰশ্ন**

পদ্মাপুৰাণত কবিৰ কি কি মৌলিকতা দেখা যায়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................

..................................................................

..................................................................

## ৩.৬ 'পদ্মা-পুৰাণ'ৰ বৈশিষ্ট্য

*পদ্মা-পুৰাণ* সুকবি নাৰায়ণদেৱৰেই অনন্য সৃষ্টিয়েই নহয় অসমীয়া ভাষাৰো এখনি অপূৰ্ব মনসা পদুমাইৰ গীত বা লোক পুৰাণ বা লিখিত পুৰাণ।

সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ* গীত -পদৰ সমষ্টি। প্ৰত্যেকটি গীতেই একো একোটা দিহাযুক্ত আৰু প্ৰতিটো দিহাৰ সৈতে ৰাগ তাল আদিও সংযুক্ত হৈ আছে। এইফালৰ পৰা *পদ্মা-পুৰাণ* ক ৰাগ-তাল প্ৰধান গীত-পদৰ সমষ্টি বুলিব পাৰি। যেনে —

*ৰাগ।। কেদাৰ।। পয়াৰ*

দিহা ঃ *অ কি বেফুলা জাগ অ*<br>
*অ উঠা মোৰ প্ৰিয়া*

পদ ঃ *উঠা উঠা প্ৰিয়া তুমি কত নিদ্ৰা যাস।*<br>
*মোক খাইলা কালিনাগে চকুমেলি চাস।।*<br>
*নহৈলেক মাস পক্ষ দিন অষ্ট চাৰি।*<br>
*কালৰাত্ৰি পদ্মাৱতী তোকে কৈলা বাৰী।।*<br>
*তুমি হেন অভাগিনী নাহি ক্ষিতি তলে।*<br>
*অকালতে ৰাণ্ডি ভৈলি খণ্ড ব্ৰতৰ ফলে।।...*<br>
*সুকবি নাৰায়ণদেৱৰ সৰস পাঞ্চালি।*<br>
*লখাইৰ ক্ৰন্দন বুলি একয় লেচাৰি।।*

পাঁচালী বা পাঞ্চালী সংগীত পঞ্চ অংগ বা সংযুতি বিশিষ্ট। যেনে—

ক) আৰোহন বা আলাপঃ হ - তা - না - স্বা - স্বাতা

খ) গুৰু বন্দনা

গ) পদ বা পুথিৰ পদ

ঘ) ৰাগ-ৰাগিনী আৰু

ঙ) ভণিতা (অৱৰোহণ)

ইয়াৰ বাহিৰেও পাঞ্চালী গীতৰ সাংযুতিক এককবোৰ এনেদৰে দেখুৱাব পাৰি। যেনেঃ দিহা, পদ, দিহাৰ পুনঃ পুনঃ প্ৰয়োগ, সামৰণি বা ভণিতা।

পাঞ্চালী নিৰ্ধাৰিত গঢ়ী  সংগীত। এই নিৰ্ধাৰিত গঢ় বা বাঞ্চা ধৰা ৰীতিৰ সামান্য পৰিবৰ্তন হ'বলৈ নিদিয়াকৈয়ে সুকনানি বা মাৰে গান গোৱা ওজাপালিয়ে এই গীত-পদবোৰ বিভিন্ন ৰাগ আৰু তালত আবৃত্তি কৰে। এই গীতৰাজিৰ সংগীতিক লয় অক্ষুণ্ণ ৰাখিবৰ বাবে ওজা আৰু পালিসকলে দিহা আৰু পদ গোৱাৰ প্ৰসংগত সঘনে আৰে, হে ভাল হে, নাৰে, হে আদি শব্দাংশ বা শব্দ প্ৰয়োগ কৰা হয়।

*পদ্মা-পুৰাণ*-ৰ বিভিন্ন পদত ব্যৱহাৰ হোৱা ৰাগ-ৰাগিনীৰ নামবিলাক উল্লেখ কৰা হ'ল। যেনে —

শ্ৰী, ঝুলনা, মল্লাৰ, ভৈৰৱী, মালগৰা, পটমঞ্জৰী, ধনশ্ৰী, ভাটিয়ালী, নাট, দ্ৰোপদি (?) শ্ৰীবসন্ত, কৈবলু, তুড় বসন্ত, বৈনেতা (?) বসন্ত, কৰুণা ভাটিয়ালি, কামন্দৰ, কেদাৰ পাহাৰি, কৰুণা, কামোদ, অহিৰ, বৰাৰি, ৰামগিৰি, পাসজ আৰু চই। এই ৰাগ-ৰাগিনীৰ লগতে বিভিন্ন কালৰ ব্যৱহাৰো সুকনানি ওজাপালি বা বিষহৰী পদ গোৱা ওজাপালিৰ মাজত লক্ষ্য কৰা যায়।

পদ্মা-পুৰাণ-ৰ বিষয়বস্তুৰ প্ৰতি লক্ষ্য কৰি ক'ব পাৰি যে, এই নিৰ্মিতি বিশেষত কাব্যৰ সংহতি নাই। আছে মহাকাব্য বা পুৰাণৰ বিস্তৃতি। পদ্মা-পুৰাণ পদৰ (Verse) সমষ্টি বুলি নকৈ গীতৰ সমষ্টি বুলি কোৱাহে উচিত। কবিয়ে নিজেই এনেদৰে কৈছে —

ক)   মধুৰ কোমল গিত উদয় প্ৰকাস।

খ)   পদ্মা-পুৰাণৰ গিত কৰিলা প্ৰকাস।

গ)   ৰচিল  পুৰাণ  গিত পদ্মাৰ চৰণে।

মনসা পদ্মাদেৱীৰ সাৰ্বভৌমত্ব স্বীকাৰ আৰু প্ৰতিষ্ঠা কৰাই হ'ল পদ্মা-পুৰাণৰ অন্যতম প্ৰধান উদ্দেশ্য। এই উদ্দেশ্য সাধনত আমাৰ কবিয়ে সৰ্বাধিক গুৰুত্ব দিছে, যদিও আন আন দেৱ-দেৱীৰ গৌৰৱ-গৰিমা ঘোষণাতো আমাৰ কবিয়ে গুৰুত্ব নিদিয়াকৈ থকা নাই। স্বৰূপাৰ্থত সুকবি নাৰায়ণদেৱৰ পদ্মা-পুৰাণ বৈদিক, পৌৰাণিক, লৌকিক আৰু গ্ৰাম্য দেৱ-দেৱীৰ এক তাৎপৰ্য্যপূৰ্ণ সংশ্লেষণ আখ্যা দিব পাৰি। তেনেদৰে বৈদিক, পৌৰাণিক, আৰু লৌকিক আচাৰ অনুষ্ঠানৰ সংহতিত ৰূপৰ প্ৰতিফলক হিচাপেও এই পুৰাণখনৰ উপযোগিতা অস্বীকাৰ কৰিব নোৱাৰি। মধ্যযুগীয় জীৱন আৰু সমাজৰ প্ৰতিবিম্ব স্বৰূপেও গ্ৰন্থখনৰ গুৰুত্ব স্বীকাৰ কৰিবই লাগিব। পুৰাণখনিৰ স্থান বিশেষে নৈদানিক বা জন্মমূলক কাহিনী গীতো পৰিবেশন কৰা হৈছে। নিদৰ্শন স্বৰূপে নাৰিকলৰ জন্ম সম্পৰ্কীয় নৈদানিক কাহিনী গীতটিলৈ আঙুলিয়াব পাৰি যেনে—

*বাজা বোলে সুন মিতা আমাৰ বচন।*  
*কথাত জন্মিল গাচ ফল নাৰিকল।*  
*কালিদহ নাম হেন সুনিচো পুৰাণে।*  
*জাত ঝামপ দিলা হৰি কমল নয়নে।।*  
*কালিক  দমিয়া তেবে আইল নাৰায়ণ*  
*তথাতে জন্মিলা গাচ ফল নাৰিকল।।*  
*বিস্তৰ দুৰত থাকে গাৱে বৰ কাটা।*  
*সিখৰত ধৰে তাৰ ঝোপা ঝোপ গোটা।।*

*পদ্মা-পুৰাণ*-ৰ চৰিত্ৰবোৰ স্থানীয় মাটিৰ গোন্ধেৰে সিক্ত। বৈষ্ণৱ কবিৰ নিৰ্মিতিৰ দৰে পদ্মা-পুৰাণৰ চৰিত্ৰবোৰ আদৰ্শ প্ৰধান নহয় লৌকিক চৰিত্ৰহে। মানৱীয় দুৰ্বলতা, দোষ-ত্ৰুটি আদিৰে এই চৰিত্ৰবোৰ সমৃদ্ধ। পদ্মা-পুৰাণ-ৰ অন্যতম লক্ষ্য দেৱ বা দেৱী মহিমা প্ৰকাশ, কিন্তু

কবিৰ দৃষ্টিভংগী আদৰ্শ প্ৰধান নহয়, লৌকিকহে। পদ্মা বা বিষহৰীক পূজিলে পূজক বা পুজোতা বা ভক্তৰ মোক্ষ লাভ হয় বুলি কবিয়ে কোৱা নাই, বা সেই বিষয়ত গুৰুত্বও দিয়া নাই, বা পদ্মা-পুৰাণ-ৰ ক'তো কোৱা নাই, ধন-জন, পুত্ৰ-কন্যা, সুখ-সম্পদ, ঐশ্বৰ্য্য-বিভূতি আদি লাভ আৰু সৰ্প ভয়, মহামাৰী আদি বিনাশ হয় বুলিহে কৈছে। মুঠতে কবিৰ দৃষ্টিভংগী ঐহিক জগততে সীমিত।

**ৰসসৃষ্টি ঃ**

ভাৰতীয় পৰম্পৰা অনুযায়ী সুকবি নাৰায়ণদেৱে ৰসসৃষ্টিতো বিশেষ গুৰুত্ব প্ৰদান কৰিছে। তেওঁ নিজেই কৈছে যে তেওঁৰ পুৰাণ ৰসোত্তীৰ্ণ গ্ৰন্থ। তেওঁৰ ভাষাত;

ক) সুকবি নাৰায়ণদেৱৰ সৰস পাঞ্চালি।

খ) নাৰায়ণদেৱে কহে সৰস পাঞ্চালি।

গ) সুকবি নাৰায়ণদেৱৰ সুৰস পাঞ্চালি।

কবিৰ এই উক্তিৰাজিৰ পৰা সহজে অনুমান কৰিব পাৰি যে তেওঁৰ কালজয়ী ৰচনা *পদ্মা-পুৰাণ* কাব্যিক গুণ সমৃদ্ধ তথা ৰসোত্তীৰ্ণ গ্ৰন্থ। কবিৰ এই উক্তি আত্মশ্লাঘাৰ বাবে উপস্থাপন কৰা নাই। নিজৰ সৃষ্টিৰ ওপৰত থকা নাৰায়ণদেৱৰ আত্মপ্ৰত্যেয়ৰ বাবেহে উপস্থাপন কৰিছে। সেইহে ৰসসৃষ্টিৰ ক্ষেত্ৰত তেওঁ বিস্ময়কৰ প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। এই দিশত নাৰায়ণদেৱে তেওঁৰ সমসাময়িক কবিসকলকো অতিক্ৰম কৰিছে বুলি ক'লে অত্যুক্তি কৰা ন'হব।

সংস্কৃত আলংকাৰিকসকলৰ মতে কাব্যত শৃংগাৰ, বীৰ আৰু শান্তৰসৰ ভিতৰত যি কোনো এটা ৰস অংগী (প্ৰধান) আৰু বাকী কেইটি ৰস অংগ (অপ্ৰধান বা গৌণ) ৰূপে থাকিব লাগে। আলংকাৰিক বিশ্বনাথৰ মতেঃ শৃংগাৰ বীৰশান্তা নামেকোং গী ৰস ইয্যতে। অংগানি সৰ্বেহপি ৰসাঃ। অৰ্থাৎ কাব্যত, শৃংগাৰ, বীৰ আৰু শান্তৰসৰ যিকোনো এটা ৰস প্ৰধানভাৱে থাকিব লাগিব আৰু তাৰ পুষ্টি সাধনত বাকীবোৰ ৰসে (অৰ্থাৎ অংগৰস) সহায় কৰিব লাগিব।

*পদ্মা-পুৰাণ*ৰ অংগীৰস কৰুণ আৰু এই কৰুণ ৰসৰ পুষ্টি সাধনত শৃংগাৰ, হাস্য, বীৰ আদি ৰসে সহায় কৰিছে। স্বৰূপাৰ্থত এই ভাষা পুৰাণখনিও কৰুণ ৰসৰ গভীৰতাৰ বৈশিষ্ট্যই আন সকলো ৰসকে ম্লান কৰিছে। এই দৃষ্টিভংগীৰ ফালৰ পৰাও কৰুণ ৰসক পদ্মা-পুৰাণ-ৰ অংগীৰস আখ্যা দিব পাৰি। শৃংগাৰ ৰসৰ যে প্ৰাধান্য নাই তেনেও নহয়, কিন্তু সেই শৃংগাৰ ৰসেও পৰিণতি লাভ কৰিছে কৰুণ ৰসত। তেনেদৰে হাস্য-বীৰ আদি ৰসো আৱৰি আছে কৰুণ ৰসৰ গভীৰতাই। এই নিৰ্মিতি বিশেষৰ আৰম্ভণিৰ পৰা অন্তলৈকে লক্ষ্য কৰা যায় কৰুণ ৰসৰ অখণ্ডনীয় প্ৰভাৱ। পদ্মা-পদুমাই বিষহৰী, চন্দ্ৰধৰ, সোনেকা, বেউলা, লখিন্দৰ, সুমিতা আদি বিচিত্ৰ চৰিত্ৰৰ চাৰিত্ৰিক অভিব্যক্তিত কাৰুণ্যৰ গভীৰতা সহজে অনুমেয়। কান্দি কান্দিও ধাৰাসাৰে চকুৰ লোতক পেলাইয়ো দুখ-শোক-বেদনা ৰাজি ধুই নিঃশেষ কৰিব পৰা নাই। মহাকবিৰ ভাষাত-

কৰুণ ৰসেই জীৱন ৰস (Life Pulsation)। প্ৰকৃতাৰ্থত নাৰায়ণদেৱৰ পদ্মা-পুৰাণ কৰুণ ৰসৰ মুৰ্তিমান প্ৰকাশ। কৰুণ ৰসৰ অন্তৰালত বৰ্তমান থাকে ভয় মিশ্ৰিত ভক্তিৰস।

**ছন্দ ঃ**

সুকবি নাৰায়ণদেৱৰ পদ্মা-পুৰাণত ‘পয়াৰ’ আৰু ত্ৰিপদী ছন্দৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি। অৱশ্যে এই প্ৰসংগত তেওঁ ‘পয়াৰ’ আৰু ‘লাচাৰি’ বা ‘লেচাৰি’ এই দুবিধ ছন্দৰেহে নামোল্লেখ কৰিছে। ‘পয়াৰ’ পদটিৰে তেঁও আঠ-ছয় মাত্ৰাৰ দ্বিপদীক ইংগিত কৰিছে। অৱশ্যে মাত্ৰাৰ ক্ষেত্ৰত স্থান বিশেষে ইয়াৰ তাৰতম্যও ঘটিছে। যেনেঃ

*ঢাক দমা সিংগা বেনা। বাযে নৰ সৰে। ৮+৬=১৪*
*জয় বাদ্য বায়ে ডিংগা। কেশত চপায়ে।। ৮+৬=১৪*
এই অক্ষৰ বিন্যাসৰ ব্যতিক্ৰমো লক্ষ্য কৰা যায়। যেনে—
আমাৰ কৰ্ম্মফলে। যুক্তি নভৈল সোমাই। ৭+৮
অবিচাৰে বোলা মোক। জিয়াইতে লখাই।। ৮+৭

লাচাৰি বা লেচাৰি পদে আঠ-আঠ দশ মাত্ৰাৰ দীৰ্ঘ ত্ৰিপদী ছন্দক সূচাইছে। ত্ৰিপদী ছন্দৰ পৰিসীমাই দুলৰি/দুলড়ি ছবি, লেচাৰি আদি ছন্দক ধৰিব পাৰি। কিন্তু নাৰায়ণদেৱে লেচাৰি ছন্দৰ ভিতৰতেই দুলৰি/দুলড়ি, ছবি, লেচাৰি আদি ত্ৰিপদী ছন্দসমূহ সামৰিছে। সাধাৰণতে ওজাপালি আদি পৰম্পৰাগত পৰিবেশ্য কলাৰ গায়কসকলে লেকৰা মাৰি বা লেলেতীয়াকৈ গাব পৰা কৈ ত্ৰিপদী ছন্দত বিৰচিত গীত পদক লেছাৰি কোৰা হয়। লেছাৰি ছন্দৰ প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম চৰণত দহোটাকৈ আৰু তৃতীয় আৰু ষষ্ঠ চৰণত চৈধ্যটাকৈ মাত্ৰা থাকে।

পদ্মা-পুৰাণত ইয়াৰ ব্যতিক্ৰম প্ৰত্যক্ষ কৰিব পাৰি। যেনে—

*পদ্মাৰ আদেশ পায়া বাৰক্ষেত্ৰ আইলা ধায়া। ৮/৯*
*পৰ্ব্বত সমান ৰূপ ধৰি। /১০*
*আনিয়া ভেন্টাইলা নেতা আনিয়া নমাইলা মায়া ৯/৯*
*হৰষিত ভৈলা বিষহৰি।। /১০*

কোনো কোনো প্ৰসংগত পয়াৰ আৰু মিশ্ৰ পংক্তিবদ্ধ ছন্দৰ অৰ্থত লেচাৰি পদটোৰ সৰ্বাধিক প্ৰয়োগ লক্ষ্য কৰা যায়।

**অলংকাৰ ঃ**

নাৰায়ণদেৱৰ পদ্মা-পুৰাণত অনুপ্ৰাস, উপমা, ৰূপক, নিদৰ্শনা, উৎপ্ৰেক্ষা আদি অলংকাৰ সুপ্ৰয়োগ দেখা যায়।

**অনুপ্ৰাস** ঃ যোল্লসত সিসু লৈয়া বনে ৰামে গাই।
**উপমা** ঃ চন্দ্ৰৰ উদয় জেন গগনৰ মাঝে।
**ৰূপক** ঃ দুই বাহুত দংশিম বাচাৰ মোলানৰ ঠাৰি।
**নিদৰ্শনা** ঃ হেন পদ্মাৰতি সমে কোনে কৰে বাদ।
সৃগাল হৈয়া সিংহক জিনিতে কাৰ সাদ।।
**উৎপ্ৰেক্ষা** ঃ বেফুলাৰ ক্ৰন্দনে বৃক্ষৰ পত্ৰ সৰে।
পঠাত ভাঙ্গিয়া জাই মেদনি বিদাৰে।।

প্ৰাকৃতিক শোভা-সৌন্দৰ্য্যৰ প্ৰকাশতো আমাৰ কবিৰ অতুলনীয় বৈশিষ্ট্য লক্ষ্য কৰিব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

পদ্মা-পুৰাণৰ মূল বৈশিষ্ট্য কি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................

..............................................................

..............................................................

## ৩.৭ দেৱী মাহাত্ম্য

মনসা-পদ্মা-বিষহৰীৰ পৰিচয় পৌৰাণিক পৰম্পৰাত এনেদৰে পোৱা যায় —

*আস্তিকস্য মুনির্মাতা বাসুকি ভগিনী সুথা।*
*জৰৎকাৰু মুনিপত্নী বিষহৰী নমোস্তুতে।।*

অৰ্থাৎ (তেওঁ) আস্তিক মুনিৰ মাতা, বাসুকি নাগৰ ভগিনী, জৰৎকাৰু মুনিৰ পত্নী বিষহৰী-পদ্মাৱতীক নমস্কাৰ কৰোঁ।

সংস্কৃত পৰম্পৰা অনুসৰি তেওঁ পদ্মাৱতী মনসা হংস বাহনা আৰু নাগযুক্তা তথা নানা নাগেৰে ভূষিতাঃ

*ওঁ দেৱী মন্মামহীনাং শশধৰ বদনাং চাৰু কান্তিং বদান্যাং।*
*হংসা ৰূঢ়া মুদাৰামৰুণিত বসনাং সৰ্ব্বদাং সৰ্ব্বদৈৱ।।*
*স্মেৰাস্যাং মণ্ডিতাঙ্গীং কনকমণিগনৈৰ্নাগৰত্নৈৰনেকৈ*
*বৰ্বন্দেহহং সাষ্টনাগামুৰুকুচযুগলাং ভোগিনীং কামৰূপাম্।।*

সুকবি নাৰায়ণদেৱৰ পদ্মা-পুৰাণত উল্লেখ কৰা মতে পদ্মাৱতী চাৰিহস্তযুক্তা, ত্ৰিনেত্ৰা, হংস বাহনা, যোগমাতা, হংসৰথ চাৰিনী —

*বন্দোমাতা পদ্মাৱতী আদি দেৱী ভগৱতী*
*অ ব্ৰহ্ম শিৱৰ দুহিতা।*
*শিৱ বীৰ্য্যে অৱতৰী নিজ পুৰ্ণৰূপ ধৰি*
*দেৱ-নাগ-নৰৰ বন্দিতা।।*
*সোম সূৰ্য্য হুতাসন জ্বলে তিনি নয়ন*
*চাৰিবেদে বাহুঁ চাৰিখান।*
*কেজানে তোমাৰ তত্ত্ব তুমি ৰজতম সত্ত্ব*
*অগ্নিসম বস্ত্ৰ পৰিধান।।*
*কুণ্ড নাগে কটি সূত্ৰ চন্দ্ৰ নাগে যজ্ঞ সূত্ৰ*
*সৰ্প ৰাজে মাথাই ধৰে চাটি।।*
*অতৰ্ক মহিমা যত বেদেও নাপাৰে তত্ত্ব*
*যোগমাতা হংসৰথে গতি।*
*ত্ৰিভুবনে বন্দতা ঘণ্টে হয় আৱিৰ্ভূতা*
*কৃপা কৰা অনন্তৰ আই।*
*কায়বাক্য কৰি মনে ভাবি পদ্মাৰ চৰণে*
*বিপ্ৰ জানকি নাথে গায়।।*

সংস্কৃত পৰম্পৰা মতে মনসা-পদ্মাৱতী কাশ্যপ ঋষিৰ মানস কন্যা। অন্যহাতে লোক সমাজত প্ৰচলিত পৰম্পৰামতে দেৱী গৰাকী শিৱ বীৰ্য্যসম্ভূতা, তেওঁ নাগমাতা অম্বিকা, পদ্মাৱতী বিষহৰী, আস্তিকমুনিৰ মাতা, জৰৎকাৰু ঋষিৰ পত্নী, কমলা লক্ষ্মী, সৰাবতী, ধন-জন-পুত্ৰ-ভাৰ্য্যা প্ৰদায়িনী, সুখ-শান্তি আৰু মোক্ষ প্ৰদাতা। আদি নিৰঞ্জন ধৰ্মদেৱতা অৰ্থাৎ শিৱৰ সৈতেও তেওঁৰ সম্বন্ধ ৰক্ষিত হৈ আহিছে। অন্যহাতে শীতলা দেৱীৰ সৈতে অষ্ট কন্যা তেওঁৰ পুত্ৰী।

মনসা শিৱকন্যা। সেই ফালৰ পৰা তেওঁ দেৱী। দেৱী হ'লেও তেওঁৰ চাৰিত্ৰিক অভিব্যক্তিত মানৱীয় সমলৰ অভাৱ নাই। তেওঁৰ অভিব্যক্তিত গুণো আছে আৰু ত্ৰুটিও আছে। হ'লেও তেওঁ মানৱীয় দুৰ্বলতাৰ সীমা অতিক্ৰম কৰিব পৰা নাই।

তেওঁৰ জীৱনো দুখ-শোক-কাৰুণ্যৰ সমষ্টি। তেওঁৰ মাতৃ নাই, অযোনি সম্ভবা। পিতৃ শিৱ ভোলানাথেও মনসাক প্ৰাপ্য মৰম চেনেহখিনি যেন দিব পৰা নাই। সতীয়া চণ্ডীয়ে তেওঁক মৰম চেনেহ কৰিব  ছাৰি হাতৰ খাৰু প্ৰহাৰ কৰি মনসাৰ এটা চকু কণা কৰিছে। আনকি বিবাহিতা স্বামীৰ লগতো এৰাতি সুখেৰে বঞ্চিবলৈ নাপালে।

চান্দোৰ পত্নীয়ে পদ্মাৱতীক আনিলে নিজগৃহলৈ ঝলো-মালোৰ ঘৰৰ পৰা স্বামী পুত্ৰৰ মংগল আৰু কল্যাণৰ বাবে পূজিবলৈ। চণ্ডিকাই সহ্য কৰিব নোৱাৰিলে বৰং চন্দ্ৰধৰক হেমতাল নামৰ দণ্ড প্ৰদান কৰি মনসাৰ ককাল ভাঙিবলৈ নিৰ্দেশ দিলে যাতে মনসাই চম্পকনগৰীত পূজা নাপাই বিফল হৈ ঘুৰি আহিবলৈ বাধ্য হয়।

চণ্ডীৰ প্ৰৰোচনাত চন্দ্ৰধৰে হেমতাল প্ৰহাৰ কৰি মনসাৰ ককাল ভাঙে। সুপ্ত হৈ থকা মনসা ক্ৰোধান্বিতা হৈ উঠিল আৰু শিৱৰ আদেশ লৈ চন্দ্ৰধৰৰ ওপৰত নিৰ্মম প্ৰতিশোধ ল'বলৈ আগবাঢ়ি গ'ল।

শিৱদ্বাৰা প্ৰদত্ত মহাজ্ঞান ছলে-বলে মনসাই চন্দ্ৰধৰৰ পৰা হৰণ কৰে। ইয়াৰ পিছতেই চন্দ্ৰধৰৰ অন্যতম সহায়ক আৰু মনসাৰ ভীষণ আক্ৰমণৰ পৰা পুত্ৰসৰক ৰক্ষাকাৰী দেৱবৈদ্য ধন্বন্তৰিক বধ কৰে। ইয়াৰ পিছত মনসাৰ হাতত চন্দ্ৰধৰে নগুৰ-নাগতি ভোগ কৰিবলৈ বাধ্য হয় যদিও তেওঁ কোনো দিনে মনসাক পূজা নিদিলে।

নেতাৰ পৰামৰ্শমতে মনসাই স্বৰ্গৰ শাহে ৰজাৰ ৰাণী সুমিত্ৰা আৰু চন্দ্ৰধৰৰ পত্নী সোনেকাৰ গৰ্ভত বেউলা আৰু লখিন্দৰ ৰূপে জন্ম দি মনসাই নিজৰ বাদ সাধন কৰে। ইয়াৰ পৰিণতিত শিৱ চণ্ডীপূজক চন্দ্ৰধৰৰ পৰা-উপাসনা লাভ কৰিবলৈ মনসা-পদ্মাৱতী সক্ষম হ'ল। স্বয়ং দেৱী পদোমাই বিষহৰীয়ে চন্দ্ৰধৰক কৈছিল —

*তুমি নুপুজিলে মোক নুপুজে সংসাৰে।*
*তে কাৰণে তোমাত মই কহিলো বিস্তৰে।।*

আনকি চন্দ্ৰধৰেও অৱশেষত বুজিবলৈ বাধ্য হৈছে যে, তেওঁ নিজৰ নিৰ্বোধিতাৰ বাবেই চণ্ডীৰদ্বাৰা কুপথে পৰিচালিত হৈহে মনসাক অপমান কৰি নিজ বৰ্ণনাতীত দুখ-কষ্ট ভোগ কৰিবলৈ বাধ্য হৈছে। তেওঁ নিজেই কৈছে —

*তুমি সমে বাদ কৰো মোৰ বুদ্ধি নাই।*
*আপোনাৰ দোসে পাইলো এতেক বিলাই।।*

ভাৰতীয় দেৱী পৰম্পৰাৰ সুযোগ্যা অধিকাৰিণী মনসাই নিজেই সগৌৰৱে ঘোষণা কৰিছে —

তেওঁতকৈ আন কোনো শ্ৰেষ্ঠ দেৱতা বা দেৱী নাই, জগতত তেওঁৰেই একমাত্ৰ দেৱতা (দেৱী)

*তোৰ হৰগৌৰি দেখা এতেক অৱস্থা।*
*আমি হন্তে বৰ কোন আচয় দেৱতা।।*

**দেৱী মাহাত্ম্য**-তো দেৱীয়ে একে সুৰতেই উদাত্ত ভাৱে ঘোষণা কৰিছিল —

*একৈৱাহং জগত্যত্ৰ দ্বিতীয় বা মমপৰা।*
*পশ্যৈতা দুষ্ট ময়্যেৱ বিশন্ত্যে মদ বিভূতয়ঃ*

অৰ্থাৎ মই অকলেই এই জগতত বিৰাজিতা। মোৰ বাহিৰে আন দ্বিতীয় জন কোন আছে?

*দেৱী মাহাত্ম্য*-ত চণ্ডী-দূৰ্গাৰ মহিমা বা মাহাত্ম্য প্ৰকাশ পোৱাৰ নিচিনাকৈ *পদ্মা-পুৰাণ*-তো দেৱী-পদ্মাৱতীৰ মহিমা প্ৰকাশ পাইছে। সেইফালৰ পৰা *পদ্মা-পুৰাণ*কে দেৱী মাহাত্ম্য আখ্যা দিব পাৰি।

### ৩.৮ লোককাব্য হিচাপে পদ্মা-পুৰাণ

লোককাব্য বা লিখিত কাব্য বা আনুষ্ঠানিক কাব্য বা মহাকাব্য, অথবা পুৰাণ বা মহাপুৰাণ স্বৰূপে দুবিধ অভিজ্ঞাপনৰ মাধ্যমৰ আধাৰত এই নামবোৰ ব্যৱহাৰ কৰা হয়। মুখ পৰম্পৰা বা বাচিক পৰম্পৰাত যিবোৰ গীত-পদ, কাব্য-মহাকাব্য প্ৰচলিত বা প্ৰচলিত আছিল তেনে গীত-পদ, কাব্য-মহাকাব্য বা পুৰাণ-উপপুৰাণ লোক বা মৌখিক বা বাচিক গীত-পদ কাব্য-মহাকাব্য বা পুৰাণ-উপপুৰাণ আখ্যা দিয়া হয়। লিখিত পৰম্পৰা আৰম্ভ হোৱাৰ পূৰ্বে ৰচিত গীত-পদ, কাব্য-মহাকাব্য, পুৰাণ-উপপুৰাণ আদি মৌখিকভাৱেই প্ৰচলিত হৈছিল আৰু লিখিত পৰম্পৰা আৰম্ভ হোৱাৰ লগে লগে সেই বাচিক বা মৌখিক গীত-পদ, পুৰাণ-মহাপুৰাণ আদিয়ে লিখিত ৰূপ লাভ কৰে। বিশ্ববিশ্ৰুত মহাকাব্য **ৰামায়ণ-মহাভাৰত** আদিতে বাচিক কলাই আছিল। পৰবৰ্তী কালতহে বাল্মীকি নামৰ এগৰাকী পণ্ডিত কবিয়ে সেই বাচিক গীত পদসমূহ সংগ্ৰহ কৰি সেইবোৰ ঘন-পিন-বদ্ধ কৰি কাব্য বা মহাকাব্যৰ ৰূপ প্ৰদান কৰে। গতিকে আমি সহজে অনুমান কৰিব পাৰো যে মৌখিক আৰু লিখিত গীত-পদ কাব্য-মহাকাব্যৰ মাজত এটি অনোন্য প্ৰক্ৰিয়া চ লি থাকে। মৌখিক বা বাচিক কলা বা সাহিত্য গৈ যেনেকৈ লিখিত পৰম্পৰাত প্ৰৱেশ কৰে তদ্ৰূপ মৌখিক আৰু বাচিক কলা বা সাহিত্য ৰূপে মৌখিক পৰম্পৰাত প্ৰৱেশ কৰিব পাৰে।

এই প্ৰসংগত এটা কথা মনত ৰাখি থোৱা উচিত যে কেৱল অভিজ্ঞাপনৰ আধাৰতেই কোনো এক সাহিত্য বা ৰচনা নিৰ্মিতিক মৌখিক বা লিখিত আখ্যা দিব নোৱাৰি। *বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰত, গীতা, বাইবেল, কোৰাণ* আদি লিখিত পৰম্পৰা সৃষ্টি হোৱাৰ পূৰ্বে মৌখিক ভাৱেই চলি আছিল। এইবিলাকক মৌখিক বা লোক সৃষ্টি আখ্যা দিব পৰা যাব নে? কেতিয়াও নোৱাৰি।

গতিকে মৌখিক সাহিত্যকেই লোক সাহিত্য বুলিব নোৱাৰি। অন্যহাতে সকলো লিখিত সাহিত্যকেই শাস্ত্ৰীয় বা ক্লাছিকেল সাহিত্য বুলিবও নোৱাৰি। খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ শেষাংশ বা খ্ৰীঃ চৰ্তুদশ শতিকাৰ আদ্যাংশৰ কবি মাধৱ কন্দলীয়ে বাল্মীকিৰ ৰামায়ণ অনুবাদ কৰাৰ প্ৰসংগত কৈছিল —

*কবি সব নিৰন্ধয় লোক ব্যৱহাৰে।*
*কতো নিজ কতো লম্ভা কথা অনুসাৰে।।*
*দেৱবাণী নোহে ইটো লৌকিকহে কথা।*
*এতেকে ইহাৰ দোষে নলৈবা সৰ্ব্বথা।।*

ইয়াৰ অৰ্থ হল *ৰামায়ণ*-ত তেওঁ যি লিখিছে ই দৈৱ বা দেৱবাণী অৰ্থাৎ শাস্ত্ৰীয় বাণী নহয়, সৰ্বজনে অৰ্থাৎ লোকসাধাৰণে বুজিব পৰা বা বুজিবলৈ সক্ষম বিষয় বা কথাহে (লোককথা)। লোক ব্যৱহাৰৰ অৰ্থ হৈছে সৰ্বসাধাৰণ বা জনসাধাৰণৰ কৃষ্টি-সংস্কৃতিৰ আধাৰতেই কবিসকলে কাব্য প্ৰণয়ন কৰে।

কন্দলীয়ে আৰু কৈছে যে তেওঁ ৰামায়ণ ৰচনা অৰ্থাৎ অনুবাদ কৰিছে সৰ্ব্বজন বোধে অৰ্থাৎ সৰ্বজনৰ অনুভৱ ক্ষমতাৰ প্ৰতি লক্ষ্য ৰাখি। কবিৰ ভাষাত —

*কবিৰাজ কন্দলীয়ে আমাকেসে বুলিৱয়*
*কৰিলোহো সৰ্ব্বজন বোধে।*

এনেদৰে নৱ বৈষ্ণৱ যুগৰ আন এগৰাকী বিশিষ্ট সন্ত কবি চন্দ্ৰভাৰতী ওৰফে অনন্ত কন্দলীয়ে কৈছিল।

*শ্লোক সংস্কৃতে আমি লিখিবাক ভাল জানি*
*তথাপি কৰিবো পদ বন্ধ।*
*স্ত্ৰী-শূদ্ৰ আদি যত জানোক পৰম তত্ত্ব*
*শ্ৰৱণত মিলয় আনন্দ।।*

অৰ্থাৎ তেওঁ সংস্কৃতত শ্লোক ৰচনা কৰিব পাৰে তথাপি তেওঁ সৰ্বজনৰ ভাষাত (লোক ভাষাত) হে পদ ৰচনা কৰিব যাতে অনাখৰি বা পঢ়-শুনা নকৰা মহিলা বা তিৰোতাসকল আৰু শূদ্ৰসকলে (ব্ৰাহ্মণ-ক্ষত্ৰিয়-বৈশ্যৰ বাহিৰে) কৃষ্ণ-বিষ্ণুৰ লীলা-মালাৰ বৰ্ণন শ্ৰৱণ কীৰ্ত্তন কৰি পৰম আনন্দ লাভ কৰিব পাৰে।

সন্তকবি শংকৰদেৱ, মাধৱদেৱ, ৰামসৰস্বতী আদি সন্ত কবিসকলেও তেঁওলোকৰ ৰচনাত লোকজীৱনৰ প্ৰতি সততে দৃষ্টি ৰাখিছিল আৰু সেই বাবেই পৌৰাণিক আখ্যান উপাখ্যান আদিৰ মাজতো সুৰুঙা পালেই লোকব্যবহাৰ অৰ্থাৎ লোক হাৰ-ভাৰ প্ৰকাশ কৰিছিল বা সংমিশ্ৰণ কৰিছিল।

অৱশ্যে মাধৱ কন্দলী, শংকৰদেৱ, মাধৱ কন্দলী, অনন্ত কন্দলী, ৰাম সৰস্বতী আদি কবি সকলে তেওঁলোকৰ ৰচনাৰ বিষয়বস্তু গ্ৰহণ কৰিছিল সংস্কৃত মূলৰ পৰা আৰু সেই সংস্কৃত মূলৰ বিষয়বস্তুক কাব্য ৰূপ দিয়া প্ৰসংগত তেওঁলোকে সমসাময়িক লোকসমাজত প্ৰচলিত ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ প্ৰতি সচেতন হৈ কাহিনী, চৰিত্ৰ, পৰিৱেশ আদি নিৰ্মাণত গুৰুত্ব দিছিল আৰু এইদৰে তেওঁলোকৰ ৰচনা ৰাজি লোক কাব্য বা গণ কাব্যৰ ওচৰ চাপিছিল। কবিসকলে এনে ৰীতি মানি চলাৰ উদ্দেশ্য আছিল লোকচিত্ত আৰু ৰুচিৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি সাহিত্য ৰচনা কৰা আৰু তাৰ জৰিয়তে জন-গণ-মনক শিক্ষিত কৰি তোলা। পুৰণি অসমীয়া কবিসকলে লোকশিক্ষাৰ প্ৰতি সচেতন হৈহে কাব্যাদি প্ৰণয়ন কৰিছিল। গতিকে আমাৰ পুৰণি অসমীয়া সাহিত্য স্বৰূপাৰ্থত লোকসাহিত্যই।

সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ* আৰু মাধৱকন্দলী, শংকৰদেৱ, ৰামসৰস্বতী আদি কবিসকলৰ ৰচনাৰ মাজত লোকসমল সংমিশ্ৰণৰ মাজত বা উদ্দেশ্যৰ ক্ষেত্ৰত মিল থাকিলেও এই কথ্যত মিল নাই। এই অমিলৰ কাৰণটি হৈছে সুকবি নাৰায়ণদেৱ (দুৰ্গাবৰ, মনবৰ) ভিন্ন কবিসকলৰ ৰচনাৰ মূল সংস্কৃত গ্ৰন্থ। অন্যহাতে নাৰায়ণদেৱৰ ৰচনাৰ মূল কোনো সংস্কৃত গ্ৰন্থ বা পৰম্পৰাৰ পৰা আবৃত নহয়। লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত চন্দ্ৰধৰ, বেউলা লখিন্দৰ উপাখ্যানটিক নাৰায়ণদেৱে লিখিত ৰূপ প্ৰদান কৰিছে আৰু ইয়াৰ লগত মিশ্ৰণ দিছে পৌৰাণিক কথাবৃতত প্ৰচলিত শিৱ-মনসা সম্পৰ্কীয় আখ্যান।

*পদ্মা-পুৰাণ*-ৰ কথাবস্তু, চৰিত্ৰ, পৰিৱেশ আদিৰ ৰচনা বা নিৰ্মাণত লোক সমাজৰ প্ৰতি সততে দৃষ্টি ৰখা হৈছে তাত সন্দেহ নাই। লিখিত কাব্যৰাজি পুৰাণৰ সমলো ইয়াত আছে। নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*ক এপিক অৱ আৰ্ট বুলি নকৈ এপিক অৱ গ্ৰৌথ বুলি কোৱাই সমীচীন হ'ব।

লোকসমাজত *পদ্মা-পুৰাণ* অতিকে প্ৰিয়। লোকজনৰ প্ৰিয় সাহিত্য সৃষ্টি হোৱা বাবেই এই ভাষা পুৰাণখনিক লোককাব্য বোলা হয়, যদিও ইয়াত লোক কাব্য বা মহাকাব্যৰ বান্ধোন নাই, আছে লোকপুৰাণৰ বিস্তৃতি বা ব্যাপক পৰিসৰ।

## ৩.৯ সামাজিক চিত্ৰ

*পদ্মা-পুৰাণ* অতিকে জনপ্ৰিয় সাহিত্য নিৰ্মিতি। এই নিৰ্মিতি বিশেষৰ ৰচনা কৰা হৈছিল সমাজ জীৱনৰ পটভূমিত। গতিকে এই পুৰাণখনত তদানীন্তন সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা স্বাভাৱিক কথা।

নৱবৈষ্ণৱ সাহিত্য আদৰ্শ প্ৰদান আৰু অনুবাদমূলক হোৱা বাবে সমসাময়িক সমাজ জীৱনৰ সাংগোপাংগ বৰ্ণন পোৱা টান। দ্বিতীয়তে বৈষ্ণৱ কবিসকলে সমাজ চেতনাৰ তুলনাত ধৰ্মীয় চেতনা অধিক গুৰুত্ব দিয়া দেখা যায়। গতিকে অসমৰ বৈষ্ণৱ বা নৱবৈষ্ণৱ সাহিত্যত সমাজ-জীৱনৰ চিত্ৰ প্ৰতিফলিত নোহোৱাই স্বাভাৱিক। কিন্তু এই ক্ষেত্ৰত মনত ৰখা উচিত হ'ব যে, ধৰ্মীয় চেতনা সমাজ চেতনাৰ অংশ বিশেষহে, যিহেতু ধৰ্মীয় চেতনা সামাজিক চেতনা মাথোন। এইফালৰ পৰা ধৰ্মীয় চেতনাৰে উদ্বুদ্ধ হৈ বৈষ্ণৱ কবিসকলে ৰচনা কৰা সাহিত্য নিৰ্মিতিতো সামাজিক চেতনাই স্থান পোৱা স্বাভাৱিক। অৱশ্যে নৱবৈষ্ণৱ কবিসকলৰ সাহিত্য নিৰ্মিতিত ধৰ্মীয় চেতনাৰ পটভূমিতহে সামাজিক চেতনাই স্থান লাভ কৰিছে।

লোকায়ত সমাজত ওজাপালি গায়ক-গীতাল-আদি মুখ পৰম্পৰা প্ৰচলিত মনসা কথা বৃত্তৰ আধাৰত নাৰায়ণদেৱে পদ্মা-পুৰাণ ৰচনা কৰিছে। দ্বিতীয়তে, নাৰায়ণদেৱে আদৰ্শাত্মক দৃষ্টিভংগীৰ দ্বাৰা প্ৰণোদিত হৈ তেওঁৰ ভাষা পুৰাণখন ৰচনা কৰা নাছিল, লৌকিক মহাকাব্য বা পুৰাণ ৰূপেহে ৰচনা কৰিছে। গতিকে *পদ্মা-পুৰাণ*-ত সমসাময়িক সমাজৰ বিশেষকৈ লোকায়ত সমাজখনৰ প্ৰতিবিম্ব প্ৰতিফলিত হোৱা স্বাভাৱিক।

*পদ্মা-পুৰাণ*-ত মধ্যযুগীয় অসমীয়া সমাজৰ প্ৰতিফলন পোৱা যায়। কবিয়ে বোধ কৰোঁ কোচ নৃপতিসৱৰ ৰাজত্বকালীন পশ্চিম অসমৰ সমাজ জীৱনত চকু ৰাখিছিল। ইয়াৰ প্ৰমাণ পোৱা যায় তলৰ উদ্ধৃতিটিৰ পৰা। যেনে—

*কালি উঠিয়া জাইবো কোচৰ নগৰে।*
*ভিক্ষা কৰি জত পাএ আনি দিবো তোৰে।।*

দ্বিতীয়তে কোচৰাজ্যৰ পশ্চিম সীমান্তত প্ৰৱৰ্তিত মুছলমান ৰজাৰ ৰাজত্বৰ উল্লেখো *পদ্মা-পুৰাণ*-ত একাধিকবাৰ পোৱা যায়। যেনে—

*হাসন-হুসন তোমাৰ সিদেসত বৈৰি।*
*নাজানি দেসত কিবা ভৈল ডকা চুৰি।।*

কোচৰাজ্যৰ পশ্চিমফালে আছিল কিৰাত ৰাজ্য (কছাৰী, চুটিয়া ইত্যাদি) ৰাজ্য। ইয়াৰ আভাসো *পদ্মা-পুৰাণ*-ত এনেদৰে পোৱা যায়। যেনে—

*পশ্চিম দেসত আৰ কিৰাট নগৰি।*

*পদ্মা-পুৰাণ*-ত যৌথ পৰিয়ালৰ পৰিচয় পোৱা যায়। চন্দ্ৰধৰ যৌথ পৰিয়ালৰ মুৰব্বী, তেওঁৰ নিৰ্দেশত পৰিয়ালটোৰ বাকী পৰিয়াল চলে। ময়ধৰ, লেঙা, সোনেকা, লখিন্দৰ আদি পৰিয়ালৰ সদস্যসকলে চন্দ্ৰধৰৰ ওচৰত মূৰ তুলি এষাৰো কথা ক'বলৈ যেন শক্তি নাই।

চন্দ্ৰধৰ সামন্তযুগীয় শাসক হ'লেও তেওঁৰ শাসন যন্ত্ৰত মন্ত্ৰণাদিৰে সহায় কৰিবলৈ সত্তৰজন পাত্ৰ মন্ত্ৰী আছিল। পাত্ৰসকলৰ লগত 'দেৱান' পাতি চন্দ্ৰধৰে ৰাজকাৰ্য্য সম্পন্ন কৰিছিল। বিদেশলৈ বেপাৰ কৰিবলৈ যাত্ৰা কৰাৰ পূৰ্বে তেওঁ পাত্ৰসকলৰ পৰা অনুমোদন বিচাৰিছিল। মাজে মাজে তেওঁ ৰাজ পুৰোহিতৰ লগতো মন্ত্ৰণা কৰিছিল। চন্দ্ৰধৰ যে স্বেচ্ছাচাৰী ৰজা নাছিল তাৰ আভাস ইয়াৰ পৰা পাব পাৰি। পৰম্পৰাগত সমাজত ৰাইজৰ কথাই কথা-তাত ৰজা-মন্ত্ৰীৰো কথা নচলে। স্বেচ্ছাচাৰী ৰজা-মন্ত্ৰীৰ সিদ্ধান্তৰ বিৰুদ্ধে ৰাইজে মাত মাতিব পাৰে।। ইয়াৰ আভাস পোৱা যায় পদ্মাৱতী দেৱীক পূজা কৰিবলৈ চন্দ্ৰধৰ অমান্তি হোৱাত তেওঁৰ বংশধৰ এজনে নিসংকোচভাৱে বেউলাৰ শহুৰেক চান্দো সদাগৰক বধ কৰিবলৈ উদ্যত হৈছে। অৱশেষত ভীতিবিহ্বল হৈ চন্দ্ৰধৰে ৰাইজৰ মতেই মত বুলি মনসাক পূজিবলৈ সন্মতি প্ৰকাশ কৰিছে।

নাৰায়ণদেৱৰ সমসাময়িক সমাজখনৰ অৰ্থনৈতিক দিশটি সন্তোষজনক আছিল বুলিব পাৰি। সেইসময়ৰ বেহা বেপাৰৰ সামগ্ৰীবোৰ আছিল মাটিমাহ, কলামাহ, আদা, হালধিৰ গুড়ি, হাড়ী (beer) তিসি, তিল তৈল, ঘৃত, গাৰোৰ ছাগল, সিদল-সুকুটি, তুলি, ডুনি পাটশাৰী, কল, গুৱাপান, নাৰিকল, কামসিন্দুৰ, ত্ৰীফল ইত্যাদি। সেইসময়ত জন্তুৰ বদলা বদলি প্ৰথা চলিছিল।

দুখীয়া মানুহে খৰি বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰিছিল। শৈক্ষিক দিশটো সমাজখন পিছ পৰা নাছিল। নাৰায়ণদেৱৰ সময়ত শৈৱ ধৰ্মৰ প্ৰভাৱ অত্যন্ত প্ৰবল আছিল। ইয়াৰ বাহিৰেও আন আন দেৱ-দেৱীৰ পূজা অৰ্চনাও চলিছিল।তদানীন্তন সমাজত বিশেষকৈ লোকায়ত সমাজত নানা বিধ গীত-পদৰ মুখ পৰম্পৰা প্ৰচলিত হৈছিল।

সেইদৰে জীৱন-বৃত্তৰ সৈতে জড়িত বিভিন্ন কৃত্যাদিও পালিত হৈছিল। খেল-ধেমালি আৰু অৱসৰ বিনোদনৰ ভিতৰত জুৱা, পাশাখেল আদিৰ প্ৰচলন আছিল। জুৱাখেল খেলি সৰ্বস্বান্ত হোৱাৰ উদাহৰণে পদ্মা-পুৰাণ-ত পোৱা যায়। ঔষধ স্বৰূপে তদানীন্তন সমাজতো বনৌষধি আৰু মন্ত্ৰ প্ৰয়োগ কৰা হৈছিল।

সমাজৰ বিভিন্ন স্তৰত গালি-শপনিৰ প্ৰচলন আছিল। গালি-শপনিৰ ভিতৰত কানী, ধেমনা,ভতাৰী, পাপিষ্ঠ , চাৰ, চাৰী, দুচাৰিণী, পাপী, টেন্টন, আবুধিয়া, ধাউৰী, বেশ্যা, কুটনী আদি উল্লেখযোগ্য।

যাত্ৰা, মংগলামংগল, জ্যোতিষ, স্বপ্ন আদি বিভিন্ন বিশ্বাসৰ প্ৰচলন আছিল। যাত্ৰাপথত মালী, তেলী, সোঁপাশে সৰ্প, বাওঁফালে শগুন আদি লগ পোৱাটো অশুভজনক বুলি ভবা হৈছিল। মহিলা, বিধৱা আদিৰ লগত বিবিধ বিশ্বাস সমাজত প্ৰচলিত আছিল। নাৰায়ণদেৱৰ সময়ত পুৰুষৰ তুলনাত নাৰীৰ প্ৰতি কঠোৰ মনোভাৱ পোষণ কৰা হৈছিল যদিও সামাজিক দিশৰ ফালৰ পৰা পুৰুষ আৰু নাৰীৰ মাজত বিশেষ পাৰ্থক্য নাছিল, বিশেষকৈ সামাজিক মূল্যবোধৰ ক্ষেত্ৰত।

সেইসময়ত পাপ-পুণ্যৰ বিচাৰত বিশেষভাৱে গুৰুত্ব দিয়া হৈছিল। ধন-ৰত্ন, চুৰি কৰা, নৰ হত্যা, গোবধ, ব্ৰহ্মবধ, স্ত্ৰীবধআদি মহাপাপ ৰূপে বিবেচিত হৈছিল। সেইসময়ত শপত দিয়া, কিৰা কঢ়া আদিৰো প্ৰচলন আছিল।

নাৰায়ণদেৱৰ সময়ত প্ৰচলিত সামাজিক সম্বন্ধবোৰ এনেধৰণৰ আছিলঃ আই, পিতা, স্বামী, স্ত্ৰী, পুত্ৰ, বোৱাৰী, সআই, (মাহী) মা, শহুৰ, শাহু, ভাসুৰ, জা, ননদ, দেওৰ মামী, ভতিজা ইত্যাদি।

নাৰায়ণদেৱৰ সমসাময়িক সমাজত যান-বাহনৰ মাধ্যম আছিল নাও, হাতী, দোলা, চৌদোলা,ভেল, ভুৰ আদি।

সেই সময়ত ব্যৱহাৰ কৰা ৰাজকীয় বা প্ৰশাসনীয় বিভিন্ন সংযুক্তি প্ৰকাশক শব্দবোৰৰ ভিতৰত অভিষেক, ৰজা, ৰাণী, পাত্ৰ, মন্ত্ৰী, ভৰ্ত্ত, প্ৰজা, ৰাজ্য, সভা, সমাজ, উজিৰ, নাজিৰ, পালি-প্ৰহৰী, দূত-চন্তৰী আদিয়েই উল্লেখযোগ্য।

*পদ্মা-পুৰাণ*-ত উল্লেখ থকা অস্ত্ৰ-শস্ত্ৰ বিষয়ক শব্দাৱলীৰ ভিতৰত চক্ৰ, গদা, হেমতাল, বাণ, নাগপাশ, বিষবান, ঢাল, নাগৰা, খাণ্ডা, যাঠি, ডাং, বাৰি, শূল, ত্ৰিশূল আদিৰ নাম ল'ব পাৰি।

যুদ্ধ বিষয়ক শব্দ বাহুযুদ্ধ, কিলাকিলি, চৰ, ভুকু, লাঠি, চাপৰ, ঘাৰত ধৰা, চুলিত ধৰা, গালত চৰ মৰা, মুচৰি মূৰ ছিঙা, কামোৰা কামুৰি আদিৰ শব্দৰ প্ৰয়োগ পদ্মা-পুৰাণ-ত পোৱা যায়।

অসমীয়া সমাজত পৰিচিত কিছুমান চৰাই  চিৰিকতিৰ নামো নাৰায়ণদেৱৰ নিৰ্মিতি বিশেষত পোৱা যায়। হংস (হাঁহ), কাক, ময়ূৰ, কোকিল, গৃহিনী, কুকুৰা, ফেঁচা, কপুতৰ আদি। সেইদৰে এই পুৰাণখনিত  উল্লেখ কৰা সৰহভাগ জীৱজন্তুৱেই অসমৰ প্ৰকৃতিৰেই যেনেঃ বৃষভ, ছাগ, ভেৰা, মহিষ, সিংহ, ব্যাঘ্ৰ, শৃগাল, হাতী, গৰু, ঘোঁৰা, বিৰাল, বৰা, বলধ, ঐৰাৱত, হৰিণ,কালসাৰ (কৃষ্ণসাৰ), শহা আদিয়েই উল্লেখযোগ্য। পোক-পৰুৱা, কীট পতংগৰ ভিতৰত ভ্ৰমৰ, মধুকৰ, জোক, ধৰিয়া, ইন্দুৰ, দাহ, মহ, মাখি, পিপৰা আদি উল্লেখযোগ্য।

তদানীন্তন সমাজত-প্ৰচলিত সংগীত শৈলীৰ বিষয়েও *পদ্মা-পুৰাণে* সম্যকভাৱে আভাস দিব পাৰে। গীত-নৃত্য-বাদ্যৰ সমাজত ধৰ্মীয় অনুষংগ আৰু ধৰ্মনিৰপেক্ষ অনুসংগত দেখা গৈছিল। বাদ্যযন্ত্ৰৰ ভিতৰত টোকাৰী, বেনা, ৰামবেণা, মৃদঙ্গ, ঢাক, ঢোল, খোল,ডগৰ, দুন্দুভি,ডমা, তাল,নেপুৰ, ঘাপৰ, শংখ, বাশী, শিংগা, কালি আদিয়েই উল্লেখযোগ্য। সেইসময়ত পাঞ্চালী গীতৰ প্ৰচলন আছিল। নৃত্য- নাচৰ ভিতৰত নটুৱা-নাচ, নটী-নাচ, দেৱদাসী-নাচ, দেওধনী-নাচ (নটী নাচ), নৰ্ত্তকী নাচন, বাগন, ইত্যাদিৰ প্ৰচলন আছিল।

নাৰায়ণদেৱে তেওঁৰ বিশিষ্ট সাহিত্য নিৰ্মিতি *পদ্মা-পুৰাণ*-ত মধ্যযুগীয় লোকায়ত পৰিৱেশ ৰচনা কৰিবৰ বাবে সেই সময়ৰ কথিত ভাষাৰ বিভিন্ন ৰূপ প্ৰয়োগ কৰিছে। এই প্ৰসংগত নাৰায়ণদেৱে তেওঁৰ পুৰাণখনিত প্ৰয়োগ কৰা পৰম্পৰাগত যোজনা-পটন্তৰ, ঘৰুৱা ভাব-ব্যঞ্জনা আদিয়েও সেই সময়ৰ পৰিবেশ ৰচনাত সহায় কৰিছে বিস্ময়কৰভাৱে।

**আত্মমূল্যায়ন প্ৰশ্ন**

পদ্মা-পুৰাণত অসমৰ কোনটো অঞ্চলৰ সামাজিক জীৱন পৰিস্ফুত হৈছে? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................
.......................................................................................
.......................................................................................
.......................................................................................
.......................................................................................

## ৩.১০ সাৰাংশ (Summing Up)

পণ্ডিতসকলৰ অনুমান যে সৰ্প পূজাৰ উন্নতৰ অভিব্যক্তিয়েই মনসা বা পদ্মা দেৱী। সৰ্প-পূজাৰ পৰম্পৰা কম বেছি পৰিমাণে পৃথিৱীৰ সৰ্বত্ৰতে বিৰাজমান। ভাৰতবৰ্ষত প্ৰচলিত সৰ্প-পূজা কেইটিমান ভাগত বিভক্ত। যেনেঃ জীৱন্ত সৰ্প পূজা, সৰ্পাৱলি কৃত্য, নাগমূৰ্তিত পূজা আৰু নৰ ৰূপত পূজা। সময়ৰ অগ্ৰগতিত নৰ ৰূপত কৰা সৰ্প পূজাই মনসা পূজাত পৰিণতি লাভ কৰে। মনসা দেৱীয়ে পদ্মা, বিষহৰী, ব্ৰহ্মানী আদি ৰূপত পৰিচিত। অসমৰ পাতি ৰাভাসকলৰ মতে মনসা সৰ্প দেৱী নহয়, তেওঁ অনাদি গোসাইৰ নিশ্বাসৰ পৰা জন্ম লাভ কৰা এগৰাকী দেৱী।

কোনো কোনো পণ্ডিতৰ মতে মনসাৰ উদ্ভৱ সৰ্পৰ পৰা হোৱা নাই, তেওঁৰ জন্ম হৈছে মনৰ পৰা। মনৰপৰা যাৰ জন্ম তেঁৱেই মনসা। ব্ৰহ্মকৈৱৰ্ত-পুৰাণ, দেৱীভাগৱত আদিৰ মতে মনসা কশ্যপ ঋষিৰ মানস কন্যা। সুকবি নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*-ৰ মতে মনসা-অযোনি সম্ভৱা, তেওঁ শিৱৰ মানস কন্যা। মনসা বা বিষহৰী পূজাৰ বিধি বা হাতপুথি বা পথপ্ৰদৰ্শক পুথি অথবা দলিল স্বৰূপে ভূমিকা গ্ৰহণ কৰি অহা মনসা বিষয়ক গ্ৰন্থৰাজিৰ ভিতৰত উত্তম গ্ৰন্থ হৈছে পদ্মা-পুৰাণ। *পদ্মা-পুৰাণ*-ৰ ৰচয়িতা কবি গৰাকীৰ নাম নাৰায়ণদেৱ। নাৰায়ণদেৱৰ স্থান, কাল আদিলৈ নানা মুনিৰ নানা মত। অসমৰ সৰহ সংখ্যক পণ্ডিতৰ মতে মনসা দেৱী কামৰূপ-কমতাৰ কবি। খুব সম্ভৱ তেওঁ বিশ্বসিংহৰ ৰাজত্ব কালৰ কবি বা তাৰ আগৰো হ'ব পাৰে।

*পদ্মা-পুৰাণ*-ৰ বিষয়বস্তু প্ৰধানভাৱে দুটা ভাগত ভাগ কৰিব পাৰিঃ উজনি খণ্ড আৰু ভাটিয়ালী খণ্ড। আৰম্ভণিৰ পৰা পদ্মাৰ দ্বাৰা কালিনাগ অনাৰ উপায় উদ্ভাৱন কৰা লৈকে এই অংশক ভাটিয়ালী খণ্ড বোলে। ফুল শয্যাৰ নিশা কালিৰ দ্বাৰা লখিন্দৰক দংশন, মৃত স্বামীক লৈ ভুৰত তুলি বেউলাৰ দেৱপুৰী যাত্ৰা, শিৱ-মহাদেৱৰ কৃপাত মনসা-পদ্মাৰ দ্বাৰা লখিন্দৰৰ পুনঃজীৱন, চন্দ্ৰধৰৰ কাণ্ডাৰী বাইচাৰ সৈতে চৈধ্য ডিঙ্গা উত্তোলন, চন্দ্ৰ সদাগৰৰ দ্বাৰা মনসা-পূজা, বেউলা-লখিন্দৰৰ স্বৰ্গ যাত্ৰা আদিৰ বিস্তৃত আৰু কবিত্বময় বৰ্ণনা পুৰাণখনত পোৱা যায়।

*পদ্মা-পুৰাণ* বাচিক পুৰাণ। সুকবি নাৰায়ণদেৱে সেই বাচিক পুৰাণখনিক লিখিত ৰূপ প্ৰদান কৰে। পুৰাণখনৰ অন্তৰ্ভুক্ত কিছুমান বিষয় সংস্কৃত *ৰামায়ণ, মহাভাৰত,* পুৰাণ আদিৰ পৰা লোৱা হৈছে। পুৰাণখনৰ ঘটনা বিন্যাস, চৰিত্ৰ অংকন, পৰিৱেশ ৰচনা আদিত নাৰায়ণদেৱে বিস্ময়কৰ প্ৰতিভা দেখুৱাবলৈ সক্ষম হৈছে। *পদ্মা-পুৰাণ*-ত কাব্য-মহাকাব্যৰ ঐক্য নাই, আছে পুৰাণৰ বিস্তৃতি। *পদ্মা-পুৰাণ* প্ৰকৃতাৰ্থত ৰাগ-ৰাগিনী আৰু তালযুক্ত ঘটনা আৰু চৰিত্ৰ বিন্যাসক গীতৰ সমষ্টি, যি গীতখিনি পাঞ্চালী গীত ৰূপে পৰিচিত। এই পুৰাণখন কৰুণ ৰসৰ মূৰ্তিমান প্ৰকাশ। সমাজ জীৱনৰ বিভিন্ন আচৰণৰ প্ৰতিফলন পুৰাণখনত দেখা যায়। *পদ্মা-পুৰাণ* ক বাচিক বা লোক পুৰাণো বুলিব পাৰি, লিখিত পুৰাণো আখ্যা দিব পাৰি।

## ৩.১১ আৰ্হি প্ৰশ্ন (Sample Questions)

১। সৰ্প পূজাৰ ইতিহাস দিবলৈ যত্ন কৰক।

২। সৰ্পপূজাৰ উন্নতৰ ৰূপেই মনসা পূজা-খণ্ডন বা মণ্ডন কৰক।

৩। মনসাক শিৱৰ মানস কন্যা বোলাৰ কাৰণ কি?

৪। কশ্যপ ঋষিৰ মানস কন্যা বুলি মনসাক কিয় কোৱা হয়? কথাষাৰ বহলাই আলোচনা কৰা।

৫। অসমীয়া *পদ্মা-পুৰাণ* আৰু সংস্কৃত *পদ্মা-পুৰাণ* একেনে বেলেগ? যদি একে তেনে হ'লে এখনকে কিয় পদ্মা-পুৰাণ আখ্যা দিলে আৰু আনখনক কিয় *পদ্মা-পুৰাণ* আখ্যা দিছে? বহলাই লিখক।

৬। *পদ্মা-পুৰাণ*ৰ সাংগীতিক বৈশিষ্ট্যৰ বিষয়ে উদাহৰণসহ আলোচনা কৰক।

৭। পাঞ্চালী বা পাঁচালী সংগীত কাক বোলে? সুকবি নাৰায়ণদেৱৰ পদ্মা-পুৰাণখনিক পাঞ্চালী গীত আখ্যা দিব পাৰিনে নোৱাৰি বুজাই লিখক।

৮। *পদ্মা-পুৰাণ*-ৰ ৰস আৰু ছন্দ সম্বন্ধে এটি বিশ্লেষণাত্মক প্ৰশ্ন ৰচনা কৰক।

৯। পদ্মা-পুৰাণত কাব্য মহাকাব্যৰ ঐক্য নাই, আছে পুৰাণৰ বিচিত্ৰতা।

১০। পদ্মা-পুৰাণৰ নান্দনিক সৌন্দৰ্য্যৰ বিষয়ে এটি বৰ্ণনা দিয়ক।

১১। পদ্মাৱতীৰ বিভিন্ন নামৰ তাৎপৰ্য বিচৰা কৰক।

১২। বেউলা চৰিত্ৰৰ ৰূপৰেখা অংকন কৰিবলৈ প্ৰয়াস কৰক।

১৩। "পদ্মা-পুৰাণ কৰুণ ৰসৰ পূৰ্ণ অভিব্যক্তি।" উদাহৰণেৰে সৈতে আলোচনা কৰক।

১৪। ট্ৰেজিক নায়কৰ বৈশিষ্ট্যৰে সমুজ্জ্বল চন্দ্ৰধৰ চৰিত্ৰটিৰ শেষ পৰিণতি সম্পৰ্কে আলোচনা কৰক।

১৫। নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*-ত স্থান পোৱা চৰিত্ৰসমূহ মানবীয় স্পৰ্শৰে উজ্জ্বল— কথাষাৰ ব্যাখ্যা কৰক।

১৬। কবিয়ে *পদ্মা-পুৰাণ*-ৰ গীতসমূহ মধুৰ কোমল বুলি কোৱাৰ কাৰণ কি বুজাই লিখক।

১৭। *পদ্মা-পুৰাণ*ত পদ্মা-দেৱীৰ মাহাত্ম্য কিদৰে প্ৰকাশ পাইছে উদাহৰণেৰে সৈতে বুজাই লিখক।

১৮। *পদ্মা-পুৰাণ*ত কৰুণ ৰসেই জীৱন ৰসৰ (Life Pulsation) যুক্তিসহ বিচাৰ কৰক।

১৯। ভাৰতীয় সতী-সাধ্বী নাৰীৰ নিদৰ্শন বেউলা চৰিত্ৰটি। আলোচনা কৰক।

২০। সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' খনিক 'মনসা পদুমাই' গীত আখ্যা দিব পাৰিনে নোৱাৰি ব্যাখ্যা কৰক।

## ৩.১২ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


**অসমীয়া ঃ**

বাণীকান্ত কাকতি ঃ *পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা*
হেমচন্দ্ৰ গোস্বামী (সম্পা.) ঃ *অসমীয়া সাহিত্যৰ চানেকি*
শম্ভূনাথ শৰ্মা (সম্পা.) ঃ জয়ৰাম দাসৰ *শীতলা*
দৈৱচন্দ্ৰ তালুকাদাৰ (সম্পা.)ঃ *সুকনানী পদ্মাৱতী*
বীৰেন্দ্ৰ নাথ দত্ত ঃ *গোৱালপাৰাৰ লোক সংস্কৃতি*
(----- সম্পা.) ঃ *গোৱালপৰীয়া লোকগীত সংগ্ৰহ*
ভাৰত চন্দ্ৰ দাস ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী (মনসা শাখা)*
ভবেন নাৰ্জি ঃ *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি*
ডিম্বেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী*
মহেশ্বৰ নেওগ (সম্পা.) ঃ *পীতাম্বৰদ্বিজৰ উষা-পৰিণয় কাব্য*
(—— সম্পা.) ঃ *দূৰ্গাবৰৰ গীতিৰামায়ণ*
অতুলচন্দ্ৰ বৰুৱা ঃ *মনসা-কাব্য আৰু ওজাপালি*
বিৰিঞ্চি কুমাৰ বৰুৱা আৰু
সত্যেন্দ্ৰ নাথ শৰ্মা (সম্পা.)ঃ *মনসা কাব্য*
প্ৰাণেশ্বৰ ৰাভা (সম্পা.) ঃ *মায়াৱন্তী বিষহৰী*
দীনেশ্বৰ শৰ্মা ঃ *মংগলদৈৰ বুৰঞ্জী*
নবীন চন্দ্ৰ শৰ্মা ঃ *অসমৰ ওজাপালি*
(—— সম্পা.) ঃ *সূৰ্য্যখড়ি দৈৱজ্ঞৰ বিৰচিত দৰঙ্গ ৰাজবংশাৱলী*
(—— সম্পা.) ঃ *ডাকপ্ৰবচন*
হৰিনাথ শৰ্মাদলৈ ঃ *অসমত শক্তি-সাধনা আৰু শাক্ত সাহিত্য*
কীৰ্তিনাথ শৰ্মা বৰদলৈ ঃ *সুৰ-পৰিচয়*
সত্যেন্দ্ৰ নাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*
(——) ঃ *পুৰণি সাহিত্য অধ্যয়ন*

**বঙলা ঃ**

খাঁ চৌধুৰী আমানত উল্লা আহমদঃ *কোচ বিহাৰেৰ ইতিহাস,* ১ম খণ্ড
হৰিপদ চক্ৰবৰ্তী ঃ *দাসৰথি ও তাহাৰ পাঞ্চালী*
আশুতোষ ভট্টাচাৰ্য্য (সম্পা.)ঃ *বাইশ কবিৰ মনসা-মঙ্গল*

**সংস্কৃত ঃ**

পণ্ডিত এছ.পি. (সম্পা.) ঃ *অথৰ্ববেদ*
মেক্সমূলাৰ (সম্পা.) ঃ *ঋগ্বেদ*
পঞ্চানন তৰ্কৰত্ন (সম্পা.) ঃ *কালিকা-পুৰাণ*

ৰমানাথ গোস্বামী (সম্পা.)ঃ দামোদৰ মিশ্ৰকৃত *গঙ্গাজলম্*
*দেৱী ভাগৱত*
*নাট্যশাস্ত্ৰ*
*ব্ৰহ্মবৈৱৰ্ত-পুৰাণ*

**ইংৰাজী ঃ**

B.K. Barua : *A Cultural History of Assam*
W.R. Bascom : *Contribution to Folkloristics*
W. Crooke : *Natives of Northern India*
(—–) : *The Popular Religion and Folklore of Northern India*
Dasgupta : *Obscure Religious Cults*
B. N. Datta : *A study of the Folk Culture of the Goalpara District of Assam*
Richard Doroon: *Folklore and Folklife, An Introduction*
J. Fergusson : *Tree and Surpent Worship*
Edward Gait : *A History of Assam*
J. Hastings (ed.): *Encyclopaedia of Religion and Ethics*
P.V. Kane : *History of Dharma Sastra,* Vol. V.
P.K. Maity : *Historical Studies in the Cult of Goddess Manasa*

* * *